ঈশ্বৰ পুৰুষৰ কীৰ্ত্তন মঙ্গলাচৰণ হোৱা নামঘৰক পৰম পবিত্ৰ ক্ষেত্ৰ বুলি ধৰা হয়। ধৰ্মীয় আদৰ্শ আৰু তত্বক বাদ দি নামঘৰৰ বিষয়ে চৰ্চা কৰাতো অসম্ভৱ। গুৰুজনাৰ ৰচিত কীৰ্তনৰ 'ধ্যানবৰ্ণন 'অধ্যায়ৰ আৰম্ভণিতে বৈকুণ্ঠ তুল্য নামঘৰৰ আৰ্হিৰ বিৰৰণত উল্লেখ আছে যে —

হেন বৈকুণ্ঠৰ মাজত পাছে
উচ্ছিত ৰত্ন মন্দিৰেক আছে। (১৪৯)
বৈদুৰ্য স্তম্ভ স্ফতিকৰ বাৰ।
মাণিক্য, কপাট, হীৰাৰ দ্বাৰ।।
কাটিলা জিঞ্জিৰি সুৰ্ণাৱলী।
বিচিত্ৰ মণি মৰকত স্থলী।। (১৫০)
পদ্মৰাগ ৰত্নে লগাইলা চৌতি।
কৌটি সূৰ্য যেন প্ৰখৰ জ্যৌতি।।
বিচিত্ৰ চন্দ্ৰতাপ আছে টানি।
আঁৰিলা মুৰাৰী মুকুতা মণি। (১৫১)
হেন মন্দিৰে ৰত্ন সিংহাসনে।
আছন্ত বহি প্ৰভু নাৰায়ণে।।
চৌপাশে সেৰে পাৰিষদ যত।
মৌক্তিক ছত্ৰধৰি ওপৰত।। (১৫২)

ধ্যান বৰ্ণনা অনুসৰিয়েই নামঘৰৰ মণিকূট ভাগ নিৰ্মাণ কৰি মাজভাগত সিংহাসন স্থাপন কৰা হয়। মণিকূট হৈছে নামঘৰৰ হৃৎপিণ্ড আৰু আধ্যাত্মিক চিন্তা-চেতনাৰ যাদুঘৰ। মণিকূটৰ মাজ ভাগত কাঠেৰে নিৰ্মিত আসন বা থাপনাই হৈছে গুৰু আসন। গুৰু আসন তিনি প্ৰকাৰৰ- সিংহাসন, গৰুড়াসন আৰু ম'ৰাসন। ৰাজহুৱা নামঘৰত সিংহাসনহে প্ৰতিষ্ঠা কৰা হয়। তিনিখলপৰ পৰা সাত খলপিয়াকৈ সিংহাসন সজা হয়। খলপাসমুহত শ্ৰীকৃষ্ণৰ লীলাসমূহ হেঙুল -হাইতালেৰে সুন্দৰকৈ অংকন কৰা হয়। সিংহাসনৰ সাতোটা খলপাই সপ্তবৈকুণ্ঠ-স্বেতবিলাস, শান্তনুবিলাস, পুৰণবিলাস, পংকজবিলাস, কনকদন্ত , সনাতন আৰু গোলোকৰ প্ৰতীক। চাৰিকোণীয়া সিংহাসনৰ প্ৰতিটো কোণত একোটা সিংহৰ প্ৰতীক থাকে। এই সিংহৰ অৱয়ৰ বন্য সিংহতকৈ বেলেগ । এই সিংহই আঁঠুলৈ থকা হাতীক আগভৰি দুখনেৰে হেঁচি ৰাখে। হাতী হ'ল শ্ৰীমদ্ভাগৱতপুৰাণৰ গজেন্দ্ৰৰ প্ৰতীক। হাতী বিষয়-বাসনাৰো প্ৰতীক। একেবাৰে তলত থকা কুৰ্ম অৰ্থাৎ কাছ হৈছে ধৈৰ্য, সংযম আৰু সহিষ্ণুতাৰ প্ৰতীক। কাছই যেনেকৈ খোলাটোৰ ভিতৰত অংগবোৰ সুমুৱাই ৰাখিব পাৰে, সেইদৰে ভক্তইও ৰিপুসমূহ দমন কৰিব পাৰে। ভক্তৰ হৃদয়ত পাপ আৰু বিষয়-বাসনা নাথাকে। সিংহই যেনেকৈ বিষয়-বাসনাৰ প্ৰতীক গজেন্দ্ৰক দমন কৰি থাকে, ঠিক তেনেকৈ নামেও ভকতৰ পাপ আৰু বিষয়-বাসনাক অৱদমিত কৰি ৰাখে। সিংহাসনৰ একেবাৰে ওপৰৰ খলপাত সৰু ঘৰটোক 'আমহী' ঘৰ বোলা হয়। সেই সৰু ঘৰটোৰ ভিতৰতে চৈতন্য মুৰ্তি ঈশ্বৰৰ ৰূপ হিচাপে গুৰুজনাৰ ৰচিত বিশেষ পুথি গুণমালা বা ভাগৱত প্ৰতিষ্ঠা কৰা হয়। গুণমালা বা ভাগৱত প্ৰতিষ্ঠাৰ লগে লগেই ঘৰটো প্ৰাণৱন্ত হৈ উঠে আৰু আসনখনি গুৰু আসনৰূপে পৰিগনিত হয়।

**০.০.৬. জাতীয় নাটশাল ঃ**

নামঘৰ অসমীয়া জাতীয় নাটশাল। শংকৰদেৱৰ সৰ্বোত্তম সৃষ্টি অংকীয়া ভাওনাই নামঘৰৰ মাধ্যমেৰে অসমীয়া সমাজত অভিনয়ৰ পৰা আহাৰ্য্যলৈ, সংগীত- নৃত্যৰ পৰা বাদ্য-যন্ত্ৰ নিৰ্মাণ আৰু অন্যান্য দিশ সামৰি এক নতুন কৰ্মযজ্ঞৰ আৰম্ভ কৰে। ভাওনাৰ মাজত শাস্ত্ৰীয় আৰু লৌকিক সৌন্দৰ্য্যৰ লগতে ভক্তি আদৰ্শৰ মূল দিশো প্ৰতিফলিত কৰা হয়। ভাওনাৰ মাজেদি শংকৰদেৱে সেই সময়ৰ ৰাজনৈতিক সংঘাতপূৰ্ণ অৱস্থা, বৰ্ণাশ্ৰমৰ সংস্কাৰৰ পৰা উৎপন্ন হোৱা বিভেদ নীতি আৰু ব্যভিচাৰৰ পৰা সাধাৰণ মানুহৰ জীৱনক উলিয়াই আনি সমতা আৰু মৰ্য্যদা ভিত্তিক পথ নিৰ্মাণ কৰি নামঘৰৰ মজিয়াত ঐশ্বৰিক চেতনাৰ দ্বাৰা এক পৰিশীলিত জীৱনবোধ সঞ্চাৰিত কৰিছিল। অভিনয়ৰ দ্বাৰা ল'ৰা-ছোৱালীৰ ৰসানুভূতি, কল্পনাশক্তি, স্মৰণশক্তি আৰু স্বৰসাধন হয়। সেইবাবে ইউৰূপ, আমেৰিকা আদিত 'Theatre of Education for children' আদি স্থাপন কৰা হৈছে। নামঘৰ আৰু ভাওনাই অসমীয়া গাঁৱলীয়া সমাজক এনে শিক্ষাকে যুগে যুগে দি আহিছে।

**০.০.৭. সাম্যবাদৰ প্ৰতীক ঃ**

কুৰি শতিকাৰ কালমাক্সৰ সাম্যবাদী চিন্তাৰাজিক মহাপুৰুষ শংকৰদেৱে পাঁচশ বছৰৰ আগতেই অসমত ঘোষণা কৰিছিল। সাম্যবাদী শংকৰদেৱৰ প্ৰধান স্তম্ভ আছিল নামঘৰ। নামঘৰৰ মজিয়া ভক্তি অৰ্চনাৰ পুণ্য ঠাই আৰু আনফালে সামাজিক ন্যায়ৰো কেন্দ্ৰস্থল। নামঘৰৰ দুৱাৰ সকলোৰে বাবেই মুক্ত। গাৰোৰ গোবিন্দ, নগাৰ নৰোত্তম, মিছিমৰ পৰমানন্দ, কৈৱত্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিধন,, কলিতাৰ গোপাল,

মুছলমানৰ ছান্দসাই আৰু অনেকে একেলগে নামঘৰৰ মজিয়াত কুহিলাৰ আসনত বহি হাতচাপৰি বজাই পৰম-পুৰুষ কৃষ্ণৰ গুণ-কীৰ্তন আৰু মত বিনিময় কৰিবলৈ সুবিধা পাইছিল। সকলো সম্প্ৰদায়ৰ মানুহে নামঘৰত প্ৰৱেশ কৰিব পাৰে। যোগ্য সকলো বৰ্ণৰ মানুহে ভাওনাত ভাও লব পাৰে , সূত্ৰধাৰ হৈ নাচিব পাৰে, নাম-লগোৱা হৈ নাম দিব পাৰে, গায়ন হৈ খোল-মৃদংগ বজাব পাৰে। ধনী-দুখীয়া, উচ্চ- নীচৰ পাৰ্থক্য নাৰাখি শংকৰদেৱে ধৰ্মক সৰ্বসাধাৰণ মাজলৈ নামঘৰ আৰু সত্ৰ অনুষ্ঠানৰ জৰিয়তে টানি আনিবলৈ সক্ষম হৈছিল।

**০.০.৭. নামঘৰ আৰু গণতান্ত্ৰিক মুল্য ঃ**

নামঘৰ গণতান্ত্ৰিক চিন্তাধাৰাৰ মূৰ্ত প্ৰতীক। নামঘৰক গ্ৰামীন শাসনৰ মুল আধাৰ স্বৰূপ বুলি ক'ব পাৰি। ভাৰতীয় স্বায়ত্ব শাসনৰ প্ৰথম স্তৰ ৰূপে যেতিয়া মূল প্ৰদেশবোৰক চীফ কমিশ্যনৰ শাসনৰ পৰা গৱৰ্ণৰ শাসনলৈ নিয়াৰ প্ৰস্তুতি চলোৱা হৈছিল। সেই সময়ত অসমক সেই মৰ্য্যদাৰ পৰা বঞ্চিত কৰিব বিচৰা হৈছিল। সেই সময়ত অসমৰ বাবে মৰ্য্যদাৰ তৰ্ক কৰোতে দাঙি ধৰা যুক্তিৰ মূল ভেটি নামঘৰেই আছিল। প্ৰতিনিধি সকলে দাবি কৰিছিল "ভাৰতৰ আন-আন প্ৰদেশবোৰৰ সামাজিক আৰু সাংস্কৃতিক অৱস্থাৰ তুলনাত অসম পিছপৰা যে নহয়েই ই নিশ্চিত ভাৱে সেইবোৰতকৈ আগবঢ়া। আজি অসমত ৰাজনৈতিক স্বায়ত্ব শাসনৰ সামান্য সুবিধা এটা দিয়াত আপোনালোকে কেৰো ঘেহোঁ কৰিছে, কিন্তু অসমে যোৱা ৪৫০ বছৰ নামঘৰ আৰু সত্ৰ অনুষ্ঠান আদিৰ যোগেদি নিজ স্বায়ত্ব শাসন অতি সুচাৰু ৰূপে আজিলৈকে চলাই আছে।"

এইদৰে নামঘৰ অসমীয়াৰ গ্ৰাম্য সদন। নামঘৰক অসমীয়া মানুহে ভয় আৰু শ্ৰদ্ধা কৰে। দোষৰ ক্ষমা বিচাৰি নামঘৰত তামোল-পাণ বন্তি আৰু শৰাই আগবঢ়াই ৰাইজৰ ওচৰত আঠু লৈ দোষীয়ে ক্ষমা বিচাৰে আৰু নামঘৰত গঞা ৰাইজে বিচাৰ কৰি ভৱিষ্যতলৈ দোষ নকৰাৰ শপত লৈ অ' হৰি, অ' ৰাম" কৈ আশীৰ্বাদ আৰু ক্ষমা প্ৰদান কৰে।

**০.০.৮. নামঘৰ আৰু শিষ্টাচাৰ ঃ**

অসমীয়া জনসাধাৰণৰ মাজত ভাৰতত আন ৰাজ্যৰ তুলনাত কিছুমান অসাধাৰণ বিশেষতা দেখা যায়। আখৰ চিনি নোপোৱা অসমীয়া গাঁওবাসীয়ে কথাই কথাই কীৰ্ত্তন, দশম, ঘোষা, ভাগৱতৰ উদাহৰণ দিব পাৰে, সুৰ লগাই পদ গাব পাৰে। শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ নোলোৱাকৈ শ্যাম, কল্যান, আশোৱাৰী, কৌ আদি বিভিন্ন শাস্ত্ৰীয় ৰাগ দি বৰগীত গাব পাৰে, গীত মাতৰ লগতে খোল, তাল, মৃদংগ বজাব পাবে, ভাওনাত সৰু ধেমালি, বৰ ধেমালী, ন ধেমালি আদি শাস্ত্ৰীয় সুৰ বজাব পাৰে। আনৰ গাত ভৰি লাগিলে সেৱা জনাই অসমীয়া মানুহে ক্ষমা খোজে। অসমীয়া মহিলাই ৰন্ধন শালত সোমোৱা যোগ্য বোৱাৰীক নীতি সদাচাৰ শিকাই হে পাকঘৰত কাম কৰিবলৈ দিয়ে। সাজপাৰ, কথা-বতৰা সকলোতে অসমীয়া সমাজৰ মাৰ্জিত ৰুচিবোধ। এই সকলোবোৰ ধৰ্মীয় বিশ্বাস আৰু সত্ৰ, নামঘৰ আদিৰ দ্বাৰাহে সম্ভৱপৰ হৈছে।

**উপসংহাৰ ঃ**

ভাৰতৰ অন্যতম ৰাজ্য অসম প্ৰদেশক মধ্যযুগৰ ভক্তি আন্দোলনৰ মূল হোতা শংকৰ-মাধৱৰ যুগান্তকাৰী অৱদান, সাহিত্য, সংস্কৃতি, গীত, নাট, সত্ৰ, নামঘৰ আদি অনুস্থানে যিদৰে ধৰ্ম, বিশ্বাস, শ্ৰদ্ধা আৰু আনন্দেৰে আধাৰিত কৰি পূৰ্ণ কৰিছিল, সেই নিৰবিচিন্ন ধাৰা আজিও অসমীয়া সমাজ জীৱনৰ মাজেদি প্ৰৱাহিত হৈ আছে, যিবোৰক বাদ দিলে অসমীয়া জাতীয় অস্তিত্বই শূণ্য হৈ পৰিব। দয়া, ক্ষমা, প্ৰেম আদি স্বৰ্গীয় সম্পদেৰে পৰিপূৰ্ণ নামঘৰ অসমীয়া জাতিৰ মেৰুদণ্ড সদৃশ। আজিৰ যুৱ-উশৃংখলতাৰ দিনত যুৱ সমাজক স্থিৰ কৰিবলৈ নামঘৰ, ভয়, ভক্তি আৰু ধৰ্মীয় বিশ্বাসৰ অতি প্ৰয়োজন। ❑

**প্ৰসংগ পুথি ঃ**

১। শ্ৰীশ্ৰী মাধবদেৱ সম্পাদক- তিলক দাস
২। যুগনায়ক সংকৰদেৱ - ডিম্বেশ্বৰ নেওগ
৩। চিন্তামনি আলোচনী- সম্পাদক- প্ৰভাত চন্দ্ৰ দাস
৪। ৭ম বছৰ ৪ৰ্থ আৰু ৫ম সংখ্যা
৫। একাদশ বছৰ প্ৰথম সংখ্যা
৬। ভিন্নজনৰ দৃষ্টিত সত্ৰৰ উৎপত্তি আৰু বিচ্যুতি- প্ৰভাত চন্দ্ৰ দাস
৭। নামঘৰ- নিৰ্মল চন্দ্ৰ বৰা
(প্ৰবন্ধ) খবৰ, ২৮ নবেম্বৰ' ২০০৭
৮। সচ্চিদানন্দ- শ্ৰীমন্তশঙ্কৰদেৱ সংঘৰ ৯১সংখ্যক বাৰ্ষিক অধিবেশনৰ স্মৃতিগ্ৰন্থ

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোকত ৰামধেনু যুগৰ নাৰী গল্পকাৰৰ চুটি গল্প ঃ এক অধ্যয়ন

(নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ গল্পৰ বিশেষ উল্লিখনসহ)



ড° অম্বেশ্বৰ গগৈ

সহযোগী অধ্যাপক, অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয় (গুৱাহাটী), অসম
০৯৮৫৪০-৭৪৭৭১
ambeswar@gmail.com



ড° বি ডি নিশা

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
পানীগাঁও ওমপ্ৰকাশ দিনোদীয়া
মহাবিদ্যালয়, লখিমপুৰ, অসম
৯১৯১০১৮০৬৪২৬
bdnishabaruah@gmail.com

## ০.০ অৱতৰণিকা ঃ

সাম্প্ৰতিক সময়ত সাহিত্য সমালোচনাৰ ক্ষেত্ৰখনত জন্মলাভ কৰা এক সাহিত্যিক মতবাদ হ'ল ইক'ফেমিনিজম। ইংৰাজী Ecofeminism শব্দটোৰ অসমীয়া পৰিভাষা হ'ল পাৰিপাৰ্শ্বিক নাৰীবাদ বা পৰিৱেশ বিষয়ক নাৰীবাদ। মূলতঃ পৰিৱেশ আৰু নাৰীৰ মাজৰ যোগসূত্ৰ সম্পৰ্কে এই অৱধাৰণাৰ মাজেৰে আলোচনা কৰা হয়। 'পৰিৱেশ সম্বন্ধীয় নাৰীবাদ' বিষয়ক কথাষাৰ নাৰীবাদতকৈ অধিক ব্যাপক। এই ব্যাপক বিষয়টোৰ অন্তৰ্গত আন এটি গুৰুত্বপূৰ্ণ বিষয় হ'ল— নাৰীবাদ। এই সম্পৰ্কত মালাদেৱী বৰগোহাঁয়ে তেখেতৰ 'ইক'ফেমিনিজম' শীৰ্ষক নিবন্ধত কৈছে— 'নাৰীবাদে বিশ্বত নাৰী বিষয়ক সকলো আলাচনাকে ইক'ফেমিনিষ্ট বিষয়টোৰ আয়ত্তৰ ভিতৰলৈ আনিবলৈ প্ৰয়াস কৰে। (২৫)

বিংশ শতিকাৰ যাঠি-সত্তৰৰ দশকত বিকাশ লাভ কৰা নাৰী আৰু পৰিৱেশ সম্বন্ধীয় এই অৱধাৰণাক বুজাবলৈ ফ্ৰান্সৰ নাৰীবাদী লেখক ফ্ৰাঁচোৱা ডি'উবন (Francoise d'Eaubonne)-এ 'Ecofeminism' শব্দটো তেওঁৰ ১৯৭৪ চনত প্ৰকাশিত *Feminism or Death* শীৰ্ষক গ্ৰন্থত পোনপ্ৰথমে ব্যৱহাৰ কৰিছিল। (Merchant 193) ফ্ৰাঁচোৱা ডি'উবনৰ পৰৱৰ্তী সময়ত Institute of Social Ecology-এ Ecofeminism শব্দটো ইংৰাজী ভাষাত প্ৰয়োগ কৰে। এই সংস্থাৰ অধীনতে ১৯৭৬ চনত পাশ্চাত্যত পাৰিপাৰ্শ্বিক নাৰীবাদ (Ecofeminism) শীৰ্ষক পাঠ্যক্ৰম আৰম্ভ হয়। এই পাঠ্যক্ৰম নাৰীবাদৰ হোত্ৰী নেষ্ট্ৰা কিং (Ynestra King)ৰ তত্ত্বাৱধানত পৰিচালিত হৈছিল। (Banja 16) নেষ্ট্ৰা কিং (Ynestra King)ৰ লগতে এই আন্দোলনৰ বিকাশত সহায় কৰা অন্যান্য পাৰিপাৰ্শ্বিক নাৰীবাদৰ দাৰ্শনিক তথা সমালোচকসকল হ'ল— ৰ'জ মেৰী ৰেডফৰ্ট ৰুথৰ (Rose Mary Redfort Ruether), ইবোন গিবাৰা (Ivone Gebara), বন্দনা শিৱা (Vandana Shiva), চুচান গ্ৰিফিন (Susan Griffin), চান আই লী পাৰ্ক (Sun Ai Lee-Park), গ্ৰেটা গাৰ্ড (Greta Gaard), কৰন জে বাৰেন (Karen J Waren), আণ্টি স্মিথ (Anti Smith) আদিয়ে।

পাশ্চাত্যত বিকাশ লাভ কৰা এই আন্দোলনৰ প্ৰভাৱ ভাৰতবৰ্ষতো পৰিছিল। ভাৰতীয় প্ৰেক্ষাপটত এই আন্দোলনৰ বিকাশত পৰিবেশ বিষয়ক আন্দোলনসমূহৰ প্ৰভাৱ মনকৰিবলগীয়া। এই প্ৰসংগত বিষ্ণই আন্দোলন (Bishnoi Movement,

1643); চিপকো আন্দোলন (Chipko Movement, 1973) বিশেষভাৱে উল্লেখনীয়। ভাৰতবৰ্ষৰ ৰাজস্থান, উত্তৰাখণ্ড আৰু অন্ধ্ৰপ্ৰদেশত হোৱা বিষ্ণই, এণ্টি এৰেক আৰু চিপকো আন্দোলনৰ মাজেৰে বিকাশৰ নামত প্ৰকৃতিৰ ওপৰত ধ্বংসলীলা চলাবলৈ উদ্যত হোৱা পুৰুষসকলক নাৰীসকলে বাধা আৰোপ কৰিছিল। তেওঁলোকে প্ৰকৃতিক এক জীৱন্ত সত্তাৰূপে স্বীকাৰ কৰি আত্ম বলিদানেৰে প্ৰকৃতিক ৰক্ষণাবেক্ষণ দিবলৈ কৰা প্ৰচেষ্টাই ইক'ফেমিনিজম আন্দোলনটোৰ বিকাশত সহায় কৰিছিল। ভাৰতবৰ্ষত এই আন্দোলনৰ বিকাশত বন্দনা শিৱাই বিশেষ অৰিহণা যোগাইছিল। ১৯৯৩ চনৰ মাৰিয়া মাইচ (Maria Mies)-ৰ লগত বন্দনা শিৱাই যুটীয়াভাৱে প্ৰকাশ কৰা *Ecofeminism* শীৰ্ষক গ্ৰন্থখন পাৰিপাৰ্শ্বিক নাৰীবাদ সম্পৰ্কীয় উল্লেখনীয় ৰচনা। পৰৱৰ্তী সময়ত বন্দনা শিৱাৰ পাৰিপাৰ্শ্বিক নাৰীবাদ সম্পৰ্কীয় চিন্তা-চেতনা পাশ্চাত্যৰ দেশসমূহতো বহুলভাৱে চৰ্চিত হয়।

পাৰিপাৰ্শ্বিক নাৰীবাদ সম্পৰ্কে মেৰি মেল'ৰ (Mary Mellore)-এ মন্তব্য আগবঢ়াইছে যে, পাৰিপাৰ্শ্বিক নাৰীবাদ হ'ল এনে এক আন্দোলন য'ত প্ৰকৃতি জগতত মানুহে চলোৱা শোষণ আৰু অপকৰ্ম আৰু নাৰীক পৰাধীন কৰি ৰাখিবলৈ কৰা উৎপীড়নৰ মাজত যোগসূত্ৰ বিচাৰ কৰা হয়। (1) আন এগৰাকী পাৰিপাৰ্শ্বিক নাৰীবাদৰ দাৰ্শনিক কৰণ জে ৱাৰেনৰ মতে, পাৰিপাৰ্শ্বিক নাৰীবাদ প্ৰকৃতি আৰু নাৰীৰ ওপৰত পুৰুষৰ আধিপত্য তথা প্ৰকৃতি আৰু স্ত্ৰীৰ মাজৰ লিংগগত সম্বন্ধৰ অধ্যয়ন কৰা নীতিশাস্ত্ৰ। প্ৰকৃততে স্ত্ৰী আৰু প্ৰকৃতিৰ কেন্দ্ৰবিন্দুত প্ৰতিষ্ঠিত এক বৌদ্ধিক অধ্যয়নেই হ'ল ইক'ফেমিনিজম। (Banja 14) ন'ৱেল ষ্টাৰজিন (Noel Sturgeon)-ৰ মতে, পাৰিপাৰ্শ্বিক নাৰীবাদ হ'ল এনে এক আন্দোলন য'ত পৰিৱেশবাদ (Environmentalism) আৰু নাৰীবাদ (Feminism)-ৰ মাজত যোগসূত্ৰ স্থাপন কৰা হয়। বহল অৰ্থত এই তত্ত্বৰ জৰিয়তে লিংগ, জাতি আৰু বৰ্ণগত বৈষম্যৰ ভাৱধাৰাৰ লগত পৰিৱেশৰ ওপৰত চলা অৱদমন আৰু উৎপীড়নৰ মাজৰ সম্পৰ্ক বিচাৰ কৰে। (23)

পাৰিপাৰ্শ্বিক নাৰীবাদৰ পাৰিভাষিক অৰ্থ আৰু ইয়াৰ সংজ্ঞালৈ মন কৰিলে দেখা যায় যে, ই হৈছে এনে এটা ধাৰণা, যি ধাৰণা অনুসৰি নাৰী আৰু প্ৰকৃতিৰ মাজত এক সাদৃশ্য বিচাৰ কৰা হয়। সৃষ্টিৰ পাতনিৰে পৰা প্ৰকৃতিক ইয়াৰ উৰ্বৰতা শক্তিৰ বাবে স্ত্ৰী (লিংগৰ ক্ষেত্ৰত) ৰূপে গণ্য কৰা হয়। নাৰী আৰু প্ৰকৃতি দুয়ো জন্মদাত্ৰী কিয়নো এগৰাকী মাতৃয়ে যিদৰে নিজৰ সন্তানক মাতৃ দুগ্ধ পান কৰাই ডাঙৰ দীঘল কৰে একেদৰেই প্ৰকৃতিয়েও জীৱন ধাৰণৰ সকলো আহিলাৰ যোগান ধৰি মানৱ জাতিক প্ৰতিপালন কৰি আহিছে। প্ৰকৃতি আৰু মানুহৰ জীৱন ওতপ্ৰোতভাৱে জড়িত সেয়ে প্ৰকৃতি আৰু নাৰী দুয়ো লালন-পালনৰ ক্ষেত্ৰত সমতুল্য। কিন্তু প্ৰকৃতি জন্মদাত্ৰী হ'লেও মানুহে প্ৰকৃতি জগতৰ ওপৰত নানা হেঁচা প্ৰয়োগ কৰি অবাধ লুণ্ঠন চলাই আহিছে যিদৰে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ ওপৰতো নানা মানসিক শাৰীৰিক হেঁচা প্ৰয়োগ কৰি আহিছে।

ইক'ফেমিনিষ্টসকলৰ মতে প্ৰকৃতিৰ শোষণ আৰু নাৰী দমনৰ মাজত আৰম্ভণিৰে পৰা যোগসূত্ৰ আছে। অন্য কথাত ক'বলৈ হ'লে পুৰুষ প্ৰধান সমাজে নাৰী আৰু প্ৰকৃতিৰ ওপৰত চলোৱা লুণ্ঠন বা অৱদমিত কৰিবলৈ চেষ্টা কৰা মানসিকতা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচনাত আন এক মনকৰিবলগীয়া দিশ হ'ল লিংগ বৈষম্য অৰ্থাৎ সমালোচকসকলৰ মতে নাৰী আৰু পুৰুষ দুয়ো এক ব্যক্তিসত্তা। স্বতন্ত্ৰ ব্যক্তিসত্তা ৰূপে নাৰী-পুৰুষ উভয়ৰে সামাজিক, ৰাজনৈতিক ক্ষেত্ৰত সম-অধিকাৰ থকা উচিত।পাৰিপাৰ্শ্বিক নাৰীবাদে এই দিশসমূহকে মূল ৰূপে গ্ৰহণ কৰি সাহিত্যত ইয়াৰ প্ৰতিফলন সম্পৰ্কে বিচাৰ কৰে।

নাৰী আৰু প্ৰকৃতিৰ বৰ্ণনা পৃথিৱীৰ প্ৰত্যেক সাহিত্যতে পোৱা যায়। পৌৰাণিক ভাৰতীয় সাহিত্য, আধুনিক সাহিত্যৰ প্ৰায়বোৰ উপাদানতে নাৰী আৰু প্ৰকৃতিৰ বৰ্ণনা আছে। এইক্ষেত্ৰত অসমীয়া সাহিত্যও ব্যতিক্ৰম নহয়। বিশেষকৈ আধুনিক অসমীয়া সাহিত্যৰ প্ৰায়বোৰ উপাদানতে নাৰী আৰু প্ৰকৃতিৰ বৰ্ণনা প্ৰচুৰ পৰিমাণে দেখা যায়। নাৰী আৰু প্ৰকৃতি সম্পৰ্কীয় চিন্তা-চেতনাই অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰখনত বিশেষভাৱে প্ৰকাশিত হৈছে। জোনাকী যুগ, আৱাহন যুগৰ গল্পকাৰসকলৰ গল্পত এনে চেতনা সহজলভ্য যদিও বিংশ শতিকাৰ মাজভাগত প্ৰকাশ পোৱা ৰামধেনু (১৯৫০) আলোচনীৰ গল্পকাৰসকলৰ গল্পত নাৰী সম্পৰ্কীয় চিন্তা-চেতনাই আৰু অধিক ব্যাপকতা লাভ কৰে। ৰামধেনু আলোচনীৰ জৰিয়তে আত্মপ্ৰকাশ কৰা পুৰুষ গল্পকাৰসকলৰ তুলনাত নাৰী গল্পকাৰসকলৰ গল্পত এনে চিন্তাৰ প্ৰকাশ আছিল অধিক। এই প্ৰসঙ্গত নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়চম গোস্বামীৰ নাম বিশেষভাৱে উল্লেখনীয়।

নিৰুপমা বৰগোহাঞিৰ— খিৰিকী কাষৰ গছ, এনগ্ৰপলজিৰ সপোনৰ পিছত, মদাৰ গছ, আকাশলৈ দূৰ নহয়, ঢেঁকীৰ সৰগ, মোৰ নাম কমলিনী কলিতা; মামণি ৰয়ছম গোস্বামীৰ— ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা, ভুল ঠিকনা, সংস্কাৰ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ অধ্যয়নৰ ভিতৰুৱা দিশসমূহৰ প্ৰকাশ দেখিবলৈ পোৱা যায়।

**০.১ অধ্যয়নৰ উদ্দেশ্য ঃ**

পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোকত ৰামধেনু যুগৰ নাৰী গল্পকাৰৰ চুটিগল্প ঃ এক অধ্যয়ন শীৰ্ষক অধ্যয়নৰ মূল উদ্দেশ্য হ'ল—

১। ৰামধেনু যুগৰ নাৰী গল্পকাৰসকলৰ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰয়োগৰ স্বৰূপ নিৰ্ণয় কৰা।

২। আলোচিত গল্পকাৰসকলৰ গল্পৰ বিভিন্ন দিশ (কাহিনী, চৰিত্ৰ, সংলাপ)ত পাৰিপাৰ্শ্বিক নাৰীবাদে কেনেদৰে গুৰুত্ব লাভ কৰিছে তাৰ বিচাৰ কৰা।

**০.২ অধ্যয়নৰ পৰিসৰ ঃ**

*পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোকত ৰামধেনু যুগৰ নাৰী গল্পকাৰৰ চুটিগল্প ঃ এক অধ্যয়ন* শীৰ্ষক আলোচনাত পাৰিপাৰ্শ্বিক নাৰীবাদৰ এক পৰিচয়মূলক বৰ্ণনা দাঙি ধৰি ৰামধেনু যুগৰ নাৰী গল্পকাৰ ক্ৰমে নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহত পাৰিপাৰ্শ্বিক নাৰীবাদ ধাৰণাৰ প্ৰয়োগ আৰু প্ৰতিফলন সম্পৰ্কে আলোচনা কৰা হৈছে।

**০.৩ অধ্যয়নৰ উৎস আৰু পদ্ধতি ঃ**

গৱেষণা পত্ৰখনৰ আলোচনাৰ সহায় হোৱাকৈ মুখ্য উৎসৰূপে নিৰুপমা বৰগোহাঞি আৰু মামণি ৰয়ছম গোস্বামীৰ গল্পসমূহৰ লগতে মূল বিষয়ৰ লগত সম্পৰ্কযুক্ত গৱেষণাগ্ৰন্থৰ সহায় লোৱা হৈছে । ইয়াৰ উপৰি পাৰিপাৰ্শ্বিক নাৰীবাদ সম্পৰ্কীয় তাত্ত্বিক গ্ৰন্থৰ মুখ্য উৎসৰূপে সহায় লোৱা হ'ব। গৌণ উৎসৰূপে দুয়োগৰাকী গল্পকাৰৰ গল্প বিষয়ক সমালোচনা গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে।

গৱেষণা পত্ৰখনৰ তাত্ত্বিক আধাৰৰূপে পাৰিপাৰ্শ্বিক নাৰীবাদ তত্ত্বক গ্ৰহণ কৰা হৈছে আৰু পত্ৰখন প্ৰস্তুত কৰিবলৈ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০ মূল বিষয়ৰ আলোচনা ঃ**

**১.০.১ পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোকত ৰামধেনু যুগৰ নাৰী গল্পকাৰৰ চুটিগল্প ঃ**

**১.০.১.১ ৰামধেনু যুগৰ নাৰী গল্পকাৰ ঃ**

অসমীয়া চুটিগল্প সাহিত্যলৈ ৰামধেনু (১৯৫০) আলোচনীৰ অৱদান যথেষ্ট। ৰামধেনুৰ আধুনিকতাবাদী আন্দোলনৰ বাহক আছিল চুটি গল্প সাহিত্য। ৰামধেনুৱে এদল নতুন প্ৰতিশ্ৰুতবদ্ধ গল্পকাৰৰ জন্ম দিছিল আৰু বৰ্তমানৰ অসমীয়া চুটিগল্পৰ ধাৰাটোক প্ৰতিষ্ঠা কৰি ভৱিষ্যতৰ বাবে প্ৰসাৰিত কৰিছিল। ৰামধেনুৰ মাধ্যমেৰে বহুতো নাৰী গল্পকাৰে আত্মপ্ৰকাশ কৰিছিল।তেওঁলোকৰ ভিতৰত নিৰুপমা বৰগোহাঞি, মামণি ৰয়ছম গোস্বামী, স্নেহ দেৱী, অনিমা দত্ত ভঁৰালী, প্ৰবীণা শইকীয়া, প্ৰীতি ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ, দীপালী বৰা, চপলা দাস, কুসুম বৰা, বীণা দেৱী আদি অন্যতম।

**১.০.১.১.১ গল্পকাৰ নিৰুপমা বৰগোহাঞি ঃ**

*ৰামধেনু* আলোচনীত গল্প চৰ্চাৰে জনপ্ৰিয় হৈ পৰা নিৰুপমা বৰগোহাঞিৰ প্ৰকাশিত গল্প সংকলন হ'ল— *অনেক আকাশ, জলছবি, শূন্যতাৰ কাব্য, জননীৰ সন্ধানত এজন ডেকা মানুহ, ইপাৰ সিপাৰ, প্ৰেমৰ বাবে স্বপ্নৰ বাবে, খিৰিকী কাষৰ গছ, সপোনৰ পিছত, আকাশলৈ দূৰ নহয়*। ১৯৪৪ চনত *শান্ত ছোৱালীজনী তাই* গল্পৰে আত্মপ্ৰকাশ কৰা বৰগোহাঞিয়ে *ৰামধেনুৰ* পাতত নীলিমা দেৱী ছদ্মনামেৰে ৭ টা গল্প লিখিছিল। সেই গল্পসমূহ হ'ল— *তেন্টালাচ* (ৰামধেনু ষষ্ঠ বছৰ, দ্বিতীয় সংখ্যা), *প্ৰতিবিম্ব* (ষষ্ঠা বছৰ, পঞ্চম/ষষ্ঠ সংখ্যা), *মৃত্যুঞ্জয়* (সপ্তম বছৰ, দ্বিতীয় সংখ্যা), *মিডাছৰ ট্ৰেজেদী* (অষ্টম বছৰ, প্ৰথম সংখ্যা), *জীৱন জীয়াই থাকে* (নৱম বছৰ, নৱম সংখ্যা), *আৱিষ্কাৰ* (দশম বছৰ, ষষ্ঠ সংখ্যা) আদি। *ৰামধেনুত* প্ৰকাশ পোৱা তেওঁৰ অন্যান্য গল্পসমূহ হ'ল— *পেহীদেউ* (দশম বছৰ, দ্বিতীয় সংখ্যা), *চ্যুতি* (দশম বছৰ, দশম সংখ্যা), *জন্ম* (দ্বাদশ বছৰ, তৃতীয় সংখ্যা), *দ্বিতীয় মৃত্যু* (দ্বাদশ বছৰ, দ্বাদশ সংখ্যা) আদি।

নিৰুপমা বৰগোহাঞিৰ সুদীৰ্ঘ গল্প ৰচনা কালছোৱাত কেইবাটাও স্তৰ অতিক্ৰম কৰা দেখিবলৈ পোৱা যায়। প্ৰতিটো স্তৰে তেওঁৰ চিন্তা-চেতনা আৰু সৃষ্টিশীলতাৰ উত্তৰণৰ দিশটো সুস্পষ্ট কৰি তোলে। প্ৰথমাৱস্থাত নাৰীকেন্দ্ৰিক অনেক সমস্যা সংকটে তেওঁক বিচলিত কৰিছিল। পুৰুষ শাসিত সমাজ

ব্যৱস্থাত নাৰী নিগ্ৰহ, নাৰীৰ প্ৰতি অমানৱীয় দৃষ্টিভংগী বিবাহিত নাৰী জীৱন যন্ত্ৰণা আদিয়েই গল্পবোৰৰ মুখ্য বিষয় আছিল। নাৰী মুক্তিৰ চেতনাই তেওঁক প্ৰগতিশীল নাৰীবাদী লেখিকাৰূপে প্ৰতিষ্ঠা কৰিছিল, পৰৱৰ্তী সময়ত তেওঁৰ গল্পৰ বিশালতাৰ দিশলৈ গতি কৰে। (বৰুৱা ২৭২)

**১.০.১.১.১ গল্পকাৰ মামণি ৰয়ছম গোস্বামী ঃ**

ৰামধেনুৰ শেষৰ স্তৰত গল্পকাৰৰূপে আত্মপ্ৰকাশ কৰা মামণি ৰয়ছম গোস্বামীৰ প্ৰকাশিত গল্প সংকলনসমূহ হ'ল— চিনাকি মৰম (১৯৬২), কইনা (১৯৬৬), হৃদয় এক নদীৰ নাম (১৯৯০), মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প (১৯৯৮)।

ৰামধেনুত প্ৰকাশিত তেওঁৰ গল্প মাত্ৰ এটা। সেইটো হ'ল— বীজাণু (পঞ্চদশ বছৰ, দশম সংখ্যা)। মামণি ৰয়ছম গোস্বামীৰ গল্পত গভীৰ জীৱনবোধ অনুভৱ কৰা যায়, যি জীৱনবোধৰ লগত জীৱনৰ নিবিড়তম কাৰুণ্য নিহিত হৈ থাকে, ইমান গভীৰ জীৱনবোধ অসমীয়া চুটিগল্পত ৰয়ছম গোস্বামীৰ গল্পতেই পোৱা যায় (বৰুৱা ২৮৩)।পুৰুষ শাসিত সমাজ ব্যৱস্থাত নাৰী নিগ্ৰহ, নাৰীৰ প্ৰতি অমানৱীয় দৃষ্টিভংগী বিবাহিত নাৰী জীৱন যন্ত্ৰণা আদি মামণি ৰয়ছম গোস্বামীৰ গল্পত দেখিবলৈ পোৱা যায়।

**১.০.২ নিৰুপমা বৰগোহাঞিৰ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদ ঃ**

ৰামধেনু যুগৰ প্ৰতিষ্ঠিত গল্পকাৰ নিৰুপমা বৰগোহাঞিৰ গল্প সম্পৰ্কে প্ৰহ্লাদ কুমাৰ বৰুৱাই কৈছে— 'পুৰুষ শাসিত সমাজ ব্যৱস্থাত নাৰী নিগ্ৰহ, নাৰীৰ প্ৰতি অমানবীয় দৃষ্টিভংগী বিবাহিত নাৰী জীৱন যন্ত্ৰণা আদিয়েই বৰগোহাঞিৰ গল্পৰ মুখ্য বিষয় আছিল।' (বৰুৱা ২৯২) নাৰী জীৱনৰ দুখ দুৰ্দশাক মুখ্য বিষয়ৰূপেলৈ গল্প ৰচনা কৰা বৰগোহাঞিৰ খিৰিকী কাষৰ গছ, মদাৰ গছ, এনথ্ৰ'পলজিৰ সপোনৰ পিছত, আকাশলৈ দূৰ নহয় শীৰ্ষক গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰকাশ মনকৰিবলগীয়া।

**১.০.২.১** বৰগোহাঞিৰ খিৰিকী কাষৰ গছ গল্পটোত সাৰ্থকভাৱে নাৰী আৰু প্ৰকৃতিৰ ওপৰত পুৰুষ প্ৰধান সমাজে কৰা শোষণৰ চিত্ৰ অংকন কৰিছে। ইক'ফেমিনিজমৰ ধাৰণা অনুসৰি পুৰুষ শাসিত সমাজত কেৱল উন্নয়নৰ নামত প্ৰকৃতিক ধ্বংস কৰে আৰু ভোগৰ সামগ্ৰীৰূপে ৰূপে গণ্য কৰে, একেদৰেই নাৰীকো এক পণ্য সামগ্ৰীৰ দৰেই ব্যৱহাৰ কৰে। প্ৰকৃতি আৰু নাৰীৰ ওপৰত চলা শোষণ, দমন, উৎপীড়নৰ চিত্ৰ গল্পটোত দৃশ্যায়িত হৈছে।

গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ বিভা। তাইৰ শোৱাকোঠাৰ খিৰিকীৰ কাষত থকা মদাৰ গছডালৰ লগত এক আত্মিক সম্পৰ্ক গঢ় লৈ উঠিছিল। বিভাৰ দেউতাকে তাইৰ শোৱনিকোঠাতো তাইৰ বাবে সৰু হ'ব বুলি অনুমান কৰি তাইক ঘৰৰ আন এটা ডাঙৰ কোঠালীলৈ আহিবলৈ কৈছে। দেউতাকৰ কথাত তাই অমান্তি হৈ কোঠাতো এৰি নহাৰ অন্য অজুহাত দেখুৱাইছে যদিও ইয়াৰ অন্তৰালত কিন্তু বিভাৰ শোৱা কোঠাৰ পূব ফালৰ খিৰিকী কাষৰ মদাৰ গছজোপাহে যে লুকাই আছে সেই কথা এনেদৰে বৰ্ণনা কৰিছে— 'বিভাই দেউতাকক নক'লে যে গছডালৰ বাবেও তাই সেই কোঠালিটো এৰি যোৱাৰ কল্পনা কৰিব নোৱাৰে। পূব ফালৰ খিৰিকীখনৰ সিফালেই গছডাল।' (১৪৯)। গল্পটোত মদাৰ গছজোপা আৰু বিভাৰ সম্পৰ্ক কালিদাসৰ শকুন্তলা আৰু আশ্ৰমৰ প্ৰকৃতিৰ লগত তুলনা কৰি কৈছে, 'বিয়া হৈ যোৱা পিছত গছডাল এৰি যোৱা বিষয়ত বিভাৰ অৱস্থা শকুন্তলাৰ দৰেই হৈছিল।' (১৫০)

শিশু কালৰে পৰা বিভাৰ অকলশৰীয়া জীৱনৰ এক এৰাব নোৱাৰা অংগ হ'ল খিৰিকী কাষৰ মদাৰ গছজোপা। ঋতু অনুযায়ী গছজোপালৈ অহা পৰিৱৰ্তন, বিভিন্ন চৰাইৰ আগমন, চৰাইৰ কাকলিয়ে বিভাক গছজোপাৰ লগত আৰু অধিক একাত্ম কৰি তোলে। তাই যিকোনো বিনিময়ত গছডাল হেৰুৱাব নোখোজে। তাই এণ্ডাৰছনৰ 'দ্য ফাৰ ট্ৰী' গল্পটো পঢ়ি উঠি নিজেই নিজকে আশ্বাস দিছে এনেদৰে— ভাগ্যে মোৰ খিৰিকী কাষৰ গছডাল ফাৰ্ বা আন তেনে কোনো লাগতিয়াল গছ নহয়, ভগৱনাক ধন্যবাদ যে ভাগ্যে মোৰ গছডাল হ'ল গুৰুতো নলগা গোসাঁইতো নলগা এডাল সামান্য মদাৰ গছ। নহ'লে যে গছ-গছনি নিৰ্বিচাৰে ধ্বংস কৰা অদূৰদৰ্শী মানুহে এণ্ডাৰছনৰ ফাৰ গছডালৰ দৰে মোৰো এই মদাৰ গছডাল কাটি পেলালেহেঁতেনে... (১৫২)

গল্পটোৰ মদাৰ গছডাল সম্পৰ্কত বিভাৰ মন্তব্যৰ পৰা এই কথাই প্ৰতীয়মান হয় যে পুৰুষতান্ত্ৰিক সমাজত মানুহৰ চাহিদাৰ বাবে ব্যৱহৃত হোৱা প্ৰাকৃতিক উপাদানক মানুহে নিৰ্বিচাৰে ধ্বংস কৰে।

পাৰিপাৰ্শ্বিক নাৰীবাদ দাৰ্শনিক কৰণ জে ৱাৰেণৰ মতে, পাৰিপাৰ্শ্বিক নাৰীবাদে নাৰীৰ ওপৰত পুৰুষৰ আধিপত্যৰ বিষয়ে আলোচনা কৰে। (বনজা ১৪) খিৰিকী কাষৰ গছ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ এই দিশৰ প্ৰতিফলন দেখা গৈছে

লগতে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ ওপৰত চলা শোষণ-দমনৰ চিত্ৰও গল্পটোত প্ৰকাশ পাইছে। বিভাই পুৰুষ চালিত সমাজখনৰ চিৰাচৰিত নিয়ম বিবাহেই নাৰীৰ একমাত্ৰ উপায় বোলা কথাষাৰকে স্বীকাৰ কৰি লৈ কোনো প্ৰতিবাদ নকৰাকৈয়ে মাক-দেউতাৰ পছন্দ অনুসাৰে প্ৰদীপৰ লগত বিয়াত বহিছে। বিয়াৰ পাছত বিভায়ে তথাকথিত পুৰুষতান্ত্ৰিক সমাজৰ শোষণৰ বলি হৈছে। পুৰুষৰ পৰাধীন হৈ বৈবাহিক জীৱন কটাব লগীয়া হৈছে আৰু অতীতৰ স্বাধীন জীৱনৰ মাধুৰী সুঁৱৰি আত্ম বিভোৰ হৈছে। গল্পটোত কৈছে—কিমান মৰমৰ অতীত, অতীত মানেই তাইৰ কোঠালিটো... খিৰিকী কাষৰ গছডাল, অতীত মানেই নিঃসংগতা, অতীত মানেই স্বাধীনতা আৰু তাই নিজে গঢ়ি লোৱা সাম্ৰাজ্যখনত আপোন ইচ্ছাৰ পৰিচালনাত অবাধ, মুক্ত, আনন্দময় বিচৰণ। (১৫৪) আকৌ 'অতীতৰ সেই নিঃসংগ স্বাধীন জীৱন কিমান মধুময় আছিল। কিতাপ আছে, সংগীত আছে, কবিতা আছে— মাক-দেউতাকৰ হিয়া উজাৰি চলা মৰম আছে (১৫১) বুলি স্বাধীন অতীতটোক সুঁৱৰিছে। বিভাৰ স্বামী প্ৰদীপ দত্ত পৰম্পৰাগত পুৰুষতান্ত্ৰিক সমাজখনৰ প্ৰতিনিধি। উচ্চ শিক্ষাৰে শিক্ষিত প্ৰদীপৰ মন মগজু পুৰুষতান্ত্ৰিক সমাজৰ পুৰুষকেন্দ্ৰিক চিন্তা চেতনাৰ পৰা মুক্ত নহয়। বিয়াৰ পিছত সেয়ে বিভাক হঠাৎ উষ্মা দেখুৱাই কৈছে —অ' এই সস্তীয়া হিন্দী চিনেমাখন চোৱাৰ তোমাৰ মন নাই। নাথাকিবইতো। তুমি হ'লা পণ্ডিতনী মানুহ। এই চিনেমা-টিনেমাবোৰ তোমাৰ আৰু ভাল লাগিবনে। হাজাৰ কিতাপ পঢ়ি নেদেখুওৱা কিয়, ছোৱালীৰ যি চুটি বুদ্ধি চুটি বুদ্ধিয়ে, আমাৰ লগত ফেৰ মাৰিবলৈ নাহিবা বুজিছা? এগালমান কিতাপ আনি দিলে নিশ্চয় মুখত হাঁহি ওলালহেঁতেন। পিছে মাইকী মানুহৰ সংসাৰ চলাবলৈ কিতাপ পঢ়াৰ কোনো দৰকাৰ নাই বুজিছা, আমাৰ মাই পাঠশালাৰ দেওনাটো পাৰ হোৱা নাছিল, কিন্তু দেউতাক তেওঁ যিমান সুখী কৰিছিল তোমালোকৰ দৰে পণ্ডিতনীবোৰ কল্পনাও কৰিব নোৱাৰিবা। (বৰগোহাঞি ১৫৬) গল্পটোত দিয়া এনে বৰ্ণনাৰ মাজেৰে পাৰিপাৰ্শ্বিক নাৰীবাদৰ মূল বিষয় লিংগগত বৈষম্যৰ প্ৰকাশ হৈছে।

মানুহ হিচাপে সকলোৰে ব্যক্তিসত্তাৰ গুৰুত্ব আছে। পুৰুষ সত্তা আৰু নাৰী সত্তা বুলি কোনো ভিন্ন সত্তা নাই। দুয়োটিয়েই একে মানৱ সত্তা। (শৰ্মা ১) এক জীৱন্ত সত্তাৰূপে নাৰী-পুৰুষ উভয়েই সমান বা সমঅধিকাৰৰ যোগ্য, তেনেস্থলত 'আমাৰ লগত ফেৰ মাৰিবলৈ নাহিবা' অৰ্থাৎ পুৰুষৰ লগত সমানে খোজ দিব খোজা, নিজৰ স্বাধীনতাৰ প্ৰতি সচেতন বিভাক কোৱা এনে কথাই নাৰীৰ ওপৰত পুৰুষে কৰা অৱদমন আৰু পুৰুষতান্ত্ৰিক সমাজৰ লিংগ বৈষম্যৰ ইঙ্গিত বহন কৰে। নাৰীয়েও পুৰুষৰ দৰে জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। নাৰীৰ জীৱনৰ পূৰ্ণতা কেৱল বিবাহ, স্বামীৰ সেৱা বা সন্তান উৎপাদনতে নহয়। নাৰীৰ জীৱনত পৰিপূৰ্ণতাও পুৰুষৰ দৰেই। (শৰ্মা ৩-৪) কিয়নো নাৰীৰো এটা নিজস্ব মন থাকে, নিজস্ব ৰুচি-অভিৰুচি থাকে। বিভাৰো কিতাপ পঢ়াতো তেনে এক ৰুচিয়েই, কিন্তু তাইৰ ভাল লগা কামবোৰ নকৰিবলৈ বাধ্য কৰোৱাৰ মাজেৰে পুৰুষতান্ত্ৰিক সমাজে নাৰীৰ স্বাধীনতা খৰ্ব কৰাৰ কথাকেই প্ৰকাশ কৰিছে। বিভাৰ জীৱন পুৰুষ প্ৰধান সমাজৰ শোষণ, উৎপীড়নত প্ৰায় নিঃশেষ হৈ গৈছে। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত এক জীৱন্ত সত্তা হোৱা স্বত্বেও বিভা উপেক্ষিতা হৈ ৰৈছে। গল্পটোত কৈছে— 'বিয়াৰ দুবছৰৰ পিছত এটা চৰকাৰী আঁচনিত প্ৰদীপ জাৰ্মানীলৈ গ'ল। তাৰ এবছৰৰ পিছত খবৰ আহিল যে প্ৰদীপ আৰু উভতি নাহে, তাতেই তেওঁ জীৱনৰ দ্বিতীয় চাকৰি আৰু দ্বিতীয় পত্নী লৈ নিগাজিকৈ বসবাস কৰিবলৈ লৈছে।' (১৫৭) পুৰুষ প্ৰধান সমাজত নাৰী কেৱল যেন এক পণ্য সামগ্ৰীহে যাৰ যেতিয়াই ইচ্ছা হয় তেতিয়াই সি ব্যৱহাৰ কৰিব পাৰে আৰু ইচ্ছা কৰিলেই পৰিত্যাগ কৰিব পাৰে। গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰ বিভাও স্বামী প্ৰদীপৰ বাবে এক পণ্য সামগ্ৰী সদৃশ সেয়েহে কোনো কাৰণ নোহোৱাকৈয়ে প্ৰদীপে বিভাক ত্যাগ কৰিছে। বিবাহোত্তৰ কালত নিজৰ সকলো ভাললগাক বিসৰ্জন দি প্ৰদীপক সুখী কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা বিভাক ত্যাগ কৰি দ্বিতীয় বিবাহ কৰিছে।

স্বামীৰ দ্বাৰা উপেক্ষিতা বিভা পুনৰ মাক-দেউতাকৰ ঘৰলৈ ঘূৰি আহিছে। ঘৰলৈ আহি তাই কোঠাৰ খিৰিকীখন খুলি তাইৰ আপোন মদাৰ গছজোপা নেদেখি চিঞৰি উঠিছে। বিভাৰ প্ৰশ্নত নবৌৱেকে অতি সহজকৈ উত্তৰ দিছে— 'শইকীয়াহঁতে গছডাল কাটি পেলালে। মদাৰ গছ একো কামত নালাগে নহয়। এতিয়া তেওঁলোকে তাত এটা কটেজ বান্ধি... সেইটো ভাড়া দিব।' (১৫৮) পুৰুষ প্ৰধান সমাজৰ বাবে যিদৰে নাৰী এক পণ্য সামগ্ৰী, যাৰ ওপৰত অবাধে নিজৰ অধিকাৰ সাব্যস্ত কৰে একে দৰেই প্ৰকৃতিৰ ওপৰতো পুৰুষশাসিত সমাজে যুগ যুগ ধৰি নিজৰ অধিকাৰ সাব্যস্ত কৰে আৰু প্ৰকৃতিক শোষণ কৰে। পুৰুষ প্ৰধান সমাজৰে আন এক প্ৰতিনিধি স্বৰূপ শইকীয়াৰ আৰ্থিক উন্নয়নৰ স্বাৰ্থত শোষণৰ

বলি হ'ব লগা হ'ল প্ৰকৃতিৰ উপাদান, এক জীৱন্ত সত্তা সেই মদাৰ গছজোপা।

*খিৰিকী কাষৰ গছ* গল্পটোত গল্পকাৰে সুন্দৰকৈ মদাৰজোপা আৰু বিভাৰ একাত্ম সম্পৰ্কৰ মাজেৰে নাৰী আৰু প্ৰকৃতিৰ আৱেগিক সম্পৰ্কৰ প্ৰকাশ কৰিছে। একেদৰে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত বিভা গুৰুতো নলগা গোসাঁইতো নলগা মদাৰৰ দৰেই প্ৰদীপৰ ওচৰত উপেক্ষিতা হৈ ৰৈছে আৰু শইকীয়াৰ দৰে স্বাৰ্থান্বেষী লোকৰ শোষণৰ বলি হৈছে মদাৰ জোপা। গল্পটোত বিভা আৰু মদাৰ জোপাৰ শেষ পৰিণতিৰ মাজেৰে গল্পকাৰে পাৰিপাৰ্শ্বিক নাৰীবাদ অধ্যয়নৰ মূল বিষয় নাৰী আৰু প্ৰকৃতিৰ মাজৰ ৰহস্যময় যোগসূত্ৰ (কাল্পনিক), পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰী আৰু প্ৰকৃতি দুয়ো কেনেদৰে শোষণ, দমন আৰু উৎপীড়নৰ বলি হৈছে আৰু এক পণ্য সামগ্ৰী ৰূপে ব্যৱহৃত হৈছে সেই দিশসমূহৰ প্ৰতিফলন কৰিবলৈ সক্ষম হৈছে। (গগৈ ৫৫)

**১.০.২.২** নিৰুপমা বৰগোহাঞিৰ আন এটা গল্প *এনথ্ৰ'পলজিৰ সপোনৰ পিছত* গল্পত পুৰুষ প্ৰধান সমাজে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ বৰ্ণনা দিছে। পাৰিপাৰ্শ্বিক নাৰীবাদ নাৰীবাদৰ পৰা ভিন্ন নহয় অৰ্থাৎ নাৰীবাদে যিদৰে পুৰুষপ্ৰধান সমাজে নাৰীৰ ওপৰত চলোৱা অন্যায়, উৎপীড়নৰ কথা কয় আৰু বিৰোধিতা কৰে সেইদৰে পাৰিপাৰ্শ্বিক নাৰীবাদৰ অধ্যয়নৰ মূল হ'ল পুৰুষ প্ৰধান সমাজে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰ উৎপীড়ন আদিৰ বৰ্ণনা (খানম ৭২)। এই প্ৰসঙ্গত মালাদেৱী বৰগোহাঁইয়ে তেখেতৰ ইক'ফেমিনিজম শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰিছে যে পাৰিপাৰ্শ্বিক নাৰীবাদে নাৰীবাদৰ যি সাতটা ধাৰা আছে আৰু এই ধাৰাসমূহে আলোচনা কৰা নাৰী বিষয়ক সকলো আলোচনাকে অধ্যয়নৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰে। (গোহাঁই ৫৩) *এনথ্ৰপলজিৰ সপোনৰ পিছত* গল্পটোত প্ৰকাশ পোৱা পুৰুষ প্ৰধান সমাজে নাৰীৰ ওপৰত চলোৱা শাৰিৰীক উৎপীড়নৰ বৰ্ণনাকো পাৰিপাৰ্শ্বিক নাৰীবাদৰ আধাৰত আলোচনা কৰিব পৰা যায়।

*এনথ্ৰ'পলজিৰ সপোনৰ পিছত* গল্পটোত উমাৰ নবৌয়েকৰ চৰিত্ৰটোৰ মাজেৰে পিতৃ প্ৰধান সমাজত কেনেদৰে এগৰাকী নাৰীয়ে নিজৰ সকলো ইচ্ছা আকাংক্ষাক আনৰ বাবে জলাঞ্জলি দিবলগীয়া হৈছে, সকলো নীৰবে সহ্য কৰাৰ পিছতো স্বামীৰ উৎপীড়নৰ বলি হ'বলগা হৈছে তাৰ বৰ্ণনা পোৱা গৈছে। উমাৰ নবৌৰেক এগৰাকী সহজ-সৰল গাঁৱলীয়া তিৰোতা। যি সময়ত তেওঁৰ সমবয়সীয়া ল'ৰাবোৰে খেলি সময় কটাইছে সেই সময়তে পুৰুষতান্ত্ৰিক সমাজৰ পুৰাতন ৰীতি অনুসৰি উমাৰ বৌৰেক বিয়া হৈছে। বিবাহৰ আগতে শোষিত হৈছে পিতৃ আৰু পৰিয়ালৰ দ্বাৰা আৰু বিবাহোত্তৰ কালত স্বামী আৰু স্বামীৰ পৰিয়ালৰ দ্বাৰা। পুৰুষপ্ৰধান সমাজৰ প্ৰতিনিধি অভয় দায়ে তেওঁৰ সৰু সৰু কথাতে, বিনা দোষতে গাত হাত উঠাইছে। গল্পটোত পিতৃপ্ৰধান সমাজত নাৰীয়ে এনেদৰে সন্মুখীন হোৱা অত্যাচাৰৰ বৰ্ণনা দিছে এনেদৰে—

...স্বামীৰ ভালপোৱাৰ সুযোগ দিনতো কেতিয়াবা ঘটে অৱশ্যে, যদিও অইন ৰূপেদি। পথাৰত কাম কৰি অৱশ হৈ আহি দুপৰীয়া বা গধূলি যেতিয়া ঘৈণীয়েকৰ দোষৰ বৰ্ণনা শুনিব লগা হয়, ভোক-ভাগৰে মন-মেজাজ গৰম হৈ থকা স্বামীয়ে আৰু নিজকে সংযত কৰিব নোৱাৰে অৰ্ধাঙ্গিনীৰ ওপৰত কোবৰ জাউৰি তোলে। (২৮)

পিতৃপ্ৰধান সমাজৰ এনে মানসিকতাৰ পৰা উমাৰ বৌৰেকেও সাৰি যোৱা নাই। ৰাতি-দিন কাম কৰি আনৰ সুখৰ বাবে নিজৰ দুখ-ভাগৰ সকলো জলাঞ্জলি দিয়া নবৌয়েকেও গিৰিয়েকৰ শাৰীৰিক অত্যাচাৰৰ বলি হৈছে বিনা দোষতে—

... বাৰু বৌ তোমাক মাৰেনে? তোমাকতো দেখিছো দিন-ৰাতি সমানে কাম কৰি আছাই— বৌৱে হাঁহে। কত দিন মাৰ খালো। ... তাৰ পিছত এদিন নিজ চকুৰেই দেখিছিল বৌৰ কথাৰ সত্যতা... গোহালিৰ আগফালে মাটিৰ উধানত বৰ থালীটোত ধান সিজাই থকা বৌক পাছফালৰ পৰা গোৰ এটা মাৰি দিলেগৈ। (২৮-২৯)

পুৰুষ প্ৰধান সমাজে নাৰীক সমমৰ্যাদা দিব নোখোজে। নাৰীৰো যে এটা মন আছে, তেওঁৰো যে চখ থাকিব পাৰে সেই কথা তেওঁলোকে মানি ল'ব নোখোজে। যাৰ বাবে সকলো সময়তে নাৰীৰ জীৱনৰ ওপৰত হস্তক্ষেপ কৰে, দমন উৎপীড়ন চলায়। উমাৰ বৌৰেকৰ ওপৰতো অভয়দাই এনে উৎপীড়ন অব্যাহত ৰাখিছিল। উমাৰ বন্ধু প্ৰীতিৰ লগত কথা পাতি সময় নষ্ট কৰাৰ অপৰাধত স্বামীৰ আলপৈচানত অৱহেলা কৰাৰ দোষত উমাৰ বৌৰেকক উমাৰ ককায়েকে চুলিত ধৰি টানি আনিছিল। গল্পটোত ইয়াৰ বৰ্ণনা দিছে এনেদৰে—সৰিয়হৰ তেল পেৰি আহি চাহ এটোপা হাতত লৈ গুৰলৈ বাট চাই বহুত সময় থকাতো বৌক আমাৰ ঘৰৰ পৰা ওলাই অহা নেদেখিলে, খঙে তাৰ মূৰৰ চুলি পালেগৈ। একেকোবেই বহাৰ পৰা উঠি প্ৰীতিৰ লগত হাঁহিমুখে ওৰণি

নোহোৱাকৈ কথা পাতি থকা বৌক চুলিত ধৰি টানি আনিছিল। (৩৬) উমাৰ ককায়েক অৰ্থাৎ পুৰুষতান্ত্ৰিক সমাজৰ প্ৰতিনিধি অভয় দায়ে পত্নীৰ প্ৰতি কৰা এনে ব্যৱহাৰে নাৰীৰ জীৱনৰ অধিকাৰ খৰ্ব কৰিছে। এক কথাত গল্পটোত লিংগগত বৈষম্যই ভুমুকি মাৰিছে। পুৰুষ প্ৰধান সমাজৰ নাৰীৰ ওপৰত চলোৱা এনে অন্যায়ৰ প্ৰতিবাদত উমাই কৈছে— 'নতুন জীৱনৰ, যৌৱনৰ পোহৰত উদ্ভাসিত কৰি তুলিম, তেতিয়া আৰু প্ৰেম নাম শুনি আচৰিত হৈ চাই থাকিবলগীয়া নহ'ব।' (৩৯) উমাৰ এনে বক্তব্যৰ মাজেৰে এই কথা প্ৰতীয়মান হয় যে প্ৰত্যেক নাৰীৰে এক নিজস্ব সত্তা আছে প্ৰত্যেকৰে নিজৰ জীৱনটো নিজৰ মতে জীয়াই থকাৰ অধিকাৰ আছে। গল্পটোৰ এনেবোৰ দিশৰ উল্লেখৰ মাজতে পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰকাশ হৈছে।

**১.০.২.৩** *মদাৰ গছ* শীৰ্ষক গল্পটোত গল্পকাৰে প্ৰতিভা নামৰ এগৰাকী আত্মসচেতন ছোৱালীৰ জীৱনৰ ঘটনাৰ অংকন কৰিছে। গল্পৰ বক্তা অৰ্থাৎ কেন্দ্ৰীয় চৰিত্ৰ হ'ল প্ৰতিভা। প্ৰতিভা তেওঁৰ পোচাকী নাম, ঘৰুৱা নাম পুতু। গল্পটোত প্ৰতিভাই নিজৰ নামটোক অৰ্থাৎ নাৰীসত্তাৰ অস্তিত্বক স্বাধীনভাৱে জীয়াই ৰাখিবলৈ কৰা প্ৰয়াসক পিতৃপ্ৰধান সমাজে ভৰিৰে মোহাৰি ধূলিস্যাৎ কৰি পেলাইছে। প্ৰতিভা কাহানিও প্ৰতিভা হ'ব নোৱাৰিলে, তাই সকলোৰে মাজত জীয়াই ৰ'ল পুতু হৈ। গল্পটোত প্ৰতিভাৰ ওপৰত পুৰুষ প্ৰধান সমাজে কৰা শোষণৰ ছবিখন আৰু বস্তুবাদী পুৰুষপ্ৰধান সমাজৰ তুলাচনীত মূল্যহীন বুলি পৰিগণিত মদাৰ গছজোপাৰ সাদৃশ্য গল্পকাৰে অংকন কৰিছে। নিজৰ ঘৰখনতে কেৱল নাৰী হোৱা বাবেই প্ৰতিভা যিদৰে অৱহেলিত একেদৰেই প্ৰকৃতিৰ এক জীৱন্ত উপাদান হৈও মদাৰ গছডাল মানুহৰ উপকাৰত নাহে বাবেই অৱহেলিত। গল্পটোত গল্পকাৰে প্ৰতিভা আৰু মদাৰ গছডালৰ মাজত এক কাল্পনিক যোগসূত্ৰ অংকন কৰিছে। গল্পটোত প্ৰকাশ পোৱা এনেবোৰ দিশৰ মাজতে পাৰিপাৰ্শ্বিক নাৰীবাদৰ অধ্যয়নৰ দিশসমূহৰ প্ৰতিফলন হৈছে।

পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচনাৰ এক মূখ্য বিষয় হ'ল লিংগ বৈষম্য। (Sturgeon 23) গল্পটোৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ প্ৰতিভা কেনেদৰে লিঙ্গ বৈষম্যৰ বলি হৈছে তাৰ বৰ্ণনা গল্পকাৰে দাঙি ধৰিছে —মই মা-দেউতাৰ বাবে সাধাৰণ পুতুৱে হৈ ৰ'লো। কোনোদিন প্ৰতিভা হ'ব নোৱাৰিলোঁ, নামটোতে মোৰ প্ৰতিভা লুকাই থাকিল— আমাৰ ঘৰত কোনো ধৰণৰ বাহিৰা কিতাপ-পত্ৰ নাই, কেৱল ইংৰাজী দৈনিক কাকত এখনেহে বাহিৰৰ জগতৰ খবৰৰ লগতে কিছু জ্ঞান-বিজ্ঞানৰ বতৰাও লৈ আহে। অসমীয়া বাতৰি-কাকত নেৰাখি ইংৰাজী ৰখাৰ কাৰণ হ'ল— 'সোণটিয়ে ইংৰাজী শিকিব পাৰিব।' সোণটি মোৰ সৰু ভাইটি, সি ইংৰাজী পঢ়িব পৰা হোৱাত তাৰ বিষয়ে সেইদৰে ভবা হ'ল, কিন্তু মই যেতিয় স্কুলত ইংৰাজী শিকিলো তেতিয়াতো মোৰ কথা তেনেকৈ কোনেও নেভাবিলে। অৱশ্যে শৈলেন বৰা অৰ্থাৎ মোৰ সৰু ভাই সোণটিৰ পঢ়া-শুনাৰ মূল্য মোতকৈ বহুত বেছি। হ'বই মই ছোৱালী, মই পুতু, মোৰ ভাই সোণটিৰ শৈলেন নামটো তাৰ মৃত্যুৰ দিনলৈকে প্ৰচলিত হৈ থাকিব— স্কুলত কলেজত, চাকৰি জীৱনত, ৰাজহুৱা জীৱনত সকলোতে। কিন্তু মোৰ প্ৰতিভা নামটো স্কুল-কলেজৰ পিছতে হয়তো চিৰদিনলৈ হেৰাই যাব...। (৫৭৯)

প্ৰতিভা আৰু শৈলেন, দুয়ো এক ব্যক্তিসত্তা হোৱা স্বত্বেও পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ প্ৰতিনিধি শৈলেন অৰ্থাৎ প্ৰতিভাৰ ভায়েক সোণটিৰ শিক্ষাৰ প্ৰতিহে মাক-দেউতাক অধিক সজাগ হৈছে। প্ৰতিভাও যে এক মানৱসত্তা, তাইৰো যে জীৱনত কিবা হাবিয়াস আছে সেই কথাই মাক-দেউতাকৰ চিন্তাত গুৰুত্ব পোৱা নাই। গল্পটোত প্ৰকাশ পোৱা এই দিশসমূহৰ মাজত পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচ্য বিষয় নাৰীৰ ওপৰত পুৰুষ প্ৰধান সমাজৰ আধিপত্য, নাৰী স্বাধীনতা খৰ্ব কৰা দিশটোৰ প্ৰতিফলন হৈছে।

প্ৰতিভা আৰু তাইৰ ঘৰৰ পিছফালে থকা মদাৰ গছজোপাৰ মাজত এক যোগসূত্ৰ গল্পকাৰে অংকন কৰিছে। বৈষয়িক চিন্তাৰে পুষ্ট পুৰুষপ্ৰধান সমাজে মদাৰ মানুহৰ বাবে অকাৰ্যকৰী বুলিয়েই, এক জীৱন্ত সত্তা হোৱা স্বত্বেও চিৰকাল অৱহেলাৰ চকুৰে চাইছে। মদাৰ গছজোপাক গুৰুতো নেলাগে গোসাঁইতো নেলাগে বুলি তাৰ মূল্য দিব নোখোজে। একেদৰেই প্ৰতিভাকো পুৰুষ প্ৰধান সমাজৰ প্ৰতিনিধি স্বৰূপ তাইৰ দেউতাকে তাইৰ লুকাই থকা প্ৰতিভাক ধূলিৰে মোহাৰি নস্যাৎ কৰিছে। প্ৰতিভাই নিজকে আনৰ পৰা ব্যতিক্ৰম বুলি গণ্য কৰি অৰ্থাৎ নিজৰ আত্মপৰিচয় গঢ়ি তোলাৰ হাবিয়াসেৰে তাই মদাৰ গছডালক কেন্দ্ৰ কৰিয়েই এখন ৰচনা লেখি কোনোবা কাকত-আলোচনীলৈ পঠিয়াবলৈ আশা পুহি ৰাখিছে। কিন্তু দোভাগ ৰাতি জীয়েকৰ সেই মদাৰ গছ সম্পৰ্কীয় প্ৰবন্ধটো দেখি উৎফুল্লিত হোৱাৰ বিপৰীতে প্ৰতিভাক এক প্ৰকাৰৰ ভীতিৰে দমন কৰাৰ প্ৰয়াস কৰিছে—

...প্ৰবন্ধ এটা লিখিছিল ? কাৰ মূৰটো কৰিবলৈ দোভাগ ৰাতিলৈ লাইট খৰচ কৰি, কাগজ খৰচ কৰি এই আজে-বাজে লেখা লিখি মৰিছ? নাজাননে লাইটৰ কিমান বিল উঠে? দেউতাই খঙত একো নাই হৈ ইয়াৰ পিছত গাৰ জোৰেৰে মোৰ লেখাটো ফালি ছিৰাছিৰ কৰিলে আৰু সকীয়ালে— 'নিজৰ পাঠ্যপুথি নপঢ়ি আজে-বাজে কিতাপ পঢ়ি আমাৰ এওঁ লেখক হ'বলৈ ওলাইছে। চাওঁ আজিৰ পৰা কেনেকৈ লাইট খৰচ কৰি, কাগজ খৰচ কৰি লেখক হ'বলৈ যাব। হাত ছিঙি পেলাম, চাবি....(৫৮২)

পুৰুষ প্ৰধান সমাজৰ নাৰীৰ ওপৰত চলোৱা এনে অৱদমন, শোষণৰ বলি হোৱা প্ৰতিভাই নিজৰ লগত মদাৰ গছজোপাৰ সাদৃশ্য বিচাৰি পাইছে। গল্পটোত কৈছে—মোৰ মদাৰ গছডাললৈ মনত পৰি গ'ল। কিন্তু এতিয়া আন্ধাৰত সেইডাল মোৰ চকুৰ পৰা অদৃশ্য হৈ আছে— ইয়াৰ পিছত দিনৰ ভাগতো সেইডাল অদৃশ্য হৈ ৰ'ব নেকি, অন্ততঃ মানসিকভাৱে? মই মদাৰৰ ক্ষেত্ৰত নান্দনিক সৌন্দৰ্যৰ বিচাৰ কৰি তাক মূল্যৱান কৰি তুলিব খুজিছিলোঁ, কিন্তু আমাৰ দেশত মদাৰ গছ সঁচায়ে এক অতি মূল্যহীন গছ...। গতিকে এইখন দেশত পুতু প্ৰতিভা হ'বলৈ ওলোৱাটোও একে প্ৰহসনৰে কথা। মই প্ৰতিভা হ'ব খুজিলে সেই মদাৰ গছেই হ'ম— অকাৰ্যকৰী ফলহীন। (৫৮২) গল্পটোত প্ৰতিভাৰ এনে বক্তব্যৰে পুৰুষপ্ৰধান সমাজত নাৰী জীৱনৰ অস্তিত্বহীন দিশটোক প্ৰতিফলন কৰিছে। মদাৰ গছ গল্পত গল্পকাৰে খুব সফলভাৱে পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচ্য বিষয় নাৰী আৰু প্ৰকৃতিৰ মাজৰ যোগসূত্ৰ অংকন কৰিবলৈ সক্ষম হৈছে।

**১.০.২.৪** নিৰুপমা বৰগোহাঞিৰ *আকাশলৈ দূৰ নহয়* শীৰ্ষক গল্পটোত গল্পকাৰে গীতিমা, প্ৰতিমা আৰু মুক্তি— তিনিটা নাৰী চৰিত্ৰৰ জীৱনৰ কাহিনী অংকন কৰিছে। গল্পটোৰ দুটা নাৰী চৰিত্ৰ ক্ৰমে প্ৰতিমা আৰু মুক্তি পুৰুষ শাসিত সমাজ ব্যৱস্থাৰ প্ৰতিনিধি এজন পুৰুষৰ দ্বাৰা অৱহেলিত আৰু শোষিত হৈছে আৰু দুয়োকে এক পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিছে, ঠিক তেনেদৰেই যিদৰে মানুহে প্ৰকৃতিৰ প্ৰতি অসচেতনতা বা উদাসীনতাৰ দৃষ্টিভংগী পোষণ কৰে।

গল্পটোৰ পুৰুষ চৰিত্ৰ ৰূপম বৰুৱা হ'ল তথাকথিত পুৰুষপ্ৰধান সমাজ ব্যৱস্থাৰ এক প্ৰতিনিধি। যাৰ ওচৰত নাৰী সত্তাৰ কোনো মূল্য নাই। তেওঁৰ বাবে নাৰী কেৱল এক যৌন সত্তা অৰ্থাৎ ভোগৰ সামগ্ৰী। তেওঁ সমান্তৰালভাৱে দুগৰাকী নাৰীৰ ওপৰত শোষণ আৰু উৎপীড়ন চলাইছে। এহাতে তেওঁৰ পত্নী প্ৰতিমা আৰু আনহাতে ঘৰুৱা পৰিচাৰিকা মুক্তিৰ ওপৰত। প্ৰতিমা উপেক্ষিতা হৈ ৰৈছে পুৰুষ প্ৰধান সমাজৰ প্ৰতিনিধি ৰূপম বৰুৱাৰ ওচৰত আৰু ৰূপম বৰুৱাৰে উৎপীড়নৰ বলি হৈছে মুক্তি। ৰূপম বৰুৱাৰ নাৰীৰ ওপৰত চলা এনে অন্যায়ৰ বিষয়ে বৰ্ণনা কৰিছে এনেদৰে—মানুহজন কালিও তেন্তে মুক্তিৰ ওচৰলৈ গৈছিল। ...জানি শুনিও তই কেনেকৈ সহ্য কৰি আছ বাইদেউ? মুক্তিয়েও বা কেনেকৈ সহ্য কৰি আছে? ...মুক্তিৰ কোনো দোষ নাই অ' মিন্টি। প্ৰথমদিনা তাই আহি মোৰ ওচৰত খুবকৈ কন্দাকটা কৰিছিল। কিন্তু ঘৰৰ ওচৰতে ইমান বেছি দৰমহা পোৱা চাকৰি তাইনো সহজতে ক'ত পাব? তাইক এওঁনো কিয় ইমান বেছি দৰমহা দিছে পিছতহে আচল কাৰণটো বুজিলো... মোৰ আৰু মুক্তিৰ অৱস্থাৰ ভিতৰত আচলতে একো প্ৰভেদ নাই অ' মিন্টি। মতা মানুহটোৰ ওচৰত আমাৰ প্ৰধান মূল্য আমাৰ দেহ দুটাৰহে। সকলো মতা মানুহৰ ওচৰতে তিৰোতাৰ বোধহয় এইটোৱে প্ৰধান মূল্য। (৫৯৬-৫৯৭) গল্পটোত দুয়োগৰাকী নাৰী কিদৰে পুৰুষশাসিত সমাজ ব্যৱস্থাত মাত্ৰ এটি ভোগৰ সামগ্ৰী হৈ ৰৈছে আৰু শোষিত হৈছে সেই কথা সুন্দৰকৈ প্ৰকাশ কৰিছে। গল্পটোত প্ৰকাশ হোৱা এনে দিশৰ মাজতে গল্পকাৰে পাৰিপাৰ্শ্বিক নাৰীবাদৰ মূল পুৰুষতান্ত্ৰিক সমাজে নাৰীক দুৰ্বল বুলি গণ্য কৰি কৰা শোষণ, দমন আৰু উৎপীড়নৰ দিশটো ফুটি উঠিছে।

নাৰীবাদী সমালোচকসকলে বিশ্বাস কৰে যে নাৰী শিক্ষা আৰু স্বাৱলম্বিতাইহে নাৰীৰ ওপৰত পুৰুষৰ প্ৰভূত্ব নোহোৱা কৰিব সেয়েহে তেওঁলোকে নাৰীৰ শিক্ষা আৰু স্বাধীনতাৰ পোষকতা কৰে। (দেৱী ১৭৯) *আকাশলৈ দূৰ নহয়* গল্পটোত নাৰীবাদী চেতনাৰ এনে দিশ প্ৰতিমাৰ মাজেৰে প্ৰকাশ হৈছে। পুৰুষতান্ত্ৰিক সমাজৰ দ্বাৰা উপেক্ষিতা হৈ ৰোৱা প্ৰতিমা আধুনিক শিক্ষাৰে শিক্ষিত আৰু স্বাৱলম্বী নোহোৱাৰ বাবেই স্বামীৰ অত্যাচাৰ বিনা প্ৰতিবাদেৰে মূৰ পাতি ল'ব লগা হৈছে। কিন্তু প্ৰতিমাই ভনীয়েক গীতিমাক পুৰুষতান্ত্ৰিক সমাজৰ প্ৰভূত্ব নাৰীৰ ওপৰত নোহোৱা কৰিবলৈ উচ্চশিক্ষাৰে শিক্ষিত হৈ স্বাৱলম্বী হোৱাৰ বাট প্ৰশস্ত কৰিবলৈ কৈছে। প্ৰতিমাই গীতিমাক উদ্দেশ্যি কৈছে— তোৰ যেন মোৰ দৰে অৱস্থা নহয়, ভগৱানে নকৰক — তোৰো মোৰ দৰে দানৱ এজনৰ লগত যেন বিয়া নহয়।

যদি হয়ো তই যেন এনেকৈ অপমান সহ্য কৰি নাথাক। নাথাক নহয় নহয় মিণ্টি? তইতো বহুত পঢ়িছ, লাগিলে আৰু পঢ়িবি, তাৰপিছত চাকৰি কৰি নিজৰ ভৰিত থিয় দিব পাৰিবি। তেতিয়াতো কাকো গ্ৰাহ্য কৰাৰে দৰকাৰ নহ'ব — নহয় মিণ্টি। (৫৯৭)

**১.০.২.৫** নিৰুপমা বৰগোহাঞিৰ *ঢেঁকীৰ সৰগ* গল্পটোও পাৰিপাৰ্শ্বিক নাৰীবাদৰ আধাৰত আলোচনা কৰিব পৰা যায়। বৰগোহাঞিৰ গল্পৰ নাৰী চৰিত্ৰবোৰৰ অংকন অতি বাস্তৱধৰ্মী আৰু জীৱন্ত। তেওঁ পৰম্পৰাগত পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ অৱস্থিতিগত সমস্যা, সংঘাত আৰু প্ৰান্তীয় স্থিতিক সহজ-সৰল ভাষাক সাৱলীল বয়ন ৰীতিৰ উপস্থাপন কৰি অসমীয়া সাহিত্যৰ 'নাৰী-সত্তা-চেতনাৰ' ধাৰাটোক গতি প্ৰদান কৰাত বিশেষ ভূমিকা পালন কৰিছে। (কন্দলী ২২) বৰগোহাঞিৰ ঢেঁকীৰ সৰগ গল্পটোও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়।

*ঢেঁকীৰ সৰগ* গল্পটোৰ কাহিনীভাগ ৰচিত হৈছে স্মৃতি চৰিত্ৰটোক কেন্দ্ৰ কৰি। স্মৃতি চৰিত্ৰটোক সমাজৰ দ্বাৰা শোষিত নাৰীৰ প্ৰতিনিধি। জীৱনৰ তেইশটা বছৰ অতিক্ৰম কৰা ঘৰখনত তাইৰ কাৰণে অকণো আহৰি নাছিল, ঘৰখনৰ সকলোৰে জঞ্জাল মাৰোঁতেই তাইৰ সময়বোৰ অতিবাহিত হৈছিল। গল্পটোত এই সম্পৰ্কে উল্লেখ কৰিছে— 'অষ্ট প্ৰহৰক চকৰিৰ দৰে ঘূৰি তাই য'ত কাম কৰিব লাগে, এইবাৰ সেই বলদৰ ঘানিৰ পৰা তাই চিৰদিনলৈ মুক্তি পাব। এইবাৰ তাই নিজাকৈ এখন ঘৰ পাব য'ত তাইও নিজৰ মতামত খটুৱাৰ অধিকাৰ পাব, য'ত অন্ত হ'ব তাইৰ এই অন্তহীন কৰ্মময় জীৱন' (৩০) গল্পকাৰে উল্লেখ কৰা এনে বক্তব্যৰ মাজেৰে স্মৃতি যে পিতৃতান্ত্ৰিক সমাজৰ দ্বাৰা নিষ্পেষিত এগৰাকী নাৰী সেই কথা প্ৰতীয়মান হৈছে। পঢ়াত কিছু পৰিমাণে দুৰ্বল হোৱা বাবে স্মৃতি ঘৰখনৰ দ্বাৰা উপেক্ষিতা। একমাত্ৰ দুৰ্বল হোৱা বাবেই পুৰুষপ্ৰধান সমাজে স্মৃতিৰ জীৱনৰ ওপৰত শোষণ চলাইছে আৰু তাইৰ অধিকাৰ খৰ্ব কৰিছে। গল্পটোত প্ৰকাশিত এনেবোৰ দিশৰ মাজতে পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচ্য বিষয় পুৰুষপ্ৰধান সমাজত নাৰীক দুৰ্বল বুলি গণ্য কৰি নাৰীৰ ওপৰত চলোৱা শোষণ, উৎপীড়নৰ চিত্ৰ প্ৰতিফলিত হৈছে।

পুৰুষপ্ৰধান সমাজত নাৰী স্বাধীনতা খৰ্ব হোৱাৰ লগতে পুৰুষতান্ত্ৰিক সমাজত নাৰী জীৱনৰ দুৰ্দশা যে অপৰিৱৰ্তনীয় সেই দিশৰ প্ৰতিফলন স্মৃতি চৰিত্ৰৰ মাজেৰে হৈছে। বিবাহৰ পাছত এক স্বাধীন জীৱনৰ সপোন দেখা স্মৃতিৰ সকলো সপোন চূড়মাৰ হৈছে। স্মৃতিৰ নিষ্পেষিত জীৱন উন্মোচিত হৈছে ভনীয়েক নীতিলৈ লিখা চিঠিৰ উত্তৰত। স্বামীগৃহত স্মৃতি এটা মানৱ সত্তাৰ পৰা যন্ত্ৰলৈ ৰূপান্তৰিত হৈছে। স্মৃতি পুৰুষতান্ত্ৰিক সমাজৰ শোষণৰ এনেদৰে বলি হৈছে যে তাইৰ ভনীয়েকে তাইলৈ লিখা ব্যক্তিগত চিঠিকেইখন অকলশৰে পঢ়াৰ অধিকাৰো তাই হেৰুৱাই পেলাইছে। গল্পটোত কৈছে— '....চিঠিত যেন এইবোৰ ঘৰুৱা কথা একো নিলিখ — মোৰ চিঠি সকলোৱে পঢ়ে নহয় ইয়াত। আয়ে কয় মই এতিয়া এওঁলোকৰ ঘৰৰ বোৱাৰী যেতিয়া মোৰ চিঠিও বেলেগ প্ৰাইভেট হৈ থাকিব নাপায়। (৩৬)

*ঢেঁকীৰ সৰগ* গল্পৰ আন এটি চৰিত্ৰ স্মৃতিৰ স্বামীও তথাকথিত পুৰুষপ্ৰধান সমাজৰ এক প্ৰতিনিধি। তেওঁ নাৰীক এক মানৱ সত্তাৰূপে গণ্য কৰাৰ বিপৰীতে এক যৌনসত্তাৰূপেহে গণ্য কৰে। উচ্চ শিক্ষাৰে শিক্ষিত হোৱা স্বত্বেও তেওঁৰ মন-মগজু পুৰুষপ্ৰধান সমাজৰ চিন্তা চেতনাৰ পৰা মুক্ত নহয়। স্মৃতিৰ উচ্চশিক্ষা গ্ৰহণৰ প্ৰসঙ্গত সেয়েহে কৈছে— 'ছোৱালীৰ বিদ্যাৰ কি দৰকাৰ ঘৰ ধৰিব পৰা হ'লে, ৰূপ থাকিলেই হ'ল। (৩৭) উক্ত বক্তব্যৰ মাজেৰে গল্পটোত পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচ্য বিষয় লিংগ বৈষম্যৰ প্ৰকাশ হৈছে। নাৰী আৰু পুৰুষ উভয়েই এক মানৱসত্তা। নাৰীয়েও পুৰুষৰ দৰে জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীৰ সেৱা বা সন্তান উৎপাদনতে নহয়। নাৰীৰ জীৱনৰ পৰিপূৰ্ণতাও পুৰুষৰ দৰেই (শৰ্মা ৩-৪) গল্পটোত নাৰীবাদৰ এই মূল বক্তব্যৰ প্ৰকাশ হৈছে স্মৃতিয়ে চিঠিৰ জৰিয়তে নীতিক দিয়াক পৰামৰ্শৰ মাজেৰে। নীতিক উদ্দেশ্যি কৈছে— 'নীতি ভালকৈ পঢ়া-শুনা কৰ, নিজৰ ভৰিত থিয় দি চাকৰি-বাকৰি কৰি খোৱাই ভাল। বিয়াটো একো ডাঙৰ কথা নহয় অ'।' (৩৬)

এনেদৰেই স্মৃতিৰ ওপৰত পুৰুষপ্ৰধান সমাজে চলোৱা শোষণ, ব্যক্তিগত স্বাধীনতা নিঃশেষ কৰা, লিংগ বৈষম্যৰ প্ৰকাশৰ লগতে নাৰী শিক্ষা আৰু নাৰী স্বাৱলম্বিতা সম্পৰ্কে কৰা স্মৃতিৰ বক্তব্যৰ মাজতে গল্পটোত পাৰিপাৰ্শ্বিক নাৰীবাদী অধ্যয়নৰ দিশসমূহ প্ৰকাশ হৈছে।

**১.০.৩ মামণি ৰয়ছম গোস্বামীৰ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদ ঃ**

ৰামধেনু যুগৰ আন এগৰাকী গল্পকাৰ মামণি ৰয়ছম গোস্বামীৰ গল্পত পুৰুষতান্ত্ৰিক সমাজৰ বলি হোৱা নাৰী জীৱনৰ গাঁথা শুনিবলৈ পোৱা যায়। তেখেতৰ গল্পত প্ৰকাশ পোৱা পুৰুষতান্ত্ৰিক সমাজে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ মাজতে পাৰিপাৰ্শ্বিক নাৰীবাদৰ মূল বিষয়বস্তুৰ প্ৰতিফলন হৈছে। তেখেতৰ এনে গল্পসমূহ হ'ল— *ৰিণিক ৰিণিকি দেখিছোঁ যমুনা, ভুল ঠিকনা, সংস্কাৰ।*

**১.০.৩.১** মামণি ৰয়ছম গোস্বামীৰ *ৰিণিকি ৰিণিকি দেখিছোঁ যমুনা* গল্পটোত আইমানো নামৰ নাৰী চৰিত্ৰটোৰ জীৱনৰ বৰ্ণনা দিয়া হৈছে। পিতৃপ্ৰধান সমাজ ব্যৱস্থাত আইমানোৰ জীৱনো উপেক্ষিত হৈ ৰৈছে। সৰুৰে পৰা তাই তাইৰ নিজস্বতাখিনিক অৰ্থাৎ নিজৰ ভাললগা বেয়া লগাক আনৰ ইচ্ছাৰ ওচৰত নিঃশেষ কৰি আহিছে। পাৰিপাৰ্শ্বিক নাৰীবাদ অনুসৰি নাৰীও এক মানৱসত্তা, নাৰীয়েও পুৰুষৰ দৰে জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীৰ আলপৈচান ধৰা, সন্তান উৎপাদনতে নহয়। ভগৱান সৃষ্ট জীৱ হিচাপে মানুহ কেতিয়াও মানুহৰ দাস হ'ব নোৱাৰে। গতিকে নাৰীও আন কাৰো অধীন হ'ব নোৱাৰে বা নহয়। (দেৱী ১৭৯) গল্পটোত আইমানোৰ পিতৃ প্ৰধান সমাজৰ ওচৰত অৱদমিত জীৱনৰ বৰ্ণনা দিছে এনেদৰে— 'মায়ে কৈছে তুমি সজাত বন্দী হোৱা ভাটৌহু তুমি মাথো আনৰ কথা আওৱাব পাৰা' (২৫২)। যিদৰে মানুহে প্ৰকৃতিৰ উপাদানক নিজৰ চখ পূৰণৰ বাবে মুকলি আকাশৰ পৰা ধৰি আনি সজাত বন্দী কৰি তাৰ অধিকাৰ খৰ্ব কৰে একেদৰেই নাৰীৰ জীৱনটোৰ অধিকাৰখিনিও পৰিয়ালৰ সদস্যসকলৰ দ্বাৰাই খৰ্ব হয়। পুৰুষপ্ৰধান সমাজত নাৰী জীৱনৰ এনে অস্তিত্বহীন দিশটোৰ কথা উল্লেখ কৰিছে— এইখন পৃথিৱীত মোৰ নিজত্ব প্ৰকাশৰ কণমাত্ৰ সমল নাই। মই কোন পথেৰে যাব লাগিব সেইবোৰ চব মোক আনে কৈ দিব; ঠিকেই মই সজাৰ ভাটৌহু মোৰ পথ শৈশৱত কৈ দিব মোৰ মা-দেউতাই, যৌৱনত মোৰ স্বামীয়ে আৰু প্ৰৌঢ় বয়সত পৌত্ৰ-পৌত্ৰীয়ে। এনেকৈয়ে...প্ৰায়বোৰে...ছোৱালীয়ে জীৱন অতিবাহিত কৰিছে... (২৫৫)

গল্পটোত আইমানোকে সজাত বন্দী ভাটৌৰ লগত তুলনা কৰি গল্পকাৰে পাৰিপাৰ্শ্বিক নাৰীবাদৰ আলোচনাৰ মূল দিশ নাৰী আৰু প্ৰকৃতিৰ মাজত যোগসূত্ৰ স্থাপন কৰাৰ প্ৰয়াস কৰিছে। লগতে প্ৰকৃতি আৰু নাৰী দুয়োকে যে পুৰুষপ্ৰধান সমাজে দুৰ্বল বুলি গণ্য কৰি অনাধিকাৰ অধিকাৰ সাব্যস্ত কৰে সেই দিশটোৰো প্ৰকাশ কৰিছে। এনেদৰেই গল্পটোত পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰকাশ ঘটিছে।

**১.০.৩.২** মামণি ৰয়চম গোস্বামীৰ *ভুল ঠিকনা* শীৰ্ষক গল্পটোত পুৰুষ প্ৰধান সমাজৰ শোষণৰ বলি হোৱা দুগৰাকী নাৰীক জীৱনৰ কৰুণ গাঁথা বৰ্ণনা কৰিছে। গল্পটোত পুৰুষে নাৰীক দুৰ্বল বুলি গণ্য কৰি নাৰীৰ ওপৰত চলোৱা উৎপীড়ণৰ মাজতে গল্পটোত পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰকাশ হৈছে।

গল্পটোৰ অন্যতম নাৰী চৰিত্ৰ হ'ল লীলাৱতী। স্কুলৰপৰা আহি থকা বাটত যোগিনী জানলৈ বনভোজ খাবলৈ অহা এদল ছাত্ৰ আৰু কেইজনমান ব্যৱসায়ীৰ কামনাৰ বলি হৈছিল তাই। পুৰুষপ্ৰধান সমাজৰ প্ৰতিনিধি নিৰ্মলহঁতে লীলাৱতীৰ জীৱনৰ সকলো ৰং মচি দিছিল নিমিষতে। পুৰুষ প্ৰধান সমাজৰ চিন্তা-চেতনাত লীলাৱতী কেৱল মাত্ৰ এক ভোগৰ সামগ্ৰীলৈ পৰিণত হৈছে। নিৰ্মলহঁতে তাইক কেৱল এক যৌনসত্তাৰূপেহে গণ্য কৰিছে। গল্পটোত নিষ্পেষিত নাৰীৰ বিপৰীতে এক প্ৰতিবাদী নাৰীসত্তাৰো অংকন কৰিছে। গল্পটোৰ অন্যতম নাৰী চৰিত্ৰ নিৰ্মলৰ পত্নী মোহিনীয়ে লীলাৱতীৰ জীৱনৰ সকলো কথা গম পোৱাৰ পিছত পুৰুষতান্ত্ৰিক সমাজৰ বিৰুদ্ধে থিয় দিছে। পুৰুষ প্ৰধান সমাজৰ পৰম্পৰাগত চিন্তা-চেতনা অনুসৰি এজন পুৰুষে নিজৰ ইচ্ছাৰে যৌন সংগী সলাব পাৰে। ইয়াৰ বিপৰীতে নাৰী সদায় পতি পৰায়ণা হোৱাটো কামনা কৰে সেয়া লাগিলে স্বামীৰ জীৱিত বা মৃত অৱস্থাতেই নহওক কিয়। মোহিনীয়ে সমাজৰ এনে পৰম্পৰাগত চিন্তাৰ বিপৰীতে গৈ নিজ ইচ্ছাৰে এজন অচিনাকি ভদ্ৰলোকক নিজৰ সকলো অৰ্পণ কৰিছে। গল্পটোত কৈছে - ... মোহিনী কোঠাটোত নাই। ক'ত গ'ল ? ক'ত গ'ল?... হিয়াই যেন নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে... কোন আছে? কোন আছে? সেইটো কোঠাতহু... হিয়াৰ অন্তৰাত্মা কঁপি উঠিল... নাকৰ তলত মোছ থকা ব্ৰেকবাছ কৰা চুলি আৰু ফুলাম ছাৰ্ট পিন্ধা সেই মানুহজন? (৩৩৪) মোহিনীৰ এনে কাৰ্যৰ মাজেৰে আলেকজেণ্ডাৰ কল'ণ্টাইৰ কথিত নাৰীয়ে ইচ্ছা কৰিলে যৌন সংগী পৰিৱৰ্তন কৰিব পাৰিব প্ৰসংগৰে যেন প্ৰতিফলন হৈছে। (পাঠক ১৫৫)

**১.০.৩.৩** মামণি ৰয়ছম গোস্বামীৰ *সংস্কাৰ* গল্পত প্ৰকাশ পোৱা নাৰী বিষয়ক চেতনাৰ পাৰিপাৰ্শ্বিক নাৰীবাদৰ আধাৰত আলোচনা কৰিব পৰা যায়। গল্পটোৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰ

দময়ন্তী এগৰাকী ব্ৰাহ্মণ বিধৱা। পুৰুষ প্ৰধান সমাজে বিধৱাৰ বাবে নিৰ্ধাৰণ কৰা নীতি-নিয়মৰ ওচৰত এক প্ৰকাৰে হাৰ মানি দময়ন্তীয়ে জীৱন আৰু জীৱিকাৰ বাবে অসৎ পথে পৰিচালিত হ'বলৈ বাধ্য হৈছে। দময়ন্তীয়ে সংসাৰখনৰ দায়িত্ব পালন কৰিব নোৱাৰি শেষত দেহদান কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। দময়ন্তীৰ এনে অৱস্থাত দায়ী একমাত্ৰ পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থা। এক কথাত দময়ন্তী পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাৰ শোষণৰ বলি হৈছে। গল্পটোত তাইৰ দুৰাৱস্থাৰ বৰ্ণনা দিছে- একো উপায় নাছিল। পেটৰ ভোকত ছাটি-ফুটি কৰি মৰিছিলোঁ। আগে অধিকাৰিণী গোসাঁনীয়ে চিৰা ভাজিব মাতিছিল। আজিকালি মই চিৰা ভাজিলে হেনো চুৱা নাযায়। আগে লগুণ কাটিব দিছিল, আজিকালি এই খণ্ডৰ বামুণে লগুণ কাটিব নিদিয়া হৈছে। আধি খাই থকা মানুহমখাও অদুৰৰ দৰে হৈছে। মোৰ মূৰৰ ওপৰত চাল নোহোৱাৰ কথা সিহঁতে জানে। বামুণৰ বিধবা বুলিতো আৰু দয়া-মমতা নাই। সাতপখলিৰ মানুহে ধান দিব এৰিছেই। এই অসুৰহঁতৰ লগত ক'ত যুঁজো? সাতপখলিৰ দুই পুৰা মাটিৰ পাঁচ মোন ধান আজি পৰ্যন্ত কোনেও দিব অহা নাই। সেই মাটিৰ খাজনা আজি তিনি বছৰেও দিব পৰা নাই...। এই নিলাম হয় এই নিলাম হয়। এই অৱস্থাত মই আপী দুটা লৈ কৰো কি? (৩৪২)

গল্পটোৰ অন্যতম পুৰুষ চৰিত্ৰ পীতাম্বৰ মহাজন কৃষ্ণকান্ত পুৰোহিত আদি লোকৰ বাবে নাৰী কেৱল এক যৌনসত্তাহে। সন্তান জন্ম দিব নোৱাৰা বাবেই পীতাম্বৰ মহাজনে নিজ পত্নী থকাৰ পিছতো দময়ন্তীৰ কাষ চাপিছে। এককথাত পীতাম্বৰ মহাজনৰ পত্নী পুৰুষ প্ৰধান সমাজৰ দ্বাৰা উপেক্ষিতা হৈ ৰৈছে। পীতাম্বৰৰ চকুত দময়ন্তীও মাথোন এক যৌনসত্তাহে। একমাত্ৰ সন্তান লাভৰ লালসাতহে সি দময়ন্তীৰ কাষ চাপিছে।

গল্পটোত দময়ন্তীৰ মাজেৰে এক প্ৰতিবাদী নাৰীসত্তাৰ প্ৰকাশ ঘটিছে। পেটৰ তাড়ণাত দময়ন্তীয়ে পীতাম্বৰ মহাজনক দেহদান কৰিলেও কেৱল এটা সন্তানৰ আশাত তাইৰ কাষ চপা পীতাম্বৰৰ সন্তানক জন্ম দিবলৈ অস্বীকাৰ কৰিছে। গল্পটোত কৈছে— তাই নষ্ট কৰি পেলাইছেহু শূদিৰীয়াৰ বীজ তাই নকঢ়িয়ায়।...তাই নষ্ট কৰি পেলাইছে। তোমাৰ সন্তান তাই নষ্ট কৰি পেলাইছে, পীতাম্বৰ...পীতাম্বৰ। (৩৪৭) গল্পটোৰ এনে বক্তব্যৰ মাজতে দময়ন্তীৰ প্ৰতিবাদী সত্তাৰ প্ৰতিফলন দেখা গৈছে। গল্পটোত দুৰ্বল হোৱা বাবেই দময়ন্তী পুৰুষ প্ৰধান সমাজৰ বলি হৈ নিজৰ সমস্ত ত্যাগ কৰিবলৈ বাধ্য হোৱা, শেষত দময়ন্তীৰ পীতাম্বৰৰ মহাজনৰ সন্তান নষ্ট কৰি পেলোৱা সিদ্ধান্তৰ মাজেৰে নাৰীৰ প্ৰতিবাদী সত্তাৰ প্ৰকাশ হৈছে। গল্পটোত প্ৰকাশ পোৱা এনে নাৰী বিষয়ক চিন্তা-চেতনাৰ মাজতে গল্পটোত পাৰিপাৰ্শ্বিক নাৰীবাদৰ প্ৰকাশ ঘটিছে।

**২.০ উপসংহাৰ ঃ**

এনেদৰেই ৰামধেনু যুগৰ নাৰী গল্পকাৰ নিৰুপমা বৰগোহাঞিৰ চুটিগল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ অধ্যয়নৰ দিশ নাৰী আৰু প্ৰকৃতিৰ মাজৰ কাল্পনিক যোগসূত্ৰ স্থাপন, পুৰুষ প্ৰধান সমাজে নাৰী আৰু প্ৰকৃতিৰ ওপৰত চলোৱা শোষণ, দমন আৰু উৎপীড়নৰ চিত্ৰ, নাৰীৰ প্ৰতিবাদী সত্তাৰ প্ৰকাশ ঘটিছে। অন্যহাতে

মামণি ৰয়ছম গোস্বামীৰ গল্পত পাৰিপাৰ্শ্বিক নাৰীবাদৰ অধ্যয়নৰ ভিতৰুৱা নাৰী স্বাধীনতা, পুৰুষ প্ৰধান সমাজে নাৰীৰ ওপৰত চলোৱা নিৰ্যাতনৰ চিত্ৰখন চিত্ৰিত হোৱাৰ লগতে নাৰীৰ প্ৰতিবাদী সত্তাৰ প্ৰতিফলনো গল্পসমূহত স্পষ্ট ৰূপত প্ৰকাশ হোৱা দেখিবলৈ পোৱা গৈছে। ❑

**প্ৰসংগ সূচী ঃ**


১। বৰগোহাঁই মালাদেৱী, 'ইক'ফেমিনিজম' *প্ৰান্তিক,* সপ্তত্ৰিংশ বছৰ, সপ্তম সংখ্যা, মাৰ্চ, ২০১৮, পৃষ্ঠা-২৫

২। Marchant Carolyn, *Redical Ecology : The Search For a livable World*, II Edition,2005, Routledge, NewYork, p.193

৩। Banja K., *Ecofeminism*, 2013, Bani Prakashan, p.16

৪। Mellor Marry, *Feminism & Ecology,* 1997, New York University Press, 1997, p.1

৫। Banja K., *Ecofeminism*, 2013, Bani Prakashan, p.14

৬। Sturgeon Noel, *Ecofeminist Natures*, 1997, Routledge, NewYork, p.23

৭। বৰুৱা প্র াদ কুমাৰ, *অসমীয়া চুটিগল্পৰ অধ্যয়ন,* বনলতা, ২০১২, পৃষ্ঠা-২৭২

৮। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৯২

৯। বৰগোহাঞি নিৰুপমা, *স্বনিৰ্বাচিত ২৫ টা গল্প,* অসম প্লাবলিচিং কোম্পানী লিমিটেড, ২০১৪, পৃষ্ঠা-১৪৯

১০। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫০

১১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫২
১২। কে. বন্‌জা, *ইক'ফেমিনিজম,* বাণী প্ৰকাশ, পৃ- ১৪
১৩। বৰগোহাঞি নিৰুপমা, *স্বনিৰ্বাচিত ২৫ টা গল্প,* অসম প্লাবলিচিং কোম্পানী লিমিটেড, ২০১৪, পৃষ্ঠা-১৫৪
১৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫১
১৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫৬
১৬। শৰ্মা গোৱিন্দ প্ৰসাদ, *নাৰীবাদ আৰু অসমীয়া উপন্যাস,* অসম প্ৰকাশন পৰিষদ, ২০০৭, পৃষ্ঠা-১
১৭। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩-৪
১৮। বৰগোহাঞি নিৰুপমা, *স্বনিৰ্বাচিত ২৫ টা গল্প,* অসম প্লাবলিচিং কোম্পানী লিমিটেড, ২০১৪, পৃষ্ঠা-১৫৭
১৯। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-১৫৮
২০)।গগৈ অম্বেশ্বৰ, পাৰিপাৰ্শ্বিক নাৰীবাদ আৰু নিৰুপমা বৰগোহাঞিৰ এটি গল্প, *সাতসৰী,* পঞ্চদশ বছৰ, নৱম সংখ্যা, মে-জুন, ২০২০, পৃষ্ঠা-৫৫
২১। খানম ৰাশিদা আখতাৰ, *নাৰীবাদ ও দাৰ্শনিক প্ৰেক্ষাপট,* সাহিত্যিক, ২০০৫, বাংলাবাজাৰ, ঢাকা, পৃষ্ঠা-৭২
২২। গোহাঁই মালাদেৱী, ইক'ফেমিনিজম, *প্ৰান্তিক,* সপ্তবিংশ বছৰ সপ্তম সংখ্যা, মাৰ্চ ২০১৮, পৃষ্ঠ-৫৩
২৩। বৰগোহাঞি নিৰুপমা, *স্বনিৰ্বাচিত ২৫ টা গল্প,* অসম প্লাবলিচিং কোম্পানী লিমিটেড, ২০১৪, পৃষ্ঠা-২৮
২৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৮-২৯
২৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৬
২৬। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৯
২৭। Sturgeon, Noel, *Ecofeminist Natures*, 1997, Routledge, NewYork, p.23
২৮। *নিৰুপমা বৰগোহাঞিৰ গল্প সমগ্ৰ,* জ্যোতি প্ৰকাশন, ২০০৬ চন, পৃষ্ঠা-৫৭৯
২৯। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৫৯৬-৯৭
৩০। দেৱী মীৰা, নাৰীবাদী আন্দোলন আৰু অসমীয়া মহিলা ঔপন্যাসিকা, *অসমীয়া সাহিত্য বুৰঞ্জী ষষ্ঠ খণ্ড;* হোমেন বৰগোহাঞি (সম্পা.), গুৱাহাটী; আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা, পৃষ্ঠা-১৭৯
৩১। *নিৰুপমা বৰগোহাঞিৰ গল্প সমগ্ৰ* , জ্যোতি প্ৰকাশন, ২০০৬ চন, পৃষ্ঠা-৫৯৭
৩২। কগুলী মৌচুমী, নিৰুপমা বৰগোহাঞিৰ ৰামধেনু পৰ্বৰ গল্প,*গৰীয়সী,* হৰেকৃষ্ণ ডেকা (সম্পা.), গুৱাহাটী, মাৰ্চ ২০০৮, পৃষ্ঠা-২২
৩৩। বৰগোহাঞি নিৰুপমা,*এটা হাতীৰ অপমৃত্যু,* নম্ৰতা প্ৰকাশন ২০০২, পৃষ্ঠা-৩০
৩৪। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৬
৩৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৭
৩৬। শৰ্মা গোবিন্দ প্ৰসাদ, *নাৰীবাদী অসমীয়া উপন্যাস,* অসম প্ৰকাশন পৰিষদ, ২০০৭, পৃষ্ঠা-৩-৪
৩৭। বৰগোহাঞি নিৰুপমা, *এটা হাতীৰ অপমৃত্যু,* নম্ৰতা প্ৰকাশন ২০০২, পৃষ্ঠা-৩৬
৩৮। *নিৰুপমা বৰগোহাঞিৰ গল্প সমগ্ৰ* , জ্যোতি প্ৰকাশন, ২০০৬ চন, পৃষ্ঠা-৫৩৬
৩৯। দেৱী মীৰা, নাৰীবাদী আন্দোলন আৰু অসমীয়া মহিলা ঔপন্যাসিকা,*অসমীয়া সাহিত্য বুৰঞ্জী ষষ্ঠ খণ্ড,*হোমেন বৰগোহাঞি (সম্পা.), গুৱাহাটী; আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা, পৃষ্ঠা ১৭৯
৪০। ভৰালী হেমন্ত কুমাৰ (সম্পা), *মামণি ৰয়ছম গোস্বামীৰ গল্প সমগ্ৰ,* বনলতা, ২০১১, পৃষ্ঠা-২৫২
৪১। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-২৫৫
৪২। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৩৪
৪৩। পাঠক জয়ন্ত , *অসমীয়া চুটিগল্পত নাৰী এটি অধ্যয়ন,* পৃষ্ঠা-১৫৫
৪৪। ভৰালী হেমন্ত কুমাৰ(সম্পা), *মামণি ৰয়ছম গোস্বামীৰ গল্প সমগ্ৰ,* বনলতা, ২০১১, পৃষ্ঠা-৩৪২
৪৫। উল্লিখিত গ্ৰন্থ, পৃষ্ঠা-৩৪৭

ISSN 2321-4945
UGC CARE Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# য়েছে দৰজে ঠংচিৰ ‘মিছিং’ উপন্যাসত অৰুণাচল প্ৰদেশৰ চেৰদুকপেন জনগোষ্ঠীৰ লোক-জীৱন ঃ এটি অধ্যয়ন



ড° পুণ্য লতা গোহাঁই

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়
ন-গাঁৱ, অসম-৭৮২১৪১
৮৬৩৮৫৩৪০৫০
punyagohain11@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সাহিত্য হ’ল সমাজ-সভ্যতা-সংস্কৃতিৰ দলিলস্বৰূপ। সাহিত্যই এখন সমাজক সুস্থিৰ, সু-শৃঙ্খলিত কৰি ৰখাৰ লগতে সাংস্কৃতিক সমন্বয় সাধনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ঠিক তেনেকৈ লোক-জীৱনৰ লোকাচাৰসমূহে মানুহক আধ্যাত্মিকভাৱে সবল আৰু শক্তিশালী কৰি ৰাখে। অৱশ্যে ভাৰতবৰ্ষৰদৰে বহুভাষী, বৰ্ণিল সংস্কৃতি আৰু ভিন্ন ধৰ্মাৱলম্বী দেশত আধুনিক একক সাহিত্য বা বিশ্ব সাহিত্যৰ ধাৰণাত কিছু বৈপৰীত্য আৰু বৈচিত্ৰ্য নথকা নহয়। ঠিক সেইদৰে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত স্বকীয় ভাষা-সাহিত্য-সংস্কৃতি, ধৰ্ম আছে। এনে স্বকীয়তাৰে তেওঁলোক চহকী হৈ আছে। অসমৰ দাতিকাঁষৰীয়া প্ৰায়বোৰ ৰাজ্যৰে নিজস্ব মাতৃভাষা থকাৰ পিছতো সেই ৰাজ্যসমূহৰ জনজাতীয় লেখকসকলে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। এনেদৰে কৰা সাহিত্য চৰ্চাই ভাষা-সংস্কৃতিৰ আদান-প্ৰদানেৰে সমাজ-জীৱনৰ বিভিন্ন দিশক প্ৰসাৰিত কৰিবলৈ সক্ষম হৈছে। সেয়েহে বহুভাষিক দেশ বা ৰাজ্যত এনেবোৰ সাহিত্য চৰ্চা হোৱা দুয়োখন ৰাজ্যৰ, দুয়োটা ভাষাৰ, দুয়োটা জাতিৰ বাবেই শুভ লক্ষণ। নিজস্ব ভাষাৰ বিপৰীতে অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰা তেনে এজন জনজাতীয় সাহিত্যিক হ’ল য়েছে দৰজে ঠংচি। ঠংচিদেৰৰ জন্ম হৈছিল ১৯৫২ চনত অৰুণাচল প্ৰদেশৰ পশ্চিম কামে জিলাৰ জগং (জী) নামে গাঁৱত। জন্মগতভাৱে তেওঁ চেৰদুকপেন ফৈদৰ লোক। অৰুণাচল প্ৰদেশৰ অন্যান্য জনগোষ্ঠীসমূহৰদৰে চেৰদুকপেন জনগোষ্ঠীটো হ’ল স্বকীয় ধৰ্ম -ভাষা-সংস্কৃতিৰে জীয়াই থকা জাতি। সেই চেৰদুকপেন জনগোষ্ঠীৰে এজন লেখক হিচাপে ঠংচিদেৰৰ বিভিন্ন লেখনিত চেৰদুকপেন জনগোষ্ঠীৰ জীৱন-ধাৰণ প্ৰণালী, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, লোক-সাংস্কৃতিক দিশবোৰ নিখুঁটৰূপত প্ৰতিফলিত হৈছে। তেওঁৰ ৰচিত বিভিন্ন উপন্যাস, গল্প, কবিতা, আত্মজীৱনী আদিত অৰুণাচল প্ৰদেশৰ নানা সাংস্কৃতিক-ভাষিক সমলে স্থান দখল কৰিছে। তেনে এক স্বকীয় বৈশিষ্ট্যৰে চেৰদুকপেন জনগোষ্ঠীৰ লোক-জীৱনক লৈ ৰচনা কৰা এখন উপন্যাস হ’ল ‘মিছিং’। দেখা গৈছে যে, উপন্যাসখনৰ নামকৰণতে জনগোষ্ঠীয় ভাষিক, সাংস্কৃতিক আৰু লোক-সামাজিক বৈশিষ্ট্য নিৰ্হিত হৈ আছে। তদুপৰি উপন্যাসখনৰ মূল বিষয় মৃত্যু সম্পৰ্কীয় প্ৰচলিত লোক-বিশ্বাস আৰু লোক-প্ৰথা । মৃত্যুৰ লগত জড়িত বিভিন্ন ৰীতি-নীতি, পৰম্পৰা, লোক-বিশ্বাস আৰু মৃত্যুক কেন্দ্ৰ কৰি গঢ় লোৱা সামাজিক

সমস্যা, ইয়াৰ পৰিণতি আদি অনেক লোক কাহিনীৰে উপন্যাসখনি সমৃদ্ধ হৈ আছে। সেয়েহে এনেবোৰ সাংস্কৃতিক বিশেষত্বলৈ লক্ষ্য কৰি 'মিছিং' উপন্যাসখনিক অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে। বিষয়টি অধ্যয়নৰ বাবে 'মিছিং' উপন্যাসখনিক মুখ্য সমলৰূপে গ্ৰহণ কৰা হৈছে লগতে গৌণ সমলৰূপে আন গ্ৰন্থৰো সহায় লোৱা হৈছে। এনে আলোচনাই অসমৰ সীমান্তৱৰ্তী ৰাজ্য অৰুণাচল প্ৰদেশৰ জনগোষ্ঠীসমূহৰ জীৱন অন্বেষণ কৰি অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ পথ প্ৰশস্ত কৰিব বুলি আশাবাদী।

**বীজ শব্দ ঃ**

চেৰদুকপেন, লোক-জীৱন, মৃত্যু লোকাচাৰ, লোক-বিশ্বাস।

**অৱতৰণিকা ঃ**

অসমীয়া ভাষাত মননশীল বা সৃষ্টিধৰ্মী সাহিত্য চৰ্চা কৰা বহুকেইজন জনগোষ্ঠীয় লেখক আছে। তাৰ ভিতৰত - মিচিং, বড়ো, ৰাভা, নেপালী আদি বহু জনগোষ্ঠীয় লেখকে অসমৰ ৰাজ্যিক ভাষা অসমীয়াত সাহিত্য চৰ্চা কৰি এফালে স্বকীয় ভাষা-ধৰ্ম, সংস্কৃতি তথা সমাজ জীৱনক প্ৰতিফলিত কৰি বিশ্বদৰবাৰলৈ যোৱাত প্ৰথম খোজ দিছে । আনফালে ভাষিক অন্তৰায় দূৰ কৰি অসমীয়া ভাষা, সাহিত্যক সমৃদ্ধ কৰিছে। য়েচে দৰজে ঠংচিয়ে ৰচনা কৰা প্ৰায়বোৰ সাহিত্যৰ পটভূমিয়েই হ'ল তেওঁলোকৰ জাতীয় জীৱন। সাহিত্য অধ্যয়নে যদি মানুহৰ মন-মগজুক বিচাৰ-বিবেচনা কৰিবপৰা জ্ঞান-প্ৰদান কৰে; তেন্তে এনে কাৰণতে অন্য জাতি-জনজাতিৰ লোক-জীৱন, সমাজ, অৰ্থনৈতিক, ৰাজনৈতিক অৱস্থানৰ বিষয়ে অৱগত হ'বৰ বাবে এনেবোৰ জনগোষ্ঠীয় মূল্যৱান সাহিত্য চৰ্চা হোৱাটো প্ৰয়োজন। কিয়নো সম্প্ৰীতি আৰু সমন্বয় সাধনৰ উত্তম পন্থাৰূপে সাহিত্যই যোগসূত্ৰ স্থাপন কৰে।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

য়েচে দৰজে ঠংচিৰ প্ৰায়বোৰ উপন্যাসৰ পটভূমি আৰু বিষয়বস্তু হ'ল অসমৰ দাঁতিকাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ গ্ৰাম্য সমাজ জীৱন আৰু লোক-কথা বা কাহিনী, লোক-বিশ্বাস, লোক-সাংস্কৃতিক সমল । তেওঁৰ উপন্যাস অধ্যয়নৰ জৰিয়তে উক্ত জনগোষ্ঠীৰ সমাজ জীৱন বা লোক-জীৱনক অধ্যয়ন কৰি চোৱাৰ উদ্দেশ্যৰে বিষয়টি নিৰ্বাচন কৰা হৈছে।

**গুৰুত্ব আৰু তাৎপৰ্য ঃ**

লোক-জীৱন আৰু লোক-সমাজখন হ'ল জাতীয় অস্তিত্বৰ পৰিচায়ক। আধুনিক সমাজ নিৰ্মাণৰো ভেটি হ'ল লোক-সমাজখন। কাৰণ লোক-সমাজ জীৱনক প্ৰতিনিধিত্ব কৰা লোক-সমাজৰ পৰম্পৰা, ৰীতি-নীতি, লোকাচাৰ আদি সংস্কাৰবোৰ যেতিয়া সৃষ্টিশীল সাহিত্যত আত্ম প্ৰতিষ্ঠিত হয়, তেতিয়া সেই জাতিৰ অতীত ইতিহাস কাললৈ সংৰক্ষিত হয়। সময় পৰিৱৰ্তনশীল। সেয়েহে লোকসমাজৰ মূল্যৱান সম্পদ লোক-কথা, লোক-বিশ্বাস আদিবোৰ লুপ্ত হোৱাৰ আগতেই ইয়াক আলোচনা কৰাৰ স্থল আছে। তদুপৰি জনজাতীয় সৰলতা, সততা, উদাৰতা, আধ্যাত্মিকতা আদি দিশবোৰ প্ৰকাশত ৱেলাকজীৱনৰ লোকাচাৰৰ যথেষ্ট গুৰুত্ব আৰু তাৎপৰ্য আছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

য়েচে দৰজে ঠংচিৰ সাহিত্য ৰচনাৰ পৰিসৰ ব্যাপক। তেওঁ ইতিমধ্যে বহুকেইখন উপন্যাস ৰচনা কৰিছে। কিন্তু সকলোখিনি উপন্যাসৰ আলোচনা একেটা অধ্যয়নতে সামৰিব নোৱাৰি। সেয়েহে পৰিসৰৰ ব্যাপকতালৈ লক্ষ্য কৰি কেৱল 'মিছিং' উপন্যাসখনিহে এই অধ্যয়নত সামৰি লোৱা হৈছে।

**পূৰ্বসূৰীৰ কীৰ্তি ঃ**

য়েচে দৰজে ঠংচিৰ দুই এখন উপন্যাসৰ আলোচনা হৈছে যদিও সকলো উপন্যাসৰেই প্ৰণালীবদ্ধ আলোচনা হোৱা নাই। আলোচ্য 'মিছিং' উপন্যাসখনিৰ সম্পৰ্কেও পূৰ্ব প্ৰকাশিত গৱেষণামূলক কোনো অধ্যয়ন দৃষ্টি-গোচৰ হোৱা নাই। অৱশ্যে তেওঁৰ ৰচিত উপন্যাস সৰ্ম্পকে সামগ্ৰিকভাৱে আলোচনা পোৱা যায়।

**অধ্যয়নয়ৰ পদ্ধতি ঃ**

বিষয়টি আলোচনাৰ বাবে বৰ্ণনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে । বিষয়টি অধ্যয়নত তথ্য সংগ্ৰহৰ বাবে 'মিছিং' উপন্যাসখনিক মুখ্য সমল হিচাপে গ্ৰহণ কৰা হৈছে।

**য়েছে দৰজে ঠংচিৰ চমু পৰিচয় ঃ**

অৰুণাচলী লেখক হৈয়ো অসমীয়া ভাষাত নিজ ৰাজ্যৰ পটভূমিত সাহিত্য চৰ্চা কৰি এফালে স্বজাতি আৰু স্ব-ৰাজ্যৰ সামাজিক-সাংস্কৃতি পৰম্পৰাক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ প্ৰয়াস আনফালে অসমীয়া ভাষা-সাহিত্যক চহকী কৰাত অৱদান আগবঢ়োৱা ঠংচিদেৰ একাধাৰে গল্পকাৰ, কবি, ঔপন্যাসিক। স্কুলীয়া দিনৰে পৰা সাহিত্য চৰ্চা কৰা

ঠংচিয়ে ‘জোনবাই’ নামৰ কবিতাৰে সাহিত্যিক জীৱনৰ পাতনি মেলে। তেওঁ বিভিন্ন আলোচনী যেনে— প্ৰান্তিক, গৰীয়সী, সংগম, মনোৰঞ্জন আদিত গল্প লিখিছিল। ঠংচিয়ে শিক্ষা জীৱনৰ আৰম্ভ কৰে ৰূপাৰ জী গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত। পিছত ক্ৰমে বোমডিলা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি কটন মহাবিদ্যালয়ৰপৰা অসমীয়াত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া ভাষাত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে আৰু ১৯৭৭ চনত অৰুণাচল প্ৰদেশৰ অসামৰিক সেৱাত যোগদান কৰে আৰু ১৯৯২ চনত ভাৰতীয় প্ৰশাসনিক সেৱালৈ পদোন্নতি লাভ কৰে। ১৯৯৩ চনৰ পৰা টাৱাং, নামনি সোৱণশিৰি, চাংলাং, লোহিত আৰু পূৱ কামেং জিলাৰ উপায়ুক্ত হিচাপে সেৱা আগবঢ়াই অৰুণাচল প্ৰদেশ চৰকাৰৰ পৰ্যটন আৰু সাংস্কৃতিক পৰিক্ৰমা নগৰ উন্নয়ন, গৃহ নিৰ্মাণ আৰু পৰিকল্পনা আদি বিভাগৰ সচিব পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ ৰচিত সাহিত্য কৰ্মসমূহ হ’ল ক্ৰমে— কামেং সীমান্তৰ সাধু গ্ৰন্থ, চনম আৰু লিঙঝিক, মই পুনৰ জনম লম, মৌন ওঁঠ মুখৰ হৃদয় (২০০১), বিষ কন্যাৰ দেশত, শৰ কটা মানুহ (২০০৪), মিছিং (২০১৪) উপন্যাস; পাপৰ পুখুৰী, বাঁহৰ ফুলৰ গোন্ধ, ধাৰ আৰু অন্যান্য গল্প (২০২১), অন্য এখন প্ৰতিযোগীতা আদি গল্প সংকলন; ধুনীয়া মানুহৰ ধুনীয়া দেশত (২০২১), হাঁহি আৰু চকুলোঁৰ শৈশৱ, এক আত্মজীৱনী আদি আত্মজীৱনীমূলক ৰচনা।তেওঁ আচাৰ্য শান্তিদেৱৰ বৌধিচৰ্যাৱতাৰ (বৌদ্ধকাব্য) অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি প্ৰৱাসত মুক্ত জীৱন পুণ্যাত্মা দলাই লামাৰ দ্বিতীয় আত্মজীৱনী অসমীয়ালৈ অনুবাদ কৰিছে। জেনেৰেল জে জে সিংৰ সৈনিকৰ প্ৰিয় সেনাপতি এক আত্মজীৱনীখন অসমীয়ালৈ অনুবাদ কৰি তেওঁ অসমীয়া অনুবাদ সাহিত্যৰ জগতখনো চহকী কৰিছে।



বৰ্তমানলৈকে তেওঁ সাহিত্য অকাডেমি বঁটা (২০০৫), ভাষা ভাৰতী সাহিত্য পুৰস্কাৰ, অসম সাহিত্য সভাৰ বিষ্ণু ৰাভা বঁটা, অসম উপত্যকা সাহিত্য বঁটা (২০১৭), ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় বঁটা (২০১৭), ভাৰত চৰকাৰে সাহিত্য আৰু শিক্ষা ক্ষেত্ৰত তেওঁৰ অৱদানৰ বাবে ২০২০ চনত পদ্মশ্ৰী সন্মান প্ৰদান কৰে।

**চেৰদুকপেন জনগোষ্ঠীৰ চমু পৰিচয় ঃ**

চেৰদুকপেন জনগোষ্ঠী হৈছে অৰুণাচল প্ৰদেশৰ এটি সৰু জনগোষ্ঠী। তেওঁলোক ভাল খেতিয়ক আৰু বেপাৰ-বাণিজ্যত বিশেষভাৱে পাৰ্গত। ধৰ্মীয়ভাৱে তেওঁলোক অদৃশ্য শক্তিৰ উপাসক যদিও মহামায়া বৌদ্ধ ধৰ্ম (Mahayana Buddhism) আৰু জনগোষ্ঠীয় Magical religious ত বিশ্বাস কৰে। তেওঁলোক পশ্চিম কামেং জিলাৰ ৰূপা, চেৰগাঁও আৰু জি-গাঁও অঞ্চলত বসবাস কৰে। তেওঁলোকৰ জনসংখ্যা তিনি হাজাৰমান হ’ব। এওঁলোক ভোট-মোঙ্গোল গোষ্ঠীৰ অন্তৰ্গত। সেইফালৰ পৰা তেওঁলোকৰ ভাষাও ভোটবৰ্মী শাখাৰ ভাষা। অৱশ্যে তেওঁলোকৰ মাজত অসমীয়াকে ধৰি বহুকেইটা উপভাষাৰ প্ৰচলন আছে।[১] এওঁলোক মৃদু আৰু সম্ভ্ৰান্ত। চেৰদুকপেনসকল দেখাত শুৱনি, উজ্জ্বল, স্বাস্থ্যৱান আৰু ওখ-পাখ, স্বভাৱত শান্ত, ধীৰ-স্থিৰ, আকৰ্ষণীয় আৰু বিশ্বাসযোগ্য।[২] এওঁলোকে টাৱাঙৰ লামাসকলকে গুৰু বুলি মানে। সামাজিকভাৱে ৰজাই প্ৰধান। ৰজাৰ পদ বংশানুক্ৰমে চলে। এওঁলোকে খোৱা-লোৱা, জন্ম, মৃত্যু, বিবাহত বহুতো বাধা-নিষেধ মানি চলে। সমাজত শ্ৰেণীবিভাজন মানি চলে। এওঁলোকৰ দুটা শ্ৰেণী হ’ল থং আৰু চাও। বিশ্বাস অনুসৰি থংসকল লাছাৰ ৰজাৰ জাপাং বুৰা নামৰ তৃতীয় পুত্ৰৰপৰা উদ্ভুত আৰু চাওসকল ভাৰী বা বহতীয়া মানুহ। এই দুই শ্ৰেণীৰ মাজত বিয়া-বাৰু নচলে।[৩] উচ্চ বংশোদ্ভৱ জাতি চেৰদুকপেনসকলৰ

মাজত সামাজিক পূজা-পাৰ্বনৰ কাম কৰিবলৈ ‘জিজি’ নামৰ একশ্ৰেণী পুৰোহিত আছে। তেওঁলোকে অলৌকিক শক্তিৰ পৰা ৰক্ষা পৰিবৰ বাবে জিজিৰ ওপৰত নিৰ্ভৰ কৰে।[৪] চেৰদুকপেনসকলৰ মাজত লেভিৰেট, পলুৱাই নিয়া, বলেৰে ধৰি নিয়া আৰু সামাজিক প্ৰথাৰে পতা প্ৰায় চাৰিপ্ৰকাৰৰ বিবাহৰ প্ৰচলন আছে। তেওঁলোকৰ মাজত স্বামী সম্বন্ধীয় প্ৰথাৰে নিজ বংশৰ ভিতৰত আৰু আন-বংশৰ মানুহৰ লগত বিবাহ পতাৰ দস্তুৰ আছে। মাকৰ ককাই-ভাইৰ পুতেকৰ সৈতে বা পেহীয়েকৰ জীয়েকৰ বিবাহ সমৰ্থন কৰে।[৫] দেখা গৈছে যে চেৰদুকপেনসকল সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিকভাৱে স্বতন্ত্ৰ জাতি। সেই জাতিৰে এজন দক্ষ প্ৰশাসনিক বিষয়া য়েছে দৰজে ঠংচিয়ে তেওঁলোকৰ জনগোষ্ঠীৰ পটভূমিত ৰচনা কৰা এখনি জনগোষ্ঠীয় জীৱনভিত্তিক উপন্যাস হ’ল ‘মিছিং’।

**উপন্যাসখনিৰ পটভূমি ঃ**

আদিম কালৰে পৰা পৃথিৱীৰ বিভিন্ন স্থানত বিভিন্ন জনগোটৰ মাজত নানা দেৱতা-অপদেৱতা, ভূত-প্ৰেত, ডাইনী, যখিনী, উপকাৰী-অপকাৰী দেৱ-দেৱীকলৈ নানা জনশ্ৰুতি প্ৰচলন হৈ আহিছে। এনে জনশ্ৰুতিক কেন্দ্ৰ কৰি পৃথিৱীৰ বিভিন্ন ভাষাত সাধুকথা, গল্প, উপন্যাস, নাটক কবিতা আদি ৰচিত হৈছে। এই ক্ষেত্ৰত মোঁপাচা, চমাৰচেট মম, আলেকজেণ্ডাৰ পুস্কিন, ডি. এচ. লৰেন্স, এডগাৰ এলেন পো, যোচেফ কনৰাড, এলডাচ হাক্সলি, আৰ্থাৰ কনান ডয়াল (পাতনি, মিচিং) আদিৰ নাম উল্লেখ কৰিব পাৰি। উত্তৰ-পূৰ ভাৰতৰ ৰাজ্যসমূহত বসবাস কৰি থকা জনজাতিসকলৰ মাজতো এনেবোৰ ভূত-প্ৰেত, যাদু-মন্ত্ৰৰ বিশ্বাস অনেক আছে। ভাৰতৰ অন্যান্য ভাষাতো এই শ্ৰেণী ভৌতিক ৰচনা পিচ পৰি থকা নাই। অসমৰ ক্ষেত্ৰত ৰঞ্জু হাজৰিকাৰ উপন্যাসমূহ উল্লেখযোগ্য। উত্তৰ-পূৰ্বৰ বিভিন্ন জনজাতীয় ভাষাত এই শ্ৰেণী সাহিত্য আছে যদিও সি আলোচনালৈ অহা নাই। এই দিশত য়েচে দৰজে ঠংচিৰ এখন উল্লেখযোগ্য উপন্যাস হ’ল ‘মিছিং’। উপন্যাসখনিৰ পটভূমি হ’ল অৰুণাচল প্ৰদেশৰ চেৰদুক্পেন জনগোষ্ঠীৰ মাজত প্ৰচলিত অতি ভৌতিক ৰহস্যময় লোক-কাহিনীৰ ওপৰত প্ৰতিস্থিত লোক-বিশ্বাস।লেখকে জন্ম গ্ৰহণ কৰা চেৰদুকপেন সমাজত ভূত-প্ৰেতাত্মাক লৈ প্ৰচলিত সামাজিক ৰীতি-নীতি, আচাৰ-বিধি আৰু বিশ্বাস-অন্ধবিশ্বাৰ আলমত উপন্যাসখনি ৰচনা কৰিছে। উপন্যাসখনি সম্পৰ্কে ঔপন্যাসিকে পাতনিত এনেদৰে উল্লেখ কৰিছে— গভীৰ ৰাতি জুইশালৰ চাৰিওফালে বহি সৰুতে যেতিয়া আমি ডাঙৰ মানুহৰ আড্ডা শুনিবলৈ বহি যাওঁ তেতিয়া হয় চিকাৰৰ লোমহৰ্ষক অভিযান কাহিনী বা দেহৰ নোম শিহঁৰিত কৰি যোৱা ভূত প্ৰেতৰ কাহিনী শুনিবলৈ পাইছিলোঁ। পুৰোহিতৰ হতুৱাই ভূত খেদোৱা কাৰ্যৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ সুযোগ লাভ কৰিছিলোঁ। আজিকালি গাঁৱত গ’লে আড্ডাত আলোচিত হয় ৰাজনীতিৰ কথা, ক্ৰিকেটত কোনে কিমান ৰাণ কৰিলে বা উইকেট ল’লে, বলিউড বা হলিউডৰ কোন অভিনেতা বা অভিনেত্ৰীৰ কাৰ লগত হলি-গলি আদি কথা। কিন্তু তাৰ মাজতে এতিয়াও কেতিয়াবা চিকাৰৰ কথা, কেতিয়াবা ভূত বা প্ৰেতাত্মাৰ সৈতে হোৱা সাক্ষাৎতৰ কাহিনী ওলায়। তেনেকৈ শুনা কিছুমান ঘটনা বা কাহিনীক থুপাই উপন্যাস এখন লিখিবলৈ আৰম্ভ কৰিছিলোঁ বিশেষকৈ বিস্ময়ত ধাৰাবাহিকভাবে প্ৰকাশ কৰিবলৈ দিম বুলি।’ ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে, উপন্যাসৰ বিষয়বস্তু সৃষ্টি হৈছে ঔপন্যাসিকে জীৱনৰ বিভিন্ন ক্ষণত শুনা গুৰুত্বপূৰ্ণ ভূত-প্ৰেত আদি অশৰীৰি আত্মাৰ কাহিনীক লৈ।

**উপন্যাসখনিৰ নামকৰণ ঃ**

উপন্যাসৰ নামকৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে, ‘মিছিং’ হ’ল এটা চেৰদুকপেন ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ’ল ‘আত্মা’। তেওঁলোকে বিশ্বাস কৰে যে, কোনো লোকৰ মৃত্যুৰ বাতৰি বা মৃত্যুৰ আগতেই মিছিং দেখা দিয়ে। এই মিছিংৰ দ্বাৰা আগতীয়াকৈ ঘটিব লগা ঘটনাৰ উমান পোৱা যায়। সেইফালৰ পৰা উপন্যাসখনিৰ মূল চৰিত্ৰ সিং খৰ্কাইভাৰৰ সৈতে ঔপন্যাসিকে যি কাহিনী উপস্থাপন কৰিছে । সেইয়া প্ৰকৃততে সিং খকাইভাৰৰ মিছিংৰ দ্বাৰাহে কৰা হৈছে। উপন্যাসখনিৰ মূল চৰিত্ৰ সিং খকাইভাৰে কেইবাবাৰো মিছিং দেখা পোৱা কথা ঔপন্যাসিকৰ আগত ব্যক্ত কৰিছে। তদুপৰি উপন্যাসৰ আৰম্ভণিৰপৰা শেষলৈকে মিছিংৰ সৈতেই ঘটনা-প্ৰতিঘটনাৰ উপস্থাপনলৈ চাই , সৰু-বৰ কথাবস্তুৰে সজ্জিত উপন্যাসখনিৰ মূল অভিব্যক্তি প্ৰকাশত নামকৰণ সফল হৈছে বুলিব পাৰি।

**য়েচে দৰজে ঠংচিৰ উপন্যাসৰ বিশেষত্ব ঃ**

অসমীয়া উপন্যাস সাহিত্যত আন ঔপন্যাসিকৰ তুলনাত ঠংচিদেৱৰ উপন্যাসৰ ভাষা সহজ-সৰল। অৱশ্যে হিন্দী, ইংৰাজী আৰু জনগোষ্ঠীয় ভাষাৰ শব্দ প্ৰয়োগে তেওঁৰ ৰচনাক গাম্ভীৰ্যতা প্ৰদান কৰিছে। বৰ্ণনাশৈলী আমনিদায়ক নহ’লেও ঠাই বিশেষে কিছুপৰিমাণে দীঘল হোৱা পৰিলক্ষিত হয়। উপস্থাপনত কথোপকথন ৰীতিত চুটি-চুটি বাক্য প্ৰয়োগ মন কৰিবলগীয়া। চৰিত্ৰ সৃষ্টিত তেওঁ সিদ্ধহস্ত। চৰিত্ৰৰ

মনোজগত বিশ্লেষণতো ঔপন্যাসিক গৰাকীয়ে গুৰুত্ব প্ৰদান কৰিছে। যিমান পাৰি পৰিৱেশ-পৰিস্থিতিক সাৱলীলভাৱে উপস্থাপন কৰাৰ প্ৰয়াস লক্ষ্য কৰা যায়। ঠংচিৰ উপন্যাসৰ এটি ঘাই বিশেষত্ব হ'ল জনগোষ্ঠীয় সমাজ জীৱন। তেওঁৰ প্ৰায়বোৰ উপন্যাসতে স্বকীয় জনগোষ্ঠীৰ জীৱন-ধাৰাৰ বাস্তৱ দিশ এটিৰ উমান পোৱা যায়। সেইফালৰ পৰা তেওঁৰ উপন্যাস ৰচনাৰ মূল উদ্দেশ্য সফল হোৱা যেন অনুভৱ হয়।

**উপন্যাসৰ কাহিনী ঃ**

উপন্যাসৰ কাহিনী আৰম্ভ হৈছে ঔপন্যাসিকে ব্যৱসায় সংক্ৰান্তত গুৱাহাটীলৈ আহোঁতে হোটেলৰ কোঠাত অস্বাভাৱিকভাৱে মণিপুৰী সিং খকাইভাৰক লগ পোৱাৰ জৰিয়তে। কাহিনী অনুসৰি সিং খকাইভাৰ আছিল এসময়ত তেওঁৰ পিতৃ টোপগে মহাজনৰ বিশ্বাসী খকাইভাৰ। কিন্তু এদিন এই বিশ্বাসী সিং খকাইভাৰে তেওঁলোকৰ অৰুণাচলৰ ঘৰৰ পৰা পৰিয়ালসহ পলাই গুচি আহিছিল। যাক বিচাৰি টোপগে মহাজনে তেজপুৰলৈকে আহিছিল। কিন্তু সিং খকাইভাৰৰ কোনো সুং-সূত্ৰ নাপালে। সিং খকাইভাৰ টোপগে মহাজনৰ অতি বিশ্বস্ত খকাইভাৰ আছিল। সেয়ে নিজৰ বন্ধুৱেকৰ জীয়েকৰ লগত সিং খকাইভাৰৰ বিয়া পাতি দিছিল। কিন্তু সেই সিং খকাইভাৰেই টোপগে মহাজনক বিশ্বাসঘাটকতা কৰি পলাই গ'ল। সেই সিং খকাইভাৰেই টোপগে মহাজনৰ মৃত্যুৰ ইমান দিনৰ পিছত আজি হঠাৎ টোপগে মহাজনৰ পুত্ৰক গুৱাহাটীৰ হোটেলত লগ ধৰি তেওঁ টোপগে মহাজনৰ ঘৰৰ পৰা পলাই অহাৰ ৰহস্য ব্যক্ত কৰিবলৈ আহিছে। সিং খকাইভাৰৰ এনে আকস্মিক আগমনে ঔপন্যাসিকৰ মনত বহু প্ৰশ্নৰ জন্ম দিছে। সেয়ে দুয়োৰে মাজত হোৱা প্ৰশ্ন-উত্তৰৰ কথোপকথনত প্ৰসঙ্গক্ৰমে ঔপন্যাসিকে মণিপুৰী সিং খকাইভাৰৰ মুখেৰে তেওঁ অতীতত সৈন্যবাহিনীত খকাইভাৰৰ কাম কৰি থাকোতে যুদ্ধভূমিত ষড়যন্ত্ৰ কৰা কমাণ্ডেণ্ট এজনক হত্যা কৰি পলাই আহি কিদৰে টোপগে মহাজনক ল'গ পাইছিল, মহাজনৰ ঘৰত খকাইভাৰ হৈ থাকোঁতে মিলিটেৰীয়ে তেওঁক বিচাৰি অহা আৰু টোপগে মহাজনৰ কৃপাত কুঞ্জ সিং নামেৰে তেওঁ বিপদৰ পৰা ৰক্ষা পৰা কাহিনী ব্যক্ত কৰিছে। তেওঁ মহাজনৰ ঘৰৰ পুৰণি চেভৰলত ৱান টোনাৰ গাড়ীখনৰ খকাইভাৰ হিচাপে কাম কৰি থাকোঁতে ৰাতি নেফা আদি বিভিন্ন ঠাইলৈ গাড়ীৰে যাব লগা হৈছিল। এদিন ১৯৭১ চনৰ ১ জানুৱাৰীৰ ৰাতি তেওঁ ৰূপাৰ তানজিনৰ কো-অপাৰেটিভৰ চাউল কঢ়িয়া ই আনোতে ছোঁলোপাম গাঁৱৰ ফিৰোং জলপ্ৰপাতৰ কাষত এজনী তিৰোতাৰ মিছিং দেখা পাইছিল আৰু এমাহ পাছত ঘটা ঘটনাত সেইৰাতি দেখা মিছিংৰ প্ৰকৃত তিৰোতা গৰাকীৰ মৃত্যু হৈছিল। এনেদৰে সেই কালত সিং খকাইভাৰে বিভিন্ন কামত অন্য দূৰ ঠাইলৈ অহা-যোৱা কৰোঁতে ৰাতি থাকিব লগা হোৱা গৃহস্থনীৰ সৈতে তেওঁৰ অবৈধভাৱে প্ৰেম কৰিছে। ফলস্বৰূপে টোপগে মহাজনে আপত্তি শুনিছে। কিন্তু মহাজনৰ বলিষ্ঠ যুক্তিৰ বাবে সিং হাত হাৰিছে। তেওঁ শিৰ্ষ হৈও চেৰদুকপেন সমাজৰ সৈতে মিলি গৈছিল। ফলস্বৰূপে তেওঁ চেৰদুকপেনসকলৰ সকলো ৰীতি-নীতি, পৰম্পৰাৰ সৈতে চিনাকী হৈ পৰিছিল। কিন্তু চেৰদুকপেনসকলৰ মাজত প্ৰচলিত ভূত-প্ৰেত সম্পৰ্কীয় কোনো কোনো লোক-বিশ্বাস তেওঁ মানিব পৰা নাছিল। কিন্তু তেওঁ যেতিয়া তেনে বাস্তৱতাক প্ৰত্যক্ষ কৰি অভিজ্ঞ হৈ উঠিছিল; তেতিয়া মৃত্যুৰ ভয়ত পলাই গৈছিল। কিন্তু টোপগে মহাজনক বিশ্বাসঘাটকতা কৰা বুলি তেওঁ গোটেই জীৱন অনুসূচনাত ভুগি থাকিল। সেয়ে কেঞ্চাৰ ৰোগী সিং খকাইভাৰে মৃত্যুৰ আগতে হোটেললৈ আহি ঔপন্যাসিকৰ আগত জীৱনত কৰা ভুলৰ আত্মগ্লানি ব্যক্ত কৰি জীৱনৰ সত্য উদ্‌ঘাটন কৰিছে। ইফালে যি কামৰ বাবে ঔপন্যাসিক গুৱাহাটীলৈ আহিছিল; সেই কাম নোহোৱাত ঔপন্যাসিকে সিং খকাইভাৰে কোৱা বশিষ্ঠ আশ্ৰম চাবলৈ যাওঁতে **টোপগে ঠংদোক মটৰ ৱৰ্কচ** দেখা পাই গাড়ীৰ পৰা নামি গৈ সোধ-পোছ কৰাত গেৰেজৰ প্ৰকৃত মালিক মাইপাক সিং উৰফে ৰাধা বিনোদ সিং বা কুঞ্জ সিংৰ প্ৰকৃত পৰিচয় লাভ কৰিছে আৰু তেওঁ যে বৰ্তমান ভেলোৰত চিকিৎসা কৰি আছেগৈ, সেই কথা জানিব পাৰি ঔপন্যাসিক অৰ্থাৎ আবু ঠংদোকে বুজি উঠিছে যে, তেওঁ দুটা দিনে হোটেলৰ কোঠাত যিজন সিং খকাইভাৰৰ লগত কথা পাতি আছিল, সেইয়া সিং খকাইভাৰৰ মিছিংহে আছিল। এই কথা আবু ঠংদোকে সিং খকাইভাৰৰ পুত্ৰ, পত্নীৰ আগত ব্যক্ত কৰাত তেওঁলোকে বিশ্বাস কৰিব পৰা নাই। শেষত সিং খকাইভাৰৰ সৈতে লগ হওঁতে খকাইভাৰে যিখিনি কথা আবু অৰ্থাৎ ঔপন্যাসিকক কৈছে; সেই একেখিনি কথাই তেওঁৰ মিছিংৰ পৰা ইতিমধ্যে জানিব পাৰিছে বুলি জনোৱাত টোপগে মহাজনে সিং খকাইভাৰক থ'বলৈ দিয়া সোণৰ বুদ্ধ মূৰ্তিটো আবুৰ হাতত গতাই দিছে আৰু সিং খকাইভাৰৰ মৃত্যু হৈছে। উপন্যাসখনিৰ মূল কাহিনী সিং খকাইভাৰ আৰু তেওঁ প্ৰত্যক্ষ কৰা চেৰদুকপেন সমাজখনক কেন্দ্ৰ কৰি গঢ় লৈছে। সেয়ে উপন্যাসৰ বিভিন্ন স্থানত বহুকেইটা উপকাহিনী সংযোগ কৰিছে। উপন্যাসখনিক কেইটামান বিশেষ শিৰোনামত

বিভাজন কৰিছে। প্ৰত্যেকটো শিৰোনামৰ অন্তৰালত একোটিকৈ কাহিনী জড়িত হৈ আছে। সেইবোৰ হ'ল— হোটেলত সিং খকাইভাৰৰ অৰ্বিভাৱ, পলাতক সৈনিক, ফিৰোং জলপ্ৰপাতৰ কাষত এজনী মিছিং, এমাহ পাছৰ ঘটনা, সিং খৰুইভাৰৰ অবৈধ প্ৰেমিকা, দোঁ-ইচিঙৰ স'তে এক গধূলি, সিং খকাইভাৰৰ পলায়নৰ আচল কাৰণ, সেই অভিশপ্ত দিনটো, একে ঘৰৰ দুটাৰ মৃত্যু, টোপগে ঠংদোক মটৰ ৰৰ্কচত, টোপগে লজলৈ, কথাচহকী মিছেচ সিঙৰ স'তে, টোপগে ঠংদোক ল'জত এটা গধূলি, গৌৰ খুড়ীৰ মৃত্যু, সিং খকাইভাৰৰ স'তে শেষ সাক্ষাৎ আদি পোন্ধৰ (১৫) টা খণ্ডত উপন্যাসখনি সমাপ্ত হৈছে। প্ৰতিটো কাহিনীয়েই এটাৰ সৈতে আনটোৰ সম্পৰ্ক আছে। অৱশ্যে দুই-এটা উপ-ঘটনা বা কাহিনী নক'লেও উপন্যাসৰ মূল কাহিনী উপস্থাপনত ত্ৰুটি নহ'লহেঁতেন। দোঁ-ইচিং আৰু ঝি-ঝিৰ মাজত হোৱা দ্বন্দ্বৰ বৰ্ণনা কিছু দীঘলীয়া হৈছে। উপন্যাসখনিৰ শেষফালে সিং খকাইভাৰৰ পৰিয়ালৰ সৈতে হোৱা কথোপকথন আৰু বৰ্ণনা কিছু সংকোচন কৰাৰ স্থল আছিল। উপন্যাসখনৰ প্ৰথমফালে সিং খকাইভাৰৰ প্ৰতি লেখকৰ দৃষ্টিভঙ্গী সহজ নাছিল। কিন্তু সিং খৰুইভাৰৰ মিছিঙে কোৱা কথাবোৰেই প্ৰকৃত সিং খকাইভাৰেও কোৱা আৰু সোণৰ বুদ্ধ মূৰ্ত্তিটো ঔপন্যাসিকক গতাই দি সকলো সত্য ব্যক্ত কৰাত সিং খকাইভাৰৰ প্ৰতি ঔপন্যাসিকৰ দৃষ্টিভঙ্গী সলনি হোৱা দেখা গৈছে।

**উপন্যাসৰ চৰিত্ৰ ঃ**

যেছে দৰজে ঠংচিয়ে 'মিছিং' উপন্যাসখনিত অনেক চৰিত্ৰৰ উপস্থাপন কৰিছে যদিও সকলো চৰিত্ৰই গুৰুত্বপূৰ্ণ স্থান পোৱা নাই। উপন্যাসখনিৰ বিভিন্ন চৰিত্ৰসমূহ হ'ল— লাল বাহাদুৰ চেত্ৰী, দাৱাৰ মাক, মায়া, কুঞ্জসিং খৰুইভাৰ, নৰকিশোৰ সিং, আনু, মিছেচ সিঙ, মাইপাক সিং, বিদ্যাৰাণী দেৱী, গৌৰ খুডী, ডাঃ কৃষ্ণ বিনোদ সিং, হোটেল বয়, আবু ঠংগো, টোপগে টংগো আদি।

**উপন্যাসখনিত ভূত-প্ৰেত, মিছিং আৰু বেজ-বেজালি সম্পৰ্কীয় লোক-বিশ্বাস ঃ**

'মিছিং' উপন্যাসখনিৰ বিষয়বস্তু বা কাহিনী হৈছে ভূত-প্ৰেত সম্পৰ্কীয় লোক-বিশ্বাস। উপন্যাসখনৰ নামকৰণ 'মিছিং' অৰ্থাৎ মৃত্যুৰ আগতে মানুহৰ দেহৰ পৰা ওলাই ঘুৰি ফুৰা প্ৰেতাত্মা হ'ল লোক-বিশ্বাসৰ ভিত্তিত গঢ় লোৱা একপ্ৰকাৰৰ অদৃশ্য অপশক্তি। চেৰদুকপেন জনজাতিৰ মাজত মিছিঙকলৈ বহু জনশ্ৰুতি প্ৰচলন আছে। তেওঁলোকে বিশ্বাস কৰে যে— মৃত্যুৰ আগতে মানুহৰ আত্মা কেতিয়াবা দেহৰপৰা ওলাই গৈ য'ত-ত'ত মানুহক ভয় খুৱাই ঘূৰি ফুৰে। এই মিছিং সকলো মানুহেই দেখা নাপায়। মিছিংটোৱে নিজকে যিজন মানুহৰ আগত দেখুৱাব বিচাৰে সেই জনেহে কেৱল মিছিং দেখা পাই বুলি বিশ্বাস কৰে। চেৰদুকপেন জনজাতিসকলে বিশ্বাস কৰে যে, যিবোৰ মানুহৰ আত্মা দুৰ্বল তেনে লোকে মিছিঙৰ প্ৰেতাত্মাক দেখা পায়। প্ৰচলিত বিশ্বাস অনুসৰি মানুহৰ চকুৰ আগত এবাৰ কোনো বেমাৰী বা কিবা দুৰ্ঘটনাত মৰিবলগীয়া মানুহৰ মিছিঙে দেখা দিলে; সেই মানুহজন বৰ বেছি দিনলৈ জীয়াই নাথাকে বুলি বিশ্বাস কৰে। মানুহজনৰ আয়ুস বৰ বেছি এমাহ বা দুমাহ হয়। উপন্যাসত বৰ্ণিত কাহিনী অনুসৰি টোপগে মহাজনৰ ঘৰত অজ্ঞাত বাস কৰি থকা পলাতক সৈনিক ৰাধা বিনোদ সিং ওৰফে কুঞ্জ সিং খৰুইভাৱে কেইবাবাৰো বস্তিৰ বেলেগ বেলেগ লোকৰ মিছিং দেখিছিল। আনকি টোপগে মহাজনক বিশ্বাসঘাটকতা কৰি পলাই যোৱাৰ অন্যতম কাৰণো আছিল মিছিং সম্পৰ্কে দেখা সপোন। এদিন সিং খকাইভাৱে ফিৰোং জলপ্ৰপাতৰ কাষৰ হাবিতলীয়া ৰাস্তাৰে গৈ থকা বিকৃত চেহেৰাৰ তিৰোতা এজনী লগ পাইছিল। তাই কেতিয়া গাড়ীত উঠিল, কেতিয়া নামি গৈছিল সিং খকাইভাৱে কোনো উমান পোৱানাছিল। ইয়াৰ কিছুদিনৰ পিছত তানজিন গাঁৱত পতা ৰাং পূজালৈ টোপগে মহাজনৰ গাড়ীৰে যোৱা দাৱাৰ মাকৰ মূৰত গছ পৰি মৃত্যু হৈছিল সেই ফিৰোং জলপ্ৰপাতৰ কাষত। সিং খৰুইভাৱে কিছুদিন পূৰ্বে দেখা তিৰোতা গৰাকীৰ মুখৰ অৱয়ৱৰ দৰেই দাৱাৰ মাকৰ মুখখনো ভয়ঙ্কৰ হৈ উঠিছিল। তেওঁ দেখা তিৰোতা গৰাকী যে দাৱাৰ মাকৰ মিছিং আছিল, পিছতহে সিং খকাইভাৱে বুজি উঠিছিল।

চেৰদুকপেন জনজাতিসকলে মিছিঙক যিদৰে বিশ্বাস কৰে; ঠিক সেইদৰে দোঁ-ইচিঙকো তেওঁলোকে বিশ্বাস কৰে। দোঁ অৰ্থাৎ ভূতে পোৱাৰ ফলত মানুহ মৰে বুলি বিশ্বাস কৰে। তেওঁলোকৰ মতে দোঁ ইচিঙে মানুহ খায়। এই সম্পৰ্কে উপন্যাসখনিত বৰ্ণনা কৰিছে— তোমালোকৰ মানুহৰদৰে ময়ো মৰাৰ আগত মিছিং হৈ ঘূৰি ফুৰিম, মোৰ প্ৰাণ কোনোৱা দোঁ-ইচিঙে খাই পেলোৱাৰ পাছত মোৰো মৃত্যু ঘটিব। মই খাটাং কৈ ক'ব পাৰো (মি.,পৃ. ৩৭)। চেৰদুকপেন সমাজে বিশ্বাস কৰে যে, লাৰজা ৰাংপু, চুংখিত আদি পাহাৰত বাস কৰা ইষ্ট দেৱতাসকলৰ প্ৰতিনিধি হৈছে দোঁ খেদা ঝি-ঝিসকল। যিজন লোকৰ ওপৰত কোনোবা ইষ্ট দেৱতাৰ কৃপাদৃষ্টি পৰে

সিয়েই ঝি-ঝি হ'বলৈ বাধ্য হয়। এই ঝি ঝি সকলৰ অপাৰ শক্তি থাকে। সেয়েহে ইষ্ট দেৱতাই লম্ভাৰ লগে লগে ঝি-ঝিজন অসাধাৰণ মানুহ হৈ উঠে। দেৱতা লম্ভা ঝি-ঝিয়ে কেনেদৰে দোঁ-ইচিঙ খেদে আৰু ভৱিষ্যৎবাণী কৰিব পাৰে, তাৰ সুন্দৰ বৰ্ণনা উপন্যাসত প্ৰায় তিনি পৃষ্ঠা জুৰি দিছে—অলপ দূৰ গৈয়েই বুঢ়াই অশৰীৰী দোঁ-ইচিঙক দেখা পালে। সেই সময়ত আলিবাট চোলিং কৰিবৰ বাবে শিলগুটি পাৰি আছিল আৰু বুঢ়াৰ ভৰিত কোনো জোতা নাছিল। কিন্তু জোঙা শিল পাৰি থোৱা গ্ৰেভেল আলিবাটত বুঢ়াই এনেদৰে দৌৰিবলৈ ধৰিলে যেন এশ মিটাৰ দৌৰৰ প্ৰতিযোগিতাতহে ভাগ লৈছে। আমি জোতা পিন্ধি থকা ডেকা মানুহবিলাকেও বুঢ়াৰ সমানে দৌৰিব পৰা নাছিলো। তেনেদৰে প্ৰায় আধা কিলোমিটাৰমান দৌৰাৰ পাছত বুঢ়া-বাটৰ মাজতে বহি পৰিল। তাত বুঢ়াই দেও লগা দেহাৰে বহাৰ পৰা আধা ফুটমান ওপৰলৈ জাঁপ মাৰি মাৰি নেপালী ভাষাত ভৱিষ্যৎ বাণী কৰিবলৈ ধৰিলে। ... কিন্তু পিছত গম পালো ঝি-ঝিজনে নেপালী ভাষা নাজানেই (মি., পৃ. ৪২)। ইয়াৰপৰাই চেৰদুকপেনসকলৰ মাজত প্ৰচলিত দোঁ-ইচিঙ আৰু ঝি ঝিৰ মহত্বৰ কথা অনুমান কৰিব পাৰি। চেৰদুকপেনসকলৰ মাজত ঝি-ঝিৰ উপৰিও আন একশ্ৰেণীৰ পুৰোহিত আছে। তেওঁলোকক 'ৰাউমাত' বুলি কয়। তেওঁলোকৰ সমাজত ৰাউমাতসকলক অদৃশ্য জগত আৰু দৃশ্যমান জগতৰ মাজৰ যোগসূত্ৰৰ মাধ্যমৰূপে জ্ঞান কৰে। তেওঁলোকৰ সমাজত কোনো ব্যক্তিৰ বেমাৰ-আজাৰ হ'লে প্ৰথমে কোনো ভূত-প্ৰেত আদিয়ে লম্ভা বুলি সেই অপদেৱতাক সন্তুষ্ট কৰিবলৈ ঝি-ঝিৰ দ্বাৰা পূজা-পাতল কৰে। এনে পূজাৰ পিছতো বেমাৰ ভাল নহ'লে তেনে অপদেৱতাই বন্দী কৰি ৰখা বেমাৰী মানুহৰ আত্মাক মুক্ত কৰিবলৈ 'ৰাউমাত' সকলৰ সহায় লোৱা লয়।

চেৰদুকপেনসকলৰ সমাজৰ বিভিন্ন পূজা-পাতলৰ প্ৰচলন আছে। তাৰ ভিতৰত ভূত-প্ৰেত খেদোৱা এটি পূজা হ'ল 'দোঁ তিনবা' পূজা। দোঁ তিনবা অৰ্থাৎ ঘৰৰ বা গাঁৱৰপৰা ভূত খেদি পঠিয়াবলৈ কৰা পূজা। এই পূজা দুই ধৰণে কৰা হয়। এটা নিয়ম অনুসৰি লামাবিলাকৰ হতুৱাই বৌদ্ধ তান্ত্ৰিক পুথি পঢ়ি অহিংসাৰ পথেৰে ভূত বিলাকক তোষামোদ কৰি বা বুজাই-বঢ়াই বিদায় দিয়া হয়। আনটো নিয়ম অনুসৰি আদিম ধৰ্মৰ বিধি অনুসৰি ঝি ঝি অৰ্থাৎ পুৰোহিতৰ হতুৱাই মাকৈ, যৱ আদি শস্যৰ গুটিত মন্ত্ৰ ফুঁকি লৈ তাক দোঁ বা ভূতৰ ওপৰত অস্ত্ৰৰূপে ছটিয়াই ভূতক খেদি খেদি মাৰি পেলোৱা হয় নতুবা ঘৰ আৰু গাঁৱৰপৰা বাহিৰ কৰি দিয়া হয় (মি., পৃ. ৪০)। সকলো চেৰদুকপেনলোকেই এনে কাম নকৰে। বৌদ্ধ ধৰ্মৰ লামাসকলে ভূতক মাৰি নেপেলায়, কোনো গালি-গালাজ নকৰি মৰমেৰে বিদায় দিয়া বাবে এনে দোঁ ইচিঙে ঘৰ বা গাঁৱৰ কাৰো প্ৰাণ ল'বলৈ দুনাই ঘূৰি নাহে বুলি বিশ্বাস কৰে। কিন্তু ভূত খেদাৰ সময়ত তাৰ পদ শব্দ শুনিবলৈ পায়। এনেদৰে ভূত খেদা পূজাকে দোঁ তিনবা বুলি কোৱা হয়। চেৰদুকপেন সমাজত বেমাৰী ব্যক্তিৰ আত্মাক অপদেৱতাৰ পৰা মুক্ত কৰিবলৈ এবিধ পূজা কৰা নিয়ম আছে। যি পূজাৰ বৰ্ণনা উপন্যাসত এনেদৰে দিছে—ৰাউমাতৰ দ্বাৰা পূজা কৰিবলৈ এখন সৰু মঞ্চ তৈয়াৰ কৰা হয়। তিনিওফালে ৰঙীণ কাপোৰ আঁৰি তাত তৰোৱাল, দামী মণি আদি আঁৰি দিয়া হয়। মঞ্চৰ ভিতৰখনো না না বিধ পূজাৰ সামগ্ৰী দি সজাই তোলা হয়। মঞ্চৰ মজিয়াখন ভালদৰে চাফ-চিকুণ কৰি কাৰ্পেট পাৰি তাৰ ওপৰত চাউলেৰে স্বস্তিকৰ ছবি আঁকি সেই ছবিৰ ওপৰত পাতল অসমীয়া গামোচা এখন পাৰি দিয়া হয়। ৰাউমাতক গা ধুৱাই এড়ী চাদৰ গাত মেৰিয়াই মূৰত এডোখৰ ঘিউ দি গামোচাৰ ওপৰত বহাই দিয়া হয়। তাৰ পাছতে ৰাউমাতে নিজৰ ইষ্ট দেৱতাক মাতি প্ৰাৰ্থনা জনায়। নিজৰ সমস্ত সাঙ্গো-পাঙ্গো লৈ ৰাউমাতৰ দেহত ইষ্টদেৱতা প্ৰৱেশ কৰাৰ লগে লগে ৰাউমাত ৰেডিঅ'ৰ দৰে এটা মাধ্যম হৈ পৰে। ইষ্টদেৱতাই বেমাৰী মানুহৰ আত্মাক উদ্ধাৰ কৰিবৰ বাবে এক অদৃশ্য জগতত যাত্ৰা আৰম্ভ কৰি দিয়ে আৰু সেয়া আমি সাধাৰণ মানুহবোৰে ৰেডিঅ'ত নাটক শুনাৰ দৰে বহি বহি শুনি থাকিব পাৰোঁ। কেতিয়াবা মানুহ মৰাৰ পাছত মৰা মানুহৰ আত্মাক বিচাৰি কিবাকিবি সুধিবলৈ ৰাউমাতৰ সহায় লোৱা হয়। বৰ ৰোমাঞ্চকৰ ইষ্টদেৱতাসকলৰ সেই যাত্ৰা। তেনে যাত্ৰাত তেওঁলোকে বাটত অন্য ইষ্টদেৱতাসকলক লগ পায়, সিহঁতৰ লগত কথা-বতৰা পাতে, কেতিয়াবা তৰ্কা-তৰ্কি হয়, কোনো কোনো ঠাইত মৃত ব্যক্তিসকলৰ আত্মাক লগ পায়। উদ্দেশ্য সিদ্ধি হোৱাৰ পাছত ৰাউমাতৰ দেহৰপৰা ইষ্টদেৱতাই বিদায় লয় আৰু শুই উঠাৰদৰে ৰাউমাতে নিজৰ চেতনা ওভতাই পায়। আচৰিতভাৱে ৰাউমাতে যিমানে লম্ফ-জম্ফ কৰি নাথাকক কিয় তেওঁৰ মূৰত লগাই থোৱা ঘিঁউৰ টুকুৰা গলি বাগৰি নাযায়। গামোচাৰ তলত আঁকি থোৱা স্বস্তিকটোও চেপেটা লাগি অন্য ৰূপ নলয়, একো পৰিৱৰ্তন নোহোৱাকৈ থাকে (মি.,পৃ.৪৪)। উপন্যাসখনিত প্ৰসঙ্গক্ৰমে মণিপুৰীসকলৰ মাজত চলা কীৰ্তন কৰা কথাৰো উল্লেখ পাওঁ।

চেৰদুকপেন সকলৰ মাজত পালিত আন এক উৎসৱ হ'ল চোচ্‌ক উৎসৱ। এই উৎসৱ তিনিদিন ধৰি পালন কৰে। উৎসৱৰ প্ৰথম দিনা গাঁৱৰ মূল গোম্পাৰ পৰা ধৰ্মীয় শোভাযাত্ৰা হয়। সিদিনা যাত্ৰাৰ আগে-আগে ঢোলৰ ছেৱেত 'কেংপা' দুজন নাচি-বাগি যায়। তেওঁলোকে মূৰত লাওখোলাৰ মুখা, নাঙঠ দেহত কঙ্কালত ৰেখা, কঁকালত কাঠেৰে নিৰ্মিত দীঘল লিঙ্গ, দুয়ো অশ্লীল অঙ্গী-ভঙ্গী কৰি লামাসকলৰ আগে আগে গৈ আছিল। লামাসকলৰ পাছত পিঠিত নানা দেৱ-দেৱীৰ মূৰ্তি, ধৰ্মপুথি আদি লৈ গাঁৱৰ জীয়ৰীসকল, ধৰ্মধ্বজা লৈ ডেকা-বুঢ়া আৰু গাঁৱৰ অনান্য মানুহসকল যায় (মি.,পৃ.৫৬) । সেইদিনা গোটেই দিন গাঁৱৰ চাৰিওফালে সিঁচৰতি হৈ থকা মঠ-মন্দিৰ বিলাকত ধৰ্মীয় শোভাযাত্ৰাৰে প্ৰদক্ষিণ কৰাৰ পাছত গধূলি মূল গোম্পাত শোভাযাত্ৰা কৰি মানুহবিলাক ঘৰাঘৰি যায়। এই উৎসৱৰ দ্বিতীয় দিনা ৰাতিপুৱাৰেপৰা গোম্পাত পৰম্পাৰাগতভাৱে চলি অহা আজিলামু নৃত্য আৰম্ভ হয়। এই নৃত্য নাটক দিনটোয়াকৈ চলি থাকে। এই নৃত্য-নাটকৰ কাহিনী, সংলাপ আৰু গীত যুগ যুগ ধৰি তেওঁলোকৰ মাজত প্ৰচলন হৈ আছে যদিও প্ৰতি বছৰে আনন্দ-উল্লাহেৰে গাঁৱৰ বুঢ়া মেথাসকলে চাহ, লাউপানী খাই আনন্দ উপভোগ কৰে। ই একপ্ৰকাৰৰ ধৰ্মীয় উৎসৱ বুলিব পাৰি।

**উপন্যাসখনিত দ্বন্দ্ব ঃ**

দৰজে ঠংচিৰ 'মিছিং' উপন্যাসখনিত বাস্তৱ সমাজ আৰু অদৃশ্য শক্তি দোঁ-ইচিঙৰ মাজত দ্বন্দ্ব দেখুৱাইছে। আনফালে সতিনীৰ মাজত দ্বন্দ্বৰ সূত্ৰপাত হৈছে। সৈন্য বাহিনীত উচ্চ খাপৰ বিষয়া আৰু শ্ৰেণী বৈষম্যৰে তলতীয়া কৰ্মচাৰীৰ মাজত হোৱা দ্বন্দ্বক উপস্থাপন কৰিছে। তাৰ বৰ্ণনা উপন্যাসত এনেদৰে পোৱা গৈছে— আমাৰ ওপৰৱালা বহুতো অফিচাৰ বাহিৰত দেখাত বৰ কঠোৰ অথচ উদাৰ, পক্ষপাতিত্ব শূণ্য, ন্যায়ৰ প্ৰতি সদায় সজাগ যেন লাগিছিল যদিও ভিতৰি ভিতৰি আছিল অতি নীচ, জঘন্য ধৰণৰ। জাত-পাত, উচ্চ-নীচ, ভাষা-ভাষী, নিজৰ ঠাইৰ মানুহ, অন্য ঠাইৰ মানুহ আদি কথা লৈ ব্যস্ত থকা মানুহ।... যুদ্ধভূমিতো আমাৰ সেই কামণ্ডেন্টজনৰ কাপুৰুষালি আৰু তাৰ লগতে যুদ্ধত নিজৰ জাত-পাতৰ মানুহক, নিজৰ ঠাইৰে একে ভাষাৰ মানুহক ৰক্ষা কৰিবৰ বাবে কেনেকৈ আমাৰদৰে অন্য জাতি, অন্য ভাষা, অন্য প্ৰদেশৰ মানুহক বলি দিব তেওঁ তাৰ বাবে ষড়যন্ত্ৰ ৰচনা কাৰ দেখি মই ধৈৰ্য্য হেৰুৱাই পেলালোঁ। যুদ্ধভূমিত মই শত্ৰুক বধ কৰাৰ চলেৰে আমাৰ সেই ধূৰ্ত কমাণ্ডেন্টজনৰ প্ৰাণ ল'লো (মি.,পৃ. ১০-১১)। ইয়াৰোপৰি উপন্যাসখনিত পাক-ভাৰত যুদ্ধ ক্ষেত্ৰৰ বৰ্ণনাৰ মাজেৰে দুই দেশৰ দ্বন্দ্বাত্মক ছবি এখনো তুলি ধৰিবলৈ চেষ্টা কৰিছে। আনফালে জনগোষ্ঠীয় সমাজৰ নীতি-নিয়মৰ বিৰুদ্ধে যোৱা টোপগে মহাজন আৰু গাঁৱৰ আন লোকৰ মাজত সৃষ্টি হোৱা দ্বন্দ্বক পৰোক্ষভাৱে উপস্থাপন কৰিছে। টোপগে মহাজন সমাজৰ মুখীয়াল, প্ৰভাৱশালী মানুহ। সেয়ে পোনপটীয়াকৈ ইয়াৰ বৰ্হি প্ৰকাশ নহ'লেও আঁৰে আঁৰে চেপা উত্তেজনা আৰু তেওঁৰ বিৰুদ্ধে আলোচিত হোৱা কথাবোৰ আবুৰ মুখেৰে প্ৰকাশ কৰাই এই দ্বন্দ্বৰ সাক্ষ্য দিছে- আমাৰ এই দুৰ্যোগৰ সময়ত গাঁৱৰ মানুহে, সমাজৰ মানুহে সন্মুখত সহানূভূতি দেখুৱাই আমাক সহায়-সহযোগিতা আগবঢ়ালেও আমাৰ পিঠিত এওঁলোকে সকলোৱে আমাক নানা ক্ষুৰধাৰ ভাষাৰে সমালোচনা কৰি আছে। 'কিনো কৈ আছে সিহঁতে?' 'কৈ আছে দুৰ্ঘটনাত পতিত মাহীমাৰ মৃতদেহ ঘৰত আনি সুমুৱাব নালাগিছিল। কৈ আছে দুৰ্ঘটনাত পতিত হোৱা মাহীমাৰ শ্ৰাদ্ধ ইমান ধুমধামেৰে স্বাভাৱিক মৃত্যু হোৱা মানুহৰদৰে কৰিব নালাগিছিল (মি.,পৃ.৬০)।' উপন্যাসখনিত সতিনীৰ মাজৰ দ্বন্দ্ব গৌৰ খুড়ীৰ গাত লম্ভা চেনাৰ আত্মা আৰু কাৰমাৰ মাজৰ কাজিয়াৰ জৰিয়তে দেখিবলৈ পোৱা গৈছে— ঠিক ঠিক, মই ঠিকেই জানিছো, তুমি মোৰ বিৰুদ্ধে ভিনদেউক কথা লগাইছা, মোৰ মিছা-মিছি বদনাম ৰচি ফুৰিছা, বাইদেউ হৈ তুমি মোক চকু পাৰি চাব নোৱাৰা, মই নাথাকিলে মোৰ ল'ৰা-ছোৱালীবিলাকক খাবলৈ ভালদৰে নিদিয়া, ঠিকেই বাইদেউ হৈয়ো তুমি যে মোৰ সতিনী (মি.,পৃ.৮৬)। এই দ্বন্দ্ব অধিক স্পষ্ট হৈ উঠিছে আন এক উক্তিৰ মাজেৰে— ঘৰৰ আটাইতকৈ সৰু বাবে তেওঁক 'চান' অৰ্থাৎ কনিষ্ঠজনী বুলি মাতিছিল। সেই সৰু মাহীয়েই এদিন মাক বিশ্বাসঘাতকটা কৰিলে। তেওঁ ভনীৰ পৰা মাৰ সতিনী হৈ পৰিল। সেই তেতিয়াৰে পৰা মা আৰু মাহী মাক মই কথাই কথাই তৰ্ক-বিতৰ্ক কৰা দেখিছোঁ। সোণৰদৰে সৰু সুখী আমাৰ সংসাৰ এক যুদ্ধভূমিলৈ ৰূপান্তৰিত হোৱা দেখিছোঁ (মি.,পৃ.৮৭)। উপন্যাসখনিত আওপকীয়াকৈ চেৰদুকপেনসকলৰ জনসংখ্যা কমি অহাত তেওঁলোকৰ জাতিৰ, বংশৰ অস্তিত্ব ৰক্ষাৰ প্ৰতিও ভাবুকি অহাৰ কথা উল্লেখ কৰিছে। ইয়ো এক প্ৰকাৰৰ জাতীয় সংঘাত। উপন্যাসত থকা এছোৱা বৰ্ণনাই সম্ভাৱনীয় জাতীয় দ্বন্দ্বৰ উমান দিয়ে— আমাৰ জনজাতি শেষ হোৱাৰ পথত গৈ আছে। মই আমাৰ জনজাতিৰ সংখ্যাৰ লগত অন্য জাতি বা জনজাতিৰ সংখ্যাৰ তুলনা কৰি আতংকিত হৈ পৰোঁ। আমি এই পৃথিৱীৰ পৰা নিঃচিহ্ন হোৱাৰ পথত। আমাৰ জনজাতিৰ

সংখ্যা বঢ়াবলৈ হ'লে অন্য জনজাতিৰ দৰে আমি বহু বিবাহ কৰি সন্তানৰ সংখ্যা বঢ়াব লাগিব (মি.,পৃ.৬১)। চেৰদুকপেনসকলৰ মাজত প্ৰথমা পত্নী জীৱিত অৱস্থাত দ্বিতীয় বিবাহ কৰোৱা নিয়ম নাই। কিন্তু টোপগে মহাজনে দ্বিতীয় বিবাহ কৰিছিল। এই দ্বিতীয় বিবাহৰ অন্তৰালত অন্য উদ্দেশ্য থাকিলেও ঔপন্যাসিকে ক্ষীণকৈ হ'লেও জাতীয় দ্বন্দ্বক ৰেখাপাত কৰিবলৈ চেষ্টা কৰিছে— অধিক সন্তান উৎপাদন কৰি আমাৰ জন-জাতিক নিঃচিহ্ন হোৱাৰ পৰা ৰক্ষা কৰা। তুমিও মোৰদৰে একাধিক পত্নী গ্ৰহণ কৰিব লাগিব যাতে অকল আমাৰ জনজাতিয়েই নহয়, মোৰ বংশও বৃদ্ধি হয় (মি.,পৃ. ৬১)। উপন্যাসখনিত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তনে মানুহক কেনেদৰে স্বাৰ্থপৰ কৰি তোলে? আৰু ফলস্বৰূপে নৈতিক মূল্যবোধৰ অৱক্ষয়ে মানুহক কেনে স্তৰলৈ লৈ যাব পাৰে, তাৰ উদাহৰণ সুন্দৰ ৰূপত পোৱা গৈছে— মই এটা কথা বুজি উঠিলোঁ। মাহীমাৰ মৃত্যুত যিমান মানুহ আমাৰ ঘৰত গোট খাইছিল সেয়া কেৱল দেউতাক দেখুৱাবৰ বাবে আছিল, দেউতাৰ পৰা যাতে ভৱিষ্যতেও অনুগ্ৰহ পাই থাকে, তাৰ বাবে সেয়া তোষামোদ আছিল। দেউতাৰ মৃত্যুৰ পাছত তাৰ প্ৰয়োজনীয়তা নাইকিয়া হৈ গৈছিল। আচলতে দেউতাক মানুহবিলাকে ভালপোৱা নাছিল, দেউতাৰ ধন-সম্পত্তি দেখি, দেউতাৰ প্ৰতিপত্তি দেখি মানুহবিলাক ঈৰ্ষাত ভুগিছিল, হিংসাত জ্বলিছিল। গতিকে দেউতাৰ মৃত্যু আছিল সিহঁতৰ বাবে আটাইতকৈ কাংক্ষিত বস্তু (মি.,পৃ.৫৫)। উপন্যাসখনিত থকা এনেবোৰ উক্তিয়ে সমাজ বাস্তৱতাৰ অন্তৰভাগত চলি থকা দ্বন্দ্বক তুলি ধৰিছে।

উপন্যাসখনিৰ কোনো কোনো ঠাইত সমাজৰ ৰীতি-নীতি পৰিৱৰ্তন কৰা বৌদ্ধিক চিন্তাৰ উদ্ৰেক দেখা গৈছে— মোতকৈ তোমাৰ জ্ঞান, বিবেচনা শক্তি বহুত। সেই কাৰণে মই তোমাৰপৰা জানিব বিচাৰিছোঁ, তোমাৰ যে মাহী আৰু অন্য মানুহবিলাক দুৰ্ঘটনাত মৰিল সেইটো তেওঁলোকৰ দোষনে? (মি.,পৃ. ৬২) । উপন্যাসখনিৰ আন এঠাইত দাৱাৰ মাকৰ মৃত্যু হোৱা ঘটনাত জড়িত হোৱা আবুৰ মনৰ পৰিৱৰ্তনৰ জড়িয়তে সমাজৰ অন্ধবিশ্বাসক পৰিৱৰ্তন কৰাৰ প্ৰচেষ্টা দেখিবলৈ পাওঁ— এনে এক পৰিস্থিতিত হঠাৎ মোৰ মনত এক নতুন চেতনা জাগ্ৰত হৈ উঠিল। মোৰ মনলৈ আহিল মই গাঁৱৰ এজন শিক্ষিত ডেকা এনে অৱস্থাত গাঁৱৰ অন্য মানুহৰদৰে পুৰণিকলীয়া অন্ধ বিশ্বাসত আতঙ্কগ্ৰস্ত হৈ থাকিলে নহ'ব, দুৰ্ঘটনাগ্ৰস্ত মানুহৰ উদ্ধাৰ কাৰ্যত মই নামি যাব লাগিব। আমাৰ গাড়ী দুৰ্ঘটনাগ্ৰস্ত হৈছে তাৰ বাবে নহয়, এনেকুৱা পৰিস্থিতিত আমাৰদৰে শিক্ষিত মানুহে আগভাগ লৈ কামত নালাগিলে আৰু কোনে কৰিব সেই কাৰণে (মি.,পৃ. ৫৭)। এনে চিন্তা প্ৰকৃততে ন-পুৰণিৰ মাজৰ দ্বন্দ্ব বুলিব পাৰি।

**মৃত্যু সম্পৰ্কীয় লোক-বিশ্বাস আৰু লোকাচাৰ ঃ**

চেৰদুকপেন সমাজত কোনো লোকৰ অপমৃত্যু হ'লে বহুখিনি বাধা-বিঘিনি মানি চলিব লাগে। তেনে লোকাচাৰৰ ভিতৰত অস্বাভাৱিক মৃত্যু সমাজৰ বাবে ত্ৰাসৰ কাৰণ বুলি ভাবে। সেয়েহে এনে দুৰ্ঘটনা ঘটা ঠাইলৈ মানুহ যাব নাপায় আৰু অস্বাভাৱিকভাৱে মৃত্যু হোৱা মৃতদেহো চাব নাপায় বুলি তেওঁলোকে বিশ্বাস কৰে। তেওঁলোকে অস্বাভাৱিকভাৱে মৃত্যু হোৱা লোকৰ মৃতদেহ ঘৰলৈ বা গাঁৱৰ ভিতৰলৈ সুমুৱাব নাপায় বুলি বিশ্বাস কৰে। এনেদৰে অঘটন হোৱা মৃত ব্যক্তিৰ লগত একেলগে থকা লোকসকলে পূজা-পাতল নকৰাকৈ আন মানুহৰ কাষ চাপিব নিদিয়ে। কাৰণ তেনে লোকৰ দেহা অশুচি হৈ থাকে বুলি বিশ্বাস কৰে। সেয়ে তেওঁলোকৰ মানুহে অঘটন হোৱা ঠাইলৈ নাযায়। উপন্যাসখনিত এই সম্পৰ্কে উল্লেখ পাওঁ—'গতিকে টোপগে মহাজনে মানুহ পঠিয়াই, কামত লগাই বাটৰ দুই মূৰে চোৰাতৰ পাত ৰাখি তাৰ ওপৰখন শিলেৰে জাপি ঠাইখন কৰ্দন দিলে। মানুহে চোৰাত পাতৰ ওপৰত জাপি থোৱা শিল দেখিলেই গম পাব সেইফালে যোৱাটো উচিত নহয় (মি.,পৃ.২৭)। সেয়ে গছ পৰি মৃত্যু হোৱা দাৱাৰ মাকৰ ক্ষেত্ৰতো একেই নিয়ম পালন কৰা হৈছে। এনেদৰে কোনো লোকৰ মৃত্যু হ'লে খিক্ চিজিৰ দ্বাৰা খিক্ চাবা পূজা কৰা নিয়ম প্ৰচলন আছে।

চেৰদুকপেন সমাজে পালন কৰা মৃত্যুৰ সৈতে জড়িত এটি পূজা হ'ল খিক্ চাবা পূজা। তেওঁলোকৰ সমাজত যেতিয়া আওমৰণে কোনো লোকৰ মৃত্যু হ'য়, তেতিয়া খিক্ চিজিৰ (পুৰোহিত)ৰ দ্বাৰা খিক্ চাবা পূজা দুৰ্ঘটনা স্থলীতে অনুষ্ঠিত কৰে। এই পূজা খিক্ চিজিসকলে অপদেৱতা কেন আঁতৰাবৰ বাবে কৰে। পূজাৰ বাবে স্থলীৰ ওচৰতে সাজি লোৱা ফানথিং হিং অৰ্থাৎ সকলোকে কেন অপদেৱতাৰ পৰা আত্মশুদ্ধি কৰিবলৈ বিশেষ কাঠ আৰু খেৰ দি নিৰ্মিত তোৰণত কুকুৰা মাৰি মাজত ওলোমাই ৰাখে আৰু সেই তোৰণৰ তলেৰে উপস্থিত থকা সকলোকে প্ৰদক্ষিণ কৰিবলৈ অনুমতি দি মূৰত খেৰৰ জুমুঠিৰে মন্ত্ৰ মাতি জাৰি দিয়ে। এনেদৰে পূজা কৰাৰ পিছতহে মৃতদেহ নি দূৰৈত পোতা হয়। যি ঠাইত ঘটনা সংঘটিত হয় সেই ঠাইৰ মানুহৰ ঘৰতো মন্ত্ৰ মাটি পৱিত্ৰ হোৱাৰ নিয়ম আছে। ঠিক একেদৰে যিখন গাঁৱৰ লোক এনেদৰে মৃত্যু হয় সেই গাঁৱলৈ সোমোৱা বাটটো ফানথিং

হিং নিমার্ণ কৰি গাঁৱৰ মানুহকো কেন্ অপদেৱতাৰ পৰা মুক্ত কৰিবৰ বাবে খিক্ চিজিসকলে এটা দিন মন্ত্র গাই ফানথিঙৰ ভিতৰ-বাহিৰ কৰি তিনিবাৰ প্রদক্ষিণ কৰা মানুহবিলাকক মূৰত খেৰৰ জুমুঠিৰে মাৰি মাৰি বিশুদ্ধকৰণ কৰে। এনেদৰে মৃত্যু হোৱা লোকৰ ক্রিয়া-কর্ম লামাৰ দ্বাৰাই সম্পন্ন কৰা হয়। চেৰদুকপেনসকলৰ মাজত প্রচলিত ৰাং পূজাৰ বিষয়ে ঔপন্যাসখনিত সুন্দৰ বৰ্ণনা পোৱা গৈছে। এই পূজাক বিশেষকৈ ধৰ্মীয় পূজা বুলিব পাৰি। ইয়াত বয়সস্থ লোকসকলেহে বেছিকৈ অংশ গ্রহণ কৰে। এক প্রকাৰৰ বৌদ্ধ ধৰ্মাৱলম্বী মন্পা চেৰদুকপেন জনজাতি ভক্ত দল বুলিব পাৰি। ৰাং পূজাত নামজ্বলা জাতিস্মৰ লামা ৰিমপোচে আহে ভক্তক আৰ্শীবাদ দিবলৈ। এই পূজাত যিসকল লোকৰ বয়স হৈছে বা ইহ সংসাৰৰ পৰা বিদায় লোৱাৰ সময় সমাগত হয়, তেনে লোকে জীৱনত পোৱা দুখ আৰু যন্ত্রণাৰ পৰা পৰিত্রাণ পাবলৈ মৃত্যুৰ পাছত স্বৰ্গৰ বাট বিচাৰি উলিয়াবলৈ সমৰ্থ হোৱাকৈ আত্মাই শক্তি আৰু বিদ্য দৃষ্টি লাভ কৰিবলৈ ডাঙৰ ডাঙৰ লামা ৰিমপোচেসকলৰ চাৰাং লয় (মি.,পৃ.২২)। সেয়ে এই পূজালৈ যাওঁতে গা-পা ধুই চাফ চিকুন হৈ যোৱাটো নিয়ম। উপন্যাসখনিত দাৱাৰ বিধৱা মাকৰ ক্ষেত্রত এই নিয়ম পালন কৰাৰ প্রসঙ্গ উল্লেখ কৰিছে।

পৃথিৱীৰ সকলো মানৱ জাতিৰ মাজত স্বকীয়ৰূপত মৃত্যু সম্পৰ্কীয় লোকাচাৰ পালনৰ নিয়ম আছে। অৰুণাচল প্রদেশৰ চেৰদুকপেন সমাজত মৃত্যুৰ সৈতে জড়িত কিছু স্বকীয় লোকাচাৰ মানি চলে। মিছিং উপন্যাসখনিত তেওঁলোকৰ মৃতকৰ অন্ত্যেষ্টিক্রিয়া কৰা ৰীতিৰ সম্পৰ্কে এনেদৰে বৰ্ণনা পোৱা গৈছে—সেই কাৰণেই মই তোমাৰ মাহীমাৰ অন্ত্যেষ্টিক্রিয়া স্বাভাৱিকভাৱে মৃত্যু হোৱা মানুহৰদৰে কৰিছোঁ। তেওঁৰ মৃতদেহ আনি পৱিত্র ঘৰত সুমুৱাইছো, তাইৰ প্রতি যিমান সন্মান প্রদর্শন কৰিব লাগে কৰিছোঁ, তেওঁক ঘৰৰ পৰা কাঠৰ ঘোঁৰাত উঠাই বিদায় দিছোঁ, শ্রাদ্ধ আমাৰ বাৰদোচোঁ (মৃত আত্মাক বিদায় দিয়া ধৰ্মপুথি) মতে কৰিছোঁ, যাতে আত্মাই সঠিক পথ পায়। অকল তাইৰেই নে, এই শ্রাদ্ধত মই দুৰ্ঘটনাত পতিত সকলো মানুহৰ আত্মাৰ সদ্গতিৰ বাবে বৰদোচোঁ পঢ়াইছোঁ, তোমাৰ মাহীমাৰ স'তে চকু মুদা কণমানি মোৰ ছোৱালীজনীৰ পৰা আৰম্ভ কৰি সকলোৰে বাবে। উনপঞ্চাছদিনীয়া শ্রাদ্ধ শেষ হ'ব দিয়ক, মই গোটেই অঞ্চলৰ মতা মানুহবিলাকক মাতি আনি বুজাম, দুৰ্ঘটনাত পতিত মানুহবিলাকৰ আত্মাৰ সদ্গতিৰ কাৰণে আমি একে ধৰণৰ পূজা-পাতল কৰিব লাগিব। একে শ্রদ্ধা, একে সন্মানেৰে সিহঁতৰ মৃতদেহ বিলাকৰো সৎকাৰ কৰিব লাগিব (মি.,পৃ.৩২)। উপন্যাসখনিত থকা এনে বৰ্ণনাই সেই সময়ৰ চেৰদুকপেন সমাজৰ পুৰণিকলীয়া ৰীতি-নীতি, সমাজৰ বান্ধোন, আৰু যিকোনো সিদ্ধান্ত গ্রহণৰ প্রসংগত পুৰুষৰ সক্রিয় ভূমিকাৰ কথাই স্পষ্ট কৰে।

চেৰদুকপেন সমাজত কোনো লোকৰ মৃত্যু হ'লে শ্রাদ্ধ-সকাম আদি গাঁৱৰ গোম্পাত ধমুধামেৰে অনুষ্ঠিত কৰা নিয়ম আছে। কিন্তু কেও কিছু নোহোৱা মানুহক ৰাইজে পুতি থৈ কাম শেষ কৰে। চেৰদুকপেন সকলৰ মাজত কোনো লোকৰ দুৰ্ঘটনাত পতিত হৈ যেনে— গাঁৱৰপৰা দূৰত হাবিত চিকাৰলৈ যাওঁতে বা নদীত মাছ মাৰিবলৈ যাওঁতে মৃত্যু হ'লে, তেনে লোকৰ মৃতদেহ ঘৰলৈ অনাৰ নিয়ম নাই। কিন্তু ইয়াৰ বিপৰীতে তেনে লোকক আত্মীয়ই ঘৰলৈ আনিলে গাঁৱৰ বাবেই অমঙ্গল বুলি বিবেচনা কৰে। উপন্যাসখনিত টোপগে মহাজনে গাঁৱৰ পুৰণিকলীয়া নিয়ম ভঙ্গ কৰি দ্বিতীয় পত্নীৰ মৃতদেহ ঘৰলৈ আনিছিল। ইয়াৰ পৰিনামো তেওঁলোকে ভোগ কৰিব লগা হৈছিল। ঔপন্যাসিকৰ পিতৃ টোপগে মহাজনে একে পিতৃ-মাতৃৰ ঔৰসজাত দুই ভাই-ভনীক বিয়া পাতিছিল। সেই অনুসৰি ঔপন্যাসিকৰ মাহীমাকৰ অপমৃত্যুৰ পিছত মৃতদেহ ঘৰত সুমুৱাইছিল। তেওঁলোকে অপমৃত্যু হোৱা মৃত ব্যক্তি বহু বছৰলৈ নৰকত পচি থাকে বুলি বিশ্বাস কৰে। সেই আত্মাই এবাৰ আবুৰ ঘৰলৈ অহা গৌৰ খুড়ীৰ গাত লম্ভি লৈ আবুৰ মাকৰ লগত কাজিয়া কৰিছিল। তাৰ বৰ্ণনা উপন্যাসত এনেদৰে পোৱা গৈছে— 'চান তুমি আকৌ বলকিবলৈ লৈছা। বেচেৰী নিৰীহ গৌৰ খুড়ীৰ গাত লম্ভি তুমি আকৌ কিবা কিবি কৰি মোক কষ্ট দিবলৈ আহিছা? মাৰ কথাৰ পৰা মই বুজি উঠিলোঁ গৌৰ খুড়ীৰ গাত মোৰ মাহীমাৰ প্রেতাত্মাই লম্ভিছে। মাৰ উত্তৰ শুনি গৌৰ খুড়ীৰ মুখেদি মাহীমায়ে কবলৈ ধৰিলে — 'কিয় নক'ম? মোক মৰিলে বুলি ভাবিছে নেকি?' 'অতো, তুমি কোন কাহানিবাই মৰিলা। ভিনদেউক মই কৈছিলোৱেই, তোমাৰ মৰা শ ঘৰলৈ আনিব নালাগে বুলি। অকল মই কিয়, সকলোৱে কৈছিল তেখেতক, তোমাৰ দুৰ্ঘটনাত পতিত হৈ কেন লগা মৃতদেহটো পৱিত্র ঘৰত নোসোমাবলৈ কৈছিল (মি.,পৃ. ৮৭)। চেৰদুকপেন সমাজত শ সৎকাৰ কৰা নিয়মৰ স্বকীয়তা আছে। কোনো লোকৰ মৃত্যু হ'লে ওচৰ-পাঁজৰ, মিটিৰ-কুটুম্ব মানুহবোৰ ঘৰলৈ আহি শ্রদ্ধাঞ্জলি দিয়াৰ নিয়ম আছে। দুদিনলৈ শটো ঘৰৰ ভিতৰত

ৰাখি থৈ পিছত মৃতদেহ নদীৰ পাৰত খৰি দিয়াৰ প্ৰথা আছে। শিশু হ'লে পুতি থোৱাহে নিয়ম। তেওঁলোকৰ সমাজত তিনিদিনীয়া, পাঁচদিনীয়া, সাতদিনীয়া, চৈধ্যদিনীয়া, একৈশদিনীয়া আৰু ঊনপঞ্চাছদিনীয়া শ্ৰাদ্ধ কাৰ্য পালন কৰা প্ৰথা আছে। চেৰদুকপেনসকলে সাতদিনীয়াতে শ্ৰাদ্ধৰ আচল (মূল) কামবিলাক শেষ কৰে। উনচল্লিশ দিনীয়াত দহা কাৰ্যহে কৰে। অৱশ্যে এই ক্ষেত্ৰত স্বাভাৱিক মৃত্যু আৰু অস্বাভাৱিক মৃত্যুৰ সৈতে জড়িত কিছু লোকাচাৰ পালনত পাৰ্থক্য আছে।

মৃত্যু লোকাচাৰৰ দৰে কোনো শুভ কাৰ্যৰ বাবে যাত্ৰা কৰা বেলিকাও চেৰদুকপেনসকলে কিছু লোকাচাৰ পালন কৰে। তাৰ উদাহৰণ উপন্যাসত এনেদৰে পোৱা গৈছে— ছোঁলোপাম গাঁৱত গাড়ী ৰখোৱা হ'ল। তাতে গাড়ীত একেলগে যোৱা পুৰোহিত এজনে চুংখিত আৰু অন্যান্য দেৱ-দেৱীক পূজা দিলে। যাত্ৰা যেন মঙ্গলময় হয় তাৰ বাবে ভূত-প্ৰেত, ডাকিনী-যখিনী সকলোকে প্ৰাৰ্থনা জনাই সৰু সৰু গছৰ ডালত বগা সৰু সৰু পতাকা লগাই অৰ্পন কৰিলে। পূজা শেষ কৰি পুনৰ যাত্ৰা আৰম্ভ হ'ল (মি.,পৃ. ২৪)। এনেবোৰ বৰ্ণনাই চেৰদুকপেনসকলৰ আধ্যাত্মিক দিশৰ আভাস দিয়ে।

**উপন্যাসখনিত সাজপাৰৰ বৰ্ণনা ঃ**

সাজ-পাৰ হ'ল এটা জাতিৰ জাতীয় পৰিচয়। সাজ-পাৰে জাতীয় অস্তিত্ব ধৰি ৰাখে বুলিলেও বঢ়াই কেৱা নহ'ব। ঠংচিদেৱে 'মিছিং' উপন্যাসখনিত চেৰদুকপেনসকলৰ সাজ-পাৰৰ বৰ্ণনা এনেদৰে দিছে —'তাইৰ গাত থকা ৰঙা চোলাটোও নতুন আৰু ৰঙ-চঙীয়া ফুলবছা আছিল।' 'তাই তাৰমানে লিদিক আৰান পিন্ধি আছিল? (মি.,পৃ.১৮)। উপন্যাসখনিৰ আন এঠাইত ৰাং পূজাৰ বাবে যোৱা বুঢ়া-বুঢ়ীসকলে পৰিধান কৰা সাজপাৰৰ প্ৰসঙ্গত চেৰদুকপেন পুৰুষ-মহিলাই পিন্ধা সাজপাৰৰ উল্লেখ এনেদৰে পোৱা গৈছে— তাৰ পাছত যাবৰ দিনা ডাঙৰ-ডাঙৰ উৎসৱ অনুষ্ঠান হ'লে পিন্ধিবৰ বাবে সাঁচি ৰখা নিজৰ নিজৰ একমাত্ৰ ভাল কাপোৰৰ সাজযোৰ পিন্ধি ওলাল। মতা মানুহবিলাকৰ গাত এড়ী চাদৰৰ চাপে, কঁকালত ফুলাম এড়ী কাপোৰৰ মখাক টঙালি, মূৰত পোজো টুপী। মহিলাবিলাকৰ দেহত এড়ী কাপোৰেৰে চিলাই লোৱা দীঘল হলৌ চিংকা, চিংকাৰ কঁকালৰ তলত জাপ কৰি ৰখা জাপ ধৰিবলৈ বন্ধা ফুলাম টঙালি মখাক আৰু ওপৰত হাত দীঘল ফুলাম এড়ী চাদৰৰ চোলা লিদিক আৰান (মি.,পৃ.২২-২৩)। মহিলাই পিন্ধা পোছাকৰ বৰ্ণনা এনেদৰে পোৱা যায়— তাইৰ গাত নতুন সাজ-পাৰ, ৰঙৰ ৰঙা লিদিক-আৰান, তাৰ ভিতৰত এড়ী কাপোৰৰ চিংকু ( মি.পৃ.২৬)।

**উপন্যাসখনিত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইৰ নাম আৰু যাতায়ত ব্যৱস্থাৰ আভাস ঃ**

উপন্যাসখনিত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইৰ নাম, যাতায়ত ব্যৱস্থাৰ উপৰিও ঠায়ে ঠায়ে যুদ্ধৰ প্ৰসঙ্গ উল্লেখ কৰিছে। অসম তথা অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইৰ নাম উল্লেখে উপন্যাসখনিৰ পাঠ গ্ৰহণত সুকীয়া ৰস প্ৰদান কৰিছে। উল্লেখ থকা ঠাইবোৰ হ'ল— তেজপুৰ, ৰঙাপাৰ, গুৱাহাটীৰ কামাখ্যা মন্দিৰ, শুক্লেশ্বৰ মন্দিৰ, বশিষ্ঠ আশ্ৰম, সন্ধ্যা-ললিতা-কান্তা জুৰি, গণেশ মন্দিৰ, উত্তৰ গুৱাহাটীত দৌল-গোবিন্দ আৰু হাজোৰ হয়গ্ৰীৱ মন্দিৰ দৰ্শনৰ প্ৰসঙ্গই বাস্তৱত পটভূমিক তুলি ধৰিছে। পল্টন বজাৰ আদি ঠাইৰ উল্লেখে পাঠকৰ মনত চিনাকী পৰিৱেশৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰাত সহায় কৰিছে। আনফালে অৰুণাচলৰ বিভিন্ন স্থানৰ নাম উল্লেখ থকাৰ লগতে উপন্যাসত সেই সময়ৰ যাতায়ত ব্যৱস্থাৰ বৰ্ণনা এনেদৰে দিছে—-পাছিঘাটৰপৰা মুৰ্কংচেলেকলৈ যোৱা বাছ দুখন ইতিমধ্যে ৰাওনা হৈ গ'ল। দুই এখন প্ৰাইভেট ট্ৰাক যি চলে সেই বিলাকৰ কোনো টাইমিং নাই। চাৰি বজাত মুৰ্কংচেলেকৰপৰা ৰাওনা হোৱা ট্ৰেইনখন আজি ধৰিব পৰাতো ভাবিব নোৱাৰা কথা।... মোৰ তেতিয়াৰ পৰম বন্ধু দৰ গম্বু আৰু মই সেইদিনাই পাছিঘাট এৰি আহি মুৰ্কংচেলেকত পেচেঞ্জাৰ ৰেলখন ধৰিছিলোঁ। ৰাতিটো ট্ৰেইনত ভ্ৰমণ কৰি ৰাতিপুৱা ৰঙাপাৰা জংচনত নামি তাৰপৰা বাছত উঠি গধূলি সময়ত ৰূপাত নামিলোঁ (মি.,পৃ. ৬৫)। উপন্যাসত সেই সময়ৰ অৰুণাচল প্ৰদেশৰ দুৰ্গম ৰাস্তা-ঘাট, বাট-পথৰ আভাস, গাড়ী-মটৰ অসুবিধা আদি বিষয়বোৰ নিখুঁটকৈ তুলি ধৰিবলৈ সক্ষম হৈছে। উপন্যাসৰ আন এঠাইত সেই সময়ৰ যাতায়াত ব্যৱস্থাৰ আভাস এনেদৰে দিছে— সেই সময়ত ৰূপা-কলাকটাং ৰাস্তাটো কেঁচা আছিল। বৰ বেয়া ৰাস্তা আছিল। বিশেষকৈ ৰূপাৰপৰা ছোঁলোপামলৈ মাটি আছিল ৰঙা। ছিলঙৰ ৰাস্তাৰ মাটিৰ দৰে। অলপ বৰষুণ দিলেই মাটিবিলাক একেবাৰে পিচল হৈ পৰিছিল আৰু গাড়ী চলাবলৈ বৰ মুস্কিল হৈ পৰিছিল (মি.,পৃ.১৭)। উপন্যাসৰ ঠায়ে-ঠায়ে ১৯৬২ চনৰ চীনা-ভাৰতৰ যুদ্ধ, ১৯৬৫ চনত ভাৰত পাকিস্তানৰ যুদ্ধ, দ্বিতীয় বিশ্বযুদ্ধ, ১৯৭১ চনত বাংলাদেশত পাকিস্তানৰ সতে হোৱা যুদ্ধ প্ৰসঙ্গ উপস্থাপন কৰিছে। উপন্যাসখনিত গুৱাহটী বিশ্ববিদ্যালয়ৰ আৰ চি চি আৰু অসম টাইপ হোষ্টেল, নৃতত্ত্ব বিভাগ, ৰসায়ন বিজ্ঞান বিভাগ, পদাৰ্থ বিজ্ঞান বিভাগ,

জালুকবাৰীৰ কৃষ্ণচূড়া গছ আদিৰ উল্লেখে বাস্তৱতাৰ ছাঁয়া ছবি সৃষ্টি কৰিছে।

**উপন্যাসখনিত ভাষিক উপাদান ঃ**

'মিছিং' উপন্যাসখনিৰ আৰম্ভণিৰপৰা শেষলৈকে চালে দেখা যায় যে, উপন্যাসখনিত তেনেই সহজ-সৰল ভাষা ব্যৱহাৰ কৰিছে যদিও বিভিন্ন ঠাইৰ নাম, মানুহৰ নাম, অঞ্চল, পূজা-পাৰ্বন, নদ-নদী আদিবোৰ স্বকীয় ভাষাত মান্যতা দিছে। তেনে ভাষাৰে পুষ্ট ঠাইৰ নাম হ'ল— তানজিন, মোৰচিং, ৰূপা, ছোঁলোপাম, জোময়ামবাও, চেৰগাঁও, দোমখা-মোৰচিং, মান্দলাফুদুং মুক্তো, জীগাঁও, লিংবাকতা, জাংগু পাহাৰ, থোংৰে গাঁও, চেৰ গাঁও, লাৰজা ৰাংপু, চুংখিত থিক খোং (এৰা ঘৰৰ চুবুৰী) আদি অৰুণাচল প্ৰদেশৰ বিবিন্ন গাঁৱৰ নামে সেই অঞ্চলৰ অস্তিত্ব বহন কৰিছে। ঠিক একেদৰে উপন্যাসখনিত বিভিন্ন পূজা-পাতল, দেব-দেৱতাৰ নাম স্বকীয় ভাষাত ব্যৱহাৰ কৰিছে—ৰাং পূজা, চাৰাং (আৰ্শীবাদ, মি.,পৃ.২২), চুংখতি দেৱতা, খিক্ চাবা পূজা, কেন (অমঙ্গলীয়া শক্তি যাৰ বাবে দুৰ্ঘটনা বা অস্বাভাৱিক মৃত্যু হয়), ফান থিং হিং, দোঁ-ইচিং, গোম্পা (ৰাজহুৱা প্ৰাৰ্থনা গৃহ) আদি শব্দবোৰে জাতিৰ সাংস্কৃতিক স্বাক্ষৰ বহন কৰি আছে। উপন্যাসখনিত বাটপথৰ নাম— ৰূপা কলাকটাং ৰাস্তা, মিছিং নদী; মানুহৰ নাম; যেনে—চাংলেকি (মি.,পৃ.২০), দাৰা, চাৰাং, দৰজে (মি.,পৃ.২৪), ৰিমপোচে, খিক্চিজি, উচু-লা-বোখান (ভৰি নোহোৱা ককা), দোজে, চাইলা, কাচিংপা, কাৰমা লামা, চাং দৰজে মেগেজি, পেম্বা, কাৰমা, দৰ গম্বুৰ, মাইপাক সিং, ইবোমচা সিং, চান্দু, টোপগে ঠংদোক, আবু ঠংদোক আদি শব্দবোৰে জনগোষ্ঠীয় ভাষিক সচেতনতাক তুলি ধৰিছে। ঠিক তেনেদৰে নদীৰ নাম— ফিৰোং জলপ্ৰপাত ( মি.পৃ. ১৪); গীত-মাত যেনে— প্ৰেমৰ গীত 'আয় নোং য়ো য়ো (মি.,পৃ.২৩), বৰদোচোঁ পাঠ আদি; খাদ্যাভাস-আৰাক আদি শব্দৰ উপৰিও, ঝোঁ (ঘৰৰ ওপৰ মহলা), ঠং (চেৰদুকপেন সকলৰ উচ্চ সম্প্ৰদায়। ছাওঁসকলে উচ্চ সম্প্ৰদায়ক কৰা সম্বোধন), মি (ঠংৰ স্ত্ৰী লিঙ্গ), জি'ই জিকপা (গাত প্ৰেতাত্মা লম্ভা), ছাওঁ (চেৰদুকপেন সকলৰ নিম্ন সম্প্ৰদায়), চান (কনিষ্ঠজনী), কৰ্দন (আৰদ্ধকৰা) আদি চেৰদুকপেন ভাষাৰ বিভিন্ন শব্দ ব্যৱহাৰ কৰিছে। থলুৱা ভাষাৰ শব্দ সম্ভাৰৰ লগতে —Customer, ডিষ্টাৰ্ব, হেণ্ডচেক, লড', হোটেল , Deserted, ইন্টাৰেষ্টিং, ওৰেঞ্জ, লান্স, মেনু, হোটেল বয়, ইন্টাৰকম , ৰেষ্টুৰেন্টৰ, অৰ্ডাৰ, ডুপ্লিকেট, ষ্টাইল, পি.ডব্লিউ.ডি, চাৰ্ভিচ, আংকল, ৰকৰ্চ, পাৰ্কিং প্লেচ , বিল্ডিঙ আদি ইংৰাজী শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। ভিন্ন ভাষাৰ শব্দ সম্ভাৰৰ প্ৰয়োগে ঔপন্যাসিকৰ ভাষিক দক্ষতাৰ পৰিচয় বহন কৰিছে। উপন্যাসখনিৰ ভাষাতাত্বিক দিশৰ আলোচনা কৰাৰ স্থল আছে।

**সামৰণি ঃ**

য়েছে দৰজে ঠংচিৰ ৰচিত জনগোষ্ঠীয় জীৱনভিত্তিক এখনি সাৰ্থক আৰু জনপ্ৰিয় উপন্যাস হ'ল 'মিছিং'। উপন্যাসখনিত চেৰদুকপেন সমাজখনত পূৰ্বৰেপৰা প্ৰচলিত হৈ অহা ভূত-প্ৰেত সম্পৰ্কীয় লোক-বিশ্বাস আৰু মৃত্যুৰ সৈতে জড়িত লোকাচাৰক কেন্দ্ৰ কৰি বিষয়বস্তু উপস্থাপন কৰিছে যদিও উপন্যাসখনিত চেৰদুকপেন জনগোষ্ঠীৰ লোকজীৱনটোৰেই প্ৰতিফলিত হৈছে বুলিব পাৰি। উপন্যাসখনিৰ আৰম্ভণিৰ পৰা শেষলৈকে চেৰদুকপেনসকলৰ সামাজিক বান্ধোন, পূজা-পাতল, উৎসৱ-পাৰ্বন, যাত্ৰাৰ শুভাশুভ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ, খাদ্যাভাস, সাজপাৰ, কৃষি, ভূত-প্ৰেতকেন্দ্ৰিক লোকাচাৰ, মিছিং সম্পৰ্কীয় লোক-বিশ্বাস, অন্ধবিশ্বাস, জনশ্ৰুতি, যাতায়ত ব্যৱস্থা, শিক্ষা, ন-পুৰণিৰ সংঘাত আদি বিভিন্ন বিষয় উপস্থাপন কৰিছে।সেইফালৰপৰা উপন্যাসখনিক সামাজিক-সাংস্কৃতিক সমলেৰে পৰিপূৰ্ণ এখন জনজাতীয় উপন্যাস বুলিব পাৰি। কাৰণ উপন্যাসখনিত জনগোষ্ঠীয় প্ৰায়বোৰ সমলেই বিচাৰি পোৱা যায়। কিন্তু গতিশীল সময়ৰ সৈতে সংস্কৃতিৰ পৰিৱৰ্তন হয়। গতিকে পৃথিৱীৰ আন আন সভ্যতা-সংস্কৃতিৰদৰে চেৰদুকপেনসকলৰ মাজত থকা সামাজিক পৰম্পৰা, লোকৰীতি-নীতিলৈ পৰিৱৰ্তন আহিছে বা ঠায়ে ঠায়ে নতুন সংযোজনে পুৰণিকে নতুনৰূপত উপস্থাপন কৰিছে। কিন্তু চেৰদুকপেনসকলৰ বাবে সুখৰ কথা যে, তেওঁলোকৰ পুৰণি সাংস্কৃতিক পৰম্পৰাবোৰ কালৰ গতিত হেৰাই গ'লেও বহু যুগৰ পাছতো মিছিং উপন্যাসখনিয়ে চেৰদুকপেনসকলৰ মাজত প্ৰচলিত লোক-কথা, লোকজীৱনক প্ৰতিনিধিত্ব কৰিব। চৰিত্ৰৰ মনোজগতত আত্ম সমালোচনা সিং খৰ্ক্সইভাৰৰ চৰিত্ৰটিত সামান্যভাৱে দেখুৱাইছে। আনফালে প্ৰথম পুৰুষত কৰা বৰ্ণনাশৈলী আৰু কথোপকথন ৰীতিৰ সহজ-সৰল ভাষাই উপন্যাসখনিৰ কাহিনীক সকলো পাঠকৰ ওচৰ চপাই নিয়াত সহায়ক হৈছে। উপন্যাসখনিত প্ৰয়োগ হোৱা অসমীয়া, ইংৰাজী আৰু চেৰদুকপেন ভাষালৈ লক্ষ্য কৰিলে উপন্যাসখনিক ভাষাতাত্বিক দিশৰ পৰাও আলোচনা কৰাৰ স্থল আছে। কাৰণ যুগ পৰিৱৰ্তনৰ লগে লগে চহকী স্বয়ংসত্ৰীয়

জনগোষ্ঠীয় লোক-জীৱনৰ সমলসমূহ হেৰাই যাবলৈ ধৰিছে। সেয়েহে সময় থাকোঁতেই এনেবোৰ লোক-সাংস্কৃতিক বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰা প্ৰয়োজন আছে। উপন্যাসখনিৰ জড়িয়তে চেৰদুকপেন সমাজত পালিত মৃত্যুৰ সৈতে জড়িত সামাজিক লোকাচাৰৰ লগতে তেওঁলোকৰ খাদ্যাভাস, সাজপাৰ, সামাজিক বান্ধোন আদি বিভিন্ন দিশৰ বিষয়ে অৱগত হ'ব পাৰি। বিশেষকৈ —সেই সময়ত ফিৰোং জলপ্ৰপাতৰ কাষৰ হাবি বিলাক জুম খেতি কৰিবলৈ কিছুমান মানুহে কাটি মুকলি কৰি আছিল (মি., পৃ.১৯)ৰদৰে বৰ্ণনাই চেৰদুকপেনসকলৰ কৃষিকৰ্মৰ আভাস স্পষ্টকৈ দাঙি ধৰিছে। উপন্যাসখনিৰ কোনো কোনো অংশত চন, তাৰিখ আদি উল্লেখেৰে বাস্তৱতাৰ ৰহন সানিছে। উপন্যাসখনিত অৰুণাচলৰ ৰূপাৰ বিভিন্ন বাস্তৱ পৰিৱেশৰ লগতে সৈন্য বাহিনীত চলা ষড়যন্ত্ৰৰ এখন অপ্ৰিয় জীৱন্ত ছবি তুলি ধৰিছে। আশা কৰিব পাৰি অনাগত দিনত মিছিং উপন্যাসখনিয়ে চেৰদুকপেনসকলৰ লোক-জীৱনৰ অলিখিত কাহিনী ভৱিষ্যৎত প্ৰজন্মলৈ কঢ়িয়াই নিব। ❑

**সংক্ষিপ্তৰূপ ঃ**

পৃ. - পৃষ্ঠা

মি. - মিছিং

**অন্ত্যটীকা ঃ**

১। নেওগ, মহেশ্বৰঃ শ্বেৰডুকপেন্ প্ৰবন্ধ, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত অসমৰ জনজাতি, তৃতীয় সংস্কৰণ, অকোবৰ, ২০০৮, পৃ. ২৩৯

২। বৰপাত্ৰ গোহাঁই, চন্দ্ৰঃ অৰুণাচল প্ৰদেশৰ জনজাতিসকল, প্ৰথম প্ৰকাশ, ২০১৩, পৃ.১৪

৩। নেওগ, মহেশ্বৰঃ উপৰোক্ত, পৃ.২৪০

৪। গগৈ, লোকেশ্বৰঃ অসমৰ লোক-সংস্কৃতি, ক্ৰান্তিকাল প্ৰকাশন, ২০১৩, পৃ. ১৫৫-১৫৬

৫। গগৈ, লোকেশ্বৰঃ সদ্যোক্ত, পৃ. ৮৮

**মুখ্য সমলঃ**

দৰজে ঠংচি, য়েছেঃ মিছিং, বনলতা, প্ৰথম প্ৰকাশ, নবেম্বৰ, ২০০৮

**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। গগৈ, লোকেশ্বৰঃ অসমৰ লোক-সংস্কৃতি, ক্ৰান্তিকাল প্ৰকাশন, ২০১৩

২। নেওগ, মহেশ্বৰঃ শ্বেৰডুকপেন্ প্ৰবন্ধ, প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য সম্পাদিত অসমৰ জনজাতি, তৃতীয় সংস্কৰণ অকটোবৰ, ২০০৮

৩। বৰপাত্ৰ গোহাঁই, চন্দ্ৰঃ অৰুণাচল প্ৰদেশৰ জনজাতিসকল, প্ৰথম প্ৰকাশ, ২০১৩

ISSN 2321-4945
UGC CARàß Listed Journal
RNI NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# লীলা গগৈৰ শিশু সাহিত্য



ড° খামছেং বৰগোহাঁই

নিজ লাহোৱাল গাওঁ
ডাক ঃ লাহোৱাল, পিন ঃ ৭৮৬০১০
জিলা ঃ ডিব্ৰুগড় (অসম)
৯৪৩৫৫৭৪৫২০
khamseng42@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

শিশু সাহিত্য শিশুক উদ্দেশ্যি ৰচনা কৰা হয়। শিশুৰ মন কোমল, আৱেগিক, কল্পনাপ্ৰৱণ, অনুসন্ধিৎসু। শিশুক কাল্পনিক বা অলৌকিক জগতৰ মনোৰম কাহিনীয়ে আনন্দ দিয়ে। শিশু সাহিত্যই শিশুৰ মনত আনন্দ দিয়াৰ লগে লগে শিশুৰ বুদ্ধি-বৃত্তি বিকাশৰ প্ৰতিও গুৰুত্ব দিয়া পৰিলক্ষিত হয়। কাৰণ শিশুৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ কথাটোও শিশু সাহিত্যৰ সৈতে জড়িত হৈ থাকে। গতিকে, শিশুৰ বাবে সাহিত্য সৃষ্টি কৰোঁতে লেখকে বিষয় নিৰ্বাচন, উপস্থাপন কৌশল, ভাষা, নৈতিক শিক্ষা ইত্যাদি দিশবোৰৰ প্ৰতি সচেতন হোৱাটো প্ৰয়োজন। অসমীয়া শিশু সাহিত্যলৈ অৱদান যোগোৱা বিভিন্নজন লেখকৰ ভিতৰত লীলা গগৈ অন্যতম। তেওঁ ভালেসংখ্যক কবিতা, কাল্পনিক কাহিনী আৰু জীৱনীমূলক ৰচনাৰে অসমীয়া শিশু সাহিত্যক চহকী কৰিছে। তেওঁৰ ৰচনাসমূহ শিশু পাঠকক আকৰ্ষণ কৰিব পৰাকৈ মনোৰঞ্জনধৰ্মী, চিত্ৰধৰ্মী, কাহিনীধৰ্মী, ধ্বনিমাধুৰ্যৰে সমৃদ্ধ।

**০.১ বিষয়ৰ পৰিচয় ঃ**

সাহিত্যৰ বিভিন্ন বিধাবোৰৰ ভিতৰত এবিধ অন্যতম বিধা হৈছে শিশু সাহিত্য। সাধাৰণতে শিশু সাহিত্য বুলিলে শিশুৰ সৰল, অনুসন্ধিৎসু, কল্পনাপ্ৰৱণ আৰু কৌতুহলী মনে স্পৰ্শ কৰিব পৰাকৈ শিশুক আকৰ্ষিত কৰা উপাদানসমূহেৰে শিশুৰ জ্ঞানৰ পৰিসৰ বিস্তৃত আৰু ৰস প্ৰদান কৰিব পৰাকৈ ৰচনা কৰা সাহিত্যই শিশু সাহিত্য। অসমীয়া শিশু সাহিত্যৰ ইতিহাসটোলৈ মন কৰিলে দেখা যায় যে, মৌখিক যুগৰ পৰাই সাধুকথা, নিচুকণি গীত, ওমলা গীত ইত্যাদিৰ জৰিয়তে অসমীয়া শিশু সাহিত্যৰ প্ৰচলন হৈ আহিছে। তাৰপিছত বৈষ্ণৱ যুগতো বিভিন্ন ৰচনাৰ মাজত শিশু সাহিত্যৰ লক্ষণ দেখা যায়। যেনে - মাধৱদেৱৰ ঝুমুৰাসমূহ, শংকৰদেৱৰ কীৰ্তনৰ 'শিশুলীলা', ৰাম সৰস্বতীৰ 'ভীম চৰিত', শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' ইত্যাদিত শিশু মনস্তত্ত্বৰ প্ৰতিফলন ঘটিছে। আধুনিক যুগলৈ লক্ষ্য কৰিলে দেখা যায়, 'অৰুণোদই' কাকতো বাইবেলৰ বিভিন্ন কাহিনী, সাধুকথা ইত্যাদি ভালেমান শিশুকেন্দ্ৰিক ৰচনা প্ৰকাশ পাইছিল। অৰুণোদইৰ পাছৰ কালছোৱাত অৰ্থাৎ জোনাকী যুগত লক্ষ্মীনাথ বেজবৰুৱা, পানীন্দ্ৰনাথ গগৈ, পদ্মনাথ গোহাঞিবৰুৱা, অতুলচন্দ্ৰ হাজৰিকা, আনন্দচন্দ্ৰ আগৰৱালা আদি কেইজনমান সাহিত্যিকে শিশু সাহিত্য ৰচনাত গুৰুত্ব দিয়ে। এই সাহিত্যিকসকলে ৰামায়ণ-মহাভাৰতকে ধৰি বিভিন্ন পুৰাণৰ আখ্যান, সাধুকথা, দেশী-বিদেশী বিবিধ কাহিনীৰ অনুবাদ, কবিতা আদি শিশু উপযোগীকৈ ৰচনা কৰিছিল। ইয়াৰ লগে লগে শিশু সাহিত্যৰ

এটি অন্যতম প্ৰকাৰ হিচাপে অসমীয়া সাহিত্যত গুৰুত্ব লাভ কৰে।

লীলা গগৈয়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত বিশেষ বৰঙণি আগবঢ়ায়। তেওঁ মুখ্যতঃ এজন সাহিত্যিক, বুৰঞ্জীবিদ আৰু সংস্কৃতিৰ সাধক। লীলা গগৈয়ে উপন্যাস, গীতি-কবিতা, হাস্যৰসাত্মক ৰচনা, শিশু সাহিত্য ইত্যাদি বিবিধ ৰচনাৰে অসমীয়া সাহিত্যৰ ভঁৰাল পুষ্ট কৰি থৈ গৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

শিশু সমাজৰ ভৱিষ্যত। শিশুৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত শিশু সাহিত্যৰ ভূমিকা লক্ষণীয়। এই দিশলৈ লক্ষ্য ৰাখি লীলা গগৈৰ শিশু উপযোগী ৰচনাসমূহ শিশু সাহিত্য হিচাপে কিমান ফলপ্ৰসূ আৰু শিশু সাহিত্যৰ লক্ষণসমূহ তেওঁৰ ৰচনাত কেনেদৰে ফুটি উঠিছে সেই সম্পৰ্কে আলোচনা দাঙি ধৰাটোৱেই এই অধ্যয়নৰ মুখ্য উদ্দেশ্য।

বৰ্তমান সময়ত শিশু সাহিত্যৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে যদিও শিশুক মনোৰঞ্জন দিয়াৰ লগতে শিশুৰ শাৰীৰিক, মানসিক তথা বৌদ্ধিক বিকাশ কৰা সফল শিশু সাহিত্যৰ ৰচনা সততে লক্ষ্য কৰা নাযায়। এনে ক্ষেত্ৰত অসমীয়া শিশু সাহিত্যক চহকী কৰা লীলা গগৈৰ শিশু সাহিত্যৰ বিভিন্ন দিশসমূহ বিচাৰ কৰাৰ হেতু বিষয়টি অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰা হৈছে।

**০.৩ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ ঃ**

"লীলা গগৈৰ শিশু সাহিত্য"—শীৰ্ষক বিষয়টো অধ্যয়নৰ বাবে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। অধ্যয়নৰ পৰিসৰত লীলা গগৈৰ ৰচিত *খঁৰা শিয়ালৰ বিয়া, অনুপম কোঁৱৰৰ সাধু, পোনাকণৰ সপোন, সোণতৰা* আৰু *ৰংমনৰ কথা* শীৰ্ষক গ্ৰন্থকেইখনক সামৰি অধ্যয়নটি আগবঢ়াই নিয়া হৈছে। অধ্যয়নটিত লীলা গগৈৰ শিশু সাহিত্যত প্ৰতিফলিত শিশু সাহিত্যৰ বিভিন্ন দিশসমূহৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

**১.০ লীলা গগৈৰ শিশু সাহিত্য ঃ**

লীলা গগৈয়ে শিশু উপযোগী মুঠ সাতখন গ্ৰন্থ ৰচনা কৰে। তেওঁৰ ৰচনাসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেইকেইটা হৈছে—

- কবিতা ঃ *খঁৰা শিয়ালৰ বিয়া* (১৯৫৪)
- কাল্পনিক কাহিনী ঃ *পোনাকণৰ সপোন* (১৯৫৫), *সোণতৰা, ৰংমনৰ কথা* (১৯৬০), আৰু *অনুপম কোঁৱৰৰ সাধু* (১৯৬৯)
- জীৱনীমূলক ৰচনা ঃ *জয়মতী আৰু মূলা গাভৰু, ল'ৰাৰ লাচিত বৰফুকন*

উক্ত শিশু গ্ৰন্থকেইখনৰ উপৰিও লীলা গগৈৰ দ্বাৰা ৰচিত 'জোনবাই এ তৰা এটি দিয়া' (১৯৫৭) শীৰ্ষক আন এখন কবিতা পুথিৰ নাম উল্লেখ পোৱা যায়।[1] লীলা গগৈৰ শিশু সাহিত্যসমূহত মনোৰঞ্জনৰ লগতে শিশুৰ মানসিক তথা বৌদ্ধিক দিশটোতো গুৰুত্ব দিয়া দেখা যায়। লীলা গগৈৰ দ্বাৰা ৰচিত কাল্পনিক কাহিনীসমূহত গীত-মাত, খেল-ধেমালিৰ জৰিয়তে শিশুৰ সহজাত প্ৰবৃত্তিসমূহৰ একোখন বাস্তৱ ছবি প্ৰতিফলন ঘটিছে। সেইদৰে কবিতাবোৰৰ খুহুটীয়া উপস্থাপনে আৰু ছন্দৰ সুপ্ৰয়োগে তথা ধ্বনিমাধুৰ্যতাই শিশুৰ বাবে কবিতাবোৰ আনন্দদায়ক হোৱাত সহায় কৰিছে। শিশুৰ শৈক্ষিক দিশটোৰ ক্ষেত্ৰত জীৱনীমূলক গ্ৰন্থ দুখনৰ ভূমিকা মন কৰিবলগীয়া। এই গ্ৰন্থ দুখনত কেইবাগৰাকী ইতিহাস প্ৰসিদ্ধ ব্যক্তি (জয়মতী, মূলাগাভৰু, লাচিত বৰফুকন)ৰ কাহিনী শিশু উপযোগীকৈ ৰচনা কৰিছে। গ্ৰন্থ দুখনত সেই ব্যক্তিসকলৰ জীৱন সম্পৰ্কীয় কথাবোৰৰ লগতে ইতিহাস প্ৰসিদ্ধ বহুতো ঘটনা (মোগলৰ অসম আক্ৰমণ, শৰাইঘাটৰ যুদ্ধ ইত্যাদি)ৰ লগত শিশুক পৰিচয় হোৱাৰ সুযোগ দিছে। ইয়াৰ লগে লগে লেখকে শিশুৰ মনত স্বদেশ প্ৰীতিৰ ভাৱ জাগ্ৰত কৰাৰ প্ৰয়াসো কৰিছে।

**১.১ লীলা গগৈৰ শিশু সাহিত্যত প্ৰতিফলিত শিশু সাহিত্যৰ বিশেষত্ব ঃ**

যিহেতু শিশু সাহিত্য ৰচনা কৰা হয় শিশুক উদ্দেশ্য কৰি, সেয়ে শিশুৰ বাবে লিখা ৰচনাসমূহ শিশু পাঠকৰ মন আকৰ্ষণ কৰিব পৰাকৈ সহজ-সৰল ৰূপত উপস্থাপন কৰাটো প্ৰয়োজনীয়। তদুপৰি শিশুৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰতো লেখকে গুৰুত্ব দিব লাগে। গতিকে সাহিত্যৰ অন্যান্য বিধাবোৰৰ তুলনা শিশু সাহিত্য ৰচনা কৰোঁতে কিছুমান সূক্ষ্ম দিশৰ প্ৰতি সচেতন হ'বলগীয়া হয়। তলত লীলা গগৈৰ শিশু সাহিত্যসমূহত প্ৰতিফলত শিশু সাহিত্যৰ বিভিন্ন লক্ষণসমূহৰ বিষয়ে আলোচনা কৰা হৈছে—

**১.১.১ মনোৰঞ্জনধৰ্মী**

শিশুক মনোৰঞ্জন দিয়াটো শিশু সাহিত্যৰ এক অন্যতম বৈশিষ্ট্য। মনোৰঞ্জনধৰ্মীতাইহে শিশুক সাহিত্যৰ প্ৰতি আগ্ৰহী কৰি তোলে। লীলা গগৈৰ শিশু সাহিত্যসমূহ শিশুক মনোৰঞ্জন

দিব পৰাকৈ সুন্দৰ ৰূপত উপস্থাপন কৰা দেখা যায়। বিশেষকৈ কবিতাসমূহ আৰু কাল্পনিক কাহিনীবোৰৰ মাজে মাজে উল্লেখ কৰা গীত-মাতবোৰৰ ধ্বনিমাধুৰ্যই লীলা গগৈৰ সাহিত্যৰাজিক অতি ৰসাল কৰি তুলিছে। শিশু পাঠকে এই কবিতাবোৰ আওৰাই যে মনত আনন্দ লাভ কৰিব তাত সন্দেহ নাই।

মেঘদেৰতাই ঢোলটো বজাইছে
আটায়ে উৰুলি দিয়া;
ৰ'দো দিছে, বৰষুণো দিছে
খঁৰা শিয়ালৰ বিয়া। (খঁৰা শিয়ালৰ বিয়া, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৪১)



সেইদৰে, গল্পবোৰৰ শিশু চৰিত্ৰসমূহৰ মুখত দিয়া ওমলা গীতবোৰৰ জৰিয়তেও শিশু পাঠকক আনন্দ দিয়াৰ প্ৰয়াস কৰিছে।

"এইটো কাৰ দৌল?" - "ৰজাৰ"
"ভাঙি বলৈ দিয়ে নে নিদিয়ে" - "নিদিয়ে"
"কলীক মাতিমনে" - "নেমাতিবা"
"বগীক মাতিমনে" - "নেমাতিবা"
"কলা ঔচ্, বগী ঔচ্, ঘেকেচ্।"
(সোণতৰা, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৯৮)

গীত-মাতবোৰৰ উপৰিও গল্পবোৰত বৰ্ণিত আমোদজনক ঘটনাসমূহে শিশু পাঠকক সহজতেই আকৰ্ষণ কৰিব বুলি ক'ব পাৰি। গল্পসমূহত কণ কণ শিশু চৰিত্ৰবোৰৰ হাঁহি-ধেমালিৰ কথা, অনুপম কোঁৱৰক চিলনীয়ে উৰুৱাই নিয়াৰ ঘটানা, অনুপম কোঁৱৰ ডাঙৰ হৈ মাক-দেউতাকক বিচাৰি যাওঁতে ঘটা নানা ঘটনা ইত্যাদি মনোৰম কাহিনীবোৰে শিশুৰ মনত সহজতেই আনন্দ দিয়ে। উল্লেখযোগ্য যে, লীলা গগৈয়ে শিশু সাহিত্যসমূহত কেৱল শিশুকেই মূল চৰিত্ৰ হিচাপে লোৱা নাই, শিশুৰ উপৰিও বিভিন্ন পোক-পতংগ (পৰুৱা, কেৰেলুৱা, নিগনি, ফৰিং ইত্যাদি)ক কাহিনীৰ চৰিত্ৰ হিচাপে গ্ৰহণ কৰিছে। এনে চৰিত্ৰবোৰে কথাও ক'ব পাৰে। প্ৰকৃততে শিশুসকল এনেধৰণৰ কাল্পনিক, মায়াসনা কাহিনীৰ প্ৰতি আগ্ৰহী হোৱা দেখা যায়। লীলা গগৈৰ ৰচনাৰ এনেবোৰ দিশে শিশুক আমোদ দিয়াত যথেষ্ট সহায় কৰিছে।

শিশুক মনোৰঞ্জন প্ৰদান কৰাৰ ক্ষেত্ৰত ৰসাল কাহিনীধৰ্মী উপস্থাপনো শিশু সাহিত্যৰ এক বিশেষ লক্ষণ। লীলা গগৈৰ শিশু গল্প অথবা কাল্পনিক কাহিনীসমূহৰ উপৰিও শিশু কবিতাসমূহৰ মাজত একোটা মন্ময়ধৰ্মী চিত্ৰ জীৱন্ত ৰূপত উপস্থাপন কৰিছে। যিবোৰ কল্পনা কৰি শিশুৱে আনন্দ পায়। যেনে- 'জোঁৱাই কুকুৰীকণা' শীৰ্ষক কবিতাটিত অসমীয়া সমাজত প্ৰচলিত কুকুৰীকণা সাধুটোক কবিতাৰ ৰূপ দিছে। ইয়াত কুকুৰীকণা জোঁৱায়েকৰ লটি-ঘটিয়ে শিশুৰ মনত আনন্দ দিয়ে। এনেদৰে কবিতাসমূহত একো একোটা কাহিনীৰ অৱতাৰণা কৰি শিশু পাঠকক মনোৰঞ্জন প্ৰদানৰ প্ৰয়াস কৰা দেখা যায়। শিশু সাহিত্যৰ এনে মনোৰঞ্জনধৰ্মী গুণে শিশুক সাহিত্য পঠনৰ প্ৰতিও আগ্ৰহী কৰি তোলাত সহায় কৰিব বুলি ক'ব পাৰি।

**১.১.২ শৈক্ষিক দিশ ঃ**

সাহিত্যিকে শিশুৰ বাবে লিখা ৰচনাত গুৰুত্ব দিবলগীয়া আন এটি মনকৰিবলগীয়া দিশ হৈছে - শৈক্ষিক দিশ। শিশু সাহিত্যই শিশুৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। লীলা গগৈৰ শিশু সাহিত্যসমূহ মন কৰিলে দেখা যায় যে, তেওঁ শিশুৰ শৈক্ষিক দিশটোৰ প্ৰতিও যথেষ্ট সচেতন আছিল। তেওঁ গল্পৰ চলেৰে শিশুক নৈতিক শিক্ষা প্ৰদানৰ প্ৰয়াস কৰিছিল। যেনে - 'ৰংমনৰ কথা' শীৰ্ষক পুথিখনত নিয়মানুৱৰ্তীতা, শৃংখলাবদ্ধতা, একতাৰ বল, ডাঙৰৰ অবাধ্য হোৱা অনুচিত ইত্যাদি বিভিন্ন কথাৰে শিশুক নৈতিক শিক্ষা দিয়াৰ যত্ন কৰিছে।

'জয়মতী আৰু মূলাগাভৰু' আৰু 'ল'ৰাৰ লাচিত বৰফুকন' নামৰ পুথি দুখনত শিশুক অসমৰ বীৰ-বীৰাঙ্গনাৰ পৰিচয়মূলক ৰচনা আগবঢ়াইছে। ইয়াত জয়মতী, মূলাগাভৰু, লাচিত বৰফুকন ইত্যাদি ইতিহাস প্ৰসিদ্ধ ব্যক্তিৰ বিষয়ে শিশুৰ উপযোগীকৈ তুলি ধৰিছে। এনে কাহিনীয়ে শিশুক অসমৰ

ইতিহাসৰ বিভিন্ন ঘটনাৰ লগত পৰিচয় কৰি দিয়াৰ লগতে শিশুক বুৰঞ্জীৰ প্ৰতি আগ্ৰহী কৰি তুলিব পাৰি। লগতে শিশুৰ মনত স্বদেশপ্ৰীতিৰ মনোভাৱ গঢ়ি তোলাৰ ক্ষেত্ৰতো এই ৰচনাসমূহৰ ভূমিকা পৰিলক্ষিত হয়। নিজ দেশৰ মান ৰক্ষাৰ বাবে আত্মাহুতি দিয়া জয়মতী, মূলাগাভৰু, লাচিত বৰফুকন আদি বীৰ-বীৰাঙ্গনাসকলৰ কাহিনীয়ে শিশুক আপ্লুত কৰাৰ লগতে শিশুৰ মনত স্বদেশপ্ৰীতিৰ ভাৱ জাগ্ৰত কৰাৰ অৱকাশ আছে।

লীলা গগৈৰ শিশু ৰচনাসমূহত শিশুক অসমীয়া ভাষাৰ বৰ্ণমালাৰ জ্ঞান দিয়াৰো প্ৰয়াস দেখা যায়। 'সোণতৰা' শীৰ্ষক পুথিখনত 'ব্যঞ্জনবৰ্ণৰ মেল' আৰু 'স্বৰবৰ্ণৰ মেল' নামৰ ৰচনা দুটিত বৰ্ণবোৰৰ দ্বাৰা কেনেকৈ শব্দ গঠন কৰিব পাৰি তাক ধেমেলীয়া কথাৰে শিকোৱাৰ যত্ন কৰিছে। যেনে - 'ক' বৰ্ণৰ জৰিয়তে শব্দ গঠন কৰিছে এনেদৰে—

কথা ছলাহী কই কবিতা এটাকে আবৃত্তি কৰি
দিলে - কলিকালত কলীয়া ককায়ে কিমান কৰিব কাম।

(*সোণতৰা*, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৮০১)

অসমীয়া সমাজত প্ৰচলিত বিভিন্ন ধৰণৰ লোক গীত-মাত আদিৰ লগত শিশুক পৰিচয় কৰোৱাৰ ক্ষেত্ৰতো লীলা গগৈয়ে শিশু সাহিত্যৰ জৰিয়তে প্ৰয়াস কৰিছে। তেওঁৰ শিশু গল্পবোৰৰ বিভিন্ন ঠাইত বিয়ানাম, ভেকুলী বিয়াৰ নাম, ওমলা গীত, নিচুকণি গীত, বিহুনাম, কমলা কুঁৱৰীৰ গীত আদি উল্লেখ কৰিছে। 'সোণতৰা' পুথিখনত উল্লেখ থকা এফাঁকি ভেকুলী বিয়াৰ নাম এনেধৰণৰ—

চুকৰে ভেকুলী
মেঘৰ মন মুকলী
ঐ ৰাম, ৰাইজক পানী কৰি দিয়া।
(*সোণতৰা*, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৯৫)

**১.১.৩ শিশুকেন্দ্ৰিকতা ঃ**

শিশুকেন্দ্ৰিকতা শিশু সাহিত্যৰ প্ৰধান বৈশিষ্ট্য। বিষয়বস্তুৰ পৰা ৰচনাৰীতিলৈকে আটাইবোৰ দিশতে শিশু সাহিত্যই শিশুক আকৰ্ষণ কৰিব পাৰিব লাগে। লীলা গগৈৰ শিশু সাহিত্যসমূহ শিশুকেন্দ্ৰিক গুণেৰে ভৰপূৰ। লীলা গগৈয়ে শিয়াল, পৰুৱা, কেৰেলুৱা ইত্যাদিক চৰিত্ৰ হিচাপে গ্ৰহণ কৰাত শিশুৰ বাবে ৰচনাসমূহ অতি আকৰ্ষণীয় হৈছে বুলি ক'ব পাৰি। শিশুৱে সহজাতভাৱেই ওমলি-জামলি ভাল পায়। লীলা গগৈয়ে শিশুৰ এই প্ৰবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি 'সোণতৰা' পুথিখনত সোণ, ৰূপালী, ৰুণু, পুতু আদি শিশু চৰিত্ৰই খেলা বালিৰ দৌল সজাৰ খেল, ভাওনাৰ ভাও লোৱা খেল আদি খেলৰ বৰ্ণনা কৰিছে। এইবোৰে শিশুৰ সহজাত প্ৰবৃত্তিৰ একোখন জীৱন্ত চিত্ৰৰ ৰূপায়ণ কৰিছে। সেইদৰে শিশুৰ ঠেহ-পেচ, অভিমান, বন্ধুত্বসুলভ মন আদি অন্যান্য স্বাভাৱিক প্ৰবৃত্তিসমূহো লীলা গগৈৰ শিশু সাহিত্যত প্ৰতিফলিত হোৱা দেখা যায়।

শিশু সাহিত্যত শিশুৰ মনস্তাত্বিক দিশটোও মনকৰিবলগীয়া। শিশুৰ মন সদায় কৌতুহলী। সিহঁতৰ মনত অজস্ৰ প্ৰশ্নই দোলা দি থাকে। জীৱ-জন্তু, জোন, বেলি, তৰা ইত্যাদি জগতখনৰ বিভিন্ন বস্তুৰ প্ৰতি শিশুৰ কৌতুহলৰ সীমা নাই। শিশুৰ এই কৌতুহলী মনক লেখকে সাহিত্যত ধৰি ৰখাৰ প্ৰয়াস কৰিব লাগে। শিশুৰ কৌতুহলী মনৰ চিত্ৰণো লীলা গগৈৰ শিশু সাহিত্যসমূহত প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে 'সোণৰ সাহস' শীৰ্ষক গল্পটোৰ কথা উল্লেখ কৰিব পাৰি। গল্পটিত 'সোণ' নামৰ ল'ৰাটিয়ে প্ৰশ্ন কৰিছে, এইদৰে—

"বুঢ়ী আইতা, জোনটো কাৰ অ'?
"ঈশ্বৰৰ।"
"ঈশ্বৰ কোন? ক'ত থাকে? দেখিবলৈ কেনেকুৱা, কাৰ নিচিনা?
আমাৰ সৰু ভাইটিৰ নিচিনা?

(*সোণৰ সাহস*, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৯৫)

শিশুৰ কাল্পনিক মনৰ প্ৰতি লক্ষ্য ৰাখি শিশু সাহিত্যত শিশুক কল্পনাৰ বিশাল পথাৰখনত বিচৰণ কৰিবলৈ সুবিধা দিয়া হয়। লীলা গগৈৰ "অনুপম কোঁৱৰৰ সাধু"ত এজনী চিলনীয়ে এটি কেঁচুৱাক উৰুৱাই নিয়া, চিলনীয়ে কেঁচুৱাক খোৱাই-বোৱাই ডাঙৰ-দীঘল কৰা, কোঁৱৰ ডাঙৰ হৈ চিলনী মাকৰ পাখি পিন্ধি মাক-দেউতাকক বিচাৰি উৰি যোৱা আদি অতিবাস্তৱ কথাবোৰে শিশুক যথেষ্ট আমোদ দিয়াৰ লগতে কল্পনাৰ অবাধ স্বাধীনতা দিয়া হৈছে।

**১.১.৪ ভাষাৰ সহজবোধ্যতা ঃ**

শিশু সাহিত্যৰ ভাষা সহজবোধগম্য হোৱাটো অতি প্ৰয়োজনীয়। সহজ-সৰল ভাষা আৰু সৰল উপস্থাপনেহে শিশুক আকৰ্ষণ কৰে আৰু সহজে বুজি পোৱাত সহায় কৰে। লীলা গগৈয়ে তেওঁৰ শিশু সাহিত্যসমূহ চুটি চুটি বাক্যৰে সহজ-সৰল ৰূপত উপস্থাপন কৰিছে। উদাহৰণস্বৰূপে, 'সোণতৰা' পুথিখনৰ 'সোণৰ ভাওনা' শীৰ্ষক গল্পটিৰ এটি বৰ্ণনা তুলি ধৰা হ'ল—

"পদূলিমূৰৰ শেৱালিজোপা ফুলিছিল। ৰাতিপুৱা বগা, কোমল ফুলবোৰ তল উপচি সৰি আছিল। সোণ আৰু ৰূপালীয়ে একোচ একোচ ফুল বুটলি আনি পিৰালিত গোটাই থৈছিল। ইমান ধুনীয়া ফুলবোৰ। সিহঁতৰ বৰ মৰম লাগে।"

(*সোণৰ ভাৱনা*, লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৯৮)

সেইদৰে, কবিতাবোৰৰ ভাষাও সহজ-সৰল—

"এক আছিল খঁৰা শিয়াল,

সিও আছিল সাহসিয়াল

বৰ চাপৰিৰ জুপুৰি ঘৰত

খঁৰাৰ আছিল ঘৰ।"

(লীলা গগৈৰ ৰচনাৱলী, পৃ. নং- ৭৪২)

লীলা গগৈৰ শিশুৰ বাবে লিখা ৰচনাসমূহৰ ভাষা সহজ-সৰল হোৱাৰ উপৰিও উপস্থাপনৰীতি ইমান মনোৰম যে, ই যিকোনো পাঠকক আমোদ দিয়ে। তেওঁৰ সৰল উপস্থাপনৰীতি সম্পৰ্কে কৰবী ডেকা হাজৰিকাই কৈছে- কবিতাসমূহৰ ছন্দ ক'তো আঁৰ নলগা বিধৰ।[২]

উল্লেখযোগ্য যে, লীলা গগৈৰ শিশু ৰচনাসমূহৰ ভাষা সহজ-সৰল হ'লেও দুই এঠাইত উল্লেখ কৰা কিছুমান শব্দ শিশুৰ বাবে সহজে বুজাত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। যেনে- 'ৰংমনৰ কথা' শীৰ্ষক ৰচনাটিত নিগনিটোৱে কোৱা "এদিন মই সাতোটা বোন্দা মেকুৰীক শিশুপাল খেদা দিছিলোঁ"- কথাষাৰ ভালদৰে বুজি পোৱাত শিশুৰ বাবে অসুবিধাৰ সৃষ্টি হ'ব পাৰে। কাৰণ শিশুটিয়ে 'শিশুপাল' শব্দটিৰ লগত পৰিচিত নহ'বও পাৰে। সেইদৰে 'কঠালগুটীয়া নিগনি', ইয়াত 'কঠালগুটীয়া' বিশেষণটোও শিশুৰ পাক লগা। আকৌ 'জয়মতী আৰু মূলাগাভৰু' শীৰ্ষক পাঠটিত উল্লেখ থকা 'স্বাৰ্থান্বেষী' শব্দটোও শিশুৰ বাবে কঠিন। সেইদৰে 'ফ্লাইংছ'চাৰ' শীৰ্ষক কবিতাটিৰ শীৰ্ষকটি অৰ্থাৎ ফ্লাইংছ'চাৰ শব্দটি শিশুৰ বাবে পৰিচিত অথবা সহজবোধ্য নহয়। কিন্তু এইবোৰে শিশু সাহিত্য হিচাপে ৰচনাসমূহৰ সৌন্দৰ্য ম্লান কৰা নাই।

**২.০ উপসংহাৰ ঃ**

লীলা গগৈৰ শিশু সাহিত্যসমূহত শিশু সাহিত্যৰ বিভিন্ন বিশেষত্বসমূহৰ প্ৰতিফলন ঘটা পৰিলক্ষিত হ'ল। মনোৰঞ্জনধৰ্মী, শিশুকেন্দ্ৰিক, ধ্বনিমাধুৰ্য, চিত্ৰধৰ্মী, কাহিনীধৰ্মী, শৈক্ষিক দিশ ইত্যাদি বৈশিষ্ট্যৰ প্ৰতিফলনে ৰচনাবোৰক শিশু উপযোগী কৰি তুলিছে। তদুপৰি সংস্কৃতিসাধক লীলা গগৈৰ শিশু সাহিত্যসমূহত অসমীয়া সংস্কৃতিৰ বিভিন্ন চিত্ৰৰ প্ৰতিফলনে সেইবোৰক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। অসমীয়া বিভিন্ন লোক গীত-মাতবোৰৰ লগতে জাকৈ মৰাৰ দৃশ্য, হুঁচৰি তাঁতশাল আদিৰ বৰ্ণনাই অসমীয়া সমাজৰ একো একোখন প্ৰতিচ্ছবি দাঙি ধৰিছে। বৰ্তমান সমাজৰ পৰা প্ৰায় হেৰাই যোৱা; জোনাক নিশা চোতালত বহি ককাক-আইতাকে নাতি-নাতিনীহ'তক সাধু কোৱাৰ মনোমোহা চিত্ৰখন লীলা গগৈয়ে তেওঁৰ ৰচনাৰ মাজত তুলি ধৰিছে।

বৰ্তমান ব্যস্ততাপূৰ্ণ সমাজত শিশুসকল কম্পিউটাৰসাধিত খেলৰ প্ৰতি অধিক আকৃষ্ট হোৱা দেখা যায়। এনে ক্ষেত্ৰত লীলা গগৈৰ ৰচনাসমূহত বৰ্ণিত লুকা-চুৰিৰ খেল, বালিৰে দৌল সজা খেল, ভাওনা খেল আদিয়ে শিশু পাঠকক কিছুমান ব্যতিক্ৰমী সোৱাদ দিব বুলি ক'ব পাৰি। সৰ্বশেষত ক'ব পাৰি যে, লীলা গগৈৰ শিশু সাহিত্যসমূহত দুই এক দুৰ্বলতা থাকিলেও এইবোৰ বিভিন্ন দিশৰ পৰা উৎকৃষ্ট মানৰ। এইবোৰ পঢ়ি শিশুসকল যে যথেষ্ট উপকৃত হ'ব তাত কোনো সন্দেহ নাই। গতিকে লীলা গগৈৰ শিশু সাহিত্যসমূহ বিস্তৃতভাৱে অধ্যয়ন কৰাৰ যথেষ্ট থল আছে বুলি ক'ব পাৰি। ❑

**প্ৰসঙ্গ সূত্ৰ ঃ**

১। কৰবী ডেকা হাজৰিকা, শিশু আৰু কিশোৰ সাহিত্য, *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), সম্পা. হোমেন বৰগোহাঞি, ২০১২, পৃ.- ৫৩৪

২। উল্লিখিত, পৃ.- ৫৩৪


**সহায়ক গ্ৰন্থপঞ্জীঃ**

১। গগৈ, লীলা ঃ *ড° লীলা গগৈৰ ৰচনাৱলী*, ডিব্ৰুগড়, বনলতা প্ৰকাশন, ১ম প্ৰকাশ, অক্টোবৰ, ২০১১

২। নেওগ, মহেশ্বৰ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী, চন্দ্ৰ প্ৰকাশ, ত্ৰয়োদশ তাঙৰণ, জুন, ২০১৩

৩। বৰগোহাঞি, হোমেন ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), গুৱাহাটী, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২য় প্ৰকাশ, ২০১২

৪। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী, সৌমাৰ প্ৰকাশ, দশম সংস্কৰণ, ২০১৩

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ আভিযান্ত্ৰিক নিদৰ্শন ঃ এক অধ্যয়ন



**অসীম শইকীয়া**
গৱেষক ছাত্ৰ
নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়
পিন ঃ ৭৮৬০০৪, অসম
৮৮২২৫৬৭৩৩৭
ashimsaikia@gmail.com



**ড° ধীৰাজ পাটৰ**
সহকাৰী অধ্যাপক
নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়
পিন ঃ ৭৮৬০০৪, অসম
৯৯৫৪৬৮৯৬১৯
dhirajpatar@gmail.com

**সাৰাংশ ঃ**

ঐতিহাসিক পৰিক্ৰমা একোটাৰ মাজেৰে আহি মানুহৰ ব্যৱহাৰিক আৰু মানসিক বৈশিষ্ট্যসমূহে গঢ় লৈ উঠে। ব্যক্তি বিশেষে ব্যৱহাৰ কৰা সামগ্ৰী আৰু জীৱন যাপনৰ পদ্ধতিৰ মাজত উক্ত দিশৰ প্ৰতিফলন স্পষ্ট। ভাৰতত কলাৰ সৃষ্টিত ধৰ্মৰ প্ৰভাৱ উল্লেখনীয়। প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন সম্পৰ্কে বিচাৰ কৰিবলৈ যাওঁতে উক্ত সময়ছোৱাৰ ধৰ্মীয় প্ৰেক্ষাপট, সাংস্কৃতিক প্ৰেক্ষাপট তথা উক্ত সময়ৰ স্থাপত্য-ভাস্কৰ্যৰ কলাশৈলীগত বিকাশৰ ধাৰাক গুৰুত্ব দিব লগা হয়। উন্নত স্থাপত্য আৰু উন্নত ভাস্কৰ্যই একোটা অঞ্চলৰ উন্নত সভ্যতা আৰু সংস্কৃতিৰ ইতিহাস ধৰি ৰাখিব পাৰে। এনে ক্ষেত্ৰত বৰ্মন বংশৰ ৰাজত্বৰ সময়ৰেপৰা উন্নত আৰু পৰিশীলিত তেনে সভ্যতা আৰু সাংস্কৃতিক দিশৰ আধাৰ প্ৰতিষ্ঠা হোৱা কথা ক'ব পৰা হয়। প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন  শীৰ্ষক আলোচনা পত্ৰৰ জৰিয়তে সেই সময়ছোৱাৰ সভ্যতা সংস্কৃতিৰ প্ৰবাহৰ মান, কলাগত আৰু শিল্পগত দিশৰ আলোচনাৰ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ**

স্থাপত্য, ভাস্কৰ্য, আভিযান্ত্ৰিক, প্ৰাক্ আহোম যুগ।

**প্ৰস্তাৱনা ঃ**

ঐতিহাসিক পৰিক্ৰমা একোটাৰ মাজেৰে আহি মানুহৰ ব্যৱহাৰিক আৰু মানসিক বৈশিষ্ট্যসমূহে গঢ় লৈ উঠে। ব্যক্তি বিশেষে ব্যৱহাৰ কৰা সামগ্ৰী আৰু জীৱন যাপনৰ পদ্ধতিৰ মাজত উক্ত দিশৰ প্ৰতিফলন স্পষ্ট। ভাৰতত কলাৰ সৃষ্টিত ধৰ্মৰ প্ৰভাৱ উল্লেখনীয়। প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন সম্পৰ্কে বিচাৰ কৰিবলৈ যাওঁতে উক্ত সময়ছোৱাৰ ধৰ্মীয় প্ৰেক্ষাপট, সাংস্কৃতিক প্ৰেক্ষাপট তথা উক্ত সময়ৰ স্থাপত্য-ভাস্কৰ্যৰ কলাশৈলীগত বিকাশৰ ধাৰাক গুৰুত্ব দিব লাগিব। "ভাৰতত স্থাপত্য আৰু ভাস্কৰ্যকলাৰ বিকাশত ধৰ্মই এক মুখ্য স্থান গ্ৰহণ কৰি আহিছে। অৰ্থাৎ ভাৰতীয় মন্দিৰ-ভাস্কৰ্যৰ লগত ধৰ্ম ওতঃপ্ৰোতভাৱে জড়িত। বিভিন্ন সময়ত ধৰ্মোপাসনাৰ বাবে ভাৰতত বিভিন্ন মঠ-মন্দিৰ নিৰ্মাণ কৰা হৈছিল আৰু  সেই মন্দিৰৰ ভিতৰত  আৰু বাহিৰত দেৱ-দেৱীৰ মূৰ্তিকে ধৰি বিভিন্ন প্ৰকাৰৰ ভাস্কৰ্য মূৰ্তি খোদাই কৰা হৈছিল। ভাৰতীয় ভাস্কৰ্যৰ বিষয়বস্তুবিলাক বিভিন্ন ধৰ্মীয় ধাৰণাৰপৰা গ্ৰহণ কৰা হৈছিল তথা

যিবিলাক ভাস্কৰ্য আপাত ধৰ্মীয় নহয় আৰু মন্দিৰৰ বৰ্হিভাগত খোদাই কৰা হৈছিল সিবিলাকো প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ধৰ্মীয় চেতনাৰ লগতেই জড়িত আছিল।"[১]

স্থাপত্য কলা হ'ল স্থপতিবিদে শিল, ইটা আদিৰ লগতে অন্যান্য থলুৱা সামগ্ৰীক আধাৰ হিচাপে লৈ মঠ-মন্দিৰ, দুৰ্গ, প্ৰসাদ, দৌল-দেৱালয় আদি নিৰ্মাণ কৰা প্ৰণালীকে বুজায়। আনহাতে স্থপতিবিদে কলাশৈলীগতভাৱে নিৰ্মাণ কৰা সেই শিল্পৰ গাত খোদিত কৰা ভিন ভিন নক্সা-মূৰ্তিয়ে হ'ল ভাস্কৰ্য। অসমৰ প্ৰেক্ষাপটত স্থাপত্য-ভাস্কৰ্য কলাৰ দিশটো সমৃদ্ধিময়। পৌৰাণিক সময়ৰেপৰা অসমৰ প্ৰেক্ষাপটত মঠ-মন্দিৰ, দুৰ্গ, সাঁকো, দৌল-দেৱালয়ৰ লগতে তাত খোদিত কৰা বিভিন্ন নক্সা, মূৰ্তি আদিয়ে সেই কথা স্পষ্ট কৰে। ইয়াৰ বাহিৰেও বিভিন্ন সময়ত প্ৰাপ্ত বিভিন্ন শিলালেখ আৰু তাম্ৰলেখসমূহতো তেনে বহু নিদৰ্শন পাব পৰা যায়। "অসমীয়া মানুহটো নৃ-তাত্ত্বিকভাৱে যিদৰে, বহল অৰ্থত ককেচাছ আৰু মংগোলয়ডৰ সংমিশ্ৰণত (আলপাইন, দ্ৰাবিড় আদিকো সামৰি) গঢ় লৈ উঠিছে, অসমীয়া সংস্কৃতিও এহাতে ভাৰতীয় আৰ্য সংস্কৃতি আৰু আনহাতে দক্ষিণ-পূব এছিয়াৰ তিব্বত-বৰ্মী ভাষিক গোষ্ঠীসমূহৰ অৱদানেৰে গঢ়ি উঠিছে। এই বিষয়ে কোনো সন্দেহ নাই যে ভাৰতীয় আৰ্য সংস্কৃতি এটা উন্নত, পৰিশীলিত সংস্কৃতি। তাৰ মাজত যে নানা তৰহৰ দোষ-দুৰ্বলতা নাছিল এনে নহয়; কিন্তু তৎসত্ত্বেও ভাষাৰ ফালৰপৰা, ই (আৰ্য ভাষা, পৰৱৰ্তী কালত সংস্কৃত) যিদৰে অত্যন্ত উন্নত ভাষা আছিল, দৰ্শন, সাহিত্য, সংগীত, চিত্ৰ, নৃত্য, ভাস্কৰ্য, স্থাপত্য আদি সাংস্কৃতিক সকলো দিশ সামৰি তুলনামূলকভাৱে আছিল সমগ্ৰ বিশ্বৰ ভিতৰতে উন্নত আৰু পৰিশীলিত সংস্কৃতি।"[২]

পৌৰাণিক অসমত গুপ্ত যুগৰপৰাই অগণন মঠ-মন্দিৰ, ৰাজপ্ৰসাদ, দুৰ্গ আদি নিৰ্মাণ কৰাৰ প্ৰমাণ পোৱা যায়। বিভিন্ন সময়ৰ বিদেশী পৰ্যটকৰ টোকা, তাম্ৰলেখ, শিলালেখ আৰু ধৰ্মীয় গ্ৰন্থত ইয়াৰ বিষয়ে প্ৰমাণ পোৱা যায়। বিভিন্ন পৰিস্থিতি বা কাৰণত এইসমূহ অক্ষত অৱস্থাত থকা নাই যদিও এইসমূহৰ ধ্বংসাৱশেষসমূহেও আমাক থূলমূল ধাৰণা দিব পাৰে। এই ধ্বংসাৱশেষসমূহে সেইসমূহৰ নিৰ্মাণ প্ৰণালী আৰু কলাশৈলীগত দিশক জানি উঠাত আমাক বহুখিনি সহায় কৰে। সেয়ে প্ৰস্তাৱিত গৱেষণাত *প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন* সমূহৰ বিষয়ে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

উন্নত স্থাপত্য আৰু উন্নত ভাস্কৰ্যই একোটা অঞ্চলৰ সভ্যতা আৰু সংস্কৃতিৰ ইতিহাসক ধৰি ৰাখিব পাৰে। কিয়নো মানুহৰ বস্তুগত সংস্কৃতি আৰু ভাবগত সংস্কৃতিৰ সমন্বয়ৰ দিশটো কিদৰে সাধন হৈছে এনে দিশৰো প্ৰমাণ স্থাপত্য আৰু ভাস্কৰ্যসমূহত স্পষ্ট। সেয়েহে প্ৰস্তাৱিত আলোচনাত *প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন* সম্পৰ্কে বিচাৰ কৰিবলৈ যাওঁতে উক্ত সময়ছোৱাৰ ধৰ্মীয় প্ৰেক্ষাপট, সাংস্কৃতিক প্ৰেক্ষাপট তথা উক্ত সময়ৰ স্থাপত্য-ভাস্কৰ্যৰ কলাশৈলীগত বিকাশৰ ধাৰা, অন্য কলাশৈলীৰ প্ৰভাৱ আৰু কালশৈলীগত স্থান নিৰ্ণয়ৰ দিশক গুৰুত্বসহকাৰে লৈ এই আলোচনা পত্ৰ প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

*প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন* শীৰ্ষক আলোচনা পত্ৰত অধ্যয়নৰ বাবে বিষয় বিশ্লেষণ পদ্ধতি গ্ৰহণ কৰা হৈছে।

**প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন ঃ**

স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাস অতি প্ৰাচীন। স্থাপত্য কলাৰ দুটা ৰূপৰ কথা ক'ব পাৰি। সেয়া হ'ল— লোকায়ত আৰু নাগৰিক। ইয়াৰে লোকায়ত ৰূপটোত বাঁহ, বেত, কাঠ, খেৰ আদি বনজ সামগ্ৰী আৰু নাগৰিক ৰূপটোত শিল আৰু ইটাৰ ব্যৱহাৰৰ কথা ক'ব পাৰি। এই ইতিহাসৰ প্ৰথম সময়ত শিল আৰু দ্বিতীয় সময়ত ইটাৰ ব্যৱহাৰ হোৱাৰ কথা কোৱা হয়। সভ্যতা বিকাশত এই দুই স্তৰৰ সঠিক সময় নিৰূপণ কৰিব পৰা নাযায়। কিন্তু বৰ্মন বংশৰ ৰাজত্বৰ সময়ৰপৰা উক্ত বিকাশ হোৱা বুলি অনুমান কৰা হয়। প্ৰাক্ আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য সংক্ৰান্তত বিভিন্ন শতিকাৰ শিলালেখ, তাম্ৰলিপিৰপৰা জানিব পৰা হয়। সেইমতে, বনমাল বৰ্মনে নৱম শতিকাৰ মাজ ভাগত উছৰ্গা কৰা তাম্ৰপত্ৰ মতে, তেওঁ হিমালয়ৰ শৃঙ্গৰ দৰে গগনচুম্বী শিৱমন্দিৰ নিৰ্মাণ কৰিছিল। প্ৰাকৃতিক দুৰ্যোগত মন্দিৰটোৰ বিভিন্ন অংশ ধ্বংসপ্ৰাপ্ত হয়। মন্দিৰটো সম্পূৰ্ণ শুক্ল বৰণৰ আছিল। পিছত, মন্দিৰটো শিল- ইটাৰে সম্পূৰ্ণ বগা ৰং কৰি পুনৰ নিৰ্মাণ কৰা হয়। তৃতীয় বলবৰ্মনৰ শিলালেখৰ মতে, বনমাল বৰ্মনে বহু কোঠাযুক্ত ৰাজপ্ৰাসাদ এটা নিৰ্মাণ কৰিছিল আৰু বিভিন্ন অলংকৰণেৰে, প্ৰাসাদৰ সৌন্দৰ্য চৰাইছিল। ৰত্নপালে একাদশ শতিকাৰ মধ্যভাগত উছৰ্গা কৰা তাম্ৰপত্ৰৰ পৰা জনা যায় যে,

তেওঁৰ শ্ৰী দূৰ্জয়া নগৰত অৱস্থিত প্ৰাসাদৰ লগত সংলগ্ন কৰি নিৰ্মাণ কৰা হাজাৰ হাজাৰ মসৃণ গম্বুজে সূৰ্য চৰ্চা দৰ্শনত বাধাৰ সৃষ্টি কৰিছিল। ইন্দ্ৰপালৰ তাম্ৰপত্ৰ মতে, ৰজা ৰামপালে ৰাজ্যখনত অসংখ্য বগা ৰঙৰ শিৰ মন্দিৰ নিৰ্মাণ কৰিছিল। তাম্ৰপত্ৰৰ উল্লেখৰ আধাৰত ক'ব পৰা যায় যে সেইকালত স্থাপত্য ভাস্কৰ্যৰ কলাশৈলীগত দিশৰ উত্তৰণ ঘটিছিল। এই কলাশৈলীগত উত্তৰণৰ ইংগিত দিয়ে নামনি অসমত সিঁচৰিত হৈ থকা স্থাপত্য আৰু ভাস্কৰ্যৰ ভগ্নাৱশেষসমূহে। ভগ্নাৱশেষসমূহ সিঁচৰতি থকা অঞ্চলসমূহ হ'ল— গুৱাহাটী, উত্তৰ গুৱাহাটী, তেজপুৰ, শিলঘাট, বিশ্বনাথ আদি।

প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ ৰাজ্যৰ স্থাপত্য আৰু ভাস্কৰ্যবিদসকলে নিজ নিজ কৰ্মক্ষেত্ৰত যে পাৰ্গত আছিল তাৰ উৎকৃষ্ট সাক্ষ্য এতিয়ালৈকে উদ্ধাৰ হোৱা সম্পদসমূহ। এই সম্পদসমূহ উদ্ধাৰ হৈছিল বৰ্তমানৰ গুৱাহাটী আৰু প্ৰাচীন প্ৰাগজ্যোতিষপুৰ নগৰত। এই মন্দিৰ, দৌল-দেৱালয় প্ৰাসাদসমূহ ধ্বংস কৰা হৈছিল হৰ্ষবৰ্ধনৰ মৃত্যুৰ পিছত আৰু শালস্তম্ভই ৰাজ্যখন কাঢ়ি লোৱাৰ পিছত। ইয়াৰ লগতে ভাস্কৰ বৰ্মনৰ মৃত্যুৰ পিছত তিনি শতিকাতকৈ অধিক কাল প্ৰাগজ্যোতিষপুৰ কোনো শাসক গোষ্ঠীৰে ৰাজধানী বা শাসন কেন্দ্ৰ নাছিল। ইয়াৰ ফলস্বৰূপে প্ৰাসাদ, দৌল দেৱালয় আদি নৈসৰ্গিক কাৰণতো বিনষ্ট হৈ পৰিছিল। কছাৰীসকলেও প্ৰাগজ্যোতিষ ৰাজ্যত আধিপত্য বিস্তাৰ কৰিছিল আৰু মোগলেও কেইবাবাৰো আক্ৰমণ কৰি কামৰূপ ৰাজ্যত নিজৰ শাসন প্ৰৱৰ্তন কৰিছিল। পুবৰ পৰা আহোমেও মোগলৰ লগত তিনি শতিকাতকৈও অধিক কাল ব্যাপি কৰা ৰণৰ যোগে সমস্ত অঞ্চলটো নিজৰ অধীনলৈ আনিছিল। এই দীঘলীয়া ৰণ বিগ্ৰহতো বহু সম্পদ বিনষ্ট হৈছিল। জানিব পৰা মতে, ইংৰাজ বণিকে ৰাজ্যখন দখল কৰা পাছত, গুৱাহাটীৰ নগৰখন পদ্ধতিগতভাৱে নিৰ্মাণ কৰিছিল। এই শৃংখলাৰে কৰা কাৰ্যত পথ নিৰ্মাণ কৰিবলৈ এটা শিলৰ গড় ভাঙি তাৰ পৰা শিল সংগ্ৰহ কৰিছিল। এই কথাও স্পষ্ট যে পথত ব্যৱহৃত শিলসমূহত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, গছ-লতিকা, জীৱ-জন্তুৰ মূৰ্তি খোদিত আছিল। শাসকে নহয় বহু সম্ভ্ৰান্ত ব্যক্তিয়ে ধুনীয়া ধুনীয়া মূৰ্তি দেখি নিজৰ গৃহত সেইসমূহ সজাই ৰাখিলে। কামৰূপ অনুসন্ধান সমিতি গঠন হোৱাৰ পিছত, ইয়াৰে কিছু মূৰ্তি সংৰক্ষণ কৰা হয়। সংগৃহীত এই মূৰ্তিসমূহৰ ভিতৰত প্ৰাক্ আহোম যুগৰ দেৱ-দেৱীৰ লগতে গণেশ, বিষ্ণু আদিৰ মূৰ্তি দেখা যায়। পাণ্ডু মন্দিৰত পাঁচটা শিলত কটা মূৰ্তি পোৱা গৈছে। ইয়াৰে চাৰিটা গণেশৰ আৰু আনটো মূৰ্তি এগৰাকী দেৱীৰ। দেৱীগৰাকী দুৰ্গাই হ'ব। মন্দিৰৰ নামনিৰ মুকলি স্থানত দুটা শিলত কটা মূৰ্তি আছে। দিক্ষীতে প্ৰতিবেদনত উল্লেখ কৰা মতে, এটা মূৰ্তি সূৰ্যদেৱ আৰু আনটো মূৰ্তি ইন্দ্ৰৰ। কামাখ্যা মন্দিৰৰ (নীলাচল) পাহাৰৰ পশ্চিম দিশৰ এঢলীয়া অংশটোত অসংখ্য শিলত কটা সৰু সৰু মূৰ্তি আছে। এইবিলাক শিখৰ শ্ৰেণীৰ মন্দিৰ। প্ৰত্যেকটো মন্দিৰৰ লগত ক্ষুদ্ৰ লিংগ স্থাপন কৰা আছিল। অন্য শিলত লিংগ আৰু গণেশৰ মূৰ্তি খোদিত আছিল। কামাখ্যা মন্দিৰৰ একেটা দিশতে পৌৰাণিক মন্দিৰৰ সমলেৰে নতুনকৈ ঘটকাসুৰ মন্দিৰ নিৰ্মাণ কৰা হৈছিল । এনেদৰে ব্যৱহাৰ কৰা এটা শিলত, ওপৰৰ অংশত এশাৰী মালাৰে সুশোভিত কৰা। তলৰ অংশত চাৰিটা জন্তু - এটা ম'হ, এটা শহা, এটা সিংহ আৰু এটা বাঘ খোদিত কৰা হৈছিল। খোদিত কাৰ্য সুষম আৰু বাঙ্ময় আছিল। সেই স্থাপত্য সেই সময়ৰ উৎকৃষ্ট স্থাপত্য শিল্পৰ নিদৰ্শন। এনে স্থাপত্যকলা প্ৰাক্- আহোম যুগৰ উৎকৃষ্ট নিদৰ্শন।

আৰ. ডি. বেনাৰ্জীয়ে ১৯২৪-২৫ ৰ বছৰেকীয়া প্ৰতিবেদনত উল্লেখ কৰিছে— "তেজপুৰৰ পাৰ্কত বিষয়া আৰু চাহ খেতিয়কে সংৰক্ষণ কৰি ৰখা ভগ্নাৱশেষসমূহ অধ্যয়ন কৰিছে; এই ধ্বংসাৱশেষবিলাক বুৰঞ্জীৰ তিনিটা যুগৰ তিনিটা ৰাজপ্ৰাসাদৰ সমাহাৰ বুলি কৈছে।" তেখেতে আৰু প্ৰকাশ কৰিছে যে প্ৰথম ভাগৰ ভগ্নাৱশেষসমূহৰ ভিতৰত চাহ-বাগানৰ ক্লাৱলৈ সোমোৱা পথত থকা এযোৰ খুটা আৰু তেজপুৰৰ পাৰ্কত থকা দুৱাৰৰ চৌকাঠৰ ওপৰত সংযোজিত এচটা গধুৰ শিল কথা। উল্লেখিত খুটাযোৰৰ এটা যোলশিৰিয়া আৰু খুঁটাৰ ওপৰফাল কীৰ্তি মুখেৰে অন্ত পৰিছে। খুঁটাযোৰৰ নিম্নভাগত সৰু সৰু চতুৰ্ভূজ অংকনেৰে সুশোভিত কৰিছিল। দ্বিতীয় খুঁটাটোৰ ওপৰ অংশৰ দ্বাদশ মূৰ্তি সংযোগেৰে অন্ত পৰিছে। এনেভাৱে শীৰ্ষভাগ তিনি ভাগত বিভক্ত কৰা হৈছে — ভেটিৰ সমান্তৰালকৈ তিনিখন তৰোৱালৰ আকাৰত। তৰোৱাল তিনিখনৰ এখন হীৰাৰ আকাৰৰ গোলাপ ফুলেৰে আৰু বাকী দুখন অলংকৃত কৰিছিল কীৰ্তি মুখেৰে। এই অলংকৰণ একেটা প্ৰাসাদৰ। ৰাজহুৱা স্থানত থকা বিশাল দুৱাৰৰ চৌকাঠ একেটা যুগৰে। চৌকাঠটো দুটা অংশত বিভক্ত। দুৱাৰ ওপৰত ক্ষুদ্ৰ শিৰ লিংগৰ সৈতে মন্দিৰ খোদিত কৰা হৈছে। দুৱাৰৰ চৌকাঠ দুয়োফালে দুশাৰী অলংকৃত কৰা খুটাৰ সংযোগ কৰা হৈছে। এই খুটা দুশাৰী লতা ফুলেৰে আৰু অন্য শাৰী গোলাপ ফুলেৰে অলংকৰণ কৰা হৈছে। এই

দুই শাৰী খুটাই প্ৰাসাদৰ ওপৰ মহলাৰ সন্মুখ ভাগৰ বৃত্তাকাৰ অংশকে স্পৰ্শ কৰিছিল। দুৱাৰখনৰ ওপৰত শৈল চৌকাঠটোৰ সোমাজত এটা গণেশ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছে। চৌকাঠবোৰ ছফুট দহ ইঞ্চি দীঘল আৰু এক ফুট চাৰে পাঁচ ইঞ্চি বহল। এই স্থাপত্য সম্ভাৰ দশম শতিকাৰ শেষ ফালৰ।

বছৰেকীয়া প্ৰতিবেদনৰ, দ্বিতীয়টো গোটত আৰ. ডি. বেনাৰ্জীয়ে অন্তৰ্ভুক্ত কৰিছে তেজপুৰত উদ্ধাৰ হোৱা আৰু অবিভক্ত দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয় অৱস্থিত স্থানত থকা এটা বিশাল মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ভগ্নাৱশেষসমূহ। এই বিলাকৰ মাজত উল্লেখযোগ্য হ'ল বিশাল মন্দিৰলৈ সোমোৱা বিশাল শিলৰ চৌকাঠ, দুৱাৰ দলিত তলত পাৰি দিয়া বিশাল চটীয়া শিল। এই বিলাক বাগানৰ ক্লাৱৰ প্ৰৱেশ পথত আছিল। এই বিশাল শৈল চৌকাঠবোৰৰ উচ্চতা ১০//৩/ আৰু প্ৰস্থ আছিল ১/৮/ইঞ্চি। ইয়াৰ ওপৰত তিনিটা উচ্চ অংশ আছিল। ইয়াৰে এটা সোমাজত আৰু দুটা দুকাষত। মাজৰ উচ্চ অংশটো আহল বহল আৰু ইয়াতে শ্ৰীসূৰ্য দেৱতাৰ মূৰ্তি আৰু দুয়োকাষে বাওফালে এজন ব্ৰাহ্মণ আৰু দুজন আলধৰা, সোফালে শিৱ আৰু দুজন আলধৰাৰ মূৰ্তি স্থাপন কৰা হৈছিল। সোৱে বাওৱে খালী থকা অংশবিলাকৰ তিনিটাকৈ চিনাক্ত কৰিব নোৱাৰা দেৱ-দেৱীৰ মূৰ্তি স্থাপন কৰা হৈছিল। প্ৰত্যেকটোৰ মূৰ্তি দুয়োকাষে ২ûû ওখকৈ বেৰ দিয়া হৈছিল। হিন্দু ধৰ্মৰ পৰম্পৰা মতে মন্দিৰৰ অধিষ্ঠাতা দেৱতাজনক দুৱাৰৰ মধ্যস্থানত প্ৰতিষ্ঠা কৰা হয়, সেইফালৰ পৰা, এই মন্দিৰটো সূৰ্য মন্দিৰ। দুৱাৰ দলিৰ তলত থকা শিলচটা বিশাল আকাৰৰ আছিল। এই চটা শিলতে দুৱাৰৰ দুয়োকাষে এহালকৈ সিংহ মূৰ্তি আছিল। দুয়ো কাষৰ বেৰত এফালে এজন পুৰুষ আৰু অন্যফালে এগৰাকী নাৰীৰ মুণ্ডী; মূৰ্তি ৰখা স্থানত আছিল। অৱশ্যে, দুৱাৰৰ কাষৰ খুটাৰ সন্ধান পোৱা নাযায়।

তেজপুৰৰ পাৰ্কখনত যিবিলাক কাটি গঢ় দিয়া শিল পৰি আছে, সেইবিলাক মন্দিৰৰ ভেটি প্ৰতিষ্ঠাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। খুটাৰ সংযোগ স্থানৰ শীৰ্ষভাগ সৰু বৰ কীৰ্তি মুখৰ মূৰ্তিৰে অলংকৰণ কৰা হৈছিল। খাপকটা বেৰবিলাক লতা ফুল আৰু গোলাপ ফুলেৰে অলংকৰণ কৰা হৈছিল। বিশাল বিশাল স্তম্ভ বা খুটাবিলাকৰ শীৰ্ষভাগ লোহাৰ শলাৰে সংযোগ ঘটোৱা হৈছিল। এই বিলাকৰ লগত সংযোগ কৰি গোল খুটাত মূৰ্তি থোৱা খলপাৰ সৃষ্টি কৰা হৈছিল। এনে খলপাবিলাকৰ এটাত ওৰণি লোৱা ভংগীৰে এগৰাকী শকত মহিলা, এওঁৰ বাওঁকাষে প্ৰণাম জনোৱা ভংগীত ভক্তিভাৱে থিয় দি থকা মহিলাৰ মূৰ্তি আছিল। অন্য এটা খলপাত বাওঁহাতে বনবীণা লৈ এগৰাকী দেৱী; এওঁ নিশ্চিতভাৱে সৰস্বতী দেৱীয়ে হ'ব। তৃতীয় খলপাত থকা প্ৰতীকটো হ'ল গজলক্ষীৰ। এই গৰাকী দেৱী কামৰূপ আৰু বংগত কমল কামিনী নামে খ্যাত। দেৱীৰ শিৰত দুই হাতীয়ে শুৰেৰে পাত্ৰত পানীলৈ ঢালি আছে। চতুৰ্থ খলপাত থকা প্ৰতীকটো হ'ল উত্তৰ ভাৰতৰ পৰম্পৰাৰে চলি থকা শিৱ পাৰ্বতী। স্থাপত্যৰ এনে ধাৰাসমূহে উত্তৰ ভাৰতৰ মন্দিৰ স্থাপত্যৰ দিশৰ লগত মিলৰ কথাকে প্ৰকাশ কৰে। ইয়াৰ উপৰিও তেজপুৰৰ উদ্যানত সংৰক্ষিত ধ্বংসাৱশেষসমূহৰ ভিতৰত উল্লেখযোগ্য যে— মন্দিৰ ভেটিৰ ওপৰৰ এচটা শিল। এই শিলচটাত বহুসংখ্যক খলপাত বিভক্ত কৰা হৈছিল আৰু প্ৰত্যেকটো খলপাত দুজন পুৰুষ বা দুগৰাকী মহিলাৰ মূৰ্তি স্থাপন কৰা হৈছিল। সোফালৰ পৰা সিংহৰ সৈতে যুঁজ কৰা এজন পুৰুষ, বাঁহী বজাই থকা এজন ব্যক্তিৰ কাষত এগৰাকী নৃত্যৰত মহিলা, কড়ি খেলি থকা দুজন লোক, ঢোল বজাই থকা পুৰুষ আৰু নাচি থকা মহিলা, বীণা বজোৱা এগৰাকী মহিলা আৰু সোফালে নাচি থকা এগৰাকী মহিলা, এজন ঢোল বজোৱা লোক আৰু তেওঁৰ বাওঁফালে নাচি থকা তিৰোতা আদি খলপাত স্থাপন কৰি মন্দিৰৰ সৌন্দৰ্য বৰ্ধন কৰিছিল।

মন কৰিব লগা কথাটো হ'ল উনৈশ শতিকাৰ আগভাগত অসম ৰাজ্য শাসন কৰিবলৈ অহা ইংৰাজ বিষয়াসকলে অসমৰ স্থাপত্য ভাস্কৰ্যৰ ভগ্নাৱশেষৰ প্ৰতি আকৃষ্ট হৈ এই বিষয়সমূহ অধ্যয়ন কৰি ৰেষ্ট কটৰ, ডেলটন, হান্নাই আদিয়ে লিখিছিল। সেই সময়ত ছবি তোলাৰ সুবিধা নথকা বাবে ভগ্নাৱশেষৰ ছবিসমূহ অংকন কৰি প্ৰকাশৰ দিহা কৰিছিল। সেইসমূহৰ ভিতৰত ১৮৫৫ চনত প্ৰকাশ পোৱা। Taite Dalton ৰ *Notes on Assam Temple ruins* উল্লেখযোগ্য।

আৰ্কিয়'লজিকেল ছাৰ্ভে অভ ইণ্ডিয়াৰ প্ৰাক্তন পূব মাণ্ডিলক বিষয়া আৰ. ডি. বেনাৰ্জীয়ে ১৯২৪-২৫ খ্ৰীঃৰ বছৰেকীয়া প্ৰতিবেদনত কৈছিল যে—"ভাৰতবৰ্ষৰ ভিতৰত কেৱল অসমৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ইতিহাস আপ্ৰকাশিত হৈ আছে। এই সুদীৰ্ঘ সময়ৰ পিছতো সুৰেন্দ্ৰবৰ্মা আৰু মহাভূতিবৰ্মাৰ ৰাজত্ব কালৰ লিপি আৰু ভগ্নাৱশেষৰ বাহিৰে ইয়াতোকৈ প্ৰাচীনতৰ কোনো সাক্ষ্য এতিয়াও আৱিষ্কাৰ হোৱা নাই। কিন্তু প্ৰাচীন লিপিসমূহত বৰ্ণিত প্ৰসাদ আৰু মন্দিৰৰ অৱস্থানে কিছু লিখিত প্ৰমাণ ধৰি ৰাখিছে। নৱম শতিকাৰ

বনমাল দেৱৰ তেজপুৰ শাসনত থকা গীতবাদ্যৰ ধ্বনিৰে মুখৰিত মন্দিৰৰ উল্লেখ আৰু নগাঁও শাসনত থকা অতুলনীয়, বিশাল অনেক কোঠাযুক্ত, চিত্ৰৰ অন্তৰ্ভাগ শোভিত প্ৰসাদৰ বিৱৰণ, বলবৰ্মাৰ (নৰম শতিকাৰ) হাওৱাঘাটত প্ৰাপ্ত শাসনত থকা অতুলনীয় আৰু প্ৰকাণ্ড স্তম্ভযুক্ত আৰু প্ৰকোষ্ঠযুক্ত, বিস্ময় অনুভৱ হোৱা আৰু ছবিৰে সজোৱা আট্টালিকা শ্ৰেণীৰ বিৱৰণে, একাদশ শতিকাৰ ইন্দ্ৰপালদেৱৰ প্ৰথম তামৰ ফলিত থকা শিৱ মন্দিৰৰ উল্লেখে বিভিন্ন প্ৰসংগ স্পষ্ট কৰে।"[৩]

১৯২৫-২৬ খ্ৰীঃৰ বছৰেকীয়া প্ৰতিবেদনত তেজপুৰৰ পূব দিশত থকা বামুণী পাহাৰৰ ভগ্নাৱশেষৰ বিস্তাৰিত ৰূপত আলোচনা কৰিছে। এই প্ৰতিবেদনৰ মতে, বামুণী পাহাৰৰ ভগ্নাৱশেষসমূহ— সাতটা মন্দিৰৰ ভগ্নাৱশেষৰ সমষ্টি। ইয়াৰে চাৰিটা মন্দিৰ চতুৰ্ভূজ আকাৰৰ ভূমিৰ চাৰিকোণত অৱস্থিত আছিল। দুটা মন্দিৰ চতুৰ্ভূজ আকাৰৰ এটা ভূমিভাগৰ মাজত আৰু আন এটা পূব দিশত। ঊনবিংশ শতিকাৰ আগভাগলৈ মন্দিৰ দুটাৰ গৰ্ভগৃহৰ মজিয়া অক্ষত অৱস্থাত আছিল। মধ্যভাগত অৱস্থিত মন্দিৰ দুটাৰ এটা মন্দিৰ তুলনামূলকভাৱে সৰু আছিল। বৃহৎ মন্দিৰটোৰ পূবলৈ মুখ কৰা। মণ্ডপ আৰু গৰ্ভগৃহৰ অন্তৰালত থকা বৃত্তাকাৰ ভাস্কৰ্য খচিত খটখটিয়ে বিভাজিত কৰিছিল। বিশাল মন্দিৰটো চৌকাঠৰ দুয়োফালে খলপা কটা আৰু মধ্যত সৰু মন্দিৰৰ প্ৰতীকেৰে অলংকৰণ কৰা হৈছিল। বাওঁহাতৰ চৌকাঠৰ বৰ্গাকাৰ আৰু গোলাকাৰ দুয়ো অংশতে গোলাপ ফুলেৰে সজোৱা হৈছিল। সো-কাষৰ চৌকাঠত বগাই যোৱা লতাফুল আছিল। প্ৰত্যেকটোৰ সমান্তৰাল শাৰীতে, এটা এৰি আনটো খুলনিত তিনিটাকৈ ক্ষুদ্ৰ মন্দিৰ স্থাপন কৰা হৈছিল। দুৱাৰৰ ওপৰত আৰু দুয়োকাষৰ খুটাৰ শীৰ্ষভাগত গোলাকাৰ কৰি, বেৰত ধেনুভিৰীয়া তলি সংযোগ কৰা হৈছিল। ভাজবিলাক সৰু ডাঙৰ আছিল। সৰু ভাজত পুৰুষ বা মহিলা সেৱক-সেৱিকা আৰু ডাঙৰ ভাজত, নৰসিংহ, পৰশুৰাম, বলৰাম, বৰাহ বিষ্ণু আৰু ৰামচন্দ্ৰ অৱতাৰৰ মূৰ্তি স্থাপন কৰা হৈছিল। বৰ্গাকাৰ ভাজবিলাকত যোৰ পাতি নৃত্য কৰা মহিলাৰ মূৰ্তি আছিল।

তেজপুৰ দ-পৰ্বতীয়া গাঁৰৰ ভগ্নাৱশেষৰ সংক্ৰান্তত আৰ. ডি. বেনাৰ্জীয়ে বছৰেকীয়া প্ৰতিবেদনত উল্লেখ কৰিছে— "তেজপুৰ নগৰৰ কাষতে অৱস্থিত এখন সৰু গাঁও দ-পৰ্বতীয়া। এই বিশেষ গাঁওখনতে প্ৰাচীন কালৰ সমগ্ৰ ৰাজ্যখনৰ ভিতৰত আটাইতকৈ পুৰণি মন্দিৰটো আছিল। ইয়াতে খ্ৰীঃ ষষ্ঠ শতিকাত প্ৰতিষ্ঠা কৰা মন্দিৰৰ ওপৰত প্ৰতিষ্ঠা কৰা ইটাৰ শিৱ মন্দিৰ ভগ্নাৱশেষ। ইটাৰে নিৰ্মাণ কৰা মন্দিৰটো ষষ্ঠ শতিকাতে শিলেৰে নিৰ্মিত মন্দিৰৰ ভগ্নস্তূপৰ ওপৰত নিৰ্মাণ কৰা হৈছিল। এই মন্দিৰটো ১৮৯৭ খৃঃৰ ভূমিকম্পত ধ্বংস হৈছিল। ইটাৰ মন্দিৰটো ধ্বংস হোৱাত শিলৰ মন্দিৰটোৰ দুৱাৰৰ চৌকাঠ ওলাই পৰে। পিছত গঞাই খেৰ বাঁহৰ ঘৰ এটা নিৰ্মাণ কৰিছিল। কালত সেই ঘৰো জহি খহি গ'ল। মন্দিৰৰ ভেটিটো চাৰি ফুট মান ওখ আছিল। অঞ্চলটো ৰবৰ গছ আৰু অন্যান্য গছলতিকাই ঢাকি ৰাখিছিল। মাজত বৰ্গক্ষেত্ৰাকাৰ স্থানৰ সৈতে এশাৰী শিল সন্মুখত থিয় দি আছিল। সম্ভৱতঃ এই খালী স্থানতে শিৱলিংগ স্থাপন কৰা হৈছিল। চৌকাঠত কৰা অলংকৰণ গুপ্ত যুগৰ আগভাগৰ অলংকৰণৰ আৰ্হিত কৰা হৈছিল। এই বৈশিষ্ট্যৰ অলংকৰণ যুক্ত বহু সম্পদ ইতিমধ্যে জন মাৰচেল নামৰ পণ্ডিতজনে উত্তৰ ভাৰতৰ বিভিন্ন স্থানত উদ্ধাৰ কৰিছে। চৌকাঠৰ কাষৰ খুটাবিলাকৰ অলংকৰণ দুটা ভাগত কৰা হৈছিল। তলৰ অংশত শিল কাটি তলি নিৰ্মাণ কৰা হৈছিল আৰু ওপৰৰ অংশত চাৰিটাকৈ শিল কাটি তলি নিৰ্মাণ কৰা হৈছিল। তলৰ তলিবিলাকৰ প্ৰত্যেকতে এগৰাকী দেৱীমূৰ্তি আছিল। এই সকলৰ ওপৰত দেৱত্ব প্ৰকাশ কৰিবলৈ মূৰৰ পিছফালে জ্যোতি-চটা প্ৰয়োগেৰে প্ৰত্যেক দেৱী হাতত এধাৰ মালাৰে সৈতে হাস্য বান্দনা ৰূপ দিয়া হৈছে। ইয়াৰে ডাঙৰ আকাৰৰ দেৱী দুগৰাকীৰ এগৰাকী গংগা আৰু আনগৰাকী যমুনা বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। এই মূৰ্তি মধ্যযুগৰ আৰু গুপ্তযুগৰ পৰম্পৰাৰ আধাৰতে প্ৰতিষ্ঠা কৰিছে। এই দুটা মূৰ্তিৰ লগত সৰু সৰু মূৰ্তিও আছিল। দুৱাৰৰ সোফালৰ তলত এখন হাতত চামৰলৈ আৰু অন্যহাতত ফুলৰ কৰণিলৈ দুগৰাকী মহিলা আছে। তৃতীয় মূৰ্তিয়ে হাতত চামৰ লৈ ডাঙৰ মূৰ্তিৰ পিছত থিয় দি আছে। বাওফালে থকা খলাত, এজোৰ উৰি অহা ৰাজহংসৰ প্ৰতিমূৰ্তি। তলৰ অংশটো সোফালৰ দৰে সংৰক্ষিত নহয়। ইয়াত আছে দুয়োহাতে দুটা অস্পষ্ট বস্তু হাতত লৈ থকা মহিলাৰ মূৰ্তি।

পৰ্বতীয়া মন্দিৰটো অকল সকলোতকৈ পৌৰাণিক মন্দিৰেই নহয়, এই মন্দিৰ পঞ্চম ষষ্ঠ শতিকাৰ প্ৰাগজ্যোতিষ কামৰূপ ৰাজ্যৰ স্থাপত্য কলা উৎকৃষ্ঠ নিদৰ্শন। এই মন্দিৰ ভাস্কৰ বৰ্মনৰ কোনো উপৰি পুৰুষৰ এজনে প্ৰতিষ্ঠা কৰিছিল। মন্দিৰটোৰ পৰিষ্কাৰ কৰোতে ভালেমান পোৱা মাটিৰ বহি থকা মানুহৰ মূৰ্তি উদ্ধাৰ হৈছে। ইয়াত থকা অন্য দুটা বিশেষত্বপূৰ্ণ মূৰ্তি হ'ল গংগা যমুনাৰ। এই মূৰ্তিৰ গঠন প্ৰণালী চাৰিত্ৰিক ভাৱে গ্ৰীক ধাৰাৰ হ'লেও শাৰীৰিক গঠনৰ সুসমতা

প্ৰতি লক্ষ্য কৰি, এই মূৰ্তিৰ সাদৃশ্য হেলেনিক কলাৰ লগত অধিক।

প্ৰাচীন পবিত্ৰ স্থাপত্য ভাস্কৰ্য সম্ভাৰ অকল তেজপুৰ বা গুৱাহাটীতে সীমা বদ্ধ নহয় এইবিলাক কামৰূপ ৰাজ্যৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছে। তেনে দুটা মূৰ্তি উদ্ধাৰ হৈছে - গোলাঘাট ডিমাপুৰ পথত। মূৰ্তি দুটাৰ এটা বিষ্ণু মূৰ্তি। মূৰ্তিটোৰ সংক্ৰান্তত কে. এন দীক্ষিতে কৈছে — "এই মূৰ্তিটো নৱম শতিকাৰ কামৰূপ ৰাজ্যৰ ভাস্কৰ্য কলাৰ উৎকৃষ্ট নিদৰ্শন। ইয়াত ব্যৱহৃত লিখন ৰীতি, তেজপুৰৰ হৰজৰ বৰ্মনৰ লিখন ৰীতিৰ সৈতে একে। মূৰ্তিটো সোহাত এখন আৰু ভৰিটো বগা। শিৰৰ পিছফালে দিয়া জ্যোতি চটা বা জ্যোতিমংগল নাই, সেয়া হেৰাইছে। বাওঁফালৰ ওপৰৰ হাতত শংখ, তলৰ হাতত গদাই শোভা বৰ্ধন কৰিছে। বিষ্ণুৱে ধাৰণ কৰা সকলো অলংকাৰ কৌস্তুভমণি, শ্ৰীবৎস, পৱিত্ৰ উত্তৰীয়, আজানুলম্বিত বনমালা আদি সকলো আভৰণ ধাৰণ কৰিছে। মুখাৱয়ত তলৰ ওঁঠ শিৰৰ আভৰণ আদিত শেযাস্থাৰ গুপ্তভাস্কৰ্যৰ প্ৰভাৱ বিৰাজমান। তলত অশুদ্ধ সংস্কৃত শ্লোক এটা খোদিত আছে।"

প্ৰাক্ আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য ধ্বংসাৱশেষ দৰং জিলাৰ বিশ্বনাথ আৰু শিৱসাগৰ জিলাৰ নেঘেৰীটিঙত উদ্ধাৰ হৈছে। নেঘেৰীটিঙত অৱস্থিত দৌলটো আহোম শাসকে এটা প্ৰাচীন শৈৱ মন্দিৰ মন্দিৰৰ ভগ্নাৱশেষৰ ওপৰত নিৰ্মাণ কৰিছিল। আহোম শাসকে গুৱাহাটীত নিৰ্মাণ কৰা উমানন্দ আৰু অশ্বকান্ত মন্দিৰত প্ৰাচীন মন্দিৰৰ শিল আৰু ভাস্কৰ্য ব্যৱহাৰ কৰিছিল। অশ্বক্ৰান্তত সংযোগ ঘটা অনন্ত শৰ্যাত শায়িত মূৰ্তি দশম একাদশ শতিকাৰ ভাস্কৰ্য। এই ভাস্কৰ্য উচ্চ কলা সমৃদ্ধ। অন্য এটা সমৃদ্ধ ভাস্কৰ্য হ'ল গুৱাহাটী যাদু ঘৰত সংৰক্ষিত বিষ্ণু মূৰ্তি। এই মূৰ্তিটো স্কীষ্ট জাতীয় কলা শিলত কটা হৈছে। এই ধ্যানী বিষ্ণুৰ দেৱ আৱৰণ দুৰ্গা, গণেশ, কাৰ্তিক আৰু পখাৰে সৈতে গৰুড় বিগ্ৰহ পদতলত অৱস্থিত। কে. এন. দীক্ষিতে জনোৱা মতে, 'বিষ্ণুৰ সোহাতে গণেশ আৰু মহিষ মন্দিনীক প্ৰতিষ্ঠা কৰা কাৰ্যই বিষ্ণু পঞ্চ দেৱতাৰ কেন্দ্ৰ হিচাপে চিহ্নিত কৰা বুলি যুক্তিযুক্ততা প্ৰতিপন্ন কৰে। বাওঁদিশে থকা মূৰ্তি দুটা শিৱ আৰু সূৰ্য দেৱতা বুলি ভবাৰ অৱকাশ আছে যদিও প্ৰকৃততে তেওঁলোক ভিন্ন দেৱতাৰ। ওপৰৰ মূৰ্তিটো আকৃতি প্ৰকৃতিৰ পৰা হনুমান বা অন্য কোনো বিষ্ণুৰ আলধৰা আৰু মূৰ্তিটোৰ অন্য কাষে কোনো আত্ম সংযমী সাধকে লেপেতকাঢ়ি বহি থকা সাধক। শিৱসাগৰৰ মহকুমা বিষয়াৰ বাসস্থানৰ ওচৰত এনে কিছু ভাস্কৰ্য আৰু স্থাপত্যৰ ভগ্নাৱশেষ সংৰক্ষিত হৈছে। এইবিলাক, নৱম আৰু দশম শতিকাৰ ভিতৰত নিৰ্মিত এটা বিষ্ণু মন্দিৰৰ ভগ্নাৱশেষ। বিষ্ণু মন্দিৰটো এই অঞ্চলতে প্ৰতিষ্ঠা হৈছিল।' দীক্ষিতে লগতে কৈছে যে মন্দিৰৰ স্থাপত্য কলাৰ সৌন্দৰ্যৰ লগত তেজপুৰ আৰু বামুণী পাহাৰৰ স্থাপত্য ভাস্কৰ্যৰ সাদৃশ্য আছে।

বংগৰ পাল বংশ শাসন কালৰ জোখতকৈ অধিক বাঢ়ি অহা তলিৰ স্থাপত্য ভাস্কৰ্য কলাতকৈ কামৰূপ শিল্প কলাই মগধ আৰু উত্তৰ ভাৰতৰ কলা সংস্কৃতিয়ে কামৰূপ ৰাজ্যৰ কলা সংস্কৃতিক প্ৰভাৱম্বিত কৰিছিল। কামৰূপ ৰাজ্যৰ স্থাপত্যৰ অভিযান্ত্ৰিক নিদৰ্শন হ'ল - শিল সাকো (দলঙ)। উত্তৰ গুৱাহাটীৰ পশ্চিমাঞ্চলত বৰনদীৰ জুৰি এটাৰ ওপৰত এডাল শিল সাকোঁ আছে। ১২০৬ খৃঃত এই ডাল সাকোৰে মহম্মদ-ই-বসতিয়াৰ আৰু তেওঁৰ অশ্বাৰোহী বাহিনীৰ সৈতে পাৰ হৈ তিৰ্বত অভিযান কৰিবলৈ যাত্ৰা কৰিছিল। এই সাকোঁ ১৮৯৭ খৃঃৰ ভূমিকম্পত নষ্ট হৈছিল। হেন্নাই চাহাবৰ ১৮৫১ খৃঃৰ টোকামতে, 'শিলৰ সাকোঁডালত ব্যৱহাৰ কৰা শিলবিলাক বৰ্গাকাৰ আৰু মিহি। এইবিলাক সাকো নিৰ্মাণ কৰোতে আকাৰ আৰু ভৰৰ বাবে অধিক শক্তি আৱশ্যক হৈছিল। সেইফালৰ পৰা কৌশল শক্তি আৰু দৃঢ়তাৰ ফলস্বৰূপে সাকোঁ আজি (১৮৫১খৃঃ) লৈ অক্ষত অৱস্থাত আছে। মাত্ৰ সাকোঁডালৰ দুয়োটা মূৰতে দুজোপা বৃক্ষই বিশাল আকাৰৰ বৰ্গাকাৰ শিলাখণ্ড মূল স্থানৰ পৰা আঁতৰাই পেলাইছিল। ভাগি পৰা খুটা এটা পৰ্যবেশন কৰি দেখা গ'ল যে বিশাল শিলৰ টুকুৰাবিলাক ওপৰৰ চটাৰ লগত তলৰ চটা লোৰ শলাৰে শালি ৰখা হৈছিল। টুকুৰাবিলাকৰ চাৰি কোণত চাৰিটা আৰু মাজত লোৰ শাল মৰা হৈছিল। সাকোৰ ধৰণীৰ ওপৰত দিয়া চটা শিলত চেপেনা লগোৱা খুলনি দেখা পোৱা গৈছিল। চটাশিলৰ বাহিৰ কাষত তিনি বৰ্গ ইঞ্চিৰ চেপেনাৰ অনুপাতিক খোলনি আছিল। সমান্তৰালভাৱে অলংকিতকৰা কিছুমান শিলাখণ্ড সাকোৰ দুয়ো মূৰে পৰি আছিল। এইবিলাক সাকোৰ দুয়ো মূৰে নিৰ্মাণ হোৱা তোৰণৰো হ'ব পাৰে।

**উপসংহাৰ ঃ**

উন্নত স্থাপত্য আৰু উন্নত ভাস্কৰ্যই একোটা অঞ্চলৰ উন্নত সভ্যতা আৰু সংস্কৃতিৰ ইতিহাস ধৰি ৰাখিব পাৰে। এনে ক্ষেত্ৰত বৰ্মন বংশৰ ৰাজত্বৰ সময়ৰেপৰা উন্নত আৰু পৰিশীলিত তেনে সভ্যতা আৰু সাংস্কৃতিক দিশৰ আধাৰ প্ৰতিষ্ঠা হোৱা কথা ক'ব পৰা হয়। প্ৰাক্ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অভিযান্ত্ৰিক নিদৰ্শন শীৰ্ষক আলোচনা পত্ৰৰ জৰিয়তে

সেই সময়ছোৱাৰ সভ্যতা সংস্কৃতিৰ প্ৰবাহৰ মান বিস্তৃত হোৱাৰ কথাও উল্লেখনীয়। বিশেষকৈ প্ৰাক্ আহোম যুগৰ এই স্থাপত্য বিদ্যা আৰু ভাস্কৰ্যশিল্পসমূহৰ কলাগত আৰু শৈলীগত দিশে প্ৰাচীন সময়তে মানুহ মন-মগজুত তেনে আভিযান্ত্ৰিক দিশৰ পোখা মেলিছিল। য'ত আমাৰ সভ্যতা আৰু সংস্কৃতিৰ বাহক হিচাপে বহুতো তেনে প্ৰাচীন পবিত্ৰ স্থাপত্য আৰু ভাস্কৰ্য সম্ভাৰৰ সাক্ষ্য আমাৰ মাজত আছে। বৰ্মন বংশৰ ৰাজত্বৰ সময়তে আধাৰ প্ৰতিষ্ঠা হোৱা এনে স্থাপত্য বিদ্যা আৰু ভাস্কৰ্যশিল্পসমূহৰ বিকাশ পাল বংশৰ শাসন অন্ত পৰাৰ কেইবাটাও শতিকালৈ স্থবিৰ হৈ পৰিছিল। কিয়নো কোঁচ, কছাৰী, চুতীয়া আৰু আহোমৰ ৰাজত্ব কালত হোৱা বিভিন্ন যুঁজ-বাগৰে তেনে শিল্পকৰ্মৰ বিকাশত পৃষ্ঠপোষকতা আগবঢ়োৱা নাছিল। সিয়ে হ'লেও কছাৰী আৰু কোঁচ ৰজাৰ পৃষ্ঠপোষকতাত তেনে স্থাপত্যকলা বিকাশত মনোনিৱেশ কৰা দেখা যায়। শিলৰ স্থাপত্যবিদ্যা আৰু ভাস্কৰ্য শিল্পৰ বিকাশ স্থবিৰ হোৱাৰ পৰৱৰ্তি সময়ত বিশেষকৈ পঞ্চদশ শতিকাত শংকৰদেৱৰ হাতত এনে জাগৰণে পূৰ্ণতা লাভ কৰি বিকাশৰ পথত অগ্ৰসৰ হয়। ❑


**সহায়ক গ্ৰন্থ ঃ**

কাকতি, বাণীকান্ত (সম্পা.) ঃ *পুৰণি কামৰূপৰ ধৰ্মধাৰা,* বাণী প্ৰকাশ, ডিব্ৰুগড়, ১৯৫৫

দত্ত, মনোৰঞ্জন ঃ *অসমৰ ভাস্কৰ্যৰ ইতিহাস,* স্বপ্না পাব্লিচাৰ্চ, গুৱাহাটী

নাথ, ভৱকান্ত (অনু.) ঃ *অসমীয়া সংস্কৃতিৰ পটভূমি,* বাণী মন্দিৰ, দ্বিতীয় প্ৰকাশ, ২০০৯

নেওগ, মহেশ্বৰ ঃ *প্ৰাচ্য-শাসনাৱলী,* অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ১৯৭৪

নেওগ, মহেশ্বৰ (সম্পা.) ঃ *বাণীকান্ত ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, চতুৰ্থ প্ৰকাশ, ২০১৮

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা.) ঃ *অসম বুৰঞ্জী,* বাণী মন্দিৰ, ডিব্ৰুগড় , ১৯৬০

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা.) ঃ *কামৰূপৰ বুৰঞ্জী,* অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, পঞ্চম সংস্কৰণ, ২০১৭

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা.) ঃ *দেওধাই অসম বুৰঞ্জী,* অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, চতুৰ্থ সংস্কৰণ, ২০০১

ভূঞা, সূৰ্য্যকুমাৰ (সম্পা.) ঃ *কছাৰী বুৰঞ্জী,* অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, তৃতীয় সংস্কৰণ, ১৯৮৪

শইকীয়া, নগেন ঃ *অসমীয়া মানুহৰ ইতিহাস,* কথা প্ৰকাশন, ২০১৩

শইকীয়া, চন্দ্ৰপ্ৰসাদ ঃ *পদ্মনাথ গোহাঞিবৰুৱা,* অসম প্ৰকাশন পৰিষদ, দ্বিতীয় প্ৰকাশ, ২০০৭

Ahmed, K. : *The Art and Architecture of Assam,* Spectrum Publication, 1994

Banerji, R. D. : *Archaeological Survey of India, Annual Report* 1924-25

Banerji, R. D. : *Archaeological Survey of India, Annual Report* 1925-26

Bhattacharya, Tarapada : *A Study on Vastubidya or Canons of Indian Architecture,* University of Calcutta, 1948

Dikshit, K. N. : *Puratattva,* Bulletin of the Indian Archaeological Society, Indian Archaeological Society Publication, 1993

Majumdar, R.C. (Ed.) : *The Struggle for àßmpire,* Bharatiya Vidya Bhavan, 1957

Nath, Raj Mohan : *The Back-Ground of Assamese Culture,* Published by A. K. Nath, Mimosa Ridge, First àßdition, 1948

**গৱেষণা গ্ৰন্থ ঃ**

বড়া, অনুপম ঃ *আহোম যুগৰ শৈল-ভাস্কৰ্য ঃ এক বিশ্লেষণাত্মক অধ্যয়ন,* ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত পিএইচ. ডি. ডিগ্ৰীৰ বাবে দাখিল কৰা গৱেষণা গ্ৰন্থ, ২০২১

ISSN 2321-4945
UGC CARE Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# উজনি অসমৰ নক্টে সমাজৰ উৎসৱ-অনুষ্ঠান ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন



ড° খনিকৰ মাউত

সহকাৰী অধ্যাপক
বৰভাগ মহাবিদ্যালয়
কালাগ, নলবাৰী-৭৮১৩৫১
৮৬৩৮৮৮৫৩৪২
khanikarmaut@gmail.com

**০.১ প্ৰস্তাৱনা ঃ**

লোক-জীৱনৰ সামগ্ৰিক ৰূপেই হ'ল লোক-সংস্কৃতি। 'লোক' সমাজত পৰম্পৰাগতভাৱে যি সংস্কৃতি জীয়াই আছে তাক লোক-সংস্কৃতি বুলি অভিহিত কৰিব পাৰি। পৰম্পৰাগতভাৱে মানুহৰ মাজত প্ৰচলিত ৰীতি-নীতি, বিশ্বাস, ৰুচি-অভিৰুচি আদিৰ দ্বাৰাই লোক-সংস্কৃতি সৃষ্ট। লোক-সংস্কৃতি যুগ-সাপেক্ষ, মানৱৰ অভিৰুচি অনুসৰি লোক-সংস্কৃতিলৈ পৰিৱৰ্তন আহে। লোক-সংস্কৃতিৰে এক অভিন্ন অংগ লোকাচাৰ। লোক সমাজত প্ৰচলিত বিবিধ অনুষ্ঠান, আচাৰ, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকচিকিৎসা আদিকেই সামগ্ৰিকভাৱে লোকাচাৰ বোলা হয়। লোকসংস্কৃতিৰ অন্তৰ্গত লোক সাহিত্য, ভৌতিক সংস্কৃতি, লোক পৰিৱেশ্য কলাৰ সৈতেও লোকাচাৰ জড়িত হৈ আছে। যিবোৰ সামাজিক আচাৰ-পদ্ধতিয়ে লোকাচাৰক গঢ়ি তোলে, তাৰ সৈতে অন্য কিছুমান সামাজিক আচৰণ সংযুক্ত হৈ উৎসৱ-অনুষ্ঠানৰ জন্ম দিয়ে। সামাজিক লোকাচাৰৰ এক অতি গুৰুত্বপূৰ্ণ অংশ হ'ল উৎসৱ-অনুষ্ঠান। অসমত বসবাস কৰা জনগোষ্ঠীৰ সামাজিক উৎসৱ-অনুষ্ঠান ক্ষেত্ৰত যথেষ্ট বৈবিধ্যতা আৰু স্বতন্ত্ৰ ৰূপ দেখিবলৈ পোৱা যায়। অসমত বসবাস কৰি থকা জনজাতিসমূহৰ মাজত নগা জনজাতিসমূহৰ অন্যতম। অসমত কন্যাক, চেমা, নক্টে, ৰান্‌ছু আদি কেইবাটাও নগা জনগোষ্ঠী বসবাস কৰি আছে। এই প্ৰত্যেকটো জনগোষ্ঠীৰে কেতবোৰ নিজা উৎসৱ-অনুষ্ঠানৰে সমৃদ্ধ। এই গৱেষণা-পত্ৰখনিত অসমত বাস কৰা নগাসকলৰ এক অন্যতম জনগোষ্ঠী নক্টে (Nocte) সকলৰ উৎসৱ-অনুষ্ঠান সম্পৰ্কে আলোচনা কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

- নক্টেসকলৰ সমাজ আৰু সংস্কৃতিৰ ঐতিহাসিক প্ৰেক্ষাপটক বিচাৰ কৰা।
- নক্টেসকলৰ উৎসৱ-অনুষ্ঠানৰ বিভিন্ন দিশত আলোকপাত কৰা।
- নক্টেসকলৰ উৎসৱ-অনুষ্ঠানত সাংস্কৃতিক সমাহৰণৰ প্ৰভাৱক বিচাৰ কৰা।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

গৱেষণা-পত্ৰখনৰ বিষয়বস্তু ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা আহৰণ কৰা তথ্যৰ আধাৰত আলোচনা কৰা হৈছে।

আলোচনা কৰিবৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতি (Analytical Method) অৱলম্বন কৰা হৈছে। প্ৰয়োজনসাপেক্ষে তুলনামূলক পদ্ধতিৰো সহায় লোৱা হৈছে।

**০.৪ অধ্যয়নৰ পৰিসৰ ঃ**

এই গৱেষণা-পত্ৰৰ অধ্যয়নৰ পৰিসৰত মূলতঃ নক্টেসকলৰ উৎসৱ-অনুষ্ঠানৰ বিভিন্ন দিশক সামৰি লোৱা হৈছে। বিষয়বস্তুৰ লগত সংগতিপূৰ্ণ অন্য সামাজিক-সাংস্কৃতিক দিশৰো অৱতাৰণা কৰা হ'ব।

**০.৫ক্ষেত্ৰ অধ্যয়নৰ স্থান আৰু কৌশল ঃ**

এই গৱেষণা-পত্ৰৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে ব্যৱহাৰ কৰা কৌশলসমূহ উল্লেখ কৰা হ'ল ঃ

(ক) পৰ্যবেক্ষণ (Observation)

(খ) সংৰচিত প্ৰশ্নসূচী (Structural Questionnaire scheduled)

(গ) অসংৰচিত সাক্ষাৎকাৰ, কথোপকথন, বাণীবদ্ধকৰণ আৰু লিপিবদ্ধকৰণ (Recording of unstructural interview, audio recording an conversation)

উজনি অসমত ঘাইকৈ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ অঞ্চলবিশেষে নক্টেসকলৰ সমূহীয়া বসতি পোৱা যায়। এই অধ্যয়নৰ বাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন চলোৱা অঞ্চলসমূহ হ'ল—

**(ক) দিহিং কিনাৰ গাঁও ঃ**

ডিব্ৰুগড় জিলাৰ জয়পুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দিহিংকিনাৰ নক্টে গাঁও জয়পুৰ নগৰ অঞ্চলৰ পৰা উত্তৰে দুই কিলোমিটাৰ দূৰত বুঢ়িদিহিং নৈৰ সমীপত অৱস্থিত। গাঁওখনত মুঠ ৪৫ ঘৰ নক্টে লোক বাস কৰি আছে আৰু গাঁওখনৰ মুঠ জনসংখ্যা ৫০০ জনৰ অধিক। গাওঁখনৰ সৰহ সংখ্যক লোকেই সাক্ষৰ। এইসকল নক্টেলোক বৈষ্ণৱ ধৰ্মাৱলম্বী।

**(খ) শিলনী গাঁও ঃ**

শিৱসাগৰ জিলাৰ সাপেখাটি ৰাজহ চক্ৰৰ অৰ্ন্তগত শিলনী গাঁও বৰপাত্ৰ চাহ বাগিছাৰ নিকটত অৱস্থিত। ইয়াত ৩০ ঘৰৰো অধিক নক্টেলোক বাস কৰি আছে। শিলনী গাঁৱৰ নক্টেলোকৰ সংখ্যা ২০০ ৰ পৰা ২৫০ভিতৰত। এইসকল নক্টেলোক বৈষ্ণৱ ধৰ্মাৱলম্বী।

**(গ) বৰদুৰিয়া, পানীদুৰিয়া ঃ**

অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ খুনছা ৰাজহ চক্ৰৰ অৰ্ন্তগত বৰদুৰিয়া, পানীদুৰিয়া নক্টে লোকৰ আবাসভূমি। ২০০১ৰ লোকপিয়ল অনুসৰি বৰদুৰিয়াত ১৫৮৯ টা আৰু পানীদুৰিয়াত ৪০৬টা নক্টে পৰিয়াল বাস কৰে। বৰ্তমান এই অঞ্চলৰ নক্টেসকলৰ অধিকাংশই খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছে।

**১.০ নক্টেসকলৰ ঐতিহাসিক প্ৰেক্ষাপট**

নগাসকল ভাৰতৰ উত্তৰ-পূব আৰু বাৰ্মাৰ উত্তৰ-পশ্চিম অঞ্চলৰ বাসিন্দা। নগা জনজাতিসমূহৰ মাজত নক্টে (Nocte) অন্যতম। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ঘাইকৈ অৰুণাচল প্ৰদেশত বসতি কৰি থকা নক্টেসকল নিজা ভাষিক আৰু সাংস্কৃতিক পৰিচয়েৰে সমৃদ্ধ এটা উল্লেখযোগ্য জনজাতি। নক্টে শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'নক' মানে গাঁও আৰু 'টে' মানে মানুহ; অৰ্থাৎ গাঁওত বাস কৰা লোক।[১] এই জনজাতিটোৰ সম্পৰ্কে আলোচনা কৰাৰ পূৰ্বে নগা জনজাতি সম্পৰ্কে দুআষাৰ আলোচনা কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। 'নগা' অভিধাটোৰ দ্বাৰা সমধৰ্মী সামাজিক-সাংস্কৃতিক উপাদানৰে সমৃদ্ধ নাগালেণ্ড, মণিপুৰ, দক্ষিণ-পূব অৰুণাচল প্ৰদেশ আৰু অসমৰ অঞ্চল বিশেষে বাস কৰি থকা বহুকেইটা জনজাতিক বুজোৱা হয়। নাগালেণ্ডৰ আও, আংগামী, ছেমা, লোথা, ৰেংমা, কন্যাক, ফোম, ৰেংমা আদি জনজাতি, মণিপুৰত টাংখুল, মাও, কাবুই, অৰুণাচল প্ৰদেশৰ নক্টে আৰু ৱানছু, অসমৰ জেমি, ৰংমি, (উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল) আদি জনজাতিক বৃহত্তৰ নগা জাতিৰ মাজত অন্তৰ্ভুক্ত কৰা হয়।[২] নগা জনজাতিৰ অন্তৰ্গত সৰ্বাধিক লোক নাগালেণ্ডত বাস কৰে।[৩] নগা জনগোষ্ঠীসমূহৰ অন্তৰ্গত শাখাসমূহক যিবোৰ নামেৰে নামকৰণ কৰা হৈছে, সেই নামসমূহৰে সুকীয়া ৰূপ তেওঁলোকৰ লগতে অন্য জনগোষ্ঠীৰ মাজতো পোৱা যায়। উদাহৰণস্বৰূপে, আও নগাসকলে নিজক 'আও' আৰু 'আওৰ' বুলি চিনাকি দিয়ে, অন্যহাতে 'চেমা', 'লোথা' আৰু 'কন্যাক' নগাসকলে 'আও'সকলক ক্ৰমে 'চুলিমি' (cholimi), 'চুনগলি' (chongli) আৰু 'পেইমি' (Paimi) বুলি সম্বোধন কৰে।[৩] আহোম ৰাজত্বকালৰ সময়ত নগা জনজাতিসমূহক অঞ্চলভিত্তিক নামেৰে নামকৰণ কৰা হৈছিল। 'আও'সকলক হাতীগৰীয়া আৰু দোপডৰীয়া, কন্যাকসকলক নামচাঙীয়া, ফুমসকলক এচিৰিঙিয়া,[৫] নক্টে সকলক বৰদুৱৰীয়া, পানীদুৱৰীয়া[৬] আদি 'চাঙ' বা অঞ্চলভিত্তিক নামেৰে অভিহিত কৰা হৈছিল।

নক্টেসকলৰ ইতিহাস সম্পৰ্কীয় তথ্য বৰ্তমানলৈকে পৰ্যাপ্তৰূপত পোৱা নাযায়। যিহেতু নগাসকলৰ মাজত লিখন পৰম্পৰা অতীজতে নাছিল, সেয়ে লোককথা, অন্য ঐতিহাসিক তথ্য-সমলৰ গইনা লৈহে তেওঁলোকৰ সম্পৰ্কে কিছু কথা জানিব পাৰি। আহোম যুগৰ বুৰঞ্জী, চৰিত পুথি আদিত নক্টেসকলৰ সম্পৰ্কে বিক্ষিপ্ত ঐতিহাসিক তথ্য পোৱা যায়।

## ১.১ প্ৰব্ৰজন ঃ

নক্টেসকলৰ প্ৰব্ৰজন সম্পৰ্কে তেওঁলোকৰ মাজত কেইবাটাও লোককথাৰ প্ৰচলনৰ সম্ভেদ পোৱা যায়। এনে প্ৰচলিত লোককথাসমূহক বিশ্লেষণ কৰি এই কথা অনুমান কৰিব পাৰি যে, নক্টেসকল বাৰ্মাৰপৰা পাটকাই পাৰ হৈ বৰ্তমানৰ মূল বসতি স্থান টিৰাপ জিলালৈ আহিছিল। তেওঁলোক প্ৰথমে পাহাৰৰ ওখ ঠাইত বসতি কৰিবলৈ লয় আৰু কালক্ৰমত তাৰপৰাই নামনি অংশলৈও প্ৰব্ৰজিত হৈ নক্টেসকলে গাঁও পাতি বসতি কৰিবলৈ ধৰে। গৱেষক পাৰুল দত্তই তেওঁৰ *'Tribal Cheiftainship'* গ্ৰন্থত নক্টেসকলৰ প্ৰব্ৰজন বৰ্মাৰ হুকং উপত্যকাৰ পৰা হৈছে বুলি অনুমান কৰিছে। প্ৰচলিত এক প্ৰবাদ অনুসৰি নামচাং, বৰদুৰীয়া আৰু লাপটাং–তিনিও চাঙৰ ৰজাৰ বংশ মূলতঃ এক আছিল। প্ৰবাদ অনুসৰি তেওঁলোকৰ কোনোবা এজন ৰজা পাটকাই পৰ্বত পাৰ হৈ হুকং উপত্যকাৰ পৰা আহিছিল। তেওঁ পোনতে লাপটাঙত নিজৰ ৰাজ্য গঢ়ি তোলে। কিন্তু প্ৰজা তেওঁৰ প্ৰতি বিদ্ৰোহী হোৱাৰ কথা গম পাই পৰিয়ালসহ ৰাজ্য ত্যাগ কৰি খুনছালৈ পলাই যায়। তাৰপৰা নিনু, কামহুৱা, ন্যনু, চানু, বানফেৰা আদি অঞ্চলেদি ঘূৰি আহোম ৰজাৰ লগ লাগেহি। আহোমে নিজৰ ক্ষমতা প্ৰয়োগ কৰি পুনৰ তেওঁক কৰতীয়া ৰজা পাতে। পৰৱৰ্তী সময়ত ৰজাৰ পুতেক কেইজনৰ মাজত বিবাদৰ সূত্ৰপাত হৈ লাপটাং, নামচাং আৰু বৰদুৰীয়া এই তিনিঘৰ ৰজা হ'ল।[৮]

অন্য যিবোৰ জনপ্ৰবাদ আছে সেইসমূহৰ বিশ্লেষণ আৰু গৱেষক পাৰুল দত্তৰ মতৰ ওপৰত ভিত্তি কৰি নক্টে সকলৰ আদি বসতিস্থান বৰ্তমানৰ ম্যানমান(বাৰ্মা) বুলি ঠাৰৰ কৰিব পাৰি। বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ টিৰাপ অঞ্চললৈ নক্টেসকলৰ আগমন আহোমসকলৰ আগমনৰ আগতে অৰ্থাৎ বৰ্তমানৰ সময়ৰ পৰা ৮০০ বছৰ পূৰ্বে ঘটাৰ সম্ভাৱনাই অধিক। অসমৰ ভৈয়ামলৈ প্ৰব্ৰজন সম্পৰ্কে শিৱসাগৰ শিলনি গাঁৱত এক লোককথাৰ প্ৰচলন আছে। আহোম ৰাজত্বৰ সময়তেই বৰদুৰীয়া নগা ৰজাৰ সৈতে কৰ-কাটলক লৈ তেওঁলোকৰ চাঙৰ ৰজাৰ সংঘাত হয়। কিন্তু সংখ্যা লঘু হোৱাৰ বাবে পৰাস্ত হৈ তেওঁলোকে প্ৰায় দুশঘৰ লোক অসমৰ ভৈয়ামলৈ গুচি আহে। কিন্তু ইয়াৰ পিছত মহামাৰী হোৱাৰ বাবে একাংশ নক্টেলোক পুনৰ বৰ্তমানৰ টিৰাপ জিলালৈ ঘূৰি যায়। পৰৱৰ্তী সময়ত ব্ৰিট্ৰিছ শাসনৰ দিনত হোৱা জৰীপত তেওঁলোকৰ অৰ্থনৈতিক শোচনীয়তালৈ লক্ষ্য ৰাখি তেওঁলোকক থাকিবলৈ মাটি দান কৰা আৰু খাজনা ৰেহাই দিয়া হৈছিল।[৯]

স্বৰ্গদেউ চুপিমফাই (১৪৯৩-৯৭ খৃঃ) নামচাঙীয়া নগাক সগৰ্ভা চমুৱা কুঁৱৰীক গটোৱাৰ ঘটনাৰ উল্লেখ বুৰঞ্জীত আছে।[১০] পৰৱৰ্তীসময়ত ব্ৰিটিছ আমোলত প্ৰশাসনিক বিষয়া তথা মিছনেৰীসকলৰ প্ৰচেষ্টাত বিভিন্ন তথ্য নক্টেসকলৰ সম্পৰ্কে কেতবোৰ তথ্য লিপিবদ্ধ হ'ল। কিন্তু সেইসমূহৰ গ্ৰহণযোগ্যতা সম্পৰ্কে কোনো কোনো ক্ষেত্ৰত সন্দেহৰ অৱকাশ আছে। কেতবোৰ আলোচকে নগাসকলক অতি বৰ্বৰ, নগ্ন জনজাতিৰূপে প্ৰতিপন্ন কৰাত অধিক গুৰুত্ব দিছে। অন্যহাতে মিচনেৰীসকলৰ উদ্দেশ্য আছিল নগাসকলৰ মাজত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ। গতিকে নগাসকলৰ কল্যাণত বিশিষ্ট বৰঙণি আগবঢ়ালেও ধৰ্ম প্ৰচাৰৰ বাবে তেওঁলোকে কোনো কোনো ক্ষেত্ৰত নগাসকলৰ পৰম্পৰা, লোকধৰ্মক কটু সমালোচনা কৰিছিল। আহোম শাসনৰ সময়ত নক্টেসকলক পানীদুৰীয়া, বৰদুৰীয়া, নামচঙীয়া নগাৰূপেহে জনা গৈছিল। সাম্প্ৰতিক সময়ত এই অঞ্চলসমূহ বৰদুৰিয়া, পানীদুৰিয়া আদি নামেৰে জনা যায়। নক্টেসকলৰ সন্দৰ্ভত লীলা গগৈয়ে এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে যে, নক্টেসকলৰ ৰজাৰ গোষ্ঠী হুকং উপত্যকাৰ পৰা অহা টাইজাতীয় মানুহ। নামচাং, লাপ্টাং আৰু বৰদুৰীয়া মূলতঃ একে বংশৰ। অন্যান্য চাংবিলাকৰ ৰজা নক্টে গোষ্ঠীৰে।[১১] লীলা গগৈৰ এই মন্তব্যটোৰ গ্ৰহণযোগ্যতা কিমান তাক বিচাৰ কৰিবলৈ পৰ্যাপ্ত তথ্যৰ অভাৱ। কিয়নো মতটো প্ৰতিষ্ঠা কৰিবলৈ তেখেতে যথাযথ প্ৰমাণ আগবঢ়োৱা নাই। নক্টেসকলৰ লোককথাক আধাৰ কৰি তেওঁলোকৰ ইতিহাসক বিচাৰ কৰিলেও ইতিহাসৰ এক স্পষ্ট ৰূপৰেখা পোৱা নাযায়।

মহেশ্বৰ নেওগে *'অসমৰ জনজাতি'* গ্ৰন্থত আগবঢ়োৱা ঐতিহাসিক তথ্য অনুসৰি বৰ্তমানৰ শিৱসাগৰ জিলাৰ দক্ষিণ অঞ্চল আহোম ৰাজশাসনৰ দিনত আহোমৰ অধীনস্থ আছিল। আহোমৰ দিনত নগাসকলক নিৰীক্ষণ কৰা আৰু তেওঁলোকৰ লগত ৰাজনৈতিক, বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰিবলৈ নগা-কটকী নামৰ বিষয়বাব আছিল। পুৰন্দৰসিংহৰ সময়ত এই অঞ্চলৰ ৮৫ টা লোণপুঙৰ 'লোণ-কৰ' আহোম ৰজাক আদায় দিয়া হৈছিল। কিন্তু পৰৱৰ্তী সময়ত অসম ব্ৰিটিছৰ অধীন হোৱাৰ পিছত ১৮৪১ চনত ব্ৰিটিছ চৰকাৰে এই কৰ উঠাই দিয়ে।[১২]

এই কথা নিশ্চিত যে, অসমলৈ নক্টেসকলৰ প্ৰব্ৰজিত

হোৱা বেছিদিন হোৱা নাই। দিহিংকিনাৰ নক্টে গাঁৱৰ নক্টেসকলে ঊনবিংশ শতিকাৰ আগছোৱা সময়তেই পানীদুৰীয়াৰ পৰা প্ৰব্ৰজিত হৈ অহা বুলি ক'ব খোজে। শিলনি গাঁও আৰু দিহিংকিনাৰ নক্টে গাঁৱৰ নক্টেসকলৰ প্ৰব্ৰজন একে সময়তে হোৱা নাই। তেওঁলোক পৃথক পৃথক ঠাইৰ পৰা প্ৰব্ৰজিত হৈ বৰ্তমানৰ বসতিস্থানলৈ অহিছে। তেওঁলোকে সুকীয়া ভাষা কয়। শিলনি গাঁৱত দোৱানৰ সৈতে দিহিংকিনাৰ নক্টে গাঁৱত 'হাবা' একে নহয়। ভাষাৰ ভিন্নতাৰ ভিত্তিত পৃথক প্ৰব্ৰজনৰ উৎসৰ সম্পৰ্কে নিশ্চিত হ'ব পাৰি। শিলনি গাঁৱৰ নক্টেসকলৰ প্ৰব্ৰজন দিহিংকিনাৰ নক্টে গাঁৱতকৈ যে আগতে হৈছিল সেই কথা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ পৰা জানিব পৰা গৈছে।

এনেবোৰ তথ্যই অতীজৰ পৰা অসমৰ ভৈয়াম অঞ্চলৰ সৈতে নক্টেসকলৰ এক বাণিজ্যিক আৰু ৰাজনৈতিক সম্পৰ্ক স্থাপন হোৱাৰ প্ৰমাণ দিয়ে। অষ্টাদশ শতিকাত ৰজা লথা খুনবাও (নৰোত্তম)ৰ দ্বাৰা প্ৰচাৰিত নৱ বৈষ্ণৱ ধৰ্মৰ দ্বাৰা নক্টেসকল অসমীয়া সংস্কৃতিৰ অধিক কাষ চাপি আহে।

**১.৩ নৃগোষ্ঠীয় পৰিচয় ঃ**

নৃতাত্ত্বিক অধ্যয়নত পোৱা তথ্যৰ পৰা নক্টেসকল মূলতঃ মঙ্গোলীয় বুলি পোৱা যায়। এই কথা স্বীকাৰ্য যে, নগা জনজাতিসমূহৰ মাজত মঙ্গোলয়ড্ নৃগোষ্ঠীয় উপাদান অধিক স্পষ্ট। এই সন্দৰ্ভত S.H.M. Rizvi আৰু Shibani Roy - এ নগাসকলৰ দৈহিক গঠনত মিশ্ৰিত ৰূপ থকাৰ সিদ্ধান্তক সমৰ্থন কৰিছে।[১৩] নগা সংস্কৃতি সন্দৰ্ভত আলোচনা কৰোঁতেও এক মিশ্ৰিত ৰূপ নগাসকলৰ মাজত পৰিলক্ষিত হয়। গৱেষক লীলা গগৈয়ে নগা সংস্কৃতিত মিশ্ৰিত উপাদানৰ অস্তিত্বক স্বীকাৰ কৰি অষ্ট্ৰিক সংস্কৃতিৰ উপাদানৰ সম্ভাৱনীয়তাক আলোচনা কৰিছে ।[১৪] নগাসকলৰ সংস্কৃতিত প্ৰশান্ত মহাসাগৰীয় দ্বীপত একালত বাসকৰা জনগোষ্ঠীৰ উপাদান দেখা যায়। ইণ্ডোনেচিয়া আৰু ফিলিপাইনৰ এগৰ'ট আৰু ডাইকসকলৰ জীৱন-পদ্ধতিৰ সৈতেও নগাসকলৰ সাদৃশ্য মনকৰিবলগীয়া। নগাসকলৰ এটি অন্যতম ফৈদৰূপে নক্টেসকলৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। তেওঁলোক মূলতঃ মংগোলীয় নৃগোষ্ঠীৰ যদিও তেওঁলোকৰ মাজত অন্য নৃগোষ্ঠীয় উপাদানৰ অস্তিত্বও পোৱা যায়। তেওঁলোকৰ মাজত আৰ্য উপাদান থকাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। এই সম্পৰ্কে H.M. Bareh-এ নক্টেসকল মংগোলীয় নৃগোষ্ঠীৰ বুলি মন্তব্য আগবঢ়াইছে। [১৫]

নক্টেসকলৰ সম্পৰ্কে ১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্যোগত লাপটাং, খুনচা, বৰদুৰীয়া, কলাগাঁও, খেলা, আদি গাঁৱত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি ৰক্ত পৰীক্ষা কৰিছিল। এই অধ্যয়নত নক্টেসকলৰ ৰক্তৰ 'জেনেটিক ক'ন্ছটিট্যুচন'(genetic constitution)ত ভাৰতীয় তথা বৰ্মা আৰু তিব্বতৰ সৈতেও কোনো সম্পৰ্ক চিনাক্ত কৰিব পৰা নগ'ল বুলি জানিব পাৰি।[১৬]

নক্টেসকলৰ নৃগোষ্ঠীয় পৰিচয়ৰ সম্পৰ্কে স্পষ্ট তথ্য এতিয়াও পোহৰলৈ অহা নাই। ভৱিষ্যতে এই সম্পৰ্কে বিস্তৃত অধ্যয়ন হ'লে নক্টেসকলৰ নৃগোষ্ঠীয় পৰিচয় সম্পৰ্কে নিশ্চিত হ'ব পৰা যাব।

**১.৪ জনসংখ্যা আৰু শিক্ষাৰ হাৰ ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ নক্টেসকলৰ মূল বাসভূমি অৰুণাচলৰ টিৰাপ জিলা। অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ মূল জনসংখ্যাৰ ৪৫ শতাংশ লোক হৈছে নক্টে। [১৭] ২০০১ চনৰ লোকপিয়ল অনুসৰি নক্টেসকলৰ মুঠ জনসংখ্যা ৩৩,৬৮০জন।[১৮] অৰুণাচল প্ৰদেশত মুঠ ৬৩ খন নক্টে গাঁও আছে। অসমৰ ডিব্ৰুগড় জিলাৰ জয়পুৰৰ দিহিংকিনাৰ নক্টে গাঁও, নামৰূপৰ কাষৰ বৰপাত্ৰ চাহ বাগিছাৰ সমীপৰ নক্টে গাঁও দুখনত কমেও ১০০ ঘৰ নক্টে লোক বাস কৰে। অৰুণাচল প্ৰদেশত নক্টেসকলৰ লিংগ-অনুপাত ১০০০ পুৰুষৰ বিপৰীতে ৯৪১ গৰাকী মহিলা। তেওঁলোকৰ মাজত শিক্ষিতৰ হাৰ ৫২.২৩ % ।[১৯]

**১.৫ ভাষিক স্থিতি ঃ**

ভাষিক গোষ্ঠী হিচাবে নক্টেসকল চীন তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। জৰ্জ আব্ৰাহাম গ্ৰীয়ৰ্চনে *'Linguistic Survey of India'* ত নক্টে ভাষাক চীন-তিব্বতীয় ভাষা পৰিয়ালৰ নগা-কুকিচীন শাখাত অন্তৰ্ভুক্ত কৰি দেখুৱাইছে। চীন-তিব্বতীয়ৰ প্ৰধান শাখা দুটা – তিব্বতবৰ্মী আৰু থাই-চীন বা শ্যাম-চীনীয়। তিব্বতবৰ্মী শাখাৰ তিনিটা উপশাখা তিব্বত হিমালয়ী, উত্তৰ অসম আৰু অসমবৰ্মী। অসমবৰ্মী উপশাখাৰ পাঁচটা প্ৰশাখা 'কাচিন', 'বাৰ্মিজ', 'বড়ো', 'নগা' আৰু 'কুকিচীন'। ইয়াৰে চতুৰ্থটো প্ৰশাখা 'নগা'ৰ অন্তৰ্ভুক্ত ১৮ টা ভাষাৰ ভিতৰত অৰুণাচল প্ৰদেশৰ নক্টে ভাষাও এটা।[২০]

প্ৰায় ৩৩,০০০ নক্টে লোকৰ মাজত প্ৰচলন থকা নক্টে ভাষা ভাষিক বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। নক্টে ভাষাৰ নটা আঞ্চলিক ৰূপ পোৱা যায়। নক্টৈৰ এই নটা উপভাষিক ৰূপ হাৱাখুন, খাপা, হাৱা, ডলমাক, ফুটুং, জপা, টুট, লাজু আৰু দদাম্ –

এই আটাইকেইটা উপভাষাৰ মাজত ভাষিক ভিন্নতা স্পষ্ট।[১১]

নক্টেসকলে এনে ঔপভাষিক ভিন্নতাৰ বাবে একে নক্টে ভাষাৰ আন উপভাষীৰ মাজত ভাব বিনিময়ৰ বাবে দ্বিতীয় এটা ভাষাৰ আশ্ৰয় ল'বলগা হয়। ক্ষেত্ৰ অধ্যয়নত যোগেদি দেখা গ'ল যে, দ্বিতীয় ভাষা হিচাবে অধিকসংখ্যক নক্টেভাষীয়ে অসমীয়া ভাষা গ্ৰহণ কৰিছে। নক্টে উপভাষাসমূহৰ ভিতৰত 'খাপা' উপভাষাত আনকেইটা উপভাষাতকৈ কিছু সুকীয়া বৈশিষ্ট্য আছে। নক্টেসকলৰ মাজত প্ৰচলিত লোকগীতসমূহত এই উপভাষাটো বহুলৰূপত ব্যৱহৃত হয়।

নক্টে ভাষাটো এক সীমিত ভৌগোলিক অঞ্চলত মুষ্টিমেয় নক্টেসকলৰ মাজত প্ৰচলিত এটা ভাষা। নক্টে ভাষাৰ ঔপভাষিক ভিন্নতাৰ লগতে ভাষিক বৈচিত্ৰ্যই ভাষাটোৰ বিকাশত সমস্যাৰ সৃষ্টি কৰিছে। কম পৰিসৰত প্ৰচলিত হোৱাৰ লগতে নক্টেসকলৰ মাজতে পাৰস্পৰিক ভাষিক দুৰ্বোধ্যতাই নক্টে ভাষাৰ বিকাশত ঘাই অন্তৰায়ৰ সৃষ্টি কৰিছে।

**২.০ নক্টেসকলৰ উৎসৱ-অনুষ্ঠান**

সামাজিক লোকাচাৰৰ এক গুৰুত্বপূৰ্ণ অংশ উৎসৱ-অনুষ্ঠান। নক্টেসকলৰ উৎসৱ-অনুষ্ঠানক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিব আলোচনা কৰিব পাৰি—(ক) কৃষিভিত্তিক উৎসৱ (খ) ধৰ্মকেন্দ্ৰিক উৎসৱ-অনুষ্ঠান (গ) জন্মসম্বন্ধীয় উৎসৱ-অনুষ্ঠান (ঘ) বিবাহকেন্দ্ৰিক উৎসৱ অনুষ্ঠান(ঙ) মৃত্যু সম্বন্ধীয় অনুষ্ঠান

**২.১. কৃষিভিত্তিক উৎসৱ**

নক্টে সমাজৰ মূল জীৱিকা কৃষি। নক্টে সমাজত কৃষি কৰ্মত শস্য ৰোপণ, উৎপাদন, সংগ্ৰহ আদি স্তৰত বিভিন্ন ধৰণৰ অনুষ্ঠান উদযাপন কৰা হয়। এই অনুষ্ঠানসমূহ গাঁও অনুসৰি সুকীয়া সুকীয়া হোৱা দেখা যায়। উদাহৰণস্বৰূপে, ঝুম খেতিৰ বাবে মঙল চাই ভূমি চয়ন কৰ্মত একপ্ৰকাৰৰ অনুষ্ঠান আয়োজন কৰা হয়। যাক বৰদুৰিয়া অঞ্চলত 'পিটচা' বুলি কোৱা হয়। অন্যহাতে ধান সিচাঁৰ আগতে এটি অনুষ্ঠানৰ প্ৰচলন স্থানবিশেষে পোৱা যায় যাক বৰদুৰীয়া, কলাগাঁও আদি অঞ্চলত 'কপখুট' উৎসৱ, নক্চাত 'মেইকিট' উৎসৱ আদি নামেৰে জনা যায়। ইয়াৰ উপৰিও নক্টেসকলৰ মাজত বহুবোৰ অঞ্চলভিত্তিক কৃষি উৎসৱ-অনুষ্ঠানৰ প্ৰচলন আছে। এইক্ষেত্ৰত বৰদুৰীয়া অঞ্চলৰ 'হামি পৰি','চামপু পৰি', 'ৰংহুন', আদি কৃষিভিত্তিক উৎসৱ-অনুষ্ঠানৰ নাম উল্লেখযোগ্য। নক্টেসকলৰ দ্বাৰা উৎপাদিত মূল শস্য ধান, কণীধান আৰু মানকচুৰ খেতিৰ সামৰণিত সকলো নক্টে গাঁৱতেই পালন কৰা 'লকু' উৎসৱক নক্টেসকলে নিজ মূল উৎসৱৰূপে পালন কৰে। অৱশ্যে এই উৎসৱ পালন কৰাৰ সময়, ধৰণ সকলো ঠাইতে অনুৰূপ নহয়। ইয়াক স্থান বিশেষে 'কু' আৰু 'পাকু' বুলিও জনা যায়।

**২.১.১ লকু**

নক্টেসকলৰ মূল কৃষিভিত্তিক উৎসৱ হৈছে 'চালু লকু'। 'লকু' উৎসৱত নক্টেসকলৰ সংস্কৃতিৰ মূৰ্ত প্ৰকাশ ঘটে। নক্টেসকলে ঝুম খেতিৰ বাবে নতুন ভূমি চয়ন কৰাটোৱেই এই 'লকু' উৎসৱৰ মূল উদ্দেশ্য। ইয়াৰ পৰাই নক্টেসকলৰ কৃষি পঞ্জিকা আৰম্ভ হয়। সেইদৃষ্টিকোণৰ পৰা ইয়াক নৱ বৰ্ষৰ উৎসৱ বুলিও অভিহিত কৰিব পাৰি। 'লকু'ত মঙলতীৰ নিৰ্দেশ আৰু গাঁওপ্ৰধান আৰু গাঁওসভাৰ বিচাৰ-আলোচনাৰে নতুন কৃষিভূমি নিৰ্বাচন কৰা হয়। আগন্তুক দিনত শস্যৰ শ্ৰীবৃদ্ধি হ'বলৈ, অপায়-অমংগল দূৰ হ'বলৈ 'লকু' উৎসৱ নৃত্য-গীতৰ সমাৰেশেৰে বৰ্ণাঢ্য ৰূপত উদ্‌যাপন কৰা হয়। অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাত 'লকু' উৎসৱ বাৰ্ষিকভাৱে নৱেম্বৰ-অক্টোবৰ মাহত অৰ্থাৎ ধান খেতি চপাই নতুনকৈ কৃষি আৰম্ভণিৰ পূৰ্বে সমজুৱাকৈ উদ্‌যাপন কৰা হয়।

টিৰাপ জিলাত 'চালু লকু' সাধাৰণতে তিনিদিনীয়াকৈ পালন কৰা হয়। প্ৰথম দিন হ'ল 'ফামলামজা', দ্বিতীয় দিনটো 'চামকটজা' আৰু শেষৰ দিনটো 'ঠানলন্‌জা'। অৱশ্যে এই নামসমূহ স্থানবিশেষে সুকীয়া ৰূপত পোৱা যায়। 'লকু' উৎৱৰৰ বাবে নক্টেসকলে 'জু' (সুৰা), সাজ-পাৰ আদি প্ৰস্তুতি পূৰ্বৰ পৰাই চলায়। প্ৰথম দিনটো 'ফামলামজা'ত উৎসৱৰ বাবে গোটোৱা গাহৰি, ম'হ, কুকুৰা আদি নিধন কৰি ভাগ-বতৰা কৰা হয়। ইয়াত জন্তু নিধন কৰোঁতে কোনোধৰণৰ নীতি-নিয়ম পালন কৰা দেখা নাযায়। পিছবেলালৈ নক্টেসকলে 'চিলনিট'ৰ বাবে প্ৰস্তুতি(আদা পিন্ধা অনুষ্ঠান) 'পাঙমিৱান' (ডেকাসকল আনুষ্ঠানিকভাৱে একত্ৰ হোৱা অনুষ্ঠান), 'চুমৰৱান'(বয়োজ্যেষ্ঠসকল একত্ৰিত হোৱা অনুষ্ঠান), 'তামথ'খাট(মৃতকৰ অনুষ্ঠান)আদিৰে পিছদিনাখনৰ বাবে প্ৰস্তুত হয়।

দ্বিতীয় দিন 'চামকটজা'ত ডেকাসকলে গাঁৱৰ মুখ্য দুৱাৰত অতিথিক আদৰে। মোমায়েক পৰা আদা পিন্ধা অনুষ্ঠান 'চিলনিট' এই দিনটোত সমাপণ হয়। জানচ'জুহম (গাভৰু চাং)ৰ গাভৰুসকলে ঘৰে ঘৰে গৈ সমজুৱাকৈ উদ্যাপিত কৰিবলৈ লোৱা 'লকু'ৰ বাবে 'জু' সংগ্ৰহ কৰে। 'জানচ'জুহম'ত নতুনকৈ সদস্য হোৱা ছোৱালীক লৈ 'জানচ'জুহম'ত ভোজ

পতা হয়। আনফালে গাঁৱৰ সকলো 'চুম'ৰ প্ৰতিনিধিসকল আহি নিৰ্দিষ্ট স্থানত উপস্থিত হয়। গধূলি সকলো মিলি পৰম্পৰাগত পোচাকেৰে গাঁও-প্ৰধানৰ গৃহত নিজ নিজ 'চুম'ৰ নৃত্য-গীত পৰিৱেশন কৰে। এই নৃত্য-গীতৰ আঁত ধৰিবলৈ একোজন বিশিষ্ট পুৰোহিত শ্ৰেণীৰ লোক থাকে, যাৰ নিৰ্দ্দেশ আৰু গীতৰ মাজেৰে সকলোৱে মিলি আদি উপাস্য দেৱতা 'জুৱন'লৈ সেৱা আগবঢ়ায়। তৃতীয় দিন 'ঠানলন্‌জা'ত নক্টেসকলে বিশেষকৈ আত্মীয়-কুটুমৰ ঘৰলৈ যায়। এই দিনটোত তেওঁলোকে উপহাৰ আদান-প্ৰদান কৰে। নৃত্য-গীতৰ অনুষ্ঠানো এই দিনটোত পালন কৰা হয়। পৰম্পৰাগত বাদ্যযন্ত্ৰ 'থাম' তেওঁলোকে এই 'লকু' উৎসৱৰ দিনকেইটাত বজায়। ই নিজস্ব বৈশিষ্ট্যপূৰ্ণ এক জনজাতীয় বাদ্যযন্ত্ৰ। খাম বাদ্য হৈছে গাঁৱত থকা এক বৃহৎ আকাৰৰ খোলা গছ। খাম গাঁৱৰ ৰাইজে সমজুৱাকৈ ইয়াক নিৰ্মাণ কৰে। ইয়াৰ দৈৰ্ঘ্য কমেও ৰপ্ত হাত। পোন গছ কাটি তাক ভালদৰে খোলা কৰা হয়। সাধাৰণতে আনদ্ধ বাদ্যত ব্যৱহাৰ হোৱা কোনোধৰণৰ চামৰাজাতীয় সামগ্ৰী ব্যৱহাৰ কৰা নহয়। খোলাটোৰ দুয়োটা মূৰত কোনো আভৰণ নাথাকে। খোলাটো ইমূৰৰ পৰা সিমূৰলৈ এহাতমান বহলকৈ এক খালী অংশ থাকে। এই গছৰ খোলাত প্ৰায় ১½ ফুট দীঘল শকত মাৰিৰে প্ৰহাৰ কৰি শব্দ সৃষ্টি কৰা হয়। খাম বাদ্য ১০-১২ জন লোকে একত্ৰিত হৈ বজায়। ইয়াৰ কিছুমান নিৰ্দিষ্ট লয় থাকে। অৰিয়াৰ বাহিৰে বছৰৰ অন্য সময়ত এই বাদ্য বজোৱা নিষেধ। পূৰ্বতে গাঁৱলৈ কোনো আকস্মিক বিপদ আহিলে এই বাদ্য বজাই সকলোকে সৰ্তক আৰু একত্ৰিত কৰা হৈছিল। শিশু, ডেকা, বুঢ়া, গাভৰু, মহিলা, সকলোৱে অংশগ্ৰহণেৰে সমজুৱাকৈ মিলি 'চালু লকু'ৰ সামৰণি মাৰে।

অসমৰ নক্টেসকলে পালন কৰা 'লকু' উৎসৱ অৰুণাচল প্ৰদেশৰ নক্টেসকলৰ সৈতে সাদৃশ্যপূৰ্ণ যদিও কেতবোৰ আচাৰ-অনুষ্ঠানে সুকীয়াৰূপ পৰিগ্ৰহ কৰিছে। 'লকু' উৎসৱক শিলনি গাঁৱৰ নক্টেসকলে 'পাকো' বুলি কয়।

দিহিংকিনাৰ নক্টে গাঁৱৰ লোকসকলে লকুঅ উৎসৱ অসমীয়া ব'হাগ বিহুৰ সমান্তৰালভাৱে পালন কৰে। অসমৰ নক্টেসকলৰ সংস্কৃতিত নিজ মূল সংস্কৃতিৰ প্ৰৱাহ বৰ্তি থাকিলেও অসমৰ থলুৱা সংস্কৃতিয়ে তেওঁলোকৰ সংস্কৃতিক যথেষ্ট প্ৰভাৱিত কৰিছে। অসমৰ নক্টেসকলে ব'হাগ বিহুৰ সমান্তৰালভাৱে 'লকু' উৎসৱ পালন কৰে। তেওঁলোকৰ মূল শস্য ধান খেতি চপাই শেষ হোৱাৰ পিছত সকলোৱে মিলি নতুন কৃষিৰ কাৰণে প্ৰস্তুত হ'বৰ বাবে এক বাৰ্ষিক উৎসৱ অনুষ্ঠিত কৰে। অসমৰ নক্টেসকলে নিজ পৰম্পৰাগত নীতি-নিয়ম মানি উৎসৱটো পালন কৰিবলৈ টিৰাপ জিলাৰ বৰদুৱীয়াৰ পৰা কেইজনমান বয়োজ্যেষ্ঠক নিমন্ত্ৰণ কৰি আনে। তেওঁলোকৰ তত্বাৱধানতেই তেওঁলোকৰ 'লকু' উৎসৱ উদ্‌যাপিত হয়।

অসমৰ নক্টেসকলে ব'হাগ মাহত লকু উৎসৱ পাঁচদিনীয়া কাৰ্যসূচীৰে সমজুৱাকৈ পালন কৰে।। লকু উৎসৱ পালন কৰাৰ এসপ্তাহ বা দহদিনমানৰ আগত গাঁৱৰ ছোৱালীবোৰে একগোট হৈ গাঁৱৰ প্ৰত্যেক গৃহস্থৰ পৰা চাউল তুলি পানীয় (খাম, এই পৰম্পৰাগত পানীয়ক শিলনি গাঁৱত 'য়ু' বোলা হয়) তৈয়াৰ কৰে। এই পানীয় তেওঁলোকে সমূহীয়াভাৱে 'য়েনচৌহোম'(গাভৰু চাং)ত তৈয়াৰ কৰে। পানীয় তৈয়াৰ কৰা দিনাৰ পৰা বিহুলৈকে গাঁৱৰ য়েনচৌহোম'ৰ ছোৱালী গাভৰু চাঙত পানীয়ৰ ৰখীয়া হৈ প্ৰয়োজনীয় যতন লয়।

অসমৰ নক্টেসকলে নিজ 'লকু'ৰ শুভাৰম্ভণি গাঁওপ্ৰধানৰ ঘৰত কৰে। লকু উৎসৱ 'ফাম্‌লাম'ৰে আৰম্ভ হয়। অৰ্থাৎ উৎসৱৰ বাবে প্ৰয়োজনীয় খাদ্য আৰু সামগ্ৰী গোটোৱাৰ দিন। ফাম্‌লাম অনুষ্ঠানটো গাওঁ-প্ৰধানৰ গৃহত পালন কৰা হয়। উক্ত দিনা গাঁৱৰ ৰাইজে একগোট হৈ গাহৰি মাৰে। পূৰ্বতে 'লকু'ত সকলোৱে ভালকৈ এসাঁজ খাবলৈ ম'হ মাৰিছিল। কিন্তু আজিকালি ই গাহৰিৰ মাংসতেই সীমিত হৈছে। গাহৰিৰ মাংস গাঁওখনৰ প্ৰত্যেকৰ ঘৰলৈ সমানে বিতৰণ কৰি দিয়া হয়। গাহৰিৰ মূৰ অংশ গাঁওপ্ৰধানক ঘৰত দিয়াৰ পৰম্পৰা আছে। ই একপ্ৰকাৰে গাঁওপ্ৰধানলৈ কৰা সন্মান প্ৰদৰ্শন। নগা-সংস্কৃতিত দেহৰ মূৰ অংশৰ বিশেষ গুৰুত্ব আছে। ইয়াৰ বাবেই পুৰণি সময়ত নগাসকলৰ মাজত মুণ্ড চিকাৰৰ পৰম্পৰা ব্যাপকৰূপত প্ৰচলিত আছিল। মুণ্ডৰ অবিহনে দেহৰ অস্তিত্ব সম্ভৱ নহয়। মুণ্ডৰ সৈতে আত্মাৰ সম্পৰ্ক আছে। মুণ্ড সংগ্ৰহৰ দ্বাৰা আত্মাক বশ কৰিব পাৰি। মানৱ মুণ্ড চিকাৰে খেতিপথাৰৰ উৰ্ব্বৰতা বৃদ্ধি কৰে বুলিও বহুতো নগা জনজাতিয়ে বিশ্বাস কৰিছিল। কোনো জন্তুৰ মূৰ অংশ অৰ্পণ কাৰ্যই এক প্ৰকাৰে জন্তুটোৰ আত্মাক গাঁওপ্ৰধানক অৰ্পণ কৰা বুজায়। নক্টেসকলে নিজ মৰং ঘৰ, ধানভঁৰাল আদিতো ম'হৰ মুণ্ড উলমাই ৰখা দেখা যায়। ফাম্‌লামৰ দিনা নক্টেসকলৰ আন এটা পৰম্পৰা লক্ষ্যণীয়। সেইদিনা মৰা গাহৰিটোৰ কলিজাত নক্টে পুৰোহিতে মঙল চায়। নক্টেসকলে মঙল চাওতে কলপাতৰ ব্যৱহাৰ কৰে। আগন্তুক খেতি কেনে হ'ব, আগন্তুক বৰ্ষত কিবা অপায়-অমংগল হ'ব নেকি বা তাক মষিমূৰ কৰিবৰ বাবে কোনো

অনুষ্ঠান কৰিব লাগিব নেকি আদিৰ উদ্দেশ্যেৰে এই মঙল চোৱা হয়।

লকু উৎসৱৰ লগত জড়িত এক গুৰুত্বপূৰ্ণ অনুষ্ঠান হৈছে চিল্‌নিট। চিল্‌নিটৰ অৰ্থ আদা পিন্ধা। অসমত দিহিংকিনাৰ নক্তে গাঁৱত এই অনুষ্ঠানটো 'লকু'ৰ দ্বিতীয় দিনা আৰু শিলনি গাঁৱত তৃতীয় দিনা পালন কৰাহয়। নক্তেসকলৰ বিশ্বাস অনুসৰি আদা এক পবিত্ৰ আৰু ঔষধি উদ্ভিদ। আদা পৰিধানৰ দ্বাৰা ৰোগ নিৰাময় কৰিব পাৰি। সেইদৰে আদাই অপায়-অমংগলৰ পৰাও মানুহক পৰিত্ৰাণ দিয়ে। নক্তে লোকৰ মোমাইঘৰৰ সৈতে এক বিশেষ আন্তৰিকতা থাকে। সকলো ঠাইৰ নক্তেৰ মাজত এই পৰম্পৰা অতি গুৰুত্বসহকাৰে পালন কৰা হয়। 'লকু'ত সকলো নক্তে লোকে নিজ নিজ মোমায়েকৰ ঘৰলৈ আদা পিন্ধিবলৈ যায়। মোমায়েক নাথাকিলে মামীয়েক বা মোমায়েকৰ ডাঙৰ পুত্ৰৰ পত্নীয়ে আদা পিন্ধায়। আদা পিন্ধাওতে মোমায়েকে ভাগিনীয়েকক অপায়-অমংগলৰ পৰা ৰক্ষা পোৱাৰ লগতে বংশ বৃদ্ধি হ'বলৈ আশীৰ্বাদ দিয়ে। আদা পিন্ধা অনুষ্ঠানটো পুৱাৰ ভাগত অনুষ্ঠিত হয়। মোমায়েকৰ ঘৰলৈ আদা পিন্ধিবলৈ যাওঁতে 'খাম'(সুৰা) এচুঙা নিয়াৰো পৰম্পৰা আছে। আদা পৰিধান কৰাৰ ক্ষেত্ৰত নক্তেসকলৰ অন্য এক পৰম্পৰাও লক্ষ্যণীয়। সাধাৰণতে আদা বগা সূতাৰে চিলাই ডিঙিত পিন্ধে। পুৰুষ হ'লে কিছু দীঘল কৰি আৰু মহিলা হ'লে চেপেটা কৰি আদা চিলোৱা হয়।

'লকু' উৎসৱৰ তৃতীয় দিনটোৰ মুখ্য অনুষ্ঠান হ'ল ' বাংবুৱাং'। অৰ্থাৎ উৎসৱৰ প্ৰথম নাচ। 'বাংবুৱাং'ত নক্তে ডেকা-গাভৰু, বুঢ়া-মেঠা সকলোৰে লগ হৈ নৃত্য-গীত গাই ৰং-ধেমালি কৰে। এই অনুষ্ঠানৰ গীতসমূহ প্ৰেম-প্ৰণয়, উৰ্বৰাশক্তি বিষয়ক। 'বাংবুৱাং'ৰ দিনা ব্যক্তিগতভাৱে কোনো লোকৰ ঘৰত বিহু মাৰিবলৈ আমন্ত্ৰণ জনাব পাৰে। বিহু গাবলৈ আমন্ত্ৰণ জনোৱা ঘৰখনত যদি ইতিপূৰ্বে কোনো ব্যক্তিৰ মৃত্যু হৈছে তেন্তে সেই মৃতকৰ আত্মাৰ সদ্গতিৰ উদ্দেশ্যেও লকুগীতসমূহ গোৱা হয়। অসমৰ দিহিংকিনাৰ নক্তে গাঁৱত যি পৰম্পৰাগত নৃত্য নচা হয় তাত সৰু,ডেকা, বুঢ়া, মহিলা মিলি বৃত্তাকাৰে ঘূৰে। নামতীয়ে 'খাপা' উপভাষাৰ কেতবোৰ গীত গায়। অন্যসকলে ঢোলৰ চেওৰ তালে তালে ঘূৰি থাকে। প্ৰকৃততে নক্তেসকলে 'লকু' উৎসৱত পৰম্পৰাগত 'থাম' বাদ্য বজায়। এই বাদ্যযন্ত্ৰ সম্পৰ্কে আগলৈ আলোচনা কৰা হৈছে।

লকু উৎসৱৰ চতুৰ্থ দিনা 'চে-হাপ' অনুষ্ঠানটো পালন কৰা হয়। ইয়াৰ অৰ্থ হৈছে 'চে' মানে গান আৰু 'হাপ' মানে এৰি দিয়া। সেইদিনাখন গাভৰু চাঙৰ পৰা বিহু আনি ৰজাৰ ঘৰত সামৰা হয়। গাঁওখনৰ সকলোৰে ৰজাৰ ঘৰত বিহু গাই নাচি বাগি বিহু সামৰণি মাৰে। উক্ত দিনাৰ অনুষ্ঠানত উপস্থিত থকা সকলোৰে একগোট হৈ নীতি-নিয়ম কৰি পানীয় গ্ৰহণ কৰে।

লকু উৎসৱৰ লগত অন্তিম দিনটোৰ মুখ্য অনুষ্ঠান হ'ল 'ল-জুন'। এই দিনটোক শিলনি গাঁৱত 'পাকোৱা' বুলিও জনা যায়। ল - মানে বিহু, জুন-খেদা, অৰ্থাৎ বিহু খেদা। ল- জুন অনুষ্ঠানটো পালন কৰাৰ আগত মঙল চোৱাৰ নিয়ম আছে। নক্তে পুৰোহিতজনে মঙল চাই কোনদিশে বিহু খেদাব সেইটো নিৰূপন কৰে। সেইমৰ্মে গাঁৱৰ সমূহ ৰাইজে দা, যাঠি, জোং লৈ বিহু খেদে। অনুষ্ঠানটোৰ মূল উদ্দেশ্য হওল বিহুৰ লগত অহা অপায়-অমংগলবোৰ যাতে থাকি নাযায়, সেই উদ্দেশ্যে ল-জুন অনুষ্ঠানটো নক্তেসকলে পালন কৰে। তদুপৰি এই অনুষ্ঠানত সকলোৰে আগন্তুক বৰ্ষটিক সকলো অপায়-অমংগলৰ লগতে শস্য পথাৰো যাতে নদন-বদন হয় তাৰ কামনা কৰে।

অসমৰ নক্তেসকল অসমীয়া সংস্কৃতিত লীন গৈছে। বৈষ্ণৱ ধৰ্ম গ্ৰহণ, অন্য জনগোষ্ঠীৰ প্ৰভাৱত তেওঁলোকৰ 'লকু' উৎসৱত বহুল পৰিৱৰ্তন পৰিলক্ষিত হয়। 'লকু'ৰ যি পৰম্পৰাগত নৃত্য সেই নৃত্য পৰিৱেশনৰ সমান্তৰালভাৱে অসমীয়া বিহুৰ সাজত বিহু নাম গাই, ঢোল বজাই চেমনীয়া তথা ডেকা-গাভৰুৰে বিহু নচাও দেখা যায়। ই সাংস্কৃতিক সমাহৰণৰ এক উজ্জ্বল নিদৰ্শন।

নক্তেসকলৰ মূল লোক-উৎসৱ 'লকু'ৰ সৈতে তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰো জড়িত হৈ আছে। অসমৰ নক্তে পুৰুষসকলে 'লকু' উৎসৱৰ নৃত্য-গীতত ভাগ লওঁতে টকৌপাতৰ কুমলিয়া আগ বিভিন্ন আকৃতিৰে মূৰ, ডিঙি, হাত আৰু ভৰিৰ পানী গাঁঠিতো মেৰিয়াই লয়। মূৰত দুয়ো কাণৰ কাষত ফুল গুজি লয়।

নক্তে পুৰুষসকলৰ সাজযোৰক 'দালাৰাং' আৰু মহিলাৰ সাজযোৰক 'দহাকৰাং' বুলি কোৱা হয়। নক্তে পুৰুষে যি হাতকটা চোলা পৰিধান কৰে, তাক 'চ্যামচং' বুলি কোৱা হয়। সাধাৰণতে ইয়াৰ ৰং ক'লা বৰণৰ আৰু ইয়াত ৰঙা ক'লা বৰণৰ ফুল বচা থাকে। পিঠিত দুডাল যাঠি মুখামুখিকৈ বনোৱা হয়। মূৰত ধনেশ চৰাইৰ পাখিৰে বনোৱা টুপী পৰিধান কৰে।

উৎসৱ-অনুষ্ঠানত নক্তে মহিলাসকলে দেহৰ তল অংশত মেখেলা আৰু ওপৰ অংশত ৰঙা চোলা পৰিধান কৰে।

কঁকালত এখন বস্ত্ৰ মেৰিয়াই, যাক ‘ৰমদিদ্’ বোলে। আধুনিক সময়ৰ লগত খোজ মিলাই এই সাজ তেওঁলোকে নতুনকৈ গ্ৰহণ কৰিছে। তেওঁলোকৰ পৰম্পৰাগত আ-অলংকাৰৰ ভিতৰত কাণত পিন্ধা ‘নাট্‌টে’, হাতত হাতী দাঁতৰ খাৰু ‘দাক্‌ফাং’, ডিঙিত– ‘লিটফ্যাং’, ‘লিটটুম’, ‘লিটৰাট’, ‘চাংছি’, খোপাত পিন্ধা ‘খালাট’, ‘ভংখাফত’ আদি প্ৰধান। ‘ভাংখাফ’ত ৰূপৰ মুদ্ৰাৰে তৈয়াৰ কৰা হয়। এই সমূহৰ চিত্ৰ পৰিশিষ্টত সংযোগ কৰা হৈছে।

**২.১.২ কাতি লকু ঃ**

অসমৰ ভৈয়ামৰ নক্টেসকলৰ সংস্কৃতিত ইয়াৰ থলুৱা প্ৰভাৱ স্পষ্ট। ইয়াক প্ৰকৃতাৰ্থত তেওঁলোকৰ পৰম্পৰাগত লোক-উৎসৱ বুলিব নোৱাৰি। কিয়নো এই উৎসৱৰ প্ৰায়সকলোখিনি ৰীতি-নীতি অসমীয়া কাতি বিহুৰ অনুৰূপ। অৰশ্যে শিলনি গাঁৱৰ নগাসকলে কাতি লকুৰ দিনটোত মৃতকৰ এক অনুষ্ঠান আয়োজন কৰে। এই অনুষ্ঠানটোত পুৰুষৰ ভূমিকা অধিক। নিজ পূৰ্বপুৰুষক সেৱা জনায় সকলোৱে মিলি ‘য়ু’(সুৰা) পান কৰে। ‘কাতি লকু’ত তেওঁলোকে তুলসীৰ তল, ভঁৰাল, পথাৰ, গোহালি, গঁড়ালৰ আগত চাকি জ্বলায়। এই লকুত বিশেষ নীতি-নিয়ম পালন কৰা দেখা নাযায়। নক্টেসকলৰ সমাজ কৃষিজীৱী সমাজ। শস্য ৰোপণৰ পিছত ভাল শস্যৰ আশাত তেওঁলোকে এই উৎসৱ পালন কৰে। শস্য ৰোপণৰ পিছত এনেধৰণৰ অনুষ্ঠানৰ আয়োজন টিৰাপৰ নক্টেসকলৰ মাজতো দেখা যায়। বৰদুৰীয়াৰ, নামচাঙৰ ‘পুবি’, লাজুৰ ‘মুজপ’ আদি অনুষ্ঠান শস্য-ৰোপণৰ পিছত আয়োজন কৰা হয়। অসমৰ নক্টেসকলে ইয়াৰ অন্য জনগোষ্ঠীক অনুসৰণ কৰি এই ‘কাতি লকু’ পালন কৰি আহিছে।

**২.১.৪ মাঘ লকু ঃ**

‘মাঘ’ লকু উৎসৱ প্ৰকৃততে অসমীয়া মাঘ বিহু। মাঘ লকু পালন কৰাৰ এসপ্তাহ বা দহদিনৰ আগতে গাঁৱৰ ডেকাসকল একগোট হৈ হাবিৰ পৰা খৰি কাটে। ডেকাসকলৰ দৰে গাভৰুসকলেও তেওঁলোকৰ গাভৰু চাঙত সমূহীয়াভাৱে পানীয় তৈয়াৰ কৰে। এই পানীয় গাভৰু চাঙতে তৈয়াৰ কৰা হয়। মাঘ লকুত নক্টেসকলেও অসমীয়া লোকসকলৰ দৰে ভোজ-ভাত খোৱা আৰু মেজি জ্বলোৱাৰ পৰম্পৰা আছে। এই উৎসৱ পৰিচালনা কৰিবৰ বাবে গাঁৱৰ ৰাইজে এজন লোকক মেধি পাতে। মেধিয়েহে মেজিৰ জুইত অগ্নি সংযোগ কৰে। কৃষি সামৰি নতুন শস্যৰে এসাঁজ খোৱাৰ বাবে অনুষ্ঠিত ‘মাঘ লকু’ৰ লগত সাদৃশ্য থকা অনুষ্ঠান টিৰাপ জিলাৰ নক্টেসকলৰ মাজতো অনুষ্ঠিত হোৱা দেখা যায়, যেনে– বৰদুৰিয়াৰ ‘কাকিয়াক’, থিনচাৰ ‘ৰংঘুন’ অনুষ্ঠান। তেওঁলোকে মেজি নজ্বলায়। অসমৰ নক্টেসকলে থলুৱা প্ৰভাৱত এই ‘মাঘ লকু’ অনুষ্ঠানক নিজ পৰম্পৰাৰ অন্তৰ্ভুক্ত কৰি লৈছে।

**২.২ জন্ম সম্বন্ধীয় অনুষ্ঠান ঃ**

নক্টেসকলৰ মাজত প্ৰচলিত পৰম্পৰা অনুসৰি এগৰাকী গৰ্ভৱতী স্ত্ৰীয়ে ভালেমান নিয়ম-নীতি মানি চলিব লাগে। গৰ্ভৱতী স্ত্ৰীয়ে হৰিণৰ মাংস নাখায়, মৰা জন্তু, শুকান মাছ, কোনোধৰণৰ তিতা স্বাদৰ আঞ্জা গ্ৰহণ নকৰে, ৰাগিয়াল বস্তু সেৱনৰ পৰা বিৰত থাকে। ইয়াৰ বৈজ্ঞানিক ভিত্তিও নথকা নহয়। হ’বলগীয়া সন্তানৰ পিতৃয়েও কোনো জন্তু-প্ৰাণী মৰাৰ পৰা বিৰত থাকিব লাগে বুলি নক্টেসকলে বিশ্বাস কৰে। বিশেষকৈ সাপ মৰাটো অতি অমংগলীয় বুলি বিশ্বাস কৰা হয়। নক্টে সমাজত যঁজা সন্তান জীয়াই থাকিব দিয়া নহয়। তেওঁলোকে বিশ্বাস কৰে যে যঁজা সন্তান অমংগলৰ চিন তথা ই পিছলৈ সমাজৰ বোজা স্বৰূপ হৈ পৰে। সেইদৰে জাঁৰজ সন্তানকো নক্টে সমাজত জীয়াই থাকিব দিয়া নহয়। জন্মৰ লগে লগে তেনে সন্তানক মাৰি পেলোৱা হয়।

নক্টে সমাজত নতুনকৈ বিয়া হৈ গৰ্ভধাৰণ কৰা মহিলা আঠ মাহলৈকে মাকৰ ঘৰলৈ থাকিবলৈ যায়। কিন্তু সন্তানৰ জন্ম স্বামীগৃহত হোৱাতো নক্টে সমাজত বাধ্যতামূলক। গৰ্ভধাৰণৰ সময়ত মহিলাগৰাকীয়ে কেতবোৰ নীতি-নিয়ম মানি চলিব লাগে।

নক্টে সমাজত পোৱতীক প্ৰতিপাল কৰোঁতে কেৱল মহিলাই অংশ গ্ৰহণ কৰে। এইক্ষেত্ৰত কোনো অভিজ্ঞ মহিলাক প্ৰসৱৰ পূৰ্বেই অৱগত কৰোৱা হয়। নক্টেসকলে ল’ৰা সন্তান জন্ম হ’লে ঘৰৰ দুৱাৰ মুখত বাঁহৰ জেং-পাতৰ সৈতে আগ এটা আওজাই থয়। ইয়াৰ দ্বাৰা ভূত-প্ৰেতআৰু অপদেৱতাই সন্তানটিক অনিষ্ট কৰিব নোৱাৰে বুলি নক্টেসকলে বিশ্বাস কৰে।

নক্টেসকলৰ নামকৰণ অনুষ্ঠানটোক ‘ন’চুক’ বোলে। ‘ন’চুক’ অনুষ্ঠানটোত নৱজাত শিশুৰ কাণ বাঁহৰ খৰিকাৰে ফুটোৱা হয়। এই কাম কোনো দক্ষ নাৰীয়ে কৰে। নচুক জন্মৰ পৰৱৰ্তী দিনটোত, তৃতীয় অথবা চতুৰ্থ দিনটোত পালন কৰা হয়। ভাত, পানীয় আৰু গাহৰি মাংসৰে অতিথিসকলক আপ্যায়িত কৰা হয়। নক্টেসকলৰ নাম তেওঁলোকৰ সুযোগ্য পূৰ্ব পুৰুষৰ পৰা নিবাৰ্চন কৰা হয়। বংশটোৰ কেইজনমান সুযোগ্য পুৰুষসকলৰ নাম সন্তানৰ পিতৃয়ে বাচি থ’ব লাগে।

ইয়াৰ পৰা মঙল চাই এটি ভাল নাম সন্তানটিক দিয়া হয়। নাম নিবাৰ্চন কৰোঁতে তিনিটা টকৌ পাতৰ আগলিৰে মংগল চায়। উল্লেখযোগ্য যে নক্টেসকলে কোনো অপমৃত্যু ঘটা লোক, যেনে-গছৰ পৰা পৰি মৰা, পানীত ডুবি মৰা লোকৰ নামেৰে সন্তানৰ নামকৰণ নকৰে। এই পৰম্পৰা ৱানছুসকলৰ মাজতো দেখা যায়।

এসপ্তাহৰ পিছত সন্তানৰ মাকে নিজ স্বামীৰ সৈতে সন্তানক লৈ মাকৰ ঘৰলৈ যায়। নৱজাত সন্তানটিক প্ৰথম গৰাহ ভাত ককাকে আৰু তাৰ পিছত মোমায়েকে খোৱায়। এটা মতা কুকুৰা আদি দেৱতা 'জ'ৱন'ৰ নামত উছৰ্গা কৰে। মোমায়েকে নৱজাত শিশুটোৰ হাতত আদা এডোখৰ পিন্ধোৱাৰ পৰম্পৰাও নক্টেসকলে মানি আহিছে। এইদিনটোত শিশুক মুণ্ডন কৰোৱা হয়। ইয়াৰ লগতে চুবুৰীয়াসকলৰ বাবে এটা ভোজৰো আয়োজন কৰে। ইয়াৰ পিছত নৱজাত শিশুটোক প্ৰথমবাৰৰ বাবে শস্যৰ পথাৰলৈ নি দেখুওৱা হয়। এই পৰম্পৰাই নক্টেসকলৰ কৃষিৰ লগত থকা অভিন্ন সম্পৰ্কৰ সাক্ষ্য বহন কৰিছে।

**২.৩ বিবাহকেন্দ্ৰিক অনুষ্ঠান ঃ**

বিবাহ সমাজৰ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান। সমাজভেদে বিবাহ অনুষ্ঠানৰ ৰূপ সুকীয়া হোৱা দেখা যায়। নে'ক্টেসকলেও বিবাহৰ ক্ষেত্ৰত কেতবোৰ সামাজিক নীতি-নিয়ম মানি আহিছে। এই সম্পৰ্কে পূৰ্বে আলোচনা কৰি অহা হৈছে। বহুক্ষেত্ৰত নক্টেসকলে বৈবাহিক সম্পৰ্ক সৰুকালতেই ধাৰ্য কৰে। কিন্তু পিছত যদি দুয়োপক্ষ অথবা ল'ৰা-ছোৱালী অমান্তি হয়। তেন্তে বিবাহ ভাঙ খায়। নক্টেসকলৰ মাজত প্ৰেম বিবাহ যথেষ্ট পৰিমাণত পোৱা যায়। যদি দুয়োপক্ষ বিবাহৰ বাবে মান্তি হয়, তেন্তে বিবাহৰ দিন ধাৰ্য হোৱাৰ পিছত দৰা পক্ষৰ হৈ ঘৰৰ কোনো ভাল চিনাকিৰ বয়োজ্যেষ্ঠ আৰু এহাল দম্পতি কইনাৰ ঘৰলৈ গৈ কইনাৰ মাকক এযোৰ তামোল-পাণ, এযোৰ কাপোৰ, খাৰু আৰু এচুঙা পানীয় আগবঢ়ায়। ই এক প্ৰকাৰে বিবাহত মাকৰ সন্মতি লোৱাৰ নিয়ম। সেইদিনা কইনা আৰু দৰা দুয়োঘৰতে ভোজৰ আয়োজন কৰা হয়।

গধূলি কইনা নিজ আত্মীয় আৰু সখীয়েকহঁতৰ সৈতে দৰাৰ ঘৰলৈ যায়। আনফালে দৰাৰ কেইজনমান বন্ধু এই অনুষ্ঠানটোত আনুষ্ঠানিকৰূপত উপস্থিত থাকিব লাগে। সকলোৰে বাবে ভোজন আয়োজন কৰা হয়। কইনা দৰাঘৰলৈ গৈ সকলোকে তামোল-পাণ যাচে। নক্টেসকলৰ বিবাহত নীতি-নিয়মৰ বিশেষ পয়োভৰ পৰিলক্ষিত নহয়। সকলোৰে মাত্ৰ পানীয় গ্ৰহণ কৰি দৰা-কইনাৰ সুখী দাম্পত্য জীৱনৰ বাবে আৰ্শীবাদ দিয়ে। দৰাৰ ঘৰত কইনা কিছু সময় থাকি পুনৰ মাকৰ ঘৰলৈ ঘূৰি যায়। যদি দুৰণিবটীয়া বাট হয়, তেন্তে নিশাও দৰাৰ ঘৰত কইনা আৰু কইনাৰ পক্ষৰ লোক থকাত কোনো বাধা নাই।

বিবাহৰ পিছদিনা কইনা নিজ সখীয়েকহঁতৰ সৈতে দৰাৰ লগত মাছ মাৰিবলৈ যায়। ইয়াৰ দুই-এদিনৰ পিছত দৰা-কইনা দুয়ো মিলি শস্যৰ পথাৰলৈ গৈ একেলগে কাম কৰে। তেতিয়াৰ পৰা সমাজৰ দৃষ্টিত তেওঁলোক স্বামী-স্ত্ৰী। ইয়াৰ পিছত তেওঁলোক একেলগে থকাত কোনো সামাজিক বাধা নাথাকে। কিন্তু স্ত্ৰী স্বামীৰ ঘৰলৈ স্থায়ীভাৱে থাকিবৰ কাৰণে গৰ্ভধাৰণৰ আঠমাহৰ পিছতহে আহে। যেতিয়া স্ত্ৰী স্বামীঘৰলৈ স্থায়ীভাৱে থাকিবলৈ আহে, তেতিয়া বিভিন্ন প্ৰকাৰৰ শস্যৰ বীজ, সুৰা, প্ৰয়োজনীয় পোছাক, দা, সৰু কটাৰী আদি কেতবোৰ বস্তু লগত নিয়াৰ এক পৰম্পৰাৰ প্ৰচলন নক্টে সমাজত পোৱা যায়।

যদি নক্টে সমাজত কোনো ডেকা-গাভৰুৱে ঘৰৰ পৰা পলাই বিয়া পাতে, তেন্তে তাৰবাবে ল'ৰাই ছোৱালীৰ অভিভাৱকক গা-ধন দিয়াৰ নিয়মো নক্টে সকলৰ মাজত প্ৰচলন আছে। এইক্ষেত্ৰত দৰাই কইনাৰ ঘৰত ভোজৰ বাবে দুটা গাহৰি দিয়াৰ নিয়ম দেখা যায়। পলোৱাই নিয়া বিবাহৰ ক্ষেত্ৰত দৰাই পিছত ছোৱালীৰ অভিভাৱকক দেখা কৰিব লাগে। দৰাই নিজৰ এজন বন্ধু আৰু এজন বয়োজ্যেষ্ঠলোকৰ সৈতে কইনাৰ ঘৰলৈ যায়,তাত কইনাৰ অভিভাৱকৰ সৈতে সকলোৱে মিলি এসাঁজ খায়।

নক্টেসকলৰ সমাজত বিবাহত আনুষ্ঠানিক নীতি-নিয়মতকৈ সকলোৰে সন্মতিৰহে অধিক প্ৰয়োজন হয়। নক্টে সমাজত বৰ্তমান খ্ৰীষ্টান ধৰ্ম, হিন্দু ধৰ্মৰ পদ্ধতিৰে বিবাহ হোৱাৰো নিদৰ্শন পোৱা যায়। পূৰ্বতে অন্য জনগোষ্ঠীৰ লগত বৈবাহিক সম্বন্ধ স্থাপনৰ বাধা-নিষেধ বৰ্তমান নক্টে সমাজত বহু পৰিমাণে কমি গৈছে।

নক্টেসকলৰ মাজত তোলনী বিয়াৰ বিশেষ আড়ম্বৰতা দেখা নাযায়। তেওঁলোকে কোনো ছোৱালী পুষ্পিতা হ'লে গাঁৱৰ বয়সীয়াল তিৰোতা আৰু বোৱাৰী, পৰিয়ালৰ মহিলা সদস্যসকলে মিলি অনুষ্ঠানিকভাৱে চাদৰ-মেখেলা পৰিধান কৰোৱায়। এই পৰম্পৰা তেওঁলোকে অসমৰ অন্য অজনজাতীয় জনগোষ্ঠীৰ পৰা অনুকৰণ কৰা বুলি নিশ্চিতভাৱে ক'ব পাৰি।

**২.৪ মৃত্যু সম্বন্ধীয় অনুষ্ঠান ঃ**

নক্টে সমাজত যেতিয়া কোনো এজন লোক বুঢ়া হৈ স্বাভাৱিকভাৱে মৃত্যু বৰণ কৰে, তেতিয়া তাক 'জ'ৰন'ৰ ইচ্ছা আৰু প্ৰকৃতি নিয়ম বুলি গ্ৰহণ কৰা হয়। কিন্তু গছৰ পৰা পৰি, পানীত ডুবি অস্বাভাৱিকভাৱে কোনো লোকৰ মৃত্যু ঘটিলে, তাক নক্টে সমাজে কোনো অপদেৱতাক কৰ্ম বুলি বিশ্বাস কৰে। সেইদৰে নিজ কৰ্ম অনুসৰি ভাল আত্মাই 'লুমলান' আৰু বেয়া আত্মাই 'চালাম'লৈ গতি কৰে। অসমৰ নক্টেসকল বৈষ্ণৱ ধৰ্মৰে দীক্ষিত। সেয়ে পূৰ্বৰ শ সৎকাৰ পৰম্পৰা নক্টেসকলৰ মাজত নাই। বৰ্তমান তেওঁলোকে শ পুতে যদিও হিন্দু ধৰ্মৰ আচাৰ-অনুষ্ঠানৰ মাজেৰে মৃত্যু সম্বন্ধীয় অনুষ্ঠান পালন কৰে।

পুৰণি কালত নগাসকলে সকলো আত্মীয় উপস্থিত নোহোৱা পৰ্যন্ত শ সৎকাৰ নকৰিছিল। কোনোটো মৃতদেহৰ তিনি-চাৰিদিন পলমকৈ সৎকাৰ কৰা হৈছিল। তদুপৰি শ মুকলিকৈ ৰাখি এমাহ-দুমাহৰ পিছত নৰমুণ্ডটো সংগ্ৰহ কৰি সংৰক্ষণ কৰাৰ প্ৰথাও নক্টেসকলৰ মাজত প্ৰচলিত আছিল। কোনো লোকৰ অপমৃত্যু হ'লে সেইব্যক্তিৰ মুণ্ড সংগ্ৰহ কৰা নহৈছিল। বৰ্তমান এই পৰম্পৰা তেওঁলোকে ত্যাগ কৰিছে। অসমৰ নক্টেসকলে কোনো ব্যক্তি ঢুকালে শ নিৰ্দিষ্ট ঠাইত পুতে। ৫-৬ ফুট দ' গাত খান্দি তাত প্ৰথমে গোটা বাঁহ আৰু বাঁহৰ গাধৈ পাৰি দিয়া হয়। শটো তাত ৰাখি তাৰ ওপৰত আকৌ গোটা বাঁহ জাপি দিয়া হয়। মৃতকে ব্যৱহাৰ কৰা দুই এটা সম্পদ যেনে, ধঁপাতৰ টেমা, বাচন, দা আদি তাত ৰাখি নখিলা টকৌ পাতেৰে ঢকা হয়। শেষত সমজুৱাকৈ মৃতকৰ আত্মাৰ সদগতি কামনা কৰি মাটি দিয়া হয়। মৃতকক পুতিবলৈ যোৱা লোক শ্মশানৰ পৰা বাছি জুই দেও দি পাৰ হৈ অহাৰ নিয়ম নক্টেসকলৰ মাজত প্ৰচলিত আছে। মৃতকৰ অন্তোষ্টি সকাম সুবিধা অনুসৰি তিনিদিন, দহদিন বা মাহৰ মূৰত আয়োজন কৰা হয়। এই দিনটোত সকলোৰে বাবে পানীয় আৰু মাংসৰ সৈতে ভোজৰ আয়োজন কৰা হয়। সকলোৰে মিলি আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা কৰে।

নক্টে সমাজত গাঁও প্ৰধানৰ মৃত্যু হ'লে সকলো লোকে নিজ পৰম্পৰাগত সাজেৰে আহি মৃত গাঁওপ্ৰধানলৈ সন্মান প্ৰদৰ্শন কৰে। অন্য গাঁৱৰ লোকেও আহি ইয়াত ভাগ লয়। পূৰ্বতে এই উপলক্ষ্যে নৃত্যৰ অনুষ্ঠানো কৰা হৈছিল। বৰ্তমান এই পৰম্পৰা নোহোৱা হৈ আহিছে। অৰুণাচল প্ৰদেশৰ টিপাৰ জিলাত খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰা নক্টেসকলে সম্পূৰ্ণ খ্ৰীষ্টান ধৰ্মৰ নীতি অনুসৰি শ সৎকাৰ কৰা পৰিলক্ষিত হয়।

**২.৫ অন্যান্য অনুষ্ঠান ঃ**

নক্টে সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ মৰং। এখন গাঁৱৰ মৰঙত যুৱকসকল অন্তৰ্ভুক্ত হ'বলৈ এক ৰীতি পালন কৰা হয় যাক 'পমিখি' বোলে। এটি ল'ৰা মৰং ঘৰৰ সদস্য হ'বলৈ এটি গাহৰি বা ঘৰচীয়া হাঁহ-কুকুৰা আৰু সুৰা ৰাইজলৈ আগবঢ়ায় এক ভোজৰ আয়োজন কৰে। ইয়াৰ দ্বাৰা এটি কিশোৰ যুৱকৰ শাৰীলৈ উন্নীত হৈ গাঁৱৰ তথা মৰঙৰ দায়িত্ব বহন কৰিবলৈ পৈণত হোৱা বুলি ৰাজহুৱা স্বীকৃতি লাভ কৰে।

অসমৰ দিহিংকিনাৰ গাঁৱৰ নক্টেসকলে বুঢ়া ডাঙৰীয়াক লৈ এটি অনুষ্ঠান পাতে। এই অনুষ্ঠানত চাৰিচুকত চাৰিটা বাঁহৰ আগত ৰঙা কাপোৰৰ পতাকা লগাই পোতে, লগতে কলগছ-কুঁহিয়াৰৰ আগ আদিও পোতা দেখা যায়। এই চাৰি চুক পুনৰ এৰী সূতাৰে সাতপাক দিয়া হয়। বৰসবাহ পাতিবলৈ তেওঁলোকে তিনিটা বেদী পাতি লয়। এই বেদী কেইটাত তিনিখন মাটিৰ চাকি আৰু গোটা তামোল আগলি কলাপাতত দিয়া হয়। পূজাৰ শেষত কল কুঁহিয়াৰ আদি নৈবেদ্যৰ সৈতে ভেলত উঠাই দি নৈত উটুৱাই দিয়ে। এই অনুষ্ঠানসমূহত মহিলাই অংশগ্ৰহণ নকৰে। এই পৰম্পৰাত হিন্দু ধৰ্মৰ প্ৰভাৱ অতি স্পষ্ট।

**২.০৬ সিদ্ধান্ত ঃ**

- অৰুণাচল প্ৰদেশত যথেষ্ট সংখ্যাত নক্টেসকলৰ জন বসতি থাকিলেও অসমত নক্টেসকল এক সংখ্যালঘু জনগোষ্ঠীৰূপেহে চিহ্নিত কৰিব পাৰি।

- অৰুণাচল প্ৰদেশত বাস কৰা নক্টেসকলৰ সমাজ-সাংস্কৃতিক ধাৰাৰ সৈতে অসমৰ ভৌগলিক সীমাত বাস কৰি থকা নক্টেসকলৰ কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়।

- এই কথা উল্লেখ্য যে, বৰ্তমান সময়ত নক্টেসকলৰ সমাজ-জীৱনলৈ আমূল পৰিৱৰ্তন আহিছে। দীৰ্ঘদিন ধৰি অন্য জনগোষ্ঠীৰ সৈতে সহ-অৱস্থান, হিন্দু আৰু খ্ৰীষ্টান ধৰ্ম গ্ৰহণ, গণমাধ্যম আদি কাৰকবোৰৰ পৰিপ্ৰেক্ষিতত বৰ্তমান নক্টে সমাজত সাংস্কৃতিক সমাহৰণ ঘটিছে।

- নক্টেসকলৰ 'চালু-লকু' উৎসৱ অতি আড়ম্বৰতাৰে অসমত উদ্‌যাপিত কৰা হয় যদিও ই বৰ্তমান থলুৱা অসমীয়া সমাজৰ দ্বাৰা গভীৰৰূপত প্ৰভাৱিত হৈছে।

■ বাৰেঘৰ চলিহা সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰি নৰ বৈষ্ণৱ ধৰ্মৰে দীক্ষিত হোৱা অসমৰ নক্টেসকলৰ মাজত আদি ধৰ্মৰ বিলুপ্তি ঘটিছে। ইয়াৰ বাবে নক্টেসকলৰ মাজত পূৰ্বে প্ৰচলিত বহুতো আচাৰ-অনুষ্ঠান নোহোৱা হৈছে।

■ 'লকু' উৎসৱ লগত জড়িত গীত-মাতসমূহো ক্ৰমান্বয় হেৰাই যাব ধৰিছে। গীত-নাচৰ পৰম্পৰাৰ সাংস্কৃতিক অৱক্ষয় ঘটাতো নক্টে সমাজৰ বাবে ইতিবাচক বুলিব নোৱাৰি।

**৩.০০ উপসংহাৰ ঃ**

অসমত বসবাস কৰা নগা জনগোষ্ঠীকেইটাৰ সমাজ-সংস্কৃতিত বহুকেইটা কাৰকৰ ফলত সাংস্কৃতিক সমাহৰণ প্ৰক্ৰিয়া অব্যাহত আছে যদিও এই প্ৰক্ৰিয়া সাংস্কৃতিক অভিযোজন (Acculturation) ৰ পৰ্যায়ত আছে ; ই সাংস্কৃতিক সমাহৰণ পৰ্যায়লৈ সম্পূৰ্ণৰূপত উন্নীত হোৱা নাই। সেয়ে তেওঁলোকৰ ধৰ্ম, আচাৰ, আভৰণ, খাদ্যাভাস আদিত বহুবোৰ মৌলিক বৈশিষ্ট্য আৰু স্বকীয়তা বৰ্তমানো ৰক্ষিত হৈছে। নক্টেসকলৰ সম্পৰ্কে অদ্যপি বিস্তৃত আলোচনা হোৱা নাই। এই গৱেষণা-পত্ৰত নক্টেসকলৰ লোকাচাৰৰ এক গুৰুত্বপূৰ্ণ অংশ লোক উৎসৱ-অনুষ্ঠান সম্পৰ্কে এটি সংক্ষিপ্ত আলোচনা আগবঢ়োৱা হ'ল। অসমৰ জনগোষ্ঠী হিচাপে নক্টেসকলৰ সমাজ-সাংস্কৃতিক দিশসমূহৰ পূৰ্ণাংগ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। ❑

**প্ৰসংগ সূত্ৰ**


১. Dutta Parul , *The Nocte*. Shillong : Director Information and Public Relation.1978.print, p. 04

২. Rizvi S.H.M. & Shibani Roy. *Nage Tribes of North East India* Delhi : B.R. Publication Corporation, 2012.Print, p. 01

৩. ibid, p. 01

৪. Kumar, B.B. *Naga Identity*. Delhi : Concept Publishing Company.2005, .print, p. 25-26

৫. ibid, p. 25-26

৬. Dutta, Parul. *The Nocte*. Shillong : Director Information and Public Relation,1978.print, p. 07

৭. Dutta, Parul. *Tribal Chieftainship.* Itanagar : Himalayan Publishers. 2003 .print, p. 161

৮. ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ. *অসমৰ জনজাতি.* ধেমাজি ঃ কিৰণ প্ৰকাশন. ২০০৮.পৃ. ১৮৮

৯ তথ্যদাতা- ভোগেশ্বৰ নক্টে (ৰজা, শিলনি গাঁও). সাক্ষাৎকাৰৰ সময় ঃ ১৯ অক্টোবৰ,২০১৩. ২ঃ০০ অপৰাহ্ণ

১০. ফুকন,পদ্মেশ্বৰ নাওবৈছা. *নাওবৈছা ফুকনৰ অসম বুৰঞ্জী.* (সম্পা.- লক্ষ্মীনাথ তামুলী). *গুৱাহাটী* ঃ অসম প্ৰকাশন পৰিষদ. ২০০৫.পৃ. ১৩২

১১. গগৈ, লীলা. *অসমৰ সংস্কৃতি.* ডিব্ৰুগড় ঃ বনলতা. ২০০৬. পৃ.১৬০

১২. ভট্টাচাৰ্য, প্ৰমোদ চন্দ্ৰ. *অসমৰ জনজাতি.* ধেমাজি ঃ কিৰণ প্ৰকাশন.২০০৮.পৃ. ১৯০

১৩. Rizvi, S.H.M. & Shibani Roy. *Nage Tribes of North East India.*Delhi : B.R. Publication Corporation.2012.Print, pp. 02

১৪. গগৈ, লীলা. *অসমৰ সংস্কৃতি.* ডিব্ৰুগড় ঃ বনলতা. ২০০৬. পৃ.১৫৫

১৫. Bareh, H M. *Encyclopaedia of North-East India(Vol-1).* New Delhi : Mittal Publication.2007.pp. 2002

১৬. Dutta, Parul. *Tribal Chieftainship.* Itanagar : Himalayan Publishers,2003 .print, pp. 19

১৭. "Noctes." *Know Tirap/people. tirap.nic.in*.web.17Nov, 2013

১৮. "Arunachal Pradesh Data Highlights: The Scheduled Tribes, Census of India. 2001"*censusindia.gov.in.*web.17 Nov, 2013

১৯. ibid

২০. Bhattacharji, Pramod Ch. ''Sino Tibetan Languages of North àßast India, Social Aspect''. *Linguistic Situation in North East India* pp.14

২১. Dutta, Parul. *The Noctes.*Shillong : Director Information and Public Relation,1978.print, pp.11

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ভাৰতীয় প্ৰেক্ষাপটত শিশুৰ অধিকাৰ ঃ এক পৰ্যালোচনা



ড° বিৰাজ দত্ত

সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
ডি.এইচ.এছ.কে. মহাবিদ্যালয়,
ডিব্ৰুগড়, অসম-৭৮৬০০১
৮৬৩৮৬১৬০৫০
jaanbiaj@gmail.com

**সাৰাংশ ঃ**

বিশ্বৰ সৰ্বাধিক জনসংখ্যা থকা তথা উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ মাজত ভাৰতবৰ্ষ হৈছে এনে এখন ৰাষ্ট্ৰ যাৰ এক বৃহৎসংখ্যক লোক ১৮ বছৰৰ তলৰ আয়ুসৰ অৰ্থাৎ শিশু। যিহেতু শিশুসকলক জনসাধাৰণৰ এক বৃহৎ অংশ হিচাপে চিনাক্ত কৰা হয় যাক তেওঁলোকৰ পিতৃ-মাতৃৰ লগতে সমাজ আৰু ৰাষ্ট্ৰৰ পৰা বিশেষ যত্ন আৰু মনোযোগৰ প্ৰয়োজন আছে। ভাৰতীয় প্ৰেক্ষাপটত ভাৰতীয় সংবিধানক নাগৰিকসকলৰ লগতে শিশুসকলৰ অভিভাৱক হিচাপে গণ্য কৰা হয়। সাংবিধানিকভাৱে সকলো শ্ৰেণীৰ লোককে সুৰক্ষা প্ৰদান কৰিবলৈ যথাসম্ভৱ ব্যৱস্থাৱলী সন্নিৱিষ্ট কৰা হৈছে। আৰু ইয়াৰ অনুৰূপ ধৰণেৰে শিশুসকলক বিশেষ সুৰক্ষা প্ৰদান কৰিবলৈ দিহা কৰা হৈছে। ভাৰতবৰ্ষৰ সংবিধানৰ তৃতীয় আৰু চতুৰ্থ অধ্যয়নত শিশুসকলৰ অধিকাৰ সুনিশ্চিত কৰিবৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ ব্যৱস্থাৱলী গ্ৰহণ কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ৰাষ্ট্ৰসংঘই জন্মলগ্নৰে পৰা মানৱজীৱনৰ বিভিন্ন ক্ষেত্ৰত নিৰন্তৰভাৱে কাম কৰি আহিছে লগতে শিশুসকলৰ অধিকাৰ বিষয়টোৰে ৰাষ্ট্ৰসংঘৰ মজিয়াত বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ নেতৃত্বত বহুতো গুৰুত্বপূৰ্ণ পদক্ষেপ তথা কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে। এনে পৰিৱেশ আৰু পৰিস্থিতিৰ পাছতো বিভিন্ন সময়ত শিসুসকলক সাংবিধানিক প্ৰদত্ত অধিকাৰৰ ব্যাপক উলংঘন হোৱা আমাৰ সকলোৰে দৃষ্টিগোচৰ হৈছে। সেয়েহে এই গৱেষণাপত্ৰখনৰ জৰিয়তে বৰ্তমান ভাৰতীয় প্ৰেক্ষাপটত কোনবিলাক কাৰণে প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ এক তথ্যগত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**মূল শব্দ ঃ**

শিশু, শিশুৰ অধিকাৰ, সাংবিধানিক ব্যৱস্থা।

**পৰিচিতি ঃ**

ভাৰতবৰ্ষ হৈছে উন্নয়নশীল ৰাষ্ট্ৰসমূহৰ ভিতৰত এখন জনবহুল ৰাষ্ট্ৰ যাৰ এক বৃহৎসংখ্যক জনসাধাৰণ শিশু হিচাপে পৰিচিত। ২০১১ চনৰ জনসংখ্যাৰ পৰিগণনা অনুসৰি ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ প্ৰায় ৩৭% লোক শিশু, যি ১৮ বছৰৰ তলৰ আৰু ই প্ৰায় ৪৪০ মিলিনয়।[১] যিহেতু শিশুসকলক বিশেষ সুৰক্ষা আৰু মনোযোগিতাৰ

প্ৰয়োজন আছে সেয়েহে তেওঁলোকক পিতৃ-মাতৃ, সমাজ তথা ৰাষ্ট্ৰই বিশেষ গুৰুত্ব প্ৰদান কৰাটো অতি প্ৰয়োজনীয় হ'ব। ভাৰতীয় প্ৰেক্ষাপটত শিশুসকল জন্মলগ্নৰে পৰা শাৰীৰিক, মানসিক আৰু আৱেগিক ৰূপত স্ব-নিৰ্ভৰশীল হোৱালৈকে প্ৰায় অসুৰক্ষিত বুলি বিবেচনা কৰা হয়।

শিশুসকলৰ অধিকাৰ কথা চিন্তা কৰি ১৯২৪ চনত 'জেনেভা ঘোষণাপত্ৰ'ৰ জৰিয়তে 'Same the Children fund International Union', যি জাতিসংঘৰ জৰিয়তে একেটা বৰ্ষতে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল লগতে পাঁচটা বিশেষ অধিকাৰ শিশুসকলৰ কাৰণে সুনিশ্চিত কৰিছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পৰিসমাপ্তিৰ পাছত ২৪ অক্টোবৰ ১৯৪৫ চনত প্ৰতিষ্ঠা লাভ কৰা ৰাষ্ট্ৰসংঘই জাতিসংঘই স্বীকৃতি প্ৰদান কৰা শিশুসকলৰ এই অধিকাৰক পুনৰবাৰ নিশ্চিত কৰিবৰ বাবে ১৯৪৮ আৰু ১৯৫৯ চনত বিশেষ ব্যৱস্থা গ্ৰহণ কৰে। সমান্তৰালভাৱে ১০ ডিচেম্বৰ ১৯৪৮ চনত ৰাষ্ট্ৰসংঘই গৃহীত কৰা 'মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰৰ' জৰিয়তে শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। ১৯৫৯ চনৰ ২০ নৱেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা 'শিশু অধিকাৰ সম্পৰ্কীয় ঘোষণা পত্ৰ'ৰ জৰিয়তে জেনেভা ঘোষণা পত্ৰই সুনিশ্চিত কৰা শিশুৰ পাঁচটা অধিকাৰক পুনৰবাৰ সুনিশ্চিত কৰে।[২]

ইয়াৰ পৰৱৰ্তী সময়ত ১৯৮৯ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই শিশুৰ অধিকাৰ সম্পৰ্কীয় ঘোষণাপত্ৰ গৃহীত কৰে যিখন ২ ছেপ্তেম্বৰ ১৯৯০ চনৰ পৰা কাৰ্যকৰী হৈছে যি ৫৪ টা অনুচ্ছেদৰ জৰিয়তে সমগ্ৰ বিশ্বতে শিশুৰ অধিকাৰ সমূহ সুৰক্ষিত কৰিবলৈ গ্ৰহণ কৰা এক বিশেষ পদক্ষেপ। এই ঘোষণাপত্ৰখনে শিশুসকলৰ সামাজিক, পৌৰ, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ সুনিশ্চিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ মাজত (১) জীয়াই থকাৰ অধিকাৰ, (২) বিকাশৰ অধিকাৰ, (৩) সুৰক্ষাৰ অধিকাৰ, (৪) অংশগ্ৰহণৰ অধিকাৰ।[৩]

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষই বৃটিছ শাসনৰ পৰা স্বাধীনতা লাভ কৰে। ভাৰতবৰ্ষৰ ইতিহাস আৰু ইয়াৰ প্ৰাক্-স্বাধীনতাকালীন সামাজিক অৰ্থনৈতিক পৰিস্থিতিয়ে শিশুৰ সামাজিকীকৰণৰ মূখ্য সংস্থা হিচাপে পৰিয়ালৰ ভূমিকাক নিশ্চিত কৰে আৰু শিশুৰ উচিত প্ৰতিপালন আৰু সুৰক্ষাৰ পথ প্ৰশস্ত কৰে। ইয়াৰ উপৰিও, ই শিশু, পৰিয়াল আৰু ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্কৰ প্ৰকৃতি নিৰ্দ্ধাৰণ কৰে আৰু এনেদৰে সকলো শিশুৰ বাবে এক ৰাষ্ট্ৰীয় শৈশৱৰ প্ৰয়োজনীয় ভেঁটি সৃষ্টি কৰে। স্বাধীন ভাৰতৰ সংবিধান ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত হয় আৰু ই কাৰ্যকৰী হয় ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে, য'ত শিশুৰ জীয়াই থকাৰ, বিকাশ আৰু সুৰক্ষাৰ ব্যৱস্থা অন্তৰ্ভূক্ত আছিল। এই ব্যৱস্থাৱলীসমূহ 'মৌলিক অধিকাৰ' আৰু 'ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশনাত্মক নীতি' সম্পৰ্কীয় সংবিধানৰ তৃতীয় আৰু চতুৰ্থ দুয়োটা খণ্ডতে অন্তৰ্ভূক্ত কৰা হৈছে। ভাৰতীয় সংবিধানক ইয়াৰ নাগৰিক সকলৰ লগতে শিশুসকলোৰ অভিভাৱক হিচাপে গণ্য কৰা হয়।[৪]

**সাম্প্ৰতিক অধ্যয়নৰ উদ্দেশ্যসমূহ ঃ**

১) বৰ্তমানৰ অধ্যয়নটোৰ মূখ্য উদ্দেশ্য হ'ল ভাৰতত শিশু সকলৰ অধিকাৰ আৰু ইয়াৰ বিকাশৰ বাবে থকা সংবিধানিক ব্যৱস্থাৰ ওপৰত আলোকপাত কৰা।

২) এই অধ্যনয়টোৰ দ্বিতীয় উদ্দেশ্য হৈছে ভাৰতত শিশুৰ অধিকা প্ৰচাৰ-প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে কাম কৰি থকা বিভিন্ন আইনৰ বিষয়ে আলোচনা কৰা।

৩) এই অধ্যয়নটোৰ তৃতীয় উদ্দেশ্য হৈছে শিশুৰ বিৰুদ্ধে হোৱা বিভিন্ন ধৰণৰ হিংসাৰ ওপৰত আলোকপাত কৰা, যিয়ে অতিমাত্ৰাত শিশুৰ অধিকাৰসমূহ খৰ্ব বা উলংঘন কৰিছে।

**অনুসৰণ কৰা পদ্ধতি ঃ**

এই অধ্যয়নটো হৈছে বৰ্ণনামূলক আৰু উক্তবিষয়টোৰ ওপৰত তথ্য সংগ্ৰহ কৰিবলৈ বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে তথা অধ্যয়নটোৰ প্ৰয়োজনীয়তা অনুসৰি প্ৰতিনিধিত্ব কৰা হৈছে। এই অধ্যয়নটো কেৱল গৌণ তথ্যৰ ওপৰত আধাৰিত।

**সম্বোধন কৰিবলগীয়া গৱেষণামূলক প্ৰশ্ন ঃ**

শিশুৰ অধিকাৰ এক অতি বিস্তৃত ধাৰণা আৰু সেই বাবে শিশুৰ অধিকাৰ ৰূপায়ণ সম্পৰ্কীয় সকলো সমস্যাৰ কৰাটো অতি কঠিন কাম। সেইবাবে এই অধ্যয়নত নিম্নলিখিত প্ৰাসংগিক গৱেষণামূলক প্ৰশ্নবোৰ আলোচনা কৰা হ'ব -

১) ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত সাংবিধানিক ব্যৱস্থাসমূহ কিমান দূৰ প্ৰভাৱশালী?

২) ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষই ৰাষ্ট্ৰসংঘই শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰণয়ন কৰা

নিৰ্দেশনামূলক কাৰ্যকৰী কৰাত কিমানদূৰ সফল হৈছে?

**ভাৰতত শিশুৰ অধিকাৰ ঃ**

ভাৰতীয় সংবিধানৰ মতে জনসংখ্যাৰ ০-১৮ বছৰ বয়সৰ লোকসকলেই হৈছে শিশু। ভাৰতৰ সংবিধান প্ৰণেতাসকলে শিশুসকলৰ অধিকাৰৰ প্ৰসাৰ আৰু সুৰক্ষাৰ বাবে সংবিধানৰ ভিতৰতেই কেবাটাও গুৰুত্বপূৰ্ণ ব্যৱস্থা অন্তৰ্ভূক্ত কৰিছিল। অধিক স্পষ্টকৈ উল্লেখ কৰিবলৈ গ'লে ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ৰ সন্নিৱিষ্ট অধিকাৰসমূহ যাক মৌলিক অধিকাৰ বুলি কোৱা হয়, সেয়া ভাৰতৰ সকলো নাগৰিকৰ বাবে কোনো বৈষম্যবিহীন বা পাৰ্থক্যবিহীন ভাৱে উপলব্ধ কৰোৱা হয়। তদুপৰি সংবিধানৰ চতুৰ্থ অধ্যায় ভাৰত চৰকাৰক কেইবাটাও নিৰ্দেশনা প্ৰদান কৰিছে যাৰ দ্বাৰা ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকৰ কল্যাণৰ বাবে বিভিন্ন কাৰ্যকলাপ সম্পাদন কৰিব লাগে। এই নীতি নিৰ্দেশনাসমূহক ব্যাপকৰূপত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশনাত্মক নীতি বুলি জনা যায়। ইয়াত সংবিধানত কৰা বিভিন্ন ব্যৱস্থাৱলী, বিশেষকৈ সংবিধানৰ তৃতীয় আৰু চতুৰ্থ অধ্যায় উল্লিখিত ব্যৱস্থাৱলীসমূহৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

**ভাৰতবৰ্ষৰ সংবিধানৰ তৃতীয় অধ্যায়ৰ মৌলিক অধিকাৰ ঃ**

ভাৰতবৰ্ষৰ সংবিধানৰ 'তৃতীয় অধ্যয়নত সন্নিৱিষ্ট মৌলিক অধিকাৰ আৰু শিশুৰ অধিকাৰ -

**অনুচ্ছেদ১৪ ঃ** ভাৰতৰ ভোটাৰসকলক, সমান্তৰালভাৱে শিশুসকলক আইনৰ সন্মুখত সমান দৃষ্টিৰে ব্যৱহাৰ কৰিব লাগিব আৰু কোনো কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ আইনে সমান সুৰক্ষা প্ৰদান কৰিব লাগিব।

**অনুচ্ছেদ ১৫ ঃ** সংবিধানৰ জৰিয়তে বৈষম্যতা নিষিদ্ধ কৰা হৈছে। অৱশ্যে, ই শিশুসকলৰ বাবে তেওঁলোকৰ বিকাশৰ সুবিধাৰ ক্ষেত্ৰত ৰাষ্ট্ৰক বিশেষ ব্যৱস্থাৱলীৰ সৃষ্টি কৰাত কোনো বাধা আৰোপ নকৰে।

**অনুচ্ছেদ ২১ ঃ** আইনৰ নিৰ্দিষ্ট উপযুক্ত প্ৰক্ৰিয়াৰ দ্বাৰা নহ'লে, আন কোনো ক্ষেত্ৰতে যিকোনো লোক জীয়াই থকাৰ বা ব্যক্তিগত স্বাধীনতাৰ পৰা বঞ্চিত নহ'ব। এজন ব্যক্তিয়ে উপযুক্ত আৰু উচিত পৰিমাণৰ খাদ্য, আশ্ৰয় (বাসস্থান), বস্ত্ৰ ইত্যাদি লাভ কৰিব লাগিব।

**অনুচ্ছেদ ২১ (A) ঃ** ৰাষ্ট্ৰই ৬ ৰ পৰা ১৪ বছৰৰ যিকোনো বা সকলো শিশুকে বিনামূলীয়া আৰু প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব, যিটো ৰাজ্যই আইন অনুসৰি নিৰ্দ্ধাৰিণ কৰিব পাৰিব।

**অনুচ্ছেদ ২৩ ঃ** মানৱ সৰবৰাহ আৰু ভিক্ষাৰী বৃত্তি তথা বলপূৰ্বক শ্ৰমক নিষিদ্ধ কৰা।

**অনুচ্ছেদ ২৪ ঃ** ১৪ বছৰৰ তলৰ শিশুক কলঘৰ, খননকাৰ্য বা অন্যান্য বিপদজনক কাৰ্যক্ষেত্ৰত নিযুক্তিকৰণ নিষিদ্ধ কৰা।[৫]

**চতুৰ্থ অধ্যায়, ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশনাত্মক নীতি ঃ**

ভাৰতবৰ্ষৰ সংবিধানৰ চতুৰ্থ অধ্যয়ত সন্নিবিষ্ট ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ জৰিয়তে সকলো লোকৰ লগতে শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ যথাসম্ভৱ ব্যৱস্থাৱলীৰ সন্নিৱিষ্ট কৰিছে। ইয়াৰে ভিতৰত—

**অনুচ্ছেদ ৩৯ (e) ঃ** ৰাষ্ট্ৰই এই কথা সুনিশ্চিত কৰিব যাতে কম বয়সৰ ল'ৰা-ছোৱালীয়ে শোষণৰ / নিৰ্যাতনৰ সন্মুখীন নহয় আৰু আৰ্থিক প্ৰয়োজনীয়তাৰ বাবে বাধ্য হৈ তেওঁলোকৰ বয়স আৰু ক্ষমতাৰ বাবে অনুপযুক্ত কাৰ্যকলাপত লিপ্ত নহয়।

**অনুচ্ছেদ ৩৯ (f) ঃ** ৰাষ্ট্ৰই এক সুস্থ প্ৰক্ৰিয়াৰে আৰু স্বাধীনতা তথা মৰ্যাদাজনক পৰিস্থিতিত শিশুক বিকাশৰ বাবে সুযোগ আৰু সুবিধাৰ নিশ্চয়তা প্ৰদান কৰিব। ইয়াৰ লগতে ৰাষ্ট্ৰই এয়াও সুনিশ্চিত কৰিব লাগিব যে শিশুৰ শৈশৱ আৰু কৈশোৰ যিকোনো শোষণৰ পৰা আৰু অৰ্থনৈতিকভাৱে তথা ভৌতিক সহায়ৰ পৰা বঞ্চিত নোহোৱাকৈ সুৰক্ষিত হৈ থাকিব।

**অনুচ্ছেদ ৪১ ঃ** ৰাষ্ট্ৰই নিজৰ অৰ্থনৈতিক সামৰ্থ্য আৰু বিকাশৰ ভিতৰত, শৈক্ষিক সুযোগ আৰু সুবিধা প্ৰদান কৰিবৰ বাবে বাধ্য হ'ব।

**অনুচ্ছেদ ৪৪ ঃ** ৰাষ্ট্ৰই সকলো নাগৰিকৰ বাবে এখন সমান নাগৰিক সংহিতা প্ৰস্তুতৰ বাবে সকলো সাম্ভাব্য প্ৰচেষ্টা গ্ৰহণ কৰিব, যাৰ দ্বাৰা শিশুসকলৰ দণ্ডক গ্ৰহণ (তুলি লোৱাৰ বাবে)ৰ বাবে সমান নাগৰিক সংহিতাৰ সৃষ্টি হ'ব।

**অনুচ্ছেদ ৪৫ ঃ** ৰাষ্ট্ৰই শিশুৰ ১৪ বছৰ বয়স নোহোৱালৈকে বিনামূলীয়া আৰু প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিবলৈ প্ৰচেষ্টা কৰিব।

**অনুচ্ছেদ ৪৬ ঃ** সংবিধান অনুসৰি, সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ অৰ্থনৈতিক স্বাৰ্থক উন্নত / বিকাশ কৰা আৰু এনেদৰে সেই শ্ৰেণীৰ শিশুসকলৰ বিকাশ সাধন কৰিব লাগে।

**অনুচ্ছেদ ৪৭ ঃ** ৰাষ্ট্ৰই পুষ্টিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আৰু জীৱন-ধাৰণৰ মান তথা জনস্বাস্থ্য সুনিশ্চিত কৰিবলৈ যি ব্যৱস্থা সন্নিবিষ্ট কৰিছে সেই ব্যৱস্থাৱলীয়ে শিশুসকলকো এইক্ষেত্ৰত অন্তৰ্ভূক্ত কৰিছে।

**অনুচ্ছেদ ৫১ (c) ঃ** ৰাষ্ট্ৰই আন্তৰ্জাতিক আইন তথা নীতিসমূহ আৰু ইয়াৰ বৈকল্পিক নীতি-নিৰ্দেশনাসমূহ যিমান দূৰ সম্ভৱ মানি চলিব আৰু সন্মান প্ৰদৰ্শন কৰিব।

**অনুচ্ছেদ ৫১ (k) ঃ** ভাৰতৰ প্ৰতিজন নাগৰিকৰ এয়া কৰ্তব্য যে পিতৃ-মাতৃ বা অভিভাৱক হয় তেন্তে শিশুৰ শিক্ষাৰ বাবে উপযুক্ত সুবিধা প্ৰদান কৰিব বা এই ক্ষেত্ৰত ৬ ৰ পৰা ১৪ বছৰৰ শিশুৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা অধিকাৰ আইনৰ ধাৰাসমূহ প্ৰযোজ্য হ'ব।[৬]

**অনুচ্ছেদ ২৪৩ (G) ঃ** সংবিধানৰ ৭৩ তম সংশোধনীৰ জৰিয়তে প্ৰৱৰ্তন কৰা তিনি তৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থাত মহিলা আৰু শিশুৰ বিকাশৰ কাৰ্যসূচী অৰ্পণ কৰাৰ যোগেদি শিশুৰ যতনক আনুষ্ঠানিকতা প্ৰদান কৰিছে।[৭]

ভাতৰত সংবিধানৰ প্ৰণেতাসকলে এই কথাত স্বীকৃতি প্ৰদান কৰিছিল যে, জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, সামাজিক উৎস বা জন্মৰ ভিত্তিত কোনো বৈষম্য অবিহনে প্ৰতিটো শিশুৰ স্বাস্থ্য, কল্যাণ আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ আছে। ৰাষ্ট্ৰীয় নীতিসমূহে আইন প্ৰস্তুতকৰণ, আইন নিশ্চিতকৰণত প্ৰভাৱ বিস্তাৰ কৰে আৰু অৱশেষত অধিকাৰৰ সমৰ্থনত প্ৰভাৱ পেলায়।

শিশু সম্পৰ্কীয় ৰাষ্ট্ৰীয় নীতিসমূহ এনেধৰণৰ -

(ক) ৰাষ্ট্ৰীয় শিশুনীতি (১৯৭৪)

(খ) ৰাষ্ট্ৰীয় শিশু শ্ৰমিক নীতি (১৯৮৭)

(গ) ৰাষ্ট্ৰীয় শিক্ষা নীতি (১৯৮৭, ২০২০)

(ঘ) প্ৰতিবন্ধী ব্যক্তিসকলৰ বাবে ৰাষ্ট্ৰীয় নীতি (২০০৬)

**ভাৰতত শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আইন ঃ**

ভাৰতৰ সংবিধান অনুসৰি, সকলোধৰণৰ শোষণৰ বিৰুদ্ধে শিশুৰ সুৰক্ষাৰ বাবে আইন আৰু নীতি প্ৰস্তুত কৰাৰ দায়িত্ব ৰাষ্ট্ৰ আৰু চৰকাৰক অৰ্পন কৰা হৈছে। প্ৰাক্-স্বাধীনতাৰ সময়ৰ সমান্তৰালভাৱে স্বাধীনোত্তৰ কালতো ভাৰত চৰকাৰে ভাৰতত শিশুসকলৰ অধিকাৰ সুৰক্ষিত কৰিবৰ বাবে বহুতো আইন প্ৰণয়ন কৰিছে। এই গুৰুত্বপূৰ্ণ আইনসমূহৰ তালিকা তলত উল্লেখ কৰা হ'ল -

১) শিশু শ্ৰমিকৰ প্ৰতিশ্ৰুতি আইন, ১৯৩৩ ঃ

শিশু শ্ৰমিক বন্ধককৰণ আইন, ১৯৩৩ ঃ

এই আইনৰ যোগেদি শিশু শ্ৰমিকক বন্ধককৰণ কৰা কাৰ্যক নিষিদ্ধ কৰা হৈছিল।

২) অনৈতিক সৰবৰাহ (প্ৰতিৰোধ) আইন, ১৯৮৭ ঃ

এই আইনৰ যোগেদি সৰু ল'ৰা-ছোৱালীৰ বেআইনী সৰবৰাহ বন্ধ কৰিব বিচৰা হৈছিল।

৩) শিশু শ্ৰমিক (নিষিদ্ধকৰণ আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬ ঃ

এই আইনে শিশুসকলক কিছুমান নিৰ্দিষ্ট কামত নিয়োজিত হোৱাত বাধা প্ৰদান কৰে আৰু আন কিছুমান কামত শিশুক নিযুক্তি দিয়াৰ ক্ষেত্ৰত চৰ্তাৱলী আৰোপ কৰে।

৪) বাল্যবিবাহ নিষিদ্ধকৰণ আইন, ২০০৬ ঃ

এই আইনে অনুসৰণ কৰা মৌলিক আধাৰ হ'ল (ক) শিশুক বিবাহপাশত আৱদ্ধ কৰোৱাটো এক অপৰাধ, (খ) শিশু বা নাবালক হৈছে, ছোৱালীৰ ক্ষেত্ৰত ১৮ বছৰৰ তলৰ ছোৱালী আৰু ল'ৰাৰ ক্ষেত্ৰত ২১ বছৰৰ অনুৰ্দ্ধৰ ল'ৰা।

৫) শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন, ২০০৯ ঃ

শিক্ষাৰ অধিকাৰ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশনাত্মক নীতিৰ এক ব্যৱস্থা আছিল, যাৰ জৰিয়তে ৰাষ্ট্ৰই দহ বছৰৰ ভিতৰত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰিবলৈ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছিল। এতিয়া আমাৰ ওচৰত অনুচ্ছেদ ২১ (A) ৰ জৰিয়তে মৌলিক অধিকাৰৰ ভিতৰত ন্যায়িক অধিকাৰৰ ৰূপত শিক্ষাৰ অধিকাৰ উপলব্ধ হৈছে। শিক্ষাৰ অধিকাৰ আইন, ২০০৯, যাক Right to education ACT (RTE) বুলিও জনা যায় যাৰ জৰিয়তে ৬ ৰ পৰা ১৪ বছৰৰ মাজৰ শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ গুৰুত্ব প্ৰদান কৰিছে।

৬) যৌন উৎপীড়ন নিষিদ্ধকৰণ আইন, ২০১২ ঃ

২০১২ চনত ভাৰত চৰকাৰে শিশুসকলৰ বিৰুদ্ধে সংঘটিত হৈ থকা যিকোনো প্ৰকাৰৰ যৌন নিৰ্যাতনমূলক

কাৰ্যকলাপ প্ৰতিৰোধ কৰিবলৈ 'The Protection of Children from Sexual Offences' (POSCO Act) আইনখন গৃহীত কৰে। এই আইন অনুসৰি ১৮ বছৰৰ অনুৰ্দ্ধ সকলো লোককে শিশুৰ সুৰক্ষা আৰু ন্যায়িক প্ৰক্ৰিয়াত শিশুসকলক যৎপৰোনাস্তি সুৰক্ষা প্ৰদান কৰিব পৰা ব্যৱস্থা কৰিছে। ইয়াৰ পৰৱৰ্তী সময়ত 'Juvenile Justice Act. 2015' গৃহীত কৰি ইয়াক ২০১৬ চনৰ ১৫ জানুৱাৰীৰ পৰা কাৰ্যকৰী কৰিছে। আইনখনৰ মূখ্য উদ্দেশ্য হৈছে শিশুসকলৰ সুৰক্ষা, বিকাশ আৰু যিকোনো পৰিস্থিতিত শিশুসকলক নিৰাপত্তা প্ৰদান কৰা। এই আইনখনে শিশুসকলক দুটা ভাগত ভাগ কৰিছে - 'Child in Conflict with Law' আৰু 'Child in Need of Care and Protection'।[৮]

**শিশু সুৰক্ষা আৰু বিকাশৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলী ঃ**

ভাৰত চৰকাৰে শিশুসকলৰ সৰ্বাংগীণ বিকাশ আৰু উন্নতি সাধনৰ কাৰণে নিৰন্তৰে প্ৰয়াস কৰি আহিছে। সমান্তৰালভাৱে শিশুৰ শাৰীৰিক, মানসিক, সামাজিক বিকাশৰ লগতে শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। ইয়াৰ মাজত কেইখনমান আঁচনি অতি গুৰুত্বপূৰ্ণ ক্ৰমে -

(১) ৰাষ্ট্ৰীয় স্বাস্থ্য আঁচনি
(National Health Policy, 2002)

(২) শিশুৰ ৰাষ্ট্ৰীয় আঁচনি
(National Policy for Children, 2013)

(৩) প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা
(Pradhanmantri Matru Vandana Yojana, 2017)

(৪) সংহত শিশু কল্যাণ আঁচনি
(Integrated Child Development Scheme, ICDS, 1975)

(৫) ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু পোষণ যোজনা
(Scheme for health and Nutrition of Children, 1975)

(৬) বেটী বচাও, বেটী পঢ়াও
(Beti Bachao, Beti Padhao, 2015) [৯]

**ভাৰতবৰ্ষত ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি হোৱা শিশু বিৰোধী অপৰাধ ঃ**

স্বাধীনতাৰ সময়ৰে পৰা ভাৰত চৰকাৰে বিভিন্ন আইন তথা আঁচনি ৰূপায়ণৰ জৰিয়তে শিশু সুৰক্ষাৰ ব্যৱস্থা কৰি আহিছে যদিও কিন্তু কাৰ্য্যত সমাজৰ বিভিন্ন স্তৰত বিভিন্ন কাৰকৰ বাবে শিশুসকলৰ বিৰুদ্ধে বিভিন্ন ধৰণৰ অপৰাধমূলক কাৰ্যকলাপ দিনক দিনে বৃদ্ধি পাই আহিছে। National Crime Record Bureau (NCRB) ৰ তথ্য অনুসৰি বিগত বছৰ সমূহত শিশুৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধ মূলক কাৰ্য কলাপ যথেষ্ট বৃদ্ধি পাইছে। যি বিষয় সমাজ তথা ৰাষ্ট্ৰখনৰ কাৰণে এক অশোভনীয় কাৰ্য আৰু ইয়াক প্ৰতিহত কৰিবলৈ সমাজৰ সকলো শ্ৰেণীৰ লোকৰ অংশীদাৰিত্ব নিতান্তই প্ৰয়োজনীয়। National Crime Record Bureau ৰ তথ্য অনুসৰি ২০১৪ চনৰ পৰা ২০২২ চনলৈকে সংগৃহীত তথ্য যথেষ্ট উদ্বেগজনক। নিম্ন উল্লিখিত তালিকাখনত সন্নিৱিষ্ট হোৱা সংখ্যাই আমাৰ সকলোৰে চকু কলাপত তুলিব -

**তালিকা ঃ ১**

**বছৰ অনুসৰি ভাৰতত শিশুসকলৰ বিৰুদ্ধে সংগঠিত অপৰাধ (২০১৪ - ২০২২)**

| বছৰ | ভাৰতত শিশুসকলৰ বিৰুদ্ধে সংগঠিত অপৰাধ |
|---|---|
| ২০১৪ | ৯,৪২৩ |
| ২০১৫ | ৯৪,১৭২ |
| ২০১৬ | ১,০৬,৫৯৮ |
| ২০১৭ | ১,২৯,০৩২ |
| ২০১৮ | ১,৪১,৭৬৪ |
| ২০১৯ | ১,৪৮,০৯০ |
| ২০২০ | ১,২৮,৫৩১ |
| ২০২১ | ১,৪৯,৪০৪ |
| ২০২২ | ১,৬২,৪৪৯ |

উৎস ঃ শিশুৰ বিৰুদ্ধে অপৰাধ, এন চি আৰ বি, ভাৰত চৰকাৰ, ২০১৪-২০২২ চনলৈ

১ নং তালিকাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ২০১৪ ৰ পৰা ২০২২ লৈ শিশুসকলৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধমূলক কাৰ্যকলাপ যথেষ্ট পৰিমাণে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে ২০২০ চনত ক'ভিড

মহামাৰীৰ সময়ছোৱাত শিশুৰ বিৰুদ্ধে হোৱা অপৰাধৰ সংখ্যা কিছু পৰিমাণে কম যদিও ই যথেষ্ট উদ্বেগজনক। বিগত ন' বছৰত অৰ্থাৎ ২০১৪ চনত সংঘটিত হোৱা অপৰাধৰ সংখ্যা আছিল ৮৯,৪২৩ যি ২০২২ চনত বৃদ্ধি হৈ ১৬২,৪৪৯ হয়গৈ। যি হাৰত এই অপৰাধ বৃদ্ধি পাইছে সেয়া প্ৰায় ৮১%। [১০] এই তথ্য যথেষ্ট উদ্বগজনক যাৰ ওপৰত চৰকাৰে বিহিত ব্যৱস্থা লোৱাটো অতি আৱশ্যক হৈ পৰিছে।

National Crime Record Bureau ৰ নিচিনাকৈ National Commission for Protection of Child Rights (NCPCR) এ ইয়াৰ বাৰ্ষিক প্ৰতিবেদন ২০২০-২১ ত এটা অতি ভয়াৱহ তথ্য প্ৰকাশ কৰিছে। তথ্য অনুসৰি বিগত বৰ্ষসমূহত ভাৰতবৰ্ষত শিশুসকলৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধসমূহে ব্যাপক হাৰত বৃদ্ধি পাবলৈ ধৰিছে যিকোনো কাৰণতে ভাৰতৰ বাবে এটা ভাল নিদৰ্শন হ'ব নোৱাৰে।[১১]

**ভাৰতৰ শিশুৰ বিৰুদ্ধে সংঘটিত হোৱা অপৰাধৰ শ্ৰেণীকৰণ ঃ**

যুগে যুগে মহিলা, শিশু আৰু বয়োজেষ্ঠ লোকসকলক এক স্পৰ্শকাতৰ শ্ৰেণীৰ লোক হিচাপে মান্যতা প্ৰদান কৰি অহা হৈছে। এই ক্ষেত্ৰত শিশুসকলৰ বিৰুদ্ধে সংঘটিত যিকোনো প্ৰকাৰৰ অপৰাধ, শাৰীৰিক, মানসিক, যৌন-নিৰ্যাতন, আৱেগিক অপৰাধ আদি সমাজৰ বিভিন্ন স্তৰত সংঘটিত হয় কিন্তু এনে কাৰ্যকলাপৰ শিশুসকলে বহু সময়ত পৰিয়ালৰ সদস্যসকলক অৱগত নকৰাৰ পৰিপ্ৰেক্ষিতত এক বৃহৎ সংখ্যক অপৰাধৰ পৰিসংখ্যাৰ তথ্য নোহোৱাকৈয়ে থাকি যায়। শিশুসকলে তেওঁলোকৰ বিৰুদ্ধে হোৱা অপৰাধক অপৰাধ হিচাপে গণ্য কৰিব লাগে নে নালাগে সেয়া বুজা-নুবুজাৰ দোমোজাত থাকি ৰোৱাৰ বাবে শিশুসকলৰ বিৰুদ্ধে তেওঁলোকৰ জ্ঞাতে বা অজ্ঞাতে বহু অপৰাধ সংঘটিত হৈ আহিছে। শিশুৰ বিৰুদ্ধে হৈ অহা অপৰাধক যদি ভাল ধৰণেৰে বিশ্লেষণ কৰা হয় তেন্তে এনে অপৰাধক তলত উল্লিখিত শ্ৰেণীবিভাজন অনুসৰি দেখুৱাব পৰা যাব।

১) বিভিন্ন প্ৰকাৰৰ শাৰীৰিক আৰু মানসিক আতিসাৰ্য্য ঃ

২) শিশু শ্ৰমিক ঃ

৩) শিশু জোৰকৈ ভিক্ষাকাৰ্যত লিপ্ত কৰোৱা ঃ

৪) শিশুক নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তিৰ সৃষ্টি কৰোৱা ঃ

৫) অপহৰণমূলক কাৰ্যকলাপ ঃ

৬) শিশু ক্ৰয় আৰু বিক্ৰীৰ প্ৰক্ৰিয়া ঃ

৭) শিশুক দেহ ব্যৱসায়ৰ লগত জড়িত কৰোৱা ঃ

৮) চাইল্ড পৰ্ণগ্ৰাফী (Child Pornography) ঃ

৯) শিশুৰ উৎপীড়ন আৰু ধৰ্ষণ ঃ [১২]

**সামৰণি ঃ**

ভাৰতবৰ্ষই স্বাধীনতাৰ সময়ৰে পৰা শিশু সুৰক্ষাৰ বাবে বিভিন্ন প্ৰকাৰৰ আঁচনি আৰু আইন প্ৰণয়ন আৰু ৰূপায়ণ কৰি আহিছে যদিও ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পাই অহা অপৰাধৰ বাবে ভাৰতবৰ্ষৰ নিচিনা দেশত আজিও শিশু সুৰক্ষিত নহয়। যি ভাৰতবৰ্ষৰ কাৰণে এটা ভাল নিদৰ্শন হ'ব নোৱাৰে। ভাৰতবৰ্ষই নিজেই প্ৰণয়ন কৰা আইন আৰু ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰ হিচাপে ইয়াৰ নিৰ্দেশাৱলী অনুসৰি শিশু সুৰক্ষাৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিছে যদিও ই সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাই। তৃতীয় বিশ্বৰ তথা পৃথিৱীৰ আটাইতকৈ জনবহুল ৰাষ্ট্ৰ হিচাপে শিশুকেন্দ্ৰিক অপৰাধে কেৱল মাত্ৰ ভাৰতবৰ্ষৰ কাৰণেই নহয় সমগ্ৰ বিশ্বৰ কাৰণে এক ডাঙৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। ইয়াৰ কাৰণসমূহৰ হিচাপে থিয় দিছে। ইয়াৰ কাৰণসমূহৰ ভিতৰত কেৱল মাত্ৰ এটা শ্ৰেণীৰ লোকক ইয়াৰ বাবে জগৰীয়া কৰিলে নহ'ব। বৰঞ্চ আইনসমূহৰ মাজত থকা সৰু সৰু সুৰুঙাৰ বাবে আৰু বিচাৰ কাৰ্য লেহেমীয়া হোৱাৰ বাবেও এনে অপৰাধৰ সংখ্যা দিনক দিনে উদ্বেগজনক ভাৱে বৃদ্ধি পাই আহিছে। দেশ ৰাজধানী দিল্লীত সংঘটিত হোৱা 'নিৰ্ভয়া কাণ্ড' আমাৰ সকলোৰে জ্ঞাত। কিন্তু বিচাৰৰ লেহেমীয়া গতি আৰু অপৰাধীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা স্থিতিয়ে বহু সময়ত এনে অপৰাধ মূলক কাৰ্যকলাপক উদ্‌গনিহে যোগাইছে। সদৌ শেষত আমি সকলোৱে সজাগ আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকক একলগ কৰি এনে অপৰাধমূলক কাৰ্যকলাপ ৰোধ কৰিবলৈ প্ৰয়াস কৰাটো উচিত। সমাজত সংঘটিত হোৱা যিকোনো প্ৰকাৰৰ অপৰাধৰ বিৰুদ্ধে সকলোৱে মাৰবান্ধি থিয় হৈ প্ৰতিবাদ সাবস্ত্য কৰাতে ক্ষান্ত নাথাকি চৰকাৰক ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ বাধ্য কৰাব লাগে। যদি সকলোৱে দেশৰ ভৱিষ্যত সুৰক্ষিত কৰিব লাগে বুলি বিবেচনা কৰে তেন্তে আহক আমি সকলোৱে হাতত হাত ধৰি দেশৰ ভৱিষ্যত তথা শিশুসকলৰ বিকাশ আৰু কল্যাণৰ কাৰণে থিয় দিওঁ। ❑

**প্ৰসংগসমূহ ঃ**

১।  ভাৰতৰ লোকপিয়ল ২০১১
২।  ভাৰতত শিশু আৰু শিশু অধিকাৰৰ পৰিস্থিতি, ২০১৫, পৃ.১৭
৩।  পূৰ্বোল্লিখিত।
৪।  ভাৰতত শিশু আৰু তেওঁলোকৰ অধিকাৰ, এন. চি. এইচ. আৰ., পৃ. ১৯
৫।  গগৈ, পি. ভাৰত চৰকাৰ আৰু ৰাজনীতি, বনলতা, ২০১২, পৃ. ১৬৮
৬।  পূৰ্বোল্লিখিত।
৭।  ৭৩তম সংবিধান সংশোধনী আইন, ১৯৯২।
৮।  ত্ৰিপথ, এছ.চি. আৰু অৰোৰা, ভি, মহিলা আৰু শিশু সম্পৰ্কীয় আইন, কেন্দ্ৰীয় আইন প্ৰকাশন, ২০০৮
৯।  শতপতি চিন্ময়ী, ভাৰতত শিশু কল্যাণ নীতি আৰু কাৰ্যসূচী, যোজনা, নৱেম্বৰ ২০১২, পৃ. ২৩-২৭
১০।  ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰো, ভাৰত চৰকাৰ, বাৰ্ষিক প্ৰতিবেদন ২০১৪-২০২২
১১।  বাৰ্ষিক প্ৰতিবেদন, ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ, ২০২০-২১
১২।  https://blog.ipleaders.in/offences-against-children/

ISSN 2321-4945
UGC CARàß Listed Journal
RNI NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# বড়ো সকলৰ বসন্তকালীন উৎসৱ ‘ৰংজালি বৈসাগু’ ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন



**ড° বনশ্ৰী ভৰদ্বাজ**

সহকাৰী অধ্যাপক, দৰ্শন শাস্ত্ৰ
কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়
কোকৰাঝাৰ, অসম-৭৮৩৩৭০
৯৮৫৪৭২৯৬৬০
banashreekok@gmail.com



**ড° কবিতা ডেকা**

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়
কোকৰাঝাৰ, অসম-৭৮৩৩৭০
৭০০২৩৪৯৩৪৭
kabitadeka@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

উৎসৱ-অনুষ্ঠান সামাজিক লোক আচৰণৰ সংযুক্ত ৰূপ। উৎসৱ অনুষ্ঠানসমূহ সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। প্ৰতিখন সমাজতে বিভিন্ন সময়ত অনুষ্ঠিত হৈ অহা উৎসৱ অনুষ্ঠানৰ আনুষংগিক হিচাপে নৃত্য, গীত আদি অনুষ্ঠিত কৰি অহা হয়। অসমভূমি বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। অতীজৰে পৰা অসমত প্ৰতিটো ঋতুত প্ৰতিটো মাহত, আনকি নিৰ্দিষ্ট দিন-বাৰত বিভিন্ন জনগোষ্ঠীয়ে উৎসৱ-অনুষ্ঠান পালন কৰি আহিছে। অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীসকলৰ ভিতৰত জনসংখ্যাৰ ফালৰ পৰা এটি বৃহৎ জনগোষ্ঠী হৈছে বড়ো জনগোষ্ঠী। বড়োসকল অসমৰ ভূমিপুত্ৰ। বড়ো জনগোষ্ঠীয় লোকসকলে বছৰৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান আৰু লোকাচাৰ সমূহ পালন কৰি আহিছে। তেওঁলোকে পালন কৰি অহা উৎসৱসমূহৰ ভিতৰত এটি উল্লেখযোগ্য উৎসৱ হৈছে বৈসাগু উৎসৱ। বৈসাগু উৎসৱ মূলতঃ এটি ঋতুকালীন বা বসন্তকালীন উৎসৱ। বৈসাগু হৈছে বড়োসকলৰ জাতীয় উৎসৱ। অতীতৰ পৰা বড়োসকল প্ৰধানতঃ কৃষি কৰ্মৰ সৈতে সংপৃক্ত এটি জনগোষ্ঠী। বড়োসকলৰ বৈসাগু উৎসৱ অসমৰ বিহু উৎসৱৰ সমধৰ্মী। বৈসাগু উৎসৱৰ লগত জড়িত বৈসাগু নৃত্যও বিহু নৃত্যৰ সমপৰ্যায়ৰ। বিহুগীতৰ দৰে বৈসাগু নৃত্যতো বৈসাগু গীত গোৱা হয়। বৈসাগু নৃত্যত চিফুং, জোথা, থৰখা, ৰামতাল, খাম ইত্যাদি বজাই বড়ো ডেকা গাভৰুসকলে একেলগে অথবা সুকীয়াকৈ নৃত্য প্ৰদৰ্শন কৰে। এই উৎসৱত নাচ-গান, আনন্দ ফূৰ্তি কৰা হয়, কাৰণ এই বিহুৰ পিছৰে পৰাই আৰম্ভ হয় পৰৱৰ্তী বছৰৰ বাবে খেতি চপাই লোৱাৰ সংগ্ৰাম। বৈসাগু উৎসৱ বড়োসকলৰ কেৱল আনন্দৰ হেতু নহয়, ই মানুহৰ মাজত সমতা ৰক্ষাৰ উপৰি বড়োসমাজৰ আচাৰ ব্যৱহাৰ আৰু বিভিন্ন জ্ঞানৰ পৰিচয় বহনকাৰী এক ঐতিহ্যপূৰ্ণ অনুষ্ঠান। আমাৰ এই গৱেষণাপত্ৰখনত বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ ‘ৰংজালি বৈসাগু’ (ৰঙালি বিহু)ৰ পৰম্পৰা আৰু ঐতিহ্য সম্পৰ্কে আলোচনা কৰা হ’ব।

**সূচক শব্দ ঃ**

বড়ো জনগোষ্ঠী, উৎসৱ অনুষ্ঠান, বৈসাগু, ৰংজালি, সংস্কৃতি।

**০.১ গৱেষণাৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

আমাৰ এই গৱেষণা পত্ৰখনৰ জৰিয়তে বড়োসকলৰ জাতীয় উৎসৱ বৈসাগুৰ

ইতিহাসৰ লগতে তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতি আৰু উৎসৱ-অনুষ্ঠানৰ লগত সংপৃক্ত বিভিন্ন পৰম্পৰাগত মৌলিক নীতি নিয়মসমূহ লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ জৰিয়তে মৌখিক পৰম্পৰাত প্ৰচলিত লোকাচাৰসমূহ সংৰক্ষণ লাভ কৰিব বুলি আমি আশাবাদী হোৱাৰ লগতে আমাৰ এই গৱেষণা পত্ৰখন পৰবৰ্তী সময়ত উক্ত বিষয় সম্পৰ্কে অধ্যয়ন কৰিবলৈ ইচ্ছুক গৱেষক সকলৰ নিশ্চয়কৈ সহায়ক হ'ব। এই লক্ষ্য আৰু উদ্দেশ্য শিৰোগত কৰিয়ে আমাৰ এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা হৈছে।

০.২ গৱেষণাৰ পদ্ধতি আৰু পৰিসৰ ঃ

আমাৰ এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে সাধাৰণতে বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। অৱশ্যে প্ৰয়োজন সাপেক্ষে গৱেষণা পত্ৰখনত বৰ্ণনাত্মক পদ্ধতিৰো প্ৰয়োগ কৰা হৈছে। গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ সংশ্লিষ্ট বিষয়ৰ গ্ৰন্থ, গৱেষণা গ্ৰন্থ, গৱেষণা পত্ৰ, বিভিন্ন আলোচনীৰ প্ৰবন্ধ পাতি তথা বিষয়সম্পৰ্কে জ্ঞাত বিজ্ঞ ব্যক্তি সকলৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। লগতে গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ ইন্টাৰনেটৰো সহায় লোৱা হৈছে।

**০.৩ পূৰ্বকৃত অধ্যয়ন ঃ**

অবিনশ্বৰ আত্মাকো প্ৰকাশৰ বাবে দেহৰ প্ৰয়োজন হয়। ঠিক সেইদৰে ভাষা এটাই প্ৰতিষ্ঠা লাভ কৰে সাহিত্য চৰ্চাৰ জৰিয়তেহে। বড়ো ভাষাই বিভিন্ন সাহিত্য, আলোচনা, গ্ৰন্থপঞ্জী, কাব্যপুথি, ৰচনা আদিৰ জৰিয়তে প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰি আজিৰ পূৰ্ণ ভাষাৰ মৰ্য্যদা পাইছে। বড়ো ভাষাক লিখিত ৰূপ দি কিতাপ আকাৰে ৰাইজৰ মাজলৈ উলিয়াই দিয়াত অগ্ৰণী ভূমিকা লৈছিল অৱশ্যেই মিছনেৰী সকলে। Rev. S. Endle চাহাবে 'The Kacharis' নামে প্ৰকাশ কৰি উলিওৱা মূল্যবান কিতাপখনে শিক্ষিত বড়োসমাজৰ চকু মেল খুৱাইছিল। ঠিক সেইদৰে J. D. Anderson ৰ 'Kachari Folk Tales and Rhymes' নামৰ গ্ৰন্থখনেও যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। ১৯২৬ চনত পদ্মশ্ৰী স্বৰ্গীয় মদাৰাম ব্ৰহ্ম ৰচিত 'বড়োনি গুদিদিবসা' আৰু 'আৰজ' নামৰ পুথি দুখনো লেখতলবলগীয়া।

সময় আগবঢ়াৰ লগে লগে বড়ো ভাষাই বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্য্যায়ত স্বীকৃতি লাভ কৰে। ফলত বড়ো শিক্ষিত লোকসকলৰ দায়িত্ব আৰু তাড়না বৃদ্ধি পায়। সেই তাড়নাতেই বিভিন্ন জনে বিভিন্ন দিশত সাহিত্য সৃষ্টি কৰিবলৈ ধৰিলে আৰু জাতীয় জীৱনত বড়ো সাহিত্যৰ অভূত পূৰ্ব বিকাশৰ ধাৰা তৰান্বিত হ'বলৈ ধৰিলে। ভবেন নাৰ্জীৰ 'বড়ো সমাজ আৰু সংস্কৃতি' (১৯৬৪), 'বড়ো কছাৰীৰ গীত-মাত' (১৯৮৩) , 'বড়ো ৰাও' (১৯৯০) আদি উল্লেখযোগ্য। ইয়াৰ বাহিৰেও প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যৰ 'A Descriptive Analysis on Bodo language' (1977), মোহিনী মোহন ব্ৰহ্মৰ 'খুগা মেথায় আৰু খুগা চলো' (১৯৬৮), 'আবৈ আবৌনি চলো' (১৯৬৮), 'বড়ো কছাৰীৰ সাধু' (১৯৭২), ৰোহিনী কুমাৰ ব্ৰহ্মৰ 'সেৰজা চিফুং' (১৯৬৪), মনোৰঞ্জন লাহিড়িৰ A Study of Bodo Folk Song (1985) ইত্যাদি গ্ৰন্থই বড়ো লোক সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। পৰবৰ্ত্তী পৰ্য্যায়ত প্ৰকাশ পোৱা বিভিন্ন গ্ৰন্থ যেনেঃ মেদিনী চৌধুৰীৰ 'The Bodo- Dimasa of Assam' (1988), মধুৰাম বৰোৰ 'Historical Development of the Boro language' (1990), শ্ৰীমতী বিজয়া লক্ষ্মী চৌধুৰীৰ 'Bodos (Kacharis) at a glance' (1993) , থমাছ পুল্ল'পিলিন আৰু জেকৰ আলুকলালৰ 'The Bodos: The Children of Bullum butter', ড° লীলাধৰ ব্ৰহ্মৰ 'Religion and Dances of Bodos (2003) , ড° অনিল বৰোৰ 'The Flute and the Harp (àßassy on Bodo Literature and culture) (2004), প্ৰেমলতা দেৱীৰ 'Social and Religious Institutions of Bodos' (2007), ড° কামেশ্বৰ ব্ৰহ্মৰ 'Aspects of social customs of Bodos' 2008 (reprint) আৰু 'A Study in cultural Heritage of the Boros' 2011 (reprint), ভাষাবিদ সুনীতি কুমাৰ চেটাৰ্জীৰ 'Kirata Jana Kriti' 2011 (reprint), ড° শেখৰ ব্ৰহ্মৰ 'Religion of the Boros and their Socio-cultural Transition' 2011 (reprint), ড° মালবিকা বাগলাৰীৰ 'বড়ো সমাজ আৰু সংস্কৃতি' (২০১৬), এই অভাজন আৰু উমেশ দাস সম্পাদিত The Bodos: The Frontier Aboriginal of Assam' (2014) ইত্যাদি গ্ৰন্থৰাজিৰ পৰা আলোচিত বিষয়বস্তুৰ সম্যক ধাৰণা পাবৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাহিৰেও বিভিন্ন গৱেষক, লেখক, পণ্ডিতে তেওঁলোকৰ তথ্যসমৃদ্ধ লেখা তথা আলোচনা বিভিন্ন ৰাষ্ট্ৰীয়, আন্তৰাষ্ট্ৰীয় জাৰ্নেলত প্ৰকাশ কৰি থৈ গৈছে। আলোচ্য বিষয়ৰ কাৰণে উক্ত জাৰ্নেল সমূহো সহায়ক বুলি বিবেচিত হৈছে।

**১.০ অৱতৰণিকা ঃ**

অসম এখন বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি, পৱিত্ৰ ঠাই। ইয়াত অতীতৰে পৰা বাস কৰি অহা বিভিন্ন জাতি-

জনগোষ্ঠীয়ে স্বকীয় বৈশিষ্ট্যৰে নিজস্ব উৎসৱ-পাৰ্বণ পালন কৰি আহিছে। বিহুটোও তেনেকৈ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে ভিন্ন নামাকৰণেৰে ভিন্ন ৰূপত পালন কৰি আহিছে। বিহু এই সুকীয়া ৰূপৰে এক সন্মিলিত ৰূপ, সন্মিলিত উৎসৱ। সেয়ে বিহু অসমৰ বিভিন্ন জনগোষ্ঠীৰ এক উমৈহতীয়া উৎসৱ, সমন্বয়ৰ প্ৰতীক। বিভিন্ন পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ মাজেৰে আহি অসমীয়াৰ বিহুৱে আজিৰ অৱস্থা পাইছেহি। অসমীয়াৰ বাপতি সাহোন বিহুটিত ব্যৱহৃত হোৱা লোকবাদ্য সমূহো ভিন, ভিন জনগোষ্ঠীসমূহৰেই অৱদান। কাৰোবাৰ যদি গগণা, কাৰোবাৰ গাম-খাৰু, মহঁৰ শিঙৰ পেঁপাটি যদি কোনোবাটো জনগোষ্ঠীৰ, ঢোল-পেঁপা, ৰিহা-মেখেলা আকৌ আন কাৰোবাৰ। মুঠতে, এই জনগোষ্ঠীসমূহৰ মাজত প্ৰচলিত বিহুক বাদ দি অসম বা অসমীয়াৰ বিহুৰ কথা আলোচনা কৰা সম্ভৱ নহয়।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ ভিতৰত বড়োসকল এক অন্যতম আৰু প্ৰাচীনতম জনগোষ্ঠী। তেওঁলোক অসমৰ ভূমিপুত্ৰ। অৱশ্যে এই আলোচনাত 'বড়ো' বুলি ক'লে বড়ো, ডিমাছা, তিৱা (লালুং), দেউৰী, চুতীয়া, মৰাণ (মটক) ৰাভা, গাৰো, ঠেঙাল-কছাৰী শৰণীয়া-কছাৰী, কোচ-ৰাজবংশী, ক'ক বৰোক (ত্ৰিপুৰী) আদি সকলো বড়োমূলীয় মংগোলীয় লোকসকলক সামৰি লোৱা হৈছে। ইয়াৰে মূল বড়োসকলে ৰঙালী বিহুটিক 'বৈসাগু' নামেৰে পালন কৰি আহিছে যদিও তেওঁলোকৰ মাজত এই উৎসৱ প্ৰচলনৰ সময়সীমা খুব বেছি পুৰণি নহয় বুলি বিজ্ঞসকলে জানিব দিছে। যেতিয়াৰ পৰা বছৰ, মাহ তথা ব'হাগ, জেঠ, আহাৰ আদি গণনাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল তেতিয়াৰ পৰাহে এই নামটিও উৎসৱৰ লগত সাঙোৰ খাই পৰে। তেতিয়া স্বাভাৱিকতে মনত প্ৰশ্ন জাগে তেন্তে ইয়াৰ পূৰ্বে এই উৎসৱটিক কি নামেৰে অভিহিত কৰা হৈছিল বা পালন কৰা হৈছিল? নে নতুন বছৰ, নতুন মাহ আদি গণনাৰ আগত বড়োসকলৰ মাজত এই উৎসৱটিৰ অস্তিত্বই নাছিল?

এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া ভাল যে কোনো এটা জাতিৰ জাতীয় সংস্কৃতি বা উৎসৱ কোনো দিন-বাৰ বা চন-তাৰিখ লৈ জন্ম নহয়। এটা জাতিৰ কোনো উৎসৱ বা সংস্কৃতি হ'ল বহু হাজাৰ বছৰৰ পুঞ্জীভূত অভিজ্ঞতাৰ ফল। গঢ় দিম বুলিলেই উৎসৱ এটা হঠাতে গঢ় দিব নোৱাৰি। ই বহু জাতিৰ, বহুযুগৰ অৱদান। সেয়ে হয়তো বিখ্যাত নৃতত্ত্ববিদ E.B. Tylor এ কৈছিল "Culture is that complex whole which includes knowledge, belief, art, morals, law, custom and any other capabilities acquired by man as a member of society. Culture is the total Social heritage, it is not the individual heritage of man" গতিকে, সংস্কৃতি কোনো ব্যক্তিৰ ব্যক্তিগত সম্পত্তি নহয়; বৰং জনসমাজৰ সন্মিলিত অভিজ্ঞতাৰ ফল। কোনো এটা জনসমষ্টিয়ে জীয়াই থকাৰ বাবে কৰি অহা অবিৰত সংগ্ৰামৰ মাজেদি লাভ কৰা জ্ঞান তথা অভিজ্ঞতা আৰু তাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা অগাধ বিশ্বাস আৰু প্ৰাকৃতিক সৌন্দৰ্য্য ৰাশিৰ অপৰূপ সৌন্দৰ্য্যত মুগ্ধ হৈ প্ৰকাশ কৰা শিল্পীমনৰ সুংসহত কাল্পনিক শক্তিৰ স্বতঃস্ফূৰ্ত বহিঃ প্ৰকাশেই হৈছে সংস্কৃতি।

**১.১ বিষয়বস্তুৰ বিশ্লেষণ ঃ**

'ৰংজালি বৈসাগু'ও বড়োসকলৰ এনে এটা উৎসৱ যাৰ সৃষ্টি হৈছে বহু হাজাৰ বছৰীয়া জ্ঞান-অভিজ্ঞতাৰ ভিত্তিত। অসমীয়া সকলৰ বিহু যিদৰে কৃষিৰ লগত জড়িত ঠিক একেদৰে বড়ো জনগোষ্ঠীৰ 'ৰংজালি বৈসাগু'ও কৃষি কাৰ্য্যৰ লগত সংপৃক্ত হৈ আছে। বিহুৰ লগত বিজ্ঞানৰো সম্পৰ্ক মন কৰিব লগীয়া। সেই একেই বিজ্ঞান 'ৰংজালি বৈসাগু'তো বিদ্যমান। কৃষি তথা শস্য উৎপাদন কৰিবলৈ হ'লে প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত হ'বই লাগিব। প্ৰকৃতিৰ গতি-বিধিৰ ওপৰতে নিৰ্ভৰ কৰে খেতি-বাতিৰ কথা। সেয়ে প্ৰকৃতিৰ উৎপাদন শক্তি বৃদ্ধিৰ আকাংক্ষা মানুহৰ স্বাভাৱিক আকাংক্ষা। এই আকাংক্ষাই আছিল মূলতঃ বিহু উৎপত্তিৰ অন্তৰালত ক্ৰিয়া কৰি থকা চালিকা শক্তি। 'ৰংজালি বৈসাগু'ও এই শক্তিৰেই উদ্বুদ্ধ।

কেৱল অসমতেই যে 'ৰঙালী বিহু' বা 'ৰংজালি বৈসাগু'ৰ প্ৰচলন আছে তেনে নহয়। খেতি পথাৰত নমাৰ আগত আৰু খেতি চপোৱাৰ পিছত ভগবানক সাক্ষী কৰি কিছু ধৰ্মীয় তথা সামাজিক নীতি-নিয়মৰ মাজেৰে শস্য উৎপাদন বৃদ্ধিৰ লগতে সকলোৰে মংগল কামনা কৰাটো ভাৰতৰ অন্যান্য ঠাইৰ লগতে অন্য দেশসমূহতো বিৰাজমান। পশ্চিম বংগত 'সংক্ৰান্তি' উৎসৱ, পাঞ্জাৱত 'বৈশাখ', দক্ষিণ ভাৰতত 'অখতীজ', মহাৰাষ্ট্ৰত 'ৰায়চায়নাম' আদি উৎসৱ পালন কৰা হয় যদিও ইয়াক পালন কৰাৰ পদ্ধতি অসমৰ দৰে নহয়। পশ্চিমীয়া দেশবোৰতো এক প্ৰকাৰ Spring Festival পালন কৰা হয় যাৰ উদ্দেশ্যৰ লগত আমাৰ বিহুৰ উদ্দেশ্যৰ যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। তথাপি যেন আমাৰ অসমৰ বিহু কিবা এটা বেলেগ; ই আমাৰ আবেগ তথা জাতিটোৰ সাহ। প্ৰতিজন অসমীয়াৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, সিৰাই-উপসিৰাই প্ৰবাহিত হৈ আছে বিহুৰ আবেগ।

বড়োসকলৰ মাজত বিহুটি যেনেকৈ ‘বৈসাগু’ নামেৰে জনাজাত ঠিক তেনেকৈ দেউৰী সকলৰ মাজত ‘বিচু’, ৰাভাসকলৰ মাজত ‘বায়খো’, তিৱা সকলৰ মাজত ‘বিচু’, ডিমাছাসকলৰ মাজত ‘বুচু’, ৰাজবংশীসকলৰ মাজত ‘বিষুৱা’ ইত্যাদি নামেৰে পালন কৰা হৈ আহিছে। এই সকলোবোৰ বড়োমূলীয় জনগোষ্ঠী হোৱা বাবে উৎসৱটিৰ নামৰ মাজতো একপ্ৰকাৰ সাদৃশ্য পৰিলক্ষিত হয়। আহোম সকল অহাৰ পূৰ্বে বিহু বা তেনে নামৰ জাতীয় কোনো উৎসৱ অসমত নাছিল বুলি পণ্ডিত সকলে ক’ব বিচাৰে। আহোম সকলৰ পূৰ্বে অসমত বসবাস কৰি অহা বড়োমূলীয় লোকসকলৰ মাজত অৱশ্যেই প্ৰচলন আছিল আনন্দ প্ৰকাশক গীত-মাত বা নাচ-গান। কিন্তু সেইবোৰ কেতিয়াও সংগঠিত ৰূপত নাছিল। যেনে মাছ ধৰিবলৈ যাওতে, পথাৰত কঠীয়া তুলিবলৈ যাওতে কিম্বা তাঁত শালত কাপোৰ বওতে গাভৰুসকলে সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-স্ফুৰ্ত্তি প্ৰকাশৰ বাবে গীত গাইছিল আৰু সুযোগ পালে এপাক কঁকাল ঘুৰাই নাচিও লৈছিল। কিন্তু সেইবোৰ আছিল অতি অসংগঠিত ৰূপত আৰু স্বভাৱসুলভ ভংগীমাত প্ৰকাশ পোৱা গীত-মাত বা নাচ। পৰৱৰ্ত্তী সময়ত আহোম সকলে এইবোৰ সংগঠিত ৰূপত লৈ আহে আৰু সেয়াই সময়ৰ সোঁতত গৈ অসমৰ জনগোষ্ঠী সকলৰ সমন্বয়ৰ উৎসৱ ‘ৰঙালী বিহু’ৰ ৰূপ পৰিগ্ৰহণ কৰে।

বড়োসকলে ৰঙালি বিহুটিক ‘বৈসাগু’ নাম কিয় দিলে তাক লৈ গৱেষক, ইতিহাসবিদ সকলৰ মাজত যথেষ্ট মতানৈক্য দেখা যায়। কিছুমানৰ মতে ‘বৌছাৰনি আগু— বৈসাগু’ অৰ্থাৎ বছৰৰ পহিলা দিন বা আৰম্ভণি হিচাপে এই উৎসৱটিৰ নাম ‘বৈসাগু’ ৰখা হয়। আকৌ আন কিছুমানে ‘বিহু’ শব্দটোকে বড়ো শব্দ বুলি কব বিচাৰে। এওঁলোকৰ ভিতৰত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা অন্যতম। তেখেতৰ মতে, বছৰৰ পহিলা দিনকেইটিত বড়ো ডেকা-গাভৰু সকলে জাক পাতি বা দল বান্ধি নাচি নাচি ইঘৰৰ পৰা সিঘৰলৈ যায় আৰু নাচৰ পিচত কিবা এটি মাগি বা ভিক্ষা খুজি লৈ আহে। এতিয়াও গাঁও অঞ্চলত এই প্ৰথাৰ প্ৰচলন দেখা যায়। পুৰণি কালত গৃহস্থই ডেকা-গাভৰুসকলক আথে-বেথে চোতালত বহিবলৈ দি জা-জলপানেৰে আপ্যায়িত কৰাৰ লগতে যথা-সম্ভৱ দান-দক্ষিণা দিয়াৰ নিয়ম আছিল। তেওঁলোকেও গৃহস্থক আশীৰ্বাদ দি দান কৰা দ্ৰব্যখিনি দুহাতেৰে তুলি লৈ অতি সন্তোষেৰে প্ৰস্থান কৰি আন এঘৰলৈ বুলি ৰাওনা হৈছিল। অতি সন্তোষেৰে দুহাতেৰে তুলি লোৱা কাৰ্য্যক বড়ো ভাষাত ‘হুনানৈই লানায়’ বুলি কোৱা হয়। এইদৰে ‘বিনায়’ (খোজা বা বিচৰা) আৰু ‘হুনায়’ (তুলি লোৱা) — এই দুই শব্দৰ সংযোগত ‘বিহু’ শব্দ নিঃসৃত হোৱা বুলি ৰাভাদেৱে ক’ব খোজে। বড়োমূলীয় দেউৰী ভাষাত ‘বিচু’, তিৱাত ‘বিচু’, ৰাভাত ‘বায়খো’, ডিমাছাত ‘বুচু’ বা কোচ-ৰাজবংশীত ‘বিষুৱা’ আদিলৈ লক্ষ্য কৰিলে ‘বিহু’ শব্দটি বড়ো শব্দ হোৱাৰ সম্ভাৱনাক নিশ্চয় নুই কৰিব নোৱাৰি।

ৰাভাদেৱৰ বিশ্লেষণৰ আলমত আমিও এই কথা স্পষ্টকৈ ভাবি ল’ব পাৰো যে প্ৰকৃতি সকলো সময়তে আমাক দিবৰ কাৰণেই প্ৰস্তুত হৈ থাকে। আমি কেৱল শস্য-শ্যামলা প্ৰকৃতিৰ পৰা ল’ব জানিব লাগে। মানুহ আৰু প্ৰকৃতিৰ মাজৰ এই সম্পৰ্ক অতি নিবিড় আৰু প্ৰাচীন। প্ৰকৃতিৰ বদান্যতা অবিহনে মানুহ জীয়াই থকাৰ কথা কল্পনা কৰাও অবাস্তৱ। প্ৰকৃতিয়ে দিয়াত কৃপণালি নকৰে যদিও তাৰ পৰা লোৱাও ইমান সহজ নহয়। প্ৰকৃতিৰ বুকুৰ পৰা আদায় কৰিবৰ কাৰণে প্ৰকৃতিক অধিক দিব পৰাকৈয়ো সক্ষম কৰি তুলিব লাগিব। প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধিত আমি গুৰুত্ব দিব লাগিব। সেয়ে হয়তো প্ৰকৃতিৰ শ্ৰীবৃদ্ধি কামনা কৰি বিহু বা বৈসাগুত ভগবান বা ‘বাথৌ বৌৱায়’ৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। কৃষিকাৰ্য্যৰ অন্যতম অংগ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰি ‘গৰুবিহু’ (মসৌ ছান)ৰ দিনা ঢল পুৱাতে উঠি গৰুক গা ধুৱাই লাউ, বেঙেনাৰ টুকুৰা গৰুৰ গালৈ ছটিয়াই দি কোৱা হয় —

“লাউজা, ফাণ্ঠাও জা
বৌছাৰ বৌছাৰ এৰ হাঞ্জা হাঞ্জা
বিমানি খিথেৰ ফিফানি খিথেৰ
নৌং জা গৌলাও গেদেৰ”

(অৰ্থাৎ ‘লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা, মাৰ সৰু, বাপেৰ সৰু, তই হবি বৰ গৰু’ ইত্যাদি।)

গা ধুওৱাৰ পিছত ঘাঁহ খাবলৈ পথাৰত গৰুবোৰ মেলি দিয়া হয়। ইফালে আকৌ ঘৰৰ মহিলাসকলে গোহালিৰ পৰা গোবৰ এপাচি আনি বাটৰ এটা কোণত পেলাই থৈ যায়। তেনে কৰিলে গোহালিৰ গৰুলৈ কাৰো কোপ দৃষ্টি নপৰে বুলি বড়োসকলে বিশ্বাস কৰে। অসমীয়াৰ ‘গৰু বিহু’ৰ দৰেই বড়ো সকলেও দীঘলতী, মাখিয়তী, তৰা আদিৰে গৰুক কোবোৱা নিয়ম আছে। সেইদিনা গৰুক বাঁহ বা বেলেগ এচাৰিৰে কোবোৱা নিষেধ। দীঘলতী, মাখিয়তী, তৰা আদিৰে কোবালে গৰুৰ শৰীৰৰ পৰা নানা ৰকমৰ বেমাৰৰ বীজাণু দূৰ

হয় আৰু গাই-গৰু খীৰতি হয় বুলি বড়ো সকলে বিশ্বাস কৰি আহিছে। গধূলি গৰুবোৰক নতুন পঘাৰে বন্ধা হয়। নতুন পঘাৰে বন্ধাৰ আগতে চোতালৰ উত্তৰ-পূব দিশত থকা বাথৌ বেদীৰ ওচৰত পৱিত্ৰ পানীৰে ঠাইডোখৰ মচি-কাচি এখিলা আগলি কলপাতত এযোৰ তামোল-পাণ, আলাৰি বাতি (মাটিৰ চাকি) জ্বলাই পঘাবোৰ ৰাখি 'বৌৰাই বাথৌ'ক পূজা এভাগ দিয়া হয়। তাৰ পিচত গৰুক বিচনীৰ বা দিয়া হয় আৰু সেই দিনাৰ পৰা মানুহেও বিচনীৰ বা লোৱা আৰম্ভ কৰে।

গৰুবিহুৰ দিনাই তেওঁলোকে পৰম্পৰাগত বিশ্বাস অনুসৰি বিভিন্ন শাক-পাচলি (১০১ বিধ)ৰ ব্যঞ্জন ৰান্ধি খোৱা নিয়ম আছে। অৱশ্যে বহুতেই আকৌ সাত দিনৰ যিকোনো এদিনত শাক ভাজি খোৱাও দেখা যায়। বিভিন্ন শাক পাতৰ লগত ওমা বেদৰ (গাহৰিৰ মাংস) বা দাও বেদৰ (মুৰ্গীৰ মাংস) ও ৰান্ধি যায়। ইয়াক তেওঁলোকৰ মাজত 'গোখা-গৌখৈ খাজি জানায়' বুলি কোৱা হয়। লাফা শাক, মৈথা শাক, ঔৱা মেৰা (বাঁহ গাজ), শিব্ৰু, মেস্তা টেঙা, লাই, নিমপাত, ঢেকীয়া, পচঁতি আদি বিভিন্ন তিতা-মিঠা শাকৰ আঞ্জাই নতুন বছৰটোৰ আৰম্ভণিতে এক ভিন্ন স্বাদৰ অভিজ্ঞতা প্ৰদান কৰে। নতুন বছৰটো সকলোৰে কাৰণে শুভ হওক বুলি ভাবিলেও কেতিয়াবা, কেতিয়াবা তিতা-মিঠা অভিজ্ঞতাৰ সন্মুখীন হ'ব লগাত পৰিবও পাৰে বুলি তেনে পৰিস্থিতিৰ কাৰণে 'গোখা গৌখৈ খাজি জানায়' পৰম্পৰাৰ দ্বাৰা সদা প্ৰস্তুত কৰি ৰাখিবৰ কাৰণে 'বৌৰাই বাথৌ'ৰ ওচৰত প্ৰাৰ্থনা নিবেদন কৰা হয়।

তাৰ পিছৰ দিনা 'মানসি বৈসাগু' অৰ্থাৎ মানুহ বিহু পালন কৰা হয়। সিদিনা পুৱাই গা-পা ধুই বাথৌৰ বেদীত আঁঠু লৈ আগন্তুক নতুন বছৰটি যাতে সকলোৰে সুখে-সমৃদ্ধিৰে পাৰ হয়, পথাৰৰ শস্য শ্যামলা যাতে নদন-বদন হয় আৰু অপায়-অমংগল দূৰ হয় তাকে কামনা কৰি ধূপ-ধুনা জ্বলায়। তাৰ পিছতে সকলো বাদ্যযন্ত্ৰ যেনে ঢোল, চিফৌং (বাঁহী), পেপা, গগণা, জোথা, খেৰেঞ্জা আদি লোকবাদ্যসমূহ লৈ গাঁওৰ ইঘৰৰ পৰা সিঘৰলৈ যায়। পোন প্ৰথমে গাঁৱৰ মুখিয়াল জনৰ ঘৰৰ পৰাই বা এডোখৰ মুকলি ঠাইৰ পৰাই 'ৰংজালি বৈসাগু'ৰ প্ৰকৃত ৰং-ৰহইচ বা আনন্দ আৰম্ভ হয়। তেওঁলোকে গায়—

"দাওদৈ নানগৌ
দাওদৈ, দাওদৈ, দাওদৈ
দাওদৈ গুয়াব্লা
ইচিং খনানি জৌ বিদৈ।"

[অৰ্থাৎ আমাক কণী লাগে, কণী লাগে। যদি কণী নাই তেন্তে পাক-ঘৰত থকা জৌ বিদৈ (চাউলৰ পৰা প্ৰস্তুত কৰা পানীয়) লাগে।] বড়োসকলৰ যিকোনো মাংগলিক বা সামাজিক অনুষ্ঠান সি লাগিলে বিয়া-সবাহেই হওক বা বিহুৱেই হওক সেয়া 'জৌ বিদৈ' অবিহনে সম্পূৰ্ণ নহয়। 'জৌ বিদৈ' তেওঁলোকৰ সমাজ ব্যৱস্থাত এক অপৰিহাৰ্য্য অংগ।

ঘৰে ঘৰে গৈ 'বৈসাগু' গীত গোৱা পৰ্বটো আৰম্ভ হয় এই 'মানুহ বিহু'ৰ দিনাৰ পৰাই। প্ৰকৃতিয়ে ন-ৰূপ ধাৰণ কৰি যিদৰে সজীৱ আৰু জীপাল হৈ উঠে একেদৰে 'ৰংজালি বৈসাগু'ৰ দিনতো ডেকা-গাভৰু, বুঢ়া-মেথাৰ মন আনন্দত নাচি উঠে। সেয়ে তেওঁলোকে গায়—

"বৈসাগু বৌথৌৰনি অখা হানায়জৌং
বিফাং বিলায়বৌ খ্ৰব খ্ৰব আখায় খবৌ
জৌংনি গৌছায়াৰী বাগৰুম বাগৰুম মৌছানৌ
লুবৌইখাঙৌ হায় লৌগী লুবৌইখাঙৌ।"

অৰ্থাৎ ব'হাগৰ বতৰৰ বৰষুণ জাকত গছৰ পাতবোৰে যেনেকৈ হাত চাপৰি বজায়, তেনেকৈ আমাৰ মনবোৰেও বিহু অহাৰ লগে লগে বাগৰুম, বাগৰুম নাচিবলৈ আৰম্ভ কৰে। বিহু আহিলে যে আমাৰ মনত উথপ-থপ্ লাগে, আনন্দতে ডেকা-গাভৰুৰ মন আত্মহাৰা হয় তাৰেই বহিঃপ্ৰকাশ উক্ত গীতটো।

বিহুৰ লগত যে সৃষ্টিৰ বিজ্ঞান জড়িত আছে সেই কথা আগতে ইতিমধ্যে উনুকিওৱা হৈছে। 'ৰংজালি বৈসাগু'ও ইয়াৰ ব্যতিক্ৰম নহয়। সৃষ্টিৰ আদিমন্ত্ৰই হৈছে পুৰুষ আৰু প্ৰকৃতিৰ মিলন। বিপৰীত লিঙ্গৰ মিলন অবিহনে সৃষ্টি প্ৰক্ৰিয়া কেতিয়াও সম্ভৱ নহয়। ডেকা-গাভৰুৰ মাজত এই মিলনৰ স্বাভাৱিক বাসনা প্ৰকাশ পায় অখ্যাত ৰচকৰ দ্বাৰা সৃষ্ট প্ৰখ্যাত গীত সমূহত। সেয়ে বড়োৰ বিহু গীতত শুনা যায়—

"গৌছা থৌয়ৌব্লা খুছি জায়ৌব্লা
গৌৰজিয়া থাফৌই আদা গৌৰজিয়া থাফৌই
নৌং ছায়ৌব্লা গৌৰজিয়া থাফৌই।
আই আফায়াবৌ নাগিৰৰৌংলিয়া
আংহাবৌ খাফালাও মননৌ গৌইলিয়া।
আংবৌ আগৰ ৰৌঙা আদা
নৌংবৌ লেখা ৰৌঙা
গৌৰজিয়া থাফৌই আদা গৌৰজিয়া থাফৌই
গালাফাৰানি সোণালু আদা সোণা।"

অৰ্থাৎ তুমি যদি সহ্য কৰিব পাৰা, মানি ল'ব পাৰা আৰু মোক ভাল পোৱা, তোমাৰ মনে যদি শান্তি পায় তেন্তে তুমি আহি ঘৰজোঁৱাই হৈ থাকা। মা-পিতায়েও বিচাৰি ঠিক কৰি দিব নেজানে, মোৰো কপালত নাই; ময়ো কাপোৰত ফুল তুলিব নেজানো, তুমিও লিখা-পঢ়া নেজানা। কি আৰু কৰিবা। গতিকে, গালাপাৰাৰ সোণালু ককাই, মোৰ সোণ আহি ঘৰজোঁৱাই হৈয়ে থাকা।

কাপোৰ ব'ব নেজানা, ফুল তুলিব নেজানা বয়সে ভাটি দিয়া এগৰাকী আবিয়ৈ গাভৰুৱে বিহুৰ আগমনৰ লগে লগে নিজৰ দেহ আৰু মনৰ মাজত সুপ্ত হৈ থকা স্বাভাৱিক জৈৱিক তাড়না আৰু বিশ্বজনীন প্ৰবৃত্তিক কিদৰে লিখা-পঢ়া নজনা নিঃস্ব, নিঃকিন প্ৰিয়জনৰ ওচৰত প্ৰকাশ কৰিছে, আকুলতাৰে প্ৰেম নিবেদন কৰিছে তাৰেই বহিঃপ্ৰকাশ উক্ত গীতটো।

## ১.২ সামৰণি ঃ

এইদৰেই 'ৰংজালি বৈসাগু' বা 'ৰঙালী বিহু' বড়ো সকলৰ হওক বা আন জাতি-জনগোষ্ঠীৰে হওক ই হৈ পৰে ৰঙৰ উৎসৱ, আনন্দৰ উৎসৱ। পেটৰ ভোক পাহৰি আপোনজনৰ লগত হিয়া উজাৰি কথা পতা, হহাঁ-নচা, আনন্দ-স্ফুৰ্ত্তি কৰি থাকোতে নিশাবোৰো যে দিনৰ সৈতে একাকাৰ হৈ যায় সেয়া পাহৰি যায় এই বিহুতে। তথাপি যেন হেঁপাহ নপলায়। এইদৰে ৰং-ৰহইচ, স্ফুৰ্ত্তি-আনন্দৰ মাজেৰে পাৰ হৈ যায় 'ৰংজালি বৈসাগু'ৰ সাতোটা দিন। এই কথা লক্ষ্য কৰিয়ে Rev. Sidney Endle এ কৈ গৈছে- "Among the Darrang kacharis, this festival last for seven days, during which little or no work is done, the whole period being given up to marry-making, dancing, feasting etc." গতিকে, লক্ষ্য-উদ্দেশ্য আৰু উদযাপনৰ দিশৰ পৰা চাবলৈ গ'লে 'ৰংজালি বৈসাগু' আৰু 'ৰঙালী বিহু'ৰ মাজত যে খুব এটি তফাৎ পৰিলক্ষিত নহয় তাক স্পষ্টকৈ ক'ব পাৰি। আশা কৰিম, বিশ্বায়নৰ ধামখুমীয়াত যাতে 'ৰংজালি বৈসাগু'বা আমাৰ বাপতি সাহোন ৰঙালী বিহুৰ চাৰিত্ৰিক বৈশিষ্ট, পৰম্পৰাগত লোকাচাৰ তথা বিশ্বাস সমূহ হেৰাই নেযায়। ই নিৰ্ভেজাল আৰু অকৃত্ৰিম হৈয়ে ৰওক! ❑


সহায়ক গ্ৰন্থপঞ্জী ঃ

১। Tylor, E.B ঃ Primitive Culture, P-1

২। Chattergi, S.Kঃ Kirata Jana kriti, P-27, 28

৩। Endle, S ঃ The kacharis, P-50

৪। Gait, Edward ঃ A History of Assam, P-7

৫। Nath, Rajmohan ঃ The Background of Assamese Culture.

৬। ৰাজকুমাৰ সৰ্বানন্দ ঃ 'ইতিহাসে সোঁৱৰা ছশটা বছৰ'

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# বৌদ্ধ নীতিশাস্ত্ৰ আৰু ইয়াৰ প্ৰাসংগিকতা



**গৰিমা দত্ত**
গৱেষক, দৰ্শন বিভাগ
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত
বিশ্ববিদ্যালয়, খানাপাৰা
ৰেচম নগৰ বোড়োলেণ্ড গেষ্ট হাউচৰ
সমীপত, গুৱাহাটী, অসম-৭৮১০২২
৮৫৪৪৫৭৯২১
garimasaikia6@gmail.com



**ড° তেজস্বা কলিতা**
সহকাৰী অধ্যাপক, দৰ্শন বিভাগ
কৃষ্ণ কান্ত সৈন্দিকৈ ৰাজ্যিক মুক্ত
বিশ্ববিদ্যালয়, খানাপাৰা
ৰেচম নগৰ বোড়োলেণ্ড গেষ্ট হাউচৰ
সমীপত, গুৱাহাটী, অসম পিনঃ ৭৮১০২২
৭০০২৬৮৮৩৪৯
tejasha397@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

ভাৰতীয় দৰ্শনৰ এক অন্যতম অবৈদিক শাখা হ'ল বৌদ্ধ দৰ্শন। গৌতম বুদ্ধ বৌদ্ধ ধৰ্ম আৰু দৰ্শনৰ প্ৰতিষ্ঠাপক। তেওঁৰ প্ৰকৃত নাম সিদ্ধাৰ্থ বা গৌতম। পৰৱৰ্তীকালত তেওঁ বুদ্ধ নামেৰে পৰিচিত হয়। বুদ্ধদেৱ দৰ্শনৰ আলোচনাত বিশেষ আগ্ৰহী নাছিল। তেওঁ মূলতঃ নীতিশাস্ত্ৰ ধৰ্মৰ প্ৰচাৰকহে আছিল। মানৱ জীৱনৰ পৰা দুখক সম্পূৰ্ণৰূপে অপসৰণ কৰাত তেওঁ বিশেষ আগ্ৰহী আছিল। বুদ্ধদেৱৰ দৰ্শন সম্পূৰ্ণৰূপে ব্যৱহাৰিক বা প্ৰায়োগিক। তেওঁৰ মতে যি জ্ঞান আমাৰ ব্যৱহাৰিক জীৱনৰ লগত যুক্ত নহয়, তাৰ আলোচনা নিৰৰ্থক। তেওঁ দৰ্শনৰ তাত্ত্বিক জ্ঞানতকৈ নৈতিক সদাচাৰেহে নিবাৰ্ণ অৰ্থাৎ মুক্তি লাভ কৰাত সহায় কৰে বুলি মত পোষণ কৰিছিল। বুদ্ধদেৱ আছিল মূলতঃ নৈতিক শিক্ষাগুৰু আৰু ধৰ্মসংস্কাৰক। এই গৱেষণা পত্ৰখনিত বৌদ্ধ দৰ্শনৰ বিভিন্ন নৈতিক ধাৰণা আৰু এই ধাৰণাসমূহৰ বৰ্তমানৰ সমাজ ব্যৱস্থাত প্ৰাসংগিকতা সম্পৰ্কে এটি নীতি দীৰ্ঘ আলোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

**বিশেষ শব্দ ঃ**

নীতিশাস্ত্ৰ, অষ্টাঙ্গিক মাৰ্গ, ব্ৰহ্মবিহাৰ, পঞ্চশীল।

**অৱতৰণিকা ঃ**

নীতিশাস্ত্ৰ হৈছে নৈতিকতাৰ বিজ্ঞান, সমাজৰ পটভূমিত মানুহৰ আচৰণ সম্পৰ্কে যি বিজ্ঞানে আলোচনা কৰে তাকে নীতিবিজ্ঞান বোলে। যি শাস্ত্ৰই মানুহৰ চৰিত্ৰ বা আচৰণৰ নৈতিক মূল্য বিচাৰ কৰে তাকে সাধাৰণতে নীতিশাস্ত্ৰ বোলা হয়। নৈতিক দৃষ্টিকোণৰ পৰা মানৱ জীৱনৰ কৰ্মসমূহক সৎ-অসৎ, ভাল-বেয়া, উচিত-অনুচিত বুলি বিচাৰ-বিবেচনা কৰা হয়। মানুহৰ ঐচ্ছিক বা অভ্যাস জনিত কামবোৰক নৈতিক মূল্যায়ন কৰা হয়। সেইবাবে নীতিশাস্ত্ৰক আচৰণৰ শুদ্ধতা- অশুদ্ধতা আৰু উচিত অনুচিত নিৰূপণৰ বিজ্ঞান বুলিও কোৱা হয়। পৰম কল্যাণক আদৰ্শ হিচাপে লৈ সমাজস্থ মানৱ আচৰণৰ যথাৰ্থ মূল্যায়ন কৰাই হ'ল দৰ্শন শাস্ত্ৰৰ নীতিবিদ্যা।

গৌতম বুদ্ধৰ উপদেশ আৰু বাণীসমূহৰ ওপৰত ভিত্তি কৰিয়েই বৌদ্ধ দৰ্শন গঢ়ি উঠিছিল। বুদ্ধ এগৰাকী নৈতিক শিক্ষক আৰু সংস্কাৰক আছিল। ব্যৱহাৰিক উপযোগিতাহীন আধ্যাত্মিক দিশটোক বুদ্ধদেৱে কেতিয়াও সমৰ্থন কৰা নাছিল। তেওঁৰ মতে ব্যৱহাৰিক জীৱনৰ লগত যুক্ত নোহোৱা জ্ঞানৰ আলোচনা নিৰৰ্থক। তেওঁৰ দৰ্শনৰ মূল উদ্দেশ্যই আছিল মানৱ জীৱনৰ পৰা কিদৰে জৰা-মৰণ আদি দুখ নিবাৰণ কৰা হয়

তাৰ আলোচনা কৰা। দাৰ্শনিক তত্বগধুৰ আলোচনাৰে মানুহৰ দুখ নিবৃত্ত নহয়, দুখৰ পৰা নিবাৰ্ণ লাভ কৰিব পাৰি কেৱল নৈতিক আচৰণৰ দ্বাৰা তেওঁ তাত্বিক জ্ঞানতকৈ নৈতিক সদাচাৰেহে নিবাৰ্ণ লাভ কৰাত সহায় কৰে বুলি স্পষ্ট মত পোষণ কৰিছিল। সেয়েহে দেখা যায় যে ভাৰতীয় নীতিশাস্ত্ৰত বৌদ্ধ নৈতিকতাই এক অন্যতম শ্ৰেষ্ঠ নৈতিক দৰ্শন হিচাপে প্ৰতিষ্ঠিত হৈছে।

**উদ্দেশ্যঃ**

বৌদ্ধ দৰ্শন আৰু বৌদ্ধ দৰ্শনৰ নীতিশাস্ত্ৰৰ লগত জড়িত বিভিন্ন ধাৰণা সমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱাৰ লগতে এই ধাৰণাসমূহ আমাৰ সামাজিক জীৱনৰ লগত কেনেকৈ জড়িত হৈ আছে তাক উপলব্ধি কৰোৱাটোও হৈছে আমাৰ গৱেষণা পত্ৰখনিৰ লক্ষ্য আৰু উদ্দেশ্য।

**পদ্ধতি ঃ**

গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোতে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। সমল আহৰণৰ বাবে ইতিমধ্যে প্ৰকাশিত বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধ আদিৰ সহায় লোৱা হৈছে।

**বিষয়বস্তুৰ আলোচনা ঃ**

বুদ্ধদেৰৰ মতে এক নৈতিক জীৱন যাপনেই মানুহৰ প্ৰধান উদ্দেশ্য হোৱা উচিত। তেওঁ কয় যে এই সংসাৰখন দুখময় আৰু এই দুখক নিবাৰণৰ প্ৰচেষ্টাই মানুহৰ প্ৰধান লক্ষ্য হোৱা উচিত। দুখ নিবাৰণেই হ'ল বৌদ্ধ দৰ্শনৰ আলোচনাৰ মূল বিষয় সুদীৰ্ঘ কাল ধৰি তপস্যা কৰাৰ ফলত তেওঁৰ জ্ঞানোদীপ্তি হ'ল আৰু তেওঁ চাৰিটা মহান সত্যৰ সন্ধান পালে। এই চাৰিটা মহান সত্যক একেলগে চাৰি আৰ্যসত্য নামেৰে জনা যায়। এই চাৰি আৰ্যসত্য হৈছে।

(১) দুখ আছে।

(২) দুখৰ কাৰণ আছে।

(৩) দুখৰ নিবৃত্তি আছে।

(৪) দুখ নিবৃত্তিৰ উপায় আছে।

বৌদ্ধ দৰ্শনৰ চতুৰ্থ আৰ্যসত্য হ'ল দুখ নিবৃত্তিৰ পথ বা মাৰ্গ। অৰ্থাৎ যি পথেদি নিবাৰ্ণ লাভ কৰা যায় বা দুখৰ পৰা চিৰমুক্তি লাভ কৰা যায়, তাকে দুখ নিৰোধ মাৰ্গ বোলা হয়। বৌদ্ধ দৰ্শনত দুখৰ পৰা মুক্তি লাভ কৰাৰ বাবে আঠটা মাৰ্গ বা পথ অনুশীলনৰ কথা কোৱা হয়। এই আঠটা মাৰ্গক একেলগে আষ্টাঙ্গিক মাৰ্গ বোলা হয়। এই অষ্টাঙ্গিক মাৰ্গৰ (Eightfold path) মাজেদি বৌদ্ধ দৰ্শনৰ নীতিতত্ত্ব প্ৰকাশিত হৈছে। অৰ্থাৎ বৌদ্ধ নৈতিক দৰ্শনৰ ভিত্তি হ'ল এই অষ্টাঙ্গিক মাৰ্গ এই অষ্টাঙ্গিক মাৰ্গ সকলো শ্ৰেণীৰ মানুহৰ কাৰণে উন্মুক্ত আৰু উপযোগী যিকোনো ব্যক্তিয়েই এই পথবোৰ অনুসৰণ কৰি নিৰ্বাণ লাভ কৰিব পাৰে। এই আঠোটা মাৰ্গ হৈছে —

(১) সম্যক দৃষ্টি (Right view) : সম্যক দৃষ্টি বুলিলে যথাৰ্থ জ্ঞানকে বুজোৱা হয়। চাৰিটা আৰ্যসত্যৰ সম্পৰ্কে যথাৰ্থ জ্ঞানকে সম্যক দৃষ্টি বোৱা হয়। আৰ্যসত্যৰ জ্ঞান হ'লে মানুহে জীৱ আৰু জগতৰ প্ৰকৃত স্বৰূপ, আত্মাৰ অনিত্যতা, জগতৰ ক্ষণস্থায়ীত্বতা আদিৰ সম্যক জ্ঞান লাভ কৰি নিৰ্বাণৰ দুৱাৰডলিত উপস্থিত হ'ব পাৰে।

(২) সম্যক সংকল্প (Right Resolve) : সম্যক সংকল্পৰ অৰ্থ হ'ল মানসিক দৃঢ়তা। কেৱল চাৰি আৰ্যসত্য সম্পৰ্কে যথাৰ্থ জ্ঞান লাভ কৰিলেই নহ'ব, সেই জ্ঞান অনুসাৰে জীৱন যাপন আৰু চৰিত্ৰগঠনৰ সংকল্প ল'ব লাগিব।

(৩) সম্যক বাক্ (Right Speech) : সম্যক বাকৰ অৰ্থ হ'ল যথাৰ্ত কথন বা সত্য ভাষণ। সংকল্প গ্ৰহণ কৰিবলৈ সম্যক বাকৰ প্ৰয়োজন হয়। সত্য ভাষণ, প্ৰিয় কথন, শিষ্ট আলোচনা, মধুৰ বাক্য বিনিময় আদি সম্যক বাকৰ অন্তৰ্গত।

(৪) সম্যক কৰ্মান্ত (Right Conduct) : যথাৰ্থ আচৰণ বা সদাচাৰণেই সম্যক কৰ্মান্ত। পঞ্চশীল আৰু দান সম্যক কমান্তৰ অন্তৰ্গত। আহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচৰ্য আৰু অপৰিগ্ৰহ- এইবোৰ সম্যক কমান্তৰ অন্তৰ্গত।

(৫) সম্যক আজীৱ (Right Livelihood) : সৎ উপায়েৰে জীৱন যাপন কৰাই হৈছে সম্যক আজীৱ। যি জীৱিকা আনৰ বাবে ক্ষতিকাৰক তাক ত্যাগ কৰা উচিত। অৱশ্যে ভিক্ষু আৰু সংসাৰী মানুহৰ আজীৱ একে নহয়। প্ৰবৃত্তি আৰু সামৰ্থ অনুসৰি জীৱিকা নিৰ্ধাৰিত হয়। কিন্তু প্ৰকৃত অৰ্থত ভিক্ষু বা সন্ন্যাসীৰ আজীৱই প্ৰকৃত সম্যক আজীৱ।

(৬) সম্যক ব্যায়াম (Right àßffort) : সম্যক ব্যায়ামৰ অৰ্থ যথাৰ্থ অনুশীলন প্ৰচেষ্টা বা অধ্যৱসায়। সম্যক ব্যায়াম হৈছে মানসিক ব্যায়াম। কু-চিন্তা বা কু-ভাৱ বৰ্জন কৰি সৎ চিন্তা আৰু সৎ মনোভাৱেৰে যি নৈতিক প্ৰচেষ্টা বা অনুশীলন কৰা হয় তাকেই সম্যক ব্যায়াম বোলা হয়।

(৭) সম্যক স্মৃতি (Right Mindfulness) : সম্যক স্মৃতি শব্দৰ অৰ্থ হ'ল যথাৰ্থ স্মৰণ। জগত, জীৱন, দেহ, মন,

আত্মাৰ অনিত্যতা আদি প্ৰতিনিয়ত স্মৰণ কৰাই হৈছে সম্যক স্মৃতি। বুদ্ধদেৱৰ মতে স্মৃতিৰ বিষয়বোৰ হ'ল- আৰ্যসত্য চতুষ্টয়, পঞ্চস্কন্ধ, শাৰিৰীক আৰু মানসিক বিষয় সমূহ, পঞ্চনীবৰণ, ষড়ায়তন আৰু ছয় অঙ্গবিশিষ্ট বোধি।

(৮) সম্যক সমাধি (Right Concentration) : অষ্টাঙ্গিক মাৰ্গৰ অন্তিমটো মাৰ্গ হ'ল সম্যক সমাধি। সম্যক সমাধিৰ অৰ্থ যথাৰ্থ ধ্যান। প্ৰথম সাতটা মাৰ্গ অতিক্ৰম কৰি যিয়ে জীৱন পৰিচালনা কৰিবলৈ সক্ষম হয় তেৱেঁই হৈছে মুক্তিকামী ব্যক্তি। সমাধিৰ চাৰিটা স্তৰ আছে-

প্ৰথম স্তৰত সাধকে চাৰি আৰ্যসত্য সম্পৰ্কে বিচাৰ বিতৰ্ক কৰি ধীৰ স্থিৰভাৱে সত্য নিৰ্ধাৰণত ব্ৰতী হয়। এই স্তৰত সাধকৰ মনত আসক্তিৰ বিনাশ ঘটে আৰু সাধকে এই অলৌকিক আনন্দ আৰু প্ৰশান্তি লাভ কৰে। এই স্তৰেই হৈছে ধ্যান।

দ্বিতীয় স্তৰত ধ্যান গভীৰ হয়। চাৰি আৰ্যসত্য সম্পৰ্কে সুনিশ্চিত আৰু নিঃ সংশয় জ্ঞান জন্মে। এই স্তৰ হৈছে অপাৰ শান্তি আৰু আনন্দৰ চেতনাৰ স্তৰ।

তৃতীয় স্তৰত ধ্যানৰ পৰা অনুভূত হোৱা আনন্দৰ বোধক অতিক্ৰম কৰি সাধকে ধ্যানৰ গভীৰতম পৰ্যায়ত গৈ বিশুদ্ধ প্ৰশান্তিৰ ভাৱ উপলব্ধি কৰে।

শেষৰ স্তৰত সাধক পূৰ্ণজ্ঞানৰ অধিকাৰী হয়। ফলত তেওঁ পূৰ্ণ সত্যক উপলব্ধি কৰিব পাৰে। এই অন্তিম পৰ্যায়েই হৈছে নিৰ্বাণ অৱস্থা। এই স্তৰত সাধকে সকলো ধৰণৰ দুখৰ পৰা মুক্তি লাভ কৰি নিৰ্বাণ প্ৰাপ্ত হয় আৰু পুনজৰ্ন্মৰ সকলো সম্ভাৱনা লোপ পায়।

বৌদ্ধ দৰ্শনৰ অষ্টাঙ্গিক মাৰ্গক তিনিটা স্কন্ধত বিভক্ত কৰা হয়- প্ৰজ্ঞা, শীল আৰু সমাধি। প্ৰজ্ঞাৰ অৰ্থ হ'ল সম্যক জ্ঞান। সম্যক দৃষ্টি আৰু সম্যক সংকল্প প্ৰজ্ঞাৰ অন্তৰ্গত। শীলৰ অৰ্থ হ'ল সম্যক আচৰণ। সম্যক বাক, সম্যক কৰ্মান্ত আৰু সম্যক আজীৱ শীলৰ অন্তৰ্গত। সমাধি হ'ল ধ্যান। সম্যক ব্যায়াম, সম্যক স্মৃতি আৰু সম্যক সমাধি সমাধিৰ অন্তৰ্গত।

বৌদ্ধ দৰ্শনৰ অষ্টাঙ্গিক মাৰ্গ প্ৰকৃততে নিৰ্বাণ লাভৰ এক ব্যৱহাৰিক নৈতিক পথ। এই অষ্টাঙ্গিক মাৰ্গক মধ্যপথ বুলিও কোৱা হয়। কাৰণ এই পথ এফালে অসংযত ভোগ বিলাস আৰু আনফালে অনাৱশ্যক শাৰীৰিক কৃচ্ছসাধন- এই দুই চৰম পথৰ মধ্যৱৰ্তী পন্থা। মানুহৰ কল্যাণাৰ্থে বুদ্ধদেৱে এই দুই চৰম পথ পৰিত্যাগ কৰি মধ্যপথৰ প্ৰচাৰ কৰিছে।

**পঞ্চশীল ঃ**

বৌদ্ধ দৰ্শনৰ সকলো নৈতিক আলোচনা আৰু জীৱনৰ সৰ্বোচ্চ লক্ষ্য নিৰ্বাণ প্ৰাপ্তিৰ মূল ভিত্তি হ'ল শীল। বৌদ্ধ নাতি শাস্ত্ৰত 'শীল' বুলি সদাচাৰণ, সদগুণ, নৈতিক হিতোপদেশ আদিক বুজায়। শীল হ'ল সদাচাৰণ বা নৈতিক উৎকৰ্ষতাৰ ভিত্তি। সংস্কৃত 'শীল' শব্দটোৰ আক্ষৰিক অৰ্থ হ'ল 'স্বভাৱ, চৰিত্ৰ, ব্যৱহাৰ বা আচৰণ'। শীলক নৈতিক নিয়ম বুলিও কোৱা হয়। বৌদ্ধ নীতিবিদ্যাত 'শীল' শব্দটো ব্যক্তিৰ দৈহিক আৰু মানসিক পৰিশুদ্ধতা আৰু আচৰণৰ শুচিতাক বুজায়। শীলৰ মূল অৰ্থ হ'ল সদাচাৰ। শীল আদৰ্শ জীৱন গঠনৰ উপায়, শাৰীৰিক বা মানসিক গঠন, আনৰ প্ৰতি সৎ আচৰণৰ উপায়, বৌদ্ধ গ্ৰন্থ 'বিশুদ্ধিমাৰ্গত' শীলৰ সংজ্ঞা প্ৰদান কৰি কোৱা হৈছে- "There Visuddhimagga, is virtue 'as volition, virtue as consciousness-concomitant', virtue as 'restrain, virtue as non-transgression" অৰ্থাৎ সদাচাৰ ইচ্ছাশক্তি, চেতনাৰ লগত সংযুক্ত, সদাচাৰ হ'ল অসৎ আচৰণ নিবৃত্তিকৰণ, পাপ আচৰণৰ পৰা বিৰত থকা। ইয়াৰ পৰা বুজা যায় যে, বৌদ্ধ নীতিতত্ত্ব শীলত বাহ্য আৰু আন্তৰ দিশ দুটা পৰস্পৰ সংযুক্ত। এটা দিশৰ শুচিতাই আনটো দিশক শুদ্ধ কৰে, (ৰয়, ২০২০,পৃঃ২৬০)

বৌদ্ধ নীতিশাস্ত্ৰত গৃহস্থীৰ কাৰণে পঞ্চশীল, উপোসাহীকৰ, কাৰণে অষ্টশীল, প্ৰব্ৰজিতৰ দশশীল আৰু পাতিমোক্ষৰ ভিক্ষু আৰু ভিক্ষুণীৰ কাৰণে ক্ৰমে ২২৭আৰু ৩৩১ প্ৰকাৰৰ শীলৰ নিৰ্দেশ দিয়া আছে। অৱশ্যে এইবোৰৰ ভিতৰত পঞ্চশীল হৈছে মৌলিক আৰু সকলো প্ৰকাৰৰ নৈতিক আৰু ধৰ্মীয় আচৰণৰ ভিত্তিস্বৰূপ (ৰয়, ২০২০,পৃঃ২৬১)

পঞ্চশীল হৈছে পাঁচবিধ সদাচাৰ পদ্ধতি, পঞ্চ নৈতিক শিক্ষা বা উপদেশ। মানুহে ব্যৱহাৰিক জীৱনত কিছুমান নীতি-নিয়ম মানি চলা উচিত। এই নীতিসমূহৰ জৰিয়তেহে ইজনে সিজনৰ দুখৰ সমভাগী হ'ব পাৰিব যাৰ দ্বাৰা মুক্তি বা নিৰ্বাণ লাভৰ পথ সুগম হ'ব বুলি বৌদ্ধ দৰ্শনত বিশ্বাস কৰা হয়। এই ব্যৱহাৰিক নীতি নিয়ম পালন কৰাৰ বাবে বুদ্ধদেৱে যি পাঁচটা নীতি দেখুৱাই দিছিল অৰ্থাৎ বৌদ্ধ প্ৰবৰ্তিত নিত্য পালিত পাঁচটা নীতি বা নিয়মক পঞ্চশীল বোলা হয়। এই পঞ্চশীল নীতিকেইটা হ'ল-

(১) প্ৰাণী হত্যাৰ পৰা বিৰত থকা (Abstention from

killing living beings: পঞ্চশীল নীতিৰ প্ৰথম শীল হ'ল পাণাতিপাতা বেৰমণী অৰ্থাৎ প্ৰাণী হত্যাৰ পৰা বিৰত থকা। 'পাণা'ৰ অৰ্থ হ'ল প্ৰাণী বা জীৱ আৰু 'অতিপাতা' মানে 'মাৰি পেলোৱা'। গতিকে কোনো জীৱক হত্যা কৰা, নাশ কৰা বা বিনষ্ট কৰাৰ পৰা বিৰত থকাই পাণাতিপাতা বেৰমণী, (ৰয়, ২০২০পৃ. ২৬৩)।বুদ্ধদেৱে এই নীতিৰ দ্বাৰা বুজাব বিচাৰিছিল যে মানুহে কেৱল মানুহৰ লগতে নহয়, অন্য কোনো জীৱ-জন্তুৰ ক্ষেত্ৰটো এই নীতি পালন কৰা উচিত। ই প্ৰকৃততে অহিংসা নীতিৰ অনুশীলন। হিন্দু আৰু জৈন নীতিতত্ত্বৰ দৰে বৌদ্ধ নীতিশাস্ত্ৰৰ প্ৰথম শীলত অহিংসা ব্ৰত পালন কৰা হয়। সৰ্বজীৱৰ কল্যাণাৰ্থে সকলো প্ৰকাৰৰ হিংসা, অনিষ্ট সাধন বা হত্যাৰ পৰা বিৰত থকা উচিত। প্ৰকৃতি জগতত কলো বস্তুৱে এটা আনটোৰ ওপৰত নিৰ্ভৰ কৰি বৰ্তি আছে। গতিকে কোনো এটা সত্তাৰ ক্ষতি হোৱা মানে পৰোক্ষভাৱে মানৱ জাতিৰো ক্ষতি হোৱা। সেয়ে মানৱ তথা সমগ্ৰ বিশ্বজগতৰ কল্যাণাৰ্থে সৰ্ব প্ৰকাৰৰ হত্যাৰ পৰা বা অনিষ্ট সাধনৰ পৰা বিৰত থকা উচিত।

(২)অদত্তবস্তু গ্ৰহণৰ পৰা বিৰত থকা (Abstention from taking what is not given) : অদত্তবস্তু গ্ৰহণৰ পৰা বিৰত থকাক আদিন্নাদানা বেৰমণী বোলে। 'আদিন্না' শব্দৰ অৰ্থ হ'ল 'যিটো দিয়া হোৱা নাই' (ৰয়, ২০২০ পৃঃ২৬৫)। অদত্তবস্তু গ্ৰহণ কৰা চৌৰ্যবৃত্তিৰ সমান। আনৰ বস্তু, সম্পত্তি বা আৰ্জিত ধনৰ ওপৰত লোভ কৰাটো বুদ্ধৰ মতে অনৈতিক কৰ্ম। এই শীল আচৰণ কৰিলে মনৰ পৰা সকলো প্ৰকাৰৰ লোভ, লালসা, হিংসা, বিদ্বেষ আদি লাঘৱ হয়। ইয়ে সমাজত একতা আনে আৰু সামাজিক বৈষম্য, অসমতাক দূৰ কৰে। এই শীল অনুশীলনৰ ফলত সমাজ এখন দুৰ্নীতিমুক্ত হয়। এইদৰে সামাজিক প্ৰগতি আৰু বিকাশ সম্ভৱ হয়।

(৩) অবৈধ কামাচাৰৰ পৰা বিৰত থকা (Abstention from sexual misconduct) : এই শীলৰ অৰ্থ হৈছে ইন্দ্ৰিয়ৰ অপব্যৱহাৰ বা যৌন অপব্যৱহাৰৰ পৰা বিৰত থকা। যি কাৰ্য্যই পৰিয়ালৰ লগতে সমাজৰ সকলো ক্ষেত্ৰতে অনৈতিক বুলি বিবেচিত হয় তেনেকুৱা কাম কৰা অনুচিত। ইন্দ্ৰিয়ৰ অপব্যৱহাৰ যি কেতিয়াওঁ নৈতিকতাৰ ভিত্তি হ'ব নোৱাৰে তেনেকুৱা কাৰ্য্যৰ পৰা নিজক আঁতৰাই ৰখা উচিত। কাৰণ অনৈতিক কাৰ্য্যৰ পৰা সুখ কেতিয়াও নাহে। সেয়েহে বুদ্ধদেৱৰ মতে মানুহে নৈতিক কাৰ্য্য কৰা উচিত যাৰদ্বাৰা মানুহৰ নিৰ্বাণ লাভৰ পথ সুগম হয়।

(৪) মিথ্যা বাক্য প্ৰয়োগৰ পৰা বিৰত থকা (Abstention from lying) : চতুৰ্থ শীল হ'ল মিছা কথা কোৱাৰ পৰা বিৰত থকা। বৌদ্ধ নীতিশাস্ত্ৰত এই মিথ্যা কথনৰ পৰা সৃষ্টি হোৱা ক্ষতিৰ মাত্ৰা স্বীকাৰ কৰি কোৱা হৈ যে, এটা মিথ্যাৰ দ্বাৰা অপকাৰ কম হ'লে তাৰ গভীৰতা কম, কিন্তু ক্ষতিৰ পৰিমাণ বেছি হ'লে তাৰ গভীৰতা বেছি; মিথ্যাৰ দ্বাৰা যদি কাৰো জীৱন ৰক্ষা হয় তেনেহ'লে তাৰ গভীৰতা কম, কিন্তু সেই মিথ্যাৰ দ্বাৰা যদি জীৱন হানি হয় তেন্তে তেনে মিথ্যাৰ গভীৰতা বেছি; আকৌ অসৎ ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা মিথ্যা কথাৰ গভীৰতা কম, কিন্তু সদাচাৰ ব্যক্তিৰ ক্ষেত্ৰত প্ৰয়োগ কৰা মিথ্যা কথাৰ গভীৰতা বেছি, (ৰয়,২০২০, পৃ. ২৬৯) । গতিকে সৰ্বপ্ৰকাৰৰ মিথ্যাচাৰপৰিত্যাগ কৰি সত্যৰ পথত চলা উচিত। ই নিৰ্বাণৰ যথাৰ্থ পথৰ। অষ্টাঙ্গিক মাৰ্গৰ সম্যক বাকত এই কথাই কোৱা হৈছিল যে মিথ্যা ভাষণ, অপ্ৰিয় ভাষণ, কটুবাক্য, পৰনিন্দা, অৰ্থহীন বাক্যলাপ আদি পৰিহাৰ কৰি সত্য ভাষণ, প্ৰিয় কথন, শিষ্ট আলোচনা, মধুৰ বাক্য বিনিময় আদি নৈতিক সদাচাৰ অনুশীলন কৰা উচিত।

(৫) মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থকা (Abstention from partaking of intoxicants ) : পঞ্চম তথা সৰ্বশেষ শীল হ'ল মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থকা। বুদ্ধদেৱৰ মতে, আমি এনেকুৱা বস্তু সেৱন কৰা অনুচিত যিয়ে আমাৰ মন, মগজু বিকৃত কৰে। উত্তেজিত বা ৰাগিয়াল বস্তু সেৱনৰ দ্বাৰা মানুহৰ চিন্তাবোৰ কেতিয়াও সম্যক হ'ব নোৱাৰে। ইয়ে সাংসাৰিক জীৱনত অশান্তি হত্যা, লুণ্ঠন ইত্যাদিৰ ক্ষেত্ৰত উৎসাহিত কৰিব পাৰে। বৌদ্ধ দৰ্শনত মাদক দ্ৰব্যৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি সকলো স্তৰৰ মানুহক ইয়াৰ পৰা বিৰত থকাৰ কাৰণে এই শীল প্ৰাথমিক আৰু আৱশ্যকীয় শীল হিচাপে নিৰ্দিষ্ট কৰা হৈছে।

গতিকে দেখা যায় যে বৌদ্ধ নীতিশাস্ত্ৰত ব্যক্তিৰ অন্তৰত নৈতিক গুণ বিকশিত কৰিবলৈ শীল অনুশীলনৰ ব্যৱস্থা কৰা হৈছে। পঞ্চশীল অনুশীলনৰ ফলত এগৰাকী ব্যক্তিয়ে সামাজিক আৰু ব্যক্তিগত উভয় জীৱনতে সুখ শান্তিৰে বসবাস কৰিব পাৰে আৰু এটা সময়ত উচ্চতম শীল অনুশীলন কৰি মোক্ষৰ পথত অনায়াসে আগবাঢ়িব পাৰে?

**ব্ৰহ্মবিহাৰ ঃ**

বৌদ্ধ নীতিশাস্ত্ৰৰ এটি মহত্বপূৰ্ণ নৈতিক ধাৰণা হ'ল

ব্ৰহ্মবিহাৰ ভাৱনা বৌদ্ধ নীতিশাস্ত্ৰৰ এক শ্ৰেষ্ঠতম মানসিক অৱস্থা যাৰ জৰিয়তে নিজৰ লগতে সমাজ তথা সমগ্ৰ বিশ্ব কল্যাণ কৰা যায়। ব্ৰহ্মবিহাৰ শব্দটো ‘ব্ৰহ্ম’ আৰু ‘বিহাৰ’ এই শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। ‘ব্ৰহ্ম’ শব্দৰ অৰ্থ হ’ল ‘উত্তম বা উৎকৃষ্ট’ আৰু ‘বিহাৰ’ শব্দৰ অৰ্থ হ’ল ‘অৱস্থান’। গতিকে ‘ব্ৰহ্মবিহাৰ’ৰ অৰ্থ হ’ল ‘উৎকৃষ্ট বা শ্ৰেষ্ঠতম অৱস্থান’ অথবা ‘জীয়াই থকাৰ উৎকৃষ্ট মানসিক অৱস্থা’। আনহাতে ‘ভাবনা’ শব্দৰ অৰ্থ ‘জীৱনত অনুশীলন কৰিবলগীয়া আচৰণ’ (ৰয়, ২০২০)।বৌদ্ধ নীতিশাস্ত্ৰত এনে ভাবনা চাৰি প্ৰকাৰৰ-

**(১) মেত্তা বা মৈত্ৰী ঃ** মৈত্ৰী ভাবনা বৌদ্ধ নীতিশাস্ত্ৰত এক আৱশ্যকীয় সদগুণ। ‘মৈত্ৰী’ শব্দটো পালি ভাষাৰ ‘মেত্তা’ শব্দ সংস্কৃত ৰূপ। ‘মৈত্ৰী’ মানে মিত্ৰতা, বন্ধুত্ব, সৌহাৰ্দ্য, সহিষ্ণুতা আৰু সহাৱস্থান। মৈত্ৰীৰ অৰ্থ হ’ল জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো জীৱিত সত্তাৰ প্ৰতি চৰ্তহীন আৰু সাৰ্বজনীন প্ৰেম বিতৰণ কৰা (ৰয়,২০২০)। যিদৰে এগৰাকী মাতৃয়ে তেওঁৰ সন্তানৰ প্ৰতি প্ৰেম নিবেদন কৰে, তেনেকুৱা প্ৰেমেই হৈছে মৈত্ৰী। মৈত্ৰী ভাৱনাৰ প্ৰত্যক্ষ শত্ৰু হ’ল ঘৃণা, ক্ৰোধ আৰু লোভ। এনেকুৱা অপগুণক বিনাশ কৰি ভাতৃত্ববোধ, প্ৰেমভাৱ জাগ্ৰত কৰাই মৈত্ৰী। এই মৈত্ৰী ভাবনাৰ তাৎপৰ্য্য হ’ল অন্যান্য জীৱৰ কল্যাণ আৰু সুখৰ মাজেদি নিজৰ কল্যাণ আৰু সুখ সম্ভৱ। খং, ৰাগ, অভিমান, ঘৃণা ইত্যাদি দূৰ কৰি উদাৰ মনোভাৱৰ দৃষ্টি সকলোৰে ওচৰত প্ৰকাশ কৰাই মৈত্ৰীৰ এক অন্যতম বৈশিষ্ট্য।

**(২) কৰুণা ঃ** ব্ৰহ্ম বিহাৰৰ দ্বিতীয় ভাবনা হ’ল কৰুণা। কৰুণাক নৈতিক দৰ্শনত এটা মহৎ সদগুণ হিচাপে চিহ্নিত কৰা হয়। বুৎপত্তিগতভাৱে কৰুণা হ’ল এক আধ্যাত্মিক ব্যায়াম যাৰদ্বাৰা আমি আত্মসুখৰ সকলো পথ পৰিহাৰকৰি আনৰ সুখৰ কথা চিন্তা কৰো। বৌদ্ধ দৰ্শনৰ সকলো শাখাতে কৰুণা এটা অতি গুৰুত্বপূৰ্ণ প্ৰত্যয় বুলি বিবেচিত হৈছে। থেৰাবাদী বৌদ্ধ দাৰ্শনিক সকলৰ মতে কৰুণা সদগুণৰ অধিকাৰী ব্যক্তিয়ে সদায় সুখী জীৱন অতিবাহিত কৰিব পাৰে। আনহাতে মহাযান বৌদ্ধ দাৰ্শনিক সকলৰমতে বোধিসত্ব হোৱাৰ ক্ষেত্ৰত কৰুণা হৈছে এটি সহ আৱশ্যিক চৰ্ত। থেৰাবাদী দাৰ্শনিক সকলৰ মতে কৰুণাৰ অনুশীলনে আমাৰ মনক পৰিশুদ্ধ কৰে, অসৎ প্ৰবৃত্তিৰ পৰা মনক আঁতৰাই ৰাখে, আৰু আমি বিশ্ব মানৱৰ লগত মৈত্ৰী ভাৱত আৱদ্ধ হৈ পৰমানন্দ লাভ কৰো আৰু অনাগত জন্ম-মৃত্যুৰ চক্ৰৰ পৰা মুক্তি লাভ কৰিবলৈ সক্ষম হওঁ। আনহাতে , মহাযান বৌদ্ধ দাৰ্শনিক সকলৰ মতে বোধিসত্ব লাভ কৰিবলৈ প্ৰয়োজনীয় দুটা সদগুণৰ ভিতৰত কৰুণা অন্যতম। কৰুণা আৰু প্ৰজ্ঞাক অনুশীলন কৰিহে বোধিসত্বৰ পথত অগ্ৰসৰ হ’ব পাৰি। গতিকে দেখা যায় যে বৌদ্ধ নীতিতত্ত্বত কৰুণাই এটা অতি গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে (ৰয়,২০২০)।

**(৩) মুদিতা ঃ** ব্ৰহ্মবিহাৰৰ তৃতীয় ভাবনা হ’ল মুদিতা। আনৰ সুখত তৃপ্তি লাভ কৰাটো হৈছে মুদিতা। অন্য জীৱৰ যি সুখ তাৰ লগত নিজৰ সুখখিনি বিলাই দিয়াৰ মানসিকতাই হৈছে মুদিতা। মুদিতা হ’ল- সহানুভূতিৰ মাজেৰে আনন্দৰ এক সৎ গুণ। বুৎপত্তি দিশৰ পৰা মুদিতা শব্দৰ অৰ্থ হ’ল সন্তোষ বা উজ্জ্বলতাপূৰ্ণ আনন্দ বা সকলোৰেআনন্দৰ মাজত। নিজৰ আনন্দ বিচৰা অৰ্থাৎ পৰসুখবাদী আনন্দ। এই পৰসুখবাদী আনন্দৰ মাজেৰে আগবাঢ়ি গৈ থাকিহে দুখৰ মাজতো নিৰ্বাণৰ দিশত মনত উৎসাহ থাকিব বুলি বুদ্ধদেৱে তেওঁৰ উপাসক সকলক উপদেশ দিছিল (দাস, ২০২০, পৃঃ১৯১)। মুদিতা ভাবনা সামাজিক তথা বিশ্বজগতৰ কল্যাৰ বাবে এক উপযোগী সদগুণ কেৱল নিৰ্বাণ লাভেই এই ভাবনাৰ অনুীলনৰ উদ্দেশ্য নহয়; ইয়াৰ উদ্দেশ্য সকলো জীৱিত সত্তাৰ কল্যাণ সাধন।

**(৪) উপেক্ষা ঃ** ব্ৰহ্মবিহাৰৰ চতুৰ্থ ধাৰণা হ’ল উপেক্ষা। মনৰ স্থিৰতা বা সমভাবেই উপেক্ষা। মৈত্ৰী, কৰুণা, মুদিতা—এই তিনি অৱস্থা অতিক্ৰম কৰি যেতিয়া ব্যক্তি নিৰুদ্বিগ্ন আৰু সুখ দুখ আদিত নিস্পৃহ হয় আৰু সদা শান্তভাৱে অৱস্থান কৰে, তেতিয়া সেই অৱস্থাক উপেক্ষা বোলা হয়। উপেক্ষা হ’ল ‘সুখ-দুখ নিস্পৃহ ভাৱ’। উপেক্ষাৰ অৰ্থ হ’ল যথাযথ নিৰীক্ষণৰ মাধ্যমত সঠিক উপলব্ধি বা নিৰপেক্ষ দৰ্শন য’ত কোনো প্ৰকাৰৰ অনুৰাগ-বিৰাগ, আসক্তি বা বিৰক্তি আৰু কোনো প্ৰকাৰৰ অনুকূলতা বা প্ৰতিকূলতাৰ কথা নাথাকে। বৌদ্ধ নীতিতত্ত্ব অনুসৰি যিয়ে মৈত্ৰী, কৰুণা, মুদিতা ভাবনা অনুশীলনৰ মাধ্যমত উপেক্ষা ভাবনাৰ এই নিৰপেক্ষ আৰু সুস্থিৰ মানসিক স্থিৰতা লাভ কৰে তেঁৱেই প্ৰকৃত ব্ৰহ্মবিহাৰী।

বৌদ্ধ নীতিতত্ত্বত মৈত্ৰী, কৰুণা, মুদিতা আৰু উপেক্ষা- এই চাৰিটা ভাবনাৰ সম্মিলিত ৰূপেই হৈছে ব্ৰহ্মবিহাৰ। মৈত্ৰীয়ে সকলো জীৱক আকোৱালি লয়, কৰুণাই সকলো দুখক সাৰটি লয়, মুদিতাই সুখ-সমৃদ্ধিক অন্তৰ্ভুক্ত কৰে, আৰু উপেক্ষাই শুভ-অশুভ, প্ৰেম-ঘৃণা, প্ৰীতিকৰ- অপ্ৰীতিকৰ ইত্যাদি সকলোকে অন্তৰ্ভুক্ত কৰি লয়। বুদ্ধদেৱৰ

মতে সৎ জীৱন যাপনৰ বাবে এইবোৰ আদৰ্শ নীতি। প্ৰকৃতিগতভাৱে এনে ভাবনা আধ্যাত্মিক আৰু নৈতিক। যি ব্যক্তিয়ে এই চাৰি ভাবনা সঁচা অৰ্থত পালন কৰে তেওঁ ব্ৰহ্মবিহাৰ কৰে অৰ্থাৎ ব্ৰহ্মলোকত গমন কৰে। ব্ৰহ্মবিহাৰত চাৰিটা মহৎ ভাবনা থকা বাবে ইয়াক চাৰিটা পৰিপূৰ্ণ সদগুণ বুলিও অভিহিত কৰা হয়।

**সামৰণি ঃ**

বুদ্ধদেৱ এগৰাকী নৈতিক শিক্ষক আছিল। ব্যৱহাৰিক উপযোগিতাহীন আধ্যাত্মিক দিশটোক তেওঁ কেতিয়াও সমৰ্থন কৰা নাছিল। নৈতিকভাৱে অসাৰ আৰু বৌদ্ধিকভাৱে অনিশ্চত আধ্যাত্মিক প্ৰশ্নৰ আলোচনাৰ পৰিৱৰ্তে বুদ্ধদেৱে সদায় ব্যক্তিৰ দুখৰ লগত জড়িত আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন-দুখ উৎপত্তি, কাৰণ আৰু ইয়াৰ নিবৃত্তিৰ ওপৰত জ্ঞান দিবলৈ চেষ্টা কৰিছিল। তেওঁ পৃথিৱীৰ দুখ-কষ্টৰ ৰহস্য উন্মোচনকৰাৰ চেষ্টা কৰাৰ লগতে এই জীৱনত কেনেদৰে সুখ লাভ কৰিব পৰা যায় তাৰবাবে কিছুমান পথ আমাক দেখুৱাই থৈ গৈছে। বৌদ্ধ দৰ্শনৰ অষ্টাঙ্গিক মাৰ্গ তাৰে এক উদাহৰণ বৌদ্ধ, নীতিশাস্ত্ৰত ব্যক্তিৰ অন্তৰত নৈতিক গুণ বিকশিত কৰিবলৈ শীল অনুশীলনৰ ব্যৱস্থা কৰা হৈছে। এই শীলসমূহ অনুশীলন কৰি সকলো মানুহে নিজকে সদাচাৰী হিচাপে গঢ় দিব পাৰে। উন্নত জীৱন তথা আদৰ্শ সমাজ প্ৰতিষ্ঠা কৰিবলৈ হ'লে সকলো মানুহৰ পঞ্চশীল পালন এক কৰ্তব্য। এই পঞ্চশীলেই হৈছে সকলো প্ৰকাৰৰ নৈতিক আচৰণৰ ভিত্তি। মানুহৰ নৈতিক আৰু সামাজিক জীৱন পঞ্চশীল পালনৰ ওপৰতে নিৰ্ভৰ কৰে। বৌদ্ধ নীতিশাস্ত্ৰৰ পঞ্চশীল নীতিয়ে সভ্য সমাজৰ সকলোকে পাৰস্পৰিক সুৰক্ষা, একতা আৰু অৰ্থনৈতিক সমৃদ্ধিৰ সুবিধা দিয়ে যাৰ ফলত সমাজত সকলোৱে শান্তিপূৰ্ণভাৱ বসবাস কৰিব পাৰে। শীলৰ উপৰিও বৌদ্ধ নীতিশাস্ত্ৰত যি ব্ৰহ্মবিহাৰৰ কথা কোৱা হয় সেই ভাবনাসমূহৰো সামাজিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক মূল্য আছে। ব্ৰহ্মবিহাৰ ভাবনাই কেৱল ব্যক্তিক নহয়, সমাজৰো কণ্যাণ সাধন কৰে আৰু সমগ্ৰ বিশ্বক প্ৰেমৰ বান্ধোনত বান্ধি ৰাখে।

আধুনিক জীৱনত দুখ এক অন্যতম কাৰক হৈ পৰিছে। যান্ত্ৰিক জীৱনবোধে মানুহক অকলশৰীয়া কৰি তুলিছে। বিশেষকৈ আৰ্থিক আৰু সামাজিক উশৃংখলতাই মানুহৰ দুখৰ পৰিমণ্ডল অধিক ব্যপ্ত কৰি তুলিছে। দুখ মানুহৰ জীৱনৰ কিদৰে অন্তৰায় হ'ব পাৰে সেই কথা উপলব্ধি কৰি বুদ্ধদেৱে দি যোৱা মাৰ্গ দৰ্শনেৰে আগুৱাই যোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। অতীজৰ সকলো মহান গুৰুৰ দৰে বুদ্ধদেৱে কথোপকথনৰ জৰিয়তেহে শিক্ষা দিছিল। পৰৱৰ্তীকালত ত্ৰিপিটক গ্ৰন্থৰ জৰিয়তে সেই শিক্ষা সমাজত প্ৰচলিত হয়। বুদ্ধদেৱে জীৱন, সামাজিক, নৈতিক আৰু প্ৰমুল্যবোধৰ শিক্ষা প্ৰদান কৰি জ্ঞানৰ আলোকেৰে আগুৱাই যোৱাৰ পথ দেখুৱাই থৈ গৈছে। সেইবাবে একবিংশ শতিকাৰ সমাজ ব্যৱস্থাত বৌদ্ধ দৰ্শন তথা ধৰ্ম তথা বিভিন্ন নৈতিক ধাৰণা সমূহৰ প্ৰাসংগিকতা অধিক বৃদ্ধি পাইছে। ❑

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ভট্টাচাৰ্য্য, ড° জ্যোৎস্না (২০০১) ঃ ভাৰতীয় দৰ্শন, স্বপ্না প্ৰিন্টিং ওৱাৰ্কচ (প্ৰাঃ) লিমিটেড।

বৰুৱা, গিৰীশ (১৯৭৪)ঃ ভাৰতীয় দৰ্শন (প্ৰথম খণ্ড), পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

ৰয়, হেমন্ত কুমাৰ (২০২০) ঃ নীতিবিদ্যা, ইউনিয়ন বুক পাব্লিকেচন।

দাস, বিজয় কুমাৰ (২০২০) ঃ নাতিবিজ্ঞান, সূৰ্য প্ৰকাশ।

ডেকা, পুলিন (২০২৩)ঃ বুদ্ধদেৱৰ দৰ্শনৰ প্ৰাসংগিকতা, ই-প্ৰবন্ধ।

https://www.assam.awazthevoice.in/opinion-news/importance of touddhas-philosophy-7217.html.

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# অসমীয়া আৰু কুঁডুখভাষাৰ ৰূপতত্ত্ব ঃ এটি অধ্যয়ন

## (বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক শব্দ আৰু নঞাৰ্থক প্ৰত্যয়ৰ বিশেষ উল্লেখনেৰে)



**সুলেখা দাস**

**সংক্ষিপ্ত সাৰ ঃ**

ভাৰতবৰ্ষ এখন অতি জনবহুল দেশ। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ভাৰতত মাতৃভাষা হিচাপে ভাৰতীয় আৰ্য, দ্ৰাবিড়, অষ্টিক আৰু চীনতিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ১৯,৫৬৯টা ভাষা প্ৰচলিত হৈ আহিছে। এই ভাষা সমূহৰ ভিতৰত ২২টা ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্গত বুলি স্বীকৃতি দিয়া হৈছে। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল তথা অসম ভূমিয়ো ভাষাবিদসকলৰ বাবে ভূ-স্বৰ্গ স্বৰূপ। কিয়নো সমগ্ৰ ভাৰতবৰ্ষত প্ৰচলিত প্ৰধান চাৰিটা ভাষাগোষ্ঠীৰ আৰ্য, দ্ৰাবিড়, অষ্টিক আৰু চীনতিব্বতীয় গোষ্ঠীৰ ভাষা উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ চুকে কোণে সিঁচৰতি হৈ আছে। এই ভাষাসমূহৰ ভিতৰত বিশেষকৈ আৰ্যগোষ্ঠীৰ অন্তৰ্গত অসমীয়া ভাষা আৰু দ্ৰাবিড় শাখাৰ অন্তৰ্গত কুঁডুখ ভাষা অন্যতম। অসমীয়া আৰু কুঁডুখ দুয়োটা ভাষাই ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব ইত্যাদিৰ দিশত নিজস্ব বৈশিষ্ট্যৰে মহিমামণ্ডিত। আমাৰ এই গৱেষণাপত্ৰত অসমীয়া আৰু অসমৰ কুঁডুখ ভাষাৰ ৰূপতত্ত্বৰ সম্পৰ্কে আলোচনা কৰা হ'ব। বিশেষকৈ বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক শব্দ আৰু নঞাৰ্থক প্ৰত্যয়ৰ ভেদাত্মক ভাষাবিজ্ঞানৰ আধাৰত আলোচনাটি সম্পূৰ্ণ কৰা হ'ব।

**সূচক শব্দ ঃ**

ভেদাত্মক ভাষাবিজ্ঞান, বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক শব্দ, নঞাৰ্থক প্ৰত্যয়।

### ০.০ অৱতৰণিকা

### ০.১ বিষয় পৰিচয় ঃ

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল তথা অসম বিভিন্ন নৃগোষ্ঠীয় লোকৰ আবাস ভূমি। ইয়াত নৃগোষ্ঠীগত বৈচিত্ৰ্যতাৰ লগে লগে সামাজিক, সাংস্কৃতিক আৰু ভাষিক বৈচিত্ৰ্যতাও পৰিলক্ষিত হয়। অসমৰ পাহাৰ, ভৈয়াম সৰ্বত্ৰতে যুগ যুগ ধৰি বিভিন্ন ভাষা-ভাষী লোকে বসবাস কৰি আহিছে। তেওঁলোকে সভা-সমিতি, বজাৰ-সমাৰ আদি ৰাজহুৱা অনুষ্ঠান সমূহত প্ৰধানভাৱে অসমীয়া ভাষা ব্যৱহাৰ কৰে যদিও ঘৰুৱা পৰিৱেশত কিন্তু নিজস্ব ভাষাতেই কথা পাতে।

অসমীয়া ভাষা অসম প্ৰদেশৰ ৰাজ্য ভাষা। তদুপৰি অৰুণাচল আৰু মেঘালয়তো ইয়াক সংযোগী ভাষা ৰূপে ব্যৱহাৰ কৰে। "২০১১ চনৰ লোকপিয়ল অনুসৰি মুঠ

গৱেষক, আধুনিক ভাৰতীয় ভাষা
আৰু সাহিত্য অধ্যয়ন বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
৯৮৫৯২৪৩৪০৫
Sulekhadasmanipur@gmail.com

অসমীয়াভাষী লোকৰ সংখ্যা -১৫৩১১৩৫১ জন।"[১] অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে ভিন্ন ভাষাবিদে ভিন্ন মত আগবঢ়াইছে যদিও অধিকাংশ ভাষাবিদৰ মতে অসমীয়া ভাষাটো ভাৰতীয় আৰ্যভাষাৰ পূব মাগধী অপভ্ৰংশৰ কামৰূপী উপশাখাৰ পৰা উদ্ভৱ হৈছে। অৱশ্যে অসমত প্ৰচলিত অনা আৰ্য ভাষাবোৰৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যতাত্ত্বিক আৰু শব্দগত দিশত প্ৰভাৱ পৰি অসমীয়া ভাষাই এক স্বকীয়তা লাভ কৰে। "বৰ্তমান অসমৰ মান্যভাষাটো উজনি অসমৰ কথিত ৰূপক আধাৰ কৰি গঢ় লোৱা।"[২]

"কুঁড়ুখ ভাষা হৈছে-দ্ৰাবিড় ভাষা পৰিয়ালৰ অন্তৰ্গত দ্ৰাবিড় শাখাৰ এটি ভাষা।"[৩] এই ভাষা অসমৰ বাগিচাৰ বিশেষকৈ গ্ৰামাঞ্চলত বসবাস কৰা কুঁড়ুখসকলে ব্যৱহাৰ কৰে। "২০১১ চনৰ লোকপিয়ল মতে অসমত কুঁড়ুখভাষীলোকৰ সংখ্যা-৭৩৪৩৭ জন।"[৪] অসমৰ উপৰি ঝাড়খণ্ড, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, পশ্চিমবঙ্গ, ত্ৰিপুৰা, ভুটান, নেপাল, বাংলাদেশ ইত্যাদি অঞ্চলসমূহত বসবাস কৰা ওৰাওঁ বা কুঁড়ুখসকলৰাজত এই ভাষা প্ৰচলন আছে। অতি পৰিতাপৰ বিষয় যে অসমত বাস কৰা অধিকাংশ কুঁড়ুখলোকেই নিজস্ব মাতৃ ভাষাটো পাহৰি পেলালে। নতুন চাম যুৱক-যুৱতীসকলৰ মাজত ভাষাটোৰ প্ৰচলন প্ৰায় নাই বুলিয়েই ক'ব পাৰি। তেওঁলোকে মনৰ ভাৱ আদান-প্ৰদানৰ বাবে সংমিশ্ৰিত চাদ্ৰী বা সাদানী ভাষা ব্যৱহাৰ কৰে।

অৱশ্যে গ্ৰামাঞ্চল আৰু বাগিচাসমূহত বসবাস কৰা বয়োজ্যেষ্ঠ ওৰাওঁ বা কুঁড়ুখসকলৰ মাজত অৱশ্যে ভাষাটো কিছু প্ৰচলন আছে। এওঁলোকে সভা-সমিতি বা বাহিৰত চাদ্ৰী বা অসমীয়া ভাষা ব্যৱহাৰ কৰিলেও ঘৰুৱা পৰিৱেশত কিন্তু সম্পূৰ্ণ কুঁড়ুখ ভাষাতেই কথা-বতৰা পাতে। কুঁড়ুখ ভাষাৰ নিজস্ব লিপি আছে। ইয়াক দেৱনাগৰী লিপি বোলে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

অসমত বসবাস কৰা কুঁড়ুখসকলৰ মাজৰ পৰা লুপ্তপ্ৰায় হ'লবৈ ধৰা এই ভাষাটো পুনৰুদ্ধাৰৰ লগতে সঠিক ৰূপত অধ্যয়ন কৰাৰ উদ্দেশ্যৰে বিষয়টো নিৰ্বাচন কৰা হৈছে।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

"অসমীয়া আৰু কুঁড়ুখভাষাৰ ৰূপতত্ত্ব ঃ এটি অধ্যয়ন" শীৰ্ষক গৱেষণা পত্ৰখনিৰ অধ্যয়নৰ গুৰুত্ব হৈছে-

(১). গৱেষণাপত্ৰখনৰ জৰিয়তে অসমীয়া আৰু কুঁড়ুখ ভাষাৰ ৰূপতত্ত্বৰ ক্ষেত্ৰত মিল-অমিল সম্পৰ্কে জানিব পৰা যাব।

(২). বিষয়টো অধ্যয়নৰ যোগেদি কুঁড়ুখ ভাষাৰ বহুতো অনাচৰ্চিত বিষয়ে চৰ্চা লাভ কৰিব।

**০.৪ অধ্যয়ন পদ্ধতি ঃ**

আলোচ্য বিষয়টোৰ অধ্যয়নৰ বাবে প্ৰধানভাৱে দুই ধৰণৰ পদ্ধতি অৱলম্বন কৰা হৈছে- বিষয়ৰ পদ্ধতি আৰু ক্ষেত্ৰ অধ্যয়ন পদ্ধতি। বিষয়ৰ পদ্ধতি হিচাপে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক দুয়োটা পদ্ধতি গ্ৰহণ কৰা হৈছে। ভাষাৰ কথিত ৰূপটোৰ অধ্যয়নৰ বেলিকা বৰ্ণনাত্মক পদ্ধতি আৰু সেই তথ্য সমূহ বিশ্লেষণৰ বাবে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। আনহাতে, ক্ষেত্ৰ অধ্যয়নৰ পদ্ধতি হিচাপে প্ৰত্যক্ষ পৰ্যবেক্ষণ পদ্ধতি অৱলম্বন কৰা হৈছে। য'ত কেতিয়াবা সেই নিৰ্দিষ্ট ভাষাটো কোৱা ভাষা-ভাষীৰ অজ্ঞাতে তেওঁলোকৰ মাজৰে এজন হৈ তথ্য সংগ্ৰহ কৰিব লৈ যত্ন কৰা হৈছে। আনহাতে, কেতিয়াবা নিৰক্ষৰ-চহা লোকসকলৰ সাক্ষাৎকাৰ পদ্ধতিৰ সহায় লোৱা হৈছে। ইয়াৰ বাবে টেপৰেকৰ্ডাৰ, মোবাইল আদি অডিঅ ভিজুৱেল মাধ্যমৰ সহায়ত তথ্য সমূহ সংগ্ৰহ কৰা হৈছে।

**০.৫ তথ্যৰ উৎস ঃ**

অধ্যয়নৰ বাবে মুখ্য উৎসসমূহ ক্ষেত্ৰ অধ্যয়নৰ পৰা সংগ্ৰহ কৰা হৈছে। তদপৰি উৎস সমূহ বিষয়ৰ সৈতে সংগতি থকা বিভিন্ন কিতাপ-পত্ৰিকা, বাতৰি কাকত, আলোচনী আদিৰ পৰা গ্ৰহণ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সমল সংগ্ৰহ কৰোঁতে আনুষ্ঠানিকভাৱে শিক্ষা গ্ৰহণ কৰা আৰু নকৰা, বয়স, অঞ্চল আদিৰ ভিত্তিত ভাগ কৰি লোৱা হৈছে। তথ্য সমূহ ৰেকৰ্ডাৰত বাণীবদ্ধন আৰু মৌখিক পদ্ধতিৰ যোগেদি আহৰণ কৰা হৈছে।

**০.৬ অধ্যয়নৰ পৰিসৰ ঃ**

অসমীয়া আৰু কুঁড়ুখ দুয়োটা ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতাত্ত্বিক, ইত্যাদিৰ দিশত নিজস্ব বৈশিষ্ট্য আছে। আমাৰ এই গৱেষণাপত্ৰত মাত্ৰ অসমীয়া আৰু কুঁড়ুখ ভাষাৰ ৰূপতত্ত্বৰ সম্পৰ্কেহে ভেদাত্মক ভাষাবিজ্ঞানৰ আধাৰত আলোচনা কৰা হ'ব। গৱেষণাপত্ৰৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি ৰূপতত্ত্বৰ আটাইবোৰ বিষয় আলোচনা কৰাৰ পৰিৱৰ্তে কেৱল বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক শব্দ আৰু নঞাৰ্থক প্ৰত্যয় এইকেইটা দিশৰ বিষয়েহে বিশেষকৈ আলোকপাত কৰা হ'ব।

**১.০ মূল বিষয়ৰ আলোচনা ঃ**

কোনো এটা ভাষাৰ বৈজ্ঞানিকভাৱে অধ্যয়নৰ প্ৰধান

চাৰিটা স্তৰ হ'ল- ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অৰ্থতত্ত্ব। ধ্বনিতত্ত্বত এটা ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সেইদৰে এক বা একাধিক ধ্বনি লগ হৈ ৰূপ গঠন কৰে। ৰূপবোৰ আকৌ পদ্ধতিগত ভাৱে লগ লাগি একোটা শব্দ সৃষ্টি হয়। এই ৰূপ সমূহৰ বিজ্ঞানসন্মত অধ্যয়নৰ স্তৰটোৱে হৈছে ৰূপতত্ত্ব। এক কথাত একোটা ভাষাৰ ৰূপ, ৰূপৰ সংযোগ আৰু সেই সংযোগৰ ফলত নতুনকৈ সৃষ্টি হোৱা অৰ্থ বাচক শব্দ বা পদ গঠনৰ পৰ্যালোচনাই হৈছে সেই ভাষাৰ ৰূপতত্ত্ব। যাৰ ইংৰাজী প্ৰতিশব্দ হৈছে Marphology। এই ৰূপতত্ত্ব আলোচনাই সামৰি লোৱা বিষয় সমূহ হৈছে- বচন, লিঙ্গ, কাৰক, প্ৰত্যয়, বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া, বিভক্তি, কাল আদি। আমাৰ এই আলোচনাপত্ৰত কুঁডুখ ভাষাৰ ৰূপতত্ত্বৰ বিশেষকৈ বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক পদ আৰু নঞাৰ্থক প্ৰত্যয়ৰ সম্পৰ্কে আলোকপাত কৰা হ'ল—

**বচন ঃ**

যাৰ বা যিহৰ দ্বাৰা সংখ্যাৰ বোধ জন্মে তাকে বচন বোলে। অসমীয়া ভাষাত বচন দুই প্ৰকাৰৰ। যেনে—এক বচন আৰু বহুবচন। সেইদৰে কুঁডুখ ভাষাৰো বচন দুই প্ৰকাৰৰ। সেয়া হৈছে--একবচন আৰু বহুবচন। মান্য অসমীয়াৰ দৰে কুঁডুখতো বিশেষ্য, বিশেষণ, সংখ্যাবাচক অৰ্থাৎ সকলো নামপদৰেই বচন হয়। কুঁডুখ ভাষাত বচন নিৰপেক্ষ ৰূপবোৰে এক বচনৰ অৰ্থ প্ৰকাশ কৰে। ইয়াত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগ নাই। "বহুবচনৰ অৰ্থ প্ৰকাশ কৰিবলৈ মূল শব্দৰ পিছত -গুট্ঠি, -গৰ, -বগৰ আদি যোগ কৰা হয়।"[৫] উদাহৰণস্বৰূপে—

| **একবচন** | **বহুবচন** |
|---|---|
| ইংজো (মাছ এটা) | ইংজো গুট্ঠি (মাছবোৰ) |
| অত্খা (পাত এটা) | অত্খা গুট্ঠি (পাতবিলাক) |
| বিটি (কন্যা) | বিটিবগৰ(কন্যাসকল) |
| নত্তি(নাতি) | নত্তিগৰ(নাতিসকল) |

**১। পুলিঙ্গবাচক শব্দৰ বহুবচন ৰূপ ঃ**

পুৰুষবাচক, বৃত্তি, পদবী, জাতি, সম্প্ৰদায় সূচক তথা স্থানবাচক এক বচন বুজোৱা পুলিঙ্গ শব্দৰ ৰূপৰ পিছৰ 'স'ৰ ঠাইত 'ৰ' যোগ কৰি বহুবচন কৰা হয়। তদুপৰি স্ত্ৰী স্ত্ৰীয়ে কথা পাতিলে 'ৰ' সলনি 'য়' যোগ কৰি বহুবচন কৰা হয়। সেইদৰে 'ইস', 'য়স', 'ওস'ৰে শেষ হোৱা শব্দৰ একবচন ৰূপ পৰিৱৰ্তন কৰিবলৈ যাওঁতে 'য়য়' বা 'বয়' ব্যৱহাৰ কৰা হয়। যেনে—

| **একবচন** | **বহুবচন** | **স্ত্ৰী-স্ত্ৰীয়ে** |
|---|---|---|
| আলস (মানুহ) | আলৰ (মানুহবোৰ) | আলয় |
| ঔৰতুস (এজন) | ঔৰতৰ (বহুজন) | ঔৰতয় |
| খদ্দস (কেঁচুৱা) | খদ্দৰ (কেঁচুৱাবোৰ) | খদ্দয় |
| জৌখস (যুৱক) | জৌখৰ (যুৱকসকল) | জৌখয় |

২। কুঁডুখ ভাষাত একবচন আৰু বহুবচন বুজোৱা পৃথক পৃথক শব্দ সমূহ হ'ল--

| **একবচন** | **বহুবচন** |
|---|---|
| এন (মই) | এম (আমি) |
| এংগ্গা (মোক) | এমা, নমা (আমাক) |
| এংগহয় (মোৰ) | এমহয়, নমহয় (আমাৰ) |
| নিন (তুমি) | নিম (তোমালোক) |
| ঈ (এইটো) | ইবড়া (এইবোৰ) |
| হু (সেইটো) | হুবড়া (সেইবোৰ) |

কুঁডুখ ভাষাত বহুবচন বুজোৱা শব্দ সমূহৰ প্ৰয়োগ মন কৰিবলগীয়া। যেনে— নাম, নমা, নমহয়, নমন ইত্যাদি বহুবচনাত্মক শব্দ কোৱাৰ লগে লগে কওঁতা আৰু শুনোতা দুয়োজনকেই বুজাইছে। যেনে-- নাম কালোত (আমি যাম)। কিন্তু "এম কালোম' (আমি যাম) বুলি কোৱাত যিসকলে কৈছে তেওঁলোককহে যাবলগীয়া অৰ্থ প্ৰকাশ কৰিছে। শুনোতাজন নহয়। এতেকে "এম' হ'ল শ্ৰোতা ৰহিত আৰু "নাম' হ'ল শ্ৰোতা সহিত।

৩। কিছুমান বহুবচনাত্মক শব্দ স্ত্ৰী স্ত্ৰীয়ে কথা পাতিলে অন্য ৰূপ লয়। যেনে—

| **একবচন** | **বহুবচন** | **স্ত্ৰী-স্ত্ৰীয়ে** |
|---|---|---|
| ইস (এওঁ) | ইৰ (এওঁলোক) | ইবড়য় |
| আস (তেওঁ) | আৰ (তেওঁলোক) | অবড়য় |
| মহৰস (গোৱাল) | আলৰ (গোৱালসকল) | মহৰয় |

৪। সম্বন্ধবাচক একবচন বুজোৱা মূল ৰূপৰ পিছত 'গৰ' বা 'বগৰ' যোগ দি বহুবচন কৰা হয়। আনহাতে স্ত্ৰী স্ত্ৰীৰ কথাত 'বগয়' যোগ দিয়া হয়। যেনে—

| **একবচন** | **বহুবচন** | **স্ত্ৰী-স্ত্ৰীৰ কথোপকথন** |
|---|---|---|
| ববস (দেউতা) | ববাগৰ (দেউতাসকল) | ববাগবগয় |
| বেটাস (পুত্ৰ) | বেটাবগৰ (পুত্ৰসকল) | বেটাবগয় |
| ককস(খুড়া) | ককাগৰ/ককাবগৰ (খুড়াসকল) | ককাবগয় |
| ককী (খুড়ী) | ককীগৰ/ককীবগৰ (খুড়ীসকল) | ককীবগয় |

৫। কোনো জীৱজন্তু বা নির্জীৱ পদাৰ্থ অথবা কোনো বস্তুক একবচনৰ পৰা বহুবচন বুজাবলৈ মূল ৰূপৰ লগত গুট্ঠি যোগ কৰা হয়। যেনে—

| **একবচন** | **বহুবচন** |
| --- | --- |
| মন্ন (গছ) | মন্ন গুট্ঠি (গছবোৰ) |
| ওড়া (চৰাই) | ওড়া গুট্ঠি (চৰাইবিলাক) |
| কংক (খৰি) | কংক গুট্ঠি (খৰিবিলাক) |

**লিঙ্গ( মেদ) ঃ**

"যি ৰূপৰ দ্বাৰা পুৰুষ- স্ত্ৰী অথবা মতা-মাইকীৰ চিনাক্ত কৰিব পাৰি, তাকে লিঙ্গ বোলে। অসমীয়াত লিঙ্গ প্ৰধানকৈ দুই প্ৰকাৰৰ। সেয়া হৈছে-- পুলিঙ্গ( দেউতা, খুড়া, মামা)

আৰু স্ত্ৰী লিঙ্গ(মা, খুড়ী, মামী) অসমীয়াত কেৱল প্ৰাণীবাচক শব্দৰ ক্ষেত্ৰতহে লিঙ্গ ভেদ কৰা হয়। মানুহ, গৰু, ম'হ আদি শব্দই কোনো লিঙ্গৰ ধাৰণা নিদিয়ে বাবে এই সমূহক লিঙ্গ নিৰপেক্ষ ৰূপ বোলে।

কুঁড়ুখ ভাষাত লিঙ্গ প্ৰধানকৈ তিনি প্ৰকাৰৰ— ১। পুলিঙ্গ( মেত মেদ)

২। স্ত্ৰীলিঙ্গ (মুক মেদ)

৩। ক্লীৱ বা প্ৰাকৃত লিঙ্গ(আলো মেদ)।"[৬] পুৰুষ বুজালে পুলিঙ্গ, স্ত্ৰী বা মহিলাক বুজালে স্ত্ৰীলিঙ্গ, পুৰুষ-মহিলাক বাদ দি সকলো জীৱ বা জড় বস্তুকেই কুঁড়ুখ ভাষাত ক্লীৱ লিঙ্গ বুলি কোৱা হয়। যেনে- এড়া (ছাগলী), মন্ন (গছ), খাড় (নদী) ইত্যাদি।

কুঁড়ুখ ভাষাত তলত দিয়া ধৰণে লিঙ্গ নিৰ্ণয় কৰি দেখুৱাব পাৰি -

১। পুলিঙ্গবাচক শব্দৰ অন্ত্য স্থানত থকা 'স' ৰ ঠাইত 'দ' যোগ কৰি স্ত্ৰীলিঙ্গ কৰা হয়। যেনে—

| **পুলিঙ্গ** | **স্ত্ৰীলিঙ্গ** |
| --- | --- |
| পচগীস (বুঢ়া) | পচ্চুদ (বুঢ়ী) |
| খদ্দস (ল'ৰা) | খদ্দদ (ছোৱালী) |
| ডিংডস(দঙুৰা) | ডিংডদ (বয়সীয়াল ছোৱালী) |

২। পুলিঙ্গবাচক শব্দৰ পিছত 'আলী' স্ত্ৰী প্ৰত্যয় প্ৰয়োগ কৰি-

| পুলিঙ্গ | স্ত্ৰীলিঙ্গ |
| --- | --- |
| খদ্দ (কেঁচুৱা) | খদ্দ আলী (কেঁচুৱাজনী) |
| চেংখস (চাকৰ) | চেংখআলী (চাকৰনী) |

৩। ক্ৰিয়াপদৰ পিছত 'ঈ' লগ লগাই পুলিঙ্গৰ পৰা স্ত্ৰীলিঙ্গ কৰা হয়। যেনে—

| **পুলিঙ্গ** | **স্ত্ৰীলিঙ্গ** |
| --- | --- |
| বৰদস (আহে) | বৰঃঈ (তাই আহে) |
| মেন্দস (শুলে) | মিনী (তাই শুলে) |

৪। পুলিঙ্গবাচক ৰূপৰ আগত 'কটড়ী' (দামুৰী, চেঁউৰী) স্ত্ৰী প্ৰত্যয় ব্যৱহাৰ কৰি—

| **পুলিঙ্গ** | **স্ত্ৰীলিঙ্গ** |
| --- | --- |
| খেৰ (কুকুৰা) | কটড়ী খেৰ (মাইকী কুকুৰা) |
| সিকতা (শিয়াল) | কটড়ী সিকতা (মাইকী শিয়াল) |

৫। জীৱজন্তু তথা পশুপক্ষী বুজোৱা শব্দৰ আগত স্ত্ৰীবাচক 'বুঢ়ী' শব্দ ব্যৱহাৰ কৰি। যেনে—

| **পুলিঙ্গ** | **স্ত্ৰীলিঙ্গ** |
| --- | --- |
| কিচ্ছি (গাহৰি) | বুঢ়ী কিচ্ছি(মাইকী গাহৰি) |
| এড়া (ছাগলী) | বুঢ়ী এড়া (মাইকী ছাগলী) |
| মেইনা (মইনা) | বুঢ়ী মেইনা (মাইকী মইনা) |

অসমীয়া আৰু কুঁড়ুখ ভাষাৰ লিঙ্গৰ বিষয়ে অধ্যয়ন কৰিলে দেখা যায় যে অসমীয়াত কেৱল প্ৰাণীবাচক শব্দহে লিঙ্গ নিৰ্ণয় কৰা হয়। কিন্তু কুঁড়ুখ ভাষাত প্ৰাণীবাচক শব্দৰ উপৰি অপ্ৰাণীবাচক বা জড় বস্তুৰ ক্ষেত্ৰতো নিৰ্ণয় কৰা হয়। অসমীয়াত লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত টো, টা, টি, খন, খনি, জন, জনী আদি নিদিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ কৰি লিঙ্গ নিৰ্ণয় কৰা হয়। তদুপৰি -ই, -অনী, -ইনী, -উনী, -ৰী আদি স্ত্ৰী প্ৰত্যয় সংযোগ কৰিও লিঙ্গ নিৰ্ণয় কৰা হয়। কিন্তু কুঁড়ুখ ভাষাত পুলিঙ্গ বুজাবলৈ বিশেষ্য শব্দৰ আগত অড়িয়া আৰু স্ত্ৰীলিঙ্গ বুজাবলৈ কটড়ী, আলী আদি স্ত্ৰী প্ৰত্যয় ব্যৱহাৰ কৰা হয়।

**কাৰক (ননতু) ঃ**

অসমীয়া ভাষাত কাৰক ছয় প্ৰকাৰৰ। সেয়া হৈছে-- কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ। অৱশ্যে সম্বন্ধ পদৰো কাৰকৰ ৰূপ হয় বাবে ইয়াকো কাৰকৰ শাৰীত ধৰা হয়। কাৰক অনুযায়ী শব্দ বিভক্তি ছয় বিধ। অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ পৃথকে কোনো শব্দ বিভক্তি নাই। সম্বন্ধ পদৰ ষষ্ঠী 'ৰ' ৰ পিছত পৰা অনুসৰ্গ যোগ কৰি অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰে।

অসমীয়া ভাষাৰ ছয়বিধ কাৰকৰ বিপৰীতে কুঁড়ুখত আঠ প্ৰকাৰৰ কাৰক পোৱা যায়। সেয়া— কৰ্তা (ননতুখ), কৰ্ম (মনতুখ), কৰণ (সংগত), নিমিত্ত (পঁড়সা), অপাদান

(অস্বৰনা), সম্বন্ধ (নাতগোত), অধিকৰণ (অড্ডা) আৰু সহচৰ্য (সংগতা)। এই কাৰক সমূহৰ অৰ্থ প্ৰকাশ কৰিবলৈ বিভক্তি প্ৰয়োগ কৰা হয়। তলত "কাৰক আৰু বিভক্তি তালিকাখন দিয়া হ'ল"[৭]

কাৰক----বিভক্তি----উদাহৰণ

ক। কৰ্তা-অস-ৰামাস বৰচম (ৰামাই আহিলে)

খ। কৰ্ম-অন-এংগহন ওণ্টে কমন তেংগা চি'আ (মোক এষাৰ কথা ক'বলৈ দিয়া।)

গ। কৰণ-তুৰু, তী-কন্তো তী খণ্ডা (কটাৰীৰে কাটা)

ঘ। নিমিত্ত-গে-এংগাগে ওণ্টা ওন্দৰ'আ (মোৰ বাবে এটা লৈ আনা)

ঙ। অপাদান-তী-মন্নতী খ? পা খৰতা(গছৰ পৰা ফল সৰিলে)

চ। সম্বন্ধ-গহী, তা-ইদ ৰামস গহী গড়পা (সেইটো ৰামৰ ঘৰ)

ছ। অধিকৰণ-নু-ডিব্ৰুগড় তা মেডিকেল কলেজ ৰঈ (ডিব্ৰুগড়ত মেডিকেল কলেজ আছে)

জ। সহচৰ্য-সংগে, গনে-এংগহয় সংগে বৰা (মোৰ লগত আহা)

অসমীয়াত কাৰক ছয় প্ৰকাৰৰ। কিন্তু কুঁড়ুখত কাৰক আঠ প্ৰকাৰৰ। অসমীয়া ভাষাত সম্বন্ধ পদৰো ৰূপ হয় বাবে আন কাৰকৰ দৰে ইয়াকো কাৰকৰ শাৰীত ধৰা হয়। কিন্তু কুঁড়ুখত সম্বন্ধ কাৰকৰ অৱস্থিতি পোৱা যায়। সেইদৰে কৰণ আৰু অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমীয়াত কোনো অনুপদ বা অনুসৰ্গ প্ৰয়োগ নহয়। অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ কোনো বিভক্তি নাই, সম্বন্ধ পদৰ 'ৰ' বিভক্তিৰ সৈতে পৰা অনুসৰ্গ সংযোগ কৰি ইয়াৰ অৰ্থ নিৰূপন কৰৰ হয়। কুঁড়ুখত অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ 'তী' বিভক্তি যোগ কৰা হয়। তদুপৰি কুঁড়ুখত সহচৰ্য নামেৰে আন এক প্ৰকাৰৰ কাৰক পোৱা যায়। ইয়াৰ অৰ্থ প্ৰকাশ কৰিবলৈ গনে, সংগে আদি বিভক্তি প্ৰয়োগ হয়।

**সৰ্বনাম ঃ**

অসমীয়া ভাষাৰ সৰ্বনাম পদক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি।

১। **ব্যক্তিবাচক সৰ্বনাম ঃ**

| | **একবচন** | **বহুবচন** |
|---|---|---|
| ১ম পুৰুষ- | মই | আমি |
| ২য় পুৰুষ-(তুচ্ছ) | তই | তহঁত |
| (মান্য) | তুমি | তোমালোক |
| (অধিক মান্য) | আপুনি | আপোনালোক |
| ৩য় পুৰুষ-- | সি, তেওঁ | সিহঁত, তেওঁলোক |

২। **নিৰ্দেশবোধক সৰ্বনাম ঃ**

ক। নিকটস্থ ঃ তুচ্ছাৰ্থক-ই (পুং), এই(স্ত্ৰী), এইটো, এইয়া
মান্যাৰ্থক- এওঁ, এখেত

খ। দূৰস্থ ঃ সৌ, সৌৱা, সেইয়া, সেই।

৩। সাকল্যবাচক সৰ্বনাম ঃ গোটেই, সমূহ, সকলো, আটাই, উভয়, সৰ, সদৌ আদি।

৪। অনিদিষ্টতাবাচক সৰ্বনাম ঃ কোনো, কেৰে, কেও, একো।

৫। প্ৰশ্নবোধক সৰ্বনাম ঃ কি আৰু কোন। 'কি'ৰ তিৰ্যক ৰূপ হৈছে 'কা'। ইয়াৰ পিছত কাৰক বাচক বিভক্তি সংযোগ কৰি ভিন্ন ৰূপ কৰা হয়। সেইদৰে 'কোন'ৰ পিছতো বচন বুজোৱা প্ৰত্যয় যোগ কৰি ভিন ভিন ৰূপ কৰিব পাৰি।

৬। আত্মবাচক সৰ্বনাম ঃ নিজ, স্বয়ং আৰু আপুনি। 'নিজ'ৰ পিচত কাৰক বিভক্তি লগ লগাই ভিন ভিন ৰূপ কৰা হয়। কুঁড়ুখ ভাষাৰ সৰ্বনামক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।"[৮]

১। **পুৰুষবাচক সৰ্বনাম ঃ**

| | **একবচন** | **বহুবচন** |
|---|---|---|
| ১ম পুৰুষ | এন (মই) | এম (আমি) |
| ২য় পুৰুষ | নীন (তুমি) | নীম (তোমালোক) |
| ৩য় পুৰুষ | আস (সি/তেওঁ) | আৰ (তেওঁলোক) |

২। নিৰ্দেশবাচক সৰ্বনাম ঃ ঈ (এওঁ), আস (তেওঁ), ঈস (এখেত), হুস (তেওঁ), আৰ (সিহঁত)

৩। আত্মবাচক সৰ্বনাম ঃ তাঙ'আ (নিজৰ)

৪। অধিকাৰ বাচক সৰ্বনাম ঃ এঙহায় (মোৰ) নিঙহায় (তোমাৰ), তাঙহায় (তেওঁৰ) নীমহায় (তোমালোকৰ)

৫। অনিশ্চয়বাচক সৰ্বনাম ঃ এন্দেৰ'অম (কোনো), ইন্দিৰ'ঈম (কোনো)

৬। নিশ্চয়বাচক সৰ্বনাম ঃ ঈদিম (সেইটোৰেই), আদিম (এইটো), হুদিম (তাকে), ঈসিম (এওঁয়ে)

৭। প্ৰশ্নবাচক সৰ্বনাম ঃ নে (কোন), এন্দৰা (কি), এখো (ক'ত)

৮। সম্বন্ধবাচক সৰ্বনাম ঃ নে- আৰ(কোনে), জে-সে (যি ইচ্ছা)

৯। বিভাজবাচক সৰ্বনাম ঃ ওৰোত (এজনে), ওতোখ (এজনে), ওৰমী (গোটেইবোৰ), নাঃমিম (আমিয়ে)

**সম্বন্ধবাচক শব্দ ঃ**

ভাৰতীয় আন আন ভাষাবোৰৰ দৰে অসমীয়াতো সম্বন্ধবাচক শব্দবোৰ তিনিটা সম্বন্ধৰ জৰিয়তে গঢ় লৈ উঠিছে। সেয়া হ'ল-- জন্মগত, বৈবাহিক আৰু বন্ধুত্ব। অসমীয়াত কেইবা কুৰি এনে শব্দ পোৱা যায়। ইয়াৰে পিতামহ, মাতামহ, স্বামী বা স্ত্ৰী ইত্যাদি পোন্ধৰ-যোল্লটা মানহে সংস্কৃতৰ পৰা পোনে পোনে আহিছে। বাকীবোৰ কিছুমান তদ্ভৱ আৰু আন কিছু স্বকীয় শব্দ। অসমীয়াত সম্বন্ধ বুজোৱা বিশেষ্য শব্দ, যেনে—আজোককা-আজো আইতা, পিতা/পিতাই/দেউতা/বোপাই, আই মা/মা/বৌ, খুড়া/খুড়াদেউ, দদাই-খুড়ী-খুড়ীদেউ, জোঁৱাই-জী, দেওৰ, ননদ, শহুৰ, তাৱৈ- আমৈ, মিতা-মিতিনী ইত্যাদি। অৱশ্যে পুৰুষ অনুযায়ী ইহঁতৰ ৰূপ ভিন ভিন দেখা যায়। অৰ্থাৎ সম্বন্ধবাচক শব্দৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষত কাৰকৰ লগত সম্পৰ্ক দেখুৱাবলৈ হ'লে মূল ৰূপৰ পিছত পুৰুষবাচক সৰ্গ যোগ কৰিব লাগে। ইয়াকে পুৰুষ বাচক শব্দৰূপ বোলা হয়। উদাহৰণ স্বৰূপে--উত্তম পুৰুষ--মোৰ দেউতা আহিছে। মধ্যম মান্য--তোমাৰ দেউতাৰা আহিছে। মধ্যম তুচ্ছ--তোৰ দেউতাৰ আহিছে। নাম পুৰুষ -- দেউতাক আহিছে ইত্যাদি।

অসমীয়াৰ দৰে কুঁড়ুখতো সম্বন্ধবাচক শব্দবোৰ জন্মগত, বৈবাহিক আৰু সখিত্ব এই তিনিটা সম্বন্ধৰ যোগেদি গঢ় লৈ উঠে। যেনে-- আব্বা( দেউতা), আইঅ/আয়োং (মা), আজ্জ (ককা), আজ্জি (আইতা), এংড়িস (ভানটি), এঙড়ি (ভনী), দায়ি (বাইদেউ), কাকা (খুড়া), কাকী (খুড়ী), পিসা( পেহা), তাচী (পেহী), এৰখো (ননদ), চাইছ (শহুৰ), চাছু (শাহু), বন্ধুস(বন্ধু), বন্ধিয়ান(বান্ধৱী)।

কুঁড়ুখত সম্বন্ধবাচক শব্দত পুৰুষ অনুযায়ী কিছুমান সৰ্গ সংযোগ হয়। সম্বন্ধবাচক শব্দৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষত সম্বন্ধ কাৰকৰ লগত সম্পৰ্ক দেখুৱাবলৈ হ'লে মূল ৰূপৰ লগত পুৰুষবাচক শব্দ যোগ কৰিব লাগে। অন্যান্য ভাৰতীয় ভাষাৰ দৰে কুঁড়ুখতো পুৰুষবাচক সৰ্গৰ আধাৰ হ'ল — পুৰুষবাচক সৰ্বনামে। উদাহৰণ স্বৰূপে—

সম্বন্ধবাচক--১ম পুৰুষ--২য় পুৰুষ--৩য় পুৰুষ

ক। ববস/আব্বা 'দেউতা' এম্ববস 'মোৰ দেউতা' নিম্ম্বস 'তাৰ দেউতাৰা' তমমবস 'তেওঁ দেউতাক'

খ। আয়োং 'মা' ইংগিয়ো 'মোৰ মা' নিংগিয়ো 'তোমাৰ মা' তংগিয়ো 'তেওঁ মাক'

**নঞৰ্থক প্ৰত্যয় ঃ** অসমীয়া ভাষাত প্ৰধানকৈ ক্ৰিয়াপদৰ আগত নঞৰ্থক বদ্ধৰূপ -ন যোগ কৰি নঞৰ্থকতাৰ অৰ্থ প্ৰকাশ কৰা হয়। অৱশ্যে ক্ৰিয়াপদৰ সম্পূৰক শব্দ প্ৰয়োগ কৰিয়ো, যেনে--বৰ্তমান মই অসমত আছোঁ, বৰ্তমান মই অসমত নাই, ইত্যাদি ধৰণে নঞৰ্থক অৰ্থ প্ৰকাশ কৰা হয়। ন বদ্ধৰূপৰ কেইবাটাও উপৰূপ থাকে। যেনে- ন, না, নি, নু, নে আৰু নো। এইবোৰ সদৰ্থক ৰূপটোৰ আদ্য স্থানত থকা স্বৰধ্বনিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰয়োগ হয়। যেনে--কৰে-নকৰে, খায়-নাখায়, কিনে-নিকিনে, শুনে-নুশুনে, দেখে-নেদেখে, খোৱা-নোখোৱা ইত্যাদি।

কুঁড়ুখ ভাষাত নঞৰ্থক অৰ্থ প্ৰকাশ কৰিবলৈ কেতবোৰ -মা, -মান, -আম, মল ইত্যাদি প্ৰত্যয় প্ৰয়োগ কৰা হয়। যেনে—

মা-নানন (নকৰোঁ)

মান-নাঞ্জকাই (নকৰিলা)

আমকেবাৰা (নাহিবা)

মলনন্দস (নকৰে)

অসমীয়াত যিদৰে নঞৰ্থক প্ৰত্যয় সমূহ সদৰ্থক ৰূপটোৰ আদ্যাক্ষৰত থকা ধ্বনিটোৰ ওপৰত নিৰ্ভৰ কৰি প্ৰয়োগ হয়, সেইদৰে কুঁড়ুখতো নঞৰ্থক প্ৰত্যয়বোৰ সদৰ্থক ৰূপটোৰ আগত প্ৰয়োগ হয়।

**মন্তব্য আৰু সামৰণি ঃ**

অসমীয়া ভাষা হৈছে ভাৰতীয় আৰ্যভাষা গোষ্ঠীৰ অন্তৰ্গত এটা ভাষা। অন্যান্য ভাৰতীয় এই আৰ্য ভাষাবোৰৰ দৰে অসমীয়া ভাষাৰ ৰূপতত্ত্বৰ গাঁথনিক দিশত ভাৰতীয় আৰ্য ভাষাৰ গাঁথনিক অৱয়ব পৰিলক্ষিত হোৱা দেখা যায়। সেইদৰে কুঁড়ুখ ভাষাটো দ্ৰাবিড় ভাষা পৰিয়ালৰ উত্তৰ শাখা দ্ৰাবিড় অন্তৰ্গত। গতিকে দুয়োটা ভাষাৰ বচন, লিঙ্গ, কাৰক, সৰ্বনাম, সম্বন্ধবাচক শব্দ আৰু নঞৰ্থক প্ৰত্যয় ইত্যাদিক ভেদাত্মক ভাষাবিজ্ঞানৰ আধাৰত আলোচনা কৰিলে দেখা যায় যে দুয়োটা ভাষাৰ মাজত ভালেখিনি বৈসাদৃশ্য আছে। কিছু কিছু ক্ষেত্ৰত সাদৃশ্য থাকিলেও প্ৰত্যয়, বিভক্তি আৰু সৰ্গবোৰৰ প্ৰয়োগৰ বেলিকা যথেষ্ট পাৰ্থক্য দেখা যায়। ❑

**পাদটীকা ঃ**

১। Census of India, 2011, Language, India, States, Union Territorials (Table- C_ 16). Office of the Register General, India, 2A, Manshing Road, New Delhi_ll Pg.-6-7

২। বাণীকান্ত কাকতি (অনুঃ) ঃ অসমীয়া (বিশ্বেশ্বৰ হাজৰিকা) ভাষাৰ গঠন আৰু বিকাশ, পৃ, ১৩

৩। নগেন ঠাকুৰ ঃ ভাৰতীয় ভাষাৰ পৰিচয়, পৃঃ ১৮

৪। Cencus of India, 2011, pg 6-7

৫। বেক্স', পি, চি ঃ কুঁড়ুখ বিল্লী (ব্যাকৰণ), সত্য ভাৰতী, পৃঃ ৪৯

৬। চৌঠি ওৰাওঁ ঃ কুঁড়ুখ ব্যাকৰণ আৰু নিৱন্ধ, পৃঃ ১৯

৭। গোলোকচন্দ্ৰ গোস্বামী ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, পৃঃ ৮২

৮। যোগেশ্বৰ ওৰাওঁ ঃ কুঁড়ুখ অসমীয়া অভিধান ও ব্যাকৰণ, পৃঃ ১২৫

**গ্ৰন্থপঞ্জী ঃ**


১। ওৰাওঁ, যোগেশ্বৰ ঃ কুঁড়ুখ অসমীয়া অভিধান ও ব্যাকৰণ, ৰাজকিশোৰ ওৰাওঁ, বাণীপুৰ ডিব্ৰুগড়, অসম, প্ৰথম প্ৰকাশ, মাৰ্চ ২০১৯

২। গোস্বামী, উপেন্দ্ৰনাথ ঃ অসমীয়া ভাষাৰ ৰূপ কথা, মণিমাণিক প্ৰকাশ, পানবজাৰ, গুৱাহাটী, ২০০৪

৩। ---- ঃ অসমীয়া ভাষা আৰু উপভাষা, মণিমাণিক প্ৰকাশ, পানবজাৰ গুৱাহাটী, ১৯৬

৪। ----- ঃ ভাষা আৰু সংস্কৃতি, মণিমাণিক প্ৰকাশ, পানবজাৰ, গুৱাহাটী, ১৯৮৯

৫। গোস্বামী, গোলোকচন্দ্ৰ ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, শান্তি ৰঞ্জন দে, পানবজাৰ, গুৱাহাটী, এপ্ৰিল-২০০৪

৬। চৌঠি ওৰাওঁ ঃ কুঁড়ুখ ব্যাকৰণ আৰু নিৱন্ধ, ভগীৰথী আদিবাসী বালিকা মহাবিদ্যালয় ছাত্ৰাবাস, ৰাঁচী, ২০০৮

৭। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ আধুনিক ভাষা বিজ্ঞান পৰিচয়, শ্ৰীমাখন হাজৰিকা, বনলতা, ডিব্ৰুগড় -১, জুলাই ২০০৬

৮। দাস, বিশ্বজিৎ(সম্পা) ঃ অসমৰ আৰু অসমৰ ভাষা, গণেশ চন্দ্ৰ নাথ, গুৱাহাটী, ২০১০ বসুমতাৰী, ফুকন চন্দ্ৰ

৯। শইকীয়া বৰা, লীলাৱতী ঃ অসমীয়া ভাষাৰ ৰূপতত্ত্ব, অনন্ত হাজৰিকা, বনলতা, পানবজাৰ, গুৱাহাটী, অক্টোবৰ ২০১১

১০। বেক্স, পি, চি ঃ কুঁড়ুখ বিল্লী (ব্যাকৰণ), সত্য ভাৰতী, ৰাঁছী, ৩য় সংস্কৰণ, ২০০৮

১১। লকৰা, ব্যাতোৰ ঃ কুঁড়ুখ ব্যাকৰণ আৰু নিৱন্ধ, কেথলিকপ্ৰেছ, ৰাঁছী, ১মপ্ৰকাশ, ২০০৯

১২। ভগত, মহেশ, কেৰকেট্ৰা, পুষ্পা ঃ কুঁড়ুখ ভাষা ব্যাকৰণ আৰু সাহিত্য, শিৰাংগন প্ৰকাশন, ৰাঁছী, ৩য়সংস্কৰণ, ২০২০

১৩। Hahn,Ferdinand . : *Kurukh grammar,* Bengal Secretariat Press. Retrieved 26 August 2012.

১৪। Orange,Narayan : *Origin and development of Tolong Siki,* Nava Jarkhand Prakashan, Jarkhand,2003

১৫। Pereira. Francis : The Faith Tradition Of The Kunrukhar (Uraons), Drlhi, ISPCK, 2007

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ছপা আলোচনীৰ পৰা বৈদ্যুতিন আলোচনীলৈ অসমীয়া গল্প



পৰিণীতা বৰা

**সাৰাংশ ঃ**

ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ তথা সমৃদ্ধি সাধনত আলোচনীৰ ভূমিকা অনন্য। এইসমূহে বৈচিত্ৰময় জগতৰ বহুমুখী ভাবধাৰা, সাহিত্যৰ ৰচনাশৈলী আৰু সাহিত্যিক ৰূপৰ লগত পাঠকৰ পৰিচয় ঘটাই দিয়াৰ লগতে সাহিত্যত নতুন ৰীতি নাইবা বাদ প্ৰৱৰ্তনত অৰিহণা যোগায়। ছপা আৰু বৈদ্যুতিন যিধৰণৰেই আলোচনী নহওঁক কিয় সকলোতে লেখক অনুযায়ী সাহিত্যৰ লেখনশৈলীৰ বিবিধতা আহি পৰে। এনে লেখনশৈলীৰ সৈতে পাঠকৰ পৰিচয় ঘটোৱাত আলোচনীয়ে সহায় কৰে। অসমীয়া আলোচনীৰ ইতিহাস ছপা মাধ্যমতে আৰম্ভ হয় যদিও সম্প্ৰতি নব্য মাধ্যমতো আলোচনীৰ প্ৰকাশ আৰু প্ৰসাৰ হ'বলৈ লয়। বৈদ্যুতিনভাৱে প্ৰকাশিত আৰু প্ৰসাৰিত এনে আলোচনীসমূহকে বৈদ্যুতিন আলোচনী বুলি কোৱা হয়। এনে আলোচনীত কবিতা, লিমাৰিক, কথা-কবিতা, গল্প, উপন্যাস, ব্যঙ্গ ৰচনা, ৰম্য-ৰচনা, পত্ৰলেখা, সাধুকথা, বিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, বাণিজ্য, ভ্ৰমণ, সমালোচনা, নাটক, অনুবাদ, সাক্ষাৎকাৰ ইত্যাদি বিষয়ৰ সাহিত্যই প্ৰাধান্য পায়। অৱশ্যে উক্ত অধ্যয়নত বৈদ্যুতিন আলোচনীত প্ৰকাশিত গল্পৰ বিষয়বস্তু, ধৰণ, বৈশিষ্ট্য সম্পৰ্কীয় আলোচনাই প্ৰাধান্য লাভ কৰিছে।

**বীজ শব্দ ঃ**

বৈদ্যুতিন আলোচনী, নব্য মাধ্যম, ইউনিক'ড।

## ০.০ অৱতৰণিকা

*জোনাকী* আলোচনীৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' হৈছে প্ৰথম অসমীয়া চুটিগল্প। বেজবৰুৱাৰ সময়ৰেপৰা ছপা মাধ্যমৰ যোগেদি অসমীয়া গল্প প্ৰকাশৰ যি ধাৰাবাহিকতা সেয়া আজিও বৰ্তি আছে। কিন্তু সময় পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ প্ৰকাশ মাধ্যমৰ অনুক্ৰমে পৰিৱৰ্তন আৰু ৰূপান্তৰ হৈছে। একবিংশ শতিকাৰপৰা ছপা মাধ্যমৰ সমান্তৰালভাৱে নব্য মাধ্যমতো অসমীয়া গল্পৰ প্ৰকাশ তথা প্ৰচাৰ-প্ৰসাৰ হ'বলৈ লয়। সেয়ে প্ৰকাশৰ মাধ্যম অনুসৰি অসমীয়া গল্পক মূলতঃ দুটা ভাগত ভাগ কৰিব পাৰি ঃ

(ক) পৰম্পৰাগত মাধ্যমৰ গল্প ঃ এই শ্ৰেণীৰ গল্পক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি -

১। ছপা মাধ্যম, বিশেষকৈ ছপা আলোচনী, গ্ৰন্থ, সংবাদপত্ৰ নাইবা বাতৰিকাকতৰ গল্প।

২। বৈদ্যুতিন মাধ্যম নাইবা ৰেডিঅ', দূৰদৰ্শনত সম্প্ৰচাৰিত গল্প।

(খ) নব্য মাধ্যমৰ গল্প ঃ বৈদ্যুতিন আলোচনী, ব্লগ, ৱেবছাইট, বৈদ্যুতিন বাতৰিকাকত, সামাজিক নেটৱৰ্কিং ছাইট আৰু এপ ইত্যাদিৰ গল্পৰাজি এই শ্ৰেণীৰ অন্তৰ্গত। আনহাতে

বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ
পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়, বিহালী
বিশ্বনাথ, অসম-৭৮৪১৮৪
৭০৮৬৩৫৬৭৫৯
paribora018@gmail.com

প্ৰকাশৰ ৰূপ অনুসৰি অসমীয়া গল্পক দুটা ভাগত বিভক্ত কৰিব পাৰি --- ছপা গল্প আৰু বৈদ্যুতিন গল্প। নব্য মাধ্যমৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান হৈছে বৈদ্যুতিন আলোচনীসমূহ। কবিতা, উপন্যাস, নাটক আদি সৃষ্টিশীল সাহিত্যৰ দৰে অসমীয়া গল্প সাহিত্যৰ প্ৰকাশ তথা বিস্তাৰ সাধনত এই আলোচনীসমূহৰ অৱদান অনস্বীকাৰ্য। এনে আলোচনীয়ে একশ্ৰেণীৰ নতুন অসমীয়া গল্পকাৰ তথা পাঠকৰ গঢ় দিছে। সমান্তৰালভাৱে পুৰণি তথা নতুন গল্পকাৰসকলৰ মৌলিক আৰু অনূদিত ছপা গল্পৰাজিৰ বৈদ্যুতিনভাৱে পুনৰ প্ৰকাশত গুৰুত্ব দিছে। বহুকেইখন আলোচনীত পাঠকৰ অধিক উপভোগ্য হোৱাকৈ শ্ৰব্য আৰু দৃশ্য-শ্ৰব্য আকাৰত গল্প প্ৰকাশৰ সুবিধা আছে।

**০.১ অধ্যয়নৰ গুৰুত্ব ঃ**

ভৌগোলিক দৃষ্টিকোণৰপৰা লক্ষ্য কৰিলে ছপা আলোচনীৰ সীমিত পাঠকতকৈ বৈদ্যুতিন আলোচনীৰ গল্পই এচাম পাঠকক বিস্তৃত পৰিসৰত সামৰি লয়। বিশ্বৰ ভিন্ন প্ৰান্তৰ এইচাম পাঠকে এনে আলোচনীৰ ইউনিক'ডভিত্তিক গল্পৰাজি প্ৰকাশৰ লগে লগে, একে সময়তে পঢ়িব পাৰে। পৰম্পৰাগত আলোচনীতকৈ এনে আলোচনীত গল্পৰ প্ৰকাশ তথা প্ৰচাৰ কাৰ্যত কেতবোৰ সুবিধা আছে। আলোচনীসমূহৰ ব্যাপ্তি, লেখা প্ৰকাশত লেখকৰ বাধাহীনতা, প্ৰকাশৰ লগে লগে পাঠকৰপৰা মতামত, উপদেশ তথা সমালোচনা লাভৰ সুবিধা, কমখৰচী, সাহিত্যক পাঠকৰ বাবে সহজে ব্যৱহাৰৰ উপযোগী, ত্বৰিৎ, দীৰ্ঘদিনীয়া আৰু সুলভ কৰি তোলা আদিকে ধৰিব পাৰি। এনে আলোচনীৰ গল্প পঢ়ি মনলৈ অহা যিকোনো ধৰণৰ ভাব-চিন্তাক পাঠকসমাজে মন্তব্য আকাৰে তাৎক্ষণিকতাৰে প্ৰেৰণ কৰিব পাৰে। এনেবোৰ সা-সুবিধাৰ বাবেই নৱ প্ৰজন্মৰ গল্পকাৰসকলৰ বৈদ্যুতিন আলোচনীত গল্প-চৰ্চাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে। সেয়ে উক্ত বিষয় সম্পৰ্কত আলোচনাৰ যথেষ্ট গুৰুত্ব আৰু প্ৰাসংগিকতা আছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

(ক) ছপা আলোচনীৰপৰা বৈদ্যুতিন আলোচনীলৈ অসমীয়া গল্পৰ বিকাশ সম্পৰ্কে সম্যক ধাৰণা তুলি ধৰা।

(খ) অসমীয়া বৈদ্যুতিন আলোচনীৰ গল্পৰ বিষয়বস্তু সম্পৰ্কে সম্যক আলোচনা।

(গ) অসমীয়া বৈদ্যুতিন আলোচনীত গল্প প্ৰকাশৰ ধৰণ তথা বৈশিষ্ট্য সম্পৰ্কে আলোচনা।

**০.৩ অধ্যয়নৰ উৎস আৰু পদ্ধতি ঃ**

গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে পুথিগত তথ্যৰ লগতে ইণ্টাৰনেটৰ তথ্যকো সমানে গুৰুত্ব দিয়া হৈছে। পত্ৰখনত বিশ্লেষণাত্মক, বৰ্ণনাত্মক আৰু ঠায়ে ঠায়ে তুলনামূলক পদ্ধতিৰ সহায় লোৱা হৈছে।

**১.০ বিষয় বিশ্লেষণ ঃ**

*জোনাকী*ৰ পাছত অসমীয়া গল্পই ক্ৰমবিকাশৰ মাজেদি আগবাঢ়ি গৈ কলিকতাৰপৰা প্ৰকাশিত *আৱাহন*ত পৈণত অৱস্থা লাভ কৰে। *আৱাহন*ত বহুতো নতুন গল্পকাৰৰ সৃষ্টি হয়। চেকভ, মোপাছাঁ, হেনৰী প্ৰভৃতি গল্পকাৰৰপৰা অনুপ্ৰেৰণা লৈ এইচাম গল্পকাৰে গল্পত নতুন বিষয় আৰু কৌশলৰ অৱতাৰণা কৰে। *জোনাকী*ত আত্মপ্ৰকাশ কৰি *আৱাহন*ৰ সময়ত বিস্তৃতি লাভ কৰা অসমীয়া গল্প স্বৰাজোত্তৰ কালত অধিক সমৃদ্ধিশালী হয়। এই সময়তে মহাযুদ্ধৰ আগৰ গল্পকাৰসকলৰ লগত যোগ দিলেহি *ৰামধেনু*ত আত্মপ্ৰকাশ কৰা এচাম নতুন গল্পকাৰে। *ৰামধেনু*ৰ নতুন গল্পকাৰসকলৰ গল্পত চুটিগল্পৰ ভাৱবস্তু আৰু কলা-কৌশলৰ পৰিসৰ যথেষ্ট বহল হৈ পৰে। স্বাধীনতাৰ পাছতে অৰ্থনৈতিক সংকটৰ দৰে নতুন নতুন সমস্যাৰ উদ্ভৱ হয়। এই সমস্যাসমূহে জীৱন আৰু সমাজ সম্পৰ্কীয় মূল্যবোধৰ ৰূপান্তৰণত বৰঙণি যোগায়। লগতে সমাজবাদী, মনস্তাত্ত্বিক, অৱস্থিতিবাদী ইত্যাদি পশ্চিমীয়া মতাদৰ্শৰ প্ৰভাৱে অসমীয়া গল্পক বৈচিত্ৰ্যময় কৰি তোলে। যুগৰ জটিলতাই সৃষ্টি কৰা কঠোৰ বাস্তৱতাৰ প্ৰতি লেখক সমাজৰ সজাগতা বৃদ্ধি পায়। এনে সময়তে সমাজৰ দুৰ্বল শ্ৰেণীটোৰ প্ৰতি গল্পকাৰসকলে উদাৰ তথা মানৱতাবাদী দৃষ্টিভংগী গ্ৰহণ কৰে।

বিংশ শতিকাৰ পঞ্চাশ আৰু ষাঠিৰ দশকত অসমীয়া গল্পৰ ভাৱবস্তু আৰু ৰূপবস্তুৰ পৰিৱৰ্তন-পৰিৱৰ্ধনত সহায় কৰা গল্পকাৰসকলৰ ভিতৰত স্নেহ দেৱী, চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি, ভৱেন্দ্ৰনাথ শইকীয়া, লক্ষ্মীনন্দন বৰা ইত্যাদি উল্লেখযোগ্য। ষাঠি-সত্তৰ দশকৰ ভিতৰত আৰু তাৰ পৰৱৰ্তী কালত গল্পকাৰৰূপে প্ৰতিষ্ঠা লাভ কৰা শীলভদ্ৰ, অতুলানন্দ গোস্বামী, নগেন শইকীয়া, অৰুণ গোস্বামী, অপূৰ্ব শৰ্মা, প্ৰণৱজ্যোতি ডেকা, দেৱব্ৰত দাস, মনোজ কুমাৰ গোস্বামী আদিৰো অসমীয়া গল্প-সাহিত্যলৈ যথেষ্ট অৱদান আছে। শীলভদ্ৰই জীৱনৰ গভীৰ আৰু বিস্তৃত অভিজ্ঞতাক কম পৰিসৰতে যথোপযুক্ত শব্দৰ সহায়ত পাঠকৰ আগত দাঙি

ধৰিছে। হৰেকৃষ্ণ ডেকা, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য, কুল শইকীয়া, বিপুল খাটনিয়াৰ, হেমন্ত বৰ্মনৰ দৰে গল্পকাৰৰ লগতে সাম্প্ৰতিক কালছোৱাত মহিলা গল্পকাৰৰ সংখ্যাও বহু পৰিমাণে বৃদ্ধি পায়। মামণি ৰয়চম গোস্বামীয়ে বাস্তৱ পৰিস্থিতিক নিৰ্ভেজাল ৰূপত সংকোচবিহীনভাৱে পাঠকৰ আগত তুলি ধৰে। অৰূপা পটঙ্গীয়া কলিতাই সমাজৰ শোষণ, নিপীড়ন, কপটতাৰ স্বৰূপ; অণিমা ভৰালী, প্ৰবীণা শইকীয়া, মিনতি চৌধুৰীৰ সৰহভাগ গল্পৰ মাজেদি নাৰীমনৰ অনুভূতি আৰু দ্বন্দ্ব প্ৰকাশ পাইছে।

ছপা মাধ্যমৰ উপৰি ৰেডিঅ', দূৰদৰ্শনৰ উদ্ভাৱনে অসমীয়া গল্পক একপ্ৰকাৰ নতুন ৰূপ দিয়ে। এই মাধ্যমসমূহত সময়ে সময়ে গল্প পাঠৰ কেতবোৰ অনুষ্ঠান সম্প্ৰচাৰিত হ'বলৈ লয়। শ্ৰোতা-দৰ্শকে শ্ৰব্য তথা দৃশ্য-শ্ৰব্য ৰূপত গল্প পাঠ শুনিব পৰা হ'ল। ইয়াৰ পিছতে তথ্য-প্ৰযুক্তিৰ অন্যতম উদ্ভাৱন ইণ্টাৰনেট আহি পৰিল। এনে সময়তে জনসাধাৰণে ইণ্টাৰনেটক নব্য মাধ্যমৰূপে গ্ৰহণ কৰিবলৈ ল'লে। সম্প্ৰতি এই মাধ্যমৰ যোগেদি অসমীয়া গল্পই সাৰ্বজনীনভাৱে প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ দিশত অন্য মাত্ৰা লাভ কৰিছে। নব্য মাধ্যম হ'ল ক্ষিপ্ৰ যোগাযোগ মাধ্যম। বাতৰিকাকত, দূৰদৰ্শন, ৰেডিঅ' আদি পৰম্পৰাগত গণমাধ্যমৰ লগত জড়িত নথকা ব্যক্তিয়েও নব্য মাধ্যমৰদ্বাৰা বিশ্বৰ বিবিধ বিষয়ৰ তথ্য আহৰণ কৰিব পাৰে। নব্য মাধ্যমত কেতবোৰ উন্নত কাৰিকৰী কৌশল নিহিত আছে। পৰম্পৰাগত গণমাধ্যমত বাৰ্তা প্ৰেৰণ কৰিব পাৰি যদিও প্ৰেৰকৰ কাষলৈ গ্ৰাহকৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া (পোনপটীয়াকৈ সম্প্ৰচাৰিত অনুষ্ঠানক বাদ দি) প্ৰেৰণৰ ব্যৱস্থা নাথাকে। কিন্তু নব্য মাধ্যমত প্ৰেৰকৰদ্বাৰা প্ৰেৰিত বাৰ্তাৰ সঁহাৰি তাৎক্ষণিকতাৰে প্ৰতিপ্ৰেৰণৰ সুবিধা আছে। সেয়ে নৱ-প্ৰজন্ম আৰু শিক্ষিত আগ্ৰহী ব্যক্তিসকলৰ মাজত এই মাধ্যমটি অতিকৈ জনপ্ৰিয়।

বৈদ্যুতিন আলোচনীসমূহে ন-পুৰণি অসমীয়া গল্পকাৰসকলক ছপা মাধ্যমৰ লগতে নব্য মাধ্যমতো গল্প-চৰ্চাৰ এখন মুকলি ক্ষেত্ৰ প্ৰদান কৰিছে। ২০১১ চনত *মাহেকীয়া গল্প* নামৰ প্ৰথমখন গল্পভিত্তিক অসমীয়া বৈদ্যুতিন আলোচনী প্ৰকাশ পায়। *ৰূপান্তৰ* হৈছে এনে ধাৰাৰ আলোচনীৰ অন্যতম নিদৰ্শন। ভিন্নধৰ্মী বৈদ্যুতিন আলোচনীৰ নিয়মিত সাহিত্য শিতানসমূহৰ মাজতো গল্পই গুৰুত্বপূৰ্ণ স্থান পাইছে। আলোচনীভেদে গল্প শিতানসমূহৰ ভিন ভিন নাম আছে। তাৰে ভিতৰত "গল্প" (*সাহিত্য ডট অৰ্গ, নীলা চৰাই, প্ৰজন্ম, অঙ্গন, অন্যযুগ, জোনাক, বেটুপাত*), "চুটিগল্প" (*জ্ঞানম, বেটুপাত*), "এক-মিনিটৰ গল্প" (*প্ৰজন্ম, বেটুপাত*), "কথা-শিল্প" (*সন্ধান*), "Short Stories" (*এনাজৰী*), "অণুগল্প" (*মণিকূট, জ্ঞানম, দকচিৰি, বেটুপাত*), "গল্পগুচ্ছ" (*মণিকূট, ঐশানু*), "গল্প-কবিতা" (*মুক্ত চিন্তা*), "গল্প-শিতান" (*সাঁচিপাত*), "অনু-গল্প শিতান" (*সাঁচিপাত*) ইত্যাদি লেখতল'বলগীয়া গল্পৰ শিতান। গতানুগতিকাৰ বিপৰীতে ধাৰাবাহিকভাৱে গল্পৰ প্ৰকাশ এনে আলোচনীৰ অতিকৈ গুৰুত্বপূৰ্ণ বিশেষত্ব। উদাহৰণস্বৰূপে, ৰাতুল আখতাৰৰ 'তেজৰ ৰং ৰঙা' (*বেটুপাত*), বিজয় শইকীয়াৰ 'চিতা' (*বেটুপাত*) ইত্যাদি।

**১.১ অসমীয়া বৈদ্যুতিন আলোচনীৰ গল্পৰ বিষয়বস্তু ঃ**

সৰ্বপ্ৰথম *এনাজৰী*ৰ যোগেদিয়েই অসমীয়া গল্পই বৈদ্যুতিন আলোচনীত প্ৰকাশৰ মুখ দেখে। ইউনিক'ডভিত্তিক আলোচনীখনৰ গল্পৰাজি "Literature" শীৰ্ষক মুখ্য শিতানৰ 'Short Stories' নামৰ উপ-শিতানটোত প্ৰকাশ পাইছে। ইয়াত ওঠৰ গৰাকীকৈ প্ৰতিষ্ঠিত গল্পকাৰৰ বাইশটিকৈ ছপা অসমীয়া গল্প বৈদ্যুতিনভাৱে উপলব্ধ। তাৰে ভিতৰত অতুলানন্দ গোস্বামীৰ 'অপত্য', অপু ভৰদ্বাজৰ 'চিকাডা', ৰিজু হাজৰিকাৰ 'লাজ', লক্ষ্মীনন্দনবৰাৰ 'বিছুৰ উপহাৰ', সুৰঞ্জনা শৰ্মাৰ 'বিসৰ্গ বলয়', হেমন্ত বৰ্মনৰ 'উপত্যকাৰ উপমা', অপূৰ্ব শৰ্মাৰ 'হলধৰ', গীতালি বৰাৰ 'মৌন মহানগৰ', সৃষ্টি শ্ৰেয়মৰ 'অনাহূত' ইত্যাদি মৌলিক গল্প প্ৰকাশ পাইছে। একেটা উপ-শিতানতে ইংৰাজীলৈ অনূদিত নিৰুপমা বৰগোহাঞিৰ 'Spring in Hell', 'The Second Death', 'Tantalus', অৰূপা পটঙ্গীয়া কলিতাৰ 'The daughter, the wife and the mother', কুল শইকীয়াৰ 'Ningni the Ghost', ৰূপম সিন্ধু কলিতাৰ 'Lessons from a rain country', ভাস্কৰ ঠাকুৰীয়াৰ 'The journey', মনালিছা শইকীয়াৰ 'Roots Bacon' এ ঠাই পাইছে।

স্বাধীনোত্তৰ কালত অসমৰ সমাজ, ৰাজনীতি, অৰ্থনীতি ইত্যাদিত বিবিধ পৰিৱৰ্তন সাধিত হয়। এই সময়ছোৱাত জমিদাৰী প্ৰথাৰ প্ৰভাৱ ক্ৰমশঃ হ্ৰাস হয় যদিও পুঁজিবাদী ব্যৱস্থাই ভালদৰে গা কৰি উঠিব পৰা নাছিল। ফলত সামন্তবাদ আৰু পুঁজিবাদী সমাজ-ব্যৱস্থা এক মীমাংসাত উপনীত হয়। সেয়ে এই সময়ৰ অসমীয়া গল্পসমূহত পুঁজিবাদৰ বিপক্ষে প্ৰতিবাদৰ সুৰ তীব্ৰ নহ'লেও ক্ষয়ংকৰী সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে প্ৰতিবাদৰ ক্ষীণ সুৰ অনুৰণিত হয়। বিশেষকৈ মাটিৰ মালিক, জমিদাৰ, মহাজন প্ৰভৃতি শোষক শ্ৰেণীৰ বিৰোধিতা কৰি

অসমীয়া সাহিত্যত বহুকেইজন গল্পকাৰে গল্প লিখে। এইক্ষেত্ৰত *এনাজৰীত* প্ৰকাশিত অপূৰ্ব শৰ্মাৰ 'হলধৰ' (পূৰ্বে ছপাৰূপত প্ৰকাশ) অন্যতম। গল্পটিত মহাজনৰদ্বাৰা শোষিত জনসাধাৰণে এনে শোষণৰ বিৰুদ্ধে কৰা সৰৱ বিদ্ৰোহৰ ছবি তথা প্ৰতিবাদৰ সুৰ প্ৰতিধ্বনিত হয়। বিভিন্ন ছল-চাতুৰিৰে সাধাৰণ মানুহৰ মাটি-বাৰী আত্মসাৎ কৰা আৰু গাঁওবাসীক নানা অত্যাচাৰ-অবিচাৰ-উৎপীড়ন চলাই যোৱা মহাজনৰ বিৰুদ্ধে শোষিত শ্ৰেণীৰ অসহায় প্ৰতিনিধি সোমেশ্বৰ জাগি উঠিছে। মহাজনৰ শোষণৰ বাবে সৰ্বস্ব হেৰুৱা সোমেশ্বৰে বলোৰামৰ নাঙল চোৰ কৰি আনি মহাজনৰ চাঙৰ তলতে লুকাই ৰাখিছে। ঘটনাটোৰ সম্ভেদ পাই বলোৰামৰ যি ক্ৰোধ সেয়াও গল্পটিত বৰ্ণিত হৈছে। আনকি ৰাইজে 'নাঙল চোৰক ধৰ' বুলি মহাজনকে চোৰ সজাই উলিওৱা সমদলত মহাজনৰ সৰু পুতেকেও ভাগ লৈছে। নাঙল চোৰক ধৰিবৰ বাবে সোমেশ্বৰৰ পিছে পিছে যোৱা শিশুসকলৰ মাজত নিজৰ নুমলীয়া সন্তানক দেখি মহাজনৰ ভৰিৰ তলৰ মাটি কঁপি উঠিছে। প্ৰতিশোধৰ মনোভাৱেৰে এনে কাৰ্য কৰাৰ শেষত সোমেশ্বৰ অনুশোচনাতো দগ্ধ হৈছে। *এনাজৰীত* প্ৰকাশিত অপু ভৰদ্বাজৰ 'চিকাডা' (পূৰ্বৰূপ-ছপা)ত সম্পূৰ্ণ অগতানুগতিক বিষয়বস্তু আৰু প্ৰকাশভংগীৰ মাজত গল্পকাৰৰ প্ৰথাবিৰুদ্ধ জীৱনাদৰ্শৰ উমান পোৱা যায়।

পূৰ্বে *প্ৰান্তিকত* 'নিলাজ' (৩১ ডিচেম্বৰ, ২০১৭) শিৰোনামেৰে প্ৰকাশিত সঞ্জীৱ পল ডেকাৰ 'লাজ' (ৰচনাকাল ২০০৫) *এনাজৰী*ৰ এটি উল্লেখনীয় গল্প। এগৰাকী স্বামীহীনা মহিলাৰ জীৱন-নিৰ্বাহৰ সকৰুণ দৃশ্য গল্পটোৰ কেন্দ্ৰীয় বিষয়। গল্পৰ কাহিনীভাগ আগবাঢ়িছে চৰকাৰী বেনাৰ এখনকলৈ। এই বেনাৰখনতে লিপিবদ্ধ আছে শাসকীয় চৰকাৰৰ চতুৰ্থ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষ্যে দেশত দৰিদ্ৰতা, নিৰক্ষৰতা দূৰীকৰণ সকলোতে অভূতপূৰ্ব সফলতাৰ কথা। কিন্তু সাম্যবাদী চৰকাৰৰ সফলতাৰ প্ৰতীকস্বৰূপ বেনাৰখনকে এগৰাকী বিধবাই ঘৰলৈ নি পেটিকোট চিলাই পিন্ধিলে। স্বামীয়ে বিয়াৰ লগতে দিয়া পেটিকোটটো একেবাৰে উৰলি যোৱাত উপায়ান্তৰ হৈ বিধবাগৰাকীয়ে এনে কাম কৰে। কিন্তু বেনাৰখনক নিৰ্দিষ্ট স্থানত নেদেখি চৰকাৰৰ ধাৰণা হ'ল এয়া বিৰোধী দলৰ কৰ্ম। নিৰক্ষৰ চুবুৰীত গোপনে হয়তো ৰাজনীতিৰ খেল চলিব পাৰে। বিৰোধী দলেই চক্ৰান্ত কৰি দিন-হাজিৰাৰে ঘৰখন চলাই থকা নিৰক্ষৰ জনসাধাৰণক বিশেষ কিবা টোপ দি এই কাম কৰোৱাইছে। সেয়ে চৰকাৰৰ কাঢ়া নিৰ্দেশ মানি পুলিচে অতিশীঘ্ৰে অপৰাধীক গ্ৰেপ্তাৰৰ বাবে তদন্ত আৰম্ভ কৰিলে। অৱশেষত পুলিচৰ বিচাৰ-খোচাৰত জলজট পটপটকৈ ধৰা দিছে সাম্যবাদী চৰকাৰৰ সফলতাৰ জলন্ত প্ৰতিচ্ছবি। গছত আঁৰি থোৱা চৰকাৰী বেনাৰখনত বৰ বৰ হৰফেৰে লিখা 'দৰিদ্ৰ দূৰীকৰণ' বোলা কথাষাৰক বিধবাগৰাকীয়ে অজ্ঞাতেই ভেঙুচালি কৰিলে। তাই লজ্জা নিবাৰণৰ নিমিত্তেহে বেনাৰখন চোৰ কৰি নি পেটিকোট চিলাই পিন্ধিব লগাত পৰিল। বিধবাগৰাকীয়ে সংঘটিত কৰা এনে কাৰ্যত কাকতি পুলিচৰ বুকুত এক প্ৰচণ্ড বিষ অনুভৱ হ'ল। কাকতিয়ে মহিলাগৰাকীক গ্ৰেপ্তাৰ নকৰাৰ প্ৰতিশ্ৰুতি দি পেটিকোট কিনিবলৈ বুলি পাঁচশ টকা আগবঢ়াই দি মানৱীয়তাৰ পৰিচয় দাঙি ধৰিলে। কৰ্তব্য পালনৰ স্বাৰ্থতেই পেটিকোটৰ সিঁয়নি কাটি খণ্ডিত বেনাৰখন লৈ কাকতি জীপত বহিলগৈ। গল্পকাৰে গল্পটিত অতি সাৱলীলভাৱে দৰিদ্ৰ-নিপীড়িতসকলৰ প্ৰতি অনুকম্পা স্পষ্টকৈ ফুটাই তুলিছে। লগতে শাসকীয় পক্ষৰ শাসনকালৰ বিয়াগোম সফলতাক বিধৱাগৰাকীৰ প্ৰতিচ্ছবিৰে ব্যঙ্গভাৱে উপস্থাপন কৰিছে।

আধুনিক অসমীয়া গল্প সাহিত্যত আংগিকৰ ক্ষেত্ৰত মৌলিক প্ৰতিভাৰ পৰিচয় দিয়া গল্পকাৰসকলৰ ভিতৰত দেৱব্ৰত দাস অন্যতম। তেওঁৰ 'অৰ্পিতাৰ এৰাতি' নামৰ মনোজগতৰ ইচ্ছাপূৰণমূলক কাল্পনিক গল্পটি পিছলৈ *এনাজৰীত* বৈদ্যুতিনভাৱে প্ৰকাশ পায়। এই গল্পটিক গল্পকাৰে প্ৰথম পুৰুষৰ জৰিয়তে নায়কৰ মুখেৰে বৰ্ণাইছে। নিঃসহায়, নিৰুপায়, অভাৱী বিশ্বমানৱৰ বাবে কিঞ্চিত কিবা কৰি আত্মসন্তুষ্টি লাভৰ নিমিত্তে গল্পটি নিৰ্মাণ কৰিছে। নায়কে প্ৰথম দৃষ্টিতে অৰ্পিতাৰ মাজেৰে কৌতূহল আৰু আগ্ৰহ জগাই তোলা এক ৰোমাঞ্চকৰ চৰিত্ৰ আৰু কাহিনীৰ সন্ধান পাইছে। ইয়াৰপৰাই গল্পকাৰজন নায়কৰ লগত একাকাৰ হৈ পৰিছে। গল্পকাৰে তেওঁৰ মনোজগতৰ কাল্পনিক কথাৰে নায়ক আৰু অৰ্পিতাক লৈ গল্পৰ কাহিনী সৃষ্টি কৰিছে। নায়কে অৰ্পিতাৰ ৰূপৰ বৰ্ণনাক অগ্ৰাহ্য কৰি তাইৰ বিশুদ্ধ দৈহিক ভংগীমা আৰু চকু-মুখৰ ভাৱৰ বৰ্ণনাত সৰ্বাধিক গুৰুত্ব দিছে। গল্পৰ নায়ক ঘটনাক্ৰমৰ লগত আকস্মিকভাৱে জড়িত হৈ পৰা কেৱলমাত্ৰ এজন অংশীদাৰহে। যান্ত্ৰিক ভদ্ৰতাৰ সীমাত আবদ্ধ নায়কে অপৰিচয়ৰ ব্যৱধানতে সন্তুষ্টি লভি মনোজগতত নায়িকাৰ বিষাদত আশ্ৰয়দাতা হোৱাৰ এটি সুন্দৰ বাসনা গল্পটিত প্ৰতিভাত হৈছে। নায়ক আৰু অৰ্পিতাৰ বাহিৰে নায়কৰ বন্ধু কিৰণ দেৱনাথ, ট্ৰেইনৰ টিকটৰ যোগান ধৰোতা নায়কৰ

চুবুৰিৰে এন.এফ.ৰেলৱেৰ টি.টি.ই. কৃষ্ণ, অৰ্পিতাৰ দেউতাক, ভাত দিবলৈ অহা খানচাম চৰিত্ৰৰ ভূমিকা গল্পটিত বিশেষ ধৰণে পোৱা নাযায়। অৰ্পিতা চৰিত্ৰই সমাজৰ দুখী, আৰ্থ মানৱতাৰ ইংগিত দিছে। কেৱল এক মুহূৰ্তৰ বাবে দুখৰ সাৰথি হোৱাৰ আশালৈয়ে অৰ্পিতাৰ দুখাত্মক পৰিস্থিতিৰ লগত নায়ক আকস্মিকভাৱে জড়িত হৈছে।

*নীলা চৰাই* নামৰ ইউনিক'ডভিত্তিক আলোচনীখনৰ "গদ্যশিল্প" শিতানৰ 'গল্প' শীৰ্ষক উপ-শিতানতো চৈয়দ আব্দুল মালিকৰ 'এজনী নতুন ছোৱালী', মহিম বৰাৰ 'টোপ' (৬ জুলাই, ২০১৯), 'কাঠনিবাৰীৰ ঘাট' (৬ আগষ্ট, ২০১৬), ৰঞ্জু হাজৰিকাৰ 'শিৱৰ তৃতীয় নয়ন' (৫ আগষ্ট, ২০১৮), ধ্ৰুৱজ্যোতি শৰ্মাৰ 'জলছবি' (১২ এপ্ৰিল, ২০১৮), জয়শ্ৰী গোস্বামী মহন্তৰ 'তৰগ ৰস ৰস ইন্দু' (১৩ জুলাই, ২০২০), ইন্দ্ৰনীল গায়নৰ 'বিকল্প' (৯ ডিচেম্বৰ, ২০১৯), অনামিকা বৰুৱাৰ 'সন্ধিক্ষণ' (১৪ এপ্ৰিল, ২০১২)ৰ দৰে বহু ন-পুৰণি গল্পকাৰৰ গল্প প্ৰকাশ পাইছে। আলোচনীখনৰ অনূদিত গল্পৰাজি তথা গল্পকাৰসকলৰ ভিতৰত উৎপল ফুকনৰ 'অণ্ড' (২১ মাৰ্চ, ২০২০, মূল-ইং., Andy Weir), প্ৰতিভা গোস্বামীৰ 'তিনিটা অমূল্য ভোট' (মূল-ওড়িয়া, মনোজ দাসৰ 'তিনোটি মহাৰ্ঘ্য ভোট'), অৰূপা পটঙ্গীয়া কলিতাৰ 'চিঠিখন' (১৪ এপ্ৰিল, ২০১২, মূল- টেমচুলা আওৰ গল্প 'The Letter') ইত্যাদি লেখতল'বলগীয়া। প্ৰতিটো গল্পৰ লিখিত পাঠৰ লগত ছবিৰ সংযোজন *নীলা চৰাই*ৰ অন্যতম বিশেষত্ব। ইয়াৰ "ই-বুক" শিতানত সংৰক্ষিত *নীলা চৰাইৰ গল্প ১* গ্ৰন্থখন পি.ডি.এফ. আকাৰে ডাউনল'ড কৰিব পাৰি। এই সংকলনৰ গল্প আৰু গল্পকাৰসকল হ'ল ইমৰান হুছেইনৰ 'বাঁক', কুসুম বৰাৰ 'অনুৰাগ', ধ্ৰুৱজ্যোতি শৰ্মাৰ 'আপোচ', ভূপেন শৰ্মাৰ 'বিচ্ছিন্নতা', নীল কোঁৱৰৰ 'পোষ্ট মডাৰ্ন ঃ এটা গল্প অথবা অগল্প লিখন', ৰিপুঞ্জিত হাজৰিকাৰ 'যাত্ৰা', তুলিকা নিৰ্মলীয়াৰ 'প্ৰয়াণ', অমিয়া বৰগোঁহাইৰ 'চকু', বনপংখী গোস্বামীৰ 'বাঘ', মালিনী গোস্বামীৰ 'দাপোণ', কবিতা বৰা কলিতাৰ 'বৃষভ', ধনজিৎ কলিতাৰ 'আবেলি', মনোৰঞ্জন মজুমদাৰৰ 'আধালিখা গল্পটো' ইত্যাদি।

*নীলা চৰাই*ৰ উল্লেখনীয় গল্প মহিম বৰাৰ 'টোপ' (পূৰ্বৰূপ- ছপা)ত গল্পকাৰে অসমীয়াৰ চহা জনজীৱনৰপৰা বিলুপ্তি পথলৈ গতি কৰা বৰশিক সুশৃংখলিতভাৱে সংৰক্ষণ কৰি থৈ গৈছে। বৰশিক লৈ গাঁৱৰ মানুহৰ আৱেগ, অনুভূতি, বৰশি টোপোৱাৰ অনাবিল আনন্দ আৰু তাৰ বাবে আৱশ্যকীয় কাৰ্যকলাপসমূহ গল্পকাৰে মনোৰমভাৱে উপস্থাপন কৰিছে। শিঙি পুখুৰীত শ'ল মাছ ধৰাৰ প্ৰসংগৰে গল্পটি আৰম্ভ হৈছে। সম্প্ৰতি নগৰকেন্দ্ৰিক সংস্কৃতিয়ে আৱৰি ধৰা গাঁৱসমূহত পূৰ্বৰেপৰা প্ৰচলন হৈ অহা অসমীয়া সংস্কৃতি যাতে কালৰ বুকুত হেৰাই নাযায় গল্পকাৰে তাক সযতনে ধৰি ৰখাৰ প্ৰয়াস কৰিছে। অসমীয়া গ্ৰাম্য ভাৱ-ভাষা, ঘৰুৱা ভাষাৰ প্ৰয়োগেৰে গল্পকাৰে টোপক অনন্য ৰূপ দিছে। টোপৰ পৰিৱেশ চিত্ৰণ অতি মনোমোহা আৰু ভাৱবস্তু বৈচিত্ৰ্যহীন। গল্পটিৰ আৰম্ভণি আৰু সামৰণিৰ বৰ্ণনাভঙ্গীও নাটকীয়। এই নাট্যগুণধৰ্মিতাৰ বাবেই গল্পটিয়ে পাঠকৰ মনত ৰসৰ সঞ্চাৰ কৰিছে।

সমাজত চলি অহা অন্ধবিশ্বাসৰ শিকলি চিঙাৰ বাবে তৰামাইৰ জোঁৱায়েকে লোৱা ধনাত্মক পদক্ষেপেই হৈছে পল্লৱী শইকীয়াৰ 'সেন্দুৰ' (*নীলা চৰাই*, ১৬ মে', ২০২০) গল্পৰ কেন্দ্ৰীয় বিষয়। তৰামায়ে নিজেও গাঁৱৰ নাৰীসমাজৰ দৰেই বিশ্বাস কৰে যে শুভ কৰ্মত কেৱল আয়তীৰহে স্থান। এনে কৰ্মত সদায় বিধবাসকল এলাগী হৈ পৰে। কিন্তু তৰামাইৰ জোঁৱায়েক এনে কাৰ্যৰ ঘোৰ বিৰোধী। পত্নী মামু অৰ্থাৎ তৰামাইৰ জীয়েকৰ পঞ্চামৃতৰ দৰে শুভ অনুষ্ঠানটি বিধবা মাকৰদ্বাৰা সম্পন্ন কৰিবলৈ জোঁৱায়েকে নিজেই পৰামৰ্শ দিছে। বিধবা মাকে অকলে দিন-ৰাতি একাকাৰ কৰি মামুক ডাঙৰ কৰিছে। তেনেস্থলত এনে এক শুভ দিনত বিধবা মাকক অন্ধবিশ্বাসৰ বলি হৈ সুখৰ সমভাগী হ'বলৈ দিব নোখোজাৰ কথাটোৱে জোঁৱায়েকক মনোকষ্ট দিছে। জোঁৱাৰেকে পঞ্চামৃত অনুষ্ঠানত বহি এই প্ৰসংগত বু-বু বা-বা কৰি থকা নাৰীসকলক উদ্দেশ্যি সেয়ে কৈ উঠিল যে এগৰাকী নাৰীৰ কপালৰ সেন্দুৰকণ মচি পেলাব লগা হোৱাটো নাৰীগৰাকীৰ দুৰ্ভাগ্যহে। এইক্ষেত্ৰত শিক্ষিত সমাজ সচেতন হোৱা উচিত। বিধবা বুলিয়েই এগৰাকী নাৰীক এলাগী কৰাৰ অধিকাৰ সমাজৰ যিদৰে নাই, একেদৰে তেওঁক এলাগী বুলি মানি লোৱাৰো কোনো যথোপযুক্ত যুক্তি নাই। গল্পকাৰৰ সমাজ-সচেতনতা তথা গভীৰ সামাজিক দায়বদ্ধতাৰে সংস্কাৰকামী মনোভাৱৰ পৰিচয় গল্পটিৰ প্ৰধান বিশেষত্ব। বিশেষকৈ গল্পটিত প্ৰস্ফুটিত অবৈজ্ঞানিক মানসিকতাই পাঠকৰ মনত গভীৰ ৰেখাপাত কৰিছে।

অসমীয়া গল্প-সাহিত্যৰ পৰিপুষ্টি সাধনত সৰ্বাধিক অৰিহণা থকা বৈদ্যুতিন আলোচনীসমূহৰ ভিতৰত *সাহিত্য ডট অৰ্গ* অন্যতম। আলোচনীখনৰ যোগেদি একশ্ৰেণী নতুন অসমীয়া গল্পকাৰে আত্মপ্ৰকাশ কৰে। এই চাম গল্পকাৰৰ

লগতে ছপা মাধ্যমৰ ন-পুৰণি গল্পকাৰৰো মৌলিক আৰু অনূদিত উভয় ধৰণৰ গল্প আলোচনীখনে সামৰি লৈছে। ৰীতা চৌধুৰী, পাৰ্থ বিজয় দত্ত, ঈশ্বৰ প্ৰসন্ন বৰা, পাৰ্থ প্ৰতীম গোস্বামী, নীৰুজা বৰা, দিগন্ত কুমাৰ ভট্টাচাৰ্য, মিতালী বৰ্মন, উৎপলা কৌৰ, মনোৰঞ্জন মজুমদাৰ ইত্যাদিৰ গল্পই ইয়াৰ "গল্প" শিতানটি সমৃদ্ধ কৰিছে। আলোচনীখনৰ "অনুবাদ" শিতানৰ গল্পৰাজি হ'ল অঞ্জল বৰাৰ 'এটা ল'ৰা আৰু এজোপা আপেল গছ' (আগষ্ট ১৫, ২০১১, মূল-Akramulla Syed), পম্পা বসাকৰ 'বাঘৰ গাখীৰ' (মে' ১৬, ২০১৭, মূল-বুদ্ধদেৱ গুহ), অংকিনী বৰাৰ 'মহ' (মে' ১৫, ২০১৭, মূল-প্ৰেমেন্দ্ৰ মিত্ৰ), মিতালী নাৰায়ণিৰ 'পুত্ৰ প্ৰেম' (জুলাই ১৯, ২০১৯, মূল-মুন্সী প্ৰেমচন্দ্ৰৰ "পুত্ৰ-প্ৰেম") ইত্যাদি।

আধুনিক নগৰীয়া জীৱনৰ কৃত্ৰিম ভাব-ভাৱনা, মলিয়ন চিন্তাৰ প্ৰতিফলন অনামিকা বৰুৱাৰ 'দাপোণত কাৰ মুখ' (জুলাই ১৪, ২০১৪, *সাহিত্য ডট অৰ্গ*) নামৰ গল্পটিৰ মুখ্য বৈশিষ্ট্য। চহৰত ডাঙৰ-দীঘল হোৱা অভিজাত পৰিয়ালৰ গপ-ভেমেৰে পৰিপূৰ্ণ আধুনিক যুৱকজনেই গল্পটিৰ প্ৰধান চৰিত্ৰ। যাৰ জীৱনৰ অৰ্থই হ'ল খাৱ-পিয়' মৌজ কৰ'। যুৱকজনৰ দৃষ্টিত ছোৱালী বুলিলে কেৱল কামনাৰ সংগী। কিন্তু হঠাৎ আকাশী নামৰ ছোৱালীজনীয়ে অট্টহাস্যত তাচপাতৰ দৰে খহাই পেলাইছে যুৱকজনৰ সেই ফোঁপোলা আভিজাত্য আৰু নিকৃষ্ট মানসিকতাক। গল্পকাৰে সহজ-সৰল, পোনপটীয়া উপস্থাপনেৰে আধুনিক নগৰীয়া সভ্যতাৰ ছবি আৰু জীৱনবোধক গল্পটিত চিত্ৰায়িত কৰিছে। মনোৰঞ্জন মজুমদাৰৰ 'হঁহা নিষেধ' (আগষ্ট ১৫, ২০১১, *সাহিত্য ডট অৰ্গ*)ত অৰ্ধাংগিনীৰ মৃত্যুৰ পাছত কলিয়াবৰৰ ৰবিৰাম শেনচোৱা নামৰ পাঠশালাৰ পণ্ডিতজনৰ মুখৰ হাঁহি কিদৰে বিলীন হ'ল তাকে সাৱলীলভাৱে ব্যক্ত কৰিছে। আনফালে আকৌ পণ্ডিতৰ বোৱাৰীয়েক কেতেকী এজনী হাঁহিমুখীয়া ছোৱালী। পৰিস্থিতিৰ দাসত আজি তাই হাঁহিব নোৱাৰে। কিজানিবা তাই হঁহা শুনিলে শহুৰেকৰ খং উঠে। কেতেকীয়ে শহুৰেকৰ ভয়ত হঁহাৰপৰা বিৰত থকাৰ কথাৰে সমাজত ভদ্ৰতাৰ মুখা পিন্ধা এচাম লোকৰ কথাকে পৰোক্ষভাৱে বৰ্ণনা কৰিছে। লগতে ৰবিৰামৰ বিষণ্ণতাবোধে গল্পটিত মুখ্য স্থান পাইছে।

ৰূপাঙ্কৰ চৌধুৰীৰ 'আধালেখা প্ৰেম কাহিনী' (জানুৱাৰী ১৪, ২০১৫, *সাহিত্য ডট অৰ্গ*)ত এগৰাকী ধৰ্ষিতা যুৱতীৰ ভয়াবহ জীৱন-যন্ত্ৰণাৰ ছবি পৰিস্ফুট হৈছে। শেৰালী নামৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত হাঁহিমুখীয়া ছোৱালীজনীৰ হাঁহিৰ আঁৰত লুকাই আছে তাই জীৱনত ঘটি যোৱা এজাক ধুমুহা। তথাপিও সকলো পাহৰি হাঁহি-আনন্দৰে তাই জীয়াই থকাৰ আপ্ৰাণ চেষ্টা চলাইছে। উকীল হৃদয় বৰুৱাই সকলো জানিও তাইৰ লগত জীৱন অতিবাহিত কৰাৰ সপোন পুহি ৰাখিছে। তাৰ বাবে সি ঘৰৰ মানুহৰ লগত অনেক প্ৰতিবাদো কৰিছে। কিন্তু হঠাতে তাইৰ জীৱনলৈ পুনৰ নামি আহিছে আন এজাক ধুমুহা। শেৰালি এইচ.আই.ভি.ত আক্ৰান্ত হৈছে। সেয়ে তাই প্ৰেমিক হৃদয়ৰ কাষৰপৰা আঁতৰি যাব খুজিছে। তাৰ বাবে অকণমান সহায় বিচাৰিছে তাইৰ বান্ধৱী নন্দিনীৰ প্ৰেমিকবন্ধু নিয়ৰৰপৰা। নিয়ৰেও বন্ধুত্বৰ খাতিৰতে শেৰালিৰ কথামতে তাইৰ লগত মিছা ভালপোৱাৰ অভিনয় কৰিছে। গল্পটিত শেৰালীৰ জীৱনত ঘটি যোৱা অমানৱীয় শাৰীৰিক নিৰ্যাতনৰ বাবে তাইৰ মানসিক অন্তৰ্দ্বন্দ্ব চিত্ৰিত হৈছে। আনফালে নিজৰ প্ৰেমিকাক মনোকষ্ট দি এগৰাকী বান্ধৱীক বিপদৰপৰা উদ্ধাৰৰ বাবে আন এজন বন্ধুৱে মিছা অভিনয়েৰে দিন পাৰ কৰিছে। বাৰে বাৰে এই মিছা প্ৰেম অভিনয়ৰ বাবে জীৱনত যে নিয়ৰে বহুত কিবা হেৰুৱাব লাগিব সেই কথা জানি-বুজিও শেৰালীৰ মুখখনলৈ মনত পেলাই সকলো পাহৰি যোৱাৰ যত্ন কৰিছে। গল্পটিত বন্ধুজনৰ প্ৰকৃত মানৱীয়তা ফুটাই তোলাত গল্পকাৰজন কৃতকাৰ্য হৈছে।

দেশ বিভাজনৰ সময়ত সংঘটিত অমানৱীয় ঘটনাৰ বিৰুদ্ধে কলমেৰে প্ৰতিবাদ কৰা লেখকসকলৰ ভিতৰত চাদাত হাচান মাণ্ট' নামৰ উৰ্দু লেখকজন অন্যতম। তেওঁৰ 'খোল দো'ৰ দীপাংক বৰাই অসমীয়ালৈ কৰা ভাৱানুবাদ *সাহিত্য ডট অৰ্গত* প্ৰকাশ পাইছে। গল্পটিত প্ৰতিফলিত হৈছে অসৃতসৰৰপৰা লাহোৰলৈ ৰেলযাত্ৰাৰ সময়ত সংঘটিত এক অমানৱীয় হত্যাকাণ্ডৰ দুৰ্বিসহ ছবি। চিৰাজুদ্দিনৰ পৰিয়ালটোৰ দৰেই সেই ঘটনাত অসংখ্য ৰেলযাত্ৰীৰ বিৱৰ্ণ, অসহায় ছবি গল্পটিৰ ঘাই চালিকা শক্তি। নিৰীহ ৰেলযাত্ৰীৰ ওপৰত আক্ৰমণকাৰীদলে চলোৱা অমানুষিক অত্যাচাৰ তথা ধৰ্ষণৰ ছবিয়ে তৎকালীন সময়ৰ ছবি ফুটাই তুলিছে। *নিজাইনৰ* গল্পকাৰসকলৰ ভিতৰত দীপামণি শইকীয়াৰ নাম বিশেষভাৱে লেখতল'বলগীয়া। মানৱীয় মূল্যবোধ, আতৰ্জনৰ প্ৰতি সহমৰ্মিতা, দুখ-দুৰ্দশাৰ প্ৰতিচ্ছবি, নাৰী জীৱনৰ সপক্ষে এক বিশেষ দৃষ্টি তথা মনস্তাত্ত্বিক দিশৰ অৱলোকন তেওঁৰ গল্পৰ বিষয়বস্তু। প্ৰাঞ্জল দাসৰ 'মৰুভূমি' (ডিচেম্বৰ ১, ২০১৩, *সন্ধান*)ত মালতী বুঢ়ীৰ বৃদ্ধ মনস্তত্বৰ সন্ধান পোৱা যায়।

হেমেশ্বৰৰ সৈতে পলাই গুচি যোৱাৰ পাছত তাইৰ জীৱনলৈ নামি অহা চৰম দুৰ্দশাৰ ছবি এখন গল্পটিত প্ৰতিভাত হৈছে। *অন্যযুগত* অপূৰ্ব কুমাৰ শইকীয়াৰ 'গিনিপিগ', গীতালি বৰাৰ 'তুমি', বিদ্যুৎ বিকাশ শৰ্মাৰ 'জন্মদিনৰ গল্প এটা', সিদ্ধাৰ্থ গোস্বামীৰ 'পাব্‌জি খেলা ল'ৰাটো', যুগল লোচন দাসৰ 'ফুলদানীৰ ফুল', জিণ্টু গীতাৰ্থৰ 'কথন-মথন', পঞ্চানন হাজৰিকাৰ 'গোট মৰা ঘৃণা, গলি যোৱা প্ৰেম' ইত্যাদি গল্প প্ৰকাশ পাইছে। *অন্যযুগৰ* অন্যান্য গল্পকাৰসকল হ'ল মণিকা দেৱী, নীলাক্ষী চলিহা গগৈ, পংকজ প্ৰতিম বৰদলৈ, পাপৰি বৰ্মন, বিশ্বজ্যোতি শৰ্মা, অংগনা ভট্টাচাৰ্য, পৰিস্মিতা বৰদলৈ, ৰাজশ্ৰী ধনদিয়া, নিৰ্মালি নয়নতৰা, প্ৰতীক্ষা প্ৰিয়ম, ৰূপাঞ্জলি চেতিয়া নেওগ, সমীৰণ হাজৰিকা আদি।

অসমীয়া গল্প-সাহিত্যৰ সমৃদ্ধি সাধনত *মণিকূটৰ* "গল্পগুচ্ছ" শিতানৰ গুৰু ভূমিকা আছে। এই শিতানৰ গল্পকাৰসকল হ'ল খনীন বায়ন, খজেন ডেকা, বিক্ৰম দেৱ, প্ৰশান্ত শইকীয়া, কুসুমাঞ্জলি শৰ্মা, শোণিত কুমাৰ গোস্বামী, ৰূপম দাস, ৰামচৰণ পাঠক, অসীম তালুকদাৰ, ৰাজশ্ৰী ধনদিয়া, শিশিৰ কুমাৰ ৰাজবংশী, নৱজিৎ মেধি, খনিন্দ্ৰ ভূষণ মহন্ত, পুলকেশ বৰ্মন, ৰাস্না পালক, সঞ্জীৱনী পাঠক, জ্যোতিষ্মা গোস্বামী, প্ৰণীতা দাস ইত্যাদি। "গল্পগুচ্ছ"ৰ অনূদিত গল্পৰাজিৰ ভিতৰত স্মৃতি কুমাৰ সিংহৰ 'মৰা সুঁতিৰ মাছ' (অক্টোবৰ ১৬, ২০১৮), সুৰেন তালুকদাৰৰ 'শুভানুধ্যায়ী' (মূল-ওড়িয়া, আচাৰ্য ভাৱানন্দ, ফেব্ৰুৱাৰী ১৫, ২০১৯) আৰু 'বোৱঁতী নদীৰ দৰে' (মূল-হিন্দী, মাধুৱ কপিলা, ডিচেম্বৰ ১৬, ২০১৮), দেৱাশ্ৰী বৰগোহাঁইৰ 'অনুবাদ গল্প' (আগষ্ট ১৩, ২০১৯) ইত্যাদি। *মুক্ত চিন্তাৰ* গল্পৰাজিৰ মাজত ন-পুৰণি গল্পকাৰৰ মৌলিক আৰু অনূদিত উভয় ধৰণৰ গল্পৰ প্ৰকাশ দেখা যায়। আলোচনীখনৰ প্ৰধান গল্প তথা গল্পকাৰসকল হ'ল বৰ্ণালী বৰুৱা দাসৰ 'বৰ্ণহীন' (প্ৰথম সংখ্যা), দীপজ্যোতি দাসৰ 'কণ্টেইনমেণ্ট জ'ন' (পঞ্চম বছৰ, পঞ্চম সংখ্যা), হেমন্ত বৰ্মনৰ 'ঘৰ' (ষষ্ঠ বছৰ প্ৰথম সংখ্যা), মনস্বিনী মহন্তৰ 'তেজীমলাৰ মাহীমাকে চুলি কাটিবলৈ ঠাই এটুকুৰা পালে' ইত্যাদি। অনুবাদ গল্পৰ ভিতৰত কৌশিক দাসৰ 'একুৰি বছৰ পাছত' (অ' হেনৰী, প্ৰথম সংখ্যা), 'কুকুৰাজনী' (মূল-লৰ্ড দানচানী, দ্বিতীয় বছৰ প্ৰথম সংখ্যা) আৰু 'ঐক্য' (মূল-ইটালো কালভিনো, পঞ্চম সংখ্যা), বসন্ত কুমাৰ বৰাৰ 'ডাইনীজনী' (মূল-এণ্টন চেখভ, তৃতীয় সংখ্যা),বৰ্ণালী বৰুৱা দাসৰ 'জমা খৰচ' (মূল-মনোজ বসু, পঞ্চম সংখ্যা), সন্ধ্যা দেৱীৰ 'অৱৰোধবাসিনী"(মূল-ৰোকেয়া বেগম, ষষ্ঠ বছৰ তৃতীয় সংখ্যা) ইত্যাদি।

সন্ধ্যা দেৱী অনূদিত ৰোকেয়া বেগমৰ 'অৱৰোধবাসিনী' ১৯৩১ চনত প্ৰকাশ পায়। গল্পকাৰে সৰু সৰু গল্পৰ যোগেদি নাৰীৰ অৱৰুদ্ধ জীৱনৰ দুখ-দুৰ্গতিৰ এক জ্বলন্ত প্ৰতিচ্ছবি গল্পটিত অংকন কৰিছে। নাৰীক মধ্যযুগীয়া পুৰুষপ্ৰধান সংস্কৃতিৰ শিকলিৰে বান্ধি গৃহবন্দী কৰি ৰখাৰ ছবি অৱৰোধবাসিনীত প্ৰকাশ পাইছে। কেতিয়াবা তেওঁৰ ৰচনাত ফুটি উঠিছে গভীৰ মমতাবোধ, কেতিয়াবা আকৌ ক্ষোভ মিহলি ব্যংগ। অৱৰোধবাসিনীৰ গল্পকেইটাত কুল-কামিনীৰ অৱৰোধৰ এখনি জীয়া ছবি বৰ্ণিত হৈছে। এগৰাকী নাৰীয়ে পুৰুষৰ সন্মুখত বাহিৰ ওলাব নোৱাৰাৰ বাবেই ঘৰখনত জুই লগাৰ পাছতো অলংকাৰৰ বাকচটো বুকুত সাৱটি খাটৰ তলতে বহি থকা অৱস্থাত অগ্নিদগ্ধ হৈ মৰিছে, আনফালে কোনোবা গৰাকীয়ে আকৌ বিয়াৰ পিছতো নিজৰ স্বামীক কোনো দিনে ভালদৰে দেখা নাই। যাৰ বাবে স্বামী আৰু শাহুৰ লগত গংগাস্নানলৈ বুলি যোৱা পশ্চিম দেশৰ এগৰাকী হিন্দু বোৱাৰীয়ে ভিৰৰ মাজত তেওঁলোককবিচাৰি নাপাই হালধীয়া পাৰীৰ ধুতি পৰিধান কৰা আন এজন ব্যক্তিকে স্বামী বুলি ভাবি তেওঁৰ পিচ লয়। কিয়নো মহিলাগৰাকীয়ে বিয়াৰ পিছতো তাইৰ স্বামীয়ে কেৱল হালধীয়া পাৰীৰ ধুতি পৰিধান কৰাৰ কথাটোহে জানিছিল। কিন্তু উক্ত ব্যক্তিজনে মহিলাগৰাকীক পলুৱাই নিছে বুলি ধাৰণা কৰি আদবাটতে পুলিচে চিঞৰ-বাখৰ কৰে। তেতিয়াহে তাই জ্ঞাত হয় যে অতপৰে তাই অনুসৰণ কৰি থকা সেই হালধীয়া ধুতি পৰিহিত ব্যক্তিজন তাইৰ প্ৰকৃত স্বামী নহয়।

**১.২ অসমীয়া বৈদ্যুতিন আলোচনীত গল্প প্ৰকাশৰ ধৰণ আৰু বৈশিষ্ট্য**

**১.২.১** অসমীয়া বৈদ্যুতিন আলোচনীত বৈদ্যুতিনভাৱে গল্পৰাজি প্ৰকাশিত হয়। ইয়াত গল্প তথা গল্প-সংকলনসমূহ ইউনিক'ড, জে.পি.ই.জি. আৰু পি.ডি.এফ. ইত্যাদি ৰূপত উপলব্ধ। লগতে বহুকেইখন অসমীয়া গল্পপুথি পূৰ্ণাঙ্গ বৈদ্যুতিন কিতাপ আকাৰে পোৱা যায়।

**১.২.২** এনে আলোচনীত মৌলিক আৰু অনূদিত দুই ধৰণৰ গল্পৰ প্ৰকাশ পৰিদৃষ্ট। লগতে ছপা আৰু নব্য উভয় মাধ্যমৰে গল্পকাৰৰ চুটিগল্প, অণুগল্প, একমিনিটৰ গল্প, ৰহস্যধৰ্মী গল্প,

ভৌতিক গল্প ইত্যাদি ভিন্ন প্ৰকাৰৰ গল্প সামৰি লৈছে। কিন্তু এনাজৰীৰ দৰে কিছুসংখ্যক আলোচনীয়ে কেৱল ছপা মাধ্যমৰ প্ৰতিষ্ঠিত গল্পকাৰসকলৰ মাজৰপৰা নিৰ্বাচিত গল্পকাৰৰ গল্পহে বৈদ্যুতিনভাৱে প্ৰকাশ কৰিছে।

**১.২.৩** দৃশ্য-শ্ৰব্য আকাৰে গল্প প্ৰকাশৰ সুবিধা এনে আলোচনীৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ফলত এইধৰণৰ গল্পৰাজি ছপা পাঠতকৈ পাঠকৰ বাবে অধিক আকৰ্ষণীয়, মনোগ্ৰাহী আৰু উপভোগ্য। লগতে এনে গল্পৰাজি যিকোনো শ্ৰেণীৰ পাঠকৰ বাবেই সহজ বোধগম্য।

**১.২.৪** এনে আলোচনীত যিকোনো গল্পৰে লিখিত পাঠসমূহক ছবি, ধ্বনি, এনিমেছন আৰু ভিডিঅ'ৰ সৈতে একত্ৰিত কৰিব পাৰি; যাক মাল্টিমিডিয়া বোলে। সম্প্ৰতি পৃষ্ঠা ফ্লিপ প্ৰযুক্তিৰে পাঠকে ছপা আলোচনীৰ দৰে এনে আলোচনীৰ বৈদ্যুতিন পৃষ্ঠাসমূহ লুটিয়াব পৰা হৈছে।

**১.২.৫** সময়ৰ দিশেৰে চালে ছপা আলোচনীতকৈ বৈদ্যুতিন আলোচনীসমূহৰ প্ৰকাশ বহু পৰিমাণে শিথিল। বহু প্ৰকাশকে আলোচনীসমূহ প্ৰকাশৰ ক্ষেত্ৰত ছপা আলোচনীৰ দৰে নিৰ্দিষ্ট সময়সীমা মানি নচলে। উদাহৰণস্বৰূপে *নীলা চৰাই*ৰ গল্পৰাজি নিশ্চিত সময়ৰ ব্যৱধানত প্ৰকাশিত নহয়। একেদৰে *মণিকূট, সাহিত্য ডট অৰ্গ, অন্যযুগ* ইত্যাদিত গল্প প্ৰকাশৰ নিজা নিজা সময়সীমা আছে।

**১.২.৬** বহুকেইখন অসমীয়া পি.ডি.এফ. আলোচনী পাঠকে নিজা বৈদ্যুতিন আহিলাত ইণ্টাৰনেট সংযোগেৰে সহজতে ডাউনল'ড কৰি ল'ব পাৰে। তাৰ পাছত পাঠকে ইয়াৰ গল্পৰাজি ইণ্টাৰনেট সংযোগ অবিহনে নাইবা অফলাইনত যিকোনো সময়ত পঢ়িব পাৰে। অৱশ্যে ইউনিক'ডভিত্তিক নোহোৱাৰ বাবে এনে আলোচনীৰ গল্পৰাজি পোনপটীয়াকৈ গুগল অনুসন্ধান ইঞ্জিনে সন্ধান উলিয়াব নোৱাৰে।

**১.২.৭** অসমীয়া গল্পৰ বিশ্বব্যাপী প্ৰচাৰ-প্ৰসাৰত ইউনিক'ড ভিত্তিক বৈদ্যুতিন আলোচনীসমূহৰ মহত্ত্বপূৰ্ণ ভূমিকা আছে। বিশেষকৈ ইউনিক'ডভিত্তিক আলোচনীসমূহৰ গল্পৰাজি অতি সহজে গুগল অনুসন্ধান ইঞ্জিনে বিচাৰি পায়। অসমীয়া ভাষাৰ বেছিভাগ আলোচনীয়েই ইউনিক'ডভিত্তিক। সেয়ে এনে আলোচনীসমূহত গল্পৰ সম্পূৰ্ণ পাঠ ইউনিক'ডত প্ৰকাশ কৰা হয়। কেতিয়াবা এনে গল্পৰ লগত আলোকচিত্ৰৰো সংযোজন কৰা দেখা যায়।

**১.২.৮** গল্পৰ ধাৰাবাহিকভাৱে প্ৰকাশ অসমীয়া বৈদ্যুতিন আলোচনীৰ এক মনকৰিবলগা বিশেষত্ব।

**১.২.৯** বেছিভাগ এনে আলোচনীৰে লেখনিৰাজিত স্ৰষ্টা নাইবা প্ৰকাশকৰ কপিৰাইট আছে। লেখক তথা প্ৰকাশকে ইচ্ছা অনুসৰি কপিৰাইট সম্পৰ্কত নিজা দৃষ্টিভংগী ৰাখে। *এনাজৰী, অন্যযুগ, নীলা চৰাই* আদি কপিৰাইটযুক্ত আলোচনীৰ গুৰুত্বপূৰ্ণ উদাহৰণ। *সাহিত্য ডট অৰ্গ*ৰ গল্পৰাজিত গল্পকাৰৰ নিজা কপিৰাইট আছে। আনহাতে *মণিকূট, মুক্তচিন্তা, নীলা চৰাই*ত প্ৰকাশকৰ কপিৰাইট আছে। সেয়েহে গল্পকাৰ নাইবা প্ৰকাশকৰ অনুমতি নথকাকৈ আনে এইসমূহ গল্প নিজৰ নামত ছপা, প্ৰচাৰ, বিতৰণ, প্ৰদৰ্শন তথা সংৰক্ষণ কৰিব নোৱাৰে। কপিৰাইটে বৈদ্যুতিন গল্পৰাজি সুৰক্ষিত কৰি ৰখাত ভালেখিনি সহায় কৰিছে।

**১.২.১০** কেতবোৰ প্ৰকাশকে পাঠকসমাজে সহজে লেখনিৰাজি পঢ়িব পৰাকৈ আলোচনীখনৰ লগতে এটি এণ্ড্ৰইড এপ সংযোগ কৰে। *অন্যযুগ, সাহিত্য ডট অৰ্গ* ইত্যাদিৰ একোটাকৈ নিজা এণ্ড্ৰইড এপ আছে। আলোচনীখনৰ গল্পৰাজি এই এপৰ মাধ্যমেৰে পাঠকে পঢ়িব পাৰে।

**২.০ উপসংহাৰ**

সময়ৰ অনুক্ৰমত অসমীয়া গল্পই ক্ৰমবিৱৰ্তনৰ মাজেদি আহি বৰ্তমানৰ অৱস্থা পায়হি। অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিটো যুগৰ জাতীয় সমস্যা আৰু জাতীয় মনৰ স্বৰূপ প্ৰকাশৰ ক্ষেত্ৰত গল্পই মুখ্য ভূমিকা পালন কৰিছে। আকৌ অসমীয়া বৈদ্যুতিন আলোচনীসমূহে স্থায়ী আৰু শৃংখলাবদ্ধ লেখনি সংগ্ৰহ কৰি নতুন প্ৰজন্মক উৎসাহিত কৰাৰ সমান্তৰালভাৱে ন ন গঠনমূলক কামৰ ক্ষেত্ৰতো বিশেষধৰণৰ পদক্ষেপ লৈছে। এই আলোচনীসমূহ নতুন লেখক-পাঠকৰ বাবে সাহিত্যচৰ্চাৰ এখন সম্পূৰ্ণ বিনামূলীয়া বৈদ্যুতিন মঞ্চ। ভাষাৰ দিশেৰে চালে এনে আলোচনীসমূহ একভাষী, দ্বিভাষী, ত্ৰিভাষী আৰু বহুভাষী ৰূপত উপলব্ধ। সেইসূত্ৰে ইয়াত প্ৰকাশিত গল্পৰাজিৰ ভাষা আলোচনীসমূহৰ ভাষা নিৰ্ভৰশীল। এনেধৰণৰ আলোচনীসমূহত গল্পকাৰে গল্প ৰচনাৰ বাবে যিকোনো এটা ভাষা নিৰ্বাচন কৰিব পাৰে। আনহাতে, কিছুমান আলোচনীৰ ক্ষেত্ৰত একেটা গল্পই আলোচনীখনত উপলব্ধ আটাইকেইটা ভাষাতে প্ৰকাশ কৰা হয়। অসমীয়া বৈদ্যুতিন আলোচনীসমূহৰ ভিতৰত *এনাজৰী*তে সৰ্বপ্ৰথম গল্প প্ৰকাশ পায়।

আলোচনীখনৰ “সাহিত্যৰথী ডট কম” নামৰ প্ৰকল্পৰ অধীনত লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য আৰু জীৱন পৰিক্ৰমাৰ তথ্যৰাজিক বৈদ্যুতিন ৰূপ দিয়া হৈছে। ইয়াতে বেজবৰুৱাৰ বহুকেইটা চুটিগল্প অন্তৰ্ভুক্ত আছে। অৱশ্যে গল্পভিত্তিক বৈদ্যুতিন আলোচনীৰ সংখ্যা অসমীয়া ভাষাত তেনেই কম। ভৱিষ্যতে এনে ধাৰাৰ আলোচনীৰ বহুলভাৱে প্ৰকাশ তথা প্ৰচাৰেহে বৈদ্যুতিন আলোচনীৰ অসমীয়া গল্পৰ ক্ষেত্ৰখন আগবঢ়াই নিয়াত যথেষ্ট সহায় কৰিব। ❑


**গ্ৰন্থপঞ্জীঃ**

১। বৰগোহাঞি, হোমেন. *অসমীয়া সাহিত্যৰ বুৰঞ্জী ষষ্ঠ খণ্ড (পৰিবৰ্ধিত সংস্কৰণ).* আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, দ্বিতীয় প্ৰকাশ, মাৰ্চ, ২০১২

২। ভৰালী, শৈলেন. *আধুনিক ভাৰতীয় সাহিত্য.* তৃতীয় প্ৰকাশ, চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, মাৰ্চ, ২০১৯

৩। শৰ্মা, সত্যেন্দ্ৰনাথ. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত.* সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০১৩

**প্ৰসংগ গল্পৰাজি ঃ**

১। শৰ্মা, অপূৰ্ব. “হলধৰ.” *এনাজৰী*

২। ভৰদ্বাজ, অপু. “চিকাডা.” *এনাজৰী*

৩। ডেকা, সঞ্জীৱ পল. “লাজ.” *এনাজৰী*

৪। দাস, দেৱব্ৰত. “অৰ্পিতাৰ এৰাতি.” *এনাজৰী*

৫। বৰা, মহিম. “টোপ.” *নীলা চৰাই*

৬। শইকীয়া, পল্লৱী. “সেন্দুৰ.” *নীলা চৰাই,* ১৬ মে’, ২০২০

৭.। হাজৰিকা, ভুপেন্দ্ৰ নাথ. “বৃত্ত.” *নীলা চৰাই,* ১১ এপ্ৰিল, ২০২০

৮। বৰুৱা, অনামিকা. “দাপোণত কাৰ মুখ.” *সাহিত্য ডট অৰ্গ,* ১৪ জুলাই, ২০১৪

৯। মজুমদাৰ, মনোৰঞ্জন. “হঁহা নিষেধ.” *সাহিত্য ডট অৰ্গ,* ১৫ আগষ্ট, ২০১১

১০। চৌধুৰী, ৰূপাঙ্কৰ. “আধালেখা প্ৰেম কাহিনী.” *সাহিত্য ডট অৰ্গ,* ১৪ জানুৱাৰী, ২০১৫

১১। বৰা, দীপাংক (অনু.). “খোল দো.” হাচান মাণ্ট’. *সাহিত্য ডট অৰ্গ,* ১৪ জুলাই, ২০১৪

১২। দেৱী, সন্ধ্যা (অনু.). “অৱৰোধবাসিনী.” ৰোকেয়া বেগম. *মুক্ত চিন্তা,* ষষ্ঠ বছৰ, তৃতীয় সংখ্যা

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ‘কৰ্মবাদ’ৰ আওতাত  লক্ষ্মীনাথ বেজবৰুৱাৰ “বুঢ়ী আইৰ সাধু”ৰ আলোচনা



কুকুমণি শৰ্মা

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
নৰ্থ কামৰূপ ক'লেজ, বাঘমাৰা,
বজালী, অসম-৭৮৭০০১
৭০০২৪০৯৫৬৩
sarmakukumoni@gmail.com

**সাৰাংশ ঃ**

প্ৰাচীন কালৰে পৰাই মানৱ সমাজৰ কাহিনী কোৱা বা শুনাৰ আগ্ৰহ চলি অহাৰ ফলশ্ৰুতিতেই সাধুকথাৰ জন্ম। অসমীয়া সাধুকথাক পৰিপূৰ্ণ ৰূপ দিয়া স্বনাম ধন্য ব্যক্তিজনেই হ'ল লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া সাহিত্যৰ সকলো আংগিককে চুই চোৱাৰ হাবিয়াস কৰোঁতেই কোনো কোনো ক্ষেত্ৰত তেওঁ জিলিকি উঠিছে; ইয়াৰ ভিতৰত সাধুকথাৰ জগতখনো অন্যতম। জাৰ্মানীৰ গ্ৰীম ভাতৃদ্বয়ৰ পথেৰে বাট বুলি তেওঁ অসমীয়া সাধুবোৰক লোক সমাজৰ পৰা বুটলি আনি নিজ শৈলীৰে লিখি গ্ৰন্থৰ ৰূপে দিলে। বেজবৰুৱাই বান্ধি দিয়া পথেৰে বাট বুলি সাম্প্ৰতিক সময়ত অসমীয়া সাধুৱে ডিজিটেল পৃথিৱীখনত প্ৰৱেশ কৰিছে। তেওঁ সাধুকথাক সজ কথা বুলি কৈছিল। এই কথাৰ আঁত ধৰি ক'ব পাৰি যে সাধুত নীতি শাস্ত্ৰ নিহিত হৈ আছে। কৰ্মবাদ নীতি শাস্ত্ৰৰ সদাচৰ্চিত এটি বিষয়। অসমীয়া সাধুকথাৰ বিষয়বস্তু আৰু পৰিণতিলৈ চাই ক'ব পাৰি যে ইয়াত কৰ্মবাদ নিহিত হৈ আছে।

আমাৰ আলোচনাত লক্ষ্মীনাথ বেজবৰুৱাৰ “বুঢ়ী আইৰ সাধু”ত সন্নিবিষ্ট কেইটামান উল্লেখযোগ্য সাধু কৰ্মবাদৰ আওতালৈ আনি বিশ্লেষণ কৰা হ'ব। এই প্ৰচেষ্টাই  শিক্ষাৰ বহুমুখীতাক সাৰ্থকতা প্ৰদান কৰাৰ লগতে সাধুকথাৰ জগতখনলৈ নতুন  চিন্তাৰ আগমন ঘটাত সহায়ক হ'ব।

০.০১ ঃ মানব জীৱনক  সাহিত্যই নতুন ৰূপেৰে পৰিশোধিত কৰে। নিচুকণি গীতৰ পিছতেই শিশুৰ পৰিচয় ঘটা সাহিত্যৰ একমাত্ৰ অংগ হ'ল সাধুকথা। সাধুকথাৰ মাজেৰে শিশুৱে বাস্তৱ পৃথিৱীখনৰ লগত ক্ৰমশঃ চিনাকি হ'বলৈ ধৰে। প্ৰজন্মৰ ব্যৱধান নাইকিয়া কৰি একেখন চোতাললৈ লৈ আহে সাধুকথাই। মৌখিক সাহিত্যৰ গণ্ডীৰ পৰা অসমীয়া সাধুকথাক লিখিত ৰূপ দি স্থায়ীত্ব প্ৰদান কৰিছিল ৰসৰাজ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। ১৭৭৮-১৭৭৯ খ্ৰীষ্টাব্দত ছপা হোৱা হাৰ্ডাৰৰ “Collection of Popular songs” আৰু পণ্ডিত গ্ৰীম ভাতৃদ্বয়ে জাৰ্ম্মানীৰ গাঁৱলীয়া সাধু সমূহ সংৰক্ষণৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাই বেজবৰুৱাক মৌখিক ৰূপত থকা অসমীয়া সাধুকথা সমূহৰ সংগৃহীত ৰূপ দিয়াৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিছিল। ‘বুঢ়ী আইৰ সাধু’, ‘ককাদেউতা আৰু নাতি ল'ৰা’, ‘জুনুকা’ এই প্ৰচেষ্টাৰেই স্বাক্ষৰ। এই কেইখনৰ ভিতৰত “বুঢ়ী আইৰ সাধু” সদায়েই বিশেষ ৰূপে চিহ্নিত হৈ আহিছে। বেজবৰুৱাদেৱে ‘সাধু’ শব্দৰ অৰ্থ পোনপটীয়াভাৱে ‘সজ কথা’ বুলি উল্লেখ কৰাৰ প্ৰসংগৰ আঁত ধৰি ক'ব পাৰি যে সাধু

কথাত নীতি শাস্ত্ৰ জড়িত হৈ আছে। কৰ্মবাদ ভাৰতীয় নীতি শাস্ত্ৰৰ বহু চৰ্চিত বিষয়। কৰ্ম আৰু কৰ্মফল সম্পৰ্কীয় বিশ্বাসে অতীজৰ পৰা সাম্প্ৰতিক সময়লৈকে ভাৰতীয় জন মানসক প্ৰভাৱান্বিত কৰি আহিছে। নীতি শাস্ত্ৰ জড়িত হৈ থকা সাধু কথা সমূহত কৰ্মবাদৰ ধাৰণা নিহিত হৈ আছে। আমাৰ আলোচনাত লক্ষ্মীনাথ বেজবৰুৱাৰ "বুঢ়ী আইৰ সাধু" পুথিখনত সন্নিবিষ্ট সাধু কেইটামান কৰ্মবাদৰ ধাৰণাৰে বিশ্লেষণ কৰি চোৱা হৈছে।

**০.০২ ঃ** সাহিত্যৰ শাখা সমূহৰ ভিতৰত শিশু সাহিত্যৰ বৈশিষ্ট্য সুকীয়া। শিশু মনঃস্তত্বৰ লগত সংপৃক্ত হোৱাকৈ শিশু সাহিত্য সমূহ ৰচিত হয়। লক্ষ্মীনাথ বেজবৰুৱাই ব্যক্তিগত প্ৰচেষ্টাৰে অসমীয়া সাধুকথা সমূহক মান্যতা প্ৰদান কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ "বুঢ়ী আইৰ সাধু" গ্ৰন্থখনে অসমীয়া সাধুকথাক জনপ্ৰিয় কৰি তোলাৰ লগতে চৰ্চাৰ বিষয় ৰূপে প্ৰতিষ্ঠিত কৰে। অসমীয়া সমাজৰ চুকে-কোণে সিচঁৰতি হৈ থকা ৩১ টা সাধু সংগ্ৰহ কৰি বেজবৰুৱাদেৱে নিজ ভাষা শৈলী আৰু প্ৰকাশভংগীৰে লিখি গ্ৰন্থ ৰূপ দিয়ে। নাতিয়েকে আইতাকৰ মুখেৰে সাধু শুনা পৰম্পৰাৰ আধাৰতে গ্ৰন্থখনৰ নাম ৰাখিলে "বুঢ়ী আইৰ সাধু"। "বুঢ়ী আইৰ সাধুৰ সাধু কেইটা হ'ল- 'মেকুৰী জীয়েকৰ সাধু', বান্দৰ আৰু শিয়াল, ঔ- কুঁৱৰী, ঢোঁৰা কাউৰী আৰু টিপচী চৰাই, "এজনী মালিনী আৰু এজোপা ফুল", বুধিয়ক শিয়াল, বাঘ আৰু কেকোঁৱাৰ সাধু, তেজীমলা, বুঢ়া-বুঢ়ী আৰু নুমলীয়া পো, সৰবজান, খাৰণি দি ঢাক, তীখৰ আৰু চুটিবাই, চম্পাৱতী, জৰদ্গৱ ৰজাৰ উপাখ্যান, পানেশৈ, জোঁৱাইৰ সাধু, কুকুৰীকণা, ভেকুলীৰ সাধু, তাৱৈয়েকৰ সাধু, লট্‌কন, লখিমী তিৰোতা, দুই বুধিয়ক, কাঞ্চনী, ভুচুংপহু। "বুঢ়ী আইৰ সাধু"ৰ প্ৰতিটো সাধুৰ মাজত বহুতো বিশেষত্ব লুকাই আছে। সাধু কেইটাৰ প্ৰকাশ ভংগী, শৈলী আৰু প্ৰকাশিত বক্তব্যই এইবোৰক শিশু সাহিত্যৰ গতানুগতিকতাৰ পৰা পৃথক কৰিছে। সেইবাবেই ১৯১১ চনতে প্ৰকাশিত হোৱা এই গ্ৰন্থখন সম্প্ৰতি পঢ়ুৱৈ সমাজত জনপ্ৰিয়। 'জোনাকী' যুগৰ ত্ৰিমূৰ্তিৰ অন্যতম এগৰাকী হিচাপে লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া সাহিত্যৰ বুৰঞ্জীত নিজৰ স্থিতি গজগজীয়া কৰিলেও 'বুঢ়ী আইৰ সাধু'ৰ প্ৰণেতা হিচাপেহে বেজবৰুৱা সদা পৰিচিত, অসমীয়া সাহিত্যৰ বুৰঞ্জী সম্পৰ্কে অপৰিচিত ব্যক্তিৰো 'লক্ষ্মীনাথ বেজবৰুৱা' নামটোৰ সৈতে পৰিচয় ঘটে "বুঢ়ী আইৰ সাধু"ৰ জৰিয়তে। সেই পিনৰ পৰা লক্ষ্মীনাথ বেজবৰুৱাৰ "বুঢ়ী আইৰ সাধু" অসমীয়া সাহিত্যৰ বুৰঞ্জীত একক আৰু অনন্য সম্পদৰূপে স্বীকৃত হৈছে।

**০.০৩ ঃ** সামাজিকতা মানুহৰ সহজাত প্ৰবৃত্তি। সমাজত মানুহক অমানুহ হোৱাৰ পৰা বিৰত ৰাখিবলৈ, এখন সুস্থ সমাজ গঢ়াৰ স্বাৰ্থত ভাৰতীয় সংস্কৃতিয়ে নীতিশাস্ত্ৰক গুৰুত্ব দিছে। নীতি শাস্ত্ৰত পোৱা নৈতিক ধাৰণা সমূহৰ ভিতৰত কৰ্মবাদ উল্লেখযোগ্য আৰু প্ৰভাৱশালী। ব্যক্তি বৈষম্যতাৰ কাৰণ নিৰূপণ আৰু ইয়াৰ ব্যাখ্যা আগবঢ়োৱাৰ বাবে কৰ্মবাদেই হৈছে বলিষ্ঠ আৰু অকাট্য যুক্তি। সংস্কৃত 'কৃ' ধাতুৰ পৰা কৰ্ম শব্দটো আহিছে ; 'কৃ' ধাতুৰ অৰ্থ- হ'ল কাৰ্য্য কৰা। কৰ্ম শব্দটোৰ অৰ্থৰ লগত সকলো ধৰণৰ শাৰীৰিক মানসিক কাৰ্য জড়িত হৈ আছে। গতিকে, এক কথাত ক'বলৈ হ'লে কৰ্মৰ লগত জড়িত মতবাদেই হৈছে কৰ্মবাদ। ভাৰতীয় নীতিশাস্ত্ৰত উল্লিখিত এই মতবাদটো হ'ল- "প্ৰত্যেক কৰ্মৰে এটা সুনিৰ্দিষ্ট ফল আছে। যেনে কৰ্ম তেনে ফল। সৎ কৰ্মৰ ফল শুভ হয় আৰু অসৎ কৰ্মৰ ফল অশুভ হয়।" কৰ্মবাদ অনুসৰি ভাৰতীয় জনমানসত বিশ্বাস আছে যে মানুহৰ বৰ্তমান জীৱন অতীত কৰ্মৰ ফল আৰু বৰ্তমান জীৱনৰ কৰ্মৰ দ্বাৰাই গঠিত হয় ভৱিষ্যত জীৱন। এই নিয়ম অমোঘ, চিৰন্তন আৰু অলংঘনীয়। তলৰ দুটা নীতিয়ে কৰ্মবাদৰ মূল ভেটি নিৰ্মাণ কৰিছে। এই মূল কথা দুটা হ'ল- (i) অকৃত অৰ্থাৎ কৃতকৰ্মৰ ফল ভোগ কৰাটো নিশ্চিত। (ii) অকৃতাভ্যাগম অৰ্থাৎ অসম্পাদিত বা অকৃত কৰ্মৰ ফল ভোগ কৰিব নালাগে।

মানৱ জীৱনৰ বৈষম্যতাৰ কাৰণ বিচাৰি গ'লেই আমি তাৰ আঁৰত লুকাই থকা কৰ্মবাদৰ ধাৰণাকে বিচাৰি পাওঁ। কেতিয়াবা ভালৰ লগত বেয়া আৰু বেয়াৰ লগত ভাল হোৱা পৰিঘটনাই সকলোকে আচৰিত কৰি তোলে। ইয়াৰ উত্তৰো কৰ্মবাদৰ আলমতহে পোৱা সম্ভৱ। মানুহে কৰা কৰ্মৰ ফলে মানৱ জীৱনৰ বৈষম্য আনি দিছে। এই কৰ্মবাদৰ লগত ভাৰতীয় নীতিবিদ সকলে পূৰ্বজন্মকো সাঙুৰি লৈছে। পূৰ্বজন্মৰ কৰ্মফলৰ বলত এজন ব্যক্তিয়ে বৰ্তমান জীৱনত অসৎ কাম কৰি শুভ ফল আৰু আনজনে সৎ কাম কৰিও বৰ্তমান সময়ত অশুভ ফল পোৱা যায় বুলি ভাৰতীয় জনমানসত মান্যতা আছে।

কৰ্মবাদৰ লগত সম্পৰ্কিত আন এটি বিষয় হ'ল কাৰ্যকাৰণ বিধি। কাৰ্যকাৰণ বিধি অনুসৰি প্ৰত্যেক কাৰ্য্যৰে এটা সুনিৰ্দিষ্ট কাৰণ থাকে। অনুৰূপভাৱে কৰ্মবাদ অনুসৰি প্ৰত্যেক কৰ্মৰে একোটা ফল থাকে।

কাৰণৰ পৰা কাৰ্য্যৰ সৃষ্টি হয় আৰু কাৰ্য্য বা কৰ্মৰ পৰা ফলৰ উৎপত্তি হয়। গতিকে, কাৰ্যকাৰণবাদ আৰু কৰ্মবাদ একেডাল সূত্ৰৰ দ্বাৰা বান্ধ খাই আছে বুলি ক'ব পাৰি। পৰজন্মত কৰ্মফল ভোগ কৰাৰ সৈতে নৈতিক জগতৰ কাৰ্যকাৰণবাদৰ সম্পৰ্ক আছে। নৈতিক জগতৰ কাৰ্যকাৰণবাদত কাৰণ সৃষ্টি হোৱাৰ লগে লগে কাৰ্য্য নঘটে; একেদৰে সম্পাদিত কৰ্মৰ কৰ্মফল সঞ্চিত ৰূপত থাকে। পৰজন্মত সেই কৰ্মফল ভোগ কৰিব লগা হয়। ভাৰতীয় নীতিশাস্ত্ৰৰ এই কৰ্মনিয়মক নৈতিক মূল্যৰ সংৰক্ষণ নিয়ম বুলি অভিহিত কৰা হয়।

'কৰ্মবাদৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্কিত আন এটি গুৰুত্বপূৰ্ণ বিষয় হৈছে জন্মান্তৰবাদ। জন্মান্তৰবাদ বুলিলে বুজায় সেই মতবাদক যি মতবাদ অনুসৰি জীৱই মৃত্যুৰ পিছত পুনঃ জন্ম গ্ৰহণ কৰিব লগা হয়। জন্মান্তৰবাদ অনুসৰি আত্মাৰ কেতিয়াও মৃত্যু নহয়। মৃত্যুৰ পিচত পুনৰ জনম হয় আৰু তেতিয়া আত্মাই এক নতুন দেহ ধাৰণ কৰে'[১]। কৰ্মবাদৰ এই ধাৰণাৰ লগত নৈতিক মূল্যৰ সংৰক্ষণ নিয়ম সাঙোৰ খাই আছে। সম্পাদিত কৰ্মৰ ফল যদি এই জীৱনত লাভ নকৰে নৈতিক মূল্যৰ সংৰক্ষণ নিয়ম আৰু জন্মান্তৰবাদ অনুসৰি পুনৰ জন্ম যেতিয়া লাভ কৰে তেতিয়া সেই কৰ্মৰ ফল ভোগ কৰে। শ্ৰীমদ্ভাগৱদ গীতায়ো কৰ্মবাদৰ এই ধাৰণা সমৰ্থন কৰে। গীতাৰ দ্বিতীয় অধ্যায়ৰ ২২ নম্বৰ শ্লোকত জন্মান্তৰবাদ সম্পৰ্কে উল্লেখ আছে এনেদৰে-

বাসাংসি জীৰ্ণানি যথা ৱিহায়।
নৱানি গৃহ্নাতি নৰোঽ পৰাণি।
তথা শৰীৰাণি ৱিহায় জীৰ্ণা-
ন্যন্যানি সংযাতি নৱানি দেহী।।২২।।

শ্লোকানুবাদ ঃ মানুহে যেনেকে জীৰ্ণ বস্ত্ৰ সমূহ ত্যাগ কৰি অন্য নতুন (বস্ত্ৰ) গ্ৰহণ কৰে, তেনেদৰে দেহীয়ে জীৰ্ণ শৰীৰ ত্যাগ কৰি অন্য নতুন দেহ পৰিগ্ৰহ কৰে ।।২২।।[২]

অৰ্থাৎ সঞ্চিত কৰ্মফল ভোগ কৰাৰ বাবেই মানুহৰ পুনৰ জন্ম হয় বুলি গীতাই মত দাঙি ধৰিছে। শ্ৰীমদ্ভাগবদ গীতাই এই প্ৰসংগতে আৰু এখোজ আগুৱাই গৈ কৈছে কৰ্মবাদৰ লগত জন্মান্তৰবাদৰ সম্পৰ্ক সকাম কৰ্মৰ ক্ষেত্ৰতহে প্ৰযোজ্য। নিষ্কাম কৰ্মত জীৱই জন্ম-মৃত্যুৰ চক্ৰত আৱদ্ধ নহয়।

কৰ্মবাদৰ ধাৰণা সমূহ প্ৰাচীন যদিও মানুহৰ মনত সংস্কাৰৰ জন্ম কৰা, মানৱ জাতিক আশাবাদী আৰু বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি সহিষ্ণু কৰি তোলাৰ ক্ষেত্ৰত এনে চিন্তাৰ প্ৰাসংগিকতা সদায় আছে।

০.০৪ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য সমূহৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় আৰু সৰহ সংখ্যক পঢ়ুৱৈ লাভ কৰা গ্ৰন্থখনেই হৈছে "বুঢ়ী আইৰ সাধু"। বেজবৰুৱাদেৱে বিভিন্নজনৰ পৰা সংগ্ৰহ কৰা ৩১ টা সাধুক নিজ সাহিত্যিক শৈলীৰে গঢ়ি "বুঢ়ী আইৰ সাধু" নামেৰে প্ৰকাশ কৰি উলিয়াইছে। সূৰ্য্যকান্ত হাজৰিকাই বেজবৰুৱা দেৱৰ শিশু সাহিত্য সমূহক একত্ৰ কৰি "ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু সাহিত্য সম্ভাৰ" নামেৰে সম্পাদিত গ্ৰন্থ প্ৰকাশ কৰিছে। এই গ্ৰন্থৰ 'আগকথা' ত সূৰ্যকান্ত হাজৰিকাই "বুঢ়ী আইৰ সাধু"য়ে বহন কৰি থকা তাৎপৰ্য্য উল্লেখ কৰিছে এনেদৰে ঃ

'বুঢ়ী আইৰ সাধু'ৰ প্ৰত্যেকটো সাধুৱেই বহন কৰিছে এক বিশেষ তাৎপৰ্য্য। পুথিখনৰ সাধুখিনিত লক্ষ্য কৰিব লগীয়া অন্যতম বৈশিষ্ট্য হ'ল- কথন শৈলী আৰু বহন কৰা বাৰ্তা। সাধুবোৰৰ প্ৰায়ভাগতে প্ৰত্যক্ষ বা পৰোক্ষ ভাবে দেখা যায় শেষত সত্য সুন্দৰৰ জয়। উদাহৰণ স্বৰূপে ঃ 'তেজীমলা' সাধুটোত তেজীমলা নিৰ্যাতিতা সৰল সুন্দৰ সংস্কৃতিৰ প্ৰতীক, আনহাতে মাহীমাক হ'ল সমাজৰ অসুন্দৰ বা অশুভ শক্তিৰ প্ৰতীক। সদাগৰ দেউতাক সুন্দৰৰ সাধক, অসুন্দৰ অশুভক আঁতৰোৱাৰ প্ৰচেষ্টাৰ প্ৰতীক। শেষত সংস্কৃতিৰেই জয় হয় সংস্কৃতিক কোনেও মাৰি শেষ কৰিব নোৱাৰে, যেন তেজীমলাৰ দৰেই বাৰে বাৰে উজ্জীৱিত হৈ থাকিব।..........."[২]

(আগকথা, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু সাহিত্য সম্ভাৰ সম্পাঃ সূৰ্য্য হাজৰিকা) বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' সমূহৰ প্ৰাচীনতা, মহত্ব আৰু সামৰণিলৈ চাই এই গ্ৰন্থৰ কেইটামান সাধুক কৰ্মবাদৰ ধাৰণাৰ আওতালৈ আনি বিশ্লেষণ কৰিব পাৰি। এই বিশ্লেষণে "বুঢ়ী আইৰ সাধু" ৰ তাৎপৰ্য্য বৃদ্ধি কৰিব। ৩১ টা সাধুৰ মাজৰ পৰা আলোচনাৰ আওতালৈ "বুঢ়ী আইৰ সাধু" গ্ৰন্থ খনৰ কেইটামান উল্লেখযোগ্য সাধুহে অনা হ'ব।

"বুঢ়ী আইৰ সাধু"ৰ প্ৰথম সাধুটো হৈছে মেকুৰীৰ জীয়েকৰ সাধু। গা-ভাৰি মেকুৰীজনীয়ে মাছ খাবলৈ মন কৰি গিৰিহঁতনীক মাছ চুৰকৈ হ'লেও যোগাৰ কৰি দিছিল। গিৰিহঁতনীয়ে অন্যায় ভাবে নিজে মাছ খাই মেকুৰীজনীক কাঁইট খাবলৈ দিছিল। এই কৰ্মৰ প্ৰতিফল হিচাপে গৰ্ভৱতী গিৰিহঁতনীয়ে মেকুৰীৰ শাওপাত পালে। ফলত তাই সন্তান হিচাপে মেকুৰীহে জন্ম দিলে। মেকুৰীজনীয়ে দুজনী ছোৱালী জন্ম দিলে। একেটা গল্পতে, মেকুৰীৰ সৰুজনী ছোৱালীক মুদৈৰ বাকী দুজনী ঘৈনীয়েকে কৰা অন্যায়ৰ বাবে দুই পুত্ৰক

হেৰুৱাব লগীয়া হোৱাৰ লগতে গৃহহাৰা হ'ব লগা হৈছিল। সাধুটোৰ শেষত, নৈত উটাই দিয়া সৰুজনী ছোৱালীৰ সন্তান দুটি জলকোঁৱৰে লৈ যোৱা বায়েকৰ দ্বাৰা লালিত পালিত হৈছে আৰু সিহঁতেই মাকক ন্যায় দিয়াইছে। মুদৈয়ে আন দুজনী ঘৈনীয়েকক নাক-কাণ কাটি ঘৰৰ পৰা খেদি দিলে আৰু সৰুজনী ঘৈনীয়েকক সন্তানৰ সৈতে আদৰি ল'লে। গল্পটোত গিৰিহঁতনীয়ে মুদৈ দুজনী ঘৈনীয়েক উভয়েই কৃতকৰ্মৰ ফল ভোগ কৰিলে। “বান্দৰ আৰু শিয়াল” সাধুটোত বন্ধুক কৰা বিশ্বাসঘাতকতাৰ প্ৰতিফল মৃত্যু পৰ্য্যন্ত হ'ব পাৰে সেয়া সন্দুৰকৈ দেখুৱাইছে। দুয়োৰে কষ্ট কৰি যোগাৰ কৰা ফল-মূলবোৰ শিয়ালক ঠগি বান্দৰে অকলে ভোগ কৰে। বান্দৰৰ এই বিশ্বাসঘাতকতাৰ পোটক স্বৰূপে শিয়ালেও বিভিন্ন ধৰণে বান্দৰক শাস্তি দিয়ে। অৱশেষত বান্দৰে নিজ কৰ্মৰ কৰ্মফল ভোগ কৰে। শিয়ালৰ ফন্দীত পৰি বান্দৰে মৃত্যুক আকোঁৱালি লয়।

‘বুধিয়ক শিয়াল’ সাধুটোত শিয়ালটোৱে নিজ বুধিৰে বাঘৰ পোৱালি কেইটাৰ মুখৰ আগৰ মাংস খাই আৰামেৰে আছিল। বাঘকো চলেৰে মাৰি বাঘিনীক নিজৰ বহতীয়া কৰি ৰাখিলে। বহুদিন চলে কৌশলেৰে শিয়ালে বাঘিনীৰ ওপৰত নিৰ্ভৰ কৰি দিন পাৰ কৰিবলৈ ধৰিলে। শেহত শিয়ালে তাৰ অপকৰ্মৰ ফল ভোগ কৰে; বাঘৰ পোৱালি দুটাৰ হাতত শিয়ালৰ মৃত্যু হয়।

“বুঢ়া-বুঢ়ী আৰু শিয়াল” সাধুটোত শিয়ালে বুঢ়াক ঠগি কচু খোৱাৰ ফল হাতে হাতে পালে। শিয়ালৰ ওপৰত প্ৰতিশোধ ল'বলৈ বুঢ়াই মৰা মানুহৰ ভেশ জুৰিলে আৰু সুযোগ বুজি শিয়ালক টাঙোনেৰে মাৰিলে। নিজ কৰ্মৰ কৰ্মফল শিয়ালে এনেদৰেই পালে।

‘চিলনী জীয়েকৰ সাধু’ “বুঢ়ী আইৰ সাধু”ৰ এটি জনপ্ৰিয় কাহিনী, ছোৱালী হৈ জন্ম হোৱা বাবেই চিলনীৰ জীয়েকক মাক দেউতাকে পৰিত্যাগ কৰিছিল। চিলনীয়ে কষ্টৰে লালিত-পালিত কৰাৰ পিছত সদাগৰে বিয়া পাতে। সদাগৰৰ ঘৰত সতিনী সকলে চিলনী জীয়েকৰ ওপৰত নানা নিৰ্যাতন চলাইছিল। শেষত তাইক মুদৈৰ ওচৰত বেছি দিছিল আৰু মুদৈয়ে তাইক শুকান মাছৰ ৰখীয়া কৰিছিল। সদাগৰে তাইক সৌভাগ্যক্ৰমে পাই লৈ আহে। শেহান্তত সতিনী কেইজনীয়ে নিজ কৰ্মফল ভোগ কৰে। সদাগৰে সিহঁতক গাঁতত পুতি থোৱাই শাস্তি বিহালে।

“বুঢ়ী আইৰ সাধু”ৰ গল্পবোৰৰ ভিতৰত ‘তুলা আৰু তেজা’ অন্যতম। এলাগীৰ সন্তান হোৱা বাবে কানাই তেজাও এলাগী হৈ পৰিছিল। লাগীয়ে প্ৰথমে এলাগীক কাছলৈ পৰিৱৰ্তন কৰি নিজৰ পথ কন্টক মুক্ত কৰিলে। তুলা-তেজাকো নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। মাকে কানাই তেজাৰ কষ্ট সহি থাকিব নোৱাৰি কাছ হৈয়ে নিজৰ মাতৃ দায়িত্ব পালন কৰিছিল। লাগীয়ে এই কথা গম পাই মাতৃৰূপী কাছটো মাৰি পেলালে। কানাই আৰু তেজাই কাছটোৰ হাঁতোৰা দুটা পুতি থ'লে, তাতে এজোপা জবা টেঙা আৰু এজোপা জবা ফুলৰ গছ হ'ল। মাকে এই গছ দুজোপা হৈ পুনৰ মাকৰ কৰ্তব্যৰত হ'ল। মাকৰ পৰামৰ্শ মতেই কানায়ে স্বৰ্গদেউৰ ওচৰত তেজাৰ বিয়াৰ প্ৰস্তাৱ ৰাখিলে। মাকৰ এই ৰূপান্তৰ জন্মান্তৰবাদৰে দৃষ্টান্ত। পুনৰ জন্মত কৰ্ম আৰু কৰ্মফল ভোগ কৰাৰ নীতি ইয়াতো এলাগী চৰিত্ৰয়ে মানি চলিছে। মাকৰ কৰ্ম পুনৰ জন্মতো কৰিয়েই আছে আৰু কৰ্মফল তেজা আৰু কানাইৰ সুখকৰ ভবিষ্যত জীৱনৰ মাজেদি লাভ কৰিছে। লাগীয়ে তাই কৰা অপকৰ্মৰ ফল তুলাৰ মৃত্যুৰ জৰিয়তে লাভ কৰিছে।

‘চম্পাৱতী’ সাধুটোত এলাগীৰ সন্তান হোৱা বাবে চম্পাৱতীয়ে লাগী আৰু দেউতাকৰ পৰা নানা নিৰ্যাতন পাইছিল। ঈৰ্ষাতে দুয়োৰে চম্পাৱতীক অজগৰ সাপলৈ বিয়া দিলে। সৌভাগ্যক্ৰমে এই বিবাহে চম্পাৱতী আৰু মাকৰ জীৱনলৈ সুখ কঢ়িয়াই আনিলে। অজগৰ সাপলৈ বিয়া দি চম্পাৱতীৰ সুখ হোৱা দেখি লাগীয়ে নিজৰ জীয়েককো সাপলৈ বিয়া দিলে। কিন্তু সাপটোৰ হাতত লাগীৰ জীয়েকৰ মৃত্যু হ'ল। ইয়াৰ পিছত লাগী আৰু দেউতাকে মিলি এলাগী আৰু চম্পাৱতীক মাৰিবলৈ পৰিকল্পনা কৰিছিল। কিন্তু অজগৰৰ প্ৰচেষ্টাত দুয়ো উদ্ধাৰ হ'ল। চম্পাৱতীক কৰিবলৈ লোৱা অন্যায়ৰ কৰ্মফল ৰূপে লাগী আৰু গিৰিয়েকে নিজ সন্তানক হেৰুৱালে। চম্পাৱতীৰ অজগৰৰূপী গিৰিয়েকৰ মাকে কৰা অন্যায়ৰ বাবে চম্পাৱতীয়ে গিৰিয়েকৰ পৰা ছয় বছৰ আঁতৰি থাকিব লগা হৈছিল। শেহতে ৰাক্ষসী মাকে ইয়াৰ প্ৰতিফল পালে; নিজ পুত্ৰৰ হাততে প্ৰাণ হেৰুৱাব লগীয়া হয়।

‘কাঞ্চনী’ সাধুত কৰ্মবাদৰ নৈতিক মূল্যৰ সংৰক্ষন নিয়মৰ প্ৰতিফলন দেখা যায়। বুঢ়াৰ নুমলীয়া পোক বৌৱেক হঁতে হিংসা কৰি কু-মন্ত্ৰ শক্তিৰে কুকুৰলৈ ৰূপান্তৰিত কৰে। কুকুৰৰ ৰূপ লৈ সি নগৰৰ মানুহ এঘৰত থাকিবলৈ ল'লে। সময়ৰ সোঁতত এই নিঃ সন্তান মানুহ হালৰ এজনী ছোৱালী জন্ম পালে। মাকে কুকুৰটোক দিয়া বচন অনুসৰি কাঞ্চনীক

কুকুৰাটোলৈ বিয়া দিলে। সৌভাগ্যবশতঃ কাঞ্চনীৰ হাতত কুকুৰটোৱে পূৰ্বৰ ৰূপ ঘুৰাই পালে।

কাঞ্চনী আৰু তাইৰ গিৰিয়েকৰ এই মিলন স্থায়ী নহ'ল। কাঞ্চনীক নিজৰ কৰি ল'বৰ বাবে ৰজাই গিৰিয়েকক শালত দিলে আৰু এই খবৰ শুনি কাঞ্চনীয়েও কাৰো হাক বচন নুশুনি গিৰিয়েকৰ সৈতে আত্মঘাতী হয়। কাঞ্চনী আৰু তাইৰ গিৰিয়েকে এই জন্মত ভোগ নকৰা কৰ্মফল সঞ্চিত ৰূপত পুনৰ জন্মত লাভ কৰে। মৃত্যুৰ পিছত আঁহত আৰু বৰ গছ হৈ পুনৰ জীৱন পোৱা কাঞ্চন আৰু তাইৰ স্বামীয়ে এজোপা গছ হৈ বাঢ়িবলৈ ধৰিলে।

"বুঢ়ী আইৰ সাধু" পুথিখনৰ এটি উল্লেখযোগ্য সাধু হৈছে তেজীমলা। সতিনীৰ জীয়েক হোৱা বাবেই নিঃসন্তান মাহীমাকে দেউতাক ঘৰত নথকাৰ সুযোগতে তেজীমলাৰ ওপৰত নানা নিৰ্যাতন চলাবলৈ ধৰিলে। সখীয়েকৰ বিয়া খাবলৈ যাওঁতে মাহীমাকৰ চক্ৰান্তৰ বলি হৈ তেজীমলা কাপোৰ নষ্ট কৰাৰ বাবে দোষী সাব্যস্ত হ'ল। এই সুযোগতে মাহীমাকে ঢেঁকীত খুন্দি তেজীমলাক মাৰি পেলাই গাঁত খান্দি পুতি থ'লে । ইয়াৰ পিছৰে পৰাই তেজীমলাই পুনৰ জন্ম লাভ কৰি ক্ৰমে লাও গছ, জৰা টেঙা, পদুম ফুল আৰু শেষত শালিকা চৰাই হৈ আছিল। সদৌ শেষত তেজীমলাই শালিকা চৰাইৰ পৰা পুনৰ নিজৰ ৰূপ ঘূৰাই পালে। সাউদৰ ঘৈনীয়েকে নিজ কৰ্মৰ ফল হাতে হাতে পালে। তেজীমলা সাধুটো কৰ্মবাদৰ ধাৰণাৰে চালে দেখা যায় যে কৰ্মবাদৰ কৰ্মফল লাভ কৰা নীতিৰ লগতে জন্মান্তৰ বাদৰ ধাৰণাও ইয়াত সুন্দৰকৈ ফুটি উঠিছে। সংৰক্ষণৰ নিয়মেই। ইয়াত প্ৰযোজ্য। কৰ্মফল ভোগ নকৰা বাবেই তেজীমলাৰ এই পুনৰ জনম।

**০.০৪ ঃ** কৰ্মবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' উভয়েই ভিন্ন প্ৰান্তত অৱস্থান কৰা দুটি বিষয়। কৰ্মবাদ দৰ্শন বিষয় আৰু বুঢ়ী আইৰ সাধু হ'ল সাহিত্য। কিন্তু উভয়ৰে মাজত থকা এক উল্লেখযোগ্য বৈশিষ্ট্যই দুয়োকে একেখন মঞ্চলৈ আনি সমন্বয়ৰ সাকোঁ গঢ়িছে। কৰ্মবাদ আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী আইৰ সাধু দুয়োটাই প্ৰাচীন হৈও নতুন। দুয়োটা সম্পদক এক কৰি নতুনত্ব অনাৰ প্ৰয়াস কৰা হৈছে। কৰ্মবাদৰ ধাৰণাৰে সংপৃক্ত হৈ লক্ষ্মীনাথ বেজবৰুৱাৰ "বুঢ়ী আইৰ সাধু"ৰ নীতি শিক্ষামূলক বাৰ্তাসমূহ অধিক প্ৰাসংগিক আৰু স্পষ্ট ৰূপত ফুটি উঠিছে। সাধুকথাৰ মাধ্যমেৰে নীতি শাস্ত্ৰৰ এনে আপুৰুগীয়া জ্ঞান প্ৰদানৰ প্ৰচেষ্টা নতুন প্ৰজন্মৰ বাবে লাভদায়ক হ'ব বুলি আমি আশাবাদী।

**পাদটিকা ঃ**

১) শ্ৰীমদ্ভগৱদ গীতাৰ দৰ্শন- হেমন্ত কুমাৰ ৰয় নয়ন মনি কলিতা, ইউনিয়ন বুক পাব্লিকেচন, পাণ বজাৰ, গুৱাহাটী-১। প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০২১।

২) শ্ৰীধৰ স্বামীৰ সুবোধিনী টিকাসহিত শ্ৰীমদ্ভভগৱদ্ গীতা। ড° মালিনী গোস্বামী (অনুঃ)। শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ প্ৰকাশ, পান বজাৰ, গুৱাহাটী- ৭৮১০০১ প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০৫।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

গোস্বামী ড° মালিনী (অনুঃ)। শ্ৰীধৰ স্বামীৰ সুবোধিনী টিকাসহিত শ্ৰীমদ্ভভগৱদ্ গীতা। প্ৰথম প্ৰকাশ। শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা, চন্দ্ৰ প্ৰকাশ, পান বজাৰ, গুৱাহাটী- ৭৮১০০১, জানুৱাৰী, ২০০৫।

বৰুৱা ড° গিৰীশ। নীতিশাস্ত্ৰ। ষষ্ঠ প্ৰকাশ। শ্ৰীঘনশ্যাম লভিয়া, দিব্য প্ৰকাশন, জি. এন. বি ৰোড, পাণবজাৰ, গুৱাহাটী- ৭৮১০০১ , ২০০৮-২০০৯।

ৰয় হেমন্ত কুমাৰ। শ্ৰীমদ্ভগৱদ গীতাৰ দৰ্শন। প্ৰথম প্ৰকাশ। নয়ন মনি কলিতা, ইউনিয়ন বুক পাব্লিকেচন, বজাৰ, গুৱাহাটী-১, চেপ্তেম্বৰ, ২০২১।

হাজৰিকা সূৰ্য্যকান্ত (সম্পাঃ)। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ শিশু সাহিত্য সম্ভাৰ। দ্বিতীয় প্ৰকাশ। এছ. এইছ এডুকেশ্বনেল ট্ৰাষ্ট, চন্দ্ৰকান্ত হাজৰিকা পথ, তৰুণ নগৰ, গুৱাহাটী- ৭৮১০০৫, ২০১৪।

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# উপন্যাসৰ পৰা চলচ্চিত্ৰলৈ : ৰীতা চৌধুৰীৰ উপন্যাস ‘ৰাজীৱ ঈশ্বৰ’ আৰু মঞ্জুল বৰুৱাৰ চলচ্চিত্ৰ ‘কানীন’

## (অভিযোজনা তত্ত্বৰ আধাৰত এক বিশ্লেষণাত্মক অধ্যয়ন)



ঋষিকন্যা বাৎস

গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
তেজপুৰ বিশ্ববিদ্যালয়
অসম-৭৮৪০২৮
৮৬৩৮৫৭৩০১০
rhishikanya@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সাধাৰণ অৰ্থত সাহিত্যিক অভিযোজনা হৈছে, সাহিত্যিক পাঠ একোটাক এটা মাধ্যম বা শাখাৰ পৰা আন শাখা বা মাধ্যমলৈ কৰা ৰূপান্তৰ। বহুক্ষেত্ৰত সাহিত্যিক পাঠক চলচ্চিত্ৰ পাঠলৈ অভিযোজনা কৰা হয়। অৰ্থাৎ ইয়াৰ মাধ্যমৰ পৰিৱৰ্তন কৰা হয়। এই চলচ্চিত্ৰৰ অভিযোজনা বৰ্তমান সময়ত অতি সমাদৃত। অভিযোজকে স্বকীয় দক্ষতা আৰু চলচ্চিত্ৰীয় কৌশলৰ প্ৰয়োগেৰে লিখিত বা মৌখিক পাঠ একোটাক দৃশ্য-শ্ৰাব্য ৰূপ দিয়ে। বিশ্বৰ আন আন ভাষাৰ লগতে অসমীয়া ভাষাৰ ক্ষেত্ৰতো চলচ্চিত্ৰ নিৰ্মাণত অভিযোজনাই বিশেষ গুৰুত্ব লাভ কৰি আহিছে। ভিন্ন ঐতিহাসিক মহাকাব্যিক আখ্যানৰ পৰা আৰম্ভ কৰি মৌখিক সাহিত্য (সাধুকথা, লোকগাঁথা, লোক-সাহিত্য আদি), লিখিত সাহিত্য (গল্প, উপন্যাস, কবিতা আদি)ক চলচ্চিত্ৰীয় সাহিত্যলৈ ৰূপান্তৰ কৰা হৈছে। এইক্ষেত্ৰত চলচ্চিত্ৰৰ ৰূপ দিয়া অসমীয়া উপন্যাসসমূহৰ ভিতৰত ৰীতা চৌধুৰীৰ উপন্যাস ‘ৰাজীৱ ঈশ্বৰ’ বিশেষভাৱে উল্লেখযোগ্য। মঞ্জুল বৰুৱাৰ পৰিচালনাত ‘কানীন’ নামেৰে উক্ত উপন্যাসক চলচ্চিত্ৰ ৰূপ দিয়া হৈছে। চতুৰ্থ সংখ্যক নৰ্থ-ইষ্ট ফিল্ম ফেষ্টিভেলত বহুলভাৱে সমাদৃত এই চলচ্চিত্ৰৰ অভিযোজনা আৰু ইয়াৰ লগত সম্পৰ্কিত দিশসমূহক এই আলোচনাত বিচাৰৰ প্ৰয়াস কৰা হৈছে। এই সম্পৰ্কত অভিযোজনা সম্পৰ্কে মত আগবঢ়োৱা বহুকেইজন সমালোচক-বিশেষজ্ঞৰ ধাৰণাক আলোচনাৰ আওতালৈ অনা হৈছে। মূলতঃ উপন্যাসৰ পৰা চলচ্চিত্ৰলৈ হোৱা ৰূপান্তৰেই এই অধ্যয়নৰ প্ৰধান বিচাৰ্য্য।

**বীজ শব্দ ঃ**

ৰূপান্তৰ, সমতুল্য, বিশ্বাসযোগ্যতা, উৎস পাঠ, লক্ষ্যপাঠ।

**১.০০ অৱতৰণিকা ঃ**

অষ্টাদশ শতিকা বা তাৰ আগলৈকে এক বৈজ্ঞানিক ধাৰণা হিচাপে Adaptation শব্দটো ব্যৱহাৰ কৰা হৈছিল। ঊনবিংশ শতিকাৰ পৰা মানৱিকীবিদ্যাত পৃথকধৰণেৰে (এটা মাধ্যমৰ পৰা আন এটা মাধ্যমলৈ ৰূপান্তৰ) ইয়াৰ ব্যৱহাৰ হৈছে। বিংশ শতিকাৰ মাজভাগৰ পৰা বিদ্যায়তনিক ক্ষেত্ৰত ইয়াৰ ব্যৱহাৰ হয়। প্ৰথমাৱস্থাত, অভিযোজনাক সমালোচকসকলে এক ঋণাত্মক প্ৰয়োগ হিচাপে অভিহিত কৰিছিল। উৎস বা মূল পাঠৰ প্ৰতি থকা মোহৰ বাবেই ঋণাত্মক ধাৰণাৰ সৃষ্টি হৈছিল। পাছলৈ এই ধাৰণাৰ

সলনি হয়। আমি অভিযোজনাক অনুবাদৰ এক অংশ বুলিব পাৰোঁ, য'ত উৎস পাঠ একোটাক কিছু সাল - সলনি বা পৰিৱৰ্তন কৰি লক্ষ্য পাঠ একোটা নিৰ্মাণ কৰা হয়। আমাৰ অধ্যয়নত উৎস পাঠ হৈছে, ৰীতা চৌধুৰীৰ উপন্যাস 'ৰাজীৱ ঈশ্বৰ' আৰু লক্ষ্য পাঠ হৈছে, মঞ্জুল বৰুৱা পৰিচালিত চলচ্চিত্ৰ 'কানীন'। উপন্যাসৰ পৰা চলচ্চিত্ৰলৈ অভিযোজিত হওঁতে হোৱা সংযোগ-বিয়োগকে ধৰি অন্যান্য দিশসমূহ এই অধ্যয়নত সন্নিবিষ্ট কৰা হৈছে।

**১.০১ অধ্যয়নৰ উদ্দেশ্য ঃ**

১। উপন্যাসৰ পৰা চলচ্চিত্ৰলৈ হোৱা অভিযোজনাৰ গুৰুত্ব বিচাৰ কৰা।

২। ৰাজীৱ ঈশ্বৰৰ পৰা কানীনলৈ হোৱা অভিযোজনাত সংযোজন-বিযোজন ঘটা দিশসমূহ বিচাৰ কৰা।

৩। অসমীয়া চলচ্চিত্ৰৰ অভিযোজনাৰ ক্ষেত্ৰখনৰ গুৰুত্ব বৃদ্ধি কৰা।

**১.০২ অধ্যয়নৰ পৰিসৰ ঃ**

এই অধ্যয়ন ৰাজীৱ ঈশ্বৰ উপন্যাস আৰু কানীন চলচ্চিত্ৰৰ পাঠৰ আধাৰত কৰা হৈছে। ৰাজীৱ ঈশ্বৰৰ পৰা কানীনলৈ হোৱা অভিযোজনাৰ বিভিন্ন ধনাত্মক-ঋণাত্মক দিশ ইয়াত বিচাৰ কৰা হৈছে। আৱশ্যক মতে, কেইবাজনো বিশেষজ্ঞৰ অভিযোজনা সম্পৰ্কীয় মতক বিচাৰ কৰা হৈছে।

**১.০৩ অধ্যয়নৰ পদ্ধতি ঃ**

এই অধ্যয়নত প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে। আৱশ্যক অনুসৰি, সমীক্ষাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰো ব্যৱহাৰ কৰা হৈছে। তথ্য সংগ্ৰহৰ বাবে পুথিভঁৰাল অধ্যয়ন পদ্ধতিৰ ব্যৱহাৰ কৰা হৈছে।

**১.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

Simone Murray1 *Materializing Adaptation Theory: The Adaptation Industry,* Thomas Leitchৰ *Twelve Fallacies in Contemporary Adaptation Theory,* Thomas Leitch1 *Adaptation Studies at a Crossroads,* S Murrayৰ *The adaptation industry : The cultural economy of contemporary literary adaptation,* JI Marsden1 *The Re-Imagined Text: Shakespeare, Adaptation, & Eighteenth-Century Literary Theory,* P Edwards1 *Adaptation: Two Theories* আদিত সাহিত্যৰ অভিযোজনা সম্পৰ্কে সাৱলীল ব্যাখ্যা পোৱা যায়।

*John Harrington in his book Film And /As Literature (1977) estimates that one third of all films ever made has been adapted from novels and if we include other literary genres, such as drama or short story, that estimate will be sixty-five percent or more. Nearly all of the works of classic literature in every language have been adapted for films – some, many times and in multiple languages, settings and formats* (Dutta, 2016)। ভাৰত তথা অসমৰ চলচ্চিত্ৰ উদ্যোগ ইয়াৰ ব্যতিক্ৰম নহয়। হিন্দীৰ লগতে অন্যান্য . আঞ্চলিক ভাষাসমূহত চলচ্চিত্ৰ অভিযোজনাই বিশেষ স্থান লাভ কৰে। যাৰবাবে বিদ্যায়তনিক ক্ষেত্ৰত চলচ্চিত্ৰ অধ্যয়নত অভিযোজনা এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

এই বিষয়ৰ তাত্ত্বিক অধ্যয়নৰ ক্ষেত্ৰত Brian McFarlane1 *Novel to Film: An Introduction to the Theory of Adaptation,* George Bluestone1 *Novels into Film,* Jack Boozerৰ *Authorship and Film Adaptation, Evolution,* Brian Boydৰ *Literature, and Film:. A Reader* আদি উল্লেখযোগ্য। Mohammad Rezaul Karimৰ *Adaptation of Shakespeare's Plays into Assamese Farce:. A Study on Historical Perspective,* Deborah Cartmell সম্পাদিত *A Companion to Literature, Film, and Adaptation,* Camila Augusta Pires de Figueiredoৰ *Introduction: Some Theoretical Models for Adaptation Studies,* Cenk Tanৰ *Film Philology: The Value And Significance Of Adaptation* আদিত অভিযোজনা সম্পৰ্কে বিস্তৃত আলোচনা পোৱা যায়।

চলচ্চিত্ৰ অধ্যয়নৰ ক্ষেত্ৰত অভিযোজনা বিশেষ অংশ, যাৰবাবে ইয়াৰ বিদ্যায়তনিক আলোচনাৰো অভাৱ নাই। চলচ্চিত্ৰ সমালোচক-গৱেষকসকলৰ গৱেষণা পত্ৰ, প্ৰবন্ধ-নিবন্ধ আদিত বিভিন্ন ভাষাত এই সম্পৰ্কে অধ্যয়নৰ প্ৰচুৰ সমল পোৱা যায়।

**২.০০ বিষয়ৰ আলোচনা ঃ**

*Works of literature have been adapted for film from the dawn of the industry. Some of the earliest examples come from the work of Georges Méliès, who pioneered many film techniques. In 1899, he released two adaptations—Cinderella based on the Brothers Grimm story of the same name and King John, the first known film to be based on the works of Shakespeare. The 1900 film Sherlock Holmes*

*Baffled, directed by Arthur Marvin featured Arthur Conan Doyle's detective character Sherlock Holmes intruding upon a pseudo-supernatural burglary. The film, considered the first detective movie, ran for only 30 seconds and was originally intended to be shown in hand-cranked Mutoscope machines.* (Literary Adaptation).

বিভিন্ন পৰীক্ষা-সম্পৰীক্ষাৰ মাজেৰে বিকাশ লাভ কৰা অভিযোজনা কেইবাপ্ৰকাৰেৰে হ'ব পাৰে :- প্ৰথমতে; একে শাখাৰ ভিতৰতে (বাল্মিকীৰ ৰামায়ণৰ পৰা মাধৱ কন্দলীৰ ৰামায়ণৰ অনুবাদ), দ্বিতীয়তে, এটা শাখাৰ পৰা আন এটা শাখালৈ (ভট্টদেৱৰ কথা ভাগৱত পদ্যৰ পৰা গদ্যলৈ), তৃতীয়তে, এটা মাধ্যমৰ পৰা আন এটা মাধ্যমলৈ (সাহিত্যিক পাঠৰ পৰা চলচ্চিত্ৰ পাঠৰ নিৰ্মাণ)।

চলচ্চিত্ৰৰ অভিযোজনাত তৃতীয়বিধ সংঘটিত হয়। ইয়াত এটা সাহিত্যিক উৎস পাঠৰ প্ৰতি বিশ্বস্ত থাকি উৎসৰ ভাৱ-ধাৰণাক ধৰি ৰাখি লিখিত পাঠক দৃশ্য পাঠলৈ বা চলচ্চিত্ৰ পাঠলৈ পৰিৱৰ্তন কৰা হয়। এটাৰ পৰা আন এটা মাধ্যমলৈ অভিযোজিত হৈ নিৰ্মিত চলচ্চিত্ৰসমূহত উৎস পাঠৰ লগত বহুতো সাদৃশ্য - বৈসাদৃশ্য পৰিলক্ষিত হয়। Andre Bazinৰ মতে, ই ভাষিক (linguistic) মাধ্যমৰ পৰা দৃশ্য (visual) মাধ্যমলৈ অনুবাদ (Cartmell, 2012)। George Bluestoneৰ মতে, ই কলাৰ এক নতুন কৰ্ম, য'ত অভিযোজকজন সৃষ্টিকৰোঁতা (creator) (Cartmell, 2012)।

উৎস সাহিত্যিক পাঠ, বিশেষকৈ গল্প বা উপন্যাসৰ পৰা অভিযোজিত চলচ্চিত্ৰত সাধাৰণতে সমীক্ষাত্মক দৃষ্টিভংগীৰে উৎস পাঠক বিচাৰ কৰা হয়। এনে কৰিবলৈ যাওঁতে কেতিয়াবা উৎস পাঠৰ কিছু অংশত বিশেষ গুৰুত্ব দি বা কেতিয়াবা উৎস পাঠৰ মূল বিষয়ৰ সংযোজন-বিয়োজন ঘটাই চলচ্চিত্ৰ প্ৰস্তুত কৰা হয়। এইক্ষেত্ৰত অভিযোজনাৰ মূল হৈছে, বিশ্বাসযোগ্যতা বা বিশ্বস্ততা। মূলৰ বিশেষত্ব অটুট ৰাখি উৎস পাঠৰ পৰা বিচ্যুৎ নোহোৱাকৈ থাকি অভিযোজন কৰা হয়।

Michael Klein আৰু Gillian Parker এ তিনি প্ৰকাৰৰ অভিযোজনাৰ কথা কৈছে (Klein, 1981) : -

১। শিথিল অভিযোজনা : মূল পাঠৰ কেৱল ধাৰণা গ্ৰহণ। (শ্বেক্সপীয়েৰৰ অথেলোৰ ধাৰণাত নিৰ্মিত হেমন্ত কুমাৰ দাসৰ অথেলো।)

২। সাহিত্যিক অভিযোজনা : ইয়াত Cinematic Technique ব্যৱহাৰ কম হয় আৰু প্ৰত্যক্ষভাৱে সাহিত্যিক পাঠৰ Videography কৰি উপস্থাপন কৰা হয়। (এই ক্ষেত্ৰত ধ্ৰুপদী সাহিত্যৰ অভিযোজনাৰ কথা ক'ব পাৰোঁ।)

৩। বিশ্বাসযোগ্য অভিযোজনা : উৎকৃষ্ট Cinematic Techniqueৰ ব্যৱহাৰেৰে উৎস পাঠৰ পৰা আঁতৰি নগৈ এই অভিযোজনা কৰা হয়। অৱশ্যে, ইয়াত মূলৰ লগত অভিযোজকৰ নিজস্ব ধাৰণাৰো সংযোজন কৰা হয়। শ্বেক্সপীয়েৰৰ নাটকৰ বিশ্বাসযোগ্য অভিযোজনা Kenneth Banaghৰ Henry V ১৯৮৯।

ৰাজীৱ ঈশ্বৰৰ পৰা কানীনলৈ অভিযোজনা সম্পন্ন কৰোঁতে অভিযোজক মূল পাঠৰ পৰা আঁতৰি অহা নাই। ৰাজীৱ ঈশ্বৰ উপন্যাসখনৰ মূল চৰিত্ৰ মন্দিৰাই কৈশোৰ অৱস্থাত জন্ম দিয়া অবৈধ সন্তানক প্ৰায় চৌবিছ বছৰৰ পাছত বিচাৰি যোৱাৰ যি কাহিনী, তাক প্ৰায় সমতুল্য ৰূপত কানীনত চলচ্চিত্ৰ ৰূপ দিয়া হৈছে। অভিযোজনা সম্পৰ্কীয় চৰ্চাত অভিযোজন প্ৰক্ৰিয়া আৰু অভিযোজকৰ বিশ্বস্ততা বা বিশ্বাসযোগ্যতাই ঘাই স্থান লাভ কৰে। আলোচ্য চলচ্চিত্ৰখনৰ অভিযোজনাত মূলৰ কিছু হৰণ-ভগন হ'লেও সাধাৰণভাৱে মূল উপন্যাসখনত ঔপন্যাসিকে দিব খোজা ইংগিত বা ক'ব খোজা কথাক সামৰি অভিযোজকে দৰ্শকৰ কাষলৈ চলচ্চিত্ৰখন নিব পাৰিছে। এইক্ষেত্ৰত চলচ্চিত্ৰখনৰ সংলাপ-চিত্ৰনাট্য সংৰচনাত মূল ঔপন্যাসিক ডঃ ৰীতা চৌধুৰী জড়িত থকাৰ বাবে অভিযোজনা সম্পাদিত হোৱাৰ স্বত্বেও চলচ্চিত্ৰখন মূলৰ পৰা আঁতৰি অহা নাই যেন ভাৱ হয়।

ৰাজীৱ ঈশ্বৰৰ পৰা কানীনলৈ অভিযোজনা কৰোঁতে পৰিচালকে বহু ক্ষেত্ৰত কিছুমান সুন্দৰ Cinematic Techniqueৰ ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে; আমি চলচ্চিত্ৰখনত ব্যৱহাৰ কৰা সংগীতৰ কথা ক'ব পাৰোঁ। মূল উপন্যাসখনত ঔপন্যাসিকে মূল চৰিত্ৰৰ অন্তৰৰ যন্ত্ৰণা, মমতা, দুখ-দ্বিধা, সংশয় সকলোবোৰ সংলাপ-শব্দৰ যোগেদি প্ৰকাশ কৰিছে। ইয়াৰ পৰিৱৰ্তে চলচ্চিত্ৰখনত বহুক্ষেত্ৰত মন্দিৰাৰ মানসিক স্থিতিক বুজাবলৈ সংলাপৰ পৰিৱৰ্তে সংগীতৰ ব্যৱহাৰ কৰিছে। নিজৰ অবৈধ সন্তানক বিচাৰিবলৈ আৰম্ভ কৰোঁতে সেই সন্তানৰ সামাজিক স্বীকৃতি বা পৰিয়ালৰ দ্বাৰা গ্ৰহণক লৈ মন্দিৰাৰ মনত যি সংশয়ৰ সৃষ্টি হৈছে, তাক এটি গীতৰ জড়িয়তে অতি হৃদয়স্পৰ্শী ৰূপত প্ৰকাশ কৰিছে -----

'শুই থকা আৱেগবোৰ জাগি উঠে,
মনে মনে সাঁচি বুকুতে।'

অবিবাহিত অৱস্থাত জন্ম দিয়া এটি সন্তান, যাৰ অস্তিত্বৰ কথা মন্দিৰাই চৌব্বিশ বছৰে ভবা নাছিল, সেই সন্তান বিচাৰি মন্দিৰা হাহাকাৰ কৰি উঠিছে। বাটৰ কাষত কোনোবাই পেলাই যোৱা এটি সৰু কেঁচুৰাই মন্দিৰাৰ নিজ অবৈধ সন্তানৰ প্ৰতি মমতা জগাই তুলিছে। তেওঁ নিজ সন্তানক ঘূৰাই পাব বিচাৰিছে -

'ইতিহাসৰ পাত লুটিয়াই নিচুকণি গীত গাবলৈ,
অ' আকাশ, দিয়া বিশালতা মইনাক সাৱটি ল'বলৈ।'

অবৈধ সন্তান ৰাজীৱৰ পৰিচয় পোৱাৰ পাছত মন্দিৰাৰ মনত সমাজ-পৰিয়াল সকলোকে লৈ দোমোজাৰ সৃষ্টি হৈছে। ঔপন্যাসিকে শাব্দিক ব্যাখ্যাৰে এই অনুভৱ প্ৰকাশ কৰাৰ দৰেই পৰিচালকে সংগীতৰ শাৰীৰ ব্যৱহাৰ কৰিছে -----

'হেৰুৱাই পোৱা জোনাকৰ ঠিকনাই সুখৰ অশ্ৰু নিগৰায়,
দুহাত দিওঁনে মেলি, লওঁনে সাৱটি মমতাৰ যাতনা বুজে কোনে?'

উপন্যাসখনত কাহিনীভাগ যি ক্ৰমত আগবাঢ়িছে, চলচ্চিত্ৰখনতো একেদৰেই কাহিনীভাগক আগবঢ়োৱা হৈছে। ভিজুৱেল প্ৰকাশৰ সুবিধাৰ বাবে দুই-এটা চিকুৱেন্স উপন্যাসতকৈ আগ-পিছ কৰা হৈছে। সংলাপৰ ক্ষেত্ৰত বহু সময়ত উপন্যাসৰ সংলাপসমূহকেই ব্যৱহাৰ কৰা হৈছে। আনবোৰ উপন্যাসৰ দৰে হুবহু নহ'লেও সমতুল্য ৰূপতেই উপস্থাপন কৰা হৈছে।

John Drydenৰ অনুবাদ তত্ত্বৰ আৰ্হিৰ মতে, অনুবাদৰ প্ৰকাৰ তিনিটা : - Metaphrase, Paraphrase, Imitation। এই অনুবাদ তত্ত্বৰ আৰ্হিত Geoffrey Wagnerএ অভিযোজনা তত্ত্বক তিনি ভাগত বিভক্ত কৰিছে (Zaini, 2016): -

১। Transposition : য'ত Metaphrase অনুবাদৰ দৰে মূল বা উৎস পাঠৰ সম্পূৰ্ণ একেদৰে অভিযোজনা কৰা হয়।

২। CommentaryÊ. û'îÂ Paraphrase অনুবাদৰ দৰে মূল ভাৱ সম্পূৰ্ণ একেই ৰাখি কোনো ঠাইত সংযোগ-বিয়োগ কৰি অভিযোজন কৰা হয়।

৩। Analogy: য'ত Imitation অনুবাদৰ দৰে কেৱল উৎস পাঠৰ ধাৰণা এটাহে লোৱা হয়।

উল্লিখিত বিভাজনৰ আৰ্হিত কানীন চলচ্চিত্ৰৰ অভিযোজনাক Commentary অভিযোজনা বুলি ক'ব পাৰোঁ। ইয়াত মূল পাঠৰ সমতুল্য ৰূপত কাহিনীভাগক উপস্থাপন কৰা হৈছে যদিও বহুক্ষেত্ৰত সংযোগ-বিয়োগ কৰা হৈছে। উদাহৰণ স্বৰূপে;

ৰশ্মিতাৰ জন্মদিনৰ বজাৰ কৰা চিকুৱেন্স, মন্দিৰাহঁত ক্লাবলৈ যোৱা প্ৰথম চিকুৱেন্সটোত গায়িকা, বহু ঠাইত সংগীতৰ ব্যৱহাৰ আদি চলচ্চিত্ৰখনত সংযোগ কৰা হৈছে।

কৈশোৰৰ মন্দিৰা ৰজনী শৰ্মা নামৰ ঘৰুৱা শিক্ষকজনৰ প্ৰতি আকৰ্ষিত হয়। মন্দিৰালৈ অহা প্ৰেমৰ প্ৰস্তাৱ, বান্ধৱীৰ লগত হোৱা যৌৱনৰ কৌতুহলপূৰ্ণ কথোপকথন, মা-দেউতাকৰ পৰা লাভ কৰা অবাধ স্বাধীনতা তথা মন্দিৰাৰ প্ৰতি আওকণীয়া মনোভাৱ -- এই সকলোবোৰৰ বাবে ভাল-বেয়াৰ সিদ্ধান্ত ল'ব নোৱাৰা মন্দিৰাই শাৰীৰিক আকৰ্ষণৰ বাবে ৰজনী শৰ্মাৰ লগত যৌন সম্পৰ্ক স্থাপন কৰে। যৌৱনৰ দুদোল্যমান সময়ৰ এই ভুলক উপন্যাসখনত যিমান স্পষ্ট ৰূপত উপস্থাপন কৰা হৈছে, তেনেদৰে কিন্তু চলচ্চিত্ৰখনৰ অভিযোজনাত প্ৰকাশ নাপালে। এই দিশত যথেষ্ট অৱকাশ আছিল।

মন্দিৰাই ৰাজীৱক প্ৰথম লগ পোৱা, মন্দিৰাৰ প্ৰতি ৰাজীৱৰ সৌজন্যতাহীন আচৰণ, ৰাজীৱৰ কাষ চাপিবলৈ মন্দিৰাই কৰা প্ৰচেষ্টা, মন্দিৰাৰ কাষত ৰাজীৱ সহজ হোৱাৰ পৰা মন্দিৰা ৰাজীৱৰ ঘৰলৈ যোৱালৈকে গোটেই প্ৰক্ৰিয়াটো উপন্যাসখনত অতি হৃদয়স্পৰ্শী ৰূপত প্ৰকাশ কৰা হৈছে। কিন্তু অভিযোজিত চলচ্চিত্ৰখনত এই ক্ৰমটোৱে উপন্যাসখনৰ দৰে দৰ্শকক চুব পৰা নাই যেন ভাৱ হয়। উপন্যাসখনত ব্যৱহাৰ কৰা সংলাপ আৰু বৰ্ণনাই এই দিশটোক অধিক স্পষ্ট কৰি তুলিছে।

ৰাজীৱ ঈশ্বৰ উপন্যাসখনৰ সমতুল্য ৰূপত কানীনৰ অভিযোজনা কৰিলেও উপন্যাস আৰু চলচ্চিত্ৰ দুয়োখনৰে সামৰণিত পাৰ্থক্য দেখা গৈছে। আমি বাস কৰা পুৰুষতান্ত্ৰিক সমাজত অবিবাহিত অৱস্থাত এগৰাকী মাতৃয়ে সন্তান জন্ম দিয়াটো যেনেদৰে অৱহেলিত ঘটনা, একেদৰেই বিবাহৰ পাছত নিজৰ অবৈধ সন্তানক পৰিয়ালৰ মাজত ঠাই দিবলৈ বিচৰাটোও এক অনাদৰণীয় ঘটনা। ইয়াত মন্দিৰাই নিজ অবৈধ সন্তানক আঁকোৱালি লবলৈ যুঁজিছে। মন্দিৰাই চেষ্টা কৰিছে যদিও শেষত হাৰ মানিছে। চলচ্চিত্ৰখনত মন্দিৰাই ৰাজীৱক নিজ ঘৰলৈ নিয়াৰ কথা দিয়ে আৰু নিজৰ মনত ৰাজীৱক পৰিয়ালৰ সকলোৰে লগত চিনাকি কৰোৱাৰ সিদ্ধান্ত লয়। কিন্তু সেয়া

হৈ নুঠৈগৈ। কথা দিয়া মতে মন্দিৰা ৰাজীৱৰ ওচৰলৈ নাযায়। সমাজৰ কাষত মন্দিৰাই হাৰ মনিছে। ৰাজীৱে মন্দিৰাৰ বাবে অপেক্ষা কৰি থাকে আৰু ইয়াতে কাহিনীৰ অন্ত পৰে।

আনহাতে, উপন্যাসখনত ইয়াৰ পাছত মন্দিৰাৰ স্বামী অভিজিতে ৰাজীৱক ঘৰলৈ অনাৰ কথা সংযোগ হৈছে। অভিজিতে মন্দিৰাৰ সকলো কথা গম পাই ৰাজীৱক নিজ পৰিয়ালত ঠাই দিয়ে। এই ধনাত্মকতাৰে উপন্যাসখনৰ সামৰণি মৰা হৈছে। যিখন পুৰুষতান্ত্ৰিক সমাজৰ ওচৰত মন্দিৰাই হাৰ মানিছে, সেই সমাজৰে পুৰুষ মন্দিৰাৰ স্বামী অভিজিতে মন্দিৰাৰ অবৈধ সন্তানক পৰিয়ালত ঠাই দিছে। ই আমাৰ তথাকথিত সমাজ ব্যৱস্থাৰ প্ৰতি ইতিবাচক ইংগিত। উপন্যাসখনৰ এই ধনাত্মক সামৰণিৰ বিপৰীতে চলচ্চিত্ৰখনত ৰাজীৱ নিজ পৰিচয় নোপোৱাকৈয়ে ৰৈ গৈছে।

নামকৰণলৈ মন কৰিলে দেখিম যে, ৰাজীৱ ঈশ্বৰ উপন্যাসখনৰ মূল চৰিত্ৰৰ নামেৰে নামাকৰণ কৰা হৈছে। আনহাতে, চলচ্চিত্ৰখনত মূল চৰিত্ৰৰ নাম প্ৰত্যক্ষভাৱে নাৰাখি সেই চৰিত্ৰটোক সূচাই কানীন নামাকৰণ কৰা হৈছে। কানীন শব্দৰ অৰ্থ হৈছে, অবৈধ সন্তান। এগৰাকী অবিবাহিত কিশোৰীয়ে জন্ম দিয়া অবৈধ সন্তানৰ কাহিনী প্ৰতিফলিত চলচ্চিত্ৰখনৰ নামকৰণৰ সাৰ্থকতা ইয়াতে প্ৰকাশ পাইছে।

**৩.০০ সামৰণি ঃ**

এই অধ্যয়নত উৎস পাঠ - ৰীতা চৌধুৰীৰ উপন্যাস 'ৰাজীৱ ঈশ্বৰ'ৰ অভিযোজিত ৰূপ হ'ল, লক্ষ্য পাঠ - মঞ্জুল বৰুৱাৰ পৰিচালিত চলচ্চিত্ৰ 'কানীন'। চলচ্চিত্ৰ অধ্যয়ন আৰু অভিযোজনা তত্ত্বৰ বিচাৰ কৰি উৎস পাঠৰ সমতুল্য প্ৰতিফলন লক্ষ্য পাঠত ঘটিছে।

বিশেষকৈ, চলচ্চিত্ৰৰ ভাষাৰ যথোপযুক্ত ব্যৱহাৰে কাহিনীভাগক উপন্যাসখনৰ সদৃশ ৰূপত চলচ্চিত্ৰত উপস্থাপন কৰিছে। এইক্ষেত্ৰত শ্বট, কেমেৰাৰ গতি, পোহৰ আদিৰ ব্যৱহাৰ শলাগনীয়।

আলোচ্য অভিযোজনাত সংগীতৰ প্ৰয়োগ বিশেষভাৱে উল্লেখযোগ্য। বহুক্ষেত্ৰত সংগীতৰ এই ব্যৱহাৰে অপ্ৰয়োজনীয় সংলাপৰ প্ৰয়োগৰ পৰা চলচ্চিত্ৰখনক আঁতৰাই ৰাখিছে।

আন কিছু ক্ষেত্ৰত অৱশ্যে উপন্যাসখনত ব্যৱহাৰ হোৱা সংলাপে চৰিত্ৰৰ ভাৱক অধিক হৃদয়স্পৰ্শী ৰূপত প্ৰকাশ কৰিছে, যি সাৱলীল প্ৰকাশ কিন্তু চলচ্চিত্ৰখনৰ ক্ষেত্ৰত হোৱা নাই।

সাহিত্যিক পাঠৰ যথাযোগ্য সমতুল্য অভিযোজনাই সেই পাঠৰ চৰ্চা আৰু সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াত অভিযোজনাই কোনো কাৰণতে উৎস পাঠৰ মূল ৰূপ নষ্ট নকৰে। বিশ্বাসযোগ্যতা বৰ্তাই ৰাখি কৰা অভিযোজনাই একোটা পাঠৰ পাঠক নতুবা দৰ্শকৰ সংখ্যা বৃদ্ধি কৰে। বহুক্ষেত্ৰত অভিযোজনাই ভাষা-মাধ্যম-শাখা-বিষয় আদিৰ পাৰ্থক্য নোহোৱা কৰে। ❑


**প্ৰসংগ সূত্ৰ ঃ**

Cartmell, Deborah, editor; *A Companion to Literature, Film, and Adaptation;* Blackwell Companions to Literature and Culture, Blackwell Publishing Ltd, 2012

Cartmell, Deborah, editor; *A Companion to Literature, Film, and Adaptation;* Blackwell Companions to Literature and Culture, Blackwell Publishing Ltd, 2012

Dutta, Amar; The Guide: Adaptation from Novel to Film; postscriptum, An Interdisciplinary Journal of Literary Studies, Vol:1,January 2016; pp. 22-34; https://postscriptum.co.in/wp-content/uploads/2016/09/AMAR-DUTTA.pdf

Klein, Michael and Gillian Parker, editor; *The àßnglish Novel and the Movies;* New York: Ungar, 1981, pp.9-10

*Literary Adaptation*. en.wikipedia.org/wiki/Literary_adaptation. Accessed 2 Sept. 2023.

Zaini, Ahmad, THEORIES OF ADAPTATION: NOVEL TO FILM, www.academia.edu/30568663/ THEORIES_OF_ADAPTAT , Dec. 2016, pp.11

**সহায়ক গ্ৰন্থ ঃ**

Neog, Subratjyoti; Chalacchitra Sahitya; Aank-Baak, Guwahati; 2014

Wright, Christine àßtherington- and Ruth Doughty; Understanding Film Theory; Palgrave Macmillan; 2011

Osborne, Richard and Angie Brew; Film Theory for Beginners; Zidane Press, London; 2014

Lacey, Nick; Introduction to Film; Palgrave Macmillan, New York, 2005

Cartmell, Deborah(ed.); A Companion to Literature, Film, and Adaptation; Blackwell Publishing, UK; 201

ISSN 2321-4945
UGC CARàß Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# বড়ো ভাষাত সংগৃহীত শব্দ



স্বৰ্ণ প্ৰভা চৈনাৰী

সংগৃহীত শব্দই এই আলোচনাত বড়ো ভাষাৰ চৌদিশে থকা ভাষাসমূহৰ পৰা আদৰি লৈ বড়ো ভাষাত ব্যৱহাৰ কৰা শব্দক সূচাইছে। সাধাৰনতে সংগ্ৰহণ প্ৰক্ৰিয়া স্বাভাৱিকভাৱে হ'ব পাৰে বা প্ৰয়োজনীয়তাত আদৰি ভাষাৰ সুকীয়া গাঁথনিক বৈশিষ্ট্যৰে গঢ়ি লোৱা, অনুবাদ কৰা বা পোনে পোনে প্ৰয়োগ কৰাও হ'ব পাৰে। বড়ো ভাষাত সংগ্ৰহণৰ পৰিৱেশ গঢ় লোৱাৰ ইতিহাস অনুসন্ধান কৰিবলৈ লোক-সাহিত্যৰ সমলৰ পৰাও উদাহৰণ ল'ব লাগিব। বড়ো লোক-সাহিত্যৰ ভাষা অনুধাৱন কৰিলে কোনো কোনো প্ৰকাশভংগীত ছেগা-চোৰোকাকৈ অসমীয়া ভাষাৰ শব্দ পোৱা যায়। যেনে, খেৰাই পূজাত ওজাই যেতিয়া মন্ত্ৰ উচ্চাৰণ কৰে সেই সময়ত বাথৌ দেৱতাৰ লগতে কেবাগৰাকী দেৱতালৈও পূজা আগবঢ়ায় আৰু লগতে নদ-নদীলৈও পূজা আগবঢ়ায়। ওজাই উচ্চাৰণ কৰা মন্ত্ৰক মৌন্থৌৰ আওৱায়নায় কোৱা হয়। মৌন্থৌৰ আওৱায় শব্দ দুটিও ক্ৰমে অসমীয়া শব্দ মন্ত্ৰ আৰু আওৱোৱাৰ পৰা ধ্বনি পৰিৱৰ্তন হৈ প্ৰয়োগ হ'ব পাৰে। এই শব্দ দুটিৰ বাবে বড়ো ভাষাত ৰায়সং বা ৰায়ফৗৰ বা গাবজ্ৰি শব্দৰ প্ৰয়োগ আছে। খেৰাই পূজাত দাহাল-থুংগ্ৰি চিবনায় নামৰ এটি অধ্যায় আছে। বড়ো ভাষাত থুংগ্ৰি শব্দৰ বাবে প্ৰাচীন শব্দৰ প্ৰয়োগ আছে। সেয়া হ'ল ইম্‌ফি বা এম্‌ফি। সেইদৰে পূজা শব্দৰ বাবে প্ৰাচীন ৰূপ আছে। সেয়া হ'ল চিবিনায়। বড়ো ভাষাত প্ৰয়োগ হোৱা গচাই (গোঁসাই) শব্দৰ বাবে প্ৰাচীন শব্দ মৗদায়ৰ প্ৰয়োগ আছে। এনেদৰে অনুধাৱন কৰিলে বহুতো শব্দ পোৱা যাব। এনে কাৰকৰ অন্তৰালত সামাজিক সংস্পৰ্শ বা সাংস্কৃতিক সহৱস্থান মূল বিষয়। একে ভৌগোলিক পৰিসৰ আৰু পৰিৱেশত কেবাযুগ ধৰি জীৱন যাপন কৰাৰ ফলত দুয়োটা ভাষিকগোষ্ঠী সংস্পৰ্শলৈ আহিছে আৰু ফলশ্ৰুতিত সাংস্কৃতিক শব্দৰ আদান প্ৰদান হৈছে। ভাষাত এনেদৰে সংগ্ৰহণ প্ৰক্ৰিয়া সিদ্ধ হয়।

বিংশ শতাব্দিৰ প্ৰথম দশকত বড়ো ভাষাত লিখিত সাহিত্যৰ জাগৰণ হৈছিল। সেই সময়ত ভালেসংখ্যক লেখা প্ৰকাশ পাইছিল। লেখক সকলে লেখাৰ পৰিৱেশ আৰু উদগণি পাইছিল বিশেষকৈ অসমীয়া আৰু বাংলা সাহিত্য পঢ়ি। এফালে অসমীয়া সাহিত্যৰ প্ৰভাৱ আৰু আনফালে বাংলা সাহিত্যৰ প্ৰভাৱত লিখিত বড়ো সাহিত্যৰ ভেঁটি গঢ় লৈছিল। ঠন ধৰি উঠা সাহিত্য সৃষ্টিৰ বাবে উপযুক্ত আৰু প্ৰায়োগিক শব্দৰ প্ৰয়োজন নিশ্চয় থাকিব। আনহাতে লেখক সকলেও যিহেতু অসমীয়া ভাষাৰ লেখাৰদ্বাৰা প্ৰভাৱিত হৈছে স্বাভাৱিকভাৱে বা সচেতনভাৱে অসমীয়া ভাষাৰ শব্দ প্ৰয়োগ কৰাতো সন্দেহৰ বিষয় হ'ব নোৱাৰে। বড়ো ভাষাৰ প্ৰথম লিখিত পুথি বুলি সাহিত্যৰ

অধ্যাপিকা, বড়ো বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী-১৪
৯৪৩৫১৪৪৩২৩
swarna@gauhati.ac.in

বুৰঞ্জী প্ৰণেতা সকলে উল্লেখ কৰা অনুসৰি ১৯১৫ চনত শ্ৰীযুত গংগাচৰণ কাছাড়ী আৰু শ্ৰীযুত নৰপতিচন্দ্ৰ কাছাড়ী প্ৰণীত বড়োনি ফিছা ও আয়েন (বড়োৰ সন্তান আৰু পৰম্পৰাগত আইন)-ত অসমীয়া ভাষাৰ বহুতো শব্দক গ্ৰহণ কৰি লোৱা দেখা যায়। আইন শব্দৰ বাবে বড়ো ভাষাত খান্থি শব্দৰ প্ৰাচীন প্ৰয়োগ আছে। অথচ আইন শব্দটো বেছি গ্ৰহণযোগ্য হ'ল। সম্প্ৰতিকালত এই শব্দটোৰ গ্ৰহণযোগ্যতা বেছি। আনকি দুই-এজনে প্ৰাচীন শব্দ বুলিও ক'ব বিচাৰে যদিও সেয়া অৰান্তৰ। সেইদৰে জনম বা জৌনৌম শব্দটো অসমীয়া জনম বা জন্ম শব্দৰ পৰা লোৱা। জাতিৰ পৰা জাথি প্ৰয়োগ হৈছে। কিন্তু ইয়াৰ বাবে বিকল্প শব্দ হাৰি আছে। অসমীয়া বিচাৰ শব্দৰ বাবে বড়ো ভাষাত চায়খ' শব্দৰ প্ৰচলন আছে। তথাপিও অধিক প্ৰচলিত শব্দ হ'ল বিচাৰ। সেইদৰে অসমীয়া খণ্ডৰ পৰা খৌন্দৌ গঠন হৈছে। ইয়াৰ পিচত প্ৰকাশিত (১৯২০) প্ৰসন্ন কুমাৰ বড়োখাখ্লৌয়াৰী প্ৰণীত বাথুনাম্ বৈখাগুনি গীদু নামৰ পদ্যধৰ্মী পুস্তিকাখনিত অসমীয়া ভাষাৰ শব্দ প্ৰয়োগ কৰা দেখা যায়। ইয়াত নাম্ শব্দটো প্ৰাৰ্থনা বা অসমীয়া নাম শব্দৰ সদৃশ অৰ্থ প্ৰকাশক শব্দৰূপে প্ৰয়োগ হৈছে। গীদু শব্দটো গীতৰ ধ্বনি পৰিৱৰ্তিত ৰূপ। পুথিৰ এঠাইত মহাদেও শব্দৰ প্ৰয়োগ আছে। সেয়া ডাঙৰ অৰ্থ সূচাইছে। অৰ্থাৎ মহাদেৱক সূচাবলৈ প্ৰয়োগ হৈছে। সেইদৰে লক্ষীদেৱীক আৰাধনা কৰাৰ সময়ত মাইনাও সুন্দুৰি শব্দৰ প্ৰয়োগ আছে। ইয়াত সুন্দুৰি শব্দটো সুন্দৰী শব্দৰ ৰূপান্তৰ। এঠাই স্বৰ্গ সূচাবলৈ খৰ্গেয় শব্দৰ প্ৰয়োগ আছে। সম্প্ৰতিকালত চৌৰগী (সৌৰগী) শব্দৰ প্ৰয়োগ আছে। স্বৰ্গ, মৰ্ত্ত আৰু পাতালৰ ধাৰনা আছে যদিও তেনে শব্দৰ প্ৰয়োগ নাছিল। সময়ৰ গতিত স্বৰ্গ বুজাবলৈ চৌৰগী (সৌৰগী), মৰ্ত্ত বুজাবলৈ মৌৰৌথ বা মৌৰৌদ আৰু পাতাল বুজাবলৈ ফাথাল শব্দৰ বহুল প্ৰয়োগ হ'ল। কিন্তু লোক-গাথাত পোৱা অনুসৰি প্ৰাচীন শব্দৰ প্ৰয়োগো আছে। যেনে- স্বৰ্গৰ বাবে ৰাংচাৰ, মৰ্ত্তৰ বাবে হা আৰু পাতালৰ বাবে হাচিং। উদাহৰণস্বৰূপে খেৰাইৰ মন্ত্ৰ হিচাপে উচ্চাৰিত মৈথা হাচি ৰাংৰাচি বাৰিগংথাম... ইত্যাদি ইত্যাদি। ইয়াত মিথা (মৈথা) শব্দই মনুষ্য আৰু আন আন জীৱৰ বাসস্থান পৃথিৱীক সূচাইছে, হাচি ( হাচিং) শব্দই পাতাল সূচায় আৰু ৰাংৰাচি শব্দই স্বৰ্গ সূচাইছে। এই কেইটা প্ৰাচীন বড়ো শব্দ। মুঠতে বড়ো লোক-গাথা আৰু লিখিত বড়ো সাহিত্যত লাহে লাহে অসমীয়া ভাষাৰ শব্দৰ প্ৰচলন হ'ল। এই শব্দবোৰ ৰূপৰ ফালৰ পৰা অসমীয়া ভাষাৰ পৰা সংগৃহীত বুলিব পাৰি।

পৃথিৱীৰ কোনো ভাষাই প্ৰভাৱ বা ঋণৰ পৰা মুক্ত নহয়। ভাষাৰ গঠন অনুধাৱন কৰিলে সেই কথা বুজা যায়। সাংস্কৃতিক অনুষংগত মানুহে স্বাভাৱিকভাৱে আৰু স্বতঃস্ফূৰ্তভাৱে পৰস্পৰে প্ৰভাৱিত হয়। তেনে ধনাত্মক পৰিৱেশত এটা ভাষিক সম্প্ৰদায়ে নিকটস্থ ভাষাৰ পৰা ব্যৱহাৰিক শব্দ সংগ্ৰহ কৰে। অসমৰ প্ৰেক্ষাপট আৰু সাংস্কৃতিক অনুষংগৰ মাজত জীৱন যাপন কৰি বড়ো ভাষিকসম্প্ৰদায়ে চৌপাশে আবৃত্ত হৈ থকা ভাষাৰ পৰা ব্যৱহাৰিক শব্দ সংগ্ৰহ নকৰাকৈ থকা নাই। আনহাতে বাংলা আৰু হিন্দীৰ লগতে জ্ঞান-বিজ্ঞানৰ লগত সংপৃক্ত কিছুমান শব্দ যিবোৰ ইংৰাজী ভাষাত বেছিকৈ প্ৰচলন হয় তেনে কিছুমান শব্দও বড়ো ভাষাত সংগৃহীত হৈছে। মুঠতে বড়ো ভাষাত প্ৰাচীন তিব্বত-বৰ্মীয় মূলৰ উপাদানৰ লগতে ভাৰতীয় আৰ্যমূলীয় আৰু ইউৰোপীয় ভাষাৰো প্ৰভাৱ পৰা দেখা যায়। পৃথিৱীৰ সংযোগী ভাষাৰূপে গ্ৰহণ কৰা ইংৰাজী ভাষাত ইটালি, ফ্ৰান্স, জাৰ্মানী, কেলটিক আৰু ইউৰোপীয় বহুতো ভাষাৰ প্ৰয়োগ আছে। ভাৰতীয় আৰ্যভাষাৰো কিছুমান শব্দ লাহে লাহে সংগৃহীত হ'বলৈ ধৰিছে। Oxford Advanced Learners' Dictionaryত তেনে উদাহৰণ পোৱা যায়। উল্লিখিত দুই এটা শব্দৰ ভিতৰত আধাৰ, দাব্বা, হৰতাল, গুলাব জামুন, দাদাগিৰি ইত্যাদি।[১] সেইদৰে যাৰ, লাড্ডু, ধাবা, মছলা চাটনী আদি শব্দও ভাৰতীয় আন আন ভাষাৰ পৰা অন্তৰ্ভুক্ত কৰা হৈছে।[২]

সংগৃহীত শব্দই ভাষাৰ অভাৱ পূৰ কৰাৰ লগতে প্ৰকাশিকা শক্তিও বঢ়ায়। মনকৰিবলগীয়া যে মনোধৰ্মী বা বস্তুধৰ্মী ধাৰনা প্ৰকাশ কৰিব পৰা যিকোনো শব্দই নহওক কিয় সংগৃহীত শব্দ এটা জীন যোৱাৰ লগে লগে তাৰ সৈতে এটা ভাষিক গোষ্ঠীৰ সাংস্কৃতিক চেতনাও প্ৰৱাহিত হ'বলৈ ধৰে। তেনেকৈয়ে অৱলীলাক্ৰমে পৰস্পৰে ভাষা আৰু সংস্কৃতিৰ দিশত প্ৰভাৱৰ ছাপ পৰে। আনকি আধুনিক যুগত বিদ্যায়তনিক কাম-কাজৰ বাবেও অনুবাদৰ জৰিয়তে নানা ধৰনৰ শব্দ এটা ভাষাৰ পৰা আন এটা ভাষালৈ সংগৃহীত হ'ব পাৰে। তেনে উদাহৰণ বড়ো ভাষাত পোৱা যায়। ৰাজ্য ভাষা হিচাপে অসমীয়া হ'ল বড়ো ভাষাৰ অতি নিকটত সহৱস্থান কৰা আৰু ৰাজ্যৰ মাজত সামূহিকভাৱে ভাৱ প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা বাগ্‌মাধ্যম। সেই অনুসৰি অসমীয়া হ'ল অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ যোগসূত্ৰ।

তেনে অনুষংগৰ মাজত বড়ো ভাষাই প্ৰয়োজনীয় শব্দ সংগ্ৰহ কৰাতো স্বাভাৱিক। সেইদৰে অসমীয়া ভাষাতো আৰবী, ফাৰ্চী, উৰ্দু, পৰ্তুগীজ আদি ভাষাৰ শব্দও সোমাইছে আৰু অসমীয়া ভাষাৰ আপোন হৈছে। বড়ো ভাষাৰ শব্দভাণ্ডাৰ অনুসন্ধান কৰি দেখা গৈছে জীৱ-জন্তুবাচক শব্দ যেনে- চিয়াল (শিয়াল), চিলা (চিলা), হাংচৌ (হাঁহ), ফাৰৌ (পাৰ), গৰাই (ঘোঁৰা) ইত্যাদি শব্দবোৰ প্ৰাচীন বড়ো ভাষাৰ শব্দৰ ৰূপৰ লগত মিল নাই। অৰ্থাৎ গাঁথনিক দিশত প্ৰভেদ আছে। বড়ো ভাষাত চ'ৰাইবাচক শব্দসমূহ দুটা ৰূপৰ সংযোগত গঠিত। প্ৰথম ৰূপটো মুক্তৰূপ আৰু দ্বিতীয় ৰূপটো বদ্ধমূল আৰু কোনোবা শব্দৰ ক্ষেত্ৰত মুক্তৰূপ হ'ব পাৰে। যেনে- দাউ-ব' (বগলী), দাউ-খা (কাউৰী), দাউ-থু (কপৌ), দাউ-জ্লা (মতা কুকুৰা), দাউ-গাং (চ'ৰাইৰ পাখী) ইত্যাদি। চ'ৰাইবাচক দাউ শব্দৰ পাছত যোগ হোৱা ৰূপটো বিশেষ বিশেষ চ'ৰাইক সূচাবলৈহে ব্যৱহাৰ হয়। ওপৰত উল্লেখ কৰা চিলা, হাংচৌ, ফাৰৌ শব্দ তিনিটাৰ গঠন প্ৰাচীন বড়ো শব্দ গঠনৰ লগত পাৰ্থক্য আছে। এই বৈশিষ্ট্যৰ পৰা শব্দ দুটা অসমীয়া ভাষাৰ পৰা সংগ্ৰহ কৰা বুলি ক'ব পৰা যায়। সেইদৰে জন্তুবাচক চিয়াল আৰু গৰাই শব্দ দুটাও প্ৰাচীন বড়ো শব্দৰ গঠনৰ লগত সম্পৰ্ক নাই। জন্তুবাচক শব্দৰ আগত এটা উপ-সৰ্গ যোগ হৈ থাকে। গৰু, হাতী, হৰিণ, বান্দৰ, উদ আদি বুজাবলৈ মৌ- উপ-সৰ্গটো বিশেষ বিশেষ বদ্ধমূলৰ আগত ব্যৱহাৰ হয়। যেনে- মৌচৌ, মৌইদেৰ, মৌই, মৌখ্ৰা, মৌথাম আদি। পৰুৱাৰ ক্ষেত্ৰতো মৌ- উপ-সৰ্গ ব্যৱহাৰ হয়। যেনে- মৌচ্ৰৌম। এই আটাইবোৰ দিশ চালে শিয়াল, চিলা, হাঁহ, ঘোঁৰা শব্দ কেইটা ধ্বনি পৰিৱৰ্তন হৈ বড়ো ভাষাত থিতাপি ল'ব পাৰে বুলি অনুমান কৰিব পৰা যায়।

বড়ো ভাষাত ফাৰ্চী ভাষাৰ শব্দ সোমাইছে। অৱশ্যে সেয়া নিকটস্থ ভাষা অসমীয়াৰ জৰিয়তে আহিছে বুলিয়ে ধাৰনা হয়। ফাৰ্চী ভাষাৰ শব্দ অসমীয়ালৈ অহাৰ ধাৰনা দি আসিফ চক্ৰৱৰ্ত্তীয়ে এনেদৰে কৈছে, "১২০৬ খৃষ্টাব্দত মোহম্মদ ইবনে বখতিয়াৰ খলজীয়ে প্ৰাকৃতিক সৌন্দৰ্য অন্যতম পীঠস্থান অসমভূমিত ভৰি দিয়াৰ পৰাই ফাৰ্চী ভাষা অসমত প্ৰৱেশ কৰিছিল। কিন্তু অসমীয়া ভাষাত ফাৰ্চী ভাষাৰ ব্যাপক প্ৰয়োগ সপ্তদশ শতাব্দিৰ পৰাহে আৰম্ভ হৈছিল। অৱশ্যে ইয়াৰ আগতেই ভাৰতবৰ্ষৰ অন্যতম বৈষ্ণৱ গুৰু আৰু দাৰ্শনিক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ শিষ্য মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱৰ বিশল সাহিত্য সম্ভাৰৰ মাজত বহুতো আৰবী-ফাৰ্চী ভাষাৰ শব্দ ব্যৱহাৰ হোৱা লক্ষ্য কৰা গৈছিল, যেনে- দোকান, বাজাৰ, হাজাৰ, মুলুক, দেওৱান, দৰাচল আদি (চক্ৰৱৰ্ত্তী ২০১৬)।" অসমীয়া ভাষাত ফাৰ্চী শব্দ সোমোৱাৰ বিষয়ে চক্ৰৱৰ্ত্তীয়ে আৰু এটা মন্তব্য দিছে, "আহোম ৰাজত্বৰ সময়ত দিল্লীৰ মোগল সম্ৰাট সকলৰ লগত বংগৰ নবাবৰ লগত হোৱা যুঁজ বাগৰৰ ফলত ফাৰ্চী ভাষাৰ অনেক শব্দ সোমাই আহিবলৈ সুযোগ পায়। তদুপৰি আহোম ৰজাৰ লগত এইসকল শাসকৰ চিঠিপত্ৰৰ যোগাযোগ হৈছিল আৰু মোগলসকলে বা বংগৰ নবাবৰ সকলে ফাৰ্চী ভাষাত লিখা চিঠি পঢ়িবলৈ আহোম ৰজাই 'ফাৰ্চী পঢ়িয়া' নিয়োগ কৰিছিল (চক্ৰৱৰ্ত্তী ২০১৬)।

প্ৰশ্ন হয়, খলজীয়ে অসমত পদাৰ্পণ কৰা সময়ৰ পৰাই লাহে লাহে ফাৰ্চী শব্দৰ সংগ্ৰহণ হ'ল নেকি? সেই সূত্ৰৰ পম খেদি বড়ো ভাষাৰ ক্ষেত্ৰতো একে অনুমানকে গ্ৰহণ কৰিব পৰা যায় নেকি? সেয়া যিয়েই নহওক বড়ো ভাষাত যে ফাৰ্চী শব্দৰ প্ৰচলন আছে সেয়া গ্ৰহণযোগ্য কথা। কিন্তু ফাৰ্চী শব্দৰ সংগ্ৰহণ পোনে পোনে হ'ল নে আন ভাষাৰ যোগেদি সেই পৰিৱেশ ৰচনা হ'ল সেয়া থাওকতে সিদ্ধান্তলৈ আহিব নোৱাৰি। বড়ো ভাষাৰ লিখিত নিদৰ্শন খুব প্ৰাচীন নহয় বাবে সঠিক সিদ্ধান্ত দিবলৈ বিংশ শতাব্দিৰ প্ৰথম দশকৰ পৰা বৰ বেছি আগলৈ আগুৱাব নোৱাৰি। অৱশ্যে অসমীয়া ভাষাত ফাৰ্চী শব্দৰ প্ৰয়োগৰ প্ৰাচীন দৃষ্টান্ত উলিয়াব পৰা যায়। অসমীয়া আৰু বাঙালী ভাষিকসম্প্ৰদায়ৰ লগত সামাজিক-সাংস্কৃতিক সম্পৰ্কৰে জীৱন যাপন কৰি আহিছে বাবে পৰোক্ষ্যভাৱে বড়ো ভাষাত লাহে লাহে সেই সেই ভাষাৰ জৰিয়তে ফাৰ্চী শব্দৰ প্ৰচলন হোৱাৰ সম্ভাৱনা বেছি। অৱশ্যে দুই-এটা লোক উপাদানত নবাব, বাদশাহ, চালামি আদি শব্দৰো উল্লেখ পোৱা যায়। কিন্তু বিংশ শতাব্দিৰ প্ৰথম দশকৰ বড়ো ভাষাৰ ৰচনাত (গঙ্গাচৰণ কাছাড়ী আৰু নৰপতিচন্দ্ৰ কাছাড়ী প্ৰণীত পুথি বড়োনি ফিছা ও আয়েন, ১৯১৫) ফাৰ্চী শব্দ প্ৰয়োগৰ উদাহৰণ পোৱা যায়। যেনে- আয়েন (আঈন), খৰচা(খৰ্চ), জায়গা(জায়েগা), খাগজু (কাগজ), জখম (জখ্ম) ইত্যাদি ইত্যাদি। ইয়াৰোপৰি লিখিত সাহিত্যত ক্ৰমান্বয়ে ফাৰ্চী শব্দৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। লিখিত সাহিত্যত পোৱা অনুসৰি আবহাৱা, আৱাজ, আৰাম, গৰম, জবান আদি শব্দৰ কথা উল্লেখ কৰিব পৰা যায়। দুই-এটা শব্দ বড়ো ভাষাৰ উচ্চাৰণ অনুসৰিও সজাই লোৱাৰ উদাহৰণ দিব পৰা যায়। যেনে-

খুচি, চাখৰ, ফাইমাল, থিয়াৰি ইত্যাদি। ফাৰ্চীত উচ্চাৰিত চ, ছ, স,শ,য আদি ধ্বনিসমূহ বড়ো ভাষাত দন্ত্যমূলীয় চ হিচাপে উচ্চাৰিত হৈছে আৰু ব্যৱহাৰ হৈছে। সেইদৰে প,ত ধ্বনিৰ পৰিৱৰ্তে ফ আৰু থ ধ্বনিৰ উচ্চাৰণ হৈছে।

এটা ভাষাৰ পৰা আন এটা ভাষালৈ শব্দ সংগ্ৰহণ হ'লে আৰু ব্যৱহাৰ কৰিলে মূল শব্দৰ অৰ্থও কেতিয়াবা পৰিৱৰ্তন বা অৰ্থান্তৰ হ'ব পাৰে। ধাৰ লোৱাৰ ফলত মূল শব্দৰ অৰ্থ সমানে প্ৰৱাহিত নহ'বও পাৰে বা প্ৰকাশ নহ'বও পাৰে । তেনে উদাহৰণ বড়ো ভাষাত পোৱা যায়। ফাৰ্চী ভাষাৰ শব্দ বড়ো ভাষাত ব্যৱহাৰ হওঁতে তেনে পৰিৱেশ সৃষ্টি হোৱাও দেখা যায়। তেনেকুৱা দুটামান শব্দ যেনে- গয়েন্দা, গোমস্তা, আবাদ ইত্যাদি। ফাৰ্চী ভাষাত আৱাদ শব্দই জনসংখ্যাৰ লগত জৰিত অৰ্থ বহন কৰিছে। সেই শব্দৰ লগত -ঈ পৰ-সৰ্গ যোগ হৈ আৱাদী গঠন হৈছে। ইয়াৰ অৰ্থ হ'ল জনসংখ্যাৰ বসতি থকা। কিন্তু বড়ো ভাষাত খেতি অৰ্থতহে প্ৰয়োগ হৈছে। আবাদ শব্দৰ পৰা আবাদাৰি (কৃষক) শব্দৰ গঠন হৈছে। সেইদৰে গমশ্তা শব্দই ফাৰ্চীত জমিদাৰে পাব লগা বস্তু বা খাজনা তোলা বিষয়া। কিন্তু বিপৰীতে বড়ো ভাষাত কাৰোবাৰ দোকানত বস্তু বিক্ৰীৰ বাবে দা-দৰমহা লৈ খাতি দিয়া লোককহে বুজায়। গোইন্দা শব্দই ফাৰ্চীত গুপ্তচোৰক সূচায়। কিন্তু বড়ো ভাষাত দুষ্ট কৰ্মৰে আনৰ টকা-পইচা বা বস্তু আদি কাঢ়ি লোৱা দকাইত প্ৰবৃতিৰ লোককহে বুজায়।

মোগল সাম্ৰাজ্যৰ যুগত অমসীয়া ভাষাত সোমোৱা আৰবী শব্দ পৰোক্ষভাৱে বড়ো ভাষালৈও সংক্ৰমিত হোৱা বুলি ধাৰনা হয়। অসমীয়া আৰু বাংলা ভাষা-সাহিত্যৰ প্ৰভাৱ বড়ো ভাষা-সাহিত্যত নুই কৰিব নোৱাৰি। তেনে পৰিৱেশে বড়ো ভাষাৰ ওপৰত ইতিবাচক প্ৰভাৱ পেলাইছে। অসমীয়া বা বাংলাৰ জৰিয়তে আইন-আদালত, সামাজিক-সাংস্কৃতিক আদি দিশৰ লগত সম্পৰ্ক থকা নানা শব্দ বড়ো ভাষালৈ সংক্ৰমণ হোৱাতো স্বাভাৱিক। বড়ো ভাষাত প্ৰয়োগ হোৱা আদালত, জামনি, এজাহাৰ, জুৰিমানা, খাজৌনা, থালিম, আনাৰস (পশ্চিম অসমৰ বড়ো সকলে ৰাইমালি বুলিও কয়), অজন, খবৰ, বখেয়া, ফচল, মচলিচ আদি শব্দ অসমীয়া বা বাংলাৰ জৰিয়তে প্ৰৱেশ কৰিছে। এইসমূহ উদাহৰণ চালে দেখা যায় বড়ো ভাষাত ব্যৱহৃত আৰবী শব্দসমূহ পোনে পোনে আহিছে বা অসমীয়া বা বাংলা ভাষাত ধ্বনি পৰিৱৰ্তন হৈ ব্যৱহৃত শব্দৰ অনুকৰণত প্ৰয়োগ হৈছে। আদালত, ফচল, খবৰ, মচলিচ আদি শব্দবোৰ আৰবীত যেনে আছে তেনেকৈয়ে সামন্যভাৱে ধ্বনি পৰিৱৰ্তন কৰিহে ব্যৱহাৰ কৰিছে, কিন্তু আৰবীৰ জুৰমানা, ইজাহাৰ শব্দবোৰ জুৰিমানা, এজাহাৰৰূপে ব্যৱহাৰ কৰিছে। সেয়া অসমীয়া ভাষাৰ জৰিয়তে ব্যৱহাৰ হোৱা বুলি ধাৰনা হয়। আৰবী ৰজন শব্দৰ বিপৰীতে বড়ো ভাষাত লিৰথাই শব্দৰ প্ৰয়োগ আছে। তথাপিও অজন বা উজন শব্দও প্ৰয়োগ হয়। আৰবী তাআলীম শব্দৰ অনুকৰনত বড়ো ভাষাত থালিম, বকীয়া শব্দৰ অনুকৰনত বখেয়া বাবাখি প্ৰয়োগ হৈছে। সেইদৰে আৰবীৰ আলাহিদানি শব্দৰ বিপৰীতে আলাদা প্ৰয়োগ হয়। ইয়াত ধ্বনি লোপ হৈছে। বড়ো ভাষাত সেই শব্দৰ সদৃশ অৰ্থ সূচোৱা শব্দ হ'ল গুবুন। তথাপিও বড়ো ভাষাত ইয়াৰ প্ৰয়োগ হ'ল। সেয়া বাংলাত সঘনে ব্যৱহাৰ হোৱা আলাদা শব্দৰ পৰা পাব পাৰে। পশ্চিম অসমৰ বড়ো লেখকসকলে এই শব্দটো লিখিত সাহিত্যত সঘনে প্ৰয়োগ কৰা দেখা যায়। আৰবী ভাষাৰ শব্দ বড়ো ভাষাত প্ৰয়োগ হৈছে যদিও তাৰ ব্যাপক অৰ্থ পৰিৱৰ্তন হোৱা নাই, মাথোন ধ্বনিৰ সাল সলনি হোৱা দেখা যায়। অৱশ্যে দুই-এটা শব্দ মনকৰিবলগীয়া আছে।

যেনে- আবকাৰি বা আবগাৰি শব্দৰ অৰ্থ বড়ো ভাষাত চাউলেৰে ৰন্ধা মদ পানীৰে মিহলাই ভাপৰ পৰা উৎপাদন কৰা একপ্ৰকাৰৰ মদ। কিন্তু আৰবীত একপ্ৰকাৰৰ নিচাজাতীয় দ্ৰব্যৰ বেপাৰীক বুজায়। ওপৰত উল্লেখ কৰা হৈছে যে মোগল শাসনৰ প্ৰভাৱে আৰবী আৰু ফাৰ্চী ভাষাৰ শব্দৰ প্ৰচলনত অসম মুলুকত ক্ষীণকৈ হ'লেও পৰিৱেশ গঢ় দিছিল।

ভাৰতবৰ্ষত পৰ্তুগীজৰ প্ৰভাৱ মনকৰিবলগীয়া। ১৪৯৮ খৃষ্টাব্দত ভাস্কডাগামাই কলিকতাত ভৰি দিয়ে আৰু পিচলৈ গোৱা, কোচি আদি ঠাইত প্ৰভাৱ বিস্তাৰ কৰে। সেই আগমনে ভাৰতবৰ্ষত পৰ্তুগীজ শব্দৰ প্ৰচলনৰ সুচল পৰিৱেশ সৃষ্টিত কৰে। গোৱাৰ কোংকনী ভাষাত সেয়েহে বহুতো পৰ্তুগীজ শব্দ সোমাই পৰিল। আলমা (আত্মা),পাদ্ৰি (পুৰোহিত), বম (ভাল), অব্ৰিগাদ (ধন্যবাদ সূচক শব্দ) আদি শব্দ কোংকনী ভাষাত প্ৰচলন হ'ল। সেইদৰে বাঙালী বা অসমীয়া ভাষাতো লাহে লাহে বিভিন্ন সূত্ৰৰ যোগেদি নানা শব্দৰ প্ৰচলন হ'বলৈ ধৰিলে। বড়ো ভাষাতো অসমীয়া বা বাংলাৰ যোগেদি দুই-এটা পৰ্তুগীজ শব্দৰ প্ৰচলন হ'ল। পৰ্তুগীজ আয়া শব্দই শিশু আলপৈচান ধৰা মহিলাক বুজায়। বড়ো ভাষাত বোখালী শব্দৰ প্ৰচলন আছে যদিও সেয়া কম বয়সীয়া মহিলা বা

ছোৱালীহে। তথাপিও তেনেকুৱা কাৰ্যৰ বাবে দা-দৰমহা দি বয়সীয়াল মহিলাও ৰখা হয়। সেই ক্ষেত্ৰত আয়া শব্দৰো প্ৰচলন আছে। সেইদৰে পৰ্তুগীজ আলফাইনেতে ইংৰাজীত আলপিন হিচাপে প্ৰয়োগ হ'ল। অসমীয়াত আলপিন আৰু বড়োত ধ্বনি পৰিৱৰ্তন হৈ আলফিন হ'ল। পৰ্তুগীজৰ পৰা অহা আৰু অসমীয়া ভাষাত প্ৰচলন হোৱা আলমাৰি বড়ো ভাষাতো সদৃশভাৱে প্ৰচলন হ'ল। সেইদৰে গুদাম (পৰ্তুগীজ-গুদাৰ), চাবি (পৰ্তুগীজ- চাভে), নিলাম (পৰ্তুগীজ- লেইলাম), বয়াম (পৰ্তুগীজ -বইয়াৰ) আদি শব্দও বড়ো ভাষালৈ আহিল।

ওপৰত উল্লেখ কৰা ভাষাবোৰৰ উপৰিও আন্তৰ্জাতিক সম্পৰ্কৰ মাধ্যমৰূপে আদৰি লোৱা ইংৰাজী ভাষাৰ শব্দৰ প্ৰচলনো বড়ো ভাষাত হ'ল। সেয়া প্ৰধানকৈ অসমীয়া বা চুবুৰীয়া আন আন ভাষাৰ যোগেদি প্ৰভাৱিত হোৱা কাৰক। শিক্ষা-দীক্ষাৰ জাগৰণ, জ্ঞান-বিজ্ঞানৰ প্ৰভাৱ, যোগাযোগৰ সুচল ব্যৱস্থা, গণমাধ্যমৰ প্ৰচলন আৰু প্ৰভাৱ, ব্যৱসায়-বাণিজ্য আৰু বজাৰ অৰ্থনীতিৰ প্ৰভাৱ আদি অনেক কাৰকে মানুহৰ মাজত সংস্পৰ্শ আৰু দৈনন্দিন সম্পৰ্কৰ প্ৰতি থকা ভাৱনাক যোগাত্মক কৰিছে। ইয়াৰ ফলস্বৰূপে ভাষা-সংস্কৃতিৰ সংযোগ বৃদ্ধি পাইছে। ভাষা-সংস্কৃতিক মানুহে উদাৰ দৃষ্টিৰে আকোৱালি ল'বলৈ আগবাঢ়িছে। তেনেকুৱা কাৰকৰ বাবে বড়ো ভাষাত চৌপাশে থকা ভাষাৰ শাব্দিক উপাদান সোমাই আহিল। টিবি, মেলেৰিয়া, ইনজেকচন, ডিগ্ৰী, ফ্ৰক, স্কাৰ্ট ইত্যাদি ইত্যাদি। ওপৰত উল্লেখ কৰাৰ দৰে বহুতো ইংৰাজী শব্দ অসমীয়া ভাষাৰ যোগেদি বড়ো ভাষাত প্ৰচলন হোৱাৰ পৰম্পৰা অনুধাৱন কৰিলে তাৰ অন্তৰালত অসমত বৃটিছৰ আগমন আৰু ইংৰাজী শিক্ষাৰ প্ৰভাৱ উভয়ে কাৰক বুলিব পৰা যায়। জনসংযোগ বা প্ৰচাৰ মাধ্যম আৰু বজাৰ অৰ্থনীতিৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। বিদ্যা-শিক্ষাৰ প্ৰসাৰ, চিকিৎসা বিজ্ঞানৰ উন্নতি আদি কাৰকৰ বাবেও লাহে লাহে ইংৰাজী ভাষাৰ শব্দ সোমাবলৈ ধৰিছে। বেমাৰ-আজাৰৰ লগত জৰিত শব্দ ডেংগু বা মেলেৰিয়া বুজাবলৈ বড়ো ভাষাত নিজস্ব শব্দ নাই। সেইদৰে ঔষধৰ নামসূচক শব্দ সমূহো লাহে লাহে ইংৰাজী ভাষাৰ পৰা সংগ্ৰহণ হ'বলৈ ধৰিছে। চিকিৎসা বিজ্ঞান, ইঞ্জিনিয়াৰিং, বাণিজ্য, ৰাজনীতি আদি নানা বিষয়ৰ লগত জৰিত শব্দ পোনে পোনে বা অনুবাদৰ জৰিয়তে বড়ো ভাষালৈ সংক্ৰমণ হৈ আছে। উদাহৰণস্বৰূপে অসমীয়া ৰাজনীতি শব্দৰ অনুৰূপ অৰ্থ বুজাবলৈ বড়ো ভাষাত ৰাজখান্থি শব্দৰ প্ৰচলন আছে। বড়ো ভাষাত খান্থি শব্দই নীতি বুজায়। সেইদৰে গণতন্ত্ৰ শব্দৰ বাবে বড়ো ভাষাত গনখান্থি বা সুবুংদাৰা, অৰ্থনীতিৰ বাবে ৰাংখান্থি, সমাজবিজ্ঞানৰ বাবে সমাজবিগিয়ান, ভুগোলৰ বাবে ভুমখৌৰাং ইত্যাদিৰূপে অনুবাদ কৰা দেখা যায়। অনুবাদ কৰোতে প্ৰধানকৈ মূল শব্দৰ অৰ্থৰ ওপৰত নিৰ্ভৰ কৰা হয় আৰু সেইসমূহ শব্দক ভাষাৰ গাঁথনিক বৈশিষ্ট্যৰে সজাই লোৱা দেখা যায়। সম্প্ৰতি কালত শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞানৰ প্ৰসাৰৰ বাবে আন ভাষাৰ পৰা শব্দ সংগ্ৰহণ কৰা বা উপযোগিকৈ ব্যৱহাৰ কৰিব পৰাকৈ যতনাই লোৱাৰ পৰিৱেশ সৃষ্টি নোহোৱাকৈ থকা নাই। বড়ো ভাষাত প্ৰাচীন মৌলিক উপাদানৰ উপৰিও সাধিত বৈশিষ্ট্যও আছে। সেয়া ভাষাৰ প্ৰাচীন স্বৰূপ নিৰ্ধাৰন কৰে। কিন্তু শাব্দিক অনুবাদে ভাষাৰ বিশেষ বৈশিষ্ট্যৰ স্বৰূপ নিৰ্ধাৰন নকৰিলেও তাক নব্য ৰূপ বুলিলেও বিশেষ ভুল নহ'ব। বড়ো ভাষাৰ ক্ষেত্ৰত তেনেকুৱা পৰিৱেশ আন আন ভাষাৰ শব্দ অনুবাদ কৰি প্ৰচলন কৰাৰ ফলত সৃষ্টি হৈছে। দুটামান শব্দ যেনে- চেবখাংচালি বা চাফায়চালি (ছপাশাল), ফৰায়চালি (পঢ়াশালী) আদি শব্দৰ অনুবাদৰ কথাকে ক'ব পাৰি। ইয়াত ছপা কৰ্ম আৰু ছপা কাৰ্যৰ শাল অৰ্থত বড়ো ভাষাত চাফায় আৰু চালি শব্দৰ ব্যৱহাৰ হৈছে। কিন্তু বড়ো ভাষাত সমাৰ্থকৰূপে ব্যৱহাৰ কৰা চালি শব্দৰ অৰ্থ শাল নহয়। চালি শব্দই সাময়িকভাৱে সজা সৰু ঘৰ বুজায়। তথাপি পাৰ্যমানে অৰ্থ বহন কৰিব পৰাকৈ শব্দটো সজাই লোৱা হৈছে। ফৰায়চালি শব্দৰ ক্ষেত্ৰতো তদ্ৰূপ অনুবাদ কৰা হৈছে। ফৰায় শব্দটো অসমীয়া পঢ্ ক্ৰিয়াৱাচক ধাতুৰ লগত অৰ্থৰ মিল আছে। সেইদৰে চাফায় শব্দটোও ছপা শব্দৰ লগত অৰ্থৰ সাদৃশ্য আছে। চিকিৎসালয় শব্দটো বড়ো ভাষাত দেহাফাহামচালিৰূপে সজাই লোৱা হৈছে। অসমীয়া দেহ শব্দৰ পৰা বড়ো ভাষাত দেহা হৈছে আৰু এই মূল শব্দৰ লগত বড়ো ফাহাম (ভাল কৰ্) আৰু ঘৰ বা ঠাইৱাচক শব্দ চালি যোগ কৰি বড়ো ভাষাত দেহাফাহামচালি শব্দৰ উৎপত্তি হৈছে। তেনেকুৱা শংকৰ শব্দৰ উদাহৰণ বড়ো ভাষাত পোৱা যায়। যেনে- মাচলাংখাৰ (মাছৰোকা)। মাছ অসমীয়া শব্দ আৰু লাংখাৰ (লৈ যা) হ'ল প্ৰাচীন বড়ো শব্দ। দুয়োটা মিলি এটা শব্দৰ গঠন হৈছে। জ্ঞান-বিজ্ঞানৰ প্ৰসাৰৰ ফলত বড়ো ভাষাত অনুবাদ কাৰ্যৰ সমাদৰ আৰু প্ৰয়োজনীয়তাও বাঢ়িছে। ইয়াৰ ফলস্বৰূপে শব্দৰ সমৃদ্ধি যিদৰে হৈছে সেইদৰে শব্দ

সংগ্ৰহণৰ পৰিমাণো বাঢ়িছে। মুঠতে বড়ো ভাষাত তিব্বত-বৰ্মীয় মূলৰ উপাদান থকাৰ উপৰিও ভাৰতীয় আৰ্যভাষাৰ লগতে ইউৰোপীয় ভাষাৰ শব্দৰ প্ৰচলন বিদ্যমান। লগতে প্ৰায়োগিক শব্দৰ অনুবাদ কাৰ্য দিনে দিনে বাঢ়ি অহাৰ ফলত বড়ো ভাষাত ধাৰ শব্দ বা সংগৃহীত শব্দৰ পৰিমাণ লাহে লাহে বৃদ্ধি পাবলৈ ধৰিছে। ❑

**ৱেব উৎস ঃ**

[1]https://ddnews.gov.in/people

[2]https://www.indiatoday.in/visualstories/lifestyle/indian-words-in-oxford-dictionary-1874-10-08-2021

[3]https://en.wikipedia.org/wiki/List_of_loanwords_in_Konkani#Family_relationships

**প্ৰসংগ পুথি ঃ**

আসিফ, মহজৰ আৰু চক্ৰৱৰ্ত্তী, অমলেন্দু. ফাৰ্চী-অসমীয়া-ইংৰাজী অভিধান. গুৱাহাটীঃগুৱাহাটী ইউনিভাৰচিটি প্ৰেছ, ২০১৬

চলিহা, সুমন্ত. আধুনিক অসমীয়া শব্দকোষ. গুৱাহাটীঃ বাণী মন্দিৰ, ১৯৯৬

দ্বাসগুপ্ত, অজয় আৰু দাস, মৃণালকান্তি. বাংলায় অতিথি শব্দেৰ অভিধান. কলকাতাঃ পুনশ্চ, ২০০৪

নাৰ্জী, ভবেন. বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি. গুৱাহাটীঃ বীণা লাইব্ৰেৰী, ১৯৯৬

বৰুৱা, হেমচন্দ্ৰ. হেমকোষ. গুৱাহাটীঃ হেমকোষ প্ৰকাশন, ১৯৯৮

ISSN 2321-4945
UGC CARàß Listed Journal
RNI  NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# অসমীয়া ভাষাৰ আখৰ-জোঁটনি ঃ ছপা, সমৰূপতা আৰু বাদ-বিবাদ



**প্ৰাঞ্চী বৰা**

গৱেষক, অসমীয়া বিভাগ
তেজপুৰ বিশ্ববিদ্যালয়
নপাম, অসম -৭৮৪০২৮
৯১০১৫৮৯০০২
pranchikamarbandha@gmail.com

**সংক্ষিপ্ত সাৰ ঃ**

পৃথিৱীৰ প্ৰত্যেকটো জীৱিত ভাষাৰ কম-বেছি পৰিমাণে আখৰ-জোঁটনিৰ সমস্যা থাকে। যেতিয়াৰ পৰা লিখাৰ পৰম্পৰা আহিছে, তেতিয়াৰ পৰাই আখৰ-জোঁটনিৰ প্ৰসংগও আহি পৰিছে। প্ৰাক-আধুনিক কালৰে পৰা অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ এক সুনিৰ্দিষ্ট ৰূপ নাই। আধুনিক কালতো অসমীয়া ভাষাৰ আখৰ-জোঁটনিয়ে সমৰূপ (standard form) লাভ কৰা দেখা নাযায়। অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে চিন্তা-চৰ্চা আৰম্ভ হৈছে উনবিংশ শতিকাত, ঔপনিৱেশিক শাসন আৰম্ভৰ পাছত। এই বিষয়ে প্ৰথমতে দৃষ্টিগোচৰ কৰে ব্যাপিস্ত মিছনেৰী নাথান ব্ৰাউনে। তেওঁ উচ্চাৰণভিত্তিক সৰল আখৰ-জোঁটনিৰ পোষকতা কৰে। হেমচন্দ্ৰ বৰুৱাকে প্ৰমুখ্য কৰি অসমীয়া পণ্ডিতে তেওঁৰ আখৰ-জোঁটনিৰ ৰীতিক নস্যাৎ কৰি সংস্কৃতীয়া ৰীতিৰ প্ৰস্তাৱ আগবঢ়াই।পৰৱৰ্তী সময়ত কেইবাজনো পণ্ডিতে আখৰ-জোঁটনি সম্পৰ্কে নিজা নিজা মত প্ৰকাশ কৰা দেখা যায়। এই সম্পৰ্কে ডিম্বেশ্বৰ নেওগ, মহেশ্বৰ নেওগ, গোলোক চন্দ্ৰ গোস্বামীকে ধৰি কেইবাজনো পণ্ডিতে গাইগুটীয়া গ্ৰন্থ প্ৰকাশ কৰিছে। কিন্তু অসমীয়া আখৰ-জোঁটনিৰ সৰ্বজনে গ্ৰহণ কৰা এক নীতি এতিয়াও আগবঢ়াব পৰা নাই। বৰ্তমানে হেমচন্দ্ৰ বৰুৱাৰ ৰীতিকেই অলপ সালসলনি কৰি প্ৰচলন কৰা হৈ আছে যদিও বাদ- বিবাদৰ ওৰ পৰা নাই। সেয়ে আমাৰ এই গৱেষণা পত্ৰত অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতসমূহ বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**বীজশব্দ ঃ**

আখৰ-জোঁটনি,সমৰূপ, সমস্যা।

**প্ৰস্তাৱনা ঃ**

আখৰৰ শৃংখলাবদ্ধ গাঁথনিয়ে হ'ল আখৰ-জোঁটনি অৰ্থাৎ একোটা শব্দ বা বাক্য লিখিত ৰূপ দিবলৈ যাওঁতে ধ্বনি প্ৰতীক স্বৰূপ আখৰসমূহ প্ৰণালীবদ্ধভাৱে সজোৱাই আখৰ-জোঁটনি। অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যাটো এটা জন্মগত ব্যাধি; অসমীয়া ভাষাৰ জন্মৰ লগতে এই সমস্যাও লাগি আহিছে।[১] উচ্চাৰণ আৰু বৰ্ণৰ মাজত পাৰ্থক্য থকাৰ বাবে অসমীয়া ভাষাৰ আখৰ-জোঁটনিত প্ৰাচীন কালৰ পৰাই বেমেজালি পৰিলক্ষিত হয়। প্ৰাক আধুনিক পুথিসমূহৰ ক্ষেত্ৰত আখৰ-জোঁটনিৰ কোনো ধৰণৰ সমৰূপ দেখা পোৱা নাযায় যদিও অসমীয়া ভাষাত আখৰ-জোঁটনি সম্পৰ্কে প্ৰাচীন কালত কোনোধৰণৰ আলোচনা হোৱা দেখা নাযায়। প্ৰাক্-আধুনিক সময়ত যিসমূহ পুথি ৰচনা কৰা হৈছিল সেই পুথিসমূহ কোনো এক নিৰ্দিষ্ট পৰিসৰতেই আৱদ্ধ হৈ থাকে। এই পুথিসমূহ হাতেলিখা আৰু এইসমূহৰ এটাই প্ৰতিলিপি এবাৰত প্ৰস্তুত

কৰা হয়। নকলকাৰে মূলপুথিৰ পৰা নকল কৰোঁতেও আখৰ-জোঁটনিলৈ ধ্যান নাৰাখে। লগতে প্ৰাক-আধুনিক লেখকসকলৰ মাজত যোগাযোগৰ অথবা পুথিৰ আদান-প্ৰদানৰ সুবিধা কম হোৱাৰ বাবে এজন লেখকে আন ওজন লেখকৰ পুথি দেখাটো বৰ সহজ নহয়। সেয়েহে আখৰ-জোঁটনিৰো কোনো সমৰূপ বা 'Standard' ৰূপ এটাই বিকাশ লাভ কৰিব পৰা নাছিল। উল্লেখ কৰিব লাগিব যে, আখৰ জোঁটনি সম্পৰ্কে প্ৰাক-আধুনিক লেখকসকল ইমান অসতৰ্ক যে এখন পুথিৰ একেটা পৃষ্ঠাত দুবাৰ বা ততোধিক থকা এটা শব্দৰ পৃথক পৃথক আখৰ-জোঁটনিও দেখা পোৱা যায়।

ঔপনিবেশিক শাসনৰ আৰম্ভণিৰ লগে লগে সৃষ্টি হোৱা আধুনিক বাতাবৰণে বিভিন্ন ক্ষেত্ৰৰ লগতে ভাষা অধ্যয়নতো পৰিৱৰ্তন আনে। ইয়াৰ ফলস্বৰূপেই ঊনবিংশ শতিকাৰ মধ্যভাগৰ পৰা আখৰ-জোঁটনি সম্পৰ্কেও আলোচনা হ'বলৈ আৰম্ভ কৰে। প্ৰিন্টিং প্ৰেছৰ আগমনৰ লগে লগে এটা সুস্থিৰ আখৰ-জোঁটনিৰ প্ৰসংগ আহি পৰিল। ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰথম অসমীয়া আলোচনী *অৰুনোদই* প্ৰকাশে আখৰ-জোঁটনি সন্দৰ্ভত নতুন চিন্তা চৰ্চাৰ অৱতাৰণা কৰিলে। *অৰুনোদই* লগত জড়িত নাথান ব্ৰাউনেই প্ৰথম অসমীয়া আখৰ-জোঁটনি সন্দৰ্ভত মতামত আগবঢ়ালে। ইয়াৰ পাছত অসমীয়া পণ্ডিতসকলেও কাকত-আলোচনীৰ পাতত আখৰ-জোঁটনি সম্পৰ্কে আলোচনা কৰিবলৈ লয়। হেমচন্দ্ৰ বৰুৱাৰ পৰা শেহতীয়াকৈ দেৱব্ৰত শৰ্মালৈকে বহুকেইজন আলোচকে অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে মত আগবঢ়োৱা পৰিলক্ষিত হৈছে। *অৰুনোদই,জোনাকী, উষাৰ* আদি কাকত-আলোচনীৰ পাততো এই বিষয়ে আলোচনা কৰা হৈছিল। পৰৱৰ্তী সময়তআখৰ-জোঁটনিৰ কেইবাখনো গাই-গুটীয়া গ্ৰন্থ ৰচনা হৈছিল।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

অসমীয়া ভাষাৰ আখৰ জোঁটনি ঃ ছপা,সমৰূপতা আৰু বাদ-বিবাদ শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুতৰ উদ্দেশ্যসমূহ হৈছে —

- অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমৰূপ (standard form)ৰ সম্পৰ্কে বিশ্লেষণ কৰি কাকত-আলোচনী বা গ্ৰন্থত প্ৰকাশ পোৱা আখৰ-জোঁটনি সম্পৰ্কীয় আলোচনাসমূহ অধ্যয়ন কৰা।
- নাথান ব্ৰাউনৰ সৰল আখৰ-জোঁটনিৰ পটভূমি আৰু ইয়াৰ সীমাবদ্ধতাসমূহ বিশ্লেষণ কৰা।
- হেমচন্দ্ৰ বৰুৱাই আগবঢ়োৱা সংস্কৃতীয়া ৰীতিৰ আখৰ-জোঁটনিৰ নীতিৰ বিভিন্ন দিশ আৰু পৰৱৰ্তীসময়ত এই নীতিৰ ভিত্তিতেই বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতসমূহ বিশ্লেষণ কৰা।

**তথ্য আহৰণৰ উৎস ঃ**

অসমীয়া ভাষাৰ আখৰ জোঁটনি ঃ ছপা, সমৰূপতা আৰু বাদ-বিবাদ শীৰ্ষক গৱেষণা পত্ৰ প্ৰস্তুত কৰোঁতে তথ্যসমূহ বিভিন্ন কিতাপ, কাকত-আলোচনীৰ পৰা লোৱা হৈছে। নাথান ব্ৰাউনৰ *Grammatical Notices of Asamese Language* (১৮৪৮) , হেমচন্দ্ৰ বৰুৱা *পঢ়াশলীয়া অভিধান*(১৮৯২), *অসমীয়া ভাষাৰ ব্যাকৰণ* (১৮৫৯) ডিম্বেশ্বৰ নেওগৰ *শুধ অসমীয়া*(১৯৭৫), মহেশ্বৰ নেওগৰ *নিকা অসমীয়া ভাষা*(১৯৯০), শিৱনাথ বৰ্মনৰ *অসমীয়া আখৰ-জোঁটনিৰ কথা* (১৯৯৩), গোলোকচন্দ্ৰ গোস্বামীৰ *অসমীয়া আখৰ-জোঁটনি সমীক্ষা*(২০১০), দেৱব্ৰত শৰ্মা *অসমীয়া জাতীয় অভিধান* (২০১৩) আদিক মূল উৎস হিচাপে ব্যৱহাৰ কৰা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন কাকত আলোচনীত প্ৰকাশিত প্ৰবন্ধ, অসমীয়া ভাষাৰ ব্যাকৰণ আদিক লোৱা হৈছে।

**অধ্যয়নৰ পদ্ধতি ঃ**

**অসমীয়া ভাষাৰ আখৰ জোঁটনি ঃ** ছপা,সমৰূপতা আৰু বাদ-বিবাদ শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ**

ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে বিভিন্ন ধৰণৰ আলোচনা হৈ আহিছে। বিভিন্ন ব্যকৰণ, অভিধান,কাকত-আলোচনীৰ জড়িয়তে নাথান ব্ৰাউনৰ পৰা দেৱব্ৰত শৰ্মালৈকে অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে আগবঢ়োৱা সকলো মতকে আমাৰ পত্ৰই সামৰি ল'ব। এই মতসমূহৰ বিশ্লেষণৰ লগতে এইসমূহৰ সীমাবদ্ধতাসমূহকো এই পত্ৰত আলোচনা কৰা হ'ব।

**উচ্চাৰণভিত্তিক আখৰ-জোঁটনি ঃ নাথান ব্ৰাউনৰ মতে-** ঔপনিবেশিক শাসনৰ আৰম্ভণীতে খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে ১৯৩৬-৩৭ চনত অসমলৈ অহা আমেৰিকান মিছনেৰীৰ দলটোৰ অন্যতম ৰেভাৰেণ্ড নাথান ব্ৰাউন (১৮০৭-১৮৮৬)এ অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে প্ৰথমতেই মতামত দাঙি ধৰে। ১৮৪৮ত প্ৰকাশ হোৱা নাথান ব্ৰাউনৰ *Grammatical Notices of Asamese Language*ত অসমীয়া ভাষা সম্পৰ্কে প্ৰথমবাৰৰ বাবে বিশদভাৱে আলোচনা কৰে।

তেওঁ *Grammatical Notices of Asamese Language*-ৰ 'Introduction' বা ভূমিকাতেই অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে মতামত আগবঢ়াইছে। অৱশ্যে মনত ৰাখিব লাগিব যে নাথান ব্ৰাউনে অসমৰ শদিয়াত প্ৰথমে থিতাপি লৈছিল। তেওঁৰ প্ৰথম পৰিচয় ঘটে উজনি অসমৰ কথিত ভাষাটোৰ সৈতে।

নাথান ব্ৰাউনে স্পষ্টভাৱে উল্লেখ কৰিছে যে অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ নীতি নাই — "Although, as a spoken language , the Assamese has been fixed in its present form for centuries, it appears never to have been written on any settled and uniform principles of arthoghaphy."[২] অৰ্থাৎ নাথান ব্ৰাউনে যিসমূহ পুৰণি পুথি অধ্যয়ন কৰিছিল তাত আখৰ-জোঁটনিৰ কোনো এটা সুস্থিৰ নীতি নাই। তেওঁ উল্লেখ কৰিছে যে অসমীয়া ভাষাৰ বৰ্ণ সংস্কৃতিৰ প্ৰায় সমানেই অৰ্থাৎ ৫০টাৰ ওচৰ-পাজৰ; কিন্তু অসমীয়া ভাষাত ইয়াৰ ৩৬ টাৰহে নিৰ্দিষ্ট উচ্চাৰণ আছে। ব্ৰাউনে যিসমূহ পুৰণি পুথি পঢ়িছিল বিশেষকৈ বুৰঞ্জী পুথিসমূহ তাত লক্ষ্য কৰিছিল যে এটা শব্দৰ দুটা বা ততোধিক আখৰ-জোঁটনি আছে। সেয়ে তেওঁ সকলো চালি-জাৰি চাই আখৰ-জোঁটনিৰ এক নীতি *অৰুনোদই*ৰ পাতত সূচনা কৰে। নাথান ব্ৰাউনে আখৰ-জোঁটনি সমমান এটা নিৰ্মাণ কৰোঁতে তিনিটা দিশত মন দিছিল—

১।সংস্কৃত বা অন্যান্য ভাষাৰ পৰা অহা শব্দৰ উচ্চাৰণ যদি সেই ভাষাৰ উচ্চাৰণৰ সৈতে একে, তেন্তে সেই ভাষাৰ আখৰ-জোঁটনি গ্ৰহণ কৰা হ'ব ।

২। অসমীয়া সাহিত্যৰ স্থানীয় লেখকৰ উল্লেখযোগ্য কৰ্মৰাজিৰ পৰা আখৰ-জোঁটনি অনুকৰণ কৰা।

৩। বহুলভাৱে ব্যৱহাৰ হোৱা শব্দৰ আখৰ-জোঁটনিৰ ৰূপটোক তেনেদৰেই উচ্চাৰণ অনুসৰি গ্ৰহণ।

প্ৰথম অসমীয়া অভিধান প্ৰণেতা যদুৰাম ডেকাবৰুৱাই ১৮৩৯ চনত আখৰ-জোঁটনি ক্ষেত্ৰত যি নীতি অৱলম্বল কৰিছিল, সেইয়াও আছিল সৰল আখৰ-জোঁটনি । নাথান ব্ৰাউনে বহু ক্ষেত্ৰত যদুৰাম ডেকাবৰুৱাৰ আখৰ-জোঁটনিকে গ্ৰহণ কৰিছে বুলি নিজেই উল্লেখ কৰিছে। ব্ৰাউনৰ আখৰ-জোঁটনিত এনেধৰণৰ দিশ সমূহত গুৰুত্ব দিছে—

১। 'ই' আৰু 'ঈ'-ৰ ঠাইত 'ই' ব্যৱহাৰ।

২। 'উ' আৰু 'ঊ'-ৰ কেৱল 'উ' ব্যৱহাৰ।

৩। ঋ , ৯ আৰু ব্যৱহাৰ নাই।

৪। 'চ' আৰু 'ছ' কেৱল 'চ', একেদৰে 'জ' আৰু 'ঝ'-ৰ 'জ' ব্যৱহাৰ।

৫। 'শ', 'ষ' আৰু 'স'-ৰ কেৱল 'স' ব্যৱহাৰ।

৬। 'ণ'-ৰ ঠাইত 'ন'-ৰ ব্যৱহাৰ।

৭। 'ক্ষ'-ৰ ঠাইত 'খ'-ৰ ব্যৱহাৰ।

*অৰুনোদই*ৰ *Style and Mode of spelling* শীৰ্ষক প্ৰবন্ধত ব্ৰাউনে লিখিছে—

"ভাষা লিখোঁতে, আখৰৰ যিমান জাতি তিমানহে লিখিব লাগে, একে জাতিৰে দুই তিনি প্ৰভেদৰ সকাম নাই। জয়, জৰ এই দুইৰো একেটা উচ্চাৰণ, এই জাতিৰে অন্তস্থ য়-ৰ বাহিৰে আন 'য' লিখিছোঁ। শ, ষ, স তিনিটাৰে একে মাত শ্ৰী স্ৰী-ৰ একো ভেদ নে দেখোঁ, আমি কেৱল সহে লিখোঁ। ম, ণ আৰু হ্ৰস্ব দীৰ্ঘতো এইদৰে বুজিবা। ভাষাত ৰণ নোবোলে, ৰনহে বোলে, পানী হ'লে পাণি বোলে, পাপীৰ ঠাইত পাপি, কূলৰ ঠাইত কুল, সূৰ্য্যৰ ঠাইত সুৰ্জ বা সুৰুজ।"[৩]

দৰাচলতে নাথান ব্ৰাউনে যি শুনিছিল সেই ৰূপতে আখৰ-জোঁটনি লিখাৰ পোষকতা কৰে। আনহাতে ধৰ্মীয় বা অন্যান্য কাৰণত তেওঁ পুৰণি পুথিসমূহৰ পৰা কেৱল বুৰঞ্জী পুথিসমূহৰ অধ্যয়নৰ সুবিধাহে লাভ কৰে। সেয়েহে নাথান ব্ৰাউনৰ সৰল বানান পদ্ধতিত বুৰঞ্জী পুথিৰ প্ৰভাৱ পোনপটীয়াকৈ পৰে, লগতে ৰজাৰ পৃষ্ঠপোষকতাত লিখা বুৰঞ্জীসমূহত সংস্কৃত ভাষাৰ প্ৰভাৱ কম।

সংযুক্ত বৰ্ণৰ ক্ষেত্ৰতও তেওঁ যিমান পাৰি সৰল কৰাৰ পোষকতা কৰে। উল্লেখযোগ্য যে নাথন ব্ৰাউনে দ্বিত ব্যঞ্জনৰ বিৰোধিতা কৰিছে। তেওঁ *অৰুনোদয়* ৰ পাতত কৈছে - " ৰেফৰ পাচত এটা আখৰ দুটাকৈ নুফুটে"[৪]।

মুঠৰ ওপৰত ব্ৰাউনৰ আখৰ-জোঁটনি আছিল সৰল। মন কৰিবলগীয়া যে নাথান ব্ৰাউনে আখৰ-জোঁটনিৰ নীতি আগবঢ়োৱাৰ আগতেই তেওঁ *অৰুনোদয়*ৰ যোগেদি এই নীতি ব্যৱহাৰ কৰে। তেওঁৰ উচ্চাৰণভিত্তিক আখৰ-জোঁটনি আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি সেইসময়ৰ অসমীয়া লেখকসকলেও প্ৰয়োগ কৰে।

**হেমচন্দ্ৰ বৰুৱাৰ মত ঃ**

অসমীয়া আখৰ-জোঁটনিৰ সুস্থিৰ নীতি এটাৰ বাবে চেষ্টা চলোৱা হেমচন্দ্ৰ বৰুৱা (১৮৩৫-১৮৯৬) আছিল প্ৰথম অসমীয়া ব্যক্তি। ইয়াৰ আগতে অসমীয়া আখৰ-জোঁটনিৰ বাবে যিসকলে প্ৰচেষ্টা লৈছিল তেওঁলোক আছিল আমেৰিকান

মিছনেৰী। হেমচন্দ্ৰ বৰুৱাই প্ৰথম অৱস্থাত আমেৰিকান মিশ্যনেৰীৰ সৰল আখৰ-জোঁটনিৰ নীতিকে ব্যৱহাৰ কৰিছিল; কিন্তু পাছলৈ তেওঁ সংস্কৃতৰ আখৰ-জোঁটনিৰ নীতিৰে অসমীয়া ভাষাক এক সুস্থিৰ ৰূপ দিবলৈ যত্ন কৰিছিল। তেওঁৰ *পঢ়াশলীয়া অভিধান (১৮৯২)*ৰ পাতনিত কৈছেঃ

"আমাৰ ভাষাৰ বৰ্ণবিন্যাস তিনিপ্ৰকাৰে কৰা যায়— প্ৰথমে উচ্চাৰণ অনুসৰি, দ্বিতীয়ত শব্দৰ মূলৰ দৰে, তৃতীয়ত জনা লোকসকলে বহুদিন চলোৱা নিয়মমতে। কিন্তু বৰ্ণবিন্যাসৰ কথাত উচ্চাৰণেই ঘাই বাট দেখাওঁতা। এতেকে যদি মূল শব্দৰ আখৰ ৰাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ লৰে, তেনেহ'লে তাৰ মূললৈ নেচাই উচ্চাৰণৰ অনুগামী হ'ব লাগে। এই কাৰণ সংস্কৃত 'মসূৰ' শব্দক আমাৰ উচ্চাৰণ অনুসাৰে 'মচুৰ' লিখা কৰ্তব্য, আৰু এই অভিধানত লিখাও গৈছে।"[৫]

হেমচন্দ্ৰ বৰুৱা *অসমীয়া ভাষাৰ ব্যাকৰণ(১৮৫৯)*ত অসমীয়া ভাষাত সংস্কৃতৰ দৰে পঞ্চাশটা আখৰ আছে বুলি উল্লেখ কৰিছে। ইয়াৰ চৈধ্যটা স্বৰবৰ্ণ আৰু ছয়ত্ৰিশটা ব্যঞ্জনবৰ্ণ বুলি উল্লেখ কৰিছে। তেওঁ ব্ৰাউনৰ সৰল পদ্ধতিৰ বিপৰীতে অসমীয়া ভাষাত সংস্কৃতৰ দৰে দীৰ্ঘ স্বৰ,মূৰ্দ্ধণ্য বৰ্গ, 'ছ','শ','ষ','ঢ়' আদি আখৰৰ সংযোগ কৰিলে।

হেমচন্দ্ৰ বৰুৱাই অসমীয়ালৈ অহা বেলেগ ভাষাৰ শব্দৰ আখৰ-জোঁটনি ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মন্তব্য দিছে। তেওঁ কৈছে যে বাংলা আৰু হিন্দী ভাষাৰ দৰে সংস্কৃত বৰ্ণমালাৰ আখৰেৰে লিখা যায় ভাষাৰ কোনো শব্দ অসমীয়া ভাষাত লিখোঁতে তাত যদি 'শ', 'ষ', 'স' থাকে, তেন্তে আমাৰ ভাষাৰ দৰে তাৰ উচ্চাৰণ শুদ্ধকৈ লিখিবৰ নিমিত্তে সেই আখৰটোৰ 'চ' বা 'ছ' নিদি, সি যি ভাষাৰ শব্দ, সেই ভাষাতে লিখাৰ দৰেই তাক লিখা আৰু মতা উচিত। আনহাতে ফাৰ্চী আদি বিদেশী ভাষাৰ শব্দক আমাৰ উচ্চাৰণৰ দৰে লিখা উচিত; যেনে চাহাব, ব্ৰিটিচ্, ৰুচিয়া ইত্যাদি।[৬]

হেমচন্দ্ৰ বৰুৱাই আখৰ-জোঁটনিৰ ক্ষেত্ৰত মূলৰ অনুগামী। তেওঁ যিমান পাৰে সিমান মূল শব্দৰ ওচৰ চপাতো বিচাৰিছিল। যিহেতু অসমীয়া ভাষাৰ মূল সংস্কৃত। সেয়ে তেওঁ সংস্কৃত আখৰ-জোঁটনিকে অনুসৰণ কৰাৰ পৃষ্ঠপোষকতা কৰিছিল। সংস্কৃতৰ যি বৈয়াকৰণিক নীতি আছিল ণত্ববিধি, ষত্ববিধি, সত্ববিধি, সন্ধি আদি অসমীয়া ভাষাতো মানি চলিছিল। *অসমীয়া ভাষাৰ ব্যাকৰণ*ৰ পাতনিত তেওঁ লিখিছে—"অসমীয়া ভাষা সংস্কৃতমূলীয় হেতু, এই ব্যাকৰণ সংস্কৃত ভাষাৰ ব্যাকৰণৰ পৰাও অনেক কথা প্ৰবিষ্ট কৰা হৈছে।"[৭]

হেমচন্দ্ৰ বৰুৱাই অসমীয়া বৰ্ণমালাত 'ৱ' আখৰটি সংযোগ কৰে। তেওঁৰ নিজা প্ৰচেষ্টাত ছপাশালত 'ৱ' আখৰটো গঢ়ি ব্যৱহাৰ কৰা হয়। ইংৰাজ চৰকাৰ অথবা মিছনেৰীসকলে 'ৱ' ৰ উচ্চাৰণ অসমীয়াত নাই বুলি 'ৱ' ৰ বিৰোধিতা কৰাত চৰকাৰৰ লগত বৰুৱাৰ মনোমালিন্যও ঘটে। হেমচন্দ্ৰ বৰুৱাৰ প্ৰচেষ্টাত বৰ্ণমালাত স্থান পোৱা 'ৱ' পৰৱৰ্তী সময়ৰ সকলো আখৰ-জোঁটনি সমালোচকে মানি লোৱা পৰিলক্ষিত হয়। ইতিমধ্যে ভাষাবৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও ইয়াৰ বৈশিষ্ট্য অসমীয়া ভাষাত স্পষ্ট বুলি পৰৱৰ্তী সময়ত প্ৰমাণ হৈছে। হেমচন্দ্ৰ বৰুৱাই তেওঁৰ ৰচনাত 'ৱ' ব্যৱহাৰ কৰা শব্দসমূহ বৰ্তমানো তেনেদৰেই লিখা হয়।

হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনিৰ মূল ভাৱাৰ্থ হ'ল অসমীয়া ভাষাৰ আখৰ-জোঁটনি কেৱল উচ্চাৰণৰ ওপৰতে নিৰ্ভৰ নকৰে। ইয়াত মূলক লক্ষ্য কৰা প্ৰয়োজনীয়। বিশেষকৈ সংস্কৃত মূলীয় শব্দক যিমান পাৰি সংস্কৃতৰ কাষতে ৰাখিব লাগে। হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনিৰ বৈশিষ্ট তেওঁৰ ৰচনাসমূহত ফুটি উঠিছে। তেওঁ যেনেদৰে আখৰ-জোঁটনি নীতিসমূহ বান্ধিছিল,তেনেদৰেই নীতিসমূহ নিজেও প্ৰয়োগ কৰিছিল।

হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনিৰ সংস্কৃতীয়া নীতিক পৰৱৰ্তী সময়ৰ লেখকসকলে অনুসৰণ কৰিলে। *অৰুনোদই* কাকতৰো শেষৰ ফালে হেমচন্দ্ৰ বৰুৱাৰ ৰীতি বহু পৰিমাণে অনুসৰণ কৰা দেখা যায়। সি যি কি নহওঁক ভাষাবিজ্ঞানে যি নকলেও অসমীয়া আখৰ-জোঁটনিৰ ইতিহাসত হেমচন্দ্ৰ বৰুৱাৰ অৱদানক নুই কৰিব নোৱাৰি। পৰৱৰ্তী সময়ছোৱাত আখৰ-জোঁটনি সম্পৰ্কে বেছিভাগ আলোচকেই তেওঁ আগবঢ়োৱা নীতিকেই ভিত্তি হিচাপে লোৱা দেখা যায়।

**কাকত-আলোচনীৰ পাতত আখৰ-জোঁটনি সম্পৰ্কীয় বাদানুবাদঃ**

নাথান ব্ৰাউনে যি সৰল বানান পদ্ধতিৰ পোষকতা কৰিছিল সেইয়া প্ৰকাশ ঘটিছিল ১৯৪৬ চনৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশ হোৱা অসমীয়া আলোচনী *অৰুনোদই*ৰ পাতত। ব্ৰাউনে ১৯৪৮ চনত *Grammatical Notices on the Asamese language* ৰচনা কৰাৰ আগতেই *অৰুনোদই*য়ে সেই নীতি গ্ৰহণ কৰিছিল। *অৰুনোদই*ৰ আখৰ-জোঁটনিত

১৮২০ চনত প্ৰকাশিত প্ৰথম অসমীয়া ছপা পুথি আত্মাৰাম শৰ্মাৰ বাইবেলৰ 'নিউ টেষ্টামেন'ৰ অসমীয়া অনুবাদ "ধৰ্মপুস্তক"ৰ আখৰ-জোঁটনি সৈতেও মিল থকা বুলি ক'ব পাৰি। যি কি নহওক, *অৰুনোদই*ৰ আখৰ-জোঁটনিকে পৰৱৰ্তী সময়লৈ ব্ৰাউনে শৃংখলাবদ্ধভাৱে উপস্থাপন কৰিছিল। ১৯৫৪ চনৰ এপ্ৰিল মাহৰ *অৰুনোদই*ত 'Style and mode of spelling'ত অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে ব্ৰাউনে আলোচনা কৰিছিল। এই সন্দৰ্ভত ইতিমধ্যে আলোচনা কৰা হৈছে। ইয়াত ব্ৰাউনে কৈছে —

"সংস্কৃত আৰু ভাসা মিহলি কৰিলে আমি ভাল নে দেখোঁ, সংস্কৃত হ'লে সুধ সংস্কৃতেই হ'ব লাগে, ভাসা হ'লে সুদা ভাসা হ'ব লাগে। সংস্কৃতত প্ৰায় সঞোগি আখৰ, ভাসাত গোট গোট আখৰ। আগৰ কালৰ মানুহৰ মুখত সংস্কৃতত সকলে মাত লিখা দৰে ফুটিছিল, এতিয়া প্ৰাই পণ্ডিতৰ মুখতো নু ফুটে।" [৮]

অৰুণোদই পাছত আখৰ-জোঁটনি সম্পৰ্কে ঊনবিংশ শতিকাৰ শেষৰ ফালে প্ৰকাশিত *জোনাকী* (১৮৮৯-১৯০৩)তো আলোচনা হৈছিল। *অসম ভাষা উন্নতি সাধিনী সভা*ৰ মুখপত্ৰ *জোনাকী*ত লম্বোদৰ বৰা (১৮৬০-১৮৯২)ই 'অসমীয়া ভাষাৰ আখৰ জোঁটনি' শীৰ্ষক এলানি প্ৰবন্ধ লিখিছিল। তেওঁ তাত উল্লেখ কৰিছে যে "ভাষা লিখাৰ ঘাই অভিপ্ৰায় উচ্চাৰণ ৰখা আৰু আনলৈ পঠোৱা ,শব্দৰ মূল ৰখা নহয়।" [৯]

তেওঁ সংস্কৃতৰ তালব্য 'শ',মূৰ্দ্ধণ্য 'ষ',দন্ত্য 'স','চ','ছ' আৰু 'য' ৰ উচ্চাৰণ অসমীয়াত যেনেদৰে হয়,তেনেদৰে লিখাৰ পোষকতা কৰিছিল। তেওঁ কৈছিল যে আন ভাষাৰ শব্দৰ সঠিক উচ্চাৰণ নহ'লেও কোনো হানি নাই। সংস্কৃতৰ আন ভাষাৰ তালব্য 'শ',মূৰ্দ্ধণ্য 'ষ' আৰু দন্ত্য 'স ৰ উচ্চাৰণ অসমীয়াত কণ্ঠৰ পৰা হ'লে 'শ' 'ষ' বা 'স'য়েই হ'ব; কিন্তু যদি উচ্চাৰণ দাঁতৰ পৰা হয় তেতিয়া 'চ' বা 'ছ' হ'ব। যেনে—

সং- শাল (Shal) — অং- ছাল(কাপোৰৰ এবিধ) দোভাষা (হিন্দী) - দুভছীয়া সিধা (প্ৰা) - চিধা (Sidha) [১০]

সংস্কৃত বা সংস্কৃতৰ পৰা ওলোৱা ভাষা সমূহৰ বাদে আন ভাষাৰ তালব্য 'শ' আৰু মূৰ্দ্ধণ্য 'ষ' অসমীয়াত 'ছ' ৰে দন্ত 'স' অসমীয়াত 'চ' ৰে প্ৰকাশ কৰিবৰ বাবে লম্বোদৰ বৰাই আহ্বান জনালে। যেনে— Commissioner-কমিছনৰ; shillong - শিলং-ছিলং, ষট্-ছয়, summon - সমন-চমন। তেওঁ তালব্য 'শ' ৰ ঠাইত 'ছ' লিখাৰ যুক্তি দেখাইছে এনেদৰে "যেনেকৈ ক + হ = খ, গ+ হ = ঘ, সেইদৰে চ্ + হ = ছ, (অং) চ্ - S ; হ-h; ছ = চ্ + হ্ = s+h = sh = শ (সংস্কৃত) [১১]

সি যি কি নহওক,আনভাষাৰ পৰা পৰা শব্দৰ অসমীয়া আখৰ-জোঁটনি ক্ষেত্ৰত লম্বোদৰ বৰাই যি সমূহ নীতি বান্ধিছিল, সেইসমূহ পাছত সকলোৱে মানি লোৱা দেখা যায়। বৰাই স্পষ্টভাৱে কৈছে যে সংস্কৃতৰ সকলো আখৰ অসমীয়া ভাষাত উচ্চাৰণ নহয়, অৰশ্যে দীৰ্ঘ স্বৰৰ উচ্চাৰণ নাই যদিও তেওঁ বিশেষ ক্ষেত্ৰত 'ঈ' বা 'ঊ' ব্যৱহাৰ কৰিছে। অসমীয়া বৰ্ণমালাত 'ক্ষ', 'ঝ' আদি বৰ্ণৰ প্ৰয়োজনীয়তা নস্যাৎ কৰিছিল। মূলৰ সৈতে সম্পূৰ্ণ একে উচ্চাৰণ হোৱা শব্দৰ বাহিৰে বাকী শব্দত 'ক্ষ'ক 'খ' আৰু 'ঝ' আৰু 'য'ক 'জ' হিচাপে উচ্চাৰণ হয়। একেদৰে তালব্য 'শ', মূৰ্দ্ধণ্য 'ষ' ক্ষেত্ৰতো মূলৰ সৈতে একে হৈ নথকা শব্দত দন্ত্য 'স' আৰু 'ছ' ৰ ঠাইত 'চ' ব্যৱহাৰৰ পৰামৰ্শ দিছে। ণত্ববিধি,ষত্ববিধিৰ ক্ষেত্ৰত কেৱল সংস্কৃতৰ শব্দতেই আন ভাষাৰ শব্দতো মানি চলিলে বেমেজালি কমিব বুলি মত পোষণ কৰিছে। এটা কথা উল্লেখ কৰিব লাগিব যে লম্বোদৰ বৰাই *জোনাকী*ৰ যোগেদি উচ্চাৰণ আৰু মূল দুয়োটাৰে সামঞ্জস্য ৰক্ষা কৰি আখৰ-জোঁটনিক এক সুস্থিৰ নীতি আগবঢ়াব বিচাৰিছিল।

*জোনাকী* কাকততে লম্বোদৰ বৰাৰ 'অসমীয়া আখৰ জোঁটনি' শীৰ্ষক প্ৰবন্ধলানিৰ বিৰোধিতা কৰি শ্ৰী ছদ্মনামত কোনো লোকে সম্পাদকলৈ চিঠি লিখিছিল। হেমচন্দ্ৰ বৰুৱা নীতিৰ লগত মত নিমিলাৰ বাবে কোনোলোকে লম্বোদৰ বৰুৱাৰ আখৰ-জোঁটনিক অপ্ৰয়োজনীয় বুলি কৈছে।

পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত প্ৰকাশ হোৱা *উষা* (১৯০৭-১৯১২) আলোচনীতো আখৰ-জোঁটনিৰ আলোচনা হৈছিল। প্ৰধানকৈ চন্দ্ৰনাথ শৰ্মা (১৮৮৯-১৯২২) আৰু ৰত্নকান্ত বৰকাকতীয়ে (১৮৯৭-১৯৩৬) অসমীয়া আখৰ-জোঁটনি বিষয়ক লেখা-মেলা কৰিছিল। বৰকাকতীয়ে 'অসম, আসাম আৰু অসমীয়া' শীৰ্ষক প্ৰবন্ধটো আখৰ-জোঁটনিৰ সমস্যা মীমাংশাৰ ক্ষেত্ৰত প্ৰচেষ্টা হাতত লৈছিল। কিছুমান শব্দৰ ক্ষেত্ৰত দুই-তিনিটা ৰূপ প্ৰচলিত থাকে। উদাহৰণস্বৰূপে 'অসম','অচম' আৰু 'আসাম'ৰ মাজত কোনোটো ৰূপ গ্ৰহণ কৰা উচিত এই সম্পৰ্কে তেওঁ যুক্তি আগবঢ়াইছে। তেওঁ 'অসম' শব্দটোৰ

প্ৰচলনত গুৰুত্ব আৰোপ কৰিছে। একেদৰে 'মই' আৰু 'ময়', 'তই' আৰু 'তয়' কোনোটো গ্ৰহণযোগ্যতা আছে এই সম্পৰ্কেও মন্তব্য আগবঢ়াইছে। তেওঁ 'মই' বা 'তই' শব্দদুটাক 'ময়' বা 'তয়' হিচাপে লিখিবৰ বাবে যুক্তি দিছিল। এই সম্পৰ্কে তেওঁ ইংৰাজী গ্ৰন্থৰ উদ্ধৃতি দি কৈছে —

*Acually there is no difference of pronunciation between মই (I) and হয় (is), but thay are written in different ways. In older Assamese literature we find ময় (I) instead of মই। মই seems to be incorrect* [১২]

তেওঁ অ-কাৰ আৰু আ-কাৰন্ত শব্দত কৰ্ত্তা কাৰকৰ চিন 'য়' বুলি দেখুৱাইছে। তেওঁ এনেদৰে উল্লেখ কৰিছে —

*When 'এ' (e) is added to অ (a) or আ (a) the (e) has the sound of ই (i) and য় (y), অৰ্থাৎ হ + য় = হয় (hay), যা + এ = যায় (jay)। তাৰ তলতে টীকাত আছেঃ— Actually the 'এ' has the sound of 'য়' (y), So it is correct to write হবয় Instead of হবই which word has the pronounciation of হবৈ। It is alw ays seen in Assamese that wherever an ই follows an অ the two together from one ঐ, Thus হ + ই = হই = হৈ, গ + ই = গই = গৈ।* [১৩]

উষাৰ পাততে চন্দ্ৰনাথ শৰ্মাই ৰত্নকান্ত বৰকাকতীৰ মতসমূহৰ বিৰোধিতা কৰি আন এটা প্ৰবন্ধ লিখিছিল; কিন্তু বৰকাকতীয়ে পৰৱৰ্তী সময়ত শৰ্মাৰ মতসমূহ খণ্ডন কৰিছে।

ইয়াৰ পাছত *বাঁহী, আৱাহন, জয়ন্তী* আদি কাকততো আখৰ-জোঁটনি সম্পৰ্কে বিভিন্ন ধৰণৰ আলোচনা হৈছিল। আনন্দচন্দ্ৰ আগৰৱালাই আৱাহনৰ পাতত ঋ, ৯ আৰু ৯ তিনিটা আখৰ অসমীয়া ভাষাত নাই আৰু 'অ' আৰু 'এ'-ৰ দুটাকৈ ধ্বনি আছে বুলি দিয়া মন্তব্য গুৰুত্বপূৰ্ণ। বাণীকান্ত কাকতিয়ে ' অ' ' ধ্বনি উৰ্ধ্ব কমাৰ জৰিয়তে পূৰ্বৰে পৰা বুজাই আহিছে বুলি কৈছে। কিন্তু ' এ' '-ত উৰ্ধ্ব কমাৰ বিষয়ে তেওঁ একো উল্লেখ কৰা নাই। অসম সাহিত্য সভাই আখৰ-জোঁটনি বিষয়ক পত্ৰিকা প্ৰকাশ কৰাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়েও পত্ৰিকা প্ৰকাশ কৰিছে। কিন্তু এইসমূহতো একেধৰণৰ বাক-বিতণ্ডাই দেখা যায়। বৰ্তমানৰ কাকত-আলোচনীৰ পাততো আখৰ-জোঁটনি সম্পৰ্কে কম-বেছি পৰিমানে আলোচনা হৈ থকা দেখা যায়।

**অসমীয়া আখৰ-জোঁটনি সম্পৰ্কীয় গাই-গুটীয়া আলোচনা ঃ**

ইতিমধ্যে উল্লেখ কৰা হৈছে যে অসমীয়া আখৰ-জোঁটনি বিষয়ক কেইখাখনো গ্ৰন্থ ৰচনা হৈছে। অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কীয় প্ৰথমখন গাইগুটিয়া গ্ৰন্থ হ'ল ডিম্বেশ্বৰ নেওগ (১৮৯৯-১৯৬৬)ৰ *শুধ অসমীয়া* (১৯৭৫)। পুথিখনৰ প্ৰথম অধ্যায়তে অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কে আলোচনা কৰিছে। নেওগে হেমচন্দ্ৰ বৰুৱাৰ আখৰ জোঁটনিৰ তিনিটা নীতিক সমৰ্থন আগবঢ়ালেও কিছু ক্ষেত্ৰত মতানৈক্য প্ৰকাশ কৰিছে। বিশেষকৈ হেমচন্দ্ৰ বৰুৱাই দিয়া শব্দৰ মূল থিক ৰাখিবৰ প্ৰয়োজন নহ'লে 'ই', 'উ', 'চ', আৰু দন্ত্য 'স'ৰ ব্যৱহাৰহে কৰা উচিত মন্তব্যৰ বিপক্ষে ডিম্বেশ্বৰ নেওগে যুক্তি দৰ্শাইছে। তেওঁ উল্লেখ কৰিছে যে "ভাষাত শব্দৰ মূল ঠিককৈ ৰাখিবৰ প্ৰয়োজন নোহোৱা কৰা কেতিয়াও হ'ব নোৱাৰে"।[১৪] বিশেষকৈ বিদেশী ভাষাৰ শব্দ অসমীয়াত লিখোঁতে 'চ', 'ছ', দন্ত্য 'স', মূৰ্দ্ধণ্য 'ষ' আৰু তালব্য 'শ'- ৰ ব্যৱহাৰ সম্পৰ্কে তেওঁ হেমচন্দ্ৰ বৰুৱাতকৈ চন্দ্ৰকুমাৰ আগৰৱালাক সমৰ্থন জনাইছে। আগৰৱালাৰ ইংৰাজী 'Ch', 'S', 'sh' ক্ৰমে 'চ',দন্ত্য 'স', আৰু তালব্য 'শ' হিচাপে লিখা নীতি নেওগে সমৰ্থন কৰিছে।

অসমীয়া ভাষাত দীৰ্ঘ স্বৰৰ অনুপস্থিতিত নেওগো একমত। তেওঁ গ্ৰন্থখনত উল্লেখ কৰিছে যে অসমীয়া ভাষাত 'চ', 'ছ', 'জ', 'য'; 'ট'-বৰ্গ আৰু 'ত'-বৰ্গ; দন্ত্য 'স', মূৰ্দ্ধণ্য 'ষ' আৰু তালব্য 'শ'-ৰ উচ্চাৰণত প্ৰভেদ নাই। আকৌ যুক্তাক্ষৰৰ ক্ষেত্ৰত সংস্কৃতৰীতিৰ অৱলম্বণ কৰি প্ৰত্যেকটো আখৰ সুকীয়াকৈ উচ্চাৰণত গুৰুত্ব দিছে। ণত্ববিধি আৰু ষত্ববিধিৰো সংস্কৃত ৰীতিৰ অনুগামী হোৱা দেখা গৈছে।

অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে মহেশ্বৰ নেওগ (১৯১৫-১৯৯৫) এ *নিকা অসমীয়া ভাষা* (১৯৯০) নামেৰে এখন পুথি প্ৰণয়ন কৰে। অৱশ্যে এই পুথিত প্ৰণয়ন কৰা প্ৰবন্ধসমূহ আকাশবাণী গুৱাহাটীত পাঠ কৰিছিল। *নিকা অসমীয়া ভাষাত* মহেশ্বৰ নেওগে উল্লেখ কৰিছে যে অসমীয়া ভাষা কোৱা আৰু লিখাৰ ক্ষেত্ৰৰ প্ৰথম সমস্যাই হ'ল আখৰ-জোঁটনিৰ সমস্যা। মহেশ্বৰ নেওগেও হেমচন্দ্ৰ বৰুৱাৰ নীতি সমৰ্থন কৰি সংস্কৃত ৰীতিৰ আখৰ-জোঁটনি ব্যৱহাৰ কৰিছে। তেওঁ 'অ' ' ধ্বনিৰ উদ্ধকমা প্ৰয়োগৰ বিষয়ে আলোচনা কৰিছে। যুক্তাক্ষৰৰ ক্ষেত্ৰত তেওঁ বিশেষ কিছুমান দিশত গুৰুত্ব দিছে। তিনিটীয়া ব্যঞ্জনৰ যুক্তাক্ষৰৰ শেষৰটো ব্যঞ্জন যদি 'ৰ' হয়,

তেতিয়া শেষৰ ‘ৰ’ টো উচ্চাৰণ নহয়। তেওঁ এই ক্ষেত্ৰত উজ্জ্বল < উজ্জল, তত্ব < তত্ত উদাহৰণ দিছে। অসমীয়া মানুহৰ মুখত তিনিটা ব্যঞ্জনযুক্ত বৰ্ণ উচ্চাৰণৰ ক্ষেত্ৰত তেওঁ কৈছেঃ

“অসমীয়া জিভাই যুক্তাক্ষৰ, বিশেষকৈ তিনিটা ব্যঞ্জনৰ যুক্ত ৰূপ উচ্চাৰণ কৰিবলৈ টান পায়; ক'তো ক'তো দুটা ব্যঞ্জনৰ মাজত এটা স্বৰ সুমুৱাই লৈ উচ্চাৰণ কৰে সঙসকৃতি, মোলান, গোলানি, সন্ধিয়া (সংস্কৃতি, ম্লান, গ্লানি, সন্ধ্যা)। ” [১৫]

শিৱনাথ বৰ্মনে ১৯৯৩ চনত *অসমীয়া আখৰ-জোঁটনিৰ কথা* শীৰ্ষক আখৰ-জোঁটনিৰ এখন পূৰ্ণাংগ গ্ৰন্থ প্ৰকাশ কৰে। গ্ৰন্থখনত ‘ই’ আৰু ‘ঈ’, ‘উ’ আৰু ‘ঊ’, ‘ঙ’ আৰু ‘ং’, ‘চ’ আৰু ‘ছ’, ‘জ’ আৰু ‘য’, ‘য়’ আৰু ‘ঞ’, ‘ট’ আৰু ‘ত’, ‘ঠ’ আৰু ‘থ’, ‘ড’ আৰু ‘দ’, ‘ঢ’ আৰু ‘ধ’, ‘ণ’ আৰু ‘ন’, ‘ব’ আৰু ‘ৱ’, ‘ৰ’ আৰু ‘ড়’, ‘ঢ়’, তালব্য ‘শ’,মূৰ্দ্ধণ্য ‘ষ’ আৰু দন্ত্য ‘স’-ৰ ব্যৱহাৰ সম্পৰ্কে বিশদভাৱে আলোচনা কৰিছে। ইয়াৰ বাহিৰেও বিসৰ্গ, চন্দ্ৰবিন্দুৰ স্থানসমূহো নিৰ্ণয় কৰি দেখুওৱাইছে। তেওঁ সংস্কৃত বৈয়াকৰণিক নিয়ম অনুসৰি হ্ৰস্ব,দীৰ্ঘ-স্বৰৰ স্থান নিৰ্ণয় কৰিছে। ইয়াত যুক্তাক্ষৰৰ সৰলীকৰণত তেওঁ বিশেষভাৱে মন দি ‘ৰেফ’-কাৰৰ পিছৰ দ্বিত ব্যঞ্জন বাদ দিয়ে। যেনে — ধৰ্ম্ম— ধৰ্ম, চৰ্চ্চা— চৰ্চা ইত্যাদি।

আখৰ-জোঁটনি সম্পৰ্কীয় শেহতীয়া গ্ৰন্থ হৈছে গোলোকচন্দ্ৰ গোস্বামী (১৯২৩-২০২০)ৰ *অসমীয়া আখৰ-জোঁটনি সমীক্ষা* (২০১০)। গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া আখৰ-জোঁটনিৰ বিভিন্ন সমস্যা সমূহ উল্লেখ কৰি এই সমূহৰ সমাধান উপায় নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছে। গোলোকচন্দ্ৰ গোস্বামী আছিল আধুনিক ভাষাবিজ্ঞানৰ ছাত্ৰ। সেয়েহে তেওঁ বৈজ্ঞানিক দৃষ্টিভংগীৰে ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা নিৰ্মূলত গুৰুত্ব দিছে— “আজি আমি অসমীয়া ভাষাৰ বানান পদ্ধতি সংশোধন আৰু সংস্কাৰ কৰিব খুজিলে ভাষাটোৰ উচ্চাৰণৰ ভিত্তিতহে কৰিব লাগিব। ” [১৬]

তেওঁ বৰ্ণৰ লগত সংগতি ৰাখি আখৰ-জোঁটনিৰ সংশোধন নীতি হাতত লৈছে। আখৰ বা বানান নিৰ্ধাৰণত চকু আৰু কাণৰ বিবাদ হ'লে খেলিমেলি অনিবাৰ্য। আমাৰ ভাষাৰ বানান ভুলৰ সকলো অনৰ্থৰ মূল এই বিবাদেই বুলিব লাগে। গতিকে বৰ্ণৰ লগত সঙ্গতি ৰাখি বানান সংশোধন কৰা উচিত;এইটোৱেই উৎকৃষ্টতম ভাষা বৈজ্ঞানিক নীতি।[১৭] তেওঁ উপধ্বনি, চলতা আদিৰ প্ৰসংগও সুন্দৰকৈ বাখ্যা কৰিছে। কোনো এটা বৰ্ণৰ বহুতো উপধ্বনি (allophonones) থাকিব পাৰে, সেয়েহে ঠাইবিশেষে উচ্চাৰণত ধ্বনিটো অলপ ইফাল-সিফাল হোৱাটো স্বাভাৱিক; কিন্তু উচ্চাৰণ বা ধ্বনি গুণ ইফাল-সিফাল হ'লেও বৰ্ণ সুনিদিৰ্ষ্ট। সেয়েহে বৰ্ণৰ লগত সংগতি ৰাখি আখৰ-জোঁটনি সংশোধন কৰিলে আখৰ-জোঁটনিৰ সমস্যা নোহোৱা হ'ব বুলি গোস্বামীয়ে মত পোষণ কৰিছে। গোস্বামীয়ে মতে ভাষাবিজ্ঞানৰ নীতি অনুসৰি ভাষাৰ মূল ৰখা কৰিব লাগিলে ধ্বনি তথা বৰ্ণগত লিপি গ্ৰহণ কৰা নিতান্ত প্ৰয়োজন।[১৮] যিহেতু ভাষাৰ মূল ৰক্ষাৰ বাবেই যদি আখৰ-জোঁটনি উচ্চাৰণ ভিত্তিক কৰিব নালাগে, তেন্তে এই ধাৰণা অবান্তৰ বুলি গোস্বামীয়ে উল্লেখ কৰিছে। কাৰণ যদি মূলৰ কথা ভাবিয়েই অসমীয়াত উচ্চাৰণ নোহোৱা দীৰ্ঘস্বৰ বা মুৰ্দ্ধণ্য ধ্বনি লিখোঁতে ব্যৱহাৰ কৰা হয়, তেনেহ'লে আজিৰ পৰা শ-বছৰৰ আগত মুৰ্দ্ধণ্য ধ্বনিৰ উচ্চাৰণ ইয়াত আছিল বুলিয়েই পণ্ডিতসকলে ভাবিবলৈ বাধ্য হ'ব। আনহাতে যি সূত্ৰৰ পৰাই শব্দ আহৰণ নকৰক লাগে, ভাষা এটাই গ্ৰহণ কৰাৰ লগে লগে সেইবোৰ ভাষা জননীৰ নিজৰ সন্তান হৈ পৰে, কিয়নো সিহঁতে ইতিমধ্যে নিজস্ব গোট সলাই পেলাই।[১৯] এইফালৰ পৰা চাবলৈ গ'লে আমি সংস্কৃত বুলি ভবা কিমান শব্দ আমাৰ ভাষাত সংস্কৃত হৈ থাকে, লক্ষণীয় হ'ব।

ণত্ববিধি আৰু ষত্ববিধিৰ নিয়মক অৰ্ধতৎসম আৰু তদ্ভৱ শব্দৰ ক্ষেত্ৰত গোস্বামীয়ে নস্যাৎ কৰিছে। অসমীয়া ভাষাত মুৰ্ধণ্য বৰ্ণও নাই, মুৰ্ধণ্য উচ্চাৰণো নাই। গতিকে অৰ্ধতৎসম আৰু তদ্ভৱ শব্দবোৰত ষত্ববিধি মানি নচলিলেও হয়।[২০] কৃৎ আৰু তদ্ধিত প্ৰত্যয়টো ‘ঈ’ৰ ব্যৱহাৰ কমাই নিছে। আনহাতে মুৰ্দ্ধণ্য ‘ট’ বৰ্গৰ আখৰ সমূহ খেলিমেলি হোৱাতকৈ ‘দন্ত’ আখৰেৰে লিখিবলৈ তেওঁ পৰামৰ্শ দিছে। একেদৰে ‘শ’,‘ষ’ আৰু ‘স’ৰ ঠাইত কেৱল ‘স’, ‘ব’ আৰু ‘ৱ’ ঠাইত ‘ব’ৰ ব্যৱহাৰৰ কথা কৈছে।

আনহাতে ‘ছ’ ‘ড়’ ৰ ব্যৱহাৰ কমাই অনাৰ কথা কৈছে। কিছু কিছু ক্ষেত্ৰত ‘জ’ আৰু ‘য’, দুয়োটাই ৰাখিব লাগে আৰু ‘ঢ়’ ব্যৱহাৰো থকাটো প্ৰয়োজনীয় বুলি মন্তব্য দিছে। আকৌ ‘ং’ ৰ ব্যৱহাৰ কমাই আনিছে ‘ঁ’ ৰ ব্যৱহাৰ পৰিস্থিতি অনুযায়ী অনিবাৰ্য বুলি তেওঁ উল্লেখ কৰিছে। স্বৰবৰ্ণৰ ক্ষেত্ৰত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰৰ যি খেলিমেলি আছে ,সেই খেলিমেলি দূৰ কৰিবৰ বাবে লেখকে কেইটামান নীতি আগবঢ়াইছে। অৱশ্যে

হ্রস্ব আৰু দীৰ্ঘ দুয়োবিধ স্বৰৰ ব্যৱহাৰেই তেওঁ কৰিছে ; কিন্তু 'ই'ৰ গৌণৰূপ হিচাপে 'ী' ব্যৱহাৰ ব্যঞ্জনৰ পাছত হোৱা উচিত বুলি উল্লেখ কৰিছে।গোস্বামীয়ে ব্যঞ্জনৰ উষ্ম বৰ্গটো নতুনকৈ উপস্থাপন কৰিছে। আগৰ চ ছ বুজাবলৈ চ়; জ ঝ য বুজাবলৈ জ় আৰু শ, ষ, দন্ত্য স বুজাবলৈ স় আখৰ লোৱা হৈছে।[২১] ব্যঞ্জন মালাৰ 'ক্ষ' আখৰটো এটা যুক্তাক্ষৰ, সেয়েহে ইয়াক একাকী বৰ্ণমালাত স্থান দিয়া উচিত নহয় বুলি গোলোকচন্দ্ৰ গোস্বামীয়ে উল্লেখ কৰিছে। লিপ্যন্তৰৰ ক্ষেত্ৰত তেওঁ অৰ্থাৎ বিদেশী শব্দ লিখাৰ ক্ষেত্ৰত IPA তালিকা অনুসৰি নিকটতম উচ্চাৰণৰ আখৰ ব্যৱহাৰ কৰাৰ মন্তব্য দিছে। ইয়াৰ বাবে দুয়োটা ভাষাৰে বৰ্ণতাত্ত্বিক জ্ঞানৰ প্ৰয়োজনো আহি পৰে।

**আখৰ-জোঁটনি সম্পৰ্কীয় শেহতীয়া প্ৰস্তাৱনা —সৰল আখৰ-জোঁটনি ঃ**

অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কে শেহতীয়া সময়ত দেৱব্ৰত শৰ্মাই সম্পাদনা কৰা *অসমীয়া জাতীয় অভিধান* (২০১৩) এ কিছুমান নতুন দিশৰ অৱতাৰণা কৰিছে। নাথান ব্ৰাউনে নিৰ্ণয় কৰাৰ অসমীয়া ভাষাৰ বানান পদ্ধতিৰ সৰল ৰূপটোকেই দেৱব্ৰত শৰ্মাই সংস্কৰণ আৰু পৰিবৰ্দ্ধন কৰি *অসমীয়া জাতীয় অভিধান*ৰ যোগেদি পুনৰ উত্থাপন কৰিছে বুলি ক'ব পাৰি। দেৱব্ৰত শৰ্মাই অসমীয়া ভাষাৰ সৰল বানান পদ্ধতিৰ ক্ষেত্ৰত ঐতিহাসিক তথ্য দাঙি ধৰি কৈছে—

"আমি যাক প্ৰস্তাৱিত বানান, বিকল্প বানান বা সৰল বানান বুলি কৈছো, সেয়া কিন্তু অসমীয়া জাতীয় সম্পাদনা সমিতি অথবা ইয়াৰ মূখ্য সম্পাদকৰ মস্তিকৰ প্ৰসূত নহয়। বৰং ই অসমীয়া ভাষা তথা লিপি বিগত অন্ততঃ ৮০০/৯০০ বছৰ জুৰি প্ৰৱাহিত এক প্ৰধান ধাৰা আছিল আৰু আজিও ই গুৰুত্বপূৰ্ণ হৈ আছে। শৰ্মাই হেম সৰস্বতীৰ বা শংকৰদেৱৰ আখৰ-জোঁটনি খেলি-মেলি থাকিলেও উচ্চাৰণৰ বহু পৰিমাণে খাপ খোৱা আছিল বাবে সৰল আখৰ জোঁটনিৰ ওচৰ চপা বিধৰ বুলি মন্তব্য কৰিছে।"[২২]

দেৱব্ৰত শৰ্মাই প্ৰায় দুইলাখ শব্দৰ বিকল্প বানান বা সৰল আখৰ-জোঁটনি প্ৰস্তুত কৰিছে। শৰ্মাই নাথান ব্ৰাউনে আগবঢ়োৱা যদুৰাম ডেকাবৰুৱাৰ বৰ্ণমালাকে গ্ৰহণ কৰিছে। শৰ্মাৰ বৰ্ণমালাত 'ই','ঊ', 'ছ', 'য', 'ঝ', 'ঞ', 'ট' বৰ্গ, তালব্য 'শ', মূৰ্দ্ধণ্য 'ষ', 'ড়', 'ঢ়' নাই। এইসমূহ আখৰত থকা শব্দৰ বাবে বিকল্প আখৰ-জোঁটনি যোগান ধৰি এই সমস্যা সমাধানৰো প্ৰয়াস কৰা হৈছে। যেনে-

| প্ৰচলিত আখৰ-জোঁটনি | — বিকল্প আখৰ-জোঁটনি |
|---|---|
| ঈগল | ইগল |
| ঈশ্বৰ | ইস্বৰ |
| ঊল | উল |
| কাৰ্য | কাৰ্জ |
| টাকোন | তাকোন |
| কঠিয়া | কথিয়া |
| শৰাই | সৰাই |
| কঢ়া | কহা |
| গড় | গৰ |

যুক্তাক্ষৰৰ ক্ষেত্ৰতো তেওঁ বহুত সৰল কৰিবলৈ চেষ্টা কৰিছে। সংস্কৃতৰ বৈয়াকৰণিক নীতিক *অসমীয়া জাতীয় অভিধান*ত প্ৰায় নস্যাৎ কৰা হৈছে। তেওঁ বলপূৰ্বক সংস্কৃতকৰণৰ বিৰুধিতা কৰিছে। সংস্কৃতৰ লগত ইয়াৰ সম্পৰ্কে যিমানেই ঘনিষ্ঠ আৰু সুগভীৰ নহওক লাগিলে অসমীয়া এটা সুকীয়া, স্বতন্ত্ৰীয়া ভাষা। এই ভাষাৰ জোঁটনি এই ভাষা-ভাষী মানুহৰ আশা আকাংক্ষ্যা অনুসৰিয়েই হোৱা উচিত।[২৩]

বিদেশী ভাষাৰ শব্দসমূহ লিপ্যন্তৰটো তেওঁ উচ্চাৰণকে গুৰুত্ব দিছিল। অভিধানখনৰ পাতনিতে তেওঁ ব্যৱহাৰ কৰা ইংৰাজী ভাষাৰ শব্দসমূহ সৰল জোঁটনিত লিখিছে। যেনে- ইন্তাৰনেট, ইউনিভাৰ্চিতি, হলেন্দ আদি।

মুঠৰ ওপৰত দেৱব্ৰত শৰ্মাই ভাষাবৈজ্ঞানিক দৃষ্টিকোণৰ পৰাই অসমীয়া ভাষাৰ আখৰ-জোঁটনি সৰল কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে। অসমীয়া ভাষাত উচ্চাৰিত নোহোৱা ধ্বনিসমূহৰ অসমীয়া আখৰ-জোঁটনিত প্ৰয়োজনীয়তা তেওঁ দেখা নাই। প্ৰাচীন পুথিসমূহৰ পৰা এই ধাৰা চলি অহা বুলি তেওঁ যুক্তিও দাঙি ধৰিছে ঃ

"আমাৰ প্ৰস্তাৱিত সৰল বানান এক উদ্ভট কল্পনা নহয়। বৰং ইয়াৰ আছে এক সুদীৰ্ঘ ঐতিহাসিক পটভূমি, কমেও আঠশতিকা বিয়পা সুলিখিত পৰম্পৰা এয়াও মনত ৰখা উচিত যে হেমসৰস্বতী সময়ত ই এক প্ৰান্তিক ধাৰা নাছিল, বৰং সিয়েই আছিল প্ৰধান ধাৰা, সেয়েহে আমাৰ প্ৰস্তাৱিত সৰল বানানৰ বিপক্ষে অনৈতিহাসিকতাৰ অভিযোগ ঢোপত নিটিকে। এক শতিকা পুৰণি হেমকোষ যেনেকৈ ইতিহাস, আঠশতিকা পুৰণি হেম সৰস্বতীও তেনেকৈ ইতিহাস, বৰং ক'ব পাৰি আৰু দীৰ্ঘতৰ, আৰু সুমহান, অবিস্মৰণীয় ইতিহাস।"[২৪]

**সামৰণি ঃ**

বৰ্ণ আৰু আখৰৰ ভেদ থকা প্ৰতিটো ভাষাৰে আখৰ-জোঁটনিত খেলিমেলি অনিবাৰ্য। তথাপি একোটা ভাষাৰ আখৰ-জোঁটনিৰ এক সুস্থিৰ আৰু সকলোৰে বাবে গ্ৰহণযোগ্য নীতিৰ নিতান্তই আৱশ্যকীয়। ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে অসমীয়া ভাষাৰ আখৰ-জোঁটনি সম্পৰ্কীয় আলোচনাসমূহে এতিয়ালৈকে কোনো এক সুস্থিৰ নীতি দিব পৰা নাই। বৰ্তমান সময়ত প্ৰধানকৈ হেমচন্দ্ৰ বৰুৱাৰ সংস্কৃতীয়া নীতিকেই কিছু সাল-সলনি কৰি প্ৰয়োগ কৰা হয় যদিও বেমেজালিৰ অন্ত নাই।

উল্লেখ্য যে প্ৰাক-আধুনিক পুথিসমূহে আখৰ-জোঁটনিৰ ক্ষেত্ৰত উচ্চাৰণ ভিত্তিক বা সংস্কৃতীয়া কোনো এক নীতিকে গ্ৰহণ কৰিছিল বুলি ক'ব নোৱাৰি। অৱশ্যে উচ্চাৰণে লিপিকাৰসকলক নিশ্চয় প্ৰভাৱ পেলাইছিল, যাৰ বাবে হ্ৰস্ব স্বৰৰ ব্যৱহাৰ তুলনামূলকভাৱে দীৰ্ঘ স্বৰতকৈ বেছি আছিল; কিন্তু সেই বুলিয়েই আমি নাথান ব্ৰাউন বা বৰ্তমান দেৱব্ৰত শৰ্মাই আগবঢ়োৱা একেবাৰে সৰল জোঁটনিও এইসমূহত দেখা নাযায়। একেদৰে হেমচন্দ্ৰ বৰুৱা বা ডিম্বেশ্বৰ নেওগে আগবঢ়োৱা সংস্কৃত ব্যাকৰণৰ আৰ্হিও ইয়াত পোৱা নাযায়। যদি নাথান ব্ৰাউন বা দেৱব্ৰত শৰ্মাই কোৱা উচ্চাৰণভিত্তিক আখৰ-জোঁটনিক গ্ৰহণ কৰা হয়, প্ৰাক-আধুনিক অসমীয়া ভাষাৰ আখৰ-জোঁটনিকো নস্যাৎ কৰা হ'ব। প্ৰাক-আধুনিক অসমীয়া ভাষাত আখৰ-জোঁটনিৰ সমৰূপতা নাই যদিও ইয়াৰ নিৰ্দিষ্ট বৈশিষ্ট্য আছে। লগতে সৰল জোঁটনিয়ে বাদ দিয়া বৰ্ণসমূহ অসমীয়া লিপিৰ পৰা সম্পূৰ্ণভাৱে নোহোৱা হৈ যাব। ই লিপিৰ ইতিহাস বা ঐতিহ্যৰ বাবেও নেতিবাচক দিশ হ'ব।

সাম্প্ৰতিক কালৰ অসমীয়া ভাষাৰ কাকত-আলোচনীসমূহেও আখৰ-জোঁটনি সম্পৰ্কে নিজা-নিজা সিদ্ধান্ত গ্ৰহণ পৰা দেখা যায়। ফলত সাধাৰণলোকৰ বাবে অসমীয়া ভাষা লিখাটো এক সমস্যা যেন হৈ পৰিছে। সেয়ে এই মতসমূহৰ ভিত্তিত সকলোৰে বাবে সুবিধা হোৱাকৈ অসমীয়া আখৰ-জোঁটনিৰ এক নিৰ্দিষ্ট নীতিৰ অতি প্ৰয়োজন। ❑

**প্ৰসংগসূত্ৰ ঃ**


১। গোলোক চন্দ্ৰ গোস্বামী, *অসমীয়া আখৰ- জোঁটনিৰ সমীক্ষা*, পৃ. ২৭

২। Nathan Brown, *Grammatical Notices of Assamese Language*, (Introduction), P. vii

৩। মহেশ্বৰ নেওগ (সম্পা.), *অৰুনোদই*, পৃ. ১১৩৩

৪। উল্লিখিত, পৃ. ১১৩৩

৫ যতীন্দ্ৰনাথ গোস্বামী, *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী*, পৃ. ১৮৫৯

৬ উল্লিখিত, পৃ. ৪৬৯

৭ উল্লিখিত, পৃ. ১১২

৮ মহেশ্বৰ নেওগ (সম্পা.), *অৰুনোদই*, পৃ. ১১৩৩

৯ নন্দ তালুকদাৰ (সম্পা.), *লম্বোদৰ বৰা ৰচনাৱলী*, পৃ. ২৫৪

১০ উল্লিখিত, পৃ. ৩২

১১ নগেন শইকীয়া (সম্পা.), *জোনাকী*, পৃ. ২৫৫

১২ লক্ষ্মীনাথ তামুলী (সম্পা.), *উষা*, পৃ. ৮০৫

১৩ উল্লিখিত, পৃ. ৮০৫

১৪ ডিম্বেশ্বৰ নেওগ, *শুধ অসমীয়া*, পৃ. ০৮

১৫ মহেশ্বৰ নেওগ, *নিকা অসমীয়া*, পৃ. ২০

১৬ গোলোক চন্দ্ৰ গোস্বামী, *অসমীয়া আখৰ-জোঁটনিৰ সমীক্ষা*, পৃ. ৫৭

১৭ উল্লিখিত, পৃ. ৫৭

১৮ উল্লিখিত, পৃ. ৬২

১৯ উল্লিখিত, পৃ. ৬১

২০ উল্লিখিত, পৃ. ৭২

২১ উল্লিখিত, পৃ. ৯৩

২২ দেৱব্ৰত শৰ্মা, *অসমীয়া জাতীয় অভিধান*, পৃ. ২২

২৩ উল্লিখিত, পৃ. ৩৭

২৪ উল্লিখিত, পৃ. ২৫

**সহায়ক গ্ৰন্থপঞ্জী ঃ**
গোস্বামী, গোলোকচন্দ্ৰ (সম্পা.)ঃ *অসমীয়া আখৰ-জোঁটনি সমীক্ষা,* বীনা  লাইব্ৰেৰী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, আগষ্ট, ২০১৪
গোস্বামী, যতীন্দ্ৰনাথ (সম্পা.) ঃ *বাঁহী,* অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০১
গোস্বামী, যতীন্দ্ৰনাথ (সম্পা.) ঃ *হেমচন্দ্ৰ বৰুৱা ৰচনাৱলী,* হেমকোষ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯
তামুলী, লক্ষ্মীনাথ (সম্পা.)ঃ *উষা,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,প্ৰথম প্ৰকাশ, ২০০৫
তালুকদাৰ, নন্দ (সম্পা.)ঃ *লম্বোদৰ বৰা ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, বাণী প্ৰকাশ,প্ৰথম প্ৰকাশ, ১৯৮৩
নেওগ, ডিম্বেশ্বৰ ঃ *শুধ অসমীয়া,* শুৱনী প্ৰকাশ, যোৰহাট, প্ৰথম প্ৰকাশ, ১৯৫৩ চন
নেওগ, মহেশ্বৰ (সম্পা.)ঃ *অৰুণোদই,* অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, তৃতীয়  প্ৰকাশ, ২০০৮
নেওগ, মহেশ্বৰ ঃ *নিকা অসমীয়া ভাষা,* কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, জুন, ২০১১
বৰ্মন, শিৱনাথ ঃ *অসমীয়া আখৰ-জোঁটনিৰ কথা,* বনলতা, গুৱাহাটী, চতুৰ্থ সংস্কৰণ,২০১০
শইকীয়া, নগেন (সম্পা.)ঃ *জোনাকী,* অসম সাহিত্য সভা, যোৰহাট, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০১
শৰ্মা, দেৱব্ৰত (সম্পা.) ঃ *অসমীয়া জাতীয় অভিধান,* অসম জাতীয় প্ৰকাশক, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১৩

**ইংৰাজী গ্ৰন্থ ঃ**
Brown, N : *Grammatical Notices of the Assamese Language*, American Bapist Misssion Press,Sibsagar,1848

ISSN 2321-4945
UGC CARàß Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# অসমৰ লোকবাদ্য ঃ অৱক্ষয়, সংৰক্ষণ, সংবৰ্দ্ধন



মঞ্জু দাস

**সংক্ষিপ্তসাৰ ঃ**

কোনো এটা জাতিৰ অতীতৰ বিষয়ে জানিবলৈ লোক সংস্কৃতিৰ অধ্যয়ন অপৰিহাৰ্য। সংস্কৃতি হৈছে জাতিৰ প্ৰাণ। কলা সংস্কৃতি বিপন্ন হ'লে জাতিটোও বিপন্ন হয়। জাতীয় সংস্কৃতিৰ মোল অন্তঃকৰণেৰে উপলব্ধি কৰিব পৰা সংস্কৃতি সম্পন্ন জাতি যুগে যুগে অমৰ। ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা পৰম্পৰাগতভাৱে জীৱন-যাপনৰ কাৰণে দৈনন্দিন জীৱনত ব্যৱহৃত লোকবাদ্য তথা লোক কলাসমূহ জাতি-জনজাতিৰ পৰিচয়বাহক। অসমত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ কলা কৃষ্টিৰ সু-সমন্বয়ত অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। এই কলা কৃষ্টিৰ লগত জড়িত বাদ্যযন্ত্ৰসমূহেও অসমীয়া লোক সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি ৰাখিছে।

বৈদিক যুগৰে পৰা নৃত্য-গীত-বাদ্য ব্যৱহাৰৰ উল্লেখ পোৱা যায়। কালিকা পুৰাণ, যোগিনী তন্ত্ৰতো ভালেমান বাদ্যযন্ত্ৰৰ উল্লেখ আছে। প্ৰাক্ শংকৰী যুগ, শংকৰী যুগ বিশেষকৈ আহোম ৰাজত্বৰ সময়ত বিভিন্ন বাদ্যযন্ত্ৰৰ সংগতে সংগীতৰ ক্ষেত্ৰখনত এক নতুন লহৰ তুলিছিল।

**বীজ শব্দ ঃ**

লোক বাদ্য, অৱক্ষয়, সংৰক্ষণ, সংবৰ্দ্ধন।

**০.১ অৱতৰণিকা ঃ**

জাতিৰ অতীত নাইবা পূৰ্বপুৰুষক লগ পোৱাৰ একমাত্ৰ সুযোগ হৈছে সেই জাতিৰ লোক সংস্কৃতি অধ্যয়ন। সংস্কৃতি হৈছে জাতি একোটাৰ প্ৰাণস্পন্দন। জাতীয় সংস্কৃতিৰ মোল অন্তঃকৰণেৰে উপলব্ধি কৰিব নোৱাৰিলে, তেনে সংস্কৃতি বিপন্ন হ'লে জাতীয়তাও বিপন্ন হয়। ইতিহাসে নিৰ্ণয় কৰিব নোৱাৰা কালৰে পৰা পৰম্পৰাগতভাৱে জীৱন-যাপনৰ কাৰণে দৈনন্দিন লোক জীৱনত ব্যৱহৃত লোক বাদ্য তথা লোক কলাসমূহ জাতি-জনগোষ্ঠীৰ পৰিচায়ক সংস্কৃতি।

ৰূপ-ৰস-গন্ধ-স্পৰ্শ আমোদিত চিৰ সেউজীয়া অসমৰ সংস্কৃতি বাৰেৰহণীয়া। প্ৰাচীন কালৰে পৰা অসমলৈ প্ৰব্ৰজিত জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিয়ে অসমৰ জনজীৱন বৈচিত্ৰময় আৰু প্ৰাণচঞ্চল কৰি ৰাখিছে। ভাৰতৰ পূৰ্বাঞ্চলৰ অসম মুলুকত সু-সমন্বয়ৰে বসবাস কৰা জনগোষ্ঠীসমূহৰ পৰম্পৰাগত জীৱন প্ৰণালী, গতি প্ৰকৃতি, ধ্যান ধাৰণা, ধৰ্ম-কৰ্ম, বিশ্বাস, জন্ম-বিবাহ-মৃত্যু, শিল্প কলা, লোকবাদ্য, সংগীত নাট-নৃত্য লোক কৃষ্টি সংস্কৃতিৰ চৰ্চা, জাতি-উ ল্ডখাতিৰ সমন্বয়ৰে গঢ়া অসমীয়া সংস্কৃতি।

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দমদমা মহাবিদ্যালয়
কামৰূপ - ৭৮১১০৪
৭০৮৬৭৪৮৮১৯
md6808112@gmail.com

অসমৰ জনজাতীয় আৰু অজনজাতীয় উভয় সম্প্ৰদায়ৰ মাজত ঢোলৰ প্ৰচলন থকা দেখা যায়। প্ৰণিধানযোগ্য যে অজনজাতীয় সম্প্ৰদায়ৰ মাজত ঢোলৰ প্ৰচলন অতি ব্যাপক। অসমৰ লোক পৰিৱেশ্য কলাসমৃদ্ধৰ ভিতৰত ঢুলীয়া অনুষ্ঠান এবিধ পুৰণি লোক পৰিৱেশ্য কলা। অসমৰ ঢুলীয়া অনুষ্ঠান ধৰ্মীয় আৰু সামাজিক উৎসৱ পাৰ্বনৰ লগত গভীৰভাৱে সম্পৃক্ত হৈ আছে। বিশেষকৈ পূজা পাৰ্বনসমূহ ঢুলীয়া অনুষ্ঠান অবিহনে সম্পূৰ্ণ নহয় বুলি বিশ্বাস আৰু পৰম্পৰা লোক সমাজত যুগ যুগ ধৰি চলি আহিছে। অসমৰ জাতীয় উৎসৱ বিহুৰো প্ৰধান বাদ্যযন্ত্ৰ হৈছে ঢোল। অসমৰ গ্ৰাম্য জীৱনতো বাতৰি নাইবা সংকেত আদি প্ৰদানৰ ক্ষেত্ৰত ঢোল বাদ্যই মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। আনহাতে অসমৰ কামৰূপীয়া ঢুলীয়াৰো বিশেষ আদৰ আছে।



**০.২ বিষয়বস্তুৰ গুৰুত্ব আৰু উদ্দেশ্য ঃ**

অসমৰ লোক বাদ্যসমূহৰ লগত নৱ প্ৰজন্মক পৰিচিত কৰাৰ লগতে কালৰ সোঁতত অৱহেলিত আৰু বিলুপ্ত হ'বলৈ উপক্ৰম হোৱা বাদ্যযন্ত্ৰ সমূহৰ উদ্ধাৰৰ ব্যৱস্থা আৰু সংৰক্ষণ তথা সংবৰ্দ্ধন কৰা। অৱক্ষয়ৰ কাৰণসমূহ উলিয়াই এইবোৰৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে কিদৰে সংবৰ্দ্ধন কৰিব পাৰি, সেই উদ্দেশ্য আগত ৰাখিয়ে আলোচনাটি প্ৰস্তুত কৰা হৈছে।

**০.৩ আলোচনাৰ পৰিসৰ ঃ**

আমাৰ এই আলোচনাত অসমৰ লোকবাদ্যসমূহৰ চমু পৰিচয় দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। লগতে এই বাদ্যযন্ত্ৰসমূহৰ অৱক্ষয় বা অৱলুপ্তিৰ কাৰণসমূহ উদ্ধাৰৰ চেষ্টা কৰা হৈছে। তাৰ উপৰিও অৱক্ষয় হ'বলৈ ধৰা লোকবাদ্যসমূহ উদ্ধাৰৰ প্ৰচেষ্টা, সংৰক্ষণৰ ব্যৱস্থা আদিৰ আলোচনাও সামৰি লোৱা হৈছে।

**০.৪ অধ্যয়ন পদ্ধতি ঃ**

প্ৰস্তাৱিত আলোচনাটি অধ্যয়নৰ সুবিধাৰ্থে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

**০.৫ তথ্য আহৰণৰ উৎস ঃ**

আলোচনাটি প্ৰস্তুত কৰিবৰ বাবে বিষয়ৰ লগত সংগতি থকা বিভিন্ন সমালোচনামূলক গ্ৰন্থৰ সহায় লোৱা হৈছে যদিও নিজস্ব যুক্তি বিচাৰেৰে সজাই তোলা হৈছে।

**১.০ অসমৰ লোক বাদ্যসমূহৰ চমু পৰিচিতি ঃ**

লোক সংস্কৃতিত অসম যেনেদৰে চহকী লোকবাদ্যতো তেনেদৰে চহকী। অতীতৰে পৰা অসমত বসবাস কৰি থকা অনেক জাতি-উপজাতি আৰু জনজাতীয় লোকসকলৰ কলা কৃষ্টিৰ সমন্বয়ত অসমীয়া বাৰেৰহণীয়া সংস্কৃতি গঢ়ি উঠিছে আৰু সেইসকলৰ কলা কৃষ্টিৰ বাদ্যযন্ত্ৰবোৰেও অসমীয়া লোক সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি ৰাখিছে।

অসমত সংগীত বিদ্যাৰ চৰ্চা অতি পুৰণি কালৰে পৰা চলি আহিছে। বৈদিক যুগৰ পৰা নৃত্যগীত বাদ্যৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়। নৰমেধ যজ্ঞ, অশ্বমেধ যজ্ঞ আদিত ব্যৱহৃত বাদ্যৰ উপৰিও ভগৱান শ্ৰীকৃষ্ণৰ হাতত বাঁহী, নাৰদৰ হাতত বীণ, সৰস্বতীৰ হাতত বীণা আৰু মহাদেৱৰ হাতৰ ডম্বৰুৱে সেই কথাকে প্ৰতিপন্ন কৰা দেখা যায়। প্ৰাক্ শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলিৰ 'ৰামায়ণ'ত আৰু যুদ্ধকাব্যৰ ৰচয়িতা হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' কাব্যতো বিভিন্ন বাদ্যযন্ত্ৰৰ নামোল্লেখ আছে। শঙ্কৰী যুগৰ বাদ্যযন্ত্ৰ ভিতৰত খুটিতাল, খমক, খোল, পাতিতাল, ভোৰতাল, মৃদাংগ আদি উল্লেখযোগ্য।

আহোম যুগত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্ব কালৰ থলুৱা বাঁহতলীয়া সংগীতেও ৰাজকীয় মৰ্যদা লাভ কৰিছে। এইগৰাকী ৰজাৰ দিনতে থলুৱা গীত-মাত চৰ্চা অব্যাহত ৰাখিবলৈ 'গায়নৰ বৰুৱা' বুলি বিষয় এটা সৃষ্টি কৰি তেওঁৰ অধীনত ঢুলীয়া, খুলীয়া, মৃদঙ্গীয়া, নেগেৰীয়া, কালীয়া, খুটিতালীয়া, নাচনীয়াৰ, বীনোৰা, পদগোৱা আদি খেল পাতিছিল। আহোম যুগতে অসমীয়াৰ হিয়াৰ আমঠু 'বিহু'ক ৰাজকীয় মৰ্যাদা প্ৰদান কৰে। ঢোল, তাল, গগনা, টকা, শিঙা, সুতলি আদি বাদ্যসমূহ বিহু নৃত্য-গীতৰ লগত সংগত কৰি নতুনত্বৰ জোৱাৰ আনে।

বাদ্যযন্ত্ৰৰ গঠন অনুসৰি ভাৰতীয় বাদ্যযন্ত্ৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। ভাৰতৰ নাট্যশাস্ত্ৰত এই চাৰিশ্ৰেণীৰ যন্ত্ৰ হ'ল ঃ

১। তত্ যন্ত্ৰ বা তাঁৰযুক্ত বাদ্য, যেনে- গীতাৰ, চেতাৰ, বীণ, পিনাক, বেহেলা, দোঁতোৰা, লাওটোকৰী ইত্যাদি।

২। অৱনদ্ধ অৰ্থাৎ ছালেৰে তৈয়াৰী বাদ্য, যেনে- ঢোল, খোল, মৃদঙ্গ, পখোৱাজ, জয়ঢাক, নাগাৰা ইত্যাদি।

৩। ঘন যন্ত্ৰ বা তাল জাতীয় বাদ্য, যেনে- বৰতাল, ভোৰতাল, খুটিতাল ইত্যাদি।

৪। সুষিৰ যন্ত্ৰ বা ফু দি বজোৱা বাদ্য, যেনে- বাঁহী, পেপা, শংখ, সুতলি, শিঙা ইত্যাদি।

এনেদৰে বাদ্যযন্ত্ৰবোৰক বজোৱা কৌশল, সজোৱা সামগ্ৰী আৰু প্ৰায়োগিক বৈশিষ্ট্যৰ ভিত্তিত বিভক্ত কৰি সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান আদিৰ লগত সংগত কৰা হয়। আনহাতে লোকেশ্বৰ গগৈয়ে 'অসমৰ লোক সংস্কৃতি' গ্ৰন্থত অসমৰ বাদ্যযন্ত্ৰবোৰক প্ৰধানত তিনিটা ভাগত বিভক্ত কৰি আলোচনা কৰিছে। যেনে-

**ধাতুবাদ্য ঃ** ধাতুৰ ব্যৱহাৰ কৰা সময়ত কাঁহ, তাল, ঘণ্টা, খঞ্জুৰী, টিলিঙা, জুনুকা, তৰোৱাল আদি ব্যদযন্ত্ৰৰ সৃষ্টি হয়।

**তাৰবাদ্য ঃ** টোকাৰী (লাও টোকাৰী), খমক, দোতোৰা, বীণ (জেমীসকলে 'ইনৰা', তাই-বৌদ্ধ জনগোষ্ঠীয়ে 'টিং', দেউৰাসকলে 'বীণ' আৰু মিচিংসকলে 'কেকুং' বোলে) আদি তাঁৰ বাদ্যৰ অন্তৰ্গত।

**ঘাতবাদ্য ঃ** ভাৰতীয় সংগীত শাস্ত্ৰত চৰ্ম আবৃত্ত বাদ্যযন্ত্ৰক অৱনদ্ধ অৰ্থাৎ ছালেৰে আবৃত্ত বাদ্য বা ঘাতবাদ্য বুলিও কোৱা হয়। এই ঘাতবাদ্যৰ ভিতৰত খোল, দবা, ডম্বৰু, ঢোল আদি ধৰা হৈছে। ঘাতবাদ্যৰ অন্তৰ্গত ঢোল অন্যতম এক বাদ্যযন্ত্ৰ। অসমৰ বিভিন্ন জাতি-ধৰ্ম সম্প্ৰদায়ে আনন্দ উৎসৱ আৰু বিভিন্ন অনুষ্ঠান আদিত ঢোলৰ ব্যৱহাৰ কৰা দেখা যায়। সাধাৰণতে আম, কঠাল, চাম গছৰ পৰা ঢোল সজা হয়। কেইবা প্ৰকাৰৰ ঢোলৰ ব্যৱহাৰ অসমত আছে। বৰঢোল বা জয়ঢোল, ঢেপাঢোল, সৰুঢোল বা বিহুঢোল ইত্যাদি ঢোলৰ প্ৰকাৰ।

পুৰণি সামাজিক প্ৰথা, বিশ্বাস, পূজা-পাৰ্বন, ক্ৰিয়া-কৰ্মৰ লগত এই লোকবাদ্যসমূহ সংগত কৰি অহা হৈছে। অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ নিজস্ব কলা সংস্কৃতিৰ স্বকীয় নাম আৰু ভিন্ন আকাৰৰ বাদ্যযন্ত্ৰ আছে। এই সকলো জাতি-জনগোষ্ঠীয় কলা কৃষ্টিৰ সমন্বয়ত অসমীয়া বাৰেৰহণীয়া সংস্কৃতিগঢ় লৈ উঠিছে আৰু তেওঁলোকৰ বিভিন্ন প্ৰকাৰৰ বাদ্যযন্ত্ৰই অসমীয়া লোক সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি তুলিছে।

**২.০ অৱক্ষয় আৰু ইয়াৰ প্ৰাসঙ্গিক কাৰণ ঃ**

অসমৰ লোক সমাজত প্ৰচলিত অনেক আচাৰ অনুষ্ঠান লোপ পোৱাৰ লগে লগে সেই অনুষ্ঠানসমূহৰ লগত সংগত ভালেমান বাদ্যযন্ত্ৰও লোপ পাব ধৰিছে। অৱশিষ্টখিনিও সময়ৰ বিৱৰ্তনৰ আৱক্ষয়িক অৱলুপ্তিৰ গৰাহত কক্‌বকাই আছে। অৱশ্যে ইয়াৰ ভালেমান কাৰণ আছে-

(ক) আধুনিক অসমীয়া সমাজৰ ৰংচঙীয়া ঢঙত লোক বাদ্যসমূহৰ ব্যৱহাৰ আৰু লোকসমাজত সেইবোৰৰ মৰ্যাদা দিনে দিনে কমি আহিছে।

(খ) নতুনত্বৰ প্ৰতি আকৰ্ষণেই পুৰণিকলীয়া বাদ্যযন্ত্ৰসমূহৰ প্ৰতি অনীহা আনি দিছে।

(গ) পাশ্চত্যৰ প্ৰতি অন্ধ অনুকৰণে সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাইছে।

(ঘ) আৰ্থিক অনাটন, বস্তু বাহানিৰ জুই ছাই দামে বাদ্য নিৰ্মাণ কৰা আৰু লোক অনুষ্ঠান জীয়াই ৰখাত অন্তৰায় হৈ পৰিছে।

(ঙ) উপযুক্ত বা প্ৰশিক্ষণপ্ৰাপ্ত কাৰিকৰৰ অভাৱেই লোক বাদ্যসমূহ তৈয়াৰ কৰা বা মেৰামতি কৰাত বাধাৰ সৃষ্টি কৰিছে।

(চ) লজ্জাবোধ, লোকবাদ্যসমূহৰ অৱক্ষয়ৰ আন এক কাৰণ। সমাজত শিক্ষিত লোকৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে লোকবাদ্যবোৰ লোকানুষ্ঠানত বজাবলৈ লাজ পোৱা হ'ল।

(ছ) শুদ্ধ পৰিৱেশনৰ অভাৱেও লোক বাদ্যসমূহৰ মৰ্যাদা হানিত অৰিহণা যোগাইছে।

(জ) বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়েও লোক বাদ্যসমূহৰ বিলুপ্তিত সহায় কৰিছে।

(ঝ) যুৱ প্ৰজন্মৰ মানসিকতাৰ অভাৱেও লোকবাদ্যৰ অৱক্ষয় সাধন কৰিছে।

(ঞ) সৰ্বশেষত অপসংস্কৃতি, সামাজিক ব্যাধি, ৰাজনৈতিক বাতাবৰণ আৰু শৈক্ষিক দিশৰ বিনষ্ট সাধানেও লোকবাদ্যসমূহৰ অৱক্ষয় সাধন কৰিছে।

আধুনিকতাৰ বশৱৰ্ত্তী হৈ মানুহে লোকবাদ্যসমূহ আঁতৰাই আধুনিক তথা পাশ্চত্যৰ যন্ত্ৰপাতিৰ মোহত আৱদ্ধ হৈ পৰিছে। আধুনিক যন্ত্ৰপাতিৰ সহায়ত পৰিবেশন কৰা আধুনিক সংগীতে লোকগীত তথা লোকবাদ্যসমূহ আঁতৰাই পেলাইছে। এনেদৰে জাতীয় সম্পদ অৱক্ষয়ৰ আগজাননীৰ প্ৰতি গুৰুত্ব আৰোপ কৰি লোক সংগীতক জীয়াই ৰখা আৰু লোকবাদ্যসমূহক সংৰক্ষণ কৰাৰ গুৰু দায়িত্ব নিশ্চয় প্ৰতিজন অসমীয়াৰে। ইয়াৰ যথাযথ ব্যৱস্থা হাতত ল'ব নোৱাৰিলে আমাৰ জাতীয় সম্পদযে এদিন কালৰ বুকুত হেৰাই যাব সি ধ্ৰুৱপ।

**৩.০ সংৰক্ষণ-সংবৰ্দ্ধনৰ ব্যৱস্থা গ্ৰহণ ঃ**

অসমৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ হ'লে অসমীয়া লোক সংস্কৃতিৰ আচাৰ অনুষ্ঠাবোৰৰ লগতে লোকবাদ্যসমূহৰো উদ্ধাৰ, সংৰক্ষণ নিত্যন্তই প্ৰয়োজন। কিন্তু ইয়াৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(ক) পশ্চিমৰ ৰংচঙীয়া ঢঙত ভোল নাযায় আমাৰ লোকবাদ্যসমূহৰ ব্যৱহাৰ আৰু মৰ্যাদা অক্ষুন্ন ৰাখিব লাগিব।

(খ) সময় গতিশীল, সমাজ পৰিবৰ্তনশীল হ'লেও সময়ৰ সোঁতত উটি গৈ পুৰণি আচাৰ আনুষ্ঠানবোৰ এৰি দিব নালাগিব। 'Old is gold' বাক্যশাৰী মনত ৰাখি আগবাঢ়িব লাগিব।

(গ) বাদ্যযন্ত্ৰ নিৰ্মাণ তথা কাৰিকৰী দিশৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসমীয়া সমাজৰ আৰ্থিক দুৰৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে আৰ্থিক সাহাৰ্য প্ৰদান কৰিব লাগিব।

(ঘ) লোকবাদ্যসমূহ লোক অনুষ্ঠানত বজাবলৈ লজ্জাবোধ নকৰি আমাৰ অসমৰ আপুৰুগীয়া সম্পদ বুলি গৌৰৱবোধ কৰিব লাগিব।

(ঙ) লোকবাদ্যসমূহ যাতে শুদ্ধবাৰে পৰিৱেশন কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(চ) যিবোৰ বাদ্যযন্ত্ৰ ইতিমধ্যে কালৰ গৰ্ভত হেৰাই গৈছে, সেইবোৰৰ পুনৰ উদ্ধাৰৰ ব্যৱস্থা কৰিব লাগে।

(জ) লোক সংগীতৰ অনুষ্ঠান কিছুমান সঘনে অনুষ্ঠিত কৰিব লাগিব। লোক সংগীত আৰু বাদ্যৰ কৰ্মশালা আদি পাতি মানুহৰ মন আকৰ্ষিত কৰিব পৰা যায়। এইক্ষেত্ৰত চৰকাৰ অথবা এন.জি.ও. (বেচৰকাৰী অনুষ্ঠান) আদিয়ে উদ্যোগ গ্ৰহণ কৰিব লাগিব।

(ঝ) গাৱে-ভূএও বিভিন্ন ধৰণৰ সাংস্কৃতিক প্ৰতিযোগিতামূলক অনুষ্ঠান পাতি নৱপ্ৰজন্মক আগ্ৰহী কৰি তুলিব পাৰিলে সুফল পোৱা যাব।

(ঞ) সম্প্ৰতি দুই এজন ব্যক্তিয়ে নিজস্বভাৱে গাঁৱৰ আগ্ৰহী ল'ৰা-ছোৱালীক বাদ্যযন্ত্ৰ পৰিবেশন সম্পৰ্কত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। আমি তেনে লোকৰ আগ্ৰহক সন্মান জনাই উৎসাহিত কৰিব লাগিব।

ওপৰোক্ত আটাইবোৰ ব্যৱস্থা গ্ৰহণ কৰিলেও লোকবাদ্য অথবা লোক সংস্কৃতিক জীয়াই ৰখাত সফল হ'ব পৰা নাযায়, যদিহে প্ৰতিজন অসমীয়াৰ মনত লোক মানসিকতা নাথাকে। আমি আমাৰ সংস্কৃতিক অন্তঃকৰণেৰে ভাল পাব লাগিব। তেতিয়াহে আমি আমাৰ সংস্কৃতিক জীয়াই ৰাখিব পাৰিম।

**৪.০ সামৰণি ঃ**

বৃহত্তৰ অসমৰ নিৰক্ষৰ হোজা গঞা ৰাইজেই অসমৰ মূলধন। এওঁবিলাকৰ সাংস্কৃতিক বিকাশেই প্ৰকৃততে অসমীয়া সংস্কৃতিৰ বিকাশ। সেয়েহে অসমৰ প্ৰতিগৰাকী জাতীয় মনোভাৱাপন্ন ব্যক্তিয়ে বুজিব লাগে যে গাওঁ অঞ্চলত কৃষিজীৱি মানুহৰ অৰ্থনৈতিক উন্নতিৰ মাজতেই লুকাই থাকে সাংস্কৃতিক ঐতিহ্য। ইয়াক বাস্তৱায়িত কৰিবলৈ হ'লে আমাৰ জাতীয় সম্পদ উদ্ধাৰ, সংৰক্ষণ, সংবৰ্দ্ধনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। খক্সমচেট আৰু গীতাৰৰ যৌনগন্ধী শিহৰণৰ মাজত আমাৰ মৰমৰ সেই মঘাই ওজাৰ ঢোলৰ চেও 'বেখুৰা' হ'বলৈ দিব নোৱাৰি। বৰঞ্চ কেনেকৈ ইয়াক বিশ্ব দৰবাৰলৈ লৈ যাব পাৰি, সেইটোহে বাস্তৱত ৰূপায়িত কৰাত মনোযোগ দিব লাগে।

সমাজৰ বিৱৰ্তনৰ লগে লগে অনেক ধৰ্মীয় সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগতে আমাৰ আপুৰুগীয়া লোকবাদ্যসমূহ অৱহেলিত হোৱা দেখা যায়। মানৱ সমাজৰ বিৱৰ্তনৰ ফলত কৃষ্টি কৰ্মৰাজি সংস্কৃতি কৰ্মলৈ উন্নীত হোৱাত লগে লগে লোকবাদ্যবোৰেও ক্ৰমোন্নতি আৰু ক্ৰমবিকাশ লাভ কৰিছে। কিন্তু অতি পৰিতাপৰ কথা যে এই ক্ৰমবিকাশেই লোকবাদ্যসমূহৰ অপমৃত্যুও ঘটাইছে। আজি আমি প্ৰতিজন অসমীয়াই দৃঢ় সংকল্প ল'ব লাগিব যাতে লোকবাদ্যৰ কেতিয়াও মৃত্যু নহয় বা হ'বলৈ নিদিও।

পৃথিৱীত মানুহ থাকে মানে লোকবাদ্যও থাকিব আৰু লোকসংস্কৃতিও সদায় সজীৱ হৈ ৰ'ব। এইটো ধ্ৰুৱপ যে মানুহ থাকিলে সমাজ থাকিব আৰু সমাজ থাকিলে বাদ্যযন্ত্ৰও সদায় সজীৱ হৈ থাকিব। পাশ্চাত্য বাদ্যযন্ত্ৰৰ যিমানেই ব্যৱহাৰ নহওক কিয় গ্ৰাম্য জীৱনত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰ কেতিয়াও লোপ নাপায়। অসমৰ লোকবাদ্য প্ৰতিজন অসমীয়াৰ হৃদয়ৰ পৰা স্বতঃস্ফুৰ্তভাৱে প্ৰকাশিত হোৱা বাদ্য কালৰ সোঁতত হয়তো লোপ পাব পাৰে, কিন্তু সম্পূৰ্ণৰূপে নিঃশেষ হৈ নাযায়। অসমৰ লোকবাদ্যত সুৰ, তাল, লয় চিৰদিন প্ৰবাহিত হৈ থাকিব। ❑

**প্ৰসঙ্গ পুথি ঃ**

১। কৰ্মকাৰ, সন্তোষ কুমাৰ ঃ সংস্কৃতি, সৃজন আৰু মনন, জ্যোতি প্ৰকাশন, ২০১৩।

২। গগৈ, লোকেশ্বৰ ঃ অসমৰ লোক সংস্কৃতি, ২০১১।

৩। গোস্বামী, ভৃগুমোহন ঃ সংস্কৃতি আৰু লোক সংস্কৃতি, চন্দ্ৰ প্ৰকাশ, ১৯৯৪।

৪। দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ (সম্পা.) ঃ অসমীয়া সংস্কৃতিৰ কণিকা, প্ৰকাশন গোট, প্ৰা.ম., ১৯৯৬।

৫। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া লোক সংস্কৃতি, বীণা লাইব্ৰেৰী, ১৯৬১।

৬। শৰ্মা, ৰবীন ঃ সাংস্কৃতিক সংবীক্ষণ, পুথি নিকেতন, গুৱাহাটী, ১৯৯৭।

# लेखकों से निवेदन

- द्विभाषी राष्ट्रसेवक में प्रकाशन हेतु पत्रिका की प्रकृति के अनुरूप भाषा, साहित्य, समाज, कला व संस्कृति विषयक लेख आमंत्रित हैं।
- अनूदित रचनाओं के संदर्भ में मूल लेखक की अनुमति/स्वीकृति अनिवार्य है।
- लेखक अपनी रचनाएँ केंद्रीय हिंदी निदेशालय द्वारा स्वीकृत मानक हिंदी यूनिकोड में 13 प्वाइंट में टंकित कराकर पत्रिका के ई-मेल : rastrasewak51@gmail.com पर अथवा स्पष्ट अक्षरों में लिखकर समिति कार्यालय के पते (मंत्री, असम राष्ट्रभाषा प्रचार समिति, रूपनगर, गुवाहाटी-781032, असम) पर भेजें।
- अस्वीकृत रचनाएँ लौटाई नहीं जाएँगी। अत: भेजी गई रचना की प्रति अपने पास अवश्य रखें।
- लेखक अपनी रचना के साथ अपना नाम, पदनाम, मोबाइल नं., ई-मेल, पूरा पता सहित एक पासपोर्ट साइज फोटो अवश्य भेजें।
- शोधपत्र की न्यूनतम शब्द-सीमा 2000 और अधिकतम 3000 होनी चाहिए और सार 150 से 200 शब्दों के भीतर होना चाहिए।
- असमीया भाषा में लिखे गए लेख को पेजमेकर फारमेट में गीतांजलि फंट, 12 प्वांइट में टाइप कराकर भेज सकते हैं।
- शोधपत्र के लेखन में एमएलए शैली का अनुपालन करना होग।
- शोधपत्र में क्रमश: शीर्षक, सार, प्रस्तावना, उद्देश्य, संसाधन/सामग्री, प्रविधि/पद्धति, क्षेत्र, मूल विषयवस्तु का विश्लेषण, परिणाम/उपलब्धियाँ, निष्कर्ष और उद्धृत कार्य शामिल होंगे।
- शोधपत्र की मौलिकता हेतु रचना के साथ घोषणा-पत्र संलग्न किया जाना आवश्यक है।
- लेखक अपनी तथ्यात्मक सटीकता के लिए पूरी तरह जिम्मेदार हैं।

## द्विभाषी राष्ट्रसेवक का सदस्यता प्र-पत्र

यहाँ से काटिए

नाम : ..............................................................................................

पदनाम : ..............................................................................................

पूरा पता : ..............................................................................................

: ..............................................................................................

ई-मेल : ........................................................ मोबाइल : ...........................

RTGS का विवरण : ..............................................................................................

### सदस्यता शुल्क

| *व्यक्तिगत* | | *संस्थागत* | |
|---|---|---|---|
| प्रति अंक | : रु. 100/- | प्रति अंक | : रु. 150/- |
| वार्षिक | : रु. 1000/- | वार्षिक | : रु. 1,500/- |
| आजीवन सदस्य | : रु. 10,000/- | | |

निर्धारित शुल्क मनीऑडर/डी.डी. के द्वारा असम राष्ट्रभाषा प्रचार समिति के नाम से समिति कार्यालय के पते पर भेजा जा सकता है। ऑनलाइन शुल्क निम्न विवरण के अनुसार भेजें :-

| | | |
|---|---|---|
| Name of Beneficiary | : | **Asom Rastrabhasha Prachar Samiti** |
| A/c No. | : | 551802010004619 |
| Name of Bank & Branch | : | **Union Bank of India**, Hatigaon Chariali, Dispur-781038 |
| IFS Code | : | UBIN0555185 |

अधिक जानकारी के लिए संपर्क करें -

डॉ. क्षीरदा कुमार शइकीया, मंत्री, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, डाक : इंद्रपुर, जिला : कामरूप महानगर, गुवाहाटी-781032 (असम), मो. 9101541380, ई-मेल : rastrasewak51@gmail.com

POSTAL REGISTRATION NO. GH/127/2022-24 ❖ Date of Publication : 31st July, 2024 ❖ RNI No. ASSBIL/2009/31008












































असम राष्ट्रभाषा प्रचार समिति, गुवाहाटी

*संपादकीय कार्यालय :*

प्रधान संपादक, द्विभाषी राष्ट्रसेवक, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, गुवाहाटी–781032

arpsguwahati.com rastrasewak51@gmail.com 9101541395/9101541380